# ভাৰতীয় দণ্ড সংহিতা

## (১৮৬০ৰ অধিনিয়ম সংখ্যা ৪৫)[১]

**[৬ অক্টোবৰ, ১৮৬০]**

### অধ্যায় - ১

#### প্ৰস্তাৱনা

প্ৰাৰম্ভিক। যিহেতু [২][ভাৰত] ৰ বাবে এখন সাধাৰণ দণ্ড সংহিতাৰ উপবন্ধ কৰাটো সমীচীন; গতিকে নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হৈছে ঃ

---

১। ভাৰতীয় দণ্ড সংহিতা, বেৰাৰ বিধি অধিনিয়ম, ১৯৪১ (১৯৪১ৰ ৪) ৰ দ্বাৰা বেৰাৰলৈ বিস্তাৰিত কৰা হৈছে আৰু নিম্নোক্ত বোৰত বলবৎ বুলি ঘোষিত হৈছে—

সন্থাল পৰগনাত, সন্থাল পৰগনা বন্দবস্তী বিনিয়ম (১৮৭২ ৰ ৩)ৰ ধাৰা ২ ৰ দ্বাৰা ; পান্থ পিপ্‌লোদাত, পান্থ পিপ্‌লোদা বিধি বিনিয়ম, ১৯২৯ (১৯২৯ ৰ ১), ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা;

খোণ্ডমল জিলাত, খোণ্ডমল বিধি বিনিয়ম, ১৯৩৬ (১৯৩৬ ৰ ৪), ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা, আৰু আঙ্গুল জিলাত, আঙ্গুল বিধি বিনিয়ম, ১৯৩৬ (১৯৩৬ ৰ ৫), ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা।

অনুসূচিত জিলা অধিনিয়ম, ১৮৭৪ (১৮৭৪ ৰ ১৪)ৰ ধাৰা ৩(ক)ৰ অধীনত ইয়াক নিম্নোক্ত জিলা সমূহত বলবৎ বুলি ঘোষণা কৰা হৈছে, অৰ্থাৎ সংযুক্ত প্ৰদেশ তৰাই জিলা সমূহ ভাৰতৰ ৰাজপত্ৰ, ১৮৭৬, খণ্ড ১, পৃষ্ঠা ৫০৫ চাওক ; হাজাৰিবাগ, লোহাৰডাগাৰ জিলা সমূহ (এতিয়া ৰাঁচী জিলা বুলি জ্ঞাত, কলিকতা ৰাজপত্ৰ ১৮৯৯, খণ্ড ১, পৃষ্ঠা ৪৪ চাওক) আৰু মানভূম আৰু পৰগনা।

চিংভূম জিলাৰ ধলভূম আৰু কোলাহন ভাৰতৰ ৰাজপত্ৰ ১৮৮১, খণ্ড ১, পৃষ্ঠা ৫০৪ চাওক।

একে অধিনিয়মৰ ধাৰা ৫ ৰ অধীনত ইয়াক লুচাই পাহাৰলৈ বিস্তাৰিত কৰা হৈছে। ভাৰতৰ ৰাজপত্ৰ ১৮৯৮, খণ্ড ২ , পৃষ্ঠা ৩৪৫ চাওক।

এই অধিনিয়মখন ১৯৬২ চনৰ বিনিয়ম ১২ ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা গোৱা, দমন আৰু দিউলৈ ১৯৬৩ ৰ বিনিয়ম ৬ৰ ধাৰা ২ আৰু অনুসূচী ১ৰ দ্বাৰা দাদৰা আৰু নগৰ হাভেলি লৈ;

১৯৬৩ ৰ বিনিয়ম ৭ৰ ধাৰা ৩ আৰু অনুসূচী ১ ৰ দ্বাৰা পণ্ডিচেৰীলৈ আৰু ১৯৬৫ ৰ বিনিয়ম ৮ ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা লাক্ষাদ্বীপ, মিনিকয় আৰু আমিনদিভি দ্বীপপুঞ্জলৈ বিস্তাৰিত কৰা হৈছে।

২। "বৃটিছ ভাৰত" শব্দ সমূহ ক্ৰমাগতভাৱে অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ, ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধি নিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত মতে পঠিত হবলৈ প্ৰতিস্থাপিত হৈছে।

**সংহিতাখনৰ নাম আৰু ইয়াৰ প্ৰৱৰ্ত্তনৰ বিস্তাৰ।**

১। এই অধিনিয়মখন ভাৰতীয় দণ্ড সংহিতা বুলি অভিহিত হ'ব আৰু ইয়াৰ [১][বিস্তাৰ [২][জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে] সমগ্ৰ ভাৰততে হব।]

**ভাৰতৰ ভিতৰত সংঘটিত অপৰাধ সমূহৰ দণ্ড।**

২। প্ৰত্যেক ব্যক্তি এই সংহিতাৰ উপবন্ধ সমূহৰ প্ৰতিকূলে কৰা প্ৰত্যেক কাৰ্য্য বা ক্ৰটিৰ বাবে, যাৰ বাবে তেওঁ [৩][ভাৰত] ৰ [৪]x x x ভিতৰত দোষী হব, এই সংহিতাখনৰ অধীনত দণ্ডনীয় হব, অন্যথা নহয়।

**ভাৰতৰ বাহিৰত সংঘটিত অপৰাধ সমূহ কিন্তু যিবোৰৰ বিচাৰ বিধিৰ দ্বাৰা ভাৰতৰ ভিতৰত কৰিব পাৰি তাৰ বাবে দণ্ড।**

৩। কোনো ব্যক্তি যিজন [৫][ভাৰত]ৰ বাহিৰত সংঘটিত কোনো অপৰাধৰ বাবে [৬][ভাৰতীয় বিধি]ৰ দ্বাৰা বিচাৰৰ বাবে দায়ী হয়, তেওঁক [৫][ভাৰত]ৰ বাহিৰত সংঘটিত কোনো কাৰ্য্যৰ বাবে এই সংহিতাৰ উপবন্ধ সমূহ অনুসাৰে সেই একে ৰীতিৰে বিচাৰ কৰা হ'ব যেনিবা এনে কাৰ্য্য [৫][ভাৰত]ৰ ভিতৰত সংঘটিত হৈছিল।

**ৰাজ্য ক্ষেত্ৰাতীত অপৰাধবোৰৰ ক্ষেত্ৰতো সংহিতাৰ বিস্তাৰ।**

[৭][৪। এই সংহিতাৰ উপবন্ধসমূহ নিম্নোক্ত ব্যক্তিয়ে সংঘটিত কৰা যিকোনো অপৰাধৰ ক্ষেত্ৰতো প্ৰয়োগ হব—

[৮][(১) ভাৰতৰ পৰা দূৰত আৰু বাহিৰত যিকোনো স্থানত; কোনো ভাৰতীয় নাগৰিক ;

(২) ভাৰতৰ ভিতৰত য'তেই হওঁক পঞ্জীয়নভুক্ত হোৱা কোনো জাহাজ বা বিমানত থকা কোনো ব্যক্তি।]

[৯][(৩) ভাৰতবৰ্ষত অৱস্থিত এটা কম্পিউটাৰ সম্পদাক লক্ষ্য স্থিৰ কৰি ভাৰতবৰ্ষৰ বাহিৰত বা ভাৰতবৰ্ষ পাৰ হৈ কোনো স্থানত অপৰাধ সংঘটন কৰা কোনো ব্যক্তি।]

[১০][**স্পষ্টীকৰণ** (ক) - এই ধাৰাত "অপৰাধ" শব্দই ভাৰত ৰ বাহিৰত সংঘটিত প্ৰত্যেক কাৰ্য্যকেই অন্তৰ্ভুক্ত কৰে, যিটো যদি ভাৰতৰ ভিতৰত সংঘটিত হ'লহেঁতেন, এই সংহিতাৰ অধীনত দণ্ডনীয় হ'লহেঁতেন।

২০০০ ৰ ২১

(খ) "কম্পিউটাৰ সম্পদা" অভিব্যক্তিৰ, তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ (২০০০ৰ২১)ৰ ধাৰা ২ৰ উপধাৰা (১) খণ্ড (ট)ত ইয়ালৈ আৰোপিত কৰা দৰে অৰ্থ থাকিব।]

---

১। মূল শব্দসমূহ ক্ৰমাগতভাবে ১৮৯১ চনৰ ১২ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১, অনুকূলন আদেশ, ১৯৩৭, অনুকূলন আদেশ, ১৯৪৮ আৰু অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা উপৰোক্তমতে পঠিত হবলৈ সংশোধিত হৈছে।

২। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা (ভাগ খ ৰাজ্যসমূহৰ ব্যতিৰেকে)ৰ বাবে প্ৰতিষ্ঠাপিত।

৩। মূল শব্দসমূহ, "উক্ত ৰাজ্যক্ষেত্ৰসমূহ" ক্ৰমাগত ভাবে অনুকূলন আদেশ, ১৯৩৭, অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ, ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত মতে পঠিত হবলৈ সংশোধিত কৰা হৈছে।

৪। ১৮৯১ চনৰ ১২ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা ১৮৬১ চনৰ উক্ত পহিলা মে'ত বা তাৰ পিছত "শব্দ আৰু সংখ্যা সমূহ নিৰসিত কৰা হৈছে।

৫। মূল শব্দসমূহ "উক্ত ৰাজ্যক্ষেত্ৰসমূহৰ সীমা" অনুকূলন আদেশ, ১৯৩৭, অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ, ১৯৫০ আৰু ১৯৫১ ৰ ৩নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্তৰূপে পঠিত হবলৈ ক্ৰমাগতভাৱে সংশোধিত কৰা হৈছে।

৬। অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা "সপৰিষদ ভাৰতৰ গভৰ্ণৰ জেনেৰেলৰ দ্বাৰা পাৰিত বিধি"ৰ বাবে প্ৰতিষ্ঠাপিত।

৭। ১৮৯৮ চনৰ ৪নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা মূলধাৰাৰ বাবে প্ৰতিষ্ঠাপিত।

৮। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা খণ্ডসমূহ (১ ৰ পৰা ৪)ৰ বাবে প্ৰতিষ্ঠাপিত।

৯। তথ্য প্ৰযুক্তিবিজ্ঞান (সংশোধন) অধিনিয়ম ২০০৮ (২০০৯ ৰ ১০)ৰ ধাৰা ৫১ৰ দ্বাৰা অন্তৰ্ষ্ঠাপিত।

১০। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম ২০০৮ (২০০৯ৰ ১০)ৰ ধাৰা ৫১ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

[1] দৃষ্টান্ত

[1] x x x x, [3][যিয়েই [4][এজন ভাৰতীয় নাগৰিক] "ক"ই ইউগাণ্ডাত এটা নৰহত্যা সংঘটিত কৰিলে। তেওঁক নৰহত্যাৰ বাবে [5][ভাৰত]ৰ যিকোনো স্থানত য'তেই তেওঁক পোৱা হয় বিচাৰ কৰিব আৰু দোষী সাব্যস্ত কৰিব পৰা যাব।

[6] x x x x

কিছুমান নিৰ্দিষ্ট বিধি এই অধিনিয়মৰ দ্বাৰা প্ৰভাৱিত নহ'ব।

[7][৫। এই অধিনিয়মৰ একোৱেই ভাৰত চৰকাৰৰ সেৱাত থকা পদাধিকাৰী, সেনা, নৌ-সেনা বা বায়ু-সেনা সমূহৰ বিদ্ৰোহ আৰু অভিত্যাজনৰ বাবে দণ্ড বিহিবলৈ কৰা কোনো অধিনিয়মৰ উপবন্ধসমূহ বা কোনো বিশেষ বা স্থানীয় বিধিৰ উপবন্ধসমূহক প্ৰভাৱিত নকৰিব।]

## অধ্যায় - ২

### সাধাৰণ স্পষ্টীকৰণ

সংহিতাত পৰিভাষাসমূহ ব্যতিক্ৰমবোৰৰ সাপেক্ষে বুজিব লাগিব।

৬। এই সংহিতাৰ সৰ্বত্ৰ অপৰাধৰ প্ৰত্যেক পৰিভাষা, প্ৰত্যেক দণ্ড উপবন্ধ আৰু এনে প্ৰত্যেক পৰিভাষা বা দণ্ড উপবন্ধৰ প্ৰত্যেক দৃষ্টান্ত "সাধাৰণ ব্যতিক্ৰম" শীৰ্ষক অধ্যায়টোৰ অন্তৰ্গত ব্যতিক্ৰমসমূহৰ সাপেক্ষেহে বুজিব লাগিব, যদিও সেই ব্যতিক্ৰমসমূহ তেনে পৰিভাষা, দণ্ড উপবন্ধ বা দৃষ্টান্তটোত দোহাৰা নাই।

দৃষ্টান্ত

(ক) এই সংহিতাৰ ধাৰাবোৰত, যিবোৰত অপৰাধসমূহৰ পৰিভাষা অন্তৰ্বিষ্ট কৰা হৈছে, এনেকৈ ব্যক্ত কৰা হোৱা নাই যে সাত বছৰতকৈ কম বয়সৰ শিশু এটিয়ে তেনে অপৰাধসমূহ সংঘটিত কৰিব নোৱাৰে, কিন্তু পৰিভাষাসমূহ এই সাধাৰণ ব্যতিক্ৰমটোৰ সাপেক্ষেহে বুজিব লাগিব যিটোৰ দ্বাৰা উপবন্ধ কৰা হৈছে যে এনে একোৱেই অপৰাধ নহয় যিটো সাত বছৰতকৈ কম বয়সৰ শিশুৱে কৰিছে।

(খ) আৰক্ষী পদাধিকাৰী "ক" ই পৰোৱানা নোহোৱাকৈ "য" যিয়ে নৰহত্যা সংঘটিত কৰিছে, তেওঁক কৰায়ত্ব কৰিছে। ইয়াত "ক" সদোষ পৰিৰোধ এই অপৰাধটোৰ বাবে দোষী নহয়; কাৰণ তেওঁ "য"ক কৰায়ত্ব কৰিবলৈ বিধিৰ দ্বাৰা আবদ্ধ আৰু সেই বাবে গোচৰটো সাধাৰণ ব্যতিক্ৰমৰ অন্তৰ্গত হৈছে যাৰ দ্বাৰা উপবন্ধ কৰা হৈছে যে "এনে একোৱেই অপৰাধ নহয় যিটো এনে এজন ব্যক্তিৰ দ্বাৰা কৰা হৈছে যিজন এইটো কৰিবলৈ বিধিৰ দ্বাৰা আবদ্ধ।"

---

১। ১৯৫৭ৰ ৩৬ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচী ২ ৰ দ্বাৰা "দৃষ্টান্ত"ৰ বাবে প্ৰতিষ্ঠাপিত।

২। একে অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচী ২ৰ দ্বাৰা বন্ধনীসমূহ আৰু আখৰ "(ক)" লোপ কৰা হৈছে।

৩। অনুকূলন আদেশ, ১৯৪৮ ৰ দ্বাৰা "কোনো কুলী যিজন ভাৰতীয় মূল নাগৰিক"ৰ কাৰণে প্ৰতিষ্ঠাপিত।

৪। অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা "ভাৰতীয় অধিবাসৰ কোনো বৃটিছ নাগৰিক"ৰ বাবে প্ৰতিষ্ঠাপিত।

৫। "বৃটিছ ভাৰত" শব্দসমূহ অনুকূলন আদেশ ১৯৪৮, অনুকূলন আদেশ ১৯৫০ আৰু ১৯৫১ ৰ ৩নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্তৰূপে পঠিত হ'বলৈ ক্ৰমাগতভাৱে সংশোধিত কৰা হৈছে।

৬। একে অনুকূলন আদেশৰ দ্বাৰা দৃষ্টান্তসমূহ (খ), (গ) আৰু (ঘ) লোপ কৰা হৈছে।

৭। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা মূল ধাৰাৰ বাবে প্ৰতিষ্ঠাপিত।

এবাৰ স্পষ্টীকৰণ দিয়া অভিব্যক্তিৰ ভাব।

৭। প্ৰত্যেক অভিব্যক্তি যাৰ বিষয়ে এই সংহিতাখনৰ যিকোনো ভাগত স্পষ্টীকৰণ দিয়া হৈছে, সেইটো এই সংহিতাখনৰ প্ৰতিটো ভাগত সেই স্পষ্টীকৰণ অনুসৰি ব্যৱহাৰ কৰা হৈছে।

লিঙ্গ।

৮। পুংলিঙ্গ বাচক শব্দ য'তেই ব্যৱহাৰ কৰা হৈছে, যিবিলাকে পুৰুষেই হওঁক বা, স্ত্ৰীয়েই হওঁক, প্ৰত্যেক ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য হব।

বচন।

৯। প্ৰসঙ্গত প্ৰতিকূল প্ৰতীয়মান নহলে, এক বচন বুজোৱা শব্দবোৰে বহু বচনকো অন্তৰ্ভুক্ত কৰিব আৰু বহু বচন বুজোৱা শব্দবোৰে এক বচনকো অন্তৰ্ভুক্ত কৰিব।

পুৰুষ। "স্ত্ৰী"

১০। "পুৰুষ" শব্দই যিকোনো বয়সৰ পুৰুষ মানুহ এজনক বুজায়; "স্ত্ৰী" শব্দই যিকোনো বয়সৰ নাৰী এজনীক বুজায়।

"ব্যক্তি"

১১। "ব্যক্তি" শব্দই নিগমিত হওঁকেই বা নহওঁকেই কোনো কোম্পানী বা ব্যক্তিসমূহৰ সন্থা বা ব্যক্তিসকলৰ নিকায়ক অন্তৰ্ভুক্ত কৰে।

"লোক"

১২। "'লোক" শব্দই লোকৰ যি কোনো শ্ৰেণী বা যিকোনো সম্প্ৰদায়ক অন্তৰ্ভুক্ত কৰে।

১৩। [ৰাজৰাণীৰ পৰিভাষা] অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা নিৰসিত।

"চৰকাৰৰ সেৱক"

[১][১৪। "চৰকাৰৰ সেৱক" শব্দবোৰে চৰকাৰৰ প্ৰাধিকাৰৰ দ্বাৰা বা তাৰ অধীনত ভাৰতত ৰখা, নিযুক্ত ৰখা বা নিয়োজিত কৰা যিকোনো পদাধিকাৰী বা সেৱকক বুজায়।]

১৫। ["বৃটিছ ভাৰত"ৰ পৰিভাষা] অনুকূলন আদেশ, ১৯৩৭] ৰ দ্বাৰা নিৰসিত।

১৬। ["ভাৰত চৰকাৰ"ৰ পৰিভাষা] পূৰ্বোক্তৰ দ্বাৰা, নিৰসিত।

"চৰকাৰ"

[১][১৭। "চৰকাৰ" শব্দই কেন্দ্ৰীয় চৰকাৰক বা কোনো [২] x x x ৰাজ্যৰ চৰকাৰক বুজায়।]

"ভাৰত"

[৩][১৮। "ভাৰত" মানে জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে ভাৰতৰ ৰাজ্যক্ষেত্ৰ।]

"ন্যায়াধীশ"

১৯। "ন্যায়াধীশ" শব্দই শাসকীয় ভাৱে, ন্যায়াধীশ ৰূপে অভিহিত কৰা কেৱল এনে প্ৰত্যেক ব্যক্তিকেই নুবুজায়, কিন্তু এনে প্ৰত্যেক ব্যক্তিকো বুজায়,

যিজন, চিভিল বা দাণ্ডিক, যিকোনো বিধিক কাৰ্য্যবাহীত এটা নিশ্চায়ক নিৰ্ণয় বা এনে এটা নিৰ্ণয় যিটো দিবলৈ বিধিৰ দ্বাৰা ক্ষমতাৰ্পিত হৈছে, তাৰ বিৰুদ্ধে আপীল নকৰা হলে নিশ্চায়ক হ'লহেতেন, বা এনে এটা নিৰ্ণয় যিটো আন কোনো প্ৰাধিকাৰীৰ দ্বাৰা সুদৃঢ় কৰা হলে নিশ্চায়ক হ'লহেতেন, বা

যিজন ব্যক্তিসকলৰ নিকায়ৰ এজন, যি ব্যক্তিসকলৰ নিকায় এনে এটা নিৰ্ণয় দিবলৈ বিধিৰ দ্বাৰা ক্ষমতাৰ্পিত হৈছে।

দৃষ্টান্ত

(ক) ১৮৫৯ ৰ অধিনিয়মৰ ১০ৰ অধীনত এটা বাদত অধিকাৰিতা প্ৰয়োগ কৰা সমাহৰ্তা এজন ন্যায়াধীশ।

---

১। অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা মূল ধাৰাৰ বাবে প্ৰতিস্থাপিত।

২। ১৯৫১ চনৰ ৩নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "ভাগ ক" শব্দ আৰু আখৰ লোপ কৰা হৈছে।

৩। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা ধাৰাৰ বাবে প্ৰতিস্থাপিত যিটো অনুকূলন আদেশ, ১৯৫০ৰ, দ্বাৰা অন্তঃস্থাপিত কৰা হৈছিল। মূলধাৰা ১৮ অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা নিৰসিত হৈছে।

(খ) কোনো অভিযোগ সম্পৰ্কে, যাৰ বাবে জৰিমনা বা কাৰাবাসেৰে দণ্ড বিহিবলৈ তাৰ আপীল সহ ই হওঁকেই বা নহওঁকেই অধিকাৰিতা প্ৰয়োগ কৰা দণ্ডাধীশ, ন্যায়াধীশ।

(গ) মাদ্ৰাজ সংহিতাৰ বিনিয়ম [1]VII, ১৮১৬ৰ অধীনত বাদৰ বিচাৰ আৰু অৱধাৰণ কৰিবলৈ ক্ষমতা থকা পঞ্চায়তৰ সদস্য ন্যায়াধীশ।

(ঘ) অভিযোগ এটাৰ সম্পৰ্কত অধিকাৰিতা প্ৰয়োগ কৰা এজন দণ্ডাধীশ যি বিষয়ত তেওঁ কেবল আন এখন ন্যায়ালয়লৈ বিচাৰৰ বাবে ছোপৰ্দ্দ কৰিবলৈহে ক্ষমতাবান, ন্যায়াধীশ নহয়।

"ন্যায়ালয়"

২০। "ন্যায়ালয়" শব্দই এজন ন্যায়াধীশ, যিজনক কেবল ন্যায়িক ৰূপে কাৰ্য্য কৰিবলৈহে বিধিৰ দ্বাৰা ক্ষমতাৰ্পিত কৰা হৈছে, বা ন্যায়াধীশ সকলৰ এটা নিকায়ক বুজায়, যিটোক এটা নিকায় হিচাপে ন্যায়িক ৰূপে কাৰ্য্য কৰিবলৈ বিধিৰ দ্বাৰা ক্ষমতাৰ্পিত কৰা হৈছে, যেতিয়া তেনে ন্যায়াধীশ বা ন্যায়াধীশসকলৰ নিকায়টোৱে ন্যায়িক ভাৱে কাৰ্য্য কৰে।

### দৃষ্টান্ত

বাদৰ বিচাৰ আৰু অৱধাৰণ কৰিবলৈ ক্ষমতাৰ্পিত, মাদ্ৰাজ সংহিতাৰ বিনিয়ম VII ১৮১৬ৰ অধীনত কাৰ্য্য কৰা এখন পঞ্চায়ত, এখন ন্যায়ালয়।

"লোকসেৱক"

২১। "লোকসেৱক" শব্দ সমূহে ইয়াত ইয়াৰ পিছত দিয়া বৰ্ণনাবোৰৰ যি কোনোটোত পৰা কোনো ব্যক্তিক বুজায় অৰ্থাৎ ঃ

[2]X X X X

**দ্বিতীয়**- [3][ভাৰত]ৰ সেনা, [4][নৌ সেনা বা বায়ু সেনা] বাহিনীৰ প্ৰত্যেক কমিচনও পদাধিকাৰী;

[5][**তৃতীয়**- প্ৰত্যেক ন্যায়াধীশ, যাৰ অন্তৰ্গত হব কোনো ব্যক্তি যিজনে যি কোনো ন্যায় নিৰ্ণায়ক কৃত্য নিজেই হওক বা নিৰ্বহন কৰিবলৈ ব্যক্তি সকলৰ কোনো নিকায়ৰ সদস্য ৰূপেই হওক নিৰ্বহন কৰিবলৈ বিধিৰ দ্বাৰা ক্ষমতাৰ্পিত হয়;]

চতুৰ্থ ন্যায়ালয়ৰ প্ৰত্যেক পদাধিকাৰী [6][যাৰ অন্তৰ্গত হব সমাপক, ৰিচিভাৰ বা কমিচনাৰ] এনে পদাধিকাৰী হোৱাৰ কাৰণে কোনো বিধি বা তথ্যৰ বিষয় সম্পৰ্কে যাৰ কৰ্ত্তব্য হব, অনুসন্ধান কৰা

---

১। মাদ্ৰাজ চিভিল ন্যায়ালয় অধিনিয়ম, ১৮৭৩ (১৮৭৩ৰ ৩)ৰ দ্বাৰা নিৰসিত।

২। অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা প্ৰথম খণ্ডটো লোপ কৰা হৈছে।

৩। অনুকূলন আদেশ, ১৯৩৭, অনুকূলন আদেশ, ১৯৪৮ আৰু অনুকূলন আদেশ ১৯৫০ ৰ দ্বাৰা ক্ৰমাগতভাৱে মূল শব্দসমূহ "ৰাণী যি ভাৰত চৰকাৰ বা কোনো চৰকাৰৰ অধীনত সেৱাৰতা" উপৰোক্তমতে পঠিত হবলৈ সংশোধিত হৈছে।

৪। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ৰ দ্বাৰা "বা নৌ সেনা"ৰ বাবে প্ৰতিষ্ঠাপিত।

৫। ১৯৬৪ চনৰ ৪০ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা পূৰ্বৰ খণ্ডৰ বাবে প্ৰতিষ্ঠাপিত।

৬। পূৰ্বোক্ত অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

বা প্ৰতিবেদন দিয়া, বা কোনো দস্তাবেজ প্ৰস্তুত কৰা, অধিপ্ৰমাণিত কৰা বা ৰখা, বা কোনো সম্পত্তিৰ ভাৰ গ্ৰহণ কৰা বা নিষ্পত্তি কৰা, বা কোনো ন্যায়িক আদেশিকাৰ নিষ্পাদন কৰা, বা কোনো শপত গ্ৰহণ কৰোৱা, বা নিৰ্বাচন কৰা, বা ন্যায়ালয়ত শৃংখলা ৰক্ষা কৰা, আৰু এনে প্ৰত্যেক ব্যক্তি যি এনে কৰ্তব্যবোৰৰ যি কোনোটো সম্পাদন কৰিবলৈ ন্যায়ালয়ৰ দ্বাৰা বিশেষভাৱে প্ৰাধিকৃত হয় ;

**পঞ্চম**- — কোনো ন্যায়ালয়ক বা লোকসেৱকক সহায়তা কৰা প্ৰত্যেক জুৰি সদস্য, পৰামৰ্শদাতা (এচেছৰ) বা পঞ্চায়তৰ সদস্য ;

**ষষ্ঠ** — প্ৰত্যেক মধ্যস্থ বা আন ব্যক্তি যাৰ প্ৰতি কোনো গোচৰ বা বিষয় কোনো ন্যায়ালয়ৰ দ্বাৰা বা কোনো সক্ষম লোক প্ৰাধিকাৰীৰ দ্বাৰা বিনিশ্চয় বা প্ৰতিবেদনৰ বাবে নিৰ্দেশিত কৰা হৈছে ;

**সপ্তম**-- প্ৰত্যেক ব্যক্তি যিজনে কোনো পদ ধাৰণ কৰে যাৰ বলত তেওঁ কোনো ব্যক্তিক পৰিৰোধ কৰিবলৈ বা পৰিৰোধ কৰি ৰাখিবলৈ ক্ষমতাৰ্পিত হৈছে ;

**অষ্টম** — [1][চৰকাৰ]ৰ প্ৰত্যেক পদাধিকাৰী এনে পদাধিকাৰী হোৱাৰ কাৰণে যাৰ কৰ্তব্য হব অপৰাধ নিবাৰণ কৰা, অপৰাধবোৰৰ সংবাদ দিয়া, অপৰাধী সকলক ন্যায়ৰ বাবে উপস্থিত কৰা বা জন স্বাস্থ্য, সুৰক্ষা বা সুবিধা সংৰক্ষণ কৰা;

**নৱম**-- প্ৰত্যেক পদাধিকাৰী এনে পদাধিকাৰী ৰূপে যাৰ কৰ্তব্য হব চৰকাৰৰ হকে কোনো সম্পত্তি লোৱা, গ্ৰহণ কৰা, ৰখা বা ব্যয় কৰা, বা [1][চৰকাৰ]ৰ হকে কোনো জৰীপ, কৰ নিৰ্দ্ধাৰণ বা সংবিদা কৰা বা ৰাজহ আদেশিকা নিষ্পাদন কৰা [1][চৰকাৰ]ৰ আৰ্থিক স্বাৰ্থৰ ওপৰত প্ৰভাৱ পেলোৱা যিকোনো বিষয়ৰ অনুসন্ধান কৰা, বা তাৰ প্ৰতিবেদন দিয়া, বা [1][চৰকাৰ]ৰ আৰ্থিক স্বাৰ্থ সম্বন্ধীয় কোনো দস্তাবেজ প্ৰস্তুত কৰা, অধিপ্ৰমাণিত কৰা বা ৰখা বা [1][চৰকাৰ]ৰ আৰ্থিক স্বাৰ্থ সংৰক্ষণ সংক্ৰান্ত কোনো বিধিৰ উলংঘন নিবাৰণ কৰা;। [2]x x x

**দশম**-- প্ৰত্যেক পদাধিকাৰী এনে পদাধিকাৰী ৰূপে যাৰ কৰ্তব্য হব কোনো গাৰ্ড, নগৰ বা জিলাৰ কোনো ধৰ্ম নিৰপেক্ষ সাধাৰণ প্ৰয়োজনৰ বাবে কোনো সম্পত্তি লোৱা, গ্ৰহণ কৰা, ৰখা বা ব্যয় কৰা, কোনো জৰীপ কৰা বা কৰ নিৰ্দ্ধাৰণ কৰা, বা কোনো অভিকৰ বা কৰ উদগ্ৰহণ কৰা, বা কোনো গাৰ্ড, নগৰ বা জিলাৰ লোকসকলৰ অধিকাৰসমূহ অভিনিশ্চিত কৰিবলৈ কোনো দস্তাবেজ প্ৰস্তুত কৰা, অধিপ্ৰমাণিত কৰা, বা ৰখা;

[3][**একাদশ**- প্ৰত্যেক ব্যক্তি যিজনে এনে কোনো পদ ধাৰণ কৰিছে যাৰ বলত তেওঁক নিৰ্বাচক নামাৱলী প্ৰস্তুত, প্ৰকাশ, সংৰক্ষণ বা সংশোধন কৰিবলৈ বা কোনো নিৰ্বাচন বা নিৰ্বাচনৰ অংশ পৰিচালনা কৰিবলৈ ক্ষমতাৰ্পিত কৰা হৈছে;]

[4][**দ্বাদশ**- প্ৰত্যেক ব্যক্তি —

(ক) যিজন চৰকাৰৰ সেৱাত বা বেতনভোগী হৈ আছে বা যিজনক কোনো লোক দায়িত্ব সম্পাদনৰ বাবে চৰকাৰৰ দ্বাৰা মাচুল বা কমিচনেৰে পাৰিশ্ৰমিক দিয়া হৈছে ;

(খ) যিজন কোনো স্থানীয় প্ৰাধিকাৰী, কেন্দ্ৰীয়, প্ৰাদেশিক বা ৰাজ্যিক অধিনিয়মৰ দ্বাৰা বা তাৰ অধীনত স্থাপিত নিগম বা কোম্পানী অধিনিয়ম, ১৯৫৬ৰ ধাৰা ৬১৭ত পৰিভাষিত ৰূপে কোনো চৰকাৰী কোম্পানীৰ সেৱাৰত বা বেতনভোগী।

---

১। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "ক্ৰাউন" শব্দৰ কাৰণে "চৰকাৰ" শব্দ প্ৰতিষ্ঠাপিত যিটো অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত কৰা হৈছিল।

২ । ১৯৬৪ চনৰ ৪০ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট শব্দ লোপ কৰা হৈছে।

৩। ১৯২০ চনৰ ৩৯ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

৪। ১৯৬৪ চনৰ ৪০ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

দৃষ্টান্ত

পৌৰ আয়ুক্ত লোকসেৱক

**স্পষ্টীকৰণ** ১ – উপৰোক্ত বৰ্ণনা বিলাকৰ যি কোনোটোৰ অধীনস্থ ব্যক্তিসকল, চৰকাৰৰ দ্বাৰা নিযুক্ত কৰাই হওঁক বা নহওঁক, লোকসেৱক।

**স্পষ্টীকৰণ** ২ "লোকসেৱক" শব্দ সমূহ য'তেই নাথাকক সেইবোৰে প্ৰত্যেক ব্যক্তিৰ বিষয়ে বুজাব যিজন লোকসেৱক এজনৰ স্থিতিত বাস্তৱিক ভাৱে দখলত থাকে, তেনে স্থিতিত থাকিবলৈ তেওঁৰ অধিকাৰৰ যি ধৰণৰ অধিক ত্ৰুটী নাথাকক।

[1][**স্পষ্টীকৰণ** ৩ – "নিৰ্বাচন" শব্দই কোনো বিধান সভা, পৌৰ সভা বা আন লোক প্ৰাধিকাৰীৰ সদস্যসকলৰ বাছনিৰ বাবে কৰা যি প্ৰকৃতিৰে নহওঁক নিৰ্বাচন বুজায়, যিটোৰ বাছনি পদ্ধতি নিৰ্বাচন যোগে হব বুলি কোনো বিধিৰ দ্বাৰা বা তাৰ অধীনত বিহিত কৰা হৈছে।

[2]X X X

"অস্থাৱৰ সম্পত্তি"

২২। "অস্থাৱৰ সম্পত্তি" শব্দ সমূহে পৃথিৱীৰ লগত সংলগ্ন ভূমি আৰু বস্তু বা পৃথিৱীৰ লগত সংলগ্ন যি কোনো বস্তুৰ লগত স্থায়ীভাৱে সংবদ্ধ বস্তুৰ বাহিৰে আন প্ৰত্যেকটো বৰ্ণনাৰ মূৰ্ত্ত সম্পত্তিকেই অন্তৰ্ভুক্ত কৰে বুলি অভিপ্ৰেত হৈছে।

"সদোষলাভ"

২৩। "সদোষ লাভ" মানে বিধি বিৰুদ্ধ উপায়ে হোৱা সম্পত্তিৰ লাভ যাৰ প্ৰতি জন ব্যক্তি বৈধ ভাৱে হকদাৰ নহয়।

"সদোষ হানি"

"সদোষ হানি" মানে বিধি বিৰুদ্ধ উপায়ে হোৱা সম্পত্তিৰ হানি, যাৰ প্ৰতি হানি হোৱা ব্যক্তিজন বৈধ ভাৱে হকদাৰ।

সদোষভাৱে লাভ কৰা।

কোনো ব্যক্তিয়ে সদোষ ভাৱে লাভ কৰা বুলি কোৱা হয় যেতিয়া তেনে ব্যক্তিয়ে সদোষ ভাৱে প্ৰতি ধাৰণ কৰে আৰু যেতিয়া তেনে ব্যক্তিয়ে সদোষ ভাৱে অৰ্জন কৰে।

সদোষভাৱে হানি হোৱা।

কোনো ব্যক্তিৰ সদোষ ভাৱে হানি হোৱা বুলি কোৱা হয় যেতিয়া তেনে ব্যক্তিক কোনো সম্পত্তি লাভৰ পৰা সদোষ ভাৱে আঁতৰাই ৰখা হয় আৰু যেতিয়া তেনে ব্যক্তিক সম্পত্তিৰ পৰা সদোষ ভাৱে বঞ্চিত কৰা হয়।

"অসাধুভাৱে"

২৪। যিয়ে কোনো কাম এজন ব্যক্তিৰ সদোষ লাভ বা আন এজন ব্যক্তিৰ সদোষ হানি কৰাৰ অভিপ্ৰায়েৰে কৰে, তেওঁ সেই কামটো "অসাধু ভাৱে" কৰা বুলি কোৱা হয়।

"প্ৰৱঞ্চনা ক্ৰমে"

২৫। কোনো ব্যক্তিয়ে এটা কাম প্ৰৱঞ্চনাক্ৰমে কৰা বুলি কোৱা হয় যদি তেওঁ সেই কামটো প্ৰৱঞ্চনা কৰাৰ অভিপ্ৰায়েৰে কৰে কিন্তু অন্যথা নহয়।

"বিশ্বাস কৰিবলৈ যুক্তি"

২৬। কোনো ব্যক্তিৰ কোনো কথা "বিশ্বাস কৰিবলৈ যুক্তি" থকা বুলি কোৱা হয় যদি তেওঁ সেই কথাটো বিশ্বাস কৰিবলৈ যথেষ্ট কাৰণ থাকে কিন্তু অন্যথা নহয়।

"পত্নী, কেৰাণী বা সেৱকৰ দখলত থকা সম্পত্তি"

২৭। যেতিয়া কোনো ব্যক্তিৰ পত্নী, কেৰাণী বা সেৱকৰ দখলত সেই ব্যক্তিজনৰ হকে সম্পত্তি থাকে, ই এই সংহিতাৰ অৰ্থত সেই জন ব্যক্তিৰ দখলত থাকে।

**স্পষ্টীকৰণ** – অস্থায়ী ভাৱে বা কোনো বিশেষ প্ৰয়োজনত কেৰাণী বা সেৱকৰূপে নিযুক্ত কোনো ব্যক্তি এই ধাৰাৰ অৰ্থত কেৰাণী বা সেৱক।

---

১। ১৯২০ চনৰ ৩৯ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৯৬৪ চনৰ ৪০ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা স্পষ্টীকৰণ ৪ লোপ কৰা হৈছে।

"জাল"

২৮। কোনো ব্যক্তিয়ে "জাল" কৰা বুলি কোৱা হয় যিয়ে এটা বস্তু আন এটা বস্তুৰ সদৃশ কৰাৰ দ্বাৰা বা এইটো সম্ভৱপৰ হব বুলি জানি যে তাৰ দ্বাৰা প্ৰতাৰণা কৰা হব, প্ৰতাৰণা কৰে।

[1][**স্পষ্টীকৰণ** ১ - জাল কৰাৰ বাবে এইটো অপৰিহাৰ্য্য নহয় যে অনুকৰণটো অবিকল হব লাগে।

**স্পষ্টীকৰণ** ২ - যেতিয়া কোনো ব্যক্তিয়ে এটা বস্তু আন এটা বস্তুৰ সদৃশ কৰে আৰু সাদৃশ্যটো এনেকুৱা হয় যে এজন ব্যক্তি তাৰ দ্বাৰা প্ৰতাৰিত হব পাৰে, প্ৰতিকূল প্ৰমাণিত নোহোৱা পৰ্যন্ত প্ৰাক্ ধাৰণা কৰা হব যে এটা বস্তু আন বস্তুটোৰ সদৃশ কৰা ব্যক্তিজনে সেই সাদৃশ্যৰ যোগেদি প্ৰতাৰণা কৰিবলৈ অভিপ্ৰায় কৰিছিল বা এইটো সম্ভৱ হব পাৰে বুলি জানিছিল যে তাৰ দ্বাৰা প্ৰতাৰণা কৰা হব।]

"দস্তাবেজ"

২৯। "দস্তাবেজ" শব্দই যিকোনো পদাৰ্থৰ ওপৰত বৰ্ণ, সংখ্যা বা চিহ্নৰ দ্বাৰা বা সেই উপায়বোৰৰ একাধিকৰ দ্বাৰা প্ৰকাশ কৰা বা বৰ্ণনা কৰা যিকোনো বিষয়ক বুজায়, যিটো সেই বিষয়টোৰ সাক্ষ্য হিচাপে ব্যৱহাৰ কৰিবলৈ অভিপ্ৰেত হৈছে বা যাক তেনেলৰে ব্যৱহাৰ কৰিব পৰা যায়।

"ইলেকট্ৰনিক ৰেকৰ্ড"

[2][২৯ক। "ইলেকট্ৰনিক ৰেকৰ্ড" শব্দ সমূহৰ, তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ৰ ধাৰা ২ৰ উপধাৰা (১)ৰ খণ্ড (ন)ত সেইবোৰলৈ আৰোপিত কৰাৰ দৰে, অৰ্থ হব।]

**স্পষ্টীকৰণ** ১ - কি উপায়েৰে বা কি পদাৰ্থত বৰ্ণ, সংখ্যা বা চিহ্নবোৰ অঙ্কিত কৰা হয় বা সাক্ষ্যটো ন্যায়ালয়ৰ বাবে অভি প্ৰেত হওঁক বা নহওঁক বা ন্যায়ালয়ত ব্যৱহাৰ কৰিব পৰা হওঁক বা নহওঁক এইটো গুৰুত্বপূৰ্ণ নহয়।

**দৃষ্টান্ত**

সংবিদাৰ নিবন্ধনসমূহ ব্যক্ত কৰা লেখন, যাক সংবিদাটোৰ সাক্ষ্য হিচাপে ব্যৱহাৰ কৰিব পৰা যায়, এখন দস্তাবেজ।

বেঙ্কাৰলৈ দিয়া এখন চেক এখন দস্তাবেজ।

এখন মোক্তাৰ নামা এখন দস্তাবেজ।

মানচিত্ৰ বা এখন নক্সা, যিখন সাক্ষ্য হিচাপে ব্যৱহাৰ কৰিবলৈ অভিপ্ৰেত হৈছে বা যাক তেনেদৰে ব্যৱহাৰ কৰিব পৰা যায়, এখন দস্তাবেজ।

নিৰ্দেশ বা অনুদেশ সম্বলিত লেখন, এখন দস্তাবেজ।

**স্পষ্টীকৰণ** ২ - বাণিজ্যিক বা আন প্ৰথাৰ দ্বাৰা যথা স্পষ্টীকৃত কৰাৰ দৰে বৰ্ণ, সংখ্যা বা চিহ্নৰ দ্বাৰা ব্যক্ত কৰা যিকোনো বিষয়ে তেনে বৰ্ণ, সংখ্যা বা চিহ্নৰ দ্বাৰা এই ধাৰাৰ অৰ্থত একে কথাই ব্যক্ত কৰা বুলি গণ্য হব যদিও সেইটো বাস্তৱিকতে ব্যক্ত কৰা নহব পাৰে।

**দৃষ্টান্ত**

'ক'ই তেওঁৰ নামটো তেওঁৰ আদেশানুসাৰে দেয় এখন বিনিময় পত্ৰৰ পিঠিত লিখিছে। বাণিজ্যিক প্ৰথাৰ দ্বাৰা যথা স্পষ্টীকৃত কৰা মতে সেই পৃষ্ঠাঙ্কণটোৰ অৰ্থ হৈছে বিনিময় পত্ৰখন ধাৰকজনক আদায় দিব লাগিব। পৃষ্ঠাঙ্কণটো এখন দস্তাবেজ আৰু সেই একে ধৰণে অৰ্থ কৰিব লাগিব যেন স্বাক্ষৰটোৰ ওপৰত "ধাৰকক আদায় দিয়ক" এই শব্দবোৰ বা তদৰ্থক শব্দবোৰ লিখা হৈছিল।

---

১। ১৮৮৯ চনৰ ১ নং অধিনিয়মৰ ধাৰা ৯ৰ দ্বাৰা মূল স্পষ্টীকৰণৰ বাবে প্ৰতিস্থাপিত।

২। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ৰ প্ৰথম অনুসূচীৰ ধাৰা ১ৰ দ্বাৰা অন্তঃস্থাপিত (২০০০ৰ ২১নং অধিনিয়ম)।

**"মূল্যবান প্ৰতিভূতি"**

৩০। "মূল্যবান প্ৰতিভূতি" শব্দবোৰে এখন দস্তাবেজ বুজায়, যিখন দস্তাবেজ বা দস্তাবেজ বুলি তাৎপৰ্যিত হয়, যাৰ দ্বাৰা কোনো বিধিক অধিকাৰ সৃষ্টি কৰা, বিস্তাৰিত কৰা, অন্তৰিত কৰা, নিবন্ধিত কৰা, বিলুপ্ত কৰা বা বাদ দিয়া হয় বা যাৰ দ্বাৰা কোনো ব্যক্তিয়ে অঙ্গীকাৰ কৰে যে তেওঁ বিধিক দায়িত্বৰ অধীনত আছে বা তেওঁৰ কোনো নিৰ্দিষ্ট বিধিক অধিকাৰ নাই।

## দৃষ্টান্ত

'ক'ই তেওঁৰ নামটো এখন বিনিময় পত্ৰৰ পিঠিত লিখিছে। যিহেতু এই পৃষ্ঠাঙ্কনটোৰ প্ৰভাৱ বিনিময় পত্ৰখনৰ অধিকাৰ যিকোনো এজন ব্যক্তিলৈ অন্তৰণ কৰা, যিজন ইয়াৰ বিধি সম্মত ধাৰক হব পাৰে পৃষ্ঠাঙ্কণটো এটা "মূল্যবান প্ৰতিভূতি"।

**"এখন ইচ্ছাপত্ৰ"**

৩১। "এখন ইচ্ছাপত্ৰ" শব্দই ইচ্ছাপত্ৰ সম্বন্ধীয় কোনো দস্তাবেজক বুজায়।

**"কাৰ্য্যবোৰলৈ নিৰ্দ্দেশিত শব্দবোৰে অবৈধ ত্ৰুটীসমূহো অন্তৰ্ভুক্ত কৰে।"**

৩২। য'ত প্ৰসঙ্গৰ পৰা প্ৰতিকূল অভিপ্ৰায় প্ৰতীয়মান নহয় তাৰ বাহিৰে এই সংহিতাৰ প্ৰত্যেক ভাগত কাৰ্য্যবোৰ কৰা বুলি নিৰ্দ্দেশিত শব্দবোৰে অবৈধ ত্ৰুটীসমূহলৈও বিস্তাৰিত হব।

**"কাৰ্য্য"**
**"ত্ৰুটী"**

৩৩। "কাৰ্য্য" শব্দই কাৰ্য্যাৱলীকো এটা কাৰ্য্য হিচাপে বুজায়।

"ত্ৰুটী" শব্দই ত্ৰুটীবোৰকো এটা ত্ৰুটী হিচাপে বুজায়।

**উমৈহতীয়া অভিপ্ৰায় অগ্ৰসৰৰ অৰ্থে বহুতো ব্যক্তিৰ দ্বাৰা কৰা কাৰ্য্যাৱলী।**

[1][৩৪। যেতিয়া কোনো আপৰাধিক কাৰ্য্য বহুতো ব্যক্তিৰ দ্বাৰা সকলোৰে উমৈহতীয়া অভিপ্ৰায় অগ্ৰসৰ কৰিবলৈ কৰা হয়, তেনে ব্যক্তিবোৰৰ প্ৰত্যেকে সেই কাৰ্য্যটোৰ বাবে একে ধৰণে দায়ী হব, যেনিবা অকল তেওঁৰ দ্বাৰাহে এইটো কৰা হৈছিল।]

**আপৰাধিক জ্ঞান বা অভিপ্ৰায় সহ কৰা কাৰণেহে যেতিয়া এনে কাৰ্য্য আপৰাধিক হয়।**

৩৫। যেতিয়া কেৱল মাত্ৰ আপৰাধিক জ্ঞান বা অভিপ্ৰায়সহ কৰাৰ বাবেহে যি কাৰ্য্যটো অপৰাধ, তেনে এটা কাৰ্য্য যেতিয়া বহুতো ব্যক্তিৰ দ্বাৰা হয়, তেনে জ্ঞান বা অভিপ্ৰায় সহ কাৰ্য্যটোত যোগদান কৰা তেনে ব্যক্তিবোৰৰ প্ৰত্যেকে কাৰ্য্যটোৰ বাবে একে ধৰণে দায়ী হব, যেনিবা কাৰ্য্যটো তেনে জ্ঞান বা অভিপ্ৰায় সহ কেৱল তেওঁৰ দ্বাৰাহে কৰা হৈছিল।

**আংশিক ভাবে কাৰ্য্যৰ দ্বাৰা আৰু আংশিক ভাবে ত্ৰুটীৰ দ্বাৰা ঘটিত পৰিণাম।**

৩৬। য'ত কাৰ্য্যৰ দ্বাৰা বা ত্ৰুটীৰ দ্বাৰা, নিৰ্দিষ্ট পৰিণাম ঘটোৱাটো, বা সেই পৰিণামটো ঘটোৱাৰ প্ৰয়াস অপৰাধ হয়, তেনে ক্ষেত্ৰত আংশিক ভাবে কাৰ্য্যৰ দ্বাৰা আৰু আংশিক ভাবে ত্ৰুটীৰ দ্বাৰা সেই পৰিণাম ঘটোৱাটোও একেটা অপৰাধ বুলি বুজিব লাগিব।

## দৃষ্টান্ত

"ক"ই অভিপ্ৰায়সহ "জ"ৰ মৃত্যু ঘটালে, আংশিকভাৱে "জ"ৰ আহাৰ দিবলৈ অবৈধ ভাবে ত্ৰুটী কৰি আৰু আংশিক ভাবে "জ"ক আঘাত কৰি "ক"ই হত্যা কৰিলে।

**কোনো অপৰাধ গঠিত কৰা কেইবাটাও কাৰ্য্যৰ কোনো এটা কৰি সহযোগ কৰা।**

৩৭। যেতিয়া কোনো অপৰাধ কেইবাটাও কাৰ্য্যৰ দ্বাৰা সংঘটিত কৰা হয়, যিয়েই সেই কাৰ্য্যাৱলীৰ যিকোনো এটা, হয়তো অকলশৰে বা আন যিকোনো ব্যক্তিৰ সৈতে যুটীয়া ভাবে, কৰি সেই অপৰাধটো সংঘটনত অভিপ্ৰায়সহ সহযোগ কৰে, তেওঁ সেই অপৰাধটো সংঘটিত কৰে।

## দৃষ্টান্ত

(ক) "ক" আৰু "খ"ই পৃথকভাবে আৰু বেলেগ বেলেগ সময়ত তেওঁক কম মাত্ৰাত বিষ দি "জ"ক হত্যা কৰিবলৈ সন্মত হৈছে। সন্মতি অনুসৰি "জ"ক হত্যা কৰাৰ অভিপ্ৰায়েৰে "ক" আৰু "খ"ই বিষ

---

১। ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ১ৰ দ্বাৰা মূল ধাৰাৰ বাবে প্ৰতিষ্ঠাপিত।

প্ৰয়োগ কৰিলে। তেওঁক তেনেদৰে খুওৱা বিহৰ কেইবাটাও মাত্ৰাৰফলত "জ"ৰ মৃত্যু হ'ল। ইয়াত হত্যা সংঘটিত কৰাত "ক" আৰু "খ"ই অভিপ্ৰায় সহ সহযোগ কৰিলে আৰু যিহেতু তেওঁলোকৰ প্ৰত্যেকে মৃত্যুটো সংঘটিত কৰা এটা কাৰ্য্য কৰিছে, তেওঁলোক উভয়ে অপৰাধটোৰ বাবে দোষী, যদিও তেওঁলোকৰ কাৰ্য্যবোৰ বেলেগ বেলেগ।

(খ) "ক" আৰু "খ" যুটীয়া কাৰাধ্যক্ষ আৰু তেনেকৈপে বৈকল্পিক ভাবে এবাৰত ছঘণ্টাৰ বাবে, এজন বন্দী, "জ"ৰ ভাৰ প্ৰাপ্ত হৈছে। "ক" আৰু "খ"ই "জ"ৰ মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে সেই পৰিণামটো সংঘটিত কৰিবলৈ, প্ৰত্যেকে তেওঁৰ উপস্থিতিৰ কালছোৱাত সেই উদ্দেশ্যে তেওঁলোকক যোগান ধৰা আহাৰখিনি "জ"ক দিবলৈ অবৈধভাৱে জানি শুনি ত্ৰুটী কৰি সহযোগ কৰিলে। ভোকত "জ"ৰ মৃত্যু হ'ল। "ক" আৰু "খ" উভয়ে "জ"ৰ হত্যাৰ বাবে দোষী।

(গ) কাৰাধ্যক্ষ "ক" এজন বন্দী "জ"ৰ ভাৰপ্ৰাপ্ত হৈছে। "জ"ৰ মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে "ক"ই "জ"ক আহাৰ যোগান ধৰিবলৈ অবৈধভাৱে ত্ৰুটী কৰিলে, আৰু তাৰ পৰিণাম স্বৰূপে "জ"ৰ শক্তি অধিক পৰিমাণে হ্ৰাস প্ৰাপ্ত হ'ল। কিন্তু সেই অনাহাৰে তেওঁৰ মৃত্যু ঘটাবলৈ যথেষ্ট নাছিল। "ক"ক তেওঁৰ পদৰ পৰা বৰ্খাস্ত কৰা হ'ল আৰু "খ" তেওঁৰ উত্তৰবৰ্ত্তী হ'ল। "খ"ই "ক"ৰ সৈতে ষড়যন্ত্ৰ বা সহযোগৰ অবিহনে, "জ"ক আহাৰ যোগান ধৰিবলৈ এই কথা জানিও যে তাৰ দ্বাৰা তেওঁ "জ"ৰ মৃত্যু সংঘটিত কৰিব পাৰে অবৈধভাৱে ত্ৰুটী কৰিলে। ভোকতে "জ"ৰ মৃত্যু হ'ল। "খ" হত্যাৰ বাবে দোষী, কিন্তু যিহেতু "ক"ই "খ"ৰ সৈতে সহযোগ কৰা নাছিল "ক" কেৱল হত্যা কৰিবলৈ কৰা প্ৰয়াসৰ বাবেহে দোষী।

আপৰাধিক কাৰ্য্যত সংশ্লিষ্ট ব্যক্তিবোৰ ভিন ভিন অপৰাধৰ বাবে দোষী হ'ব পাৰে।

৩৮। য'ত বহুতো ব্যক্তি কোনো এটা আপৰাধিক কাৰ্য্য সংঘটনত নিযুক্ত বা সংশ্লিষ্ট হয়, তেওঁলোক সেই কাৰ্য্যটোৰ জৰিয়তে ভিন ভিন অপৰাধৰ বাবে দোষী হ'ব পাৰে।

দৃষ্টান্ত

"ক"ই "জ"ক এনে গম্ভীৰ প্ৰকোপনৰ এনে পৰিস্থিতিত আক্ৰমণ কৰিলে যে তেওঁ "জ"ক বধ কৰাটো কেৱল হত্যাৰ পৰ্য্যায়ভুক্ত নোহোৱা দোষাবহ নৰবধহে হ'ব। "খ"ই "জ"ৰ প্ৰতি বেয়া ভাব থকাত আৰু তেওঁক হত্যা কৰাৰ অভিপ্ৰায়েৰে, আৰু প্ৰকোপনৰ অধীন নোহোৱাকৈয়ে, "জ"ক হত্যা কৰা "ক"ক সহায় কৰিলে। এই ক্ষেত্ৰত যদিও "ক" আৰু "খ" উভয়ে "জ"ৰ মৃত্যু ঘটোৱাত নিযুক্ত হৈছে, "খ" হত্যাৰ বাবে দোষী, আৰু "ক" কেৱল দোষাবহ নৰবধৰ বাবেহে দোষী।

"স্বেচ্ছাই"

৩৯। কোনো ব্যক্তিয়ে কোনো পৰিণাম "স্বেচ্ছাই" সংঘটিত কৰা বুলি কোৱা হয় যেতিয়া তেওঁ এইটো এনে উপায়েৰে সংঘটিত কৰিবলৈ অভিপ্ৰায় কৰিছিল বা এনে উপায়েৰে যিবোৰে, সেই উপায়বোৰ প্ৰয়োগ কৰাৰ সময়ত এইটো সংঘটিত কৰিব পাৰে বুলি তেওঁ জানিছিল বা তেনে বুলি বিশ্বাস কৰিবলৈ কাৰণ আছিল।

দৃষ্টান্ত

"ক"ই এটা লুণ্ঠন সহজ সাধ্য কৰাৰ উদ্দেশ্যে নিশাৰ ভাগত, এখন ডাঙৰ নগৰৰ মানুহ বাস কৰি থকা এটা ঘৰত জুই লগাই দিলে আৰু এনেদৰে এজন ব্যক্তিৰ মৃত্যু ঘটালে। এই ক্ষেত্ৰত "ক"ই মৃত্যু ঘটাবলৈ অভিপ্ৰায় নকৰিবও পাৰে আৰু তেওঁৰ কাৰ্য্যৰ দ্বাৰা মৃত্যু ঘটিছে বাবে আনকি দুঃখিতও হ'ব পাৰে, তথাপিও যদি তেওঁ জানিছিল যে তেওঁ মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছিল, তেওঁ স্বেচ্ছাই মৃত্যু ঘটাইছিল।

"অপৰাধ"

[1][৪০। এই ধাৰাৰ খণ্ড ২বা ৩ত উল্লেখ কৰা [2][অধ্যায়বোৰ] আৰু ধাৰাবোৰৰ বাহিৰে, "অপৰাধ" শব্দই এই সংহিতাখনৰ দ্বাৰা দণ্ডনীয় কৰা কোনো কাৰ্য্য বুজায়।

অধ্যায় ৪, [3][অধ্যায় ৫ক] আৰু নিম্নোক্ত ধাৰাবোৰত, অৰ্থাৎ ধাৰা [4][৬৪, ৬৫, ৬৬, [5][৬৭], ৭১], ১০৯, ১১০, ১১২, ১১৪, ১১৫, ১১৬, ১১৭, [6][১১৮, ১১৯,১২০], ১৮৭, ১৯৪, ১৯৫, ২০৩, ২১১, ২১৩, ২১৪, ২২১, ২২২, ২২৩, ২২৪, ২২৫, ৩২৭, ৩২৮, ৩২৯, ৩৩০, ৩৩১, ৩৪৭, ৩৪৮, ৩৮৮, ৩৮৯, আৰু ৪৪৫ত "অপৰাধ" শব্দই এই সংহিতাখনৰ অধীনত বা ইয়াৰ পাছত যথা পৰিভাষিত কোনো বিশেষ বা স্থানীয় বিধিৰ অধীনত, দণ্ডনীয় কাৰ্য্য বুজায়।

আৰু ধাৰাসমূহ ১৪১, ১৭৬, ১৭৭, ২০১, ২১২, ২১৬ আৰু ৪৪১ত "অপৰাধ" শব্দৰ সেই একেই অৰ্থ হব যেতিয়া বিশেষ বা স্থানীয় বিধিৰ অধীনত দণ্ডনীয় কাৰ্যটো তেনে বিধিৰ অধীনত ছমাহ বা তদূৰ্দ্ধ অৱধিৰ বাবে, জৰিমনাসহই হওঁক বা জৰিমনা বিনাই হওঁক, দণ্ডনীয় হয়।]

"বিশেষ বিধি"

৪১। কোনো বিশেষ বিষয়ৰ ক্ষেত্ৰত প্ৰযোজ্য বিধিয়েই হৈছে "বিশেষ বিধি"।

"স্থানীয় বিধি"

৪২। [7][[8] X X X [9][ভাৰত]]ৰ কেৱল এটা বিশেষ ভাগত প্ৰযোজ্য হোৱা বিধিয়েই হৈছে "স্থানীয় বিধি"।

"অবৈধ" "বিধিগত ভাৱে কৰিবলৈ আবদ্ধ"

৪৩। "অবৈধ" শব্দটো এনে সকলোবোৰ ক্ষেত্ৰতেই প্ৰযোজ্য যিটো এটা অপৰাধ বা যিটো বিধিৰ দ্বাৰা নিষিদ্ধ, বা যিটোৱে চিভিল কাৰ্যব্যৱস্থাৰ বাবে আধাৰ যোগায়; আৰু কোনো ব্যক্তি সেই কাৰ্য্য "বিধিগত ভাৱে কৰিবলৈ আবদ্ধ" বুলি কোৱা হয়, যিটো কৰিবলৈ ত্ৰুটী কৰাটো তেওঁৰ বাবে অবৈধ।

"ক্ষতি"

৪৪। "ক্ষতি" শব্দই এনে কোনো অনিষ্ট বুজায় যিটো কোনো ব্যক্তিৰ শৰীৰ, মন, খ্যাতি বা সম্পত্তিৰ ক্ষেত্ৰত অবৈধভাৱে ঘটোৱা হয়।

"জীৱন"

৪৫। "জীৱন" শব্দই মানুহৰ জীৱন বুজায়, যদিহে প্ৰসংগত প্ৰতিকূল প্ৰতীত নহয়।

"মৃত্যু"

৪৬। "মৃত্যু" শব্দই মানুহৰ মৃত্যু বুজায় যদিহে প্ৰসংগত প্ৰতিকূল প্ৰতীত নহয়।

"জন্তু"

৪৭। "জন্তু" শব্দই মানুহৰ বাহিৰে কোনো জীৱিত প্ৰাণীক বুজায়।

"জলযান"

৪৮। "জলযান" শব্দই মানুহ বা সম্পত্তি জলেৰে বহনৰ বাবে সজা কোনো বস্তুক বুজায়।

"বছৰ" "মাহ"

৪৯। য'তেই "বছৰ" শব্দটো বা "মাহ" শব্দটো ব্যৱহাৰ কৰা হৈছে, তাত এইটো বুজিব লাগিব যে বছৰটো বা মাহটো বৃটিছ কেলেণ্ডাৰ অনুসৰি গণনা কৰিব লাগিব।

"ধাৰা"

৫০। "ধাৰা" শব্দই এই সংহিতাখনৰ কোনো অধ্যায়ৰ এনে অংশবোৰৰ এটাক বুজায় যিবোৰ আগত লিখা সংখ্যা বিষয়ক অঙ্কবোৰৰ দ্বাৰা ভিন্ন কৰা হৈছে।

---

১। ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা মূল ধাৰাৰ বাবে প্ৰতিস্থাপিত।

২। ১৯৩০ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ৰ দ্বাৰা "অধ্যায়"ৰ বাবে প্ৰতিস্থাপিত।

৩। ১৯১৩ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

৪। ১৮৮২ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ১ৰ দ্বাৰা অন্তঃস্থাপিত।

৫। ১৮৮৬ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২১ (১)ৰ দ্বাৰা অন্তঃস্থাপিত।

৬। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ (২০০৯ৰ১০)ৰ ধাৰা ৫১ৰ দ্বাৰা অন্তৰ্স্থাপিত।

৭। অনুকূলন আদেশ, ১৯৪৮ৰ দ্বাৰা 'বৃটিছ ভাৰত'ৰ বাবে প্ৰতিস্থাপিত।

৮। ১৯৫২ চনৰ ৪২ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচী ২ৰ দ্বাৰা 'সমাবিষ্ট ৰাজ্যক্ষেত্ৰসমূহ' শব্দবোৰ লোপ কৰা হৈছে।

৯। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "ৰাজ্যসমূহ"ৰ বাবে প্ৰতিস্থাপিত যিটো অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা "প্ৰদেশসমূহ"ৰ বাবে প্ৰতিস্থাপিত হৈছিল।

"শপত"

৫১। "শপত" শব্দই শপতৰ বাবে বিধিৰ দ্বাৰা প্ৰতিষ্ঠাপিত কোনো সত্যনিষ্ঠ প্ৰতিজ্ঞান আৰু কোনো লোকসেৱকৰ সম্মুখত কৰিবলগীয়া বা ন্যায়ালয়ত বা অন্যত্ৰ প্ৰমাণৰ উদ্দেশ্যে ব্যৱহাৰ কৰিবলগীয়া বিধিৰ দ্বাৰা অপেক্ষিত বা প্ৰাধিকৃত কোনো ঘোষণাক অন্তৰ্ভুক্ত কৰে।

"সদভাৱপূৰ্বক"

৫২। একোৱেই "সদ্‌ভাৱপূৰ্বক" কৰা বা বিশ্বাস কৰা বুলি কোৱা নহয় যিটো সম্যক যত্ন আৰু মনোযোগ বিনা কৰা হয় বা বিশ্বাস কৰা হয়।

"আশ্ৰয়দান"

৫২ক। [1][৫২ ক। ধাৰা ১৫৭ আৰু ধাৰা ১৩০ত উল্লিখিত ক্ষেত্ৰত য'ত আশ্ৰয় প্ৰদত্ত ব্যক্তিৰ পত্নী বা স্বামীৰ দ্বাৰা আশ্ৰয়দান কৰা হয়, সেই ক্ষেত্ৰবোৰ ব্যতিৰেকে "আশ্ৰয়দান" শব্দই কোনো ব্যক্তিক ধৰাৰ পৰা হোৱাটো এৰাই ফুৰিবলৈ আশ্ৰয়স্থান, খাদ্য, পানীয়, ধন, কানি-কাপোৰ, অস্ত্ৰ শস্ত্ৰ, গোলা-বাৰুদ বা যাতায়তৰ উপায় যোগান ধৰা, বা ব্যক্তি এজনক এই ধাৰাত বৰ্ণনা কৰাবোৰৰ দৰে একে প্ৰকাৰেই হওক বা নহওক যি কোনো প্ৰকাৰে সহায় কৰাটোও অন্তৰ্ভুক্ত কৰে।]

## অধ্যায় ৩

### দণ্ডৰ বিষয়ে

দণ্ডসমূহ

৫৩। এই সংহিতাখনৰ উপবন্ধসমূহৰ অধীনত অপৰাধীবোৰ যিবোৰ দণ্ডৰ বাবে দায়ী হব সেইবোৰ হৈছে—

প্ৰথম - মৃত্যু ;

[2][দ্বিতীয়তে — আজীৱন কাৰাবাস, ]

[3] X X X X X

চতুৰ্থতে - কাৰাবাস, যিটো এই দুই প্ৰকাৰৰ হব, অৰ্থাৎ :-

(১) সশ্ৰম, অৰ্থাৎ, কঠোৰ শ্ৰম সহ,

(২) বিনাশ্ৰম,

পঞ্চমতে - সম্পত্তিৰ বাজেয়াপ্তকৰণ,

ষষ্ঠতে - জৰিমনা।

নিৰ্বাসনৰ বিষয়ে নিৰ্দ্দেশৰ অৰ্থকৰণ।

[4][৫৩ক। (১) উপধাৰা (২) আৰু উপধাৰা (৩)ৰ উপবন্ধসমূহৰ সাপেক্ষে, তৎসময় বলবৎ থকা যিকোনো অন্য বিধিত বা এনে কোনো বিধিৰ বা নিৰসিত যিকোনো অধিনিয়মিতিৰ বলত প্ৰভাৱশীল হোৱা যিকোনো লেখ্য বা আদেশত "আজীৱন নিৰ্বাসন"ৰ প্ৰতি কোনো নিৰ্দেশ "আজীৱন কাৰাবাস"ৰ প্ৰতি নিৰ্দেশ হিচাপে অৰ্থ কৰিব লাগিব।

---

১। ১৯৪২ চনৰ ৮নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৯৫৫ চনৰ অধিনিয়ম নং ২৬, ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "দ্বিতীয়তে নিৰ্বাসনৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৩। খণ্ড "তৃতীয়তে" ১৯৪৯ চনৰ অধিনিয়ম নং ১৭, ধাৰা ২ৰ দ্বাৰা লোপ কৰা হৈছে (৬-৪-১৯৪৯ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৪। ১৯৫৫ চনৰ ২৬নং অধিনিয়মৰ ধাৰা ১১৭আৰু অনুসূচীৰ দ্বাৰা "নিৰ্বাসনৰ" বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

১৯৫৫ৰ ২৬। (২) এনে প্ৰত্যেক ক্ষেত্ৰত য'ত দণ্ড প্ৰক্ৰিয়া (সংশোধন) অধিনিয়ম, [1](১৯৫৫)ৰ প্ৰাৰম্ভৰ পূৰ্বে এটা অৱধিৰ বাবে নিৰ্বাসনৰ দণ্ডাদেশ দিয়া হৈছে অপৰাধীজনক সেই একে ধৰণে ব্যৱহাৰ কৰা হ'ব যেন তেওঁক একেটা অৱধিৰ বাবে সশ্ৰম কাৰাবাসৰ দণ্ডাদেশ দিয়া হৈছে।

(৩) তৎসময় বলবৎ থকা যিকোনো অন্য বিধিত থকা অৱধি এটাৰ বাবে "নিৰ্বাসন বা কোনো অল্পকালৰ এটা অৱধিৰ বাবে নিৰ্বাসনৰ (যি নামেৰেই কোৱা নহওঁক কিয়) প্ৰতি কোনো নিৰ্দেশ লোপ কৰা হৈছে বুলি গণ্য কৰিব লাগিব।

(৪) তৎসময় বলবৎ থকা কোনো অন্য বিধিত থকা "নিৰ্বাসন"ৰ প্ৰতি যিকোনো নিৰ্দেশ-

(ক) যদিহে অভিব্যক্তিয়ে আজীৱন নিৰ্বাসন বুজায়, তেনেহলে আজীৱন কাৰাবাসৰ প্ৰতি নিৰ্দেশ বুলি অৰ্থ কৰিব লাগিব।

(খ) যদিহে অভিব্যক্তিয়ে কোনো অল্পকালীন অৱধি এটাৰ বাবে নিৰ্বাসন বুজায়, তেন্তে লুপ্ত কৰা হৈছে বুলি গণ্য কৰিব লাগিব।

**মৃত্যু দণ্ডাদেশৰ লঘুকৰণ।** ৫৪। প্ৰত্যেক ক্ষেত্ৰতে য'ত মৃত্যু দণ্ডাদেশ দিয়া হৈছে [2][সমুচিত চৰকাৰে], অপৰাধীজনৰ সম্মতি বিনা, দণ্ডটো এই সংহিতাখনৰ দ্বাৰা উপবন্ধিত অন্য যিকোনো দণ্ডৰ বাবে লঘুকৃত কৰিব পাৰে।

**আজীৱন কাৰাবাসৰ দণ্ডাদেশৰ লঘুকৰণ।** ৫৫। প্ৰত্যেক ক্ষেত্ৰতে য'ত আজীৱন [3][কাৰাবাস]ৰ বাবে দণ্ডাদেশ দিয়া হৈছে, [2][সমুচিত চৰকাৰে], অপৰাধীজনৰ সম্মতি বিনা, দণ্ডটো অনধিক চৈধ্য বছৰৰ বাবে কোনো এক প্ৰকাৰৰ কাৰাবাসলৈ লঘুকৃত কৰিব পাৰে।

**"সমুচিত চৰকাৰৰ" পৰিভাষা।** [4][৫৫ক। ধাৰাসমূহ ৫৪ আৰু ৫৫ত "সমুচিত চৰকাৰ" অভিব্যক্তিয়ে-

(ক) এনেবোৰ ক্ষেত্ৰত য'ত দণ্ডাদেশটো মৃত্যু দণ্ড হয় বা এনে এটা অপৰাধৰ বাবে হয় যি অপৰাধটো সংঘৰ কাৰ্য্য পালন ক্ষমতা বিস্তাৰিত হোৱা কোনো বিষয়ৰ সম্পৰ্কে কোনো বিধিৰ বিৰুদ্ধে হয়, তেনেবোৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ; আৰু

(খ) এনেবোৰ ক্ষেত্ৰত য'ত দণ্ডাদেশটো (মৃত্যু দণ্ডই হওঁক বা নহওঁক) এনে এটা অপৰাধৰ বাবে হয় যি অপৰাধটো ৰাজ্যৰ কাৰ্য্যপালন ক্ষমতা বিস্তাৰিত হোৱা কোনো বিষয়ৰ সম্পৰ্কে বিধিৰ বিৰুদ্ধ হয়, তেনেবোৰ ক্ষেত্ৰত সেই ৰাজ্যখনৰ চৰকাৰ, যি ৰাজ্যৰ ভিতৰত অপৰাধীজনক দণ্ডাদেশ দিয়া হৈছে।]

৫৬। [ইউৰোপীয় আৰু আমেৰিকান সকলৰ শাস্তিমূলক দাসত্ব। দহ বছৰাধিক হোৱা অৱধিৰ বাবে কিন্তু আজীৱন কাৰাবাস নোহোৱা দণ্ডাদেশ সম্পৰ্কে পৰন্তুক।] দণ্ড বিধি (মূল বংশমূলক প্ৰভেদ দূৰীকৰণ) অধিনিয়ম, ১৯৪৯ (১৯৪৯ৰ১৭)ৰ দ্বাৰা (৬।৪।১৯৪৯ৰ পৰা) প্ৰভাৱী হোৱাকৈ নিৰসিত।

**দণ্ডৰ অৱধিৰ ভগ্নাংশবোৰ।** ৫৭। দণ্ডৰ অৱধিৰ ভগ্নাংশবোৰ গণনা কৰোতে, আজীৱন [3][কাৰাবাস] বিশ বছৰৰ বাবে [3][কাৰাবাস]ৰ সমতুল্য ৰূপে গণনা কৰিব।

৫৮। [নিৰ্বাসনৰ দণ্ডাদেশ অপৰাধীবোৰক নিৰ্বাসিত নকৰালৈকে কেনেকৈ ব্যৱহাৰ কৰিব লাগিব] দণ্ড প্ৰক্ৰিয়া সংহিতা (সংশোধন অধিনিয়ম, ১৯৫৫ (১৯৫৫ৰ ২৬)ৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা (১-১-১৯৫৬ৰ প্ৰভাৱী হোৱাকৈ) নিৰসিত।

---

১। ১৯৫৭ চনৰ অধিনিয়ম নং ৩৬ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "১৯৫৪"ৰ বাবে প্ৰতিষ্ঠাপিত।

২। অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা "কেন্দ্ৰীয় চৰকাৰ বা প্ৰদেশৰ প্ৰাদেশিক চৰকাৰ যাৰ ভিতৰত অপৰাধীজনক দণ্ডাদেশ দিয়া হ'ব" প্ৰতিষ্ঠাপিত। অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা "ভাৰত চৰকাৰ বা সেই স্থানৰ চৰকাৰ"ৰ বাবে তাতৰুকৈ লিখা শব্দসমূহ প্ৰতিষ্ঠাপিত কৰা হৈছে।

৩। ১৯৫৫ চনৰ ২৬নং অধিনিয়মৰ ধাৰা ১১৭আৰু অনুসূচীৰ দ্বাৰা "নিৰ্বাসনৰ" বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৪। অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা ধাৰা ৫৫ক বাবে প্ৰতিষ্ঠাপিত যিটো অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা অন্তঃস্থাপিত কৰা হৈছিল।

৫৯। [কাৰাবাসৰ পৰিবৰ্তে নিৰ্বাসন] উপৰোক্ত অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা (১।১।১৯৫৬ৰ পৰা প্ৰভাৱী হোৱাকৈ) নিৰসিত।

(কিছুমান কাৰাবাসৰ ক্ষেত্ৰত) দণ্ডাদেশ সামগ্ৰিকভাৱে বা আংশিকভাৱে সশ্ৰম বা বিনাশ্ৰম হ'ব পাৰে।

৬০। এনে প্ৰত্যেক ক্ষেত্ৰত য'ত কোনো অপৰাধী দুয়ো প্ৰকাৰৰ ভিতৰত কোনো কাৰাবাসেৰে দণ্ডনীয় হয় তেনে অপৰাধীক দণ্ডাদেশ দিয়া ন্যায়ালয়ে দণ্ডাদেশটোত এনেদৰে নিৰ্দেশ দিবলৈ সক্ষম হ'ব যে তেনে কাৰাবাস সামগ্ৰিকভাৱে সশ্ৰম হ'ব, বা এনে কাৰাবাস সামগ্ৰিকভাৱে বিনাশ্ৰম হ'ব বা তেনে কাৰাবাসৰ যিকোনো এটা অংশ সশ্ৰম আৰু বাকীখিনি বিনাশ্ৰম হ'ব।

৬১। [সম্পত্তিৰ বাজেয়াপ্তকৰণৰ দণ্ডাদেশ] ভাৰতীয় দণ্ড সংহিতা (সংশোধন) অধিনিয়ম, ১৯২১ (১৯২১ৰ ১৬)ৰ ধাৰা ৪ৰ দ্বাৰা নিৰসিত।

৬২। [মৃত্যু দণ্ড, নিৰ্বাসন বা কাৰাবাসেৰে দণ্ডনীয় অপৰাধীবোৰৰ সম্পত্তি বাজেয়াপ্তকৰণ] উপৰোক্ত অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা নিৰসিত।

জৰিমনাৰ পৰিমাণ।

৬৩। যি ক্ষেত্ৰত জৰিমনা বিস্তাৰিত হ'ব পৰা এনে কোনো ধন ৰাশিৰ কথা ব্যক্ত কৰা নাই, তেনে ক্ষেত্ৰত কোনো অপৰাধী যি পৰিমাণৰ জৰিমনাৰ বাবে দায়ী হ'ব তাৰ পৰিমাণ অপৰ্যাপ্ত হ'ব কিন্তু অত্যাধিক নহ'ব।

জৰিমনা অনাদায়ৰ বাবে কাৰাবাসৰ দণ্ডাদেশ।

৬৪। [1][কাৰাবাস আৰু জৰিমনা উভয়েৰে দণ্ডনীয় এনে প্ৰত্যেক ক্ষেত্ৰতে য'ত অপৰাধীজনক কাৰাবাসসহ হওঁক বা কাৰাবাস বিনাই হওঁক, জৰিমনাৰে দণ্ডাদেশ দিয়া হয়,

আৰু [2][কাৰাবাস বা জৰিমনাৰে বা]কেৱল জৰিমনাৰে দণ্ডনীয় হ'বলগীয়া এনে প্ৰত্যেক ক্ষেত্ৰত, য'ত অপৰাধীজনক জৰিমনাৰে দণ্ডাদেশ দিয়া হয়,]

এনে অপৰাধীক দণ্ডাদেশ দিয়া ন্যায়ালয়ে দণ্ডাদেশটোৰ দ্বাৰা এনেদৰে নিৰ্দেশ দিবলৈ যে জৰিমনা আদায়ৰ ত্ৰুটীত, অপৰাধীজনে এটা নিৰ্দিষ্ট অৱধিৰ বাবে কাৰাবাস ভোগ কৰিব লাগিব যি কাৰাবাসটো এনে আন কোনো কাৰাবাসৰ যি কাৰাবাসৰ বাবে তেওঁক দণ্ডাদেশ দিয়া হৈছে বা দণ্ডাদেশ লঘুকৰণৰ ফলত যি কাৰাবাসৰ বাবে তেওঁ দায়ী হ'ব পাৰে, তাৰ অতিৰিক্ত হ'ব।

জৰিমনা অনাদায়ৰ বাবে কাৰাবাসৰ সীমা, যেতিয়া কাৰাবাস আৰু জৰিমনা বিহিব পৰা হয়।

৬৫। যদিহে অপৰাধটো কাৰাবাস আৰু জৰিমনা উভয়েৰে দণ্ডনীয় হয়, তেন্তে যি অৱধিটোৰ বাবে জৰিমনা আদায়ৰ ত্ৰুটীত অপৰাধীজনক কাৰাৰুদ্ধ কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশ দিয়ে, সেইটো অপৰাধটোৰ বাবে ধাৰ্য্য কৰা উৰ্দ্ধতম কাৰাবাসৰ অৱধিটোৰ এক চতুৰ্থাংশৰ অধিক নহ'ব।

জৰিমনা অনাদায়ৰ বাবে কোন প্ৰকাৰৰ কাৰাবাস দিয়া হ'ব।

৬৬। জৰিমনা আদায়ৰ ত্ৰুটীত ন্যায়ালয়ে আৰোপিত কৰা কাৰাবাসটো এনে যি কোনো প্ৰকাৰৰ হ'ব পাৰে যিটোৰ দ্বাৰা অপৰাধীজনক অপৰাধটোৰ বাবে দণ্ডাদেশ দিব পৰা গ'লহেঁতেন।

জৰিমনা অনাদায়ৰ বাবে কাৰাবাস, যেতিয়া অপৰাধটো কেৱল জৰিমনাৰেহে দণ্ডনীয় হয়।

৬৭। যদি অপৰাধটো কেৱল জৰিমনাৰেহে দণ্ডনীয় হয়, [3][জৰিমনা আদায়ৰ ত্ৰুটীত ন্যায়ালয়ে আৰোপিত কৰা কাৰাবাসটো বিনাশ্ৰম হ'ব আৰু] জৰিমনা আদায়ৰ ত্ৰুটীত যি অৱধিৰ বাবে অপৰাধীজনক কাৰাৰুদ্ধ কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশ দিয়ে, সেইটো নিম্নোক্ত মানৰ অধিক নহ'ব, অৰ্থাৎ যেতিয়া জৰিমনাৰ পৰিমাণ পঞ্চাশ টকাতকৈ অধিক নহয়, তেনে ক্ষেত্ৰত দুমাহৰ অনধিক যিকোনো এটা

---

১। ১৮৮২ চনৰ ৮নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা "এনে প্ৰত্যেক ক্ষেত্ৰত য'ত অপৰাধীজনক জৰিমনাৰে দণ্ডাদেশ দিয়া হয়"ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৮৮৬চনৰ ১০নং অধিনিয়মৰ ধাৰা ২১(২)ৰ দ্বাৰা অন্তৰ্স্থাপিত।

৩। ১৮৮২ চনৰ ৮নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা অন্তৰ্স্থাপিত।

অৱধিৰ বাবে, আৰু যেতিয়া পৰিমাণটো এশ টকাতকৈ অধিক নহয় তেনে ক্ষেত্ৰত চাৰি মাহৰ অনধিক যিকোনো এটা অৱধিৰ বাবে, আৰু অন্য যিকোনো ক্ষেত্ৰত ছমাহৰ অনধিক যিকোনো এটা অৱধিৰ বাবে।

জৰিমনা আদায় দিলে কাৰাবাস সমাপ্ত হব।

৬৮। জৰিমনা আদায়ৰ ত্ৰুটীত আৰোপিত কাৰাবাস, যি মুহূৰ্ত্তত সেই জৰিমনা হয় আদায় দিয়ে, নাইবা বিধিৰ প্ৰক্ৰিয়া যোগে উদ্‌গ্ৰহণ কৰা হয়, তেতিয়াই সমাপ্ত হব।

জৰিমনাৰ আনুপাতিক অংশ আদায় দিলে কাৰাবাসৰ সমাপ্তি।

৬৯। যদি আদায়ৰ ত্ৰুটীত ধাৰ্য্য কৰা কাৰাবাসৰ অৱধি অন্ত হোৱাৰ পূৰ্বে, জৰিমনাৰ এনে এটা অনুপাতৰ আদায় দিয়া বা উদ্‌গ্ৰহণ কৰা হয় যেন আদায়ৰ ত্ৰুটীত ভোগ কৰা কাৰাবাসৰ অৱধি তেতিয়াও অনাদায় হৈ থকা জৰিমনাৰ অংশতকৈ আনুপাতিক ভাৱে কম নহয়, তেনে ক্ষেত্ৰত কাৰাবাস সমাপ্ত হব।

দৃষ্টান্ত

"ক"ক এশ টকাৰ জৰিমনা আৰু আদায়ৰ ত্ৰুটীত চাৰি মাহৰ কাৰাবাসৰ দণ্ডাদেশ দিয়া হৈছে। এই ক্ষেত্ৰত, যদিহে জৰিমনাৰ পয়সত্তৰ টকা কাৰাবাসৰ এমাহ উকলি যোৱাৰ পূৰ্বে আদায় দিয়া হয় বা উদ্‌গ্ৰহণ কৰা হয়, তেন্তে প্ৰথম মাহটো উকলি যোৱাৰ লগে লগে "ক"ক উন্মুক্ত কৰা হব। যদিহে প্ৰথম মাহটো উকলি যোৱাৰ সময়ত, বা "ক"ই কাৰাবাস ভুগি থকা অৱস্থাত কোনো পৰৱৰ্তী সময়ত পয়সত্তৰ টকা আদায় দিয়ে বা উদ্‌গ্ৰহণ কৰা হয়, তেতিয়া "ক"ক ততালিকে উন্মুক্ত কৰা হব। যদিহে কাৰাবাসৰ দুমাহৰ অন্ত হোৱাৰ পূৰ্বে জৰিমনাৰ পঞ্চাশ টকা আদায় দিয়া হয় বা উদ্‌গ্ৰহণ কৰা হয়, তেন্তে দুমাহ পূৰ্ণ হোৱাৰ লগে লগে "ক"ক উন্মুক্ত কৰা হব। যদিহে সেই দুমাহ কালৰ অন্ত হোৱাৰ সময়ত বা "ক"ই কাৰাবাস ভুগি থকা অৱস্থাত কোনো পৰৱৰ্তী সময়ত পঞ্চাশ টকা আদায় দিয়ে বা উদ্‌গ্ৰহন কৰা হয়, তেতিয়া "ক"ক ততালিকে উন্মুক্ত কৰা হব।

ছয় বছৰৰ ভিতৰত বা কাৰাবাসৰ সময়ৰ ভিতৰত জৰিমনা উদ্‌গ্ৰহণ যোগ্য। মৃত্যুৱে সম্পত্তিক দায়িত্বৰ পৰা উন্মুক্ত নকৰিব।

৭০। জৰিমনা, বা অনাদায় হৈ থকা তাৰ যিকোনো অংশ, দণ্ডাদেশ দিয়াৰ ছয় বছৰৰ ভিতৰত যিকোনো সময়ত, আৰু যদিহে দণ্ডাদেশৰ অধীনত অপৰাধীজন ছয় বছৰতকৈ দীঘলীয়া কালাৱধিৰ বাবে কাৰাবাসৰ বাবে দায়ী হয়, তেন্তে সেই কালাৱধিটোৰ অৱসানৰ পূৰ্বে যিকোনো সময়ত, উদ্‌গ্ৰহণ কৰিব পৰা যায়, আৰু অপৰাধীজনৰ মৃত্যুৱে এনে কোনো সম্পত্তিক দায়িত্বৰ পৰা উন্মুক্ত নকৰে যি সম্পত্তি তেওঁৰ মৃত্যুৰ পাছত, তেওঁৰ ঋণৰ বাবে বিধিগত ভাৱে দায়ী হব।

বহুতো অপৰাধেৰে গঠিত হোৱা অপৰাধৰ দণ্ডৰ সীমা।

৭১। যি ক্ষেত্ৰত অপৰাধ হোৱা যিকোনো কাৰ্য্য এনেকুৱা অংশবোৰেৰে গঠিত হয়, যি অংশবোৰৰ যি কোনোটোৱে নিজেই এটা অপৰাধ হয়, তেন্তে ক্ষেত্ৰত তেনেদৰে ব্যক্তভাৱে উপবন্ধিত নহলে, অপৰাধীজনক তেওঁৰ এনে অপৰাধবোৰৰ এটাতকৈ অধিকৰ বাবে দণ্ড দিয়া নহব।

[1][য'ত কোনো কাৰ্য্য তৎসময় বলবৎ থকা অপৰাধবোৰ পৰিভাষিত কৰা বা দণ্ড দিয়া কোনো বিধিৰ দুটা বা অধিক পৃথক পৰিভাষাৰ অন্তৰ্গত হয়, বা

য'ত এনে বহুতো কাৰ্যই, যিবোৰৰ এটাই বা এটাতকৈ অধিক কাৰ্যই ই স্বয়ং, বা সেইবোৰে স্বয়ং এটা অপৰাধ গঠিত কৰে, সেইবোৰে লগ লাগি এটা পৃথক অপৰাধ গঠিত কৰে,

তেনে ক্ষেত্ৰত অপৰাধীজনক তেওঁক বিচাৰ কৰা ন্যায়ালয়ে তেনে অপৰাধবোৰৰ যিকোনো এটাৰ বাবে দিব পৰা দণ্ডতকৈ অধিক কঠোৰ দণ্ডৰে দণ্ড দিয়া নহব।]

দৃষ্টান্তসমূহ

(ক) "ক"ই "জ"ক লাঠি এডালেৰে পঞ্চাশটা কোব মাৰিলে। এই ক্ষেত্ৰত, "ক"ই গোটেই বিনি কোবেৰে সৃষ্টি কৰা এনে প্ৰত্যেকটো কোবৰ দ্বাৰাও "জ"ক স্বেচ্ছাই আঘাত কৰা অপৰাধটো সংঘটিত

১। ১৮৮২ চনৰ ৮নং অধিনিয়মৰ দ্বাৰা ৪ৰ দ্বাৰা যোগ দিয়া হৈছে।

কৰিব পাৰে। যদি "ক" প্ৰত্যেকটো কোবৰ বাবে দণ্ডৰ বাবে দায়ী হয়, তেন্তে তেওঁক হয়তো এটা কোবৰ বাবে এবছৰকৈ পঞ্চাশ বছৰলৈকে কাৰাৰুদ্ধ কৰিব পৰা গ'লহেঁতেন। কিন্তু তেওঁ গোটেইখিনি কোবৰ কাৰণে মাত্ৰ এটা দণ্ডৰ বাবেহে দায়ী হব।

(খ) কিন্তু "ক"ই "জ"ক কোবাই থকা অৱস্থাত "ছ"ই হস্তক্ষেপ কৰে, আৰু "ক"ই অভিপ্ৰায় পূৰ্বক "ছ"ক কোবায়, এই ক্ষেত্ৰত, যিহেতু "ছ"ক মৰা কোবটো "ক"ই "জ"ক স্বেচ্ছাই আঘাত কৰা কাৰ্য্যটোৰ কোনো অংশ নহয়, সেই বাবে "ক"ই, "জ"ক স্বেচ্ছাই আঘাত কৰাৰ বাবে এটা দণ্ড পাবলৈ আৰু "ছ"ক মৰা কোবটোৰ বাবে আন এটা দণ্ড পাবলৈ, দায়ী হব।

বহুতো অপৰাধৰ এটাৰ বাবে দোষী ব্যক্তিৰ দণ্ড, যেতিয়া কোনটো অপৰাধৰ বাবে দোষী সেই টো সন্দেহজনক বুলি নিৰ্ণয়টোত কোৱা হয়।

৭২। এনে সকলোবোৰ ক্ষেত্ৰত য'ত নিৰ্ণয় দিয়া হৈছে যে কোনো ব্যক্তি নিৰ্ণয়টোত বিনিৰ্দিষ্ট কৰা বহুতো অপৰাধৰ ভিতৰৰ এটাৰ বাবে দোষী, কিন্তু এইটো সন্দেহজনক যে এই অপৰাধবোৰৰ কোনটোৰ বাবে তেওঁ দোষী, অপৰাধীজনক সেই অপৰাধটোৰ বাবেহে দণ্ড দিয়া হব যিটোৰ বাবে নিম্নতম দণ্ডৰ উপবন্ধ কৰা হৈছে যদিহে সকলোবোৰৰ বাবে একে দণ্ডৰ উপবন্ধ কৰা নহয়।

নিৰ্জন পৰিৰোধ।

৭৩। যেতিয়া কোনো ব্যক্তিক এনে এটা অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা হয় যি অপৰাধটোৰ বাবে ন্যায়ালয়ৰ এই সংহিতাখনৰ অধীনত সশ্ৰম কাৰাবাসেৰে দণ্ড দিয়াৰ ক্ষমতা আছে, তেনে ক্ষেত্ৰত ন্যায়ালয়ে, দণ্ডাদেশৰ দ্বাৰা, এনে আদেশ দিব পাৰে যে অপৰাধীজনক তেওঁক দণ্ডাদেশ দিয়া কাৰাবাসটোৰ এটা অংশ বা অংশবোৰৰ বাবে মুঠতে তিনিমাহৰ অধিক নোহোৱাকৈ নিম্নোক্ত মান অনুসৰি নিৰ্জন পৰিৰোধত ৰাখিব, অৰ্থাৎ—

যদিহে কাৰাবাসৰ অৱধিটো ছয় মাহৰ অধিক নহয়, তেতিয়া এমাহৰ অধিক নোহোৱা এটা কাল;

যদিহে কাৰাবাসৰ অৱধিটো ছয় মাহৰ অধিক হয়, [1][আৰু এবছৰৰ অধিক নহয়;] তেনে ক্ষেত্ৰত দুমাহৰ অধিক নোহোৱা এটা কাল,

যদিহে কাৰাবাসৰ অৱধিটো এবছৰৰ অধিক হয়, তেতিয়া তিনিমাহৰ অধিক নোহোৱা এটা কাল।

নিৰ্জন পৰিৰোধৰ সীমা।

৭৪। নিৰ্জন পৰিৰোধৰ দণ্ডাদেশ নিষ্পাদন কৰোঁতে নিৰ্জন পৰিৰোধৰ কালাৱধিবোৰৰ মাজত অৱকাশবোৰ তেনে কালাৱধিবোৰৰ অৱধিতকৈ কম নোহোৱা তেনে পৰিৰোধ কোনো ক্ষেত্ৰতে এবাৰত চৈধ্য দিনৰ অধিক নহব; আৰু যেতিয়া দিয়া কাৰাবাসটো তিনি মাহৰ অধিক হয় তেতিয়া নিৰ্জন পৰিৰোধৰ কালাৱধিবোৰৰ মাজৰ অৱকাশবোৰ তেনে কালাৱধিবোৰৰ অৱধিতকৈ কম নোহোৱাকৈ, নিৰ্জন পৰিৰোধ, দিয়া সমগ্ৰ কাৰাবাসৰ যিকোনো এটা মাহত সাতদিনৰ অধিক নহব।

পূৰ্বে দোষী সাব্যস্ত হোৱাৰ পিছত অধ্যায় ১২ আৰু অধ্যায় ১৭ ৰ অধীনৰ কিছুমান নিৰ্দ্দিষ্ট অপৰাধৰ বাবে বৰ্দ্ধিত দণ্ড।

[2][৭৫। যিয়েই,—

(ক) [3][ভাৰত]ত কোনো ন্যায়ালয়ৰ দ্বাৰা, এই সংহিতা খনৰ অধ্যায় ১২বা অধ্যায়ৰ ১৭ৰ অধীনত তিনি বছৰ বা তদুৰ্দ্ধ এটা অৱধিৰ বাবে দুয়ো প্ৰকাৰৰ এটা কাৰাবাসৰে দণ্ডনীয় কোনো অপৰাধৰ বাবে দোষী সাব্যস্ত হৈ [4] x x x সেই অধ্যায় দুটাৰ যি কোনোটোৰ অধীনত একেটা অৱধিৰ

১। ১৮৮২ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ৫ৰ দ্বাৰা এবছৰৰ "কাম হব"ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯১০ চনৰ ৩নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা মূল ধাৰাৰ বাবে প্ৰতিষ্ঠাপিত।

৩। "বৃটিছ ভাৰত" শব্দসমূহ অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ ১৯৫০ আৰু ১৯৫১ চনৰ ৩নং অধিনিয়মৰ ধাৰা ৩আৰু অনুসূচীৰ দ্বাৰা উপৰোক্তৰূপে গঠিত হবলৈ ক্ৰমাগত ভাবে প্ৰতিষ্ঠাপিত কৰা হৈছে।

৪। উপৰোক্তৰ দ্বাৰা খণ্ড (ক) আৰু (খ)ৰ শেষত থকা "বা" শব্দটো লোপ কৰা হৈছে।

বাবে এনে দহৰ কাৰাবাসেৰে দণ্ডনীয় কোনো অপৰাধৰ বাবে দোষী হব, তেওঁ এনে প্ৰতিটো পৰৱৰ্তী অপৰাধৰ বাবে [1][আজীৱন কাৰাবাস]ৰে বা দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পৰা এনে এটা অৱধিৰ বাবে যি দুই প্ৰকাৰৰ এটা কাৰাবাসৰে দণ্ডনীয় হব।]

## অধ্যায় ৪

### সাধাৰণ ব্যতিক্ৰমবোৰ

**বিধিৰ দ্বাৰা আবদ্ধ হোৱা, বা তথ্যৰ ভুলৰ দ্বাৰা তেওঁ নিজকে আবদ্ধ বুলি ভবা, ব্যক্তিৰ দ্বাৰা কৰা কাৰ্য্য।**

৭৬। এনে কোনো কাৰ্যহি অপৰাধ নহয় যিটো এনে এজন ব্যক্তিৰ দ্বাৰা কৰা হয়, যিজন এইটো কৰিবলৈ, বিধিৰ দ্বাৰা আবদ্ধ হয়, বা যিজনে তথ্যৰ ভুলৰ কাৰণেহে কিন্তু বিধিৰ ভুলৰ কাৰণে নহয়, সৰল বিশ্বাসত তেওঁ নিজকে এইটো কৰিবলৈ বিধিৰ দ্বাৰা আবদ্ধ বুলি বিশ্বাস কৰে।

#### দৃষ্টান্ত সমূহ

(ক) এজন সৈন্য "ক"ই বিধিৰ সমাদেশ অনুসৰি তেওঁৰ উৰ্দ্ধতন পদাধিকাৰীজনৰ আদেশক্ৰমে, বিশৃঙ্খল জনতালৈ গুলীয়ালে। "ক" ই কোনো অপৰাধ কৰা নাই।

(খ) ন্যায়ালয়ৰ এজন বিষয়া "ক"ই সেই ন্যায়ালয়ৰ দ্বাৰা "ছ"ক গ্ৰেপ্তাৰ কৰিবলৈ আদেশ প্ৰাপ্ত হৈ, সমুচিত তদন্তক্ৰমে, "জ"ক "ছ" বুলি বিশ্বাস কৰি, "জ"ক গ্ৰেপ্তাৰ কৰিলে। "ক"ই কোনো অপৰাধ কৰা নাই।

**ন্যায়ানুৰূপে কাৰ্য্য কৰা ন্যায়াধীশৰ কাৰ্য্য।**

৭৭। এনে কোনো কাৰ্যহি অপৰাধ নহয়, যি কাৰ্য্য ন্যায়াধীশে যেতিয়া তেওঁ ন্যায়ানুৰূপে কাৰ্য্য কৰি এনে কোনো ক্ষমতাৰ প্ৰয়োগত যি ক্ষমতা বিধিৰ দ্বাৰা তেওঁক দিয়া হৈছে বা যি ক্ষমতা বিধিৰ দ্বাৰা তেওঁক দিয়া হৈছে বুলি তেওঁ সৰল বিশ্বাসত বিশ্বাস কৰে।

**ন্যায়ালয়ৰ নিৰ্ণয় বা আদেশৰ অনুসৰণত কৰা কাৰ্য্য।**

৭৮। কাৰ্যটো কৰা ব্যক্তিজনে ন্যায়ালয়ৰ তেনে অধিকাৰিতা থকা বুলি সৰল বিশ্বাসত বিশ্বাস কৰিলে ন্যায়ালয়ৰ তেনে নিৰ্ণয় বা আদেশ দিবলৈ কোনো অধিকাৰিতা নথকা স্বত্বেও এনে কোনো কাৰ্যহি অপৰাধ নহয়, যিটো ন্যায়ালয়ৰ নিৰ্ণয় বা আদেশক্ৰমে কৰা হয় বা যিটো ন্যায়ালয়ৰ নিৰ্ণয় বা আদেশৰ দ্বাৰা সমৰ্থিত হয়, যদিহে এইটো তেনে নিৰ্ণয় বা আদেশ বলবৎ থকা অৱস্থাত কৰা হয়।

**বিধিৰ দ্বাৰা ন্যায়ানুমত বা তথ্যৰ ভুলৰ দ্বাৰা তেওঁ নিজকে তেনে বুলি ভবা, ব্যক্তিৰ দ্বাৰা কৰা কাৰ্য্য।**

৭৯। এনে কোনো কাৰ্যহি অপৰাধ নহয় যিটো এনে কোনো ব্যক্তিৰ দ্বাৰা কৰা হয় যিজন এই কাৰ্যটো কৰিবলৈ বিধিৰ দ্বাৰা ন্যায়ানুমত হয়, বা যিজনে তথ্যৰ ভুলৰ বাবে কিন্তু বিধিৰ ভুলৰ কাৰণে নহয় এই কাৰ্যটো কৰিবলৈ তেওঁ নিজকে ন্যায়ানুমত হোৱা বুলি সদভাৱ পূৰ্বক বিশ্বাস কৰে।

#### দৃষ্টান্ত

"ক"ই "জ"ক এনে এটা কাৰ্য্য কৰোতে দেখিলে যিটো "ক"ৰ হত্যা বুলি প্ৰতীত হ'ল। এইটো তথ্যত হত্যাকাৰী লোকক কৰায়ত্ত কৰিবলৈ সকলোবোৰ ব্যক্তিক বিধিয়ে দিয়া ক্ষমতাৰ প্ৰয়োগত, সদভাৱ পূৰ্বক তেওঁৰ বিবেচনা সৰ্বোৎকৃষ্ট ভাৱে কামত লগাই, "জ"ক উপযুক্ত প্ৰাধিকাৰীৰ সন্মুখলৈ

---

১। ১৯৫৫। আৰু ২৬নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

অন্যৰ বাবে, "ক"ই "জ"ক আটক কৰিলে। "ক"ই কোনো অপৰাধ কৰা নাই, যদিও এইটো হব পাৰে যে "জ"ই আত্মৰক্ষাৰ বাবেহে এইটো কৰিছিল।

**বিধি সম্মত কাৰ্য্য কৰোতে হোৱা দুৰ্ঘটনা।**

৮০। এনে কোনো কাৰ্যই অপৰাধ নহয় যিটো দুৰ্ঘটনা ক্ৰমে বা দুৰ্ভাগ্যবশতঃ আৰু কোনো অপৰাধিক অভিপ্ৰায় বা জ্ঞান বিনা বিধিসম্মত কাৰ্য্য বিধি সম্মত ভাবে বিধি সম্মত উপায়েৰে আৰু সমুচিত যত্ন আৰু সাৱধানতাসহ কৰোতে, কৰা হয়।

### দৃষ্টান্ত

"ক"ই এখন সৰু কুঠাৰেৰে কাম কৰি আছিল, কুঠাৰৰ মুৰটো চিটিকি গ'ল আৰু ওচৰত থিয় হৈ থকা এজন মানুহৰ মৃত্যু ঘটালে। এই ক্ষেত্ৰত, যদিহে "ক"ৰ পক্ষে সম্যক সাৱধানতাৰ অভাৱ নাছিল, তেওঁৰ কাৰ্য্যটো ক্ষমনীয় হব আৰু ই এটা অপৰাধ নহয়।

**অনিষ্ট কৰিব পৰা কিন্তু আপৰাধিক অভিপ্ৰায় বিনা আৰু অন্য অনিষ্ট বাৰণ কৰিবলৈ কৰা, কাৰ্য্য।**

৮১। এনে কোনো কাৰ্যই আপৰাধিক নহয়, কেৱল এইটো এনে জ্ঞান সহ কৰাৰ কাৰণেহে যে ই আঘাত কৰিব পাৰে, যদিহে এইটো অনিষ্ট কৰাৰ কোনো আপৰাধিক অভিপ্ৰায় বিনা, আৰু সদভাৱ পূৰ্বক ব্যক্তি বা সম্পত্তিৰ অন্য অনিষ্ট হোৱাটো বাৰণ কৰাৰ বা এৰাবৰ উদ্দেশ্যে কৰা হয়।

**স্পষ্টীকৰণ** – এনে এটা ক্ষেত্ৰত এইটো তথ্যৰ প্ৰশ্ন হব যে বাৰণ কৰিবলগীয়া বা এৰাবলগীয়া অনিষ্ট এনে প্ৰকৃতিৰ আৰু এনেকুৱা আসন্ন আছিল যে কাৰ্যটোৰে অনিষ্ট কৰিব পাৰে বুলি জনা স্বত্বেও কাৰ্যটো কৰাৰ বিপদাশংকা ন্যায়ানুমত হয় বা ক্ষমাৰ যোগ্য হয়।

### দৃষ্টান্ত

(ক) এখন বাষ্পচালিত জাহাজৰ কেপ্তেইন "ক"ই হঠাতে আৰু তেওঁৰ পক্ষে কোনো ত্ৰুটী বা অৱহেলা নোহোৱাকৈ, তেওঁ নিজকে এনে এটা অৱস্থাত পালে যে তেওঁ তেওঁৰ জাহাজখন বন্ধ কৰিব পৰাৰ পূৰ্বেই তেওঁ নিশ্চয় অনিবাৰ্য্য ভাবে বিশ বা ত্ৰিশজন যাত্ৰীৰ সৈতে এখন নাওঁ "খ"ক খুন্দা খুৱাই ডুবাব লাগিব, যদিহে তেওঁ তেওঁৰ জাহাজখনৰ যাত্ৰা পথ পৰিবৰ্তন নকৰে আৰু তেওঁৰ যাত্ৰা পথৰ পৰিবৰ্তন কৰি তেওঁ মাত্ৰ দুজন যাত্ৰীসহ এখন নাওঁ, "গ"ক খুন্দা খুৱাই ডুবাই দিয়া বিপদাশংকা লব লাগিব যিটো তেওঁ সম্ভৱতঃ এৰাব পাৰে, এই ক্ষেত্ৰত যদিহে "ক"ই "গ" নাওঁখনক খুন্দা খুৱাই ডুবাই দিয়াৰ অভিপ্ৰায় বিনা আৰু নাওঁ "খ"ত থকা যাত্ৰীসকলৰ বিপদ এৰাবৰ উদ্দেশ্যে সদভাব পূৰ্বক, তেওঁৰ যাত্ৰাপথৰ পৰিবৰ্তন কৰে, তেওঁ অপৰাধৰ বাবে দোষী নহব, যদিও তেওঁ এনে এটা কাৰ্য্য কৰি "গ" নাওঁখনক খুন্দা খুৱাই ডুবাব পাৰে, যি কাৰ্যটোৰে সেই পৰিণামটো ঘটাব পাৰে বুলি তেওঁ জানিছিল, যদিহে তথ্যৰ বিষয়ৰূপে এইটো পোৱা হয় যে তেওঁ যিটো বিপদ এৰাবলৈ অভিপ্ৰায় কৰিছিল সেইটো এনেকুৱা আছিল যে ই তেওঁক "গ" নাওঁখনক খুন্দা খুৱাই ডুবাই দিয়াৰ বিপদাশংকা লোৱাটো ক্ষমাৰ যোগ্য।

(খ) "ক" ই এটা প্ৰচণ্ড অগ্নিকাণ্ডটো বিস্তৃত হোৱাটো বাৰণ কৰাৰ বাবে ঘৰবোৰ ভাঙি পেলাইছে।

তেওঁক এইটো মানৱ জীৱন বা সম্পত্তি ৰক্ষা কৰাৰ অভিপ্ৰায়েৰে সদভাব পূৰ্বক কৰিছে: এই ক্ষেত্ৰত, যদিহে এইটো পোৱা হয় যে বাৰণ কৰিবলগীয়া অনিষ্টটো এনে এটা প্ৰকৃতিৰ আৰু এনেকুৱা আসন্ন আছিল যে "ক"ৰ কাৰ্য্য ক্ষমনীয় আছিল। "ক" অপৰাধটোৰ বাবে দোষী নহয়।

**সাত বছৰ বয়সৰ তলৰ শিশুৰ কাৰ্য্য।**

৮২। এনে কোনো কাৰ্যই অপৰাধ নহয়, যিটো সাত বছৰ বয়সৰ তলৰ শিশুৰ দ্বাৰা কৰা হয়।

**সাত বছৰ বয়সৰ ওপৰৰ আৰু বাৰ বছৰ বয়সৰ তলৰ অপৈনত বোধশক্তিৰ শিশুৰ কাৰ্য্য।**

৮৩। এনে কোনো কাৰ্য্যই অপৰাধ নহয় যিটো সাত বছৰ বয়সৰ ওপৰৰ আৰু বাৰ বছৰৰ তলৰ এনে এটা শিশুৰ দ্বাৰা কৰা হয় যি জনে সেইটো ঘটনাৰ সময়ত তেওঁৰ আচৰণৰ প্ৰকৃতি আৰু পৰিণামৰ বিষয়ে বিচাৰ কৰিব পৰাকৈ পৰ্য্যাপ্ত পৰিমাণে বোধশক্তিৰ পৈণতা লাভ কৰা নাছিল।

**অসুস্থমনৰ ব্যক্তিৰ কাৰ্য্য।**

৮৪। এনে কোনো কাৰ্য্যই অপৰাধ নহয় যিটো এনে এজন ব্যক্তিৰ দ্বাৰা কৰা হয় যিজন, এইটো কৰাৰ সময়ত, মনৰ অসুস্থতাৰ কাৰণে কাৰ্য্যটোৰ প্ৰকৃতিৰ বিষয়ে বা তেওঁ এনে কাৰ্য্য কৰি আছে যিটো হয়তো দোষণীয় বা বিধিৰ প্ৰতিকূল তাক জানিবলৈ অসমৰ্থ আছিল।

**তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে মাতাল অৱস্থাত থকাৰ কাৰণে নিৰ্ণয়ত উপনীত হবলৈ অসমৰ্থ হোৱা ব্যক্তিৰ কাৰ্য্য।**

৮৫। এনে কোনো কাৰ্যই অপৰাধ নহয় যিটো এনে এজন ব্যক্তিৰ দ্বাৰা কৰা হয় যিজন, এইটো কৰাৰ সময়ত মাতাল অৱস্থাৰ কাৰণে কাৰ্য্যটোৰ প্ৰকৃতি বা তেওঁ এনে কাৰ্য্য কৰি আছে যিটো হয়তো দোষণীয়, বা বিধি প্ৰতিকূল তাক জানিবলৈ অসমৰ্থ আছিল, যদিহে সেই বস্তুটো যিটোৱে তেওঁক মাতাল কৰিছিল, তেওঁৰ জ্ঞান বিনা বা ইচ্ছাৰ বিৰুদ্ধে খুওৱা হৈছিল।

**বিশেষ অভিপ্ৰায় বা জ্ঞানৰ অপেক্ষিত হোৱা অপৰাধ এটা মাতাল ব্যক্তিৰ দ্বাৰা কৰা হলে।**

৮৬। এনে ক্ষেত্ৰবোৰত য'ত এটা কাৰ্য্য কৰাটো অপৰাধ নহয় যদিহে কাৰ্য্যটো এটা বিশেষ অভিপ্ৰায় বা জ্ঞানসহ কৰা নহয়, মাতাল অৱস্থাত কাৰ্য্যটো কৰা এজন ব্যক্তিক এনে ধৰণে ব্যৱহাৰ কৰিবলগীয়া হব যেন তেওঁৰ সেই একে ধৰণৰ জ্ঞানেই আছিল যিটো তেওঁৰ থাকিলেহেঁতেন যদি তেওঁক মাতাল কৰা নহ'লহেঁতেন, যদিহে যি বস্তুটোৱে তেওঁক মাতাল কৰিছিল, সেইটো তেওঁৰ জ্ঞান বিনা বা তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে তেওঁক খুওৱা হোৱা নাছিল।

**সম্মতিৰে কৰা কাৰ্য্য যিটোৰ দ্বাৰা মৃত্যু বা গুৰুতৰ আঘাট ঘটোৱাৰ অভিপ্ৰায় বা ইয়াৰ সম্ভাব্যতাৰ জ্ঞান নাই।**

৮৭। এনে কোনো কাৰ্যহি, যিটো মৃত্যু বা গুৰুতৰ আঘাত ঘটাবলৈ অভিপ্ৰেত নহয়, আৰু যিটোৱে মৃত্যু বা গুৰুতৰ আঘাত ঘটাব পাৰে বুলি কৰোতাজন জ্ঞাত নহয়,

ওঠৰ বছৰ বয়সৰ ওপৰৰ এনে কোনো ব্যক্তি যিজনে সেই অনিষ্টটো ভোগ কৰিবলৈ তেওঁৰ প্ৰতি ই ঘটাব পৰা, বা ঘটাবলৈ কৰোতাজনৰ দ্বাৰা অভিপ্ৰেত হোৱা কোনো অনিষ্টৰ বাবে অভিব্যক্তই হওঁক বা বিবক্ষিতই হওঁক সম্মতি দিয়ে,

বা এনে কোনো অনিষ্টৰ বাবে যিটো এনে কোনো ব্যক্তিৰ প্ৰতি ঘটিব পাৰে বুলি কৰোতাজন জ্ঞাত থাকিব পাৰে যিজনে সেই অনিষ্টটোৰ বিপদাশঙ্কা লবলৈ সম্মতি দিছে, এই অনিষ্টৰ বাবে ই অপৰাধ নহয়।

## দৃষ্টান্ত

"ক" আৰু "জ" ই আমোদৰ কাৰণে পৰস্পৰৰ ভিতৰত তৰোৱাল খেলিবলৈ সম্মত হ'ল। এই সম্মতিটোৱে এনে কোনো অনিষ্ট কৰিবলৈ প্ৰত্যেকৰে সম্মতি সূচায়, যি অনিষ্টটো এনে তৰোৱাল খেল খেলোতে অন্যায় আচৰণ বিনা ঘটিব পাৰে, আৰু যদি "ক"ই, ন্যায় সঙ্গত ভাবে খেলোতে, "জ"ক অনিষ্ট কৰে, তেন্তে "ক"ই কোনো অপৰাধ নকৰে।

**মৃত্যু ঘটাবলৈ অভিপ্ৰেত নোহোৱা, সম্মতিক্ৰমে সদভাৱ পূৰ্বক ব্যক্তিৰ হিতাৰ্থে কৰা কাৰ্য্য।**

৮৮। মৃত্যু ঘটোৱাৰ অভিপ্ৰায় নোহোৱাকৈ কৰা একোৱেই, কোনো এজন ব্যক্তিৰ, যিজনৰ হিতৰ বাবে সদভাৱ পূৰ্বক এনে কাৰ্য্য কৰা হৈছে আৰু যিজনে অভিব্যক্ত ভাৱেই হওঁক বা বিবক্ষিত ভাৱেই হওঁক, তেনে অনিষ্ট ভোগ কৰিবলৈ বা তেনে অনিষ্টৰ বিপদাশঙ্কা ভোগ কৰিবলৈ সম্মতি দান কৰিছে, তেনে ব্যক্তিৰ প্ৰতি এনে কাৰ্যই ঘটাব পৰা কোনো অনিষ্টৰ কাৰণে বা কৰোতাজনৰ দ্বাৰা কোনো অনিষ্ট ঘটাবলৈ এনে কাৰ্য্য অভিপ্ৰেত হোৱাৰ কাৰণ বা কোনো অনিষ্ট ঘটাবলৈ এনে কাৰ্য্য সম্ভৱপৰ বুলি কৰোতাজন জ্ঞাত হোৱাৰ কাৰণে অপৰাধ নহয়।

### দৃষ্টান্ত

শল্য চিকিৎসক "ক"ই, এটা বিশেষ অস্ত্রোপচাৰে "জ"ৰ, যি জনে এটা বৰ পীড়াদায়ক অসুখত ভুগি আছে, মৃত্যু ঘটাব পাৰে বুলি জানিও, কিন্তু "জ"ৰ মৃত্যু ঘটোৱাৰ অভিপ্ৰায় নোহোৱাকৈ আৰু সদভাৱ পূৰ্বক "জ"ৰ হিতৰ অভিপ্ৰায়েৰে, "জ"ৰ ওপৰত "জ"ৰ সম্মতিক্ৰমে, সেই অস্ত্ৰোপচাৰটো কৰিলে। "ক"ই কোনো অপৰাধ কৰা নাই।

**শিশুৰ বা উন্মাদ ব্যক্তিৰ হিতৰ বাবে সদভাৱ পূৰ্বক অভিভাৱকৰ দ্বাৰা বা তেওঁৰ সম্মতিক্ৰমে কৰা কাৰ্য।**

৮৯। সদভাৱ পূৰ্বক, বাৰ বছৰ বয়সৰ তলৰ বা অসুস্থ মনৰ ব্যক্তি এজনৰ হিতৰ বাবে, অভিভাৱকৰ দ্বাৰা বা তেনে ব্যক্তিৰ সম্পৰ্কে বিধিসন্মত ভাৰ থকা আন ব্যক্তিৰ দ্বাৰা তেওঁৰ দ্বাৰা দিয়া, অভিব্যক্ত ভাৱেই হওঁক বা বিবক্ষিত ভাৱেই হওঁক, সম্মতিক্ৰমে কৰা একোৱেই, তেনে ব্যক্তিৰ প্ৰতি এনে কাৰ্যই কৰিব পৰা কোনো অনিষ্টৰ কাৰণে, বা কৰোঁতাজনৰ দ্বাৰা কোনো অনিষ্ট সাধন কৰিবলৈ এনে কাৰ্য অভিপ্ৰেত হোৱাৰ কাৰণে বা কোনো অনিষ্ট সাধন কৰিবলৈ এনে কাৰ্য সম্ভৱপৰ বুলি কৰোঁতাজন জ্ঞাত হোৱাৰ কাৰণে অপৰাধ নহয়ঃ

পৰন্তু–

**প্ৰথম** – এই ব্যতিক্ৰমটো অভিপ্ৰায় পূৰ্বক মৃত্যু ঘটোৱা বা মৃত্যু ঘটাবলৈ প্ৰয়াস কৰাৰ ক্ষেত্ৰলৈ বিস্তাৰিত নহব;

**দ্বিতীয়** – এই ব্যতিক্ৰমটো মৃত্যু বা গুৰুতৰ আঘাত নিবাৰণ কৰা বা যিকোনো গুৰুতৰ বেমাৰ বা দুৰ্বলতা আৰোগ্য কৰাৰ বাহিৰে আন যি কোনো প্ৰয়োজনৰ বাবে যি কোনো কাৰ্য কৰাৰ ক্ষেত্ৰলৈ বিস্তাৰিত নহব যিটো মৃত্যু ঘটাবলৈ সম্ভৱপৰ হব পাৰে বুলি এনে কাৰ্য কৰোঁতাজন জ্ঞাত,

**তৃতীয়** – এই ব্যতিক্ৰমটো স্বেচ্ছাই গুৰুতৰ আঘাত কৰোৱা বা গুৰুতৰ আঘাত কৰিবলৈ প্ৰয়াস কৰাৰ ক্ষেত্ৰলৈ বিস্তাৰিত নহব যদিহে এইটো মৃত্যু নিবাৰণ কৰা বা গুৰুতৰ আঘাত কৰা, বা যি কোনো গুৰুতৰ ৰোগ বা দুৰ্বলতা আৰোগ্য কৰাৰ প্ৰয়োজনত কৰা নহয়।

**চতুৰ্থ** - এই ব্যতিক্ৰমটো যি কোনো অপৰাধৰ অপ-প্ৰেৰণাৰ ক্ষেত্ৰলৈ বিস্তাৰিত নহব, যিটো অপৰাধ কৰাৰ ক্ষেত্ৰলৈ ই বিস্তাৰিত নহয়।

### দৃষ্টান্ত

"ক"ই সদভাৱপূৰ্বক, তেওঁৰ শিশুৰ হিতৰ বাবে তেওঁৰ শিশুৰ সম্মতি বিনা, অস্ত্ৰোপচাৰে শিশুটোৰ মৃত্যু ঘটোৱা সম্ভৱ হব পাৰে বুলি জ্ঞাত হৈও কিন্তু শিশুটোৰ মৃত্যু ঘটোৱাৰ অভিপ্ৰায় নকৰাকৈ, এজন শল্য চিকিৎসকৰ দ্বাৰা শিশুটোৰ পাথৰ উলিয়াবৰ বাবে তেওঁৰ শিশুটোৰ অস্ত্ৰোপচাৰ কৰালে। "ক" এই ব্যতিক্ৰমটোৰ ভিতৰত আছে, যিহেতু শিশুটোৰ আৰোগ্যই তেওঁৰ উদ্দেশ্য আছিল।

**ভয়তে বা ভুল ধাৰণাতে দিয়া বুলি জ্ঞাত সম্মতি।**

৯০। কোনো সম্মতি, এই সংহিতাৰ যি কোনো ধাৰাৰ দ্বাৰা অভিপ্ৰেত এনে এটা সম্মতি নহয়, যদি সম্মতিটো কোনো ব্যক্তিৰ দ্বাৰা ক্ষতিৰ ভয়ত বা তথ্যৰ ভুল ধাৰণাত দিয়া হয় আৰু যদি কাৰ্যটো কৰা ব্যক্তিজন জ্ঞাত হয় বা তেওঁৰ বিশ্বাস কৰিবলৈ যুক্তি থাকে যে সম্মতিটো এনে ভয় বা ভুল ধাৰণাৰ পৰিণামতহে দিয়া হৈছিল; বা

**উন্মাদ ব্যক্তিৰ সম্মতি।**

যদি সম্মতিটো ব্যক্তি এজনৰ দ্বাৰা দিয়া হয়, যিজনে অসুস্থ মন বা মাতাল অবস্থাৰ বাবে তাৰ প্ৰকৃতি আৰু পৰিণাম বুজি পাবলৈ অসমৰ্থ হয় যিটোৰ প্ৰতি তেওঁ তেওঁৰ সম্মতি দান কৰিছে ; বা

**শিশুৰ সম্মতি।**

প্ৰসংগত প্ৰতিকূল প্ৰতীত নহ'লে, যদি সম্মতিটো বাৰ বছৰ বয়সৰ তলৰ ব্যক্তিৰ দ্বাৰা দিয়া হয়।

**এনে কাৰ্যবোৰৰ বৰ্জন যিবিলাক ঘটিত হোৱা অনিষ্টৰ স্বতন্ত্ৰভাৱে হোৱা অপৰাধ।**

৯১। ধাৰা ৮৭, ৮৮ আৰু ৮৯ত উল্লেখিত ব্যতিক্ৰমবোৰ এনে কাৰ্যলৈ বিস্তাৰিত নহয় যিবোৰ কাৰ্যই সম্মতি দিয়া বা যাৰ হকে সম্মতি দিয়া হৈছে সেই ব্যক্তিৰ প্ৰতি কৰিব পৰা, বা কৰিবলৈ অভিপ্ৰেত হোৱা, বা কৰিবলৈ সম্ভাৱনা থকা বুলি জ্ঞাত হোৱা, কোনো অনিষ্টৰ স্বতন্ত্ৰ ভাৱে অপৰাধ হয়।

### দৃষ্টান্ত

(নাৰী গৰাকীৰ জীৱন ৰক্ষাৰ প্ৰয়োজনাৰ্থে কৰোৱা নহ'লে) গৰ্ভপাত কৰোৱাটো তেনে যি কোনো অনিষ্টৰ কথা এৰিও যিবোৰ অনিষ্ট নাৰী গৰাকীৰ প্ৰতি ই কৰিব পাৰে বা কৰিবলৈ অভিপ্ৰেত হয়, স্বতন্ত্ৰ ভাৱে অপৰাধ হব। গতিকে, "এনে অনিষ্টৰ কাৰণতে" ই এটা অপৰাধ নহয়; আৰু তেনে গৰ্ভপাত কৰোৱাৰ বাবে নাৰী গৰাকীৰ বা তেওঁৰ অভিভাৱকৰ সম্মতিয়ে কাৰ্য্যটো ন্যায় সঙ্গত নকৰে।

**কোনো ব্যক্তিৰ হিতৰ বাবে সম্মতি বিনা সদভাৱপূৰ্বক কৰা কাৰ্য্য।**

৯২। যাৰ হিতৰ বাবে সদভাৱপূৰ্বক কোনো কাৰ্য্য কৰা হয়, আনকি সেই ব্যক্তিজনৰ সম্মতি নোহোৱাকৈ কৰা হলেও তেনে ব্যক্তিলৈ ই ঘটিত কৰিব পৰা যি কোনো অনিষ্টৰ কাৰণতে একেবাৰেই অপৰাধ নহয়, যদিহে পৰিস্থিতিসমূহ এনেকুৱা যে সেই ব্যক্তিজনৰ বাবে সম্মতি প্ৰকাশ কৰাটো অসম্ভৱ বা সেই ব্যক্তিজন সম্মতি দিবলৈ অসমৰ্থ আৰু তেওঁৰ কোনো অভিভাৱক বা বিধিসম্মত ভাৰতত থকা আন কোনো ব্যক্তি নাই যাৰ পৰা হিতৰ সৈতে কোনো কাৰ্য্য কৰিবলৈ সময়মতে সম্মতি লাভ কৰাটো অসম্ভৱ।

পৰন্তুক - পৰন্তু

**প্ৰথম** - অভিপ্ৰেতভাৱে মৃত্যু ঘটোৱা, বা মৃত্যু ঘটাবলৈ প্ৰয়াস কৰাৰ ক্ষেত্ৰলৈ বিস্তাৰিত নহব,

**দ্বিতীয়তে** - এই ব্যতিক্ৰমটো মৃত্যু বা গুৰুতৰ আঘাত নিবাৰণ বা গুৰুতৰ ৰোগ বা দুৰ্বলতা আৰোগ্য কৰাৰ ব্যতিৰেকে আন কোনো উদ্দেশ্যৰ বাবে অন্য যি কোনো কাৰ্য্য কৰণলৈ বিস্তাৰিত নহব যি কাৰ্য্যই মৃত্যু ঘটোৱাৰ সম্ভাৱনা থকা বুলি কাৰ্য্যটো কৰা ব্যক্তিজনে জানে।

**তৃতীয়তে** - এই ব্যতিক্ৰমটো মৃত্যু বা আঘাত নিবাৰণ কৰাৰ বাহিৰে অন্য যি কোনো প্ৰয়োজনৰ বাবে, স্বেচ্ছাই আঘাত কৰা, বা আঘাত কৰিবলৈ প্ৰয়াস কৰালৈ, বিস্তাৰিত নহব;

**চতুৰ্থতে**- এই ব্যতিক্ৰমটো যি কোনো অপৰাধৰ অপপ্ৰেৰণালৈ বিস্তাৰিত নহব, যি অপৰাধটো সংঘটন কৰালৈ ই বিস্তাৰিত নহয়।

### দৃষ্টান্ত

(ক) "জ" তেওঁৰ ঘোঁৰাৰ পৰা পৰিল আৰু সংজ্ঞাহীন হ'ল। শল্য চিকিৎসক "ক"ই দেখিলে যে "জ" ৰ মূৰৰ অস্ত্ৰোপচাৰ কৰাটো আৱশ্যকীয়। "ক"ই, "জ"ৰ মৃত্যুৰ অভিপ্ৰায় নকৰাকৈ, কিন্তু সদভাৱপূৰ্বক "জ"ৰ হিতৰ বাবে, "জ"ই তেওঁৰ নিজৰ বাবে বিচাৰ কৰাৰ ক্ষমতা ঘূৰাই পোৱাৰ পূৰ্বে, অস্ত্ৰোপচাৰটো কৰিলে। "ক"ই কোনো অপৰাধ কৰা নাই।

(খ) "জ"ক বাঘ এটাই কঢ়িয়াই লৈ গ'ল। এইটো সম্ভৱপৰ হব পাৰে বুলি জানিও যে গুলীটোৱে "জ"ৰ মৃত্যু ঘটাব পাৰে, কিন্তু "জ"ক বধ কৰাৰ অভিপ্ৰায় নকৰি আৰু সদভাৱ পূৰ্বক "জ"ৰ হিতৰ অভিপ্ৰায়েৰে, "ক"ই বাঘটোলৈ গুলী চলালে। "ক"ৰ গুলীয়ে "জ"ক এটা মাৰাত্মক আঘাত দিলে। "ক"ই কোনো অপৰাধ কৰা নাই।

(গ) শল্য চিকিৎসক "ক"ই এটি শিশু দুৰ্ঘটনাগ্ৰস্ত হোৱা দেখিলে, যিটো শীঘ্ৰে অস্ত্ৰোপচাৰ কৰা নহলে, প্ৰাণান্তক হোৱাৰ সম্ভাৱনা। শিশুটোৰ অভিভাৱকলৈ আবেদন কৰিবলৈ সময় নাই। "ক"ই শিশুটোৰ অনুনয় বিনয় স্বত্বেও, সদভাৱ পূৰ্বক শিশুটোৰ হিতৰ অভিপ্ৰায়েৰে, অস্ত্ৰোপচাৰটো কৰিলে। "ক"ই কোনো অপৰাধ কৰা নাই।

(ঘ) "ক" এটা ল'ৰাৰ "জ"ৰ সৈতে, জ্বলন্ত ঘৰ এটাত আছে। তলত থকা লোকে কম্বল এখন টানি ধৰিছে। পতনৰ ফলত শিশুটোৰ মৃত্যুৰ সম্ভাৱনা থকা বুলি জানিও, কিন্তু শিশুটোৰ মৃত্যু ঘটাবলৈ অভিপ্ৰায় নকৰাকৈ, আৰু সদভাৱপূৰ্বক, শিশুটোৰ হিতৰ অভিপ্ৰায়েৰে, "ক"ই ঘৰটোৰ মূধচৰ পৰা শিশুটো পেলাই দিছে। ইয়াত, পতনৰ ফলত শিশুটোৰ মৃত্যু হলেও "ক"ই কোনো অপৰাধ কৰা নাই।

**স্পষ্টীকৰণ** - কেৱল আৰ্থিক হিঁতেই ধাৰা ৮৮, ৮৯ আৰু ৯২ ৰ অৰ্থৰ অন্তৰ্গত হিত আৰু নহয়।

সদভাৱপূৰ্বক দিয়া সংবাদ।

৯৩। সদভাৱপূৰ্বক দিয়া কোনো সংবাদ, যিজনলৈ এই সংবাদ দিয়া হয় সেই ব্যক্তিৰ প্ৰতি কৰা যি কোনো অনিষ্টৰ কাৰণতে অপৰাধ নহয়, যদিহে ইয়াক সেই ব্যক্তিজনৰ হিতাৰ্থে দিয়া হয়।

### দৃষ্টান্ত

শল্য চিকিৎসক "ক" ই সদভাৱপূৰ্বক তেওঁৰ ৰোগীক জনালে যে তেওঁ জীয়াই থাকিব নোৱাৰে। আঘাতটোৰ ফলত ৰোগীজনৰ মৃত্যু হল। "ক"ই কোনো অপৰাধ কৰা নাই যদিও সংবাদটোৱে ৰোগীজনৰ মৃত্যু ঘটোৱাৰ সম্ভাৱনা থকা বুলি তেওঁ জানিছিল।

এনে কাৰ্য যিটো কৰিবলৈ কোনো ব্যক্তিক ভাবুকি দি বাধ্য কৰা হয়।

৯৪। হত্যা, আৰু মৃত্যুৰে দণ্ডনীয় ৰাজ্যৰ বিৰুদ্ধে অপৰাধবোৰৰ বাহিৰে একোৱেই অপৰাধ নহয় যিটো এজন ব্যক্তিৰ দ্বাৰা কৰা হৈছে যাক ভাবুকি দি এইটো কৰিবলৈ বাধ্য কৰা হৈছে, যি ভাবুকিয়ে এইটো কৰাৰ সময়ত যুক্তি-যুক্তভাৱে এনে এটা আশংকা জন্মায় যে অন্যথা তাৰ পৰিণাম হব সেই ব্যক্তিজনৰ তাৎকালিক মৃত্যু, পৰন্তু কাৰ্যটো কৰা ব্যক্তিজনে স্বইচ্ছাৰে বা তেওঁৰ নিজৰ তৎকালিক মৃত্যুতকৈ কম অনিষ্ট হোৱাৰ যুক্তি-যুক্ত আশংকা এটাৰ কাৰণে তেওঁ নিজকে এই স্থিতিত নেপেলায় যাৰ দ্বাৰা তেওঁ তেনে বাধ্যতাৰ অধীন হব লগা হয়।

**স্পষ্টীকৰণ ১** - কোনো ব্যক্তি যিজনে, স্বেচ্ছাই বা প্ৰহাৰৰ ভাবুকিৰ কাৰণে, ডকাইতৰ দলত সিহঁতৰ চৰিত্ৰৰ বিষয়ে জানিও, যোগদান কৰে, তেওঁ এই ব্যতিক্ৰমটোৰ সুবিধা পাবলৈ এই কাৰণে হকদাৰ নহয় যে তেওঁক তেওঁৰ সহযোগী সকলৰ দ্বাৰা যি কোনো এটা কাম কৰিবলৈ বাধ্য কৰা হৈছিল যিটো বিধি অনুসৰি অপৰাধ।

**স্পষ্টীকৰণ ২**- ডকাইতৰ দল এটাৰ দ্বাৰা আটক কৰা আৰু তাৎকালিক মৃত্যুৰ ভাবুকি দি কোনো কাম কৰিবলৈ যি বিধি অনুসৰি অপৰাধ, বাধ্য কৰা ব্যক্তি ; উদাহৰণ স্বৰূপে ডকাইতবোৰে এটা ঘৰত প্ৰৱেশ কৰা আৰু লুণ্ঠন কৰাৰ বাবে এজন কমাৰক তেওঁৰ সজুলিবোৰ লবলৈ আৰু এটা ঘৰৰ দৰ্জাত বল প্ৰয়োগ কৰিবলৈ বাধ্য কৰা হলে তেওঁ এই ব্যতিক্ৰমটোৰ সুবিধা পাবলৈ হকদাৰ।

সামান্য অনিষ্ট ঘটোৱা কাৰ্য্য।

৯৫। কোনো কাৰ্য্য এই কাৰণতে অপৰাধ নহয় যে ইয়াৰ দ্বাৰা কোনো অনিষ্ট ঘটিত হৈছে বা ঘটিত কৰিবলৈ অভিপ্ৰেত হৈছে, বা ঘটিত হোৱাৰ সম্ভাৱনা জ্ঞাত হৈছে, যদি সেই অনিষ্টটো ইমান সামান্য যে সাধাৰণ বোধযুক্ত আৰু স্বভাৱৰ কোনো ব্যক্তিয়ে তেনে অনিষ্টৰ বাবে অভিযোগ নকৰে।

### ব্যক্তিগত প্ৰতিৰক্ষাৰ বিষয়ে

ব্যক্তিগত প্ৰতি ৰক্ষাত কৰা কাৰ্য্য।

৯৬। একোৱেই অপৰাধ নহয় যিটো ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ প্ৰয়োগত কৰা হৈছে।

শৰীৰৰ আৰু সম্পত্তিৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ।

৯৭। ধাৰা ৯৯ ত অন্তৰ্বিষ্ট নিৰ্বন্ধনবোৰৰ সাপেক্ষে, প্ৰত্যেক ব্যক্তিৰে,

প্ৰথম :- মানব শৰীৰক প্ৰভাৱিত কৰা যিকোনো অপৰাধৰ বিৰুদ্ধে তেওঁৰ নিজা শৰীৰ, আৰু আন যিকোনো ব্যক্তিৰ শৰীৰৰ প্ৰতিৰক্ষা কৰিবলৈ,

দ্বিতীয়তে :- তেওঁৰ নিজৰ বা আন যিকোনো ব্যক্তিৰ, অস্থাৱৰেই হওঁক কিম্বা স্থাৱৰেই হওঁক সম্পত্তিক, এনে যি কোনো কাৰ্য্য যিটো চুৰি, লুণ্ঠন, অপকৰ্ম বা আপৰাধিক অনধিকাৰ প্ৰৱেশৰ পৰিভাষাৰ অন্তৰ্গত এটা অপৰাধ বা যিটো চুৰি, লুণ্ঠন, অপকৰ্ম বা আপৰাধিক অনধিকাৰ প্ৰৱেশ কৰা এটা প্ৰয়াস, প্ৰতিৰক্ষা কৰিবলৈ অধিকাৰ আছে।

অসুস্থ মনৰ ব্যক্তি ইত্যাদিৰ কাৰ্য্যৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ।

৯৮। যেতিয়া কোনো কাৰ্য্য, যিটো অন্যথা এটা নিৰ্দিষ্ট অপৰাধ হ'লহেঁতেন, সেই কাৰ্যটো কৰা ব্যক্তিজনৰ যুৱত্ব, বুদ্ধিৰ পৰিপক্কতাৰ অভাৱ, মনৰ অসুস্থতা বা মাতাল অৱস্থাৰ কাৰণে বা সেই ব্যক্তিজনৰ কোনো ভুল ধাৰণাৰ কাৰণে সেইটো অপৰাধ নহয়, তেতিয়া সেই কাৰ্যটোৰ বিৰুদ্ধে

প্ৰত্যেক ব্যক্তিৰে সেই একে ব্যক্তিগত প্ৰতিৰক্ষা অধিকাৰ থাকিব যিটো তেওঁৰ থাকিলহেঁতেন যদিহে কাৰ্যটো অপৰাধ হ'লহেঁতেন।

**দৃষ্টান্ত**

(ক) "জ"ই উন্মাদতাৰ প্ৰভাৱত 'ক'ক হত্যা কৰিবলৈ প্ৰয়াস কৰিলে। 'জ' কোনো অপৰাধৰ বাবে দোষী নহয়। কিন্তু 'ক' ৰ সেই একে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ আছে, যিটো তেওঁৰ থাকিলেহেঁতেন যদিহে 'জ' সুস্থ মনৰ হ'লহেঁতেন।

(খ) 'ক'ই নিশাৰ ভাগত ঘৰ এটাত প্ৰৱেশ কৰিলে যি ঘৰটোত প্ৰৱেশ কৰিবলৈ বিধিমতে তেওঁ হকদাৰ। 'জ'ই সদভাৱপূৰ্বক 'ক'ক এজন গৃহভেদক বুলি ধৰিলে, 'ক'ক আক্ৰমণ কৰিলে। ইয়াত 'জ'ই এই ভুল ধাৰণাৰ বশৱৰ্তী হৈ 'ক' ক আক্ৰমণ কৰাত, কোনো অপৰাধ কৰা নাই। কিন্তু 'ক'ৰ 'জ'ৰ বিৰুদ্ধে সেই একে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ আছে, যিটো তেওঁৰ থাকিলেহেঁতেন যদিহে 'জ'ই সেই ভুল ধাৰণাটোৰ বশৱৰ্তী হৈ কাৰ্য্য নকৰিলেহেঁতেন।

**যিবোৰ কাৰ্য্যৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ কোনো অধিকাৰ নাই।**

৯৯। এনে এটা কাৰ্যৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ কোনো অধিকাৰ নাই যি কাৰ্যই যুক্তিযুক্ত ভাৱে মৃত্যুৰ বা গুৰুতৰ আঘাতৰ আশংকা নজন্মায় যদিহে এইটো এজন লোক সেৱকৰ দ্বাৰা তেওঁৰ পদাভাসত সদভাৱপূৰ্বক কাৰ্য্য কৰি, কৰা হয়, বা কৰিবলৈ প্ৰয়াস কৰা হয়, যদিও সেই কাৰ্য্য বিধি অনুসৰি সৰ্বথা ন্যায়ানুমত নহয়।

যি কাৰ্যই যুক্তিযুক্তভাৱে মৃত্যুৰ আশংকা বা গুৰুতৰ আঘাত নজন্মায় তেনে কাৰ্যৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ নাই, যদিহে তেনে কাৰ্য্য, সদভাৱপূৰ্বক তেওঁৰ পদাভাসৰ বলত কাৰ্য্য কৰি এজন লোকসেৱকৰ দ্বাৰা দিয়া নিৰ্দেশ ক্ৰমে, কৰা হয় বা কৰিবলৈ প্ৰয়াস কৰা হয়, যদিও তেনে নিৰ্দেশ বিধি অনুসৰি সৰ্বথা ন্যায়ানুমত নহয়। যিবোৰ ক্ষেত্ৰত লোক প্ৰাধিকাৰীৰসুৰক্ষা গ্ৰহণৰ বাবে সময় থাকে, তেনেবোৰ ক্ষেত্ৰত ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ নাথাকে।

**কিমান বিস্তাৰ পৰ্য্যন্ত এই অধিকাৰ প্ৰয়োগ কৰিব পাৰিব।**

ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ কোনো ক্ষেত্ৰতে প্ৰতিৰক্ষাৰ প্ৰয়োজনৰ বাবে যিমানখিনি অনিষ্ট কৰাটো আৱশ্যক তাতকৈ অধিক অনিষ্ট কৰিবলৈ বিস্তাৰিত নহয়।

**স্পষ্টীকৰণ ১** - কোনো ব্যক্তি কোনো লোকসেৱকৰ দ্বাৰা এনে লোক সেৱক ৰূপে কৰা বা কৰিবলৈ প্ৰয়াস কৰা কাৰ্যৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত নহয় যেতিয়া তেওঁ এইটো নাজানে বা তেওঁৰ বিশ্বাস কৰাৰ কাৰণ নাথাকে যে সেই কাৰ্য্য কৰা ব্যক্তি এনে লোকসেৱক।

**স্পষ্টীকৰণ ২** - কোনো লোক সেৱকৰ নিৰ্দেশৰ দ্বাৰা কৰা হোৱা, বা কৰিবলৈ প্ৰয়াস কৰা কোনো কাৰ্যৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত নহয়, যেতিয়ালৈ তেওঁ এইটো নাজানে বা তেওঁৰ বিশ্বাস কৰাৰ কাৰণ নাথাকে যে সেই কাৰ্য্য কৰা ব্যক্তি, এনে নিৰ্দেশেৰে কাৰ্য্য কৰি আছে বা যেতিয়ালৈ সেই ব্যক্তিয়ে সেই অধিকাৰৰ কথা কৈ নিদিয়ে যাৰ অধীনত তেওঁ কাৰ্য্য কৰি আছে বা যদি তেওঁৰ ওচৰত লিখিত প্ৰাধিকাৰ আছে তেন্তে তেওঁ, এনে প্ৰাধিকাৰ দাবী কৰিলে দাখিল নকৰে।

**কেতিয়া শৰীৰৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ মৃত্যু ঘটোৱা পৰ্য্যন্ত বিস্তাৰিত হয়।**

১০০। অন্তিম পূৰ্ববৰ্তী ধাৰাটোত উল্লিখিত নিৰ্বন্ধনবোৰৰ অধীনত, শৰীৰৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ, অভ্যাঘাতী জনক স্বেচ্ছাই মৃত্যু ঘটোৱা বা আন কোনো অনিষ্ট ঘটোৱালৈকে বিস্তাৰিত হয়, যদিহে অপৰাধটো যিটোৰ বাবে সেই অধিকাৰটো প্ৰয়োগ কৰিবলগীয়া হয়, ইয়াত ইয়াৰ পাছত প্ৰগণিত যি কোনো এটা প্ৰকাৰৰ হয়, অৰ্থাৎ ঃ-

**প্ৰথমতে** - এনে এটা অভ্যাঘাত যিটোৱে যুক্তিযুক্তভাৱে এনে এটা আশংকাৰ উদ্ৰেক কৰিব পাৰে যে তেনে অভ্যাঘাতৰ পৰিণাম অন্যথা মৃত্যু হ'ব,

**দ্বিতীয়তে** - এনে এটা অভ্যাঘাত যিটোৱে যুক্তিযুক্তভাৱে এনে এটা আশংকাৰ উদ্ৰেক কৰিব পাৰে যে তেনে অভ্যাঘাতৰ পৰিণাম অন্যথা গুৰুতৰ আঘাত হ'ব,

**তৃতীয়তে** - ধৰ্ষণ কৰাৰ অভিপ্ৰায়েৰে কৰা অভ্যাঘাত;

**চতুৰ্থতে** - অস্বাভাৱিক যৌনলিপ্সা চৰিতাৰ্থ কৰাৰ অভিপ্ৰায়েৰে কৰা অভ্যাঘাত;

**পঞ্চমতে** - হৰণ বা অপহৰণ কৰাৰ অভিপ্ৰায়েৰে কৰা অভ্যাঘাত;

**ষষ্ঠতে** - এনে পৰিস্থিতিত কোনো ব্যক্তিক সদোষ পৰিৰোধ কৰাৰ অভিপ্ৰায়েৰে কৰা এটা অভ্যাঘাত যিটোৱে যুক্তিযুক্তভাৱে তেওঁৰ মনত এনে ধৰণৰ আশঙ্কাৰ উদ্ৰেক কৰিব পাৰে যে তেওঁ তেওঁৰ মুক্তিৰ বাবে লোক প্ৰাধিকাৰী সমূহৰ সাহায্য লবলৈ অপাৰগ হ'ব।

কেতিয়া এনে অধিকাৰ মৃত্যুৰ বাহিৰে আন কোনো অনিষ্ট ঘটোৱালৈ বিস্তাৰিত হয়।

১০১। যদি অপৰাধটো অন্তিম পূৰ্ববৰ্তী ধাৰাটোত প্ৰগনিত প্ৰকাৰ বোৰৰ কোনো প্ৰকাৰৰ নহয়, তেন্তে শৰীৰৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ অভ্যাঘাতীজনক স্বেচ্ছাই মৃত্যু ঘটোৱালৈকে বিস্তাৰিত নহয়, কিন্তু, ধাৰা ৯৯ত উল্লিখিত নিৰ্বন্ধনবোৰৰ অধীনত অভ্যাঘাতী জনক মৃত্যুৰ বাহিৰে স্বেচ্ছাই আন কোনো অনিষ্ট ঘটোৱালৈকে বিস্তাৰিত হয়।

শৰীৰৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ প্ৰাৰম্ভ আৰু বৰ্তমান চলি থকা অৱস্থা।

১০২। শৰীৰৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ সেই সময়ৰ পৰাই প্ৰাৰম্ভ হয় যেতিয়াই অপৰাধটো কৰাৰ প্ৰয়াস কৰা বা কৰিবলৈ ভাবুকি দিয়াৰ পৰা শৰীৰৰ বিপদৰ বাবে এটা যুক্তিযুক্ত আশঙ্কা দেখা দিয়ে যদিওবা অপৰাধটোৰ সংঘটন নহলেই হেতেন, আৰু ই তেতিয়ালৈকে চলি থাকে যেতিয়ালৈকে শৰীৰৰ প্ৰতি বিপদৰ আশঙ্কা চলি থাকে।

কেতিয়া সম্পত্তিৰ বাবে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ মৃত্যু ঘটোৱা পৰ্যন্ত বিস্তাৰিত হয়।

১০৩। ধাৰা ৯৯ত উল্লিখিত নিৰ্বন্ধনবোৰৰ অধীনত সম্পত্তিৰ বাবে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ, স্বেচ্ছাই অন্যায়কাৰী জনৰ মৃত্যু বা আন কোনো অনিষ্ট ঘটোৱালৈকে বিস্তাৰিত হয়, যদিহে অপৰাধটো, যিটোৰ সংঘটন বা যিটো সংঘটন কৰিবলৈ কৰা প্ৰয়াসে অধিকাৰটোৰ প্ৰয়োগ কৰিবলগীয়া কৰে, ইয়াত ইয়াৰ পাছত প্ৰগনিত প্ৰকাৰবোৰৰ কোনো প্ৰকাৰৰ হয়, অৰ্থাৎ :-

**প্ৰথমে** - লুণ্ঠন;

**দ্বিতীয়তে** - ৰাত্ৰি গৃহ ভেদন;

**তৃতীয়তে** - কোনো ভৱন, তম্বু, বা জলযানত জুইৰ দ্বাৰা সংঘটনকৰা অপকৰ্ম, যি ভৱন, তম্বু বা জলযান মানুহৰ বাসস্থানৰূপে বা সম্পত্তি অভিৰক্ষণৰ স্থানৰূপে ব্যৱহাৰ কৰা হৈছে;

**চতুৰ্থতে** - এনেবোৰ পৰিস্থিতিত কৰা চুৰি, অপকৰ্ম বা গৃহে অনধিকাৰ প্ৰৱেশ যিয়ে যুক্তিযুক্তভাৱে এনে আশঙ্কাৰ উদ্ৰেক কৰিব পাৰে যে তাৰ পৰিণাম মৃত্যু বা গুৰুতৰ আঘাত হ'ব, যদিহে তেনে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ প্ৰয়োগ কৰা নহয়।

কেতিয়া তেনে অধিকাৰ মৃত্যুৰ বাহিৰে আন কোনো অনিষ্ট ঘটোৱালৈ বিস্তাৰিত হয়।

১০৪। যদিহে অপৰাধটো, যিটোৰ সংঘটনে বা যিটো সংঘটন কৰিবলৈ কৰা প্ৰয়াসে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ প্ৰয়োগ কৰিবলগীয়া কৰে, সেইটো অন্তিম পূৰ্ববৰ্তী ধাৰাটোত প্ৰগনিত প্ৰকাৰ বোৰৰ কোনো প্ৰকাৰৰ নোহোৱা কৈ চুৰি, অপকৰ্ম বা আপৰাধিক অনুপ্ৰৱেশ হয়, তেতিয়া সেই অধিকাৰটো স্বেচ্ছাই মৃত্যু ঘটোৱালৈকে বিস্তাৰিত নহয় কিন্তু ধাৰা ৯৯ত উল্লিখিত নিৰ্বন্ধনবোৰৰ সাপেক্ষে, অন্যায়কাৰীজনক স্বেচ্ছাই মৃত্যুৰ বাহিৰে আন যি কোনো অনিষ্ট কৰালৈকে বিস্তাৰিত হয়।

সম্পত্তিৰ বাবে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ আৰম্ভ আৰু চলি থকা অৱস্থা।

১০৫। সম্পত্তিৰ বাবে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ প্ৰাৰম্ভ সেই সময়ৰ পৰাই হয় যেতিয়াই সম্পত্তিৰ প্ৰতি বিপদৰ এটা যুক্তিযুক্ত আশঙ্কাৰ প্ৰাৰম্ভ হয়।

চুৰিৰ বিৰুদ্ধে সম্পত্তিৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ অপৰাধীজনে সম্পত্তিৰ সৈতে তেওঁৰ পলায়ন কাৰ্য্য সম্পন্ন কৰালৈকে বা হয়, লোক প্ৰাধিকাৰীৰ সাহাৰ্য্য লাভ কৰা লৈকে বা সম্পত্তিটো পুনৰুদ্ধাৰ কৰালৈকে চলি থাকে।

লুণ্ঠনৰ বিৰুদ্ধে সম্পত্তিৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ যিমান সময়লৈকে চলি থাকে যিমান সময়লৈকে অপৰাধীজনে কোনো ব্যক্তিৰ মৃত্যু ঘটোৱাৰ বা ঘটোৱাৰ প্ৰয়াস কৰাৰ বা আঘাত বা সদোষ অৱৰোধৰ বা যিমান সময়লৈকে তৎকালিক মৃত্যুৰ বা তৎকালিক আঘাতৰ বা তৎকালিক ব্যক্তিগত পৰিৰোধৰ ভয় চলি থাকে।

সম্পত্তিৰ আপৰাধিক অনুপ্ৰবেশৰ বা অপকৰ্মৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ যিমান সময়লৈ চলি থাকে সিমান সময় অপৰাধীজনে আপৰাধিক অনুপ্ৰবেশ বা অপকৰ্মৰ সংঘটন চলাই থাকে।

সম্পত্তিৰ ৰাত্ৰি গৃহভেদনৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ যিমান সময়লৈ চলি থাকে, সিমান সময়লৈকে এনে গৃহভেদনৰ দ্বাৰা আৰম্ভ হোৱা গৃহ অনুপ্ৰবেশ চলি থাকে।

**মাৰাত্মক অভ্যাঘাতৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ যেতিয়া নিৰ্দোষী ব্যক্তিৰ অনিষ্টৰ আশঙ্কা থাকে।**

১০৬। যদি অভ্যাঘাতৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ প্ৰয়োগত যিটোৱে যুক্তিযুক্ত ভাৱে মৃত্যুৰ আশঙ্কা জন্মায়, প্ৰতিৰক্ষকে তেনে পৰিস্থিতিত, যে তেওঁ সেই অধিকাৰ এজন নিৰ্দোষী ব্যক্তিৰ অনিষ্টৰ বিপদাশঙ্কা বিনা ফলপ্ৰসু ভাৱে প্ৰয়োগ কৰিব নোৱাৰে, তেওঁৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ সেই বিপদাশঙ্কা লোৱালৈকে বিস্তাৰিত হয়।

**দৃষ্টান্ত**

"ক" এক উশৃঙ্খল জনতাৰ দ্বাৰা আক্ৰান্ত হৈছে যি তেওঁক হত্যা কৰিবলৈ প্ৰয়াস কৰে। তেওঁ উশৃঙ্খল জনতাৰ ওপৰত গুলীচালনা নকৰাকৈ তেওঁৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ ফলপ্ৰসুভাৱে প্ৰয়োগ কৰিব নোৱাৰে, আৰু উশৃঙ্খল জনতাৰ লগত লগ হৈ থকা সৰু ল'ৰা ছোৱালীৰ অনিষ্ট কৰাৰ বিপদাশঙ্কা বিনা গুলী চালনা কৰিব নোৱাৰে। "ক"ই কোনো অপৰাধ কৰা নাই যদিহে এনেদৰে গুলীচালনা কৰোতে সৰু ছোৱালীবোৰৰ কোনোটোৰ তেওঁ অনিষ্ট কৰে।

## অধ্যায় ৫

### অপপ্ৰেৰণাৰ বিষয়ে

কোনো কাৰ্য্যৰ অপপ্ৰেৰণা।

১০৭। কোনো ব্যক্তিয়ে কোনো কাৰ্য্য কৰাৰ বাবে অপপ্ৰেৰণা দিয়ে, যি—

**প্ৰথমতে** - কোনো ব্যক্তিক সেই কাৰ্যটো কৰিবলৈ প্ৰবোচিত কৰে বা

**দ্বিতীয়তে** - এক বা অন্য অধিক ব্যক্তি বা ব্যক্তিবৰ্গ সহ সেই কাৰ্য্য কৰাৰ ষড়যন্ত্ৰত নিযুক্ত হয়, যদি সেই ষড়যন্ত্ৰৰ অনুসৰণত আৰু সেই কাৰ্য্য কৰাৰ নিমিত্তে কোনো এটা কাৰ্য্য বা অবৈধ ত্ৰুটী ঘটিত হয়।

**তৃতীয়তে** - সেই কাৰ্য্য কৰণত কোনো কাৰ্য্য বা অবৈধ ত্ৰুটীৰ দ্বাৰা অভিপ্ৰেতভাৱে সাহাৰ্য্য কৰে।

**স্পষ্টীকৰণ ১** - কোনো ব্যক্তি যিজনে, ইচ্ছাপূৰ্বক মিথ্যা বৰ্ণনাৰ দ্বাৰা বা তাত্ত্বিক তথ্য যিটো তেওঁ প্ৰকট কৰিবলৈ আবদ্ধ, ইচ্ছাপূৰ্বক গোপন নকৰি স্বেচ্ছাই কোনো কাৰ্য্য কৰায় বা সংগ্ৰহ কৰা বা কৰাবলৈ বা সংগ্ৰহ কৰিবলৈ প্ৰয়াস কৰে, তেওঁ সেই কাৰ্যটো কৰিবলৈ প্ৰবোচিত কৰা বুলি কোৱা হয়।

**দৃষ্টান্ত**

লোক পদাধিকাৰী 'ক' ক ন্যায়ালয়ৰ পৰা এখন পৰোৱানাৰ দ্বাৰা 'ঞ' ক কৰায়ত্ত কৰিবলৈ প্ৰাধিকৃত কৰা হৈছে। 'খ'ই সেই তথ্যটো আৰু যে 'গ' 'ঞ' নহয় জানিও ইচ্ছাপূৰ্বক 'ক' ক নিবেদন কৰিলে যে 'গ'ই 'ঞ' আৰু তাৰ দ্বাৰা অভিপ্ৰেতভাৱে 'গ' ক 'ক' ৰে কৰায়ত্ত কৰায়, ইয়াত খ' ই প্ৰবোচনাৰে 'গ' ৰ কৰায়ত্তৰ অপপ্ৰেৰণা দিছে।

**স্পষ্টীকৰণ ২**- যিয়ে কাৰ্য্যটো কৰা হোৱাৰ পূৰ্বে বা কৰাৰ সময়ত সেই কাৰ্য্য কৰাটো সুগম

সম্পত্তিৰ আপৰাধিক অনুপ্ৰবেশৰ বা অপকৰ্মৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ যিমান সময়লৈ চলি থাকে সিমান সময় অপৰাধীজনে আপৰাধিক অনুপ্ৰবেশ বা অপকৰ্মৰ সংঘটন চলাই থাকে।

সম্পত্তিৰ ৰাত্ৰি গৃহভেদনৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ যিমান সময়লৈ চলি থাকে, সিমান সময়লৈকে এনে গৃহভেদনৰ দ্বাৰা আৰম্ভ হোৱা গৃহ অনুপ্ৰবেশ চলি থাকে।

**মাৰাত্মক অভ্যাঘাতৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ যেতিয়া নিৰ্দোষী ব্যক্তিৰ অনিষ্টৰ আশংকা থাকে।**

১০৬। যদি অভ্যাঘাতৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ প্ৰয়োগত যিটোৱে যুক্তিযুক্ত ভাৱে মৃত্যুৰ আশংকা জন্মায়, প্ৰতিৰক্ষকে তেনে পৰিস্থিতিত, যে তেওঁ সেই অধিকাৰ এজন নিৰ্দোষী ব্যক্তিৰ অনিষ্টৰ বিপদাশংকা বিনা ফলপ্ৰসু ভাৱে প্ৰয়োগ কৰিব নোৱাৰে, তেওঁৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ সেই বিপদাশংকা লোৱালৈকে বিস্তাৰিত হয়।

**দৃষ্টান্ত**

"ক" এক উশৃঙ্খল জনতাৰ দ্বাৰা আক্ৰান্ত হৈছে যি তেওঁক হত্যা কৰিবলৈ প্ৰয়াস কৰে। তেওঁ উশৃঙ্খল জনতাৰ ওপৰত গুলীচালনা নকৰাকৈ তেওঁৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ ফলপ্ৰসুভাৱে প্ৰয়োগ কৰিব নোৱাৰে, আৰু উশৃঙ্খল জনতাৰ লগত লগ হৈ থকা সৰু ল'ৰা ছোৱালীৰ অনিষ্ট কৰাৰ বিপদাশংকা বিনা গুলী চালনা কৰিব নোৱাৰে। "ক"ই কোনো অপৰাধ কৰা নাই যদিহে এনেদৰে গুলীচালনা কৰোতে লৰা ছোৱালীবোৰৰ কোনোটোৰ তেওঁ অনিষ্ট কৰে।

## অধ্যায় ৫

### অপপ্ৰেৰণাৰ বিষয়ে

কোনো কাৰ্য্যৰ অপপ্ৰেৰণা।

১০৭। কোনো ব্যক্তিয়ে কোনো কাৰ্য্য কৰাৰ বাবে অপপ্ৰেৰণা দিয়ে, যি—

**প্ৰথমতে** - কোনো ব্যক্তিক সেই কাৰ্যটো কৰিবলৈ প্ৰৰোচিত কৰে বা

**দ্বিতীয়তে** - এক বা অন্য অধিক ব্যক্তি বা ব্যক্তিবৰ্গ সহ সেই কাৰ্য্য কৰাৰ ষড়যন্ত্ৰত নিযুক্ত হয়, যদি সেই ষড়যন্ত্ৰৰ অনুসৰণত আৰু সেই কাৰ্য্য কৰাৰ নিমিত্তে কোনো এটা কাৰ্য্য বা অবৈধ ত্ৰুটী ঘটিত হয়।

**তৃতীয়তে** - সেই কাৰ্য্য কৰণত কোনো কাৰ্য্য বা অবৈধ ত্ৰুটীৰ দ্বাৰা অভিপ্ৰেতভাৱে সাহাৰ্য্য কৰে।

**স্পষ্টীকৰণ ১** - কোনো ব্যক্তি যিজনে, ইচ্ছাপূৰ্বক মিথ্যা বৰ্ণনাৰ দ্বাৰা বা তাত্বিক তথ্য যিটো তেওঁ প্ৰকট কৰিবলৈ আবদ্ধ, ইচ্ছাপূৰ্বক গোপন নকৰি স্বেচ্ছাই কোনো কাৰ্য্য কৰায় বা সংগ্ৰহ কৰা বা কৰাবলৈ বা সংগ্ৰহ কৰিবলৈ প্ৰয়াস কৰে, তেওঁ সেই কাৰ্যটো কৰিবলৈ প্ৰৰোচিত কৰা বুলি কোৱা হয়।

**দৃষ্টান্ত**

লোক পদাধিকাৰী 'ক' ক ন্যায়ালয়ৰ পৰা এখন পৰোৱানাৰ দ্বাৰা 'ক্ষ' ক কাৰাৱদ্ধ কৰিবলৈ প্ৰাধিকৃত কৰা হৈছে। 'খ'ই সেই তথ্যটো আৰু যে 'গ' 'ক্ষ' নহয় জানিও ইচ্ছাপূৰ্বক 'ক' ক নিবেদন কৰিলে যে 'গ'ই 'ক্ষ' আৰু তাৰ দ্বাৰা অভিপ্ৰেতভাৱে 'গ' ক 'ক' ৰে কাৰাৱদ্ধ কৰায়, ইয়াত খ' ই প্ৰৰোচনাৰে 'গ' ৰ কাৰাৱদ্ধৰ অপপ্ৰেৰণা দিছে।

**স্পষ্টীকৰণ ২**- যিয়ে কাৰ্য্যটো কৰা হোৱাৰ পূৰ্বে বা কৰাৰ সময়ত সেই কাৰ্য্য কৰাটো সুগম

কৰাৰ অৰ্থে কোনো কাৰ্য্য কৰে, আৰু তাৰ দ্বাৰা সেইটো কৰাটো সুগম কৰে, তেওঁ সেই কাৰ্য্যটো কৰাত সাহায্য কৰা বুলি কোৱা হয়।

অপপ্ৰেৰক।

১০৮। কোনো ব্যক্তিয়ে এটা অপৰাধ অপপ্ৰেৰিত কৰে, যি হয়, কোনো অপৰাধৰ সংঘটন কৰাটো অপপ্ৰেৰিত কৰে, বা কোনো এটা কাৰ্যৰ সংঘটন অপপ্ৰেৰিত কৰে যিটো, যদি বিধিৰ দ্বাৰা সামৰ্থ্য এজন ব্যক্তিয়ে সেই অপপ্ৰেৰকৰ দৰে একে ইচ্ছা বা জ্ঞানসহ কৰা হ'লে এটা অপৰাধ হ'লহেঁতেন।

**স্পষ্টীকৰণ ১** - কোনো কাৰ্যৰ অবৈধ ত্ৰুটীৰ অপপ্ৰেৰণা অপৰাধৰ পৰ্য্যায়ৰ হব পাৰে যদিওবা অপপ্ৰেৰকজন স্বয়ং সেই কাৰ্যটো কৰিবলৈ আবদ্ধ নহব পাৰে।

**স্পষ্টীকৰণ ২** - অপপ্ৰেৰণাৰ অপৰাধটো গঠিত কৰিবলৈ এইটো আৱশ্যক নহয় যে অপপ্ৰেৰিত কাৰ্যটো সংঘটিত হোৱা উচিত, বা যে অপৰাধটো গঠিত কৰা প্ৰভাৱটো সংঘটিত হোৱা উচিত।

(ক) 'ক'ই 'গ' ক হত্যা কৰিবলৈ 'খ'ক প্ৰৰোচিত কৰে। সেইটো কৰিবলৈ 'খ' অমান্তি হয়। হত্যা কৰিবলৈ 'খ'ক অপপ্ৰেৰিত কৰাৰ বাবে 'ক' দোষী।

(খ) 'ঘ' ক হত্যা কৰিবলৈ 'ক'ই "খ"ক প্ৰৰোচিত কৰে। সেই প্ৰৰোচনাৰ অনুসৰণত 'খ'ই 'ঘ' ক হানিলে। জখমৰ পৰা 'ঘ' আৰোগ্য হ'ল। হত্যা কৰিবলৈ 'খ'ক প্ৰৰোচিত কৰাৰ বাবে 'ক' দোষী।

**স্পষ্টীকৰণ ৩** - এইটো আৱশ্যক নহয় যে অপপ্ৰেৰিত ব্যক্তিজন বিধিৰ দ্বাৰা অপৰাধ কৰাৰ সমৰ্থ হব লাগে, বা যে তেওঁৰ অপপ্ৰেৰকৰ নিচিনা দোষযুক্ত অভিপ্ৰায় বা জ্ঞান বা কোনো দোষযুক্ত অভিপ্ৰায় বা জ্ঞান থাকিব লাগে।

**দৃষ্টান্ত**

(ক) 'ক' ই দোষযুক্ত অভিপ্ৰায় সহ এটা শিশু বা এটা পাগলক এটা কাৰ্য্য কৰিবলৈ অপপ্ৰেৰিত কৰে যিটো, যদি বিধিৰ দ্বাৰা অপৰাধ কৰিবলৈ সমৰ্থ কোনো ব্যক্তিৰ দ্বাৰা কৰা হলে আৰু 'ক' ৰ দৰে একে অভিপ্ৰায় থাকিলে এটা অপৰাধ হ'লহেঁতেন। ইয়াত কাৰ্যটো কৰা হওক বা নহওক 'ক' এটা অপৰাধ অপপ্ৰেৰিত কৰাৰ বাবে দোষী।

(খ) 'ঙ' ক হত্যা কৰাৰ অভিপ্ৰায়েৰে 'ক' ই সাত বছৰ তলৰ এটা শিশু 'খ' ক এটা কাৰ্য্য কৰিবলৈ প্ৰৰোচিত কৰে যিটোৱে 'ঙ' ৰ মৃত্যু ঘটায়। 'খ' ই অপপ্ৰেৰণাৰ পৰিণামত ক' ৰ অনুপস্থিতিত কাৰ্যটো কৰে, আৰু তাৰ দ্বাৰা 'ঙ'ৰ মৃত্যু ঘটায়। ইয়াত, যদিও বিধিমতে 'খ' ৰ এটা অপৰাধ কৰাৰ সামৰ্থ্য নাছিল, তথাপি যেনিবা 'খ' বিধি মতে এটা অপৰাধ কৰাৰ বাবে সমৰ্থ আছিল, আৰু হত্যা সংঘটন কৰিছিল, আৰু সেই গতিকে মৃত্যুদণ্ডৰে দণ্ডনীয়।

(গ) 'ক' ই এটা বাসগৃহত অগ্নি সংযোগ কৰিবলৈ 'খ'ক প্ৰৰোচিত কৰে, 'খ'ই তেওঁৰ অসুস্থ চিত্তৰ পৰিণামত কাৰ্যটোৰ প্ৰকৃতিৰ বা তেওঁ যিটো কৰিছে সেইটো দোষনীয় বা বিধিৰ প্ৰতিকূল সেইটো জনাৰ পৰা অসমৰ্থ হৈ 'ক'ৰ প্ৰৰোচনাৰ পৰিণামত ঘৰটোত অগ্নি সংযোগ কৰে।'খ'ই কোনো অপৰাধ কৰা নাই, কিন্তু এটা বাসগৃহত অগ্নি সংযোগ কৰাৰ অপপ্ৰেৰণাৰ অপৰাধত "ক" দোষী, আৰু সেই অপৰাধৰ বাবে উপবন্ধিত দণ্ডৰ বাবে দায়ী।

(ঘ) 'ক' ই এটা চুৰি কৰাৰ অভিপ্ৰায় কৰি 'খ' ক 'ঙ' ৰ এটা সম্পত্তি 'ঙ'ৰ অধিকাৰৰ পৰা আনিবলৈ প্ৰৰোচনা দিয়ে। 'ক'ই 'খ'ক সম্পত্তিটো 'ক'ৰ বুলি বিশ্বাস কৰিবলৈ উৎপ্ৰেৰিত কৰে। 'খ' ই 'ঙ'ৰ দখলৰ পৰা সম্পত্তিটো সদভাবপূৰ্বক এইটো 'ক' ৰ সম্পত্তি বুলি বিশ্বাস কৰি সম্পত্তিটো লয়। 'খ' ই ভুল ধাৰণাৰ বশৱৰ্তী হোৱাত অসাধু ভাৱে লোৱা নাই, আৰু সেই গতিকে চুৰি কৰা নাই, কিন্তু 'ক' ই চুৰিৰ অপপ্ৰেৰণা দিয়াৰ বাবে দোষী আৰু সেই একে দণ্ডৰ বাবে দায়ী যেনিবা 'খ'ই চুৰি কৰিছিল।

**স্পষ্টীকৰণ ৪** - অপৰাধৰ অপপ্ৰেৰণা অপৰাধ হোৱাৰ বাবে অপপ্ৰেৰণাৰ অপপ্ৰেৰণা দিয়াটোও অপৰাধ।

### দৃষ্টান্ত

'ক' ক হত্যা কৰিবলৈ 'গ' ক প্ৰৰোচিত কৰাৰ অৰ্থে 'খ' ক 'ক'ই প্ৰৰোচিত কৰে। 'খ'ই তদনুসাৰে 'ক' ক হত্যা কৰিবলৈ 'গ' ক প্ৰৰোচিত কৰে আৰু 'খ' ৰ প্ৰৰোচনাৰ পৰিণামত 'গ'ই অপৰাধটো কৰে। 'খ' তেওঁৰ অপৰাধৰ বাবে হত্যাৰ দণ্ডৰে দণ্ডিত হবলৈ দায়ী, আৰু যিহেতু ক'ই 'খ'ক অপৰাধটো কৰিবলৈ প্ৰৰোচিত কৰিছিল, 'ক' ও একে দণ্ডৰ বাবে দায়ী।

**স্পষ্টীকৰণ ৫** - ষড়যন্ত্ৰৰ দ্বাৰা অপপ্ৰেৰণাৰ অপৰাধ সংঘটন কৰিবলৈ এইটো আৱশ্যক নহয় যে অপপ্ৰেৰকে যি ব্যক্তিয়ে অপৰাধটো সংঘটন কৰে সেই ব্যক্তিৰ লগত মিলি অপৰাধটো কৰিব লাগিব। যদি তেওঁ ষড়যন্ত্ৰত নিযুক্ত হয় যিটোৰ অনুসৰণত অপৰাধটো সংঘটিত হয় সেয়ে যথেষ্ট।

### দৃষ্টান্ত

'ক' ক বিষ দিবলৈ 'ক'ই 'খ'ৰ লগত মিলি এটা পৰিকল্পনা কৰিলে। এইটোত সম্মত হ'ল যে 'ক'ই বিষ প্ৰয়োগ কৰিব। 'খ'ই তেতিয়া পৰিকল্পনাটো 'গ'ক ব্যাখ্যা কৰিলে এইটো উল্লেখ কৰি যে এজন তৃতীয় ব্যক্তিয়ে বিষ প্ৰয়োগ কৰিব কিন্তু "ক'ৰ নাম উল্লেখ নকৰাকৈ 'গ' বিষ সংগ্ৰহ কৰিবলৈ সম্মত হল, আৰু সেইটো সংগ্ৰহ কৰিলে আৰু ইয়াৰ ব্যাখ্যা কৰা ধৰণে ব্যৱহৃত কৰাৰ অৰ্থে 'খ'ক প্ৰদান কৰিলে। 'ক'ই বিষ প্ৰয়োগ কৰিলে, পৰিণামত 'ক' ৰ মৃত্যু হ'ল। ইয়াত যদিও 'ক' আৰু 'গ'ই একেলগে ষড়যন্ত্ৰ কৰা নাই তথাপিও 'গ' ষড়যন্ত্ৰটোত নিযুক্ত হৈছে যিটোৰ অনুসৰণত 'ক ক হত্যা কৰা হ'ল। সেই বাবে 'গ'ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিছে আৰু হত্যাৰ দণ্ডৰ বাবে দায়ী।

**ভাৰতৰ বাহিৰৰ অপৰাধসমূহৰ ভাৰতৰ ভিতৰত অপপ্ৰেৰণা।**

[1][১০৮ক। কোনো ব্যক্তিয়ে এই সংহিতাৰ অৰ্থত অপৰাধৰ অপপ্ৰেৰণা দিয়ে যি [2][ভাৰত] ৰ বাহিৰত আৰু দূৰত কোনো কাৰ্য্যৰ সংঘটনৰ [2][ভাৰত]ত অপপ্ৰেৰণা দিয়ে যিটো যদি [2][ভাৰত]ৰ ভিতৰত সংঘটিত কৰা হয় এটা অপৰাধ গঠিত হ'ব।

### দৃষ্টান্ত

'ক'ই [2][ভাৰত]ত এজন বিদেশী 'খ'ক গোৱাত এটা হত্যা সংঘটন কৰিবলৈ প্ৰৰোচিত কৰে।

'ক' হত্যাৰ অপপ্ৰেৰণাৰ বাবে দোষী।]

**অপপ্ৰেৰণাৰ বাবে দণ্ড যদি পৰিণামত অপপ্ৰেৰিত কাৰ্য্যটো সংঘটিত হয় আৰু য'ত ইয়াৰ দণ্ডৰ বাবে কোনো অভিব্যক্ত উপবন্ধ কৰা হোৱা নাই।**

১০৯। যিয়ে কোনো অপৰাধৰ অপপ্ৰেৰণা দিয়ে, যদি অপপ্ৰেৰিত কাৰ্য্যটো অপপ্ৰেৰণাৰ পৰিণামত সংঘটিত হয়, আৰু এই সংহিতাৰ দ্বাৰা তেনে অপপ্ৰেৰণাৰ দণ্ডৰ বাবে কোনো অভিব্যক্ত উপবন্ধ কৰা হোৱা নাই, তেন্তে অপৰাধটোৰ বাবে উপবন্ধিত দণ্ডৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - কোনো কাৰ্য্য বা অপৰাধ, অপপ্ৰেৰণাৰ পৰিণামত সংঘটিত হোৱা বুলি কোৱা হয়, যেতিয়া ইয়াক প্ৰৰোচনাৰ পৰিণাম স্বৰূপে, বা ষড়যন্ত্ৰৰ অনুসৰণত বা অপপ্ৰেৰণাটো গঠিত কৰা সাহাৰ্য্যসহ সংঘটিত কৰা হয়।

### দৃষ্টান্ত

(ক) লোক সেৱক 'খ' ক 'খ'ৰ পদীয় কৃত্যৰ প্ৰয়োগত 'ক'ক কিছু অনুগ্ৰহ দেখুৱাৰ পুৰস্কাৰ

---

১। ১৮৯৮ চনৰ ৪নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা সংযুক্ত কৰা হৈছে।

২। "বৃটিছ ভাৰত" শব্দসমূহ আনুক্ৰমিকভাৱে অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ, ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত ভাবে পঠিত হবলৈ প্ৰতিস্থাপিত।

ৰূপে "ক"ই ভেটি দিয়াৰ প্ৰস্তাৱ কৰিলে। 'খ' ই ভেটি গ্ৰহণ কৰিলে 'ক' ই ধাৰা ১৬১ত পৰিভাষিত অপৰাধটোৰ অপপ্ৰেৰণা দিছে।

(খ) 'ক'ই 'খ'ক মিথ্যা সাক্ষ্য দিবলৈ প্ৰৰোচিত কৰে। "খ"ই প্ৰৰোচনাৰ পৰিণামত সেই অপৰাধটো সংঘটিত কৰে। 'ক' সেই অপৰাধটো অপপ্ৰেৰিত কৰাৰ বাবে দোষী আৰু 'খ' ৰ দৰে একে দণ্ডৰ বাবে দায়ী।

(গ) 'ক' আৰু 'খ' ই 'ক্ষ'ক বিহ দিবলৈ ষড়যন্ত্ৰ কৰে। 'ক'ই ষড়যন্ত্ৰ অনুসৰণত বিহ সংগ্ৰহ কৰে আৰু 'খ'ক প্ৰদান কৰে যাতে তেওঁ ইয়াক 'ক্ষ'ক প্ৰয়োগ কৰিব পাৰে। 'খ'ই ষড়যন্ত্ৰ অনুসৰণত বিহখিনি 'ক'ৰ অনুপস্থিতিত 'ক্ষ' ক প্ৰয়োগ কৰে, আৰু তাৰ দ্বাৰা 'ক্ষ' ৰ মৃত্যু ঘটায়। ইয়াত 'খ' হত্যাৰ বাবে দোষী। ষড়যন্ত্ৰৰ দ্বাৰা সেই অপৰাধ অপপ্ৰেৰিত কৰাৰ বাবে 'ক' দোষী, আৰু হত্যাৰ দণ্ডৰ বাবে দায়ী।

অপপ্ৰেৰণাৰ দণ্ড যদি অপপ্ৰেৰিত ব্যক্তিজনে অপপ্ৰেৰকৰ পৰা ভিন্ন অভিপ্ৰায়েৰে কাৰ্য্য কৰে।

১১০। যিয়ে, অপৰাধৰ সংঘটন অপপ্ৰেৰিত কৰে, যদি অপপ্ৰেৰিত ব্যক্তিজনে অপপ্ৰেৰকৰ অভিপ্ৰায়ৰ পৰা ভিন্ন অভিপ্ৰায়েৰে বা জ্ঞানেৰে কাৰ্য্যটো কৰে, সেই অপৰাধটোৰ বাবে উপবন্ধিত দণ্ডৰে দণ্ডিত হ'ব, যিটো অপপ্ৰেৰকৰ অভিপ্ৰায়েৰে বা জ্ঞানেৰে কৰা হলে, সংঘটিত হ'লহেতেন কিন্তু অন্য অভিপ্ৰায় বা জ্ঞানেৰে নহয়।

অপপ্ৰেৰকৰ দায়িত্ব, যেতিয়া এটা কাৰ্য্য অপপ্ৰেৰিত হয় আৰু ভিন্ন এটা কাৰ্য্য কৰা হয়।

১১১। যেতিয়া এটা কাৰ্য্য অপপ্ৰেৰিত হয়, আৰু এটা ভিন্ন কাৰ্য্য কৰা হয় তেতিয়া অপপ্ৰেৰক পোনে পোনে একে ধৰণে আৰু একে বিস্তাৰ পৰ্য্যন্ত কৃত কাৰ্য্যৰ বাবে দায়ী হ'ব যেনিবা তেওঁ সেইটোৰ পোনে পোনে অপপ্ৰেৰণা দিছিল ঃ

পৰন্তুক-পৰন্তু কৃত কাৰ্য্যটো অপপ্ৰেৰণাৰ সম্ভাব্য পৰিণাম আছিল, আৰু প্ৰৰোচনাৰ প্ৰভাৱৰ অধীনত বা সাহাৰ্য্য সহ বা অপপ্ৰেৰণাটো গঠিত কৰা ষড়যন্ত্ৰৰ, অনুসৰণত সংঘটিত হৈছিল।

### দৃষ্টান্ত

(ক) 'ক'ই 'ক্ষ' ৰ আহাৰত বিহ ঢালিবলৈ এটা শিশুক প্ৰৰোচিত কৰে, আৰু তেওঁক সেই উদ্দেশ্যে বিহ খিনি দিয়ে। প্ৰৰোচনাৰ পৰিণাম স্বৰূপে শিশুটোৱে ভুল বশতঃ বিহ খিনি 'ক্ষ'ৰ ওপৰত থকা 'হ'ৰ আহাৰত ঢালে। ইয়াত যদি শিশুটোৱে 'ক'ৰ প্ৰৰোচনাৰ প্ৰভাৱৰ অধীনত কাৰ্য্য কৰি আছিল আৰু কৃত কাৰ্য্যটো পৰিস্থিতিৰ অধীনত অপপ্ৰেৰণাৰ সম্ভাব্য পৰিণাম আছিল, 'ক' সেইটোৰ বাবে সেই একে ধৰণে আৰু সেই একে বিস্তাৰ পৰ্য্যন্ত দায়ী হ'ব, যেনিবা তেওঁ শিশুটোক 'হ'ৰ আহাৰত বিহ ঢালিবলৈ প্ৰৰোচিত কৰিছিল।

(খ) 'ক' ই 'খ'ক 'ক্ষ'ৰ ঘৰটো জ্বলাই দিবলৈ প্ৰৰোচিত কৰে। 'ক' ই ঘৰটোত অগ্নি সংযোগ কৰে আৰু একে সময়তে তাত সম্পত্তি চুৰি কৰে। 'ক' যদিও ঘৰটো জ্বলোৱাৰ ষড়যন্ত্ৰৰ বাবে দোষী, চুৰিৰ অপপ্ৰেৰণাৰ বাবে দোষী নহয় কাৰণ, চুৰিটো এটা বেলেগ কাৰ্য্য আৰু জ্বলোৱা কাৰ্য্যৰ সম্ভাব্য পৰিণাম নহয়।

(গ) 'ক' ই 'খ' ক আৰু 'গ' ক লুণ্ঠনৰ উদ্দেশ্যে মাজ ৰাতি এটা বাস গৃহ ভেদন কৰিবলৈ প্ৰৰোচিত কৰে আৰু সেই উদ্দেশ্যে অস্ত্ৰৰ ব্যৱস্থা কৰি দিয়ে 'খ' আৰু 'গ' ই গৃহভেদন কৰি সোমায়, আৰু এজন নিবাসী 'ক্ষ' ৰ দ্বাৰা প্ৰতিৰোধিত হোৱাত 'ক্ষ' ক হত্যা কৰে। ইয়াত যদি হত্যাটো অপপ্ৰেৰণাৰ সম্ভাব্য পৰিণাম আছিল, 'ক' হত্যাৰ বাবে উপবন্ধিত দণ্ডৰ বাবে দায়ী।

অপপ্ৰেৰক কেতিয়া অপপ্ৰেৰিত কাৰ্য্যৰ বাবে আৰু কৰা কাৰ্য্যৰ বাবে আকলিত দণ্ডৰ বাবে দায়ী হয়।

১১২। যদিহে কোনো কাৰ্য্য যিটোৰ বাবে অপপ্ৰেৰক অন্তিম পূৰ্ববৰ্তী ধাৰাৰ অধীনত দায়ী হয়, অপপ্ৰেৰিত কাৰ্য্যৰ উপৰিও সংঘটিত কৰা হয় আৰু ই এটা বেলেগ অপৰাধ গঠিত কৰে, তেন্তে অপপ্ৰেৰক অপৰাধসমূহৰ প্ৰত্যেকটোৰ বাবে দণ্ডেৰে দায়ী হ'ব।

### দৃষ্টান্ত

'ক' ই 'খ' ক বল প্ৰয়োগেৰে এজন লোক সেৱকৰ দ্বাৰা কৰা ক্ৰোক এটা প্ৰতিৰোধ কৰিবলৈ

প্ৰৰোচিত কৰে। পৰিণাম স্বৰূপে 'খ' ই সেই ক্ৰোকটো প্ৰতিৰোধ কৰে। প্ৰতিৰোধ কৰোতে 'খ'ই স্বেচ্ছাই ক্ৰোক নিষ্পাদন কৰা পদাধিকাৰীজনক গুৰুতৰ আঘাত কৰে। যিহেতু 'খ' ই ক্ৰোক প্ৰতিৰোধ কৰা আৰু গুৰুতৰ আঘাত কৰা এই দুয়োটা অপৰাধ কৰিলে 'খ' এই দুয়োটা অপৰাধৰ দণ্ডৰ বাবে দায়ী, আৰু যদি 'ক' ই জানিছিল যে প্ৰতিৰোধ কৰোতে 'খ' ই গুৰুতৰ আঘাত কৰাৰ সম্ভাৱনা আছিল, 'ক' ও প্ৰত্যেকটো অপৰাধৰ দণ্ডৰ বাবে দায়ী হ'ব।

**অপপ্ৰেৰিত কাৰ্য্যৰ দ্বাৰা অপপ্ৰেৰকৰ দ্বাৰা অভিপ্ৰেত প্ৰভাৱতকৈ ভিন্ন প্ৰভাৱ ঘটিত হোৱাৰ বাবে অপপ্ৰেৰকৰ দায়িত্ব।**

১১৩। যেতিয়া এজন অপপ্ৰেৰকে অভিপ্ৰায়সহ এটা বিশেষ প্ৰভাৱ ঘটাবলৈ এটা কাৰ্য্য অপপ্ৰেৰিত কৰে, আৰু এটা কাৰ্য্য যিটোৰ বাবে অপপ্ৰেৰণাৰ পৰিণাম স্বৰূপে অপপ্ৰেৰক দায়ী, অপপ্ৰেৰকে অভিপ্ৰায় কৰাতকৈ এটা ভিন্ন প্ৰভাৱ ঘটায় তেতিয়া অপপ্ৰেৰক জন সেই প্ৰভাৱটো ঘটাৰ বাবে একে ধৰণে আৰু একে বিস্তাৰ পৰ্য্যন্ত দায়ী হয় যেনিবা তেওঁ পৰিণামটো ঘটাৰ বাবে কাৰ্য্যটো অপপ্ৰেৰিত কৰিছিল যদিহে তেওঁ জানিছিল যে অপপ্ৰেৰিত কাৰ্য্যটোৱে সেই প্ৰভাৱ ঘটোৱাৰ সম্ভাৱনা আছিল।

দৃষ্টান্ত

'ক্ষ' ক গুৰুতৰ আঘাত কৰিবলৈ 'ক' ই 'খ' ক প্ৰৰোচনা দিয়ে, প্ৰৰোচনাৰ পৰিণামত 'খ' ই 'ক্ষ' ক গুৰুতৰ আঘাত কৰে। পৰিণামত 'ক্ষ' ৰ মৃত্যু ঘটে। ইয়াত যদি 'ক' ই জানিছিল যে অপপ্ৰেৰিত গুৰুতৰ আঘাতটোৱে মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে। 'ক' হত্যাৰ বাবে উপবন্ধিত দণ্ডেৰে দণ্ডিত হোৱাৰ বাবে দায়ী।

**অপৰাধটো সংঘটিত হোৱাৰ সময়ত অপপ্ৰেৰকৰ উপস্থিতি।**

১১৪। যেতিয়াই কোনো ব্যক্তি যিজন যদি অনুপস্থিত থাকে অপপ্ৰেৰক হিচাবে দণ্ডিত হোৱাৰ বাবে দায়ী যেতিয়া কাৰ্য্যটো বা অপৰাধটো সংঘটিত কৰা হয় যিটোৰ বাবে অপপ্ৰেৰণাৰ পৰিণামত যেতিয়া উপস্থিত থাকে দণ্ডনীয় হ'লহেঁতেন তেতিয়া তেওঁক তেনে কাৰ্য্য বা অপৰাধ সংঘটিত কৰা বুলি গণ্য কৰা হ'ব।

**মৃত্যুৰে বা আজীৱন কাৰাবাসেৰে দণ্ডনীয় অপৰাধৰ অপপ্ৰেৰণা- যদি অপৰাধ সংঘটিত কৰা নহয়;**

**যদি অনিষ্ট ঘটোৱা কাৰ্য্য পৰিণাম স্বৰূপে কৰা হয়।**

১১৫। যিয়ে, মৃত্যু বা [1][আজীৱন কাৰাবাস]ৰে দণ্ডনীয় এটা অপৰাধ সংঘটনত অপপ্ৰেৰণাৰ দিয়ে যদি অপৰাধটো অপপ্ৰেৰণাৰ পৰিণাম স্বৰূপে সংঘটিত নহয়, আৰু এই সংহিতাৰ দ্বাৰা এনে অপপ্ৰেৰণাৰ বাবে দণ্ডৰ কোনো অভিব্যক্ত উপবন্ধ কৰা নাই, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে দণ্ডিত হ'ব আৰু জৰিমনাৰ বাবেও দায়ী হ'ব;

আৰু যদি কোনো কাৰ্য্য কৰা হয় যিটোৰ বাবে অপপ্ৰেৰণাৰ পৰিণামত অপপ্ৰেৰক দায়ী হয়, আৰু যিটোৱে কোনো ব্যক্তিক আঘাত কৰে, অপপ্ৰেৰকজন দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি চৈধ্য বছৰলৈ বিস্তাৰিত হ'ব পাৰে, দণ্ডিত হ'ব আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

দৃষ্টান্ত

'ক' ই 'ক্ষ' ক হত্যা কৰিবলৈ 'খ' ক প্ৰৰোচনা দিয়ে। অপৰাধটো সংঘটিত হোৱা নাই। যদি 'খ' ই 'ক্ষ' ক হত্যা কৰিলেহেঁতেন, তেওঁ মৃত্যু বা [1][আজীৱন কাৰাবাস]ৰ দণ্ডৰ অধ্যধীন হ'লহেঁতেন সেই বাবে 'ক' এটা অৱধিৰ কাৰাবাসৰ বাবে, যিটো সাত বছৰলৈ বিস্তাৰিত হ'ব পাৰে, আৰু জৰিমনাৰ বাবেও দায়ী, আৰু যদি 'ক্ষ' ক অপপ্ৰেৰণাৰ পৰিণাম স্বৰূপে কোনো আঘাত কৰা হয়, তেওঁ কাৰাবাসৰ বাবে যাৰ অৱধি চৈধ্য বছৰলৈ বিস্তাৰিত হ'ব পাৰে আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

**কাৰাবাসেৰে দণ্ডনীয় অপৰাধৰ অপপ্ৰেৰণা**

**যদি অপৰাধ সংঘটিত নহয়;**

১১৬। যিয়ে, কাৰাবাসেৰে দণ্ডনীয় এটা অপৰাধ অপপ্ৰেৰিত কৰে, যদি সেই অপৰাধটো অপপ্ৰেৰণাৰ পৰিণামত সংঘটিত নহয়, আৰু এনে অপপ্ৰেৰণাৰ দণ্ডৰ বাবে এই সংহিতাত কোনো অভিব্যক্ত উপবন্ধ কৰা হোৱা নাই, তেওঁ সেই অপৰাধটোৰ বাবে উপবন্ধিত যি কোনো প্ৰকাৰৰ কাৰাবাসেৰে

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

এটা অৱধিৰ বাবে যিটো সেই অপৰাধটোৰ বাবে উপবন্ধিত দীৰ্ঘতম অৱধিৰ, এক-চতুৰ্থাংশলৈ বিস্তাৰিত হব পাৰে বা এনে জৰিমনাসহ যেনেদৰে সেই অপৰাধৰ বাবে উপবন্ধিত হৈছে বা উভয়ৰে দণ্ডিত হব।

**যদি অপপ্ৰেৰক বা অপপ্ৰেৰিত ব্যক্তিজন লোকসেৱক যাৰ কৰ্তব্য অপৰাধ নিবাৰণ কৰা।**

আৰু যদি অপপ্ৰেৰক বা অপপ্ৰেৰিত ব্যক্তিজন লোকসেৱক হয় যাৰ কৰ্তব্য এনে অপৰাধৰ সংঘটন নিবাৰণ কৰা, অপপ্ৰেৰকজন সেই অপৰাধৰ বাবে উপবন্ধিত যি কোনো প্ৰকাৰৰ কাৰাবাসৰে এটা অৱধিৰ বাবে যিটো সেই অপৰাধটোৰ বাবে উপবন্ধিত দীৰ্ঘতম অৱধিৰ আধা ভাগৰ অৱধিলৈ বিস্তাৰিত হব পাৰে, বা এনে জৰিমনাসহ যেনেদৰে সেই অপৰাধটোৰ বাবে উপবন্ধিত হৈছে বা উভয়ৰে দণ্ডিত হব।

দৃষ্টান্ত

(ক) লোক সেৱক 'খ' ক 'খ' ৰ পদীয় কৃত্যৰ প্ৰয়োগত 'ক'ক কিছু অনুগ্ৰহ দেখুৱাৰ বাবে পুৰস্কাৰ হিচাবে, 'ক'ই ভেটি দিয়াৰ প্ৰস্তাৱ কৰিলে। 'খ'ই ভেটি গ্ৰহণ কৰিবলৈ অমান্তি হয়। 'ক' এই ধাৰাৰ অধীনত দণ্ডনীয়।

(খ) 'ক'ই 'খ' ক মিথ্যা সাক্ষ্য দিবলৈ প্ৰৰোচিত কৰে। ইয়াত, যদি 'খ'ই মিথ্যা সাক্ষ্য নিদিয়ে, তথাপি এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিছে, আৰু তদনুসাৰে দণ্ডনীয়।

(গ) আৰক্ষী পদাধিকাৰী 'ক'ই যাৰ কৰ্তব্য লুণ্ঠন নিবাৰণ কৰা, লুণ্ঠন সংঘটন কৰিবলৈ অপপ্ৰেৰণা দিয়ে। ইয়াত যদিও লুণ্ঠন সংঘটিত নহ'ল 'ক' অপৰাধটোৰ বাবে উপবন্ধিত দীৰ্ঘতম কাৰাবাসৰ অৱধিৰ আধা ভাগৰ বাবে আৰু জৰিমনাৰ বাবেও দায়ী।

(ঘ) আৰক্ষী পদাধিকাৰী 'ক' ৰ দ্বাৰা যাৰ কৰ্তব্য লুণ্ঠন নিবাৰণ কৰা। সেই অপৰাধ সংঘটন কৰিবলৈ 'খ'ই অপপ্ৰেৰণা দিয়ে ইয়াত যদিও লুণ্ঠন সংঘটিত নহ'ল 'খ' লুণ্ঠন অপৰাধৰ বাবে উপবন্ধিত দীৰ্ঘতম অৱধিৰ কাৰাবাসৰ আধা ভাগৰ বাবে আৰু জৰিমনাৰ বাবেও দায়ী।

**লোক সাধাৰণ বা দহ জনতকৈ অধিক ব্যক্তিৰ দ্বাৰা অপৰাধৰ সংঘটনৰ অপপ্ৰেৰণা।**

১১৭। যিয়ে, সাধাৰণতে লোক সাধাৰণ বা দহ জনৰ অধিক যি কোনো সংখ্যা বা শ্ৰেণীৰ ব্যক্তিৰ দ্বাৰা কোনো অপৰাধ সংঘটন অপপ্ৰেৰিত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

দৃষ্টান্ত

'ক'ই এখন সাৰ্বজনিক স্থানত দহ জনতকৈ অধিক সদস্যৰে গঠিত এটা সম্প্ৰদায়ক এটা নিৰ্দিষ্ট সময় আৰু স্থানত এটা বিৰোধী সম্প্ৰদায়ৰ সমললত ব্যস্ত থকা সময়ত আক্ৰমণ কৰাৰ উদ্দেশ্যে সমবেত হবলৈ প্ৰৰোচিত কৰি এখন ইস্তাহাৰ আৰি দিয়ে। 'ক' ই এই ধাৰাত পৰিভাষিত অপৰাধ সংঘটিত কৰিছে।

**মৃত্যু বা আজীৱন কাৰাবাসৰে দণ্ডনীয় অপৰাধ সংঘটিত কৰাৰ অভিসন্ধি সংগোপন কৰা-**

**যদি অপৰাধটো সংঘটিত কৰা হয়;**

**যদি অপৰাধটো সংঘটিত কৰা নহয়।**

১১৮। যিয়ে মৃত্যু বা [1][আজীৱন কাৰাবাস]ৰে দণ্ডনীয় কোনো অপৰাধ সংঘটন সুসাধ্য কৰাৰ অভিপ্ৰায়েৰে বা তেওঁ তাৰ দ্বাৰা অপৰাধ সংঘটন সুসাধ্য কৰাৰ সম্ভাৱনা আছে বুলি জানি,

[2][স্বেচ্ছাই, কোনো কাৰ্য্য বা ত্ৰুটিৰ দ্বাৰা বা গোপনীয়তাৰ ব্যৱহাৰ বা সৰঞ্জাম লুকুৱাই ৰখাৰ কোনো আন তথ্যৰ দ্বাৰা তেনে এটা অপৰাধ সংঘটনৰ অভিসন্ধিৰ অস্তিত্ব সংগোপন কৰে বা তেনে অভিসন্ধি সম্পৰ্কে এনে বৰ্ণনা দিয়ে, যিটো তেওঁ মিছা বুলি জানে,]

যদি অপৰাধটো সংঘটিত কৰা হয় দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰলৈ বিস্তাৰিত হব পাৰে, বা যদি অপৰাধটো সংঘটিত কৰা নহয় দুই প্ৰকাৰৰ এটা কাৰাবাসৰে

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২। তথ্য প্ৰযুক্তিবিজ্ঞান (সংশোধন) অধিনিয়ম ২০০৮ (২০০৯ ৰ ১০)ৰ ধাৰা ৫১ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু দুয়োটা ক্ষেত্ৰৰ প্ৰত্যেকতে জৰিমনাৰ বাবেও দায়ী হব।

দৃষ্টান্ত

'ক' ই এইটো জানে যে 'খ' ত ডকাইটি প্ৰায় সংঘটিত হওঁ হওঁ, হৈছে মিছাকৈ দণ্ডাধীশক জনালে যে বিপৰীত দিশৰ স্থান 'গ'ত এটা ডকাইটি প্ৰায় হওঁ হওঁ হৈছে, আৰু তাৰ দ্বাৰা ডকাইটিৰ সংঘটন সুসাধ্য কৰাৰ অভিপ্ৰায়েৰে দণ্ডাধীশক ভুল পথেৰে পৰিচালিত কৰে, 'খ' ত অভিসন্ধিৰ অনুসৰণত ডকাইটি সংঘটিত হ'ল। 'ক' এই ধাৰাৰ অধীনত দণ্ডনীয়।

লোক সেৱকৰ দ্বাৰা অপৰাধ সংঘটিত কৰা অভিসন্ধিৰ সংগোপন যিটো নিবাৰণ কৰাটো তেওঁৰ কৰ্তব্য-

১১৯। যিয়ে, এজন লোক সেৱক হৈ কোনো অপৰাধৰ সংঘটন সুসাধ্য কৰাৰ অভিপ্ৰায়েৰে বা তাৰ দ্বাৰা কোনো অপৰাধৰ সংঘটন সুসাধ্য কৰাৰ সম্ভাৱনা আছে বুলি জানি, যিটো তেওঁ এজন লোকসেৱক ৰূপে নিবাৰণ কৰাটো তেওঁৰ কৰ্তব্য,

[1][স্বেচ্ছাই, কোনো কাৰ্য্য বা ত্ৰুটিৰ দ্বাৰা বা গোপনীয়তাৰ ব্যৱহাৰ বা সৰঞ্জাম লুকুৱাই ৰখাৰ কোনো আন তথ্যৰ দ্বাৰা তেনে এটা অপৰাধ সংঘটনৰ অভিসন্ধিৰ অস্তিত্ব সংগোপন কৰে বা তেনে অভিসন্ধি সম্পৰ্কে এনে বৰ্ণনা দিয়ে, যিটো তেওঁ মিছা বুলি জানে,]

যদি অপৰাধটো সংঘটিত কৰা হয়,

যদি অপৰাধটো সংঘটিত হয় সেই অপৰাধৰ বাবে উপবন্ধিত যি কোনো প্ৰকাৰৰ কাৰাবাসৰে যিটো তেনে কাৰাবাসৰ দীৰ্ঘতম এটা অৱধিৰ আধালৈ বিস্তাৰিত হব পাৰে বা সেই অপৰাধটোৰ বাবে উপবন্ধিত তেনে জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব,

যদি অপৰাধটো মৃত্যু আদিৰে দণ্ডনীয় হয়,

বা, যদি অপৰাধটো মৃত্যু বা [2][আজীৱন কাৰাবাস]ৰে দণ্ডনীয় হয়, তেনেহলে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হব পাৰে দণ্ডিত হব,

যদি অপৰাধ সংঘটিত কৰা নহয়।

বা, যদি অপৰাধটো সংঘটিত নহয়, অপৰাধটোৰ বাবে উপবন্ধিত যি কোনো প্ৰকাৰৰ এটা অৱধিৰ বাবে কাৰাবাসৰে যিটো তেনে কাৰাবাসৰ দীৰ্ঘতম অৱধিৰ এক চতুৰ্থাংশলৈকে বিস্তাৰিত হব পাৰে বা অপৰাধটোৰ বাবে উপবন্ধিত তেনে জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

দৃষ্টান্ত

আৰক্ষী পদাধিকাৰী 'ক' ই তেওঁৰ জ্ঞানাধীনত অহা লুণ্ঠন সংঘটিত কৰাৰ সকলো অভিসন্ধিৰ তথ্য দিবলৈ বৈধভাৱে আবদ্ধ হৈ, আৰু যে 'খ' ই লুণ্ঠন কৰিবলৈ অভিসন্ধি কৰিছে জানিও সেই অপৰাধটো সংঘটন কৰা সুসাধ্য কৰা অভিপ্ৰায়েৰে তথ্য জনোৱাত ত্ৰুটী কৰে। ইয়াত 'ক' ই এটা অবৈধ ত্ৰুটীৰ দ্বাৰা 'খ' ৰ অভিসন্ধিৰ অস্তিত্ব সংগোপন কৰিলে, আৰু তদনুসাৰে এই ধাৰাৰ উপবন্ধৰ অধীনত দণ্ডৰ বাবে দায়ী।

কাৰাবাসেৰে দণ্ডনীয় অপৰাধ সংঘটন কৰাৰ অভিসন্ধিৰ সংগোপন কৰণ-

১২০। যিয়ে কাৰাবাসৰে দণ্ডনীয় কোনো অপৰাধৰ সংঘটন সুসাধ্য কৰাৰ অভিপ্ৰায়েৰে বা তেওঁ তাৰ দ্বাৰা কোনো অপৰাধৰ সংঘটন সুসাধ্য কৰাৰ সম্ভাৱনা আছে বুলি জানি,

স্বেচ্ছাই কোনো কাৰ্য্য বা অবৈধ ত্ৰুটীৰ দ্বাৰা এনে অপৰাধ সংঘটনৰ অভিসন্ধি সংগোপন কৰে, বা কোনো বৰ্ণনা দিয়ে যিটো তেওঁ সেই অভিসন্ধি সম্পৰ্কে মিছা বুলি জানে,

যদি অপৰাধটো সংঘটিত কৰা হয়,

যদি অপৰাধটো সংঘটিত হয়, সেই অপৰাধটোৰ বাবে উপবন্ধিত প্ৰকাৰৰ কাৰাবাসৰে দণ্ডিত হব যিটো এটা অৱধিৰ একচতুৰ্থাংশলৈ বিস্তাৰিত হব পাৰে আৰু যদি অপৰাধটো সংঘটিত নহয়, এনে কাৰাবাসৰ দীৰ্ঘতম অৱধিৰ এক অষ্টমাংশ বা অপৰাধটোৰ বাবে উপবন্ধিত মতে তেনে জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

যদি অপৰাধটো সংঘটিত কৰা নহয়।

---

১। তথ্য প্ৰযুক্তিবিজ্ঞান (সংশোধন) অধিনিয়ম ২০০৮ (২০০৯ ৰ ১০)ৰ ধাৰা ৫১ৰ দ্বাৰা প্ৰতিস্থাপিত।

২। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

## [1][অধ্যায় - ৫ ক

### আপৰাধিক ষড়যন্ত্ৰ

**আপৰাধিক ষড়যন্ত্ৰৰ পৰিভাষা।**

১২০ক। যেতিয়া দুই বা ততোধিক ব্যক্তিয়ে -

(১) কোনো অবৈধ কাৰ্য্য, বা -

(২) কোনো এনে কাৰ্য্য যিটো অবৈধ নহয় অবৈধ উপায়ৰ দ্বাৰা কৰিবলৈ বা কৰাবলৈ সন্মত হয়, এনে সন্মতিক আপৰাধিক ষড়যন্ত্ৰ বুলি কোৱা হয়ঃ

পৰন্তু এটা অপৰাধ সংঘটিত কৰিবলৈ কৰা এটা সন্মতিৰ বাহিৰে কোনো সন্মতি আপৰাধিক ষড়যন্ত্ৰৰ পৰ্য্যায়ৰ নহয় যদিহে সন্মতিৰ উপৰিও এনে সন্মতিৰ এক বা অধিক পক্ষৰ দ্বাৰা তাৰ অনুসৰণত কোনো কাৰ্য্য কৰা নহয়।

**স্পষ্টীকৰণ** - অবৈধ কাৰ্য্যটো এনে সন্মতিৰ চৰম লক্ষই হওঁক বা সেই লক্ষৰ আনুষঙ্গিকেই হওঁক এইটো অপ্ৰয়োজনীয়।

**আপৰাধিক ষড়যন্ত্ৰৰ দণ্ড।**

১২০খ। (১) যিয়েই মৃত্যু [2][আজীৱন কাৰাবাস] ৰ বা দুবছৰ বা ততোধিক অৱধিৰ সশ্ৰম কাৰাবাসৰে দণ্ডনীয় কোনো এটা অপৰাধ সংঘটিত কৰিবলৈ আপৰাধিক ষড়যন্ত্ৰৰ এটা পক্ষ হয়, তেওঁ য'ত এই সংহিতাত তেনে ষড়যন্ত্ৰৰ দণ্ডৰ বাবে স্পষ্ট উপবন্ধ কৰা নাই, তেনে ক্ষেত্ৰত সেই একে ধৰণে দণ্ডিত হ'ব যেনিবা তেওঁ তেনে অপৰাধৰ অপপ্ৰেৰণা দিছিল।

(২) যিয়েই উপৰোক্ত মতে দণ্ডনীয় অপৰাধ সংঘটিত কৰাৰ আপৰাধিক ষড়যন্ত্ৰৰ বাহিৰে আপৰাধিক ষড়যন্ত্ৰৰ এটা পক্ষ হয়, তেওঁ ছয়মাহতকৈ অধিক নোহোৱা এটা অৱধিৰ বাবে দুই প্ৰকাৰৰ এটা কাৰাবাসৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হ'ব।

## অধ্যায় - ৬

### ৰাজ্যৰ বিৰুদ্ধে অপৰাধবোৰৰ বিষয়ে

**ভাৰত চৰকাৰৰ বিৰুদ্ধে যুদ্ধ কৰা বা যুদ্ধ কৰিবলৈ প্ৰয়াস কৰা বা যুদ্ধ কৰাৰ অপপ্ৰেৰণা দিয়া।**

১২১। যিয়ে, [3][ভাৰত চৰকাৰ]ৰ বিৰুদ্ধে যুদ্ধ কৰে বা এনে যুদ্ধ কৰিবলৈ প্ৰয়াস কৰে, বা এনে যুদ্ধ কৰাৰ অপপ্ৰেৰণা দিয়ে, তেওঁ মৃত্যু বা [2][আজীৱন কাৰাবাস] ৰে দণ্ডিত হ'ব আৰু [4][জৰিমনাৰ বাবেও দায়ী হ'ব]।

---

১। ১৯১৩ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৩। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "মহাৰাণী" ৰ স্থানত প্ৰতিস্থাপিত।

৪। ১৯২১ চনৰ অধিনিয়ম সংখ্যা ১৬ ৰ ধাৰা ২ ৰ দ্বাৰা " আৰু তেওঁৰ সকলো সম্পত্তি বাজেয়াপ্ত কৰা হ'ব" স্থানত প্ৰতিস্থাপিত।

[1][দৃষ্টান্ত]

[2]XXX 'ক'ই [6][ভাৰত চৰকাৰ]ৰ বিৰুদ্ধে কৰা বিদ্ৰোহত যোগদান কৰে। 'ক'ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিছে। [4]XXX

**ধাৰা ১২১ ৰ দ্বাৰা দণ্ডনীয় অপৰাধ সংঘটন কৰাৰ ষড়যন্ত্ৰ।**

[5][১২১ ক। যিয়ে [6][ভাৰত]ৰ ভিতৰত বা বাহিৰত [7][XXX] ১২১ ধাৰাৰ দ্বাৰা দণ্ডনীয় অপৰাধ বোৰৰ কোনটো সংঘটন কৰিবলৈ ষড়যন্ত্ৰ কৰে, বা আপৰাধিক বলৰ দ্বাৰা বা আপৰাধিক বল দেখুৱাই [8][কেন্দ্ৰীয় চৰকাৰ বা কোনো] [9][ৰাজ্য] চৰকাৰক [10][XXX] আতঙ্কিত কৰিবলৈ ষড়যন্ত্ৰ কৰে তেওঁ [11][আজীৱন কাৰাবাস] বে বা দুই প্ৰকাৰৰ ভিতৰত এটা কাৰাবাসৰে যিটো দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব [12][আৰু জৰিমনাৰ বাবেও দায়ী হব]।

**স্পষ্টীকৰণ** :- এই ধাৰাৰ অধীনত ষড়যন্ত্ৰ গঠিত কৰিবলৈ এইটো আৱশ্যক নহয় তাৰ যে অনুসৰণত কোনো কাৰ্য্য বা অবৈধ ত্ৰুটী ঘটিব।

**ভাৰত চৰকাৰৰ বিৰুদ্ধে যুদ্ধ কৰাৰ অভিপ্ৰায়েৰে অস্ত্ৰ আদি সংগ্ৰহ কৰা।**

১২২। যিয়ে, [6][ভাৰত চৰকাৰ]ৰ বিৰুদ্ধে হয়, যুদ্ধ কৰিবলৈ বা যুদ্ধ কৰাৰ কাৰণে সাজু হোৱাৰ অভিপ্ৰায়েৰে লোক, অস্ত্ৰ বা গোলা বাৰুদ সংগ্ৰহ কৰে, বা অন্যথা যুদ্ধ কৰিবলৈ সাজু হয় তেওঁ [11][আজীৱন কাৰাবাস]বে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰৰ অধিক নহব, দণ্ডিত হব [12][আৰু জৰিমনাৰ বাবেও দায়ী হব]।

**যুদ্ধ কৰাৰ অভিসন্ধি সুসাধ্য কৰাৰ অভিপ্ৰায়েৰে সংগোপনকৰণ।**

১২৩। যিয়ে কোনো কাৰ্য্যৰ দ্বাৰা, বা কোনো অবৈধ ত্ৰুটীৰ দ্বাৰা [6][ভাৰত চৰকাৰ]ৰ বিৰুদ্ধে যুদ্ধ কৰাৰ এটা অভিসন্ধিৰ অস্তিত্বৰ এনে সংগোপনৰ দ্বাৰা যুদ্ধ কৰা সুসাধ্য কৰাৰ অভিপ্ৰায়েৰে বা এইটো জানি যে এনে সংগোপনে এনে যুদ্ধ সুসাধ্য কৰাৰ সম্ভাৱনা আছে, সংগোপন কৰে,

---

১। ১৯৫৭ চনৰ ৩৬ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচী ২ ৰ দ্বাৰা "দৃষ্টান্ত" সমূহৰ বাবে প্ৰতিষ্ঠাপিত।

২। একে অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা বন্ধনী সমূহ আৰু আখৰ "(ক)" লোপ কৰা হৈছে।

৩। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৪। দৃষ্টান্ত (খ) বিধি অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা লোপ কৰা হৈছে।

৫। ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ৪ দ্বাৰা অন্তঃস্থাপিত।

৬। "বৃটিছ ভাৰত" শব্দ সমূহ অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ, ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত ভাবে গঠিত হবলৈ ক্ৰমাগত ভাবে প্ৰতিষ্ঠাপিত হৈছে।

৭। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "মহাৰাণীৰ প্ৰদেশ সমূহ বা তাৰ কোনো ভাগৰ সাৰ্বভৌমত্বৰ পৰা বঞ্চিত কৰা" শব্দ সমূহ লোপ কৰা হৈছে।

৮। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "ভাৰত চৰকাৰ বা কোনো স্থানীয় চৰকাৰ"ৰ স্থানত প্ৰতিষ্ঠাপিত।

৯। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "প্ৰাদেশিক" ৰ স্থানত প্ৰতিষ্ঠাপিত।

১০। অনুকূলন আদেশ, ১৯৪৮ ৰ দ্বাৰা "বা ব্ৰহ্মদেশৰ চৰকাৰ" শব্দ সমূহ লোপ কৰা হৈছে।

১১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত।

১২। ১৯২১ চনৰ ১৬ নং অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা অন্তঃস্থাপিত।

১৩। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "মহাৰাণী" ৰ স্থানত প্ৰতিষ্ঠাপিত।

তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

কোনো বিধি সম্মত ক্ষমতা প্ৰয়োগ কৰিবলৈ বাধ্য কৰা বা ইয়াক প্ৰয়োগ কৰাত বিৰত কৰাৰ অভিপ্ৰায়েৰে ৰাষ্ট্ৰপতি, ৰাজ্যপাল আদিক অভ্যাঘাত।

১২৪। যিয়ে, ভাৰতৰ [1][ৰাষ্ট্ৰপতি] বা কোনো [2][ৰাজ্য] ৰ [3] XXX [4] XXX [5] XXX ৰ [6][ৰাজ্যপাল [7]XXX] ক এনে [1][ৰাষ্ট্ৰপতি] বা [6][ৰাজ্যপাল [8] XXXX] ৰ বিধি সম্মত ক্ষমতা সমূহৰ কোনটো ক্ষমতাৰ কোনো প্ৰকাৰে প্ৰয়োগ কৰাৰ কাৰণে বা প্ৰয়োগ কৰাৰ পৰা বিৰত ৰাখিবৰ কাৰণে উৎপ্ৰেৰিত বা বাধ্য কৰোৱাৰ অভিপ্ৰায়েৰে,

এনে [1][ৰাষ্ট্ৰপতি] বা [6][ৰাজ্যপাল [8]XXX] ৰ ওপৰত অভ্যাঘাত কৰে বা তেওঁক সদোষ অৱৰোধ কৰে বা সদোষ অৱৰোধ কৰাৰ প্ৰয়াস কৰে বা তেওঁক আপৰাধিক বলৰ দ্বাৰা বা আপৰাধিক বল দেখুৱাই আতঙ্কিত কৰে বা আতঙ্কিত কৰাৰ প্ৰয়াস কৰে।

তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি সাত বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

ৰাজদ্ৰোহ।

[9][১২৪ ক। যিয়েই, হয়, কোৱা কথাৰে বা লিখিত শব্দৰে বা চিহ্নৰ দ্বাৰা বা দৃশ্য কল্পন বা অন্যথা [10] [XXX বিধিৰ দ্বাৰা] [11][ভাৰত] [12] [XXX] ত প্ৰতিষ্ঠিত চৰকাৰৰ প্ৰতি ঘৃণা বা অৱমাননা জন্মায় বা জন্মাবলৈ প্ৰয়াস কৰে বা অপ্ৰীতি উত্তেজিত কৰে বা কৰিবলৈ প্ৰয়াস কৰে তেওঁ [13][আজীৱন কাৰাবাস] ৰে যিটোৰ লগত জৰিমনা যোগ হব পাৰে বা কাৰাবাসৰে যিটো

---

১। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "গভৰ্নৰ জেনেৰেল"ৰ বাবে প্ৰতিষ্ঠাপিত।

২। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "প্ৰদেশৰ" ৰ বাবে প্ৰতিষ্ঠাপিত। "প্ৰদেশ" শব্দটো অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা "প্ৰেচিডেন্সি" ৰ বাবে প্ৰতিষ্ঠাপিত কৰা হৈছিল।

৩। অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা "বা লেফটেনেন্ট গভৰ্নৰ" শব্দ সমূহ লোপ কৰা হৈছে।

৪। অনুকূলন আদেশ, ১৯৪৮ ৰ দ্বাৰা "বা ভাৰতৰ গভৰ্নৰ জেনেৰেলৰ পৰিষদৰ কোনো সদস্য" শব্দ সমূহ লোপ কৰা হৈছে।

৫। অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা "বা কোনো প্ৰেচিডেন্সিৰ পৰিষদৰ" শব্দ সমূহ লোপ কৰা হৈছে।

৬। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "ৰাজ্যপাল" ৰ বাবে প্ৰতিষ্ঠাপিত।

৭। অনুকূলন আদেশ, ১৯৫৬ ৰ দ্বাৰা "বা ৰাজ প্ৰমুখ" শব্দ সমূহ লোপ কৰা হৈছে।

৮। মূল শব্দ সমূহ "গভৰ্নৰ জেনেৰেল, গভৰ্নৰ, লেফটেনেন্ট গভৰ্নৰ বা পৰিষদৰ সদস্য" ক্ৰমাগত ভাবে অনুকূলন আদেশ, ১৯৩৭, অনুকূলন আদেশ, ১৯৪৮ আৰু অনুকূলন আদেশ, ১৯৪৯ ৰ দ্বাৰা উপৰোক্ত ৰূপে পঠিত হবলৈ সংশোধিত হৈছে।

৯। ১৮৯৮ চনৰ ৪ নং অধিনিয়মৰ ধাৰা ৪ ৰ দ্বাৰা মূল ধাৰা ১২৪ ক প্ৰতিষ্ঠাপিত হৈছে। মূলধাৰা ১২৪ ক ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ৫ ৰ দ্বাৰা অন্তঃস্থাপিত হৈছিল।

১০। "হাৰ মেজেষ্টি বা" শব্দ সমূহ অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা লোপ কৰা হৈছে। মেজেষ্টি শব্দৰ পিছত অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা অন্তঃস্থাপিত "বা ক্ৰাউন প্ৰতিনিধি" শব্দ সমূহ অনুকূলন আদেশ, ১৯৪৮ দ্বাৰা লোপ কৰা হৈছিল।

১১। শব্দ সমূহ "বৃটিশ ভাৰত" অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত ৰূপে পঠিত হবলৈ প্ৰতিষ্ঠাপিত হৈছে।

১২। অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা অন্তঃস্থাপিত শব্দ সমূহ "বা বৃটিশ ভাৰত" অনুকূলন আদেশ, ১৯৪৮ দ্বাৰা লোপ কৰা হৈছে।

১৩। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন বা অল্পকালীন অৱধি" ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

তিনি বছৰলৈ বিস্তাৰিত হব পাৰে যিটোৰ লগত জৰিমনাও যোগ হব পাৰে বা জৰিমনাৰে দণ্ডিত হব।

**স্পষ্টীকৰণ ১** - "অপ্ৰীতি" অভিব্যক্তিয়ে অনানুগত্য আৰু শত্ৰুতাৰ সকলো ভাৱাবেশ অন্তৰ্ভুক্ত কৰে।

**স্পষ্টীকৰণ ২** - ঘৃণা, অৱমাননা বা অপ্ৰীতি উত্তেজিত নকৰাকৈ বা উত্তেজিত কৰাৰ প্ৰয়াস নকৰাকৈ চৰকাৰৰ প্ৰশাসনিক বা আন কাৰ্যৰ প্ৰতি বিধি সম্মত উপায়ৰ দ্বাৰা ইয়াক পৰিবৰ্তিত কৰাৰৰ দৃষ্টিৰে অননুমোদন প্ৰকাশ কৰা মন্তব্য সমূহে এই ধাৰাৰ অধীনত অপৰাধ গঠিত নকৰে।

**স্পষ্টীকৰণ ৩** - ঘৃণা, অৱমাননা বা অপ্ৰীতি উত্তেজিত নকৰাকৈ বা উত্তেজিত কৰাৰ প্ৰয়াস নকৰাকৈ চৰকাৰৰ বা প্ৰশাসনিক বা আন কাৰ্যৰ প্ৰতি অননুমোদন প্ৰকাশ কৰি কৰা মন্তব্যই এই ধাৰাৰ অধীনত অপৰাধ গঠিত নকৰে।

ভাৰত চৰকাৰ সহ মৈত্ৰী সম্পৰ্ক ৰখা কোনো এচীয় শক্তিৰ বিৰুদ্ধে যুদ্ধ কৰা।

১২৫। যিয়েই, [1][ভাৰত চৰকাৰ] সহ মৈত্ৰী বা শান্তিৰ সম্পৰ্ক ৰখা কোনো এচীয়া শক্তিৰ বিৰুদ্ধে যুদ্ধ কৰে বা এনে যুদ্ধ কৰিবলৈ প্ৰয়াস কৰে, বা এনে যুদ্ধ কৰাৰ অপপ্ৰেৰণা দিয়ে, তেওঁ [2][আজীৱন কাৰাবাস] ৰে যিটোৰ লগত জৰিমনা যোগ হব পাৰে বা যিকোনো প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি সাত বছৰলৈ বিস্তাৰিত হব পাৰে, যিটোৰ লগত জৰিমনা যোগ হব পাৰে, বা জৰিমনাৰে দণ্ডিত হব।

ভাৰত চৰকাৰৰ সৈতে শান্তিৰ সম্পৰ্ক ৰখা শক্তিৰ ৰাজ্য ক্ষেত্ৰত লুটপাত কৰা।

১২৬। যিয়েই, [1][ভাৰত চৰকাৰ] ৰ লগত মৈত্ৰী সম্পৰ্ক ৰখা কোনো শক্তিৰ ৰাজ্য ক্ষেত্ৰত লুটপাত কৰে বা লুটপাত কৰিবলৈ প্ৰস্তুতি কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব আৰু তেনে লুটপাত কৰাত ব্যৱহৃত কৰা বা ব্যৱহাৰ কৰিবলৈ অভিপ্ৰেত বা এনে লুটপাতৰ দ্বাৰা অৰ্জিত কোনো সম্পত্তি বাজেয়াপ্তৰ বাবেও দায়ী হব।

ধাৰা সমূহ ১২৫ আৰু ১২৬ ত উল্লিখিত যুদ্ধ বা লুটপাতৰ দ্বাৰা লোৱা সম্পত্তিৰ গ্ৰহণ।

১২৭। যিয়েই, ধাৰা সমূহ ১২৫ আৰু ১২৬ ত উল্লিখিত অপৰাধ সমূহ সংঘটিত লোৱা হৈছে বুলি জানি কোনো সম্পত্তি গ্ৰহণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি সাত বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব আৰু এনেদৰে প্ৰাপ্ত সম্পত্তি বাজেয়াপ্ত হব।

লোক সেৱকে, স্বেচ্ছাই ৰাষ্ট্ৰবন্দী বা যুদ্ধবন্দীক পলাবলৈ দিয়ে।

১২৮। যিয়েই, লোক সেৱক হৈ তেওঁৰ অভিৰক্ষাত থকা কোনো ৰাষ্ট্ৰ বন্দী বা যুদ্ধ বন্দীক স্বেচ্ছাই তেনে বন্দীক কোনো স্থানৰ পৰা য'ত এনে বন্দীক পৰিৰুদ্ধ কৰি ৰখা হয় তেনে স্থানৰ পৰা পলাই সাৰিবলৈ দিয়ে, তেওঁ [2][আজীৱন কাৰাবাসে] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবে দায়ী হব।

লোক সেৱকে, অসাৱধানতাৰে তেনে বন্দীক পলাই যোৱাটো সহ্য কৰে।

১২৯। যিয়েই, লোক সেৱক হৈ কোনো ৰাষ্ট্ৰ বন্দীক বা যুদ্ধ বন্দীক অভিৰক্ষাত ৰাখি তেনে বন্দীক কোনো স্থানৰ পৰা য'ত তেনে বন্দীক পৰিৰুদ্ধ কৰা হৈছে, অসাৱধানতাৰে পলাই যোৱাটো সহ্য কৰি থাকে, তেওঁ তিনি বছৰলৈ বিস্তাৰিত হব পৰা এটা অৱধিৰ বিনাশ্ৰম কাৰাবাসেৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

এনে বন্দীক পলাই যোৱাত সাহায্য কৰা, উদ্ধাৰ কৰা বা আশ্ৰয় দিয়া।

১৩০। যিয়েই, কোনো ৰাষ্ট্ৰ বন্দী বা যুদ্ধ বন্দীক জানি শুনিও বিধি সম্মত অভিৰক্ষাৰ পৰা পলাই সৰাত সাহায্য কৰে বা সহায় কৰে, বা এনে বন্দীক উদ্ধাৰ কৰে বা উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰে বা এনে কোনো বন্দীক যি বিধিসম্মত অভিৰক্ষাৰ পৰা পলাই সাৰিছে, তেনে বন্দীক আশ্ৰয় দিয়ে

১। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "মহাৰাণী" ৰ বাবে প্ৰতিস্থাপিত।

২। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিস্থাপিত। (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

বা লুকুৱাই ৰাখে, আৰু এনে বন্দীক পুনৰ ধৰাত প্ৰতিৰোধ কৰে বা প্ৰতিৰোধ কৰিবলৈ প্ৰয়াস কৰে, তেওঁ [১][আজীৱন কাৰাবাসে] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ :-** কোনো ৰাষ্ট্ৰ বন্দীক বা যুদ্ধ বন্দীক যাক তেওঁৰ পেৰোলত [২][ভাৰত] ৰ কোনো নিৰ্দিষ্ট সীমাৰ ভিতৰত মুক্ত ভাৱে থাকিবলৈ দিয়া হয়, যদি যিটো সীমাৰ ভিতৰত তেওঁক মুক্ত ভাবে থাকিবলৈ দিয়া হয় তেওঁ সেই সীমাৰ বাহিৰলৈ যায় তেওঁক বিধি সম্মত অভিৰক্ষাৰ পৰা পলাই সৰা বুলি কোৱা হয়।

## অধ্যায় ৭

### সেনা বাহিনী, [৩][নৌ বাহিনী, আৰু বিমান বাহিনী] সম্বন্ধীয় অপৰাধ বোৰৰ বিষয়ে

বিদ্ৰোহৰ অপপ্ৰেৰণা সৈনিক, নাবিক বা বৈমানিকক তেওঁৰ কৰ্তব্যৰ পৰা বিচলিত কৰাৰ প্ৰয়াস।

১৩১। যিয়েই, [৪][ভাৰত চৰকাৰ]ৰ সেনা বাহিনী, [৩][নৌ বাহিনী বা বিমান বাহিনী]ৰ কোনো পদাধিকাৰী, সৈনিক, [৫][ নাবিক বা বৈমানিকৰ] ৰ দ্বাৰা বিদ্ৰোহ কৰাৰ অনুপ্ৰেৰণা দিয়ে বা কোনো এনে পদাধিকাৰী, সৈনিক [৬][ নাবিক, বা বৈমানিক] ক তেওঁৰ আনুগত্য বা কৰ্তব্যৰ পৰা বিচলিত কৰিবলৈ প্ৰয়াস কৰে,

তেওঁ [১][ আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

[৭][**স্পষ্টীকৰণ** - এই ধাৰাত "পদাধিকাৰী" [৮][ সৈনিক] , [৯][ নাবিক] , আৰু "বৈমানিক] "শব্দ

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিস্থাপিত। (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২। "বৃটিশ ভাৰত" শব্দ সমূহ অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ, ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত ভাবে পঠিত হবলৈ ক্ৰমাগত ভাবে প্ৰতিস্থাপিত হৈছে।

৩। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২, আৰু অনুসূচী ১ ৰ দ্বাৰা "আৰু নৌ বাহিনী"ৰ বাবে প্ৰতিস্থাপিত।

৪। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "মহাৰাণী" ৰ বাবে প্ৰতিস্থাপিত।

৫। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা২ আৰু অনুসূচী ১ ৰ দ্বাৰা "বা নাবিক" ৰ বাবে প্ৰতিস্থাপিত।

৬। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা, "বা নাবিক" ৰ বাবে প্ৰতিস্থাপিত।

৭। ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা অন্তঃস্থাপিত।

৮। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা "আৰু সৈনিক"ৰ বাবে প্ৰতিস্থাপিত।

৯। ১৯৩৪ চনৰ ৩৫ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত।

সমূহে যথাস্থিতি [2][সেনা অধিনিয়ম, [3][সেনা অধিনিয়ম, ১৯৫০, (১৯৫০ ৰ ৪৬) [4][ নাবিক অনুশাসন অধিনিয়ম, [3][ভাৰতীয় নৌ বাহিনী (অনুশাসন), অধিনিয়ম, ১৯৩৪, (১৯৩৪ ৰ ৩৪) [5]xxx [6][বিমান বাহিনী অধিনিয়ম বা [7][ বিমান বাহিনী অধিনিয়ম, ১৯৫০ (১৯৫০ ৰ ৪৫)ৰ অধ্যাধীন যি কোনো ব্যক্তিকে অন্তৰ্ভুক্ত কৰে।

**বিদ্ৰোহৰ অপপ্ৰেৰণা, যদি তাৰ পৰিণামত বিদ্ৰোহ সংঘটিত হয়।**

১৩২। যিয়েই, [8][ভাৰত চৰকাৰ] ৰ সেনা বাহিনী, [9][নৌ-বাহিনী, বা বিমান বাহিনী]ৰ কোনো পদাধিকাৰী সৈনিক [10][নাবিক বা বৈমানিক]ক বিদ্ৰোহ কৰাত অপপ্ৰেৰণা দিয়ে, যদি অপপ্ৰেৰণাৰ পৰিণামত বিদ্ৰোহ সংঘটিত হয়, তেওঁ মৃত্যু বা [11][আজীৱন কাৰাবাস]ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**সৈনিক, নাবিক বা বৈমানিকৰ দ্বাৰা তেওঁৰ উচ্চতৰ পদাধিকাৰীক, যেতিয়া তেওঁৰ পদৰ নিৰ্বহনত অভ্যাঘাতৰ অপপ্ৰেৰণা দিয়ে।**

১৩৩। যিয়েই, [8][ভাৰত চৰকাৰ]ৰ সেনা বাহিনী, [9][নৌ-বাহিনী, বা বিমান বাহিনী]ৰ কোনো পদাধিকাৰী সৈনিক, [10][নাবিক বা বৈমানিক]ক কোনো উচ্চতৰ পদাধিকাৰী পদৰ নিৰ্বহন কৰি থাকোতে অভ্যাঘাত কৰিবলৈ অপপ্ৰেৰণা দিয়ে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**এনে অভ্যাঘাতৰ অপপ্ৰেৰণা যদি এনে অভ্যাঘাত সংঘটিত কৰা হয়।**

১৩৪। যিয়েই, [8][ভাৰত চৰকাৰ]ৰ সেনা বাহিনী, [9][নৌ-বাহিনী, বা বিমান বাহিনী] ৰ পদাধিকাৰী, সৈনিক, [10][নাবিক বা বৈমানিক]ৰ দ্বাৰা কোনো উচ্চতৰ পদাধিকাৰীক পদৰ নিৰ্বহন কৰি থাকোতে অভ্যাঘাতৰ অপপ্ৰেৰণা দিয়ে, যদি তেনে অপপ্ৰেৰণাৰ পৰিণামত অভ্যাঘাত সংঘটিত হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**সৈনিক, নাবিক বা বৈমানিকক পৰিত্যাগকৰণৰ অপপ্ৰেৰণা।**

১৩৫। যিয়েই, [8][ভাৰত চৰকাৰ]ৰ সেনা বাহিনী, [9][নৌ-বাহিনী, বা বিমান বাহিনী]ৰ কোনো পদাধিকাৰী, সৈনিক, [10][নাবিক বা বৈমানিক]ক পৰিত্যাগৰ কৰণৰ অপপ্ৰেৰণা দিয়ে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুই বছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**পৰিত্যাগীক আশ্ৰয় দান।**

১৩৬। যিয়েই, এতৎপশ্চাত ব্যতিৰেকে, এইটো জানিও বা বিশ্বাস কৰাৰ কাৰণ থকাত যে [8][ভাৰত চৰকাৰ]ৰ সেনা বাহিনী, [9][নৌ-বাহিনী, বা বিমান বাহিনী]ত থকা কোনো পদাধিকাৰী, সৈনিক, [10][নাবিক বা বৈমানিক]ক পৰিত্যাগ কৰিছে, তেনে পদাধিকাৰী, সৈনিক, [10][নাবিক বা বৈমানিক]ক

---

১। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা "হাব মেজিষ্টি" ৰ সৈন্য বাহিনীৰ সুশাসনৰ বাবে যুদ্ধ নিয়মাৱলী বা ১৮৬৯ চনৰ ৫ নং অধিনিয়মত অন্তৰ্নিষ্ট নিয়মাৱলী" ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "ভাৰতীয় সেনা বাহিনী "১৯১১ৰ বাবে প্ৰতিষ্ঠাপিত।

৩। ১৯৩৪ চনৰ ৩৫ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত।

৪। এতিয়া নৌ বাহিনী অধিনিয়ম ১৯৫৭ ৰ (১৯৫৭ ৰ ৬২) চাওক।

৫। শব্দ সমূহ "দ্বাৰা ৰূপান্তৰিত সেই অধিনিয়ম "অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা লোপ কৰা হৈছে।

৬। ১৯৩২ চনৰ ১৪ নং অধিনিয়মৰ ধাৰা ১৩০ আৰু অনুসূচীৰ দ্বাৰা বা বিমান বাহিনী অধিনিয়ম"ৰ বাবে প্ৰতিষ্ঠাপিত।

৭। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "ভাৰতীয় বিমান বাহিনী অধিনিয়ম, ১৯৩২ "ৰ বাবে প্ৰতিষ্ঠাপিত।

৮। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "মহাৰাণী" ৰ বাবে প্ৰতিষ্ঠাপিত।

৯। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা "বা নৌ বাহিনী"ৰ বাবে প্ৰতিষ্ঠাপিত।

১০। একে অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা "বা নাবিক" ৰ বাবে প্ৰতিষ্ঠাপিত।

১১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত।

আশ্ৰয় দিয়ে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি দুই বছৰলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

ব্যতিক্ৰম :- এই উপবন্ধটো এগৰাকী পত্নীয়ে তেওঁৰ স্বামীক আশ্ৰয় দান কৰা ক্ষেত্ৰলৈ বিস্তাৰিত নহয়।

গৰাকীৰ অৱহেলাৰ বাবে বাণিজ্যিক জলযানত লুকাই থকা পৰিত্যাগী।

১৩৭। কোনো বাণিজ্যিক জলযানত [1][ভাৰত চৰকাৰ]ৰ সেনা বাহিনী, [9][নৌ-বাহিনী, বা বিমান বাহিনী]ৰ কোনো পৰিত্যাগীয়ে লুকাই থাকে, বাণিজ্যিক জলযানৰ গৰাকী বা ভাৰপ্ৰাপ্ত পদাধিকাৰী যদিও এনে লুকাই থকাৰ বিষয়ে অজ্ঞ, পাঁচশ টকাৰ অধিক নোহোৱা দণ্ডৰ বাবে দায়ী হব যদি তেওঁ তেনে গৰাকী বা ভাৰপ্ৰাপ্ত ব্যক্তি হিচাবে তেওঁৰ কৰ্তব্য অৱহেলা নকৰা হলে বা জলযানৰ ওপৰত কিছু অনুশাসনৰ অভাৱ নোহোৱা হলে এনে লুকাই থকাৰ বিষয়ে জানিব পাৰিলেহেতেন।

সৈনিক, নাবিক বা বৈমানিকৰ দ্বাৰা অনধীনতাৰ কাৰ্য্যৰ অপপ্ৰেৰণা।

১৩৮। যিয়েই, যিটো তেওঁ [1][ভাৰত চৰকাৰ]ৰ সেনা বাহিনী, [9][নৌ-বাহিনী, বা বিমান বাহিনী]ৰ কোনো পদাধিকাৰ, সৈনিক, [10][নাবিক বা বৈমানিক]ৰ দ্বাৰা এটা অনধীনতাৰ কাৰ্য্য বুলি জানি অপপ্ৰেৰণা দিয়ে, যদি এনে অপপ্ৰেৰণাৰ পৰিণামত অনধীনতাৰ কাৰ্য্য সংঘটিত হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছয় মাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

১৩৮ক। [ভাৰতীয় সামুদ্ৰিক সেৱাত পূৰ্বগামী ধাৰাবোৰৰ প্ৰয়োগ] সংশোধনী অধিনিয়ম, ১৯৩৪ (১৯৩৪ ৰ৩৫)ৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা নিৰসিত।

কোনো নিৰ্দ্দিষ্ট অধিনিয়মৰ অধ্যধীন ব্যক্তি।

১৩৯। কোনো ব্যক্তি যি [2][সেনা বাহিনী অধিনিয়ম,] [3][সেনা বাহিনী অধিনিয়ম, ১৯৫০ (১৯৫০ ৰ,৪৬] বা নৌ বাহিনী অনুশাসন অধিনিয়ম, [4][ভাৰতীয় নৌ বাহিনী (অনুশাসন) অধিনিয়ম, ১৯৩৪ ( ১৯৩৪ ৰ ৩৪] [5][xxxx [6][বিমান বাহিনী অধিনিয়ম, [7][বিমান বাহিনী অধিনিয়ম, ১৯৫০ (১৯৫০ ৰ ৪৫]ৰ অধ্যধীন এই সংহিতাৰ অধীনত দণ্ডনীয় নহয়।

সৈনিক, নাবিক বা বৈমানিকৰ দ্বাৰা ব্যৱহৃত পোচাক-পৰিধান বা প্ৰতীক বহন কৰা কাৰ্য্য।

১৪০। যিয়েই [1][ভাৰত চৰকাৰ]ৰ মিলিটাৰী [9][নৌ বাহিনী বা বিমান বাহিনী], সেৱাৰ সৈনিক, [10][নাবিক বা বৈমানিক] নোহোৱাকৈ তেওঁ যে সৈনিক, [10][নাবিক, বা বৈমানিক] বুলি বিশ্বাস কৰিব পাৰি এনে অভিপ্ৰায় সহ কোনো পোচাক পৰিধান কৰে বা কোনো প্ৰতীক বহন কৰে যিটোৰ সৈনিক [10][নাবিক বা বৈমানিক]ৰ দ্বাৰা পৰিধান কৰা পোচাক বা ব্যৱহৃত প্ৰতীকৰ লগত সাদৃশ্য থাকে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি মাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যিটো পাচঁশ টকালৈ বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

---

১। অনুকূলন আদেশ ১৯৫০ ৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা "মহাৰাণীৰ সেনা বাহিনী বা নৌ বাহিনীৰ বাবে যুদ্ধৰ নিয়মাৱলী বা এনে সেনা বাহিনী বা নৌ বাহিনীৰ কোনো ভাগৰ" বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "ভাৰতীয় সেনা বাহিনী অধিনিয়ম, ১৯১১"ৰ বাবে প্ৰতিষ্ঠাপিত।

৩। এতিয়া নৌ বাহিনী অধিনিয়ম, ১৯৫৭ (১৯৫৭ ৰ ৬২) চাওঁক।

৪। ১৯৩৪ চনৰ ৩৫ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত।

৫। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "দ্বাৰা ৰূপান্তৰিত সেই অধিনিয়ম" শব্দ সমূহ লোপ কৰা হৈছে।

৬। ১৯৩২ চনৰ ১৪ নং অধিনিয়মৰ ধাৰা ১৩০ আৰু অনুসূচীৰ দ্বাৰা "বা বিমান বাহিনী অধিনিয়ম"ৰ বাবে প্ৰতিষ্ঠাপিত।

৭। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "ভাৰতীয় বিমান বাহিনী অধিনিয়ম, ১৯৩২"ৰ বাবে প্ৰতিষ্ঠাপিত।

৮। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "মহাৰাণী" ৰ বাবে প্ৰতিষ্ঠাপিত।

৯। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ৰ দ্বাৰা "বা নৌবাহিনী"ৰ বাবে প্ৰতিষ্ঠাপিত।

১০। একে অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা "বা নাবিক"ৰ বাবে প্ৰতিষ্ঠাপিত।

## অধ্যায় ৮

### লোক প্ৰশান্তিৰ বিৰুদ্ধে অপৰাধ সমূহৰ বিষয়ে

**বিধি বিৰুদ্ধ সমাবেশ।**

১৪১। পাঁচজন বা অধিক ব্যক্তিৰ সমাবেশক "বিধি বিৰুদ্ধ সমাবেশ" বুলি অভিহিত কৰা হয়, যদিহে সেই সমাবেশ গঠন কৰা ব্যক্তিবোৰৰ সাধাৰণ উদ্দেশ্য হয় —

**প্ৰথম** - আপৰাধিক বল প্ৰয়োগৰ দ্বাৰা বা আপৰাধিক বল প্ৰদৰ্শনৰ দ্বাৰা, [1][কেন্দ্ৰীয় বা কোনো ৰাজ্যৰ চৰকাৰ বা সংসদ বা কোনো ৰাজ্যৰ বিধান মণ্ডলী]ক, যি কোনো লোক সেৱকক তেনে লোক সেৱকৰ বিধি সম্মত ক্ষমতাৰ প্ৰয়োগ আতঙ্কিত কৰা, বা

**দ্বিতীয়** - কোনো বিধিৰ বা কোনো বৈধ আদেশিকা নিষ্পাদন প্ৰতিৰোধ কৰা, বা

**তৃতীয়** - কোনো অপকৰ্ম বা আপৰাধিক অনধিকাৰ প্ৰবেশ বা অন্য অপৰাধ সংঘটিত কৰা, বা

**চতুৰ্থ** - কোনো ব্যক্তিক আপৰাধিক বল প্ৰয়োগৰ দ্বাৰা বা আপৰাধিক বল প্ৰদৰ্শনৰ দ্বাৰা কোনো সম্পত্তিৰ দখল লোৱা বা দখল লাভ কৰা বা কোনো ব্যক্তিক পথৰ অধিকাৰ উপভোগৰ পৰা বা পানীৰ ব্যৱহাৰ উপভোগৰ অধিকাৰৰ পৰা বা অন্য অমূৰ্ত অধিকাৰৰ উপভোগৰ পৰা বঞ্চিত কৰা, যিটো অধিকাৰ তেওঁ দখল কৰি বা উপভোগ কৰি আছে, বা কোনো অধিকাৰ বা অনুমতি অধিকাৰ বলবৎ কৰা, বা

**পঞ্চম** - আপৰাধিক বল প্ৰয়োগৰ দ্বাৰা, বা আপৰাধিক বল প্ৰদৰ্শনৰ দ্বাৰা, কোনো ব্যক্তিক, তেওঁ যিটো কৰিবলৈ বৈধ ৰূপে আবদ্ধ নহয় সেইটো কৰাৰ বাবে, বা যিটো কৰিবলৈ তেওঁ বৈধ ৰূপে হকদাৰ সেইটো কৰাত ত্ৰুটী কৰিবলৈ, বাধ্য কৰা।

**স্পষ্টীকৰণ** - মিলিত হোৱাৰ সময়ত যিটো সমাবেশ বিধি বিৰুদ্ধ নাছিল, পিছলৈ সেইটো বিধি বিৰুদ্ধে সমাবেশ হব পাৰে।

**বিধি বিৰুদ্ধ সমাবেশৰ সদস্য হোৱা।**

১৪২। যিয়ে, এনে তথ্যবোৰৰ বিষয়ে জ্ঞাত হৈও, যিবিলাকে কোনো সমাবেশক বিধি বিৰুদ্ধ সমাবেশত পৰিণত কৰে অভিপ্ৰায়সহ সেই সমাবেশত যোগদান কৰে বা এই সমাবেশত যোগদান কৰিয়েই থাকে তেওঁক বিধি বিৰুদ্ধ সমাবেশৰ সদস্য বুলি কোৱা হয়।

**দণ্ড।**

১৪৩। যিয়ে কোনো বিধি বিৰুদ্ধ সমাবেশৰ সদস্য হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছয়মাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে, দণ্ডিত হব।

**মাৰাত্মক অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ বিধি বিৰুদ্ধ সমাবেশত যোগদান।**

১৪৪। যিয়ে, কোনো মাৰাত্মক অস্ত্ৰ শস্ত্ৰেৰে সজ্জিত হৈ, বা কোনো এনে বস্তুৰে সজ্জিত হৈ যি বস্তু আক্ৰমণৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিলে মৃত্যু ঘটোৱাৰ সম্ভাবনা আছে, কোনো বিধি বিৰুদ্ধ সমাবেশৰ সদস্য হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**কোনো বিধি বিৰুদ্ধ সমাবেশত ইয়াক ছত্ৰ ভঙ্গ কৰাৰ আদেশ দিয়া বুলি জানিও যোগদান কৰা বা কৰি থকা।**

১৪৫। যিয়ে, কোনো বিধি বিৰুদ্ধ সমাবেশ বিধিৰ দ্বাৰা বিহিত কৰা ধৰণে ছত্ৰ ভঙ্গ কৰিবলৈ আদেশ দিয়া হৈছে বুলি জানিও, এনে বিধি বিৰুদ্ধ সমাবেশত যোগদান কৰে বা যোগদান কৰিয়েই থাকে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

---

১। বিধি অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "কেন্দ্ৰীয় বা প্ৰাদেশিক চৰকাৰ বা বিধান মণ্ডল"ৰ বাবে প্ৰতিস্থাপিত।

**ডাঙ্গী কৰা।**

১৪৬। যেতিয়া কোনো বিধি বিৰুদ্ধ সমাবেশৰ দ্বাৰা বা তাৰ কোনো সদস্যৰ দ্বাৰা তেনে সমাবেশৰ সাধাৰণ উদ্দেশ্য অনুধাৱনৰ বাবে, বল বা হিংসা প্ৰয়োগ কৰা হয়, তেনে সমাবেশৰ প্ৰত্যেক সদস্যই ডাঙ্গী কৰা অপৰাধটোৰ বাবে দোষী হয়।

**ডাঙ্গী কৰাৰ বাবে দণ্ড।**

১৪৭। যিয়ে, ডাঙ্গী কৰাৰ বাবে দোষী হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসলৈ যাৰ অৱধি দুবছৰৰ বাবে বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**মাৰাত্মক অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ ডাঙ্গী কৰা।**

১৪৮। যিয়ে, কোনো মাৰাত্মক অস্ত্ৰেৰে সজ্জিত হৈ বা কোনো বস্তুৰে সজ্জিত হৈ, যি বস্তুটো আক্ৰমণ অস্ত্ৰ ৰূপে ব্যৱহাৰ কৰিলে, মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনিবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে, দণ্ডিত হব।

**বিধি বিৰুদ্ধ সমাবেশৰ প্ৰত্যেক সদস্যই সাধাৰণ উদ্দেশ্যৰ অনুধাৱনত কৰা অপৰাধৰ বাবে দোষী।**

১৪৯। যদি কোনো বিধি বিৰুদ্ধ, সমাবেশৰ কোনো সদস্যৰ দ্বাৰা সেই সমাবেশৰ সাধাৰণ উদ্দেশ্যৰ অনুধাৱনত কোনো অপৰাধ সংঘটিত কৰা হয় বা তেনে ধৰণৰ কোনো অপৰাধ যদি সংঘটিত হয়, যিটো সেই সমাবেশৰ সদস্য সকলে সেই উদ্দেশ্যৰ অনুধাৱনত সংঘটিত হোৱাৰ সম্ভাৱনা বুলি জানিছিল, সেই অপৰাধটো সংঘটিত কৰাৰ সময়ত সেই একে সমাবেশৰ সদস্য হৈ থকা প্ৰত্যেক ব্যক্তিয়ে, সেই অপৰাধটোৰ বাবে দোষী হব।

**বিধি বিৰুদ্ধ সমাবেশত যোগদান কৰিবলৈ ব্যক্তিবোৰক ভাৰালৈ লোৱা বা ভাৰালৈ লোৱাত মৌন সম্মতি দিয়া।**

১৫০। যিয়ে, কোনো ব্যক্তিক কোনো বিধি বিৰুদ্ধ সমাবেশত যোগদান কৰিবলৈ বা ইয়াৰ সদস্য হবলৈ ভাৰালৈ লয় বা নিযুক্ত কৰে বা নিয়োগ কৰে বা ভাৰাত লোৱাৰ বাবে বা নিযুক্ত বা নিয়োজিতকৰাৰ বাবে সংপ্ৰবৰ্তিত কৰে বা ইয়াত মৌন সম্মতি দিয়ে, তেওঁ তেনে বিধি বিৰুদ্ধ সমাবেশৰ এজন সদস্য ৰূপে আৰু তেনে বিধি বিৰুদ্ধ সমাবেশৰ সদস্য ৰূপে কোনো এনে ব্যক্তিৰ দ্বাৰা তেনেলৰে ভাৰা লোৱাৰ, নিযুক্তিৰ বা নিয়োগৰ অনুসৰণত সংঘটিত কৰিব পৰা কোনো অপৰাধৰ বাবে একে ধৰণে দণ্ডনীয় হব, যেনিবা তেওঁ তেনে বিধি বিৰুদ্ধ সমাবেশৰ সদস্যহে আছিল বা তেওঁ নিজেই তেনে অপৰাধ সংঘটিত কৰিছিল।

**পাচজন বা অধিক ব্যক্তিৰ সমাবেশ সেইটো ছত্ৰ-ভঙ্গ কৰিবলৈ আদেশ দিয়াৰ পিছতো জানিশুনি যোগদান কৰা বা কৰিয়েই থকা।**

১৫১। যিয়ে, লোক শান্তিৰ বিঘিনি ঘটোৱাৰ সম্ভৱনা থকা পাচঁজন বা অধিক ব্যক্তিৰ কোনো সমাবেশৰ, তেনে সমাবেশ ছত্ৰ-ভঙ্গ কৰিবলৈ বিধি সম্মত আদেশ দিয়াৰ পিছত, জানিশুনি যোগদান কৰে বা কৰিয়েই থাকে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - যদি সেই সমাবেশ ধাৰা ১৪১ ৰ অৰ্থত বিধি বিৰুদ্ধ সমাবেশ হয়, অপৰাধীজন ধাৰা ১৪৫ৰ অধীনত দণ্ডনীয় হব।

**ডাঙ্গা আদি দমন কৰাত লোক সেৱকক অভ্যাঘাত কৰা বা বাধাদান কৰা।**

১৫২। যিয়ে, কোনো লোক সেৱকক এনে লোক সেৱক ৰূপে তেওঁৰ কৰ্তব্য নিৰ্বহনত কোনো বিধি বিৰুদ্ধ সমাবেশ ভঙ্গ কৰিবলৈ বা কোনো ডাঙ্গী বা হাঙ্গামা দমন কৰিবলৈ প্ৰয়ত্ন কৰাৰ কাৰণে অভ্যাঘাত কৰে বা অভ্যাঘাতৰ ভাবুকি দিয়ে বা বাধাদান কৰে বা বাধাদানৰ প্ৰয়াস কৰে বা এনে লোক সেৱকৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰে বা প্ৰয়োগ কৰিবলৈ ভাবুকি দিয়ে বা কৰিবলৈ প্ৰয়াস কৰে, তেওঁ, দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**ডাঙ্গা ঘটোৱাৰ অভিপ্ৰায়েৰে স্বৈৰিতাৰে প্ৰকোপন দিয়া- যদিহে ডাঙ্গী সংঘটিত হয়; যদিহে ডাঙ্গা সংঘটিত কৰা নহয়।**

১৫৩। যিয়ে, কোনো অবৈধ কাৰ্য্য কৰণৰ দ্বাৰা কোনো ব্যক্তিক পৰিদ্বেষেৰে বা স্বৈৰিতাৰে এই অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানি প্ৰকোপন দিয়ে যে এনে প্ৰকোপনৰ পৰিণামত ডাঙ্গী অপৰাধ সংগঠিত হব যদিহে তেনে প্ৰকোপনৰ পৰিণামত ডাঙ্গী অপৰাধটো সংঘটিত হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব ; আৰু যদি ডাঙ্গী অপৰাধটো সংঘটিত নহয় তেওঁ দুয়ো প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

বিভিন্ন জনগোষ্ঠীৰ মাজত ধৰ্ম, বংশ, জন্ম স্থান, বাসস্থান ভাষা ইত্যাদিৰ আধাৰত শত্ৰুতা সংপ্ৰৱৰ্তিত কৰা আৰু সম্প্ৰীতি ৰক্ষাত প্ৰতিকূল প্ৰভাৱ পেলোৱা কাৰ্য্যবোৰ কৰা।

[1][১৫৩ক। যিয়ে,

(ক) কোৱা কথা বা লিখিত শব্দসমূহৰ দ্বাৰা বা সংকেতৰ দ্বাৰা বা দৃশ্য ৰূপণৰ দ্বাৰা বা অন্যথা বিভিন্ন ধৰ্মীয়, বংশীয় বা ভাষিক বা আঞ্চলিক গোষ্ঠী সমূহ বা জাতি বা সম্প্ৰদায় সমূহৰ মাজত ধৰ্ম, বংশ জন্মস্থান, বাসস্থান, ভাষা, সম্প্ৰদায় বা যিয়েই নহওক কিয় আন কোনো আধাৰত অপ্ৰীতি বা শত্ৰুতা বা ঘৃণা বা সদভাব সংপ্ৰৱৰ্তিত কৰা বা সংপ্ৰৱৰ্তিত কৰিবলৈ প্ৰয়াস কৰে, বা

(খ) এনে যি কোনো কাৰ্য্য সংঘটিত কৰে যি কাৰ্যই বিভিন্ন ধৰ্মীয়, বংশীয় বা ভাষিক বা আঞ্চলিক গোষ্ঠীসমূহ বা জাতি বা সম্প্ৰদায়ৰ সমূহৰ মাজত সম্প্ৰীতি ৰক্ষাত প্ৰতিকূল প্ৰভাৱ পেলায় আৰু যি কাৰ্যই লোক প্ৰশান্তি বিঘ্নিত কৰে বা বিঘ্নিত কৰাৰ সম্ভাৱনা আছে, [2][বা]

[3][(গ) কোনো এনে অনুশীলন, সঞ্চালন, কুচকাৱাজ বা আন সদৃশ কাৰ্য্য কলাপ কোনো ধৰ্মীয়, বংশীয়, ভাষিক বা আঞ্চলিক গোষ্ঠী বা জাতি বা সম্প্ৰদায়ৰ বিৰুদ্ধে সংগঠিত কৰে যে এনে কাৰ্য্য কলাপত অংশগ্ৰহণকাৰীসকলে আপৰাধিক বল বা হিংসা প্ৰয়োগ কৰিব বা তেওঁলোকক প্ৰয়োগ কৰিবলৈ প্ৰশিক্ষিত কৰা হ'ব বা এইটো সম্ভাব্য বুলি জানি যে এনে কাৰ্যকলাপত অংশগ্ৰহণকাৰী সকলে আপৰাধিক বল বা হিংসা প্ৰয়োগ কৰিব বা তেওঁলোকক প্ৰয়োগ কৰিবলৈ প্ৰশিক্ষিত কৰা হ'ব বা আপৰাধিক বল প্ৰয়োগ কৰিবলৈ প্ৰশিক্ষিত কৰিবলৈ অভিপ্ৰায় কৰা এনে কাৰ্য্য কলাপত অংশগ্ৰহন কৰে বা এইটো সম্ভাব্য বুলি জানি যে এনে কাৰ্য্য কলাপত অংশ গ্ৰহণকাৰী সকলে আপৰাধিক বল বা হিংসা প্ৰয়োগ কৰিব বা তেওঁলোকক প্ৰয়োগ কৰিবলৈ প্ৰশিক্ষিত কৰা হ'ব আৰু এনে কাৰ্য্য কলাপ যি কাৰণতেই নহওক কিয় এনে ধৰ্মীয়, বংশীয়, ভাষিক বা আঞ্চলিক গোষ্ঠী বা জাতিৰ বা সম্প্ৰদায়ৰ মাজত ভয় বা সন্ত্ৰাস বা অসুৰক্ষাৰ ভাৱ জন্মোৱাৰ সম্ভাৱনা আছে।]

তেওঁ কাৰাবাসৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হ'ব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হ'ব।

উপাসনাৰ স্থান ইত্যাদিত সংঘটিত হোৱা অপৰাধ।

(২) যিয়ে উপধাৰা (১)ত বিনিৰ্দ্দিষ্ট কোনো অপৰাধ উপাসনাৰ স্থানত বা ধৰ্মীয় উপাসনা বা ধৰ্মীয় ধৰ্ম সম্পাদনাত নিযুক্তি থকা সমাবেশত সংঘটিত কৰে, তেওঁ কাৰাবাসৰে যাৰ অৱধি পাঁচ বছৰলৈ বিস্তাৰিত হ'ব পাৰে দণ্ডিত হ'ব বা জৰিমনাৰ বাবেও দায়ী হ'ব।

জানি শুনি কোনো শোভাযাত্ৰাত অস্ত্ৰ বহন কৰা বা অস্ত্ৰ সহ কোনো সামূহিক ব্যায়াম বা সামূহিক প্ৰশিক্ষণৰ সংগঠন বা ড্ৰিলক্ষেত্ৰ বা অন্য কোনো সমাবেশত অংশগ্ৰহণ কৰাৰ বাবে দণ্ড।

[4][১৫৩ কক। যিয়ে জানি শুনি, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১৪৪কৰ অধীনত জাৰি কৰা কোনো লোক সূচনা বা প্ৰণীত কোনো আদেশৰ উলংঘনত কোনো শোভাযাত্ৰাত অস্ত্ৰ বহন কৰে বা কোনো ৰাজহুৱা স্থানত অস্ত্ৰ সহ কোনো সামূহিক ব্যায়াম বা সামূহিক প্ৰশিক্ষন সংগঠন, ড্ৰিলক্ষেত্ৰ, বা সমাবেশত অংশ গ্ৰহণ কৰে, তেওঁ কাৰাবাসেৰে যাৰ অৱধি ছয়মাহলৈ বিস্তাৰিত হ'ব পাৰে বা জৰিমনাৰে যি দুহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে, দণ্ডিত হ'ব।

স্পষ্টীকৰণ - "অস্ত্ৰ" মানে অপৰাধ বা প্ৰতিৰক্ষাৰ বাবে যুদ্ধাস্ত্ৰ ৰূপে পৰিকল্পিত বা উপযোগী বা কোনো বৰ্ণনাৰ আহিলা আৰু ই আগ্নেয়াস্ত্ৰ, চোকা অস্ত্ৰ, লাঠি, দাণ্ডা আৰু লাখুটিক অন্তৰ্ভুক্ত কৰে।]

ৰাষ্ট্ৰীয় অখণ্ডতাৰ প্ৰতিকূল প্ৰভাৱ পেলোৱা দোষাৰোপ, উক্তি।

[4][১৫৩ খ। (১) যিয়েই, কোৱা কথা বা লিখিত শব্দৰে বা সঙ্কেতৰ দ্বাৰা বা দৃশ্য ৰূপণৰ দ্বাৰা বা অন্যথা,...

(ক) এনে কোনো দোষাৰোপ কৰে বা প্ৰকাশিত কৰে যে কোনো শ্ৰেণীৰ ব্যক্তিয়ে, কোনো ধৰ্মীয়, বংশীয়, ভাষিক বা আঞ্চলিক গোষ্ঠী, জাতি বা সম্প্ৰদায়ৰ সদস্য হোৱাৰ কাৰণতে বিধিৰ দ্বাৰা

---

১। ১৯৬৯ চনৰ ৩৫ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা পূৰ্বৰ ধাৰাৰ বাবে প্ৰতিস্থাপিত।

২। ১৯৭২ চনৰ ৩১ নং অধিনিয়মৰ ধাৰা ২ দ্বাৰা অন্তঃস্থাপিত।

৩। ২০০৫ ৰ অধিনিয়ম সংখ্যা ২৫ ৰ ধাৰা ৪৪ ৰ দ্বাৰা অন্তঃস্থাপিত।

৪। ১৯৭২ চনৰ ৩১ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

স্থাপিত ভাৰতীয় সংবিধানৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা আৰু নিষ্ঠা বহন কৰিব নোৱাৰে বা ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষা কৰিব নোৱাৰে, বা

(খ) এই ধৰণে উক্তি কৰে, পৰামৰ্শ দিয়ে, উপদেশ দিয়ে, প্ৰচাৰ কৰে বা প্ৰকাশিত কৰে যে কোনো শ্ৰেণীৰ ব্যক্তিক কোনো ধৰ্মীয়, বংশীয়, ভাষিক বা আঞ্চলিক গোষ্ঠী বা জাতি বা সম্প্ৰদায়ৰ সদস্য হোৱাৰ কাৰণতেই ভাৰতৰ নাগৰিক হিচাপে তেওঁলোকৰ অধিকাৰ সমূহ দিব নালাগে বা তাৰ পৰা তেওঁলোকক বঞ্চিত কৰিব লাগে, বা

(গ) কোনো শ্ৰেণীৰ ব্যক্তিৰ বাধ্যতা সম্পৰ্কে তেওঁলোক কোনো ধৰ্মীয়, বংশীয়, ভাষিক বা আঞ্চলিক গোষ্ঠী বা জাতি বা সম্প্ৰদায়ৰ সদস্য হোৱাৰ কাৰণত কোনো উক্তি কৰে, পৰামৰ্শ দিয়ে, যুক্তি দৰ্শায় বা আপীল কৰে বা প্ৰকাশিত কৰে আৰু এনে উক্তি, পৰামৰ্শ, যুক্তি বা আপীলে এনে সদস্য আৰু আন ব্যক্তিসকলৰ মাজত অপ্ৰীতি বা শত্ৰুতাৰ ভাব বা ঘৃণা বা অসদভাৱ ঘটায় বা জন্মোৱাৰ সম্ভাৱনা আছে, তেওঁ কাৰাবাসেৰে যি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

(২) যিয়ে উপধাৰা (১)ত বিনিৰ্দিষ্ট কোনো অপৰাধ উপাসনাৰ স্থানত বা ধৰ্মীয় উপাসনা বা ধৰ্মীয় কৰ্ম সম্পাদনত নিযুক্ত থকা সমাবেশত সংঘটিত কৰে, তেওঁ এটা কাৰাবাসেৰে যিটো পাঁচ বছৰলৈ বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।]

**বিধি বিৰুদ্ধ সমাবেশ অনুষ্ঠিত হোৱা স্থানৰ গৰাকী বা দখলকাৰী।**

১৫৪। যেতিয়া কোনো বিধি বিৰুদ্ধ সমাবেশ বা ডাঙ্গৰ ঘটে, তেনে বিধি বিৰুদ্ধ সমাবেশ হোৱা বা ডাঙ্গৰ সংঘটিত কৰা ভূমিৰ গৰাকী বা দখলকাৰী আৰু তেনে ভূমিত কোনো স্বাৰ্থ থকা বা স্বাৰ্থ দাবী কৰা কোনো ব্যক্তি অনধিক এহেজাৰ টকাৰ জৰিমনাৰে দণ্ডনীয় হব, যদিহে তেওঁ বা তেওঁৰ অভিকৰ্তাই বা পৰিচালকে তেনে অপৰাধ সংঘটিত কৰি থকা হৈছে বা সংঘটিত কৰা হৈছে বুলি জানিও বা ইয়াক সংঘটিত কৰাৰ সম্ভাৱনা আছে বুলি বিশ্বাস কৰাৰ কাৰণ থকা স্বত্বেও তেওঁৰ বা তেওঁলোকৰ ক্ষমতা থকা তাৰ শীঘ্ৰতম সূচনা নিকটতম আৰক্ষী থানাৰ মুখ্য পদাধিকাৰীক নিদিয়ে, আৰু ইয়াক প্ৰায়, সংঘটিত কৰিব পাৰে বুলি তেওঁৰ বা তেওঁলোকৰ বিশ্বাস কৰিবলৈ কাৰণ থকাৰ ক্ষেত্ৰত ইয়াক নিবাৰণ কৰিবলৈ তেওঁ বা তেওঁলোকৰ ক্ষমতাৰ ভিতৰৰ সকলোবোৰ বিধি সম্মত উপায় ব্যৱহাৰ নকৰে, আৰু এইটো ঘটাৰ ক্ষেত্ৰত, ডাঙ্গৰটো বা বিধি বিৰুদ্ধ সমাবেশ ভঙ্গ কৰিবলৈ বা দমন কৰিবলৈ তেওঁৰ বা তেওঁলোকৰ ক্ষমতাত থকা সকলোবোৰ বিধি সম্মত উপায় ব্যৱহাৰ নকৰে।

**যাৰ হিতাৰ্থে ডাঙ্গৰ কৰা হৈছে তেনে ব্যক্তিৰ দায়িত্ব।**

১৫৫। যেতিয়া এনে যিকোনো ব্যক্তিৰ হিতাৰ্থে বা তেওঁৰ হকে ডাঙ্গৰ সংঘটিত হয়, কোনো ব্যক্তি যি এনে কোনো ভূমিৰ গৰাকী বা দখলকাৰী, যি ভূমিৰ সম্পৰ্কে তেনে ডাঙ্গৰ ঘটে বা যিজন ব্যক্তিয়ে তেনে ভূমিত বা ডাঙ্গৰ সৃষ্টি কৰা যি কোনো বিবাদৰ বিষয় বস্তুত কোনো স্বাৰ্থ দাবী কৰে বা যিজন ব্যক্তিয়ে তাৰ পৰা কোনো স্বাৰ্থ গ্ৰহণ কৰিছে বা লাভ কৰিছে, তেনে ব্যক্তি জৰিমনাৰে দণ্ডনীয় হব, যদিহে, তেওঁ বা তেওঁৰ অভিকৰ্তাই বা পৰিচালকে তেনে ডাঙ্গৰ সংঘটিত হোৱাৰ সম্ভাৱনা আছে বুলি বা তেনে ডাঙ্গৰ সংঘটিত কৰা বিধি বিৰুদ্ধ সমাবেশ অনুষ্ঠিত হব পাৰে বুলি বিশ্বাস কৰিবলৈ কাৰণ থকাত যথাস্থিতি তেনে সমাবেশ বা ডাঙ্গৰ ঘটাটো নিবাৰণ কৰিবলৈ আৰু তাক দমন কৰিবলৈ বা ভঙ্গ কৰিবলৈ তেওঁৰ বা তেওঁলোকৰ ক্ষমতাত থকা সকলোবোৰ বিধি সম্মত উপায় ব্যৱহাৰ নকৰে।

**যাৰ হিতৰ বাবে ডাঙ্গৰ সংঘটিত হৈছে তেনে গৰাকী বা দখলকাৰীৰ অভিকৰ্তাৰ দায়িত্ব।**

১৫৬। যেতিয়া এনে যি কোনো ব্যক্তিৰ হিতাৰ্থে বা তেওঁৰ হকে ডাঙ্গৰ সংঘটিত হয় যিজন ব্যক্তি এনে কোনো ভূমিৰ গৰাকী বা দখলকাৰী যি ভূমিৰ সম্পৰ্কে তেনে ডাঙ্গৰ ঘটে বা যিজন ব্যক্তিয়ে তেনে ভূমিত বা ডাঙ্গৰটো সৃষ্টি কৰা যি কোনো বিবাদৰ বিষয় বস্তুত কোনো স্বাৰ্থ দাবী কৰে বা যিজনে তাৰ পৰা কোনো হিত গ্ৰহণ কৰিছে বা লাভ কৰিছে,

তেনে ব্যক্তিৰ অভিকৰ্তা বা পৰিচালক জৰিমনাৰে দণ্ডনীয় হব, যদিহে তেনে অভিকৰ্তা বা পৰিচালকে, তেনে ডাঙ্গৰ সংঘটিত হোৱাৰ সম্ভাৱনা আছে বুলি বা তেনে ডাঙ্গৰ সংঘটিত কৰা বিধি বিৰুদ্ধ সমাবেশ অনুষ্ঠিত হব পাৰে বুলি বিশ্বাস কৰাৰ কাৰণ থকাত তেনে ডাঙ্গৰ বা সমাবেশ হোৱাটো নিবাৰণ কৰিবলৈ আৰু ইয়াক দমন কৰা বা ডাঙ্গৰ কৰাৰ বাবে তেওঁৰ ক্ষমতাত থকা সকলোবোৰ বিধি সম্মত উপায় ব্যৱহাৰ নকৰে।

**বিধি বিৰুদ্ধ সমাবেশলৈ ভাৰাটৈ অন্য ব্যক্তি বৰ্গক প্ৰয়াজন।**

১৫৭। যিয়েই, তেওঁৰ দখলত বা ভাৰাত থকা বা তেওঁৰ নিয়ন্ত্ৰণত থকাকোনো গৃহ বা প্ৰাঙ্গনত এনে কোনো ব্যক্তিক, যি ব্যক্তিক কোনো বিধি বিৰুদ্ধ সমাবেশত যোগদান কৰিবলৈ বা সদস্য হবলৈ ভাৰাটৈ অনা হৈছে, নিযুক্ত কৰা হৈছে বা নিয়োগ কৰা হৈছে বা এইমাত্ৰ ভাৰাটৈ লোৱা হব, নিযুক্ত কৰা হব বা নিয়োগ কৰা হব, বুলি জানিও আশ্ৰয় দিয়ে, ৰাখে বা সন্মিলিত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**বিধি বিৰুদ্ধ সমাবেশ বা তাৰ্ঙাত অংশ গ্ৰহণ কৰিবলৈ ভাৰাটৈ লোৱা;**

১৫৮। যিজনক ধাৰা ১৪১ 'ত বিনিৰ্দ্দিষ্ট কৰা যি কোনো এটা কাৰ্য্য কৰিবলৈ বা কৰাত সহায় কৰিবলৈ নিযুক্ত কৰা হৈছে বা ভাৰাটৈ লোৱা হৈছে বা যিজনে ভাৰাটৈ যাবলৈ বা নিযুক্ত হবলৈ প্ৰস্তাৱ কৰে বা প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**বা সশস্ত্ৰ হৈ যোগদান কৰিলে।**

আৰু যিজনে উপৰোক্ত ভাবে তেনেদৰে নিযুক্ত হৈ থকা বা ভাৰাটৈ থকা অৱস্থাত কোনো মাৰাত্মক অস্ত্ৰেৰে বা এনে যিকোনো বস্তুৰে, যি বস্তুটো আক্ৰমণ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিলে মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, সজ্জিত হৈ যায় বা অস্ত্ৰেৰে সজ্জিত হৈ যাবলৈ নিজকে নিযুক্তি কৰে বা প্ৰস্তাৱ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**হাঙ্গামা**

১৫৯। যেতিয়া দুজন বা অধিক ব্যক্তিয়ে সাৰ্বজনিক স্থানত যুজ কৰি লোক শান্তি বিঘ্নিত কৰে, তেওঁলোকক "হাঙ্গামা কৰা" বুলি কোৱা হয়।

**হাঙ্গামা কৰাৰ বাবে দণ্ড।**

১৬০। যিয়ে কোনো হাঙ্গামা কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এশ টকালৈকে বিস্তৃত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

## অধ্যায় ৯

### লোক সেৱকৰ দ্বাৰা বা লোক সেৱকৰ সম্পৰ্কে অপৰাধ বোৰৰ বিষয়ে

[1]x x x x

**কোনো ব্যক্তিৰ ক্ষতি কৰাৰ অভিপ্ৰায়েৰে লোক সেৱকে বিধি অৱজ্ঞা কৰা।**

১৬৬। যিয়েই, লোক সেৱক হৈ তেনে লোক সেৱক ৰূপে তেওঁ নিজে কি দৰে আচৰণ কৰিব লাগে সেইটো জানি শুনি সেই বিষয়ে থকা বিধিৰ নিৰ্দেশক অৱজ্ঞা, এই অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানি কৰে যে তেওঁ তেনে অৱজ্ঞাৰ দ্বাৰা কোনো ব্যক্তিৰ ক্ষতি কৰিব পাৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

#### দৃষ্টান্ত

পদাধিকাৰী "ক" ই ডিক্ৰী নিষ্পাদনত সম্পত্তি লবৰ বাবে বিধিৰ দ্বাৰা নিৰ্দেশিত হৈও ন্যায়ালয়ৰ দ্বাৰা "জ"ৰ অনুকূলে ঘোষণা কৰা এটা ডিক্ৰীৰ সন্তুষ্টিৰ বাবে, জানিশুনিও বিধিৰ সেই নিৰ্দেশটো, তাৰ দ্বাৰা তেওঁ "জ"ৰ ক্ষতি কৰা সম্ভাব্য বুলি জানিও অৱজ্ঞা কৰিলে "ক"ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

**লোক সেৱক, যিয়েই ক্ষতি কৰা অভিপ্ৰায়েৰে অশুদ্ধ দস্তাবেজ ৰচনা কৰা।**

১৬৭। যিয়েই, [2][কোনো লোক সেৱক হৈ আৰু এনে লোক সেৱক ৰূপে কোনো দস্তাবেজ বা ইলেকট্ৰনিক ৰেকৰ্ড ৰচনা বা অনুবাদৰ ভাৰপ্ৰাপ্ত হৈ উক্ত দস্তাবেজৰ বা ইলেকট্ৰনিক ৰেকৰ্ডৰ ৰচনা বা

---

১। ১৯৮৮ চনৰ ৪৮ নং অধিনিয়মৰ ধাৰা ৩১ ৰ দ্বাৰা ধাৰা সমূহ ১৬১ ৰ পৰা ১৬৫ক লৈ লোপ কৰা হৈছে।

২। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ২ৰ দ্বাৰা 'দস্তাবেজ'ৰ স্থানত প্ৰতিষ্ঠাপিত (২০০০ ৰ ২১ নং অধিনিয়ম)।

অনুবাদ] এনে ধৰণে কৰে যিটো তেওঁ অশুদ্ধ বুলি জানে বা বিশ্বাস কৰে, এই অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানি কৰে যে তাৰ দ্বাৰা তেওঁ কোনো ব্যক্তিৰ ক্ষতি কৰিব পাৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

লোক সেৱক যি বিধি বিৰুদ্ধ ৰূপে বেপাৰত নিযুক্ত হয়।

১৬৮। যিয়ে, লোক সেৱক হৈ, আৰু তেনে লোক সেৱক ৰূপে বেপাৰত নিযুক্ত নহবলৈ বৈধ ভাৱে আবদ্ধ হৈও, বেপাৰত নিযুক্ত হয়, তেওঁ বিনাশ্ৰম কাৰাবাসেৰে যাৰ অৱধি এবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

লোক সেৱক, যি বিধি বিৰুদ্ধ ৰূপে সম্পত্তি ক্ৰয় কৰে বা সম্পত্তিৰ বাবে ডাক দিয়ে।

১৬৯। যিয়ে, লোক সেৱক হৈ আৰু তেনে লোক সেৱক ৰূপে কোনো নিৰ্দ্দিষ্ট সম্পত্তি ক্ৰয় নকৰিবলৈ বা সেই সম্পত্তিৰ বাবে ডাক নিদিবলৈ বৈধ ভাৱে আবদ্ধ হৈও সেই সম্পত্তি তেওঁৰ নিজ নামতেই হওঁক বা আন এজনৰ নামতেই হওঁক বা যুটীয়া ভাৱে, বা আনৰ সৈতে অংশ অংশ কৈ ক্ৰয় কৰে বা ডাক দিয়ে, তেওঁ বিনাশ্ৰম কাৰাবাসেৰে যাৰ অৱধি দুবছৰ লৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব, আৰু সম্পত্তিটো, যদি ক্ৰয় কৰা হৈছে, বাজেয়াপ্ত কৰা হব।

লোক সেৱকৰ প্ৰতিৰূপণ।

১৭০। যিয়ে, লোক সেৱক ৰূপে কোনো বিশেষ পদ ধাৰণ কৰা নাই বুলি জানিও তেওঁ তেনে পদ ধাৰণ কৰা ভাও দিয়ে বা তেনে পদ ধাৰণ কৰা আন কোনো ব্যক্তিক মিছাকৈ প্ৰতিৰূপণ কৰে, আৰু এনে পদাভাসৰ বলত গৃহীত ৰূপত কোনো কাৰ্য্য কৰে বা কৰিবলৈ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি দুই বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

প্ৰৱঞ্চনামূলক অভিপ্ৰায়েৰে লোকসেৱকৰ দ্বাৰা ব্যৱহাৰ কৰা পোছাক পৰিধান বা প্ৰতীক ধাৰণ কৰা।

১৭১। যিয়েই, লোক সেৱকৰ কোনো নিৰ্দ্দিষ্ট শ্ৰেণীভুক্ত নোহোৱাকৈ সেই শ্ৰেণীৰ লোক সেৱকৰ দ্বাৰা ব্যৱহাৰ কৰা কোনো পোছাকৰ সদৃশ বা প্ৰতীকৰ সদৃশ প্ৰতীক এই অভিপ্ৰায়েৰে পৰিধান কৰে বা লৈ ফুৰে যাতে ইয়াক বিশ্বাস কৰিব পৰা যায় বা জ্ঞান সহ ইয়াক বিশ্বাস কৰাৰ সম্ভাবনা আছে যে তেওঁ লোক সেৱকৰ সেই শ্ৰেণীভুক্ত, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি তিনি মাহলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি দুশ টকালৈ বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব ।

[1][অধ্যায় ৯ ক]

## নিৰ্বাচন সম্বন্ধীয় অপৰাধ সমূহৰ বিষয়ে

"প্ৰাৰ্থী" "নিৰ্বাচন অধিকাৰ" পৰিভাষিত।

১৭১ক। এই অধ্যায়ৰ উদ্দেশ্যৰ বাবে -

[2][ (ক) "প্ৰাৰ্থী" যে কোনো নিৰ্বাচনত প্ৰাৰ্থী হিচাবে মনোনীত এজন ব্যক্তিক বুজায়;]

(খ) "নিৰ্বাচন অধিকাৰ" যে কোনো নিৰ্বাচনত থিয় হোৱা বা থিয় নোহোৱা বা নিজৰ প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰা বা ভোট দান কৰা বা ভোট দানৰ পৰা বিৰত থকা কোনো ব্যক্তিৰ অধিকাৰ বুজায়।

ভোটি।

১৭১ খ। (১) যিয়ে-

(i) কোনো ব্যক্তিক এই উদ্দেশ্যেৰে পৰিতোষণ দিয়ে যে তেওঁ তেওঁৰ বা আন কোনো ব্যক্তিৰ কোনো নিৰ্বাচন অধিকাৰ প্ৰয়োগ কৰিবলৈ উৎপ্ৰেৰিত কৰে বা কোনো ব্যক্তিক এনে কোনো অধিকাৰৰ প্ৰয়োগ কৰাৰ বাবে পুৰস্কৃত কৰে ; বা

(ii) স্বয়ং নিজৰ বাবে বা অন্য ব্যক্তিৰ বাবে কোনো পৰিতোষণ, এনে কোনো অধিকাৰ প্ৰয়োগৰ বাবে বা আন কোনো ব্যক্তিক এনে কোনো অধিকাৰ প্ৰয়োগৰ বাবে উৎপ্ৰেৰিত কৰা বা

---

১। ১৯২০ ৰ অধিনিয়ম ৩৯ ৰ ধাৰা ২ৰ দ্বাৰা অধ্যায় ৯ক অন্তৰ্স্থাপিত।

২। ১৯৭৫ ৰ অধিনিয়ম ৪০ ৰ ধাৰা ৯ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

উৎপ্ৰেৰিত কৰাৰ প্ৰয়াস কৰাৰ বাবে পুৰস্কাৰ হিচাপে গ্ৰহণ কৰে,

তেওঁ ভেটিৰ অপৰাধ সংঘটন কৰে :

পৰন্তু লোক নীতিৰ ঘোষণা বা লোক কাৰ্য্য ব্যৱস্থাৰ প্ৰতিশ্ৰুতি এই ধাৰাৰ অধীনত অপৰাধ নহব।

(২) যি ব্যক্তিয়ে পৰিতোষণৰ প্ৰস্তাৱ কৰে, বা দিবলৈ সম্মত হয়, বা যোগাৰ ধৰাৰ প্ৰস্তাৱ বা প্ৰয়াস কৰে, তেওঁ পৰিতোষণ দিয়া বুলি গণ্য কৰা হব।

(৩) যি ব্যক্তিয়ে পৰিতোষণ লাভ কৰে বা গ্ৰহণ কৰিবলৈ সম্মত হয় বা লাভ কৰিবলৈ প্ৰয়াস কৰে, তেওঁ পৰিতোষণ গ্ৰহণ কৰা বুলি গণ্য কৰা হব আৰু যি ব্যক্তিয়ে যিটো তেওঁ কৰিবলৈ অভিপ্ৰায় কৰা নাছিল সেই কাম কৰাৰ বাবে হেতু স্বৰূপে বা যিটো তেওঁ কৰা নাছিল সেই কৰাৰ বাবে পুৰস্কাৰ গ্ৰহণ কৰা বুলি গণ্য কৰা হব।

**নিৰ্বাচনত অনুচিত প্ৰভাৱ পেলোৱা।**

১৭১ গ। (১) যিয়ে কোনো নিৰ্বাচন অধিকাৰৰ মুক্ত প্ৰয়োগত স্বইচ্ছাৰে হস্তক্ষেপ কৰে বা হস্তক্ষেপ কৰাৰ প্ৰয়াস কৰে, তেওঁ নিৰ্বাচনত অনুচিত প্ৰভাৱ পেলোৱাৰ অপৰাধ সংঘটন কৰে।

(২) উপধাৰা (১)ৰ উপবন্ধৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ যিয়েই—

(ক) কোনো প্ৰাৰ্থী বা ভোটদাতাক বা কোনো এনে ব্যক্তিক যাৰ সৈতে প্ৰাৰ্থী বা ভোটদাতাৰ স্বাৰ্থ জড়িত, কোনো ধৰণৰ ক্ষতিৰ ভাবুকি দিয়ে, বা

(খ) কোনো প্ৰাৰ্থী বা ভোটদাতাক এনে বিশ্বাস কৰিবলৈ উৎপ্ৰেৰিত কৰে বা উৎপ্ৰেৰিত কৰাৰ প্ৰয়াস কৰে যে তেওঁ বা এনে কোনো ব্যক্তি যাৰ সৈতে তেওঁ স্বাৰ্থ জড়িত, দৈৱিক অপ্ৰসন্নতা বা আধ্যাত্মিক নিন্দাৰ পাত্ৰ হব বা কৰা হব,

তেওঁ উপধাৰা (১)ৰ অৰ্থত এনে প্ৰাৰ্থী বা ভোটদাতাৰ নিৰ্বাচন অধিকাৰৰ মুক্ত প্ৰয়োগত হস্তক্ষেপ কৰা বুলি গণ্য কৰা হব।

(৩) লোক নীতিৰ ঘোষণা বা লোক ব্যৱস্থাৰ প্ৰতিশ্ৰুতি বা কোনো নিৰ্বাচন অধিকাৰত হস্তক্ষেপ কৰাৰ অভিপ্ৰায় বিনা, কেৱল কোনো বৈধ অধিকাৰৰ প্ৰয়োগ, এই ধাৰাৰ অৰ্থত হস্তক্ষেপ বুলি গণ্য কৰা নহব।

**নিৰ্বাচনবোৰত প্ৰতিৰূপণ।**

১৭১ ঘ। যিয়েই কোনো নিৰ্বাচনত কোনো অন্য ব্যক্তিৰ নামত, সেই ব্যক্তি মৃতই হওঁক বা জীৱিতই হওঁক, বা কোনো কল্পিত নামেৰে, ভোট পত্ৰৰ কাৰণে আবেদন কৰে বা ভোটদান কৰে বা এনে নিৰ্বাচনত ভোট দান কৰাৰ পিচত সেই একে নিৰ্বাচনত নিজৰ নামত ভোট পত্ৰৰ বাবে আবেদন কৰে, বা এনে নিৰ্বাচনত ভোট দান কৰাৰ পিচত সেই একে নিৰ্বাচনত নিজৰ নামত ভোট পত্ৰৰ বাবে আবেদন কৰে আৰু যিয়ে অন্য ব্যক্তিক এনে কোনো প্ৰকাৰে ভোট দানৰ বাবে অপপ্ৰেৰণা দিয়ে, যোগাৰ কৰে বা যোগাৰ কৰাৰ প্ৰয়াস কৰে, তেওঁ নিৰ্বাচনত প্ৰতিৰূপণ কৰাৰ অপৰাধ সংঘটন কৰেঃ

[1][পৰন্তু এই ধাৰাত থকা কোনো কথাই তৎসময় বলবৎ থকা কোনো বিধিৰ অধীনত এজন ভোটদাতাৰ বাবে জেন প্ৰতিপত্ৰী ৰূপে ভোট দিবলৈ প্ৰাধিকৃত হোৱা কোনো ব্যক্তিলৈ প্ৰযোজ্য নহব যি পৰ্যন্ত তেওঁ এনে ভোটদাতাৰ বাবে এজন প্ৰতিপত্ৰী ৰূপে ভোট দিয়ে।]

**ভেটিৰ বাবে দণ্ড।**

১৭১ ঙ। যিয়ে ভেটিৰ অপৰাধ সংঘটন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এক বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব :

পৰন্তু আপ্যায়ন হিচাবে দিয়া ভেটি কেৱল জৰিমনাৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - "আপ্যায়নে" এ সেই ধৰণৰ ভেটিক বুজায় যি পৰিতোষণ, খাদ্য, পানীয়, মনোৰঞ্জন বা ৰচদৰ ৰূপত থাকে।

---

১। নিৰ্বাচন বিধি (সংশোধন) অধিনিয়ম, ২০০৩ৰ ধাৰা ৫ ৰ দ্বাৰা ধাৰা ১৭১ ঘৰ পিচত অন্তৰ্স্থাপিত (২০০৩ ৰ ২৪ নং অধিনিয়ম)।

নিৰ্বাচনত অনুচিত প্ৰভাৱ পেলোৱা বা প্ৰতিৰূপণৰ বাবে দণ্ড।

১৭১ চ। যিয়ে, কোনো নিৰ্বাচনত অনুচিত প্ৰভাৱ পেলোৱা বা প্ৰতিৰূপণৰ অপৰাধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

নিৰ্বাচন সম্পৰ্কে মিছা বিবৃতি।

১৭১ ছ। যিয়ে, নিৰ্বাচনৰ ফলাফলৰ ওপৰত প্ৰভাৱ পেলোৱাৰ অভিপ্ৰায়েৰে কোনো প্ৰাৰ্থীৰ ব্যক্তিগত চৰিত্ৰ বা আচৰণ সম্বন্ধে তথ্যৰ বিবৃতি বুলি তাৎপৰ্য্যিত কোনো এনে বিবৃতি দিয়ে বা প্ৰকাশিত কৰে, যিটো মিছা বা যিটো তেওঁ মিছা বুলি জানে বা বিশ্বাস কৰে বা যিটো তেওঁ সত্য বুলি বিশ্বাস নকৰে, তেওঁ জৰিমনাৰে দণ্ডিত হ'ব।

নিৰ্বাচন সম্পৰ্কত অবৈধ আদায়।

১৭১ জ। যিয়ে, কোনো প্ৰাৰ্থীৰ সাধাৰণ বা বিশেষ লিখিত প্ৰাধিকাৰ বিনা এনে প্ৰাৰ্থীৰ নিৰ্বাচন অগ্ৰসৰ কৰা বা নিৰ্বাচন কৰাই দিয়াৰ বাবে কোনো ৰাজহুৱা সভা অনুষ্ঠিত কৰা বা কোনো বিজ্ঞাপন, পৰিপত্ৰ বা প্ৰকাশনৰ বাবে বা যিয়েই নহওঁক অন্য কোনো ধৰণে ব্যয় কৰে, বা ব্যয় কৰাৰ বাবে প্ৰাধিকৃত কৰে, তেওঁ জৰিমনাৰে যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব:

পৰন্তু, যদি কোনো ব্যক্তিয়ে যিজনে প্ৰাধিকাৰ বিনা দহ টকাৰ পৰিমানতকৈ অধিক নোহোৱা এনে ব্যয় কৰা তাৰিখৰ পৰা দহ দিনৰ ভিতৰত সেই প্ৰাৰ্থীৰ পৰা লিখিত অনুমোদন লাভ কৰে, তেন্তে তেওঁ এনে ব্যয় প্ৰাৰ্থীৰ প্ৰাধিকাৰসহ কৰা বুলি গণ্য কৰা হব।

নিৰ্বাচনৰ হিচাপ ৰখাত অসফলতা।

১৭১ ঞ। যিয়ে, তৎসময় বলবৎ থকা বিধিৰ দ্বাৰা বা বিধিৰ বল থকা কোনো নিয়মৰ দ্বাৰা তেওঁ নিৰ্বাচনত বা নিৰ্বাচন সম্পৰ্কে কৰা ব্যয়ৰ হিচাপ ৰখাৰ বাবে অপেক্ষিত হয়, এনে হিচাপ ৰখাৰ বাবে অসফল হলে, তেওঁ জৰিমনাৰে, যি পাচশ টকা পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব।]

## অধ্যায় ১০

### লোক সেৱকৰ বিধি সম্মত প্ৰাধিকাৰৰ অৱমাননাৰ বিষয়ে

চমন জাৰিকৰণ বা আন কাৰ্য্যবাহী এৰাবলৈ পলায়ন কৰা।

১৭২। যিয়েই কোনো এনে লোক সেৱকৰ দ্বাৰা দিয়া চমন, সূচনা বা আদেশৰ জাৰিকৰণ এৰাবলৈ পলায়ন কৰে, যি এনে লোক সেৱক ৰূপে তেনে চমন, সূচনা বা আদেশ দিয়াৰ বাবে বৈধ ৰূপে সক্ষম, তেওঁ বিনাশ্ৰম কাৰাবাসেৰে যাৰ অৱধি এমাহলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি পাঁচশ টকালৈকে বিস্তাৰিত হব পাৰে, বা উভয়েৰে, দণ্ডিত হ'ব,

বা যদিহে চমন, সূচনা বা আদেশ কোনো ন্যায়ালয়ত স্বয়ং বা অভিকৰ্তাৰ দ্বাৰা হাজিৰ হবলৈ বা কোনো দস্তাবেজ [1][বা ইলেকট্ৰনিক ৰেকৰ্ড] উপস্থাপন কৰিবলৈ কৰা হয়, তেন্তে তেওঁ বিনাশ্ৰম কাৰাবাসেৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে, দণ্ডিত হব।

চমন জাৰিকৰণ বা আন কাৰ্য্যবাহীৰ নিবাৰণ কৰা বা সেইবোৰৰ প্ৰকাশন নিবাৰণ কৰা।

১৭৩। যিয়েই, কোনো লোক সেৱকৰ দ্বাৰা যি তেনে লোক সেৱক ৰূপে চমন, সূচনা বা আদেশ জাৰি কৰিবলৈ বৈধ ৰূপে সক্ষম হয়, কোনো চমন, সূচনা বা আদেশৰ তেওঁৰ নিজৰ ওপৰত, বা আন কোনো ব্যক্তিৰ ওপৰত জাৰিকৰণ যি কোনো প্ৰকাৰে অভিপ্ৰায় সহ নিবাৰণ কৰে,

বা তেনে কোনো চমন, সূচনা বা আদেশ যি কোনো স্থানত বিধিসম্মত ভাবে লগাই দিয়াটো অভিপ্ৰায়সহ নিবাৰণ কৰে,

বা, তেনে কোনো চমন, সূচনা বা আদেশ সেইখন বিধি সম্মত ভাবে লগাই দিয়া যি কোনো স্থানৰ পৰা অভিপ্ৰায় সহ আঁতৰাই দিয়ে,

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ৩ ৰ দ্বাৰা "দস্তাবেজ"ৰ স্থানত প্ৰতিষ্ঠাপিত (২০০০ ৰ ২১ নং অধিনিয়ম)।

বা কোনো এনে লোক সেৱকৰ প্ৰাধিকাৰাধীন কৰা কোনো উদ্‌ঘোষণা বিধি পূৰ্বক দিয়াটো অভিপ্ৰায়সহ নিবাৰণ কৰে যি এনে লোক সেৱকৰূপে এনে উদ্‌ঘোষণা কৰাৰ নিৰ্দেশ কৰাটো বৈধ ৰূপে সক্ষম।

তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এমাহলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি পাঁচশ টকালৈ বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হ'ব,

বা, যদিহে চমন, সুচনা, আদেশ বা উদঘোষণা কোনো ন্যায়ালয়ত স্বয়ং বা অভিকৰ্তাৰ দ্বাৰা হাজিৰ হোৱাৰ বাবে, বা কোনো দস্তাবেজ [1][বা ইলেকট্ৰনিক ৰেকৰ্ড] উপস্থাপন কৰিবলৈ কৰা হয়, তেন্তে তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্যান্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে, দণ্ডিত হব।

লোক সেৱকৰ আদেশ পালন কৰি গৰ হাজিৰ থকা।

১৭৪। যিয়েই, কোনো লোক সেৱকৰ পৰা দিয়া চমন, সুচনা, আদেশ বা উদ্‌ঘোষণাৰ পালনত যি ইয়াক দিবলৈ বৈধ ৰূপে সক্ষম কোনো নিৰ্দিষ্ট স্থানত আৰু সময়ত স্বয়ং বা অভিকৰ্তাৰ দ্বাৰা হাজিৰ হবলৈ বৈধ ভাৱে আবদ্ধ হৈও, সেই স্থান বা সময়ত হাজিৰ হবলৈ অভিপ্ৰায় সহ ত্ৰুটী কৰে, বা তেওঁ হাজিৰ হবলৈ আবদ্ধ হোৱা স্থানৰ পৰা তেওঁৰ বাবে প্ৰস্থান কৰিবলৈ বিধি সম্মত হোৱা সময়ৰ পূৰ্বে প্ৰস্থান কৰে,

তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব,

যদিহে চমন, সুচনা, আদেশ বা উদ্‌ঘোষণা স্বয়ং বা অভিকৰ্তাৰ দ্বাৰা কোনো ন্যায়ালয়ত হাজিৰ হোৱাৰ বাবে হয়, তেন্তে তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

### দৃষ্টান্ত সমূহ

(ক) "ক" ই কলিকতা [2][উচ্চ ন্যায়ালয়] ৰ দ্বাৰা দিয়া সপীনাৰ পালনত সেই ন্যায়ালয়ৰ সম্মুখত উপস্থিত হবলৈ বৈধ ৰূপে আবদ্ধ হৈও, তেওঁ উপস্থিত হোৱাত অভিপ্ৰায়সহ ত্ৰুটী কৰিলে। "ক"ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

(খ) "ক" ই [3][জিলা ন্যায়াধীশ]ৰ দ্বাৰা দিয়া চমনৰ পালনত, সাক্ষী ৰূপে, সেই [3][ জিলা ন্যায়াধীশৰ] সম্মুখত উপস্থিত হবলৈ বৈধ ৰূপে আবদ্ধ হৈও, "ক" ই উপস্থিত হোৱাত অভিপ্ৰায় সহ ত্ৰুটী কৰিলে "ক"ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

১৯৭৪ ৰ অধিনিয়ম ২ৰ ধাৰা ৮২ৰ অধীনত এটা উদ্‌ঘোষণাৰ প্ৰতিক্ৰিয়াত অনুপস্থিতি।

[4][১৭৪ ক। যিজনেই দণ্ড প্ৰক্ৰিয়া সংহিতা ১৯৭৩ ৰ ধাৰা ৮২ৰ উপধাৰা (১)ৰ অধীনত প্ৰকাশিত এটা উদ্ ঘোষণাৰ দ্বাৰা অপেক্ষিত কৰা দৰে বিনিৰ্দিষ্ট স্থান বা বিনিৰ্দিষ্ট সময়ত উপস্থিত থাকিবলৈ অসফল হয়, তেওঁ কাৰাবাসেৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব, আৰু য'ত সেই ধাৰাৰ উপধাৰা ৪ৰ অধীনত তেওঁক উদ্‌ঘোষিত অপৰাধী বুলি উচ্চাৰিত কৰি এটা ঘোষণা কৰা হয়, তেওঁ কাৰাবাসেৰে যাৰ অৱধি সাত বছৰলৈ বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব"।]

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ৪ৰ দ্বাৰা "দস্তাবেজ"ৰ স্থানত প্ৰতিষ্ঠাপিত (২০০০ ৰ ২১ নং অধিনিয়ম)।

২। অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা "উচ্চতম ন্যায়ালয়" ৰ বাবে প্ৰতিষ্ঠাপিত।

৩। অনুকূলন আদেশ ১৯৫০ৰ দ্বাৰা "জিলা ন্যায়াধীশ"ৰ বাবে প্ৰতিষ্ঠাপিত।

৪। ২০০৫ চনৰ ২৫ নং অধিনিয়মৰ ধাৰা ৪৪ ৰ দ্বাৰা অন্তঃস্থাপিত।

দস্তাবেজ উপস্থাপন কৰিবলৈ বিধিৰ দ্বাৰা আবদ্ধ হোৱা ব্যক্তিৰ দ্বাৰা লোক সেৱকৰ আগত ইয়াক উপস্থাপন কৰাত ত্ৰুটী।

১৭৫। যিয়ে, কোনো লোক সেৱকক এনে লোক সেৱক ৰূপে কোনো দস্তাবেজ [1][বা ইলেকট্ৰনিক ৰেকৰ্ড] উপস্থাপন কৰিবলৈ বা দাখিল দিবলৈ, বৈধ ৰূপে আবদ্ধ হৈও, সেইমতে তেনেদৰে উপস্থাপন কৰাত বা পৰিদত্ত কৰাত অভিপ্ৰায় সহ ত্ৰুটী কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যি পাঁচশ টকা লৈকে বিস্তাৰিত হব পাৰে বা উভয়ৰে, দণ্ডিত হ'ব,

বা, যদিহে দস্তাবেজখন [1][বা ইলেকট্ৰনিক ৰেকৰ্ড] কোনো ন্যায়ালয়ত উপস্থাপন কৰিব বা পৰিদত্ত কৰিবলগীয়া হয়, তেন্তে তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা উভয়ৰে দণ্ডিত হব।

**দৃষ্টান্ত**

"ক" ই এখন [2][জিলা ন্যায়ালয়]ত এখন দস্তাবেজ উপস্থাপন কৰিবলৈ বৈধ ৰূপে আবদ্ধ হৈও, সেইমতে উপস্থাপন কৰিবলৈ অভিপ্ৰায়সহ ত্ৰুটী কৰিলে। "ক"ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

সূচনা বা সংবাদ দিবলৈ বৈধৰূপে আবদ্ধ ব্যক্তিৰ দ্বাৰা লোক সেৱকক সূচনা বা সংবাদ দিয়াত ত্ৰুটী।

১৭৬। যিয়েই, কোনো লোক সেৱকক এনে লোকসেৱকৰ ৰূপত কোনো বিষয়ৰ, কোনো সূচনা বা সংবাদ দিবলৈ, বৈধৰূপে আবদ্ধ হৈও, বিধিৰ দ্বাৰা অপেক্ষিত ধৰণে আৰু সময়ত তেনে সূচনা বা সংবাদ দিবলৈ অভিপ্ৰায় সহ ত্ৰুটী কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি পাঁচশ টকালৈ বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব,

বা, যদিহে দিবলৈ অপেক্ষিত হোৱা সূচনা বা সংবাদটো কোনো অপৰাধৰ সংঘটন সম্পৰ্কে হয়, বা কোনো অপৰাধত সংঘটন নিবাৰণাৰ্থে বা কোনো অপৰাধীক কৰায়ত্ত কৰাৰ বাবে অপেক্ষিত হয়, তেন্তে তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে, দণ্ডিত হ'ব,

[3][বা, যদিহে দিবলৈ অপেক্ষিত হোৱা সূচনা বা সংবাদটো দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৮৯৮ ৰ ধাৰা ৫৬৫ৰ উপধাৰা (১)ৰ অধীনত দিয়া আদেশৰ দ্বাৰা অপেক্ষিত হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা উভয়ৰে দণ্ডিত হব।]

মিছা সংবাদ দিয়া।

১৭৭। যিয়ে, কোনো লোক সেৱকক, এনে লোক সেৱকৰ ৰূপত কোনো বিষয়ত সংবাদ দিবলৈ বৈধ ৰূপে আবদ্ধ হৈও, উক্ত বিষয়টোৰ ওপৰত সত্যৰূপে, এনে সংবাদ দিয়ে, যিটো তেওঁ মিছা বুলি জানে বা যিটো মিছা বুলি বিশ্বাস কৰিবলৈ তেওঁৰ কাৰণ আছে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে, দণ্ডিত হব,

বা, যদিহে সংবাদটো, যিটো দিবলৈ তেওঁ বৈধ ৰূপে আবদ্ধ হৈছে, কোনো অপৰাধৰ সংঘটন সম্পৰ্কে হয়, বা কোনো অপৰাধৰ সংঘটন নিবাৰণাৰ্থে, বা কোনো অপৰাধীক কৰায়ত্ত কৰাৰ বাবে অপেক্ষিত হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকা পৰ্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

**দৃষ্টান্ত**

(ক) এজন ভূস্বামী "ক" ই তেওঁৰ ভূসম্পদাৰ পৰিসীমাৰ ভিতৰত এটা হত্যা সংঘটনৰ বিষয়ে

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ৫ৰ দ্বাৰা দস্তাবেজৰ স্থানত প্ৰতিষ্ঠাপিত (২০০০ ৰ ২১ নং অধিনিয়ম)।

২। অনুকূলন আদেশ ১৯৫০ৰ দ্বাৰা "জিলা ন্যায়াধীশ"ৰ বাবে প্ৰতিষ্ঠাপিত।

৩। ১৯৩৯ চনৰ ২২ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা সংযুক্ত কৰা।

জানিও, জিলা খনৰ দণ্ডাধীশক ইচ্ছাকৃত ভাবে মিছা সংবাদ দিলে যে সৰ্প দংশনৰ পৰিণামত দুৰ্ঘটনা ক্ৰমেহে মৃত্যু ঘটিছে। "ক" এই ধাৰাত পৰিভাষিত অপৰাধটোৰ বাবে দোষী।

(খ) এজন গাওঁৰ পহৰাদাৰ "ক"ই অচিনাকি ব্যক্তিৰ এটা দলে সমীপৱৰ্তী এখন স্থানত বাস কৰা এজন ধনী সদাগৰ "জ"ৰ ঘৰত ডকাইটি কৰিবলৈ তেওঁৰ গাওঁখন অতিক্ৰম কৰি গৈছে বুলি জানিও, আৰু নিকটতম আৰক্ষী থানাৰ পদাধিকাৰী গৰাকীক উপৰোক্ত তথ্যৰ শীঘ্ৰে আৰু সময় মতে সূচনা দিবলৈ বঙ্গ সংহিতাৰ ১৮২১ৰ [1]বিনিয়ম iii ৰ ধাৰা viiৰ খণ্ড ৫ৰ অধীনত আবদ্ধ হৈও, ইচ্ছাকৃত ভাবে আৰক্ষী পদাধিকাৰীক মিছা সংবাদ দিলে যে সন্দেহজনক ব্যক্তিৰ এটা দলে পৃথক দিশ এটাত নিৰ্দ্দিষ্ট দূৰৱৰ্তী এখন স্থানত ডকাইটি কৰাৰ উদ্দেশ্যে গাওঁখন অতিক্ৰম কৰি গৈছে, এই ক্ষেত্ৰত "ক" এই ধাৰাৰ পৰৱৰ্তী অংশত পৰিভাষিত অপৰাধটোৰ বাবে দোষী।

[2][স্পষ্টীকৰণ - ধাৰা ১৭৬ ত আৰু এই ধাৰাটোত "অপৰাধ" শব্দটোৱে [3][ভাৰত] ৰ বাহিৰত যি কোনো স্থানত সংঘটিত যি কোনো কাৰ্য্য অন্তৰ্ভুক্ত কৰে যিটো কাৰ্য্য [3][ ভাৰত] ত সংঘটিত হোৱা হেঁতেন, নিম্নোক্ত যি কোনোটো ধাৰাৰ অধীনত দণ্ডনীয় হলহেঁতেন, অৰ্থাৎ ৩০২, ৩০৪, ৩৮২, ৩৯২, ৩৯৩, ৩৯৪, ৩৯৫, ৩৯৬, ৩৯৭, ৩৯৮, ৩৯৯, ৪০২, ৪৩৫, ৪৩৬, ৪৪৯, ৪৫০, ৪৫৭, ৪৫৮, ৪৫৯, আৰু ৪৬০; আৰু "অপৰাধী" শব্দটোৱে এনে যি কোনো ব্যক্তিক অন্তৰ্ভুক্ত কৰে যিজন এনে যি কোনো কাৰ্য্যৰ বাবে দোষী হোৱা বুলি অভিকথিত হৈছে।]

শপত গ্ৰহণ কৰিবলৈ বা প্ৰতিজ্ঞা কৰিবলৈ অস্বীকাৰ কৰা, যেতিয়া লোক সেৱকৰ দ্বাৰা সম্যক ৰূপে এনেকুৱা কাৰণে অপেক্ষিত হৈছে।

১৭৮। যিয়ে, কোনো সত্য উক্তি কৰাৰ বাবে [4][বা প্ৰতিজ্ঞাৰ]ৰ দ্বাৰা নিজকে আবদ্ধ কৰিবলৈ অস্বীকাৰ কৰে, যেতিয়া ইয়াৰ দ্বাৰা নিজকে, এনেদৰে আবদ্ধ কৰিবলৈ অপেক্ষা এনে লোক সেৱকৰ দ্বাৰা কৰা হয় যি এনেদৰে অপেক্ষা কৰিবলৈ বৈধ ৰূপে সক্ষম হয়, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

প্ৰশ্ন কৰিবলৈ প্ৰাধিকৃত লোক সেৱকক উত্তৰ দিবলৈ অস্বীকাৰ কৰা।

১৭৯। যিয়ে কোনো লোক সেৱকক কোনো বিষয়ৰ ওপৰত বৈধ ৰূপে আবদ্ধ হৈও তেনে লোক সেৱকৰ দ্বাৰা তেনে লোকসেৱকৰ বৈধ ক্ষমতা সমূহৰ প্ৰয়োগত সেই বিষয়টোৰ সম্পৰ্কে তেওঁক সোধা কোনো প্ৰশ্নৰ উত্তৰ দিবলৈ অস্বীকাৰ কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

বিবৃতিত স্বাক্ষৰ কৰিবলৈ অস্বীকাৰ কৰা।

১৮০। যিয়ে তেওঁৰ দ্বাৰা দিয়া কোনো এটা বিবৃতিত কোনো এনে লোক সেৱকৰ দ্বাৰা অপেক্ষিত হোৱাত যি ইয়াক অপেক্ষিত কৰিবলৈ বৈধৰূপে সক্ষম যে তেওঁ ইয়াত স্বাক্ষৰ কৰিব, উক্ত বিবৃতিত স্বাক্ষৰ কৰিবলৈ অস্বীকাৰ কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি তিনিমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা উভয়ৰে দণ্ডিত হব।

শপত গ্ৰহণ কৰোৱা বা প্ৰতিজ্ঞা কৰোৱাৰ বাবে প্ৰাধিকৃত লোকসেৱকৰ বা ব্যক্তিৰ শপথ বা প্ৰতিজ্ঞাৰ ওপৰত মিথ্যা বিবৃতি।

১৮১। যি কোনো লোক সেৱক বা কোনো অন্য ব্যক্তিৰ, যাক এনে শপত গ্ৰহণ কৰোৱা [4][বা প্ৰতিজ্ঞা] কৰোৱাৰ বাবে বিধিৰ দ্বাৰা প্ৰাধিকৃত কৰা হয়, কোনো বিষয়ৰ ওপৰত সত্য বিবৃতি দিবলৈ শপত [4][বা প্ৰতিজ্ঞা]ৰ দ্বাৰা বৈধৰূপে হৈও এনে লোক সেৱক বা পূৰ্বোক্ত অন্য ব্যক্তিক সেই বিষয়ৰ সম্বন্ধত কোনো এনে বিবৃতি দিয়ে, যি মিছা বা যিটো, হয়, তেওঁ মিছা বুলি জানে বা বা বিশ্বাস কৰে

---

১। ১৮৬২ ৰ ১৭ নং অধিনিয়মৰ দ্বাৰা নিৰসিত।

২। ১৮৯৪ চনত ৩নং অধিনিয়মৰ ধাৰা ৫ দ্বাৰা সংযুক্ত কৰা।

৩। "বৃটিছ ভাৰত" শব্দ সমূহ অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত ভাবে গঠিত হবলৈ ক্ৰমাগত ভাবে প্ৰতিস্থাপিত হৈছে।

৪। ১৮৭৩ চনত ১০ নং অধিনিয়মৰ ধাৰা ১৫ ৰ দ্বাৰা অন্তঃস্থাপিত।

বা সঁচা বুলি বিশ্বাস নকৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

মিছা সংবাদ এই অভিপ্ৰায় সহ দিয়া যাতে লোক সেৱকে নিজৰ বিধিসন্মত ক্ষমতাৰ আন ব্যক্তিৰ ক্ষতিৰ বাবে উপযোগ কৰে।

[1][১৮২। যিয়েই, কোনো লোক সেৱকক কোনো সংবাদ দিয়ে যিটো তেওঁ মিছা বুলি জানে বা বিশ্বাস কৰে এই অভিপ্ৰায়সহ দিয়ে যে তেওঁ কোনো লোক সেৱকক-

(ক) কোনো এনে কাম কৰিবলৈ বা কৰাত ক্ৰটী কৰিবলৈ যিটো এনে লোক সেৱকে যদি এনে তথ্যসমূহ যিবিলাক সম্পৰ্কে এনে সংবাদ দিয়া হৈছে তথাৰ প্ৰকৃত অৱস্থা জ্ঞাত হলে, নকৰিলেহেঁতেন বা কৰিবলৈ ক্ৰটী নকৰিলেহেঁতেন, বা

(খ) এনে লোক সেৱকৰ বিধিসন্মত ক্ষমতা কোনো ব্যক্তিৰ ক্ষতি বা বিৰক্তিৰ বাবে উপযোগ কৰিবলৈ,

প্ৰেৰিত কৰে বা এইটো সম্ভাব্য বুলি জানিও তেওঁ ইয়াৰ দ্বাৰা প্ৰেৰিত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যি এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়ৰে দণ্ডিত হব।

দৃষ্টান্ত সমূহ

(ক) "ক" ই এজন দণ্ডাধীশক জনালে যে তেনে দণ্ডাধীশৰ অধীনস্থ আৰক্ষী পদাধিকাৰী "জ" কৰ্ত্তব্যৰ প্ৰতি অৱহেলা বা অসদাচাৰণৰ বাবে দোষী হৈছে, এইটো জানি শুনি দিয়ে যে এই সংবাদ মিছা আৰু এইটো সম্ভাব্য যে সেই সংবাদ ক্ৰমে সেই দণ্ডাধীশে "জ" ক বৰ্খাস্ত কৰিব "ক", ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিছে।

(খ) "ক" ই এজন লোক সেৱকক মিছাকৈ জনালে যে "জ" ৰ এখন গোপনীয় স্থানত নিষিদ্ধ নিমখ আছে, তেনে সংবাদ অসত্য বুলি জানিও যে সেই সংবাদৰ পৰিণামত "জ" ৰ প্ৰাঙ্গনত তালাচী হোৱাৰ সম্ভাবনা আছে। যাৰ ফলত "জ"ৰ বিৰক্তি হব পাৰে। "ক" ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিছে।

(গ) "ক" ই মিছাকৈয়ে আৰক্ষী এজনক জনালে যে তেওঁক কোনো এখন নিৰ্দিষ্ট গাওঁৰ ওচৰে পাজৰে অভ্যাঘাত কৰা হৈছে আৰু লুণ্ঠন কৰা হৈছে। তেওঁ কোনো ব্যক্তিক তেওঁৰ অভ্যাঘাতী বুলি উল্লেখ নকৰিলে, কিন্তু তেওঁ এইটো জানে যে এই সংবাদৰ পৰিণাম স্বৰূপে আৰক্ষীয়ে অনুসন্ধান কৰিব আৰু গাওঁখনত তালাচী চলাব যাৰ দ্বাৰা গাওঁবাসী সকলক বা তেওঁলোকৰ কিছুমানক বিৰক্তি কৰিব পাৰে। "ক" ই এই ধাৰাৰ অধীনৰ অপৰাধ এটা কৰিছে।

লোক সেৱকৰ বিধি সন্মত প্ৰাধিকাৰৰ দ্বাৰা সম্পত্তি লৈ যোৱাত প্ৰতিৰোধ।

১৮৩। যিয়ে, কোনো লোক সেৱকৰ দ্বাৰা বিধি সন্মত প্ৰাধিকাৰৰ দ্বাৰা কোনো সম্পত্তি লৈ যোৱাত প্ৰতিৰোধ কৰে, এই বুলি জানিও বা এইদৰে বিশ্বাস কৰিবলৈ কাৰণ থকা স্বত্বেও কৰে যে তেওঁ তেনে লোক সেৱক, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

লোক সেৱকৰ প্ৰাধিকাৰৰ দ্বাৰা বিক্ৰীৰ বাবে প্ৰস্তাৱিত সম্পত্তিৰ বিক্ৰীত বাধা দিয়া।

১৮৪। যিয়ে, কোনো লোক সেৱকৰ বিধি সন্মত প্ৰাধিকাৰৰ দ্বাৰা এনে লোক সেৱকৰূপে বিক্ৰীৰ বাবে প্ৰস্তাৱিত সম্পত্তিৰ বিক্ৰীত অভিপ্ৰায় সহ বাধাদান কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

লোক সেৱকৰ প্ৰাধিকাৰৰ দ্বাৰা বিক্ৰীৰ বাবে প্ৰস্তাৱিত সম্পত্তিৰ বাবে অবৈধ ক্ৰয় বা ডাক।

১৮৫। যিয়ে, কোনো লোকসেৱকৰ দ্বাৰা কোনো সম্পত্তিৰ বিক্ৰীত যিটো লোক সেৱক ৰূপে বিধি সন্মত প্ৰাধিকাৰৰ দ্বাৰা অনুষ্ঠিত হয় তেওঁ নিজেই হওঁক বা আন কাৰোবাৰ বাবেই হওঁক কোনো এজন ব্যক্তিৰ বাবে কোনো সম্পত্তি ক্ৰয় কৰে বা ডাক দিয়ে, যিজনে সেই বিক্ৰীত সেই সম্পত্তিটো কোনো বিধিক অসমৰ্থতাৰ বাবে ক্ৰয় কৰিব নোৱাৰে বুলি তেওঁ জানে, বা তেনে সম্পত্তিৰ বাবে ডাক, তেনে

১। ১৮৯৫ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ১ৰ দ্বাৰা মূল ধাৰাৰ বাবে প্ৰতিষ্ঠাপিত।

ডাকৰ দ্বাৰা তেওঁ নিজকে যিবোৰ দায়িত্বৰ অধীন কৰে, সেইবোৰ সম্পাদন কৰাৰ অভিপ্ৰায় বিনা, যিয়ে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসলে যাৰ অৱধি এমাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি দুশ টকালৈকে বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

লোক কৃত্যসমূহৰ নিৰ্বহনত লোক সেৱকক বাধাদান কৰা।

১৮৬। যিয়ে, কোনো লোক সেৱকক তেওঁৰ লোককৃত্যসমূহৰ নিৰ্বহনত স্বেচ্ছাই বাধাদান কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি মাহলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি পাঁচশ টকালৈকে বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

লোক সেৱকক সাহায্য দান কৰিবলৈ বিধিৰ দ্বাৰা আবদ্ধ হৈও সাহায্য দান কৰাত ক্ৰটী কৰা।

১৮৭। যিয়ে, কোনো লোক সেৱকক তেওঁৰ লোক কৰ্তব্য নিষ্পাদনত সাহায্য দিবলৈ বা কৰিবলৈ বিধিৰ দ্বাৰা আবদ্ধ হৈও তেনে সাহায্য দিবলৈ অভিপ্ৰায় সহ ক্ৰটী কৰে, বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি দুশ টকালৈকে বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব;

আৰু যদি কোনো ন্যায়ালয়ৰ দ্বাৰা বিধিসম্মত ভাৱে জাৰি কৰা কোনো আদেশিকা নিষ্পাদনৰ প্ৰয়োজনাৰ্থে তেওঁৰ পৰা তেনে সাহায্য এনে এজন লোক সেৱকৰ দ্বাৰা দাবী কৰা হয় যি তেনে দাবী কৰিবলৈ বৈধৰূপে সক্ষম বা কোনো অপৰাধ সংঘটনৰ প্ৰতিৰোধৰ বাবে, বা কোনো ভাঙনী বা হাৰ্ঙামা দমন কৰিবলৈ, বা এনে কোনো ব্যক্তিক কৰায়ত্ত কৰিবলৈ যিজন কোনো অপৰাধৰ বাবে দোষাৰোপিত বা দোষী হৈছে, বা যিজনে বিধিসম্মত অভিৰক্ষাৰ পৰা পলায়ন কৰিছে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি পাঁচ শ টকা বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

লোক সেৱকৰ দ্বাৰা সম্যকৰূপে প্ৰখ্যাপিত আদেশ অৱজ্ঞা।

১৮৮। যিয়ে, এইটো জানি যে কোনো লোকসেৱকৰ দ্বাৰা প্ৰখ্যাপিত কোনো আদেশৰ দ্বাৰা, যি জন তেনে আদেশ প্ৰখ্যাপিত কৰিবলৈ বিধিসম্মত ভাৱে ক্ষমতাৰ্পিত হৈছে, তেওঁক কোনো কাৰ্য্য কৰাৰ পৰা বিৰত থাকিবলৈ বা তেওঁৰ দখলত বা তেওঁৰ পৰিচালনাধীনত থকা কোনো সম্পত্তিৰ বিষয়ত কোনো ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়া হৈছে, তেনে নিৰ্দেশ অৱজ্ঞা কৰে;

তেওঁ, যদিহে তেনে অৱজ্ঞাই বিধিসম্মতভাৱে নিযুক্ত কোনো ব্যক্তিৰ প্ৰতি বাধা, কষ্ট বা ক্ষতি, বা বাধাৰ, কষ্টৰ বা ক্ষতিৰ আশঙ্কা জন্মায় বা জন্মোৱাৰ প্ৰবৃত্তি আছে তেন্তে তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমণাৰে যি দুশ টকা পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব;

আৰু যদিহে তেনে অৱজ্ঞাই মনৱ জীৱন, স্বাস্থ্য বা সুৰক্ষাৰ প্ৰতি বিপদ ঘটায় বা ঘটোৱাৰ প্ৰবৃত্তি আছে বা ভাঙনী বা হাৰ্ঙামা ঘটায় বা ঘটোৱাৰ প্ৰবৃত্তি আছে, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমণাৰে যি এহেজাৰ টকা পৰ্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - অপৰাধীজনে অনিষ্ট সাধনৰ অভিপ্ৰায় কৰাৰ বা তেওঁৰ অৱজ্ঞাৰ বাবে অনিষ্ট সাধিত হোৱা সম্ভাব্য বুলি অনুধ্যান কৰাৰ আৱশ্যক নাই। যিটো আদেশ তেওঁ অৱজ্ঞা কৰিছে সেইটোৰ বিষয়ে তেওঁ জনাটো আৰু তেওঁৰ অৱজ্ঞাই অনিষ্ট সাধন কৰিছে বা সাধন কৰাৰ সম্ভাৱনা আছে বুলি তেওঁ জনাটোৱে যথেষ্ট।

**দৃষ্টান্ত**

কোনো নিৰ্দিষ্ট পথেৰে ধৰ্মীয় শোভা যাত্ৰা নাযাব বুলি নিৰ্দেশ দিয়া এটা আদেশ, এনে আদেশ প্ৰখ্যাপিত কৰিবলৈ বিধিসম্মত ভাৱে ক্ষমতাৰ্পিত কোনো লোক সেৱকৰ দ্বাৰা প্ৰখ্যাপিত কৰা হৈছে। "ক" ই জানি শুনি সেই আদেশ অৱজ্ঞা কৰিলে "ক" ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

লোক সেৱকৰ ক্ষতিৰ ভাবুকি।

১৮৯। যিয়ে, কোনো লোক সেৱকক বা সেই লোক সেৱকৰ সৈতে স্বাৰ্থ জড়িত বুলি তেওঁ বিশ্বাস

কৰা এনে কোনো ব্যক্তিক , এই প্ৰয়োজনত ক্ষতিৰ কোনো ভাবুকি দিয়ে যে সেই লোক সেৱকক উৎপ্ৰেৰিত কৰা হয় যাতে তেওঁ এনে লোক সেৱকৰ কৃত্যসমূহৰ প্ৰয়োগ সম্পৰ্কিত কোনো কাৰ্য্য কৰে, বা কৰাৰ পৰা বিৰত থাকে বা কৰাত বিলম্ব কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুই বছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমণাৰে বা উভয়েৰে দণ্ডিত হব।

**লোক সেৱকৰ সুৰক্ষাৰ বাবে আবেদন কৰাৰ পৰা বিৰত থাকিবলৈ কোনো ব্যক্তিক উৎপ্ৰেৰিত কৰাৰ নিমিত্তে ক্ষতিৰ ভাবুকি।**

১৯০। যিয়ে, কোনো ব্যক্তিক এনে প্ৰয়োজনৰ বাবে ক্ষতিৰ ভাবুকি দিয়ে যে সেই ব্যক্তিজনক উৎপ্ৰেৰিত কৰে যাতে তেওঁ কোনো ক্ষতিৰ সুৰক্ষাৰ বাবে কোনো বৈধ আবেদন কোনো লোকসেৱকক কৰাৰ পৰা বিৰত বা ক্ষান্ত থাকে যি এনে লোক সেৱক ৰূপে তেনে সুৰক্ষা দিবলৈ বা তেনে সুৰক্ষা দিয়াবলৈ ক্ষমতাৰ্পিত হয় তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমণাৰে বা উভয়েৰে দণ্ডিত হব।

## অধ্যায় ১১

### মিছা সাক্ষ্য আৰু লোক ন্যায়ৰ বিৰুদ্ধে অপৰাধবোৰৰ বিষয়ে

মিছা সাক্ষ্য দিয়া।

১৯১। যিয়ে, শপতৰ দ্বাৰা বা বিধিৰ কোনো ব্যক্ত উপবন্ধৰ দ্বাৰা সত্য বিবৃত কৰিবলৈ বৈধৰূপে আবদ্ধ হৈ বা কোনো বিষয়ৰ ওপৰত এটা ঘোষণা কৰিবলৈ বিধিৰ দ্বাৰা আবদ্ধ হৈ এনে কোনো বিবৃতি দিয়ে যিটো মিছা, আৰু যিটো, হয়, তেওঁ মিছা বুলি জানে বা বিশ্বাস কৰে বা সত্য বুলি বিশ্বাস নকৰে, তেওঁক মিছা সাক্ষ্য দিয়া বুলি কোৱা হয়।

**স্পষ্টীকৰণ ১** — কোনো বিবৃতি মৌখিকেই হওঁক বা অন্যথাই দিয়া হওঁক এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত।

**স্পষ্টীকৰণ ২** — অনুপ্ৰমাণিত কৰা ব্যক্তিজনৰ নিজৰ বিশ্বাস সম্পৰ্কে দিয়া মিছা বিবৃতি এটা এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত আৰু কোনো ব্যক্তি যে মিছা সাক্ষ্য দিয়াৰ বাবে দোষী হব পাৰে এনেদৰে কৈ যে তেওঁ এটা কথা বিশ্বাস কৰে, যিটো তেওঁ বিশ্বাস নকৰে আৰু এনেদৰেও কৈ যে তেওঁ এটা কথা জানে যিটো তেওঁ নাজানে।

#### দৃষ্টান্তসমূহ

(ক) "জ" ৰ বিৰুদ্ধে "খ" ৰ এহেজাৰ টকাৰ বাবে থকা এটা ন্যায্য দাবীৰ সমৰ্থনত "ক" ই কোনো বিচাৰত মিছাকৈ শপত লৈ কয় যে "জ" ই "খ" ৰ দাবীৰ ন্যায্যতা স্বীকাৰ কৰা তেওঁ শুনিছিল। "ক" ই মিছা সাক্ষ্য দিছে।

(খ) শপতৰ দ্বাৰা সত্য কথা কবলৈ আবদ্ধ হৈও "ক" ই ক'লে যে তেওঁ এটা নিৰ্দিষ্ট স্বাক্ষৰ "জ" ৰ হস্তাক্ষৰ বুলি বিশ্বাস কৰে, যদিও তেওঁ এইটো "জ" ৰ হস্তাক্ষৰ বুলি বিশ্বাস নকৰে ইয়াত "ক" ই তেওঁ যিটো মিছা বুলি জানে সেইটো ক'লে, আৰু সেই বাবে মিছা সাক্ষ্য দিলে।

(গ) "ক" ই "জ" ৰ হস্তাক্ষৰৰ সাধাৰণ লিপিৰ বিষয়ে জানিও নিৰ্দিষ্ট স্বাক্ষৰ এটা "জ" ৰ হস্তাক্ষৰ বুলি তেওঁ বিশ্বাস কৰে বুলি কলে; "ক" ই সদ্ভাৱ পূৰ্ব্বক এইটো তেনে হয় বুলি বিশ্বাস কৰে। ইয়াত "ক" ৰ বিবৃতিটো তেওঁৰ বিশ্বাস সম্পৰ্কেহে আৰু এইটো তেওঁৰ বিশ্বাসৰ সম্পৰ্কে সত্য, আৰু সেই বাবে, যদিও স্বাক্ষৰটো "জ" ৰ হস্তাক্ষৰ নহবও পাৰে, তথাপিও "ক" ই মিছা সাক্ষ্য দিয়া নাই।

(ঘ) "ক" ই সত্য কথা কবলৈ শপতৰ দ্বাৰা আবদ্ধ হৈও বিষয়টো সম্পৰ্কে একেবাৰেই নজনাকৈ কলে যে এটা বিশেষ দিনত "জ" এটা বিশেষ স্থানত আছিল বুলি তেওঁ জানে। উল্লেখিত দিনত "জ" সেই স্থানত আছিল নে নাই সেই বিষয়ে "ক" ই মিছা সাক্ষ্য দিলে।

কৰা এনে কোনো ব্যক্তিক , এই প্ৰয়োজনত ক্ষতিৰ কোনো ভাবুকি দিয়ে যে সেই লোক সেৱকক উৎপ্ৰেৰিত কৰা হয় যাতে তেওঁ এনে লোক সেৱকৰ কৃত্যসমূহৰ প্ৰয়োগ সম্পৰ্কিত কোনো কাৰ্য্য কৰে, বা কৰাৰ পৰা বিৰত থাকে বা কৰাত বিলম্ব কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুই বছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমণাৰে বা উভয়েৰে দণ্ডিত হব।

**লোক সেৱকৰ সুৰক্ষাৰ বাবে আবেদন কৰাৰ পৰা বিৰত থাকিবলৈ কোনো ব্যক্তিক উৎপ্ৰেৰিত কৰাৰ নিমিত্তে ক্ষতিৰ ভাবুকি।**

১৯০। যিয়ে, কোনো ব্যক্তিক এনে প্ৰয়োজনৰ বাবে ক্ষতিৰ ভাবুকি দিয়ে যে সেই ব্যক্তিজনক উৎপ্ৰেৰিত কৰে যাতে তেওঁ কোনো ক্ষতিৰ সুৰক্ষাৰ বাবে কোনো বৈধ আবেদন কোনো লোকসেৱকক কৰাৰ পৰা বিৰত বা ক্ষান্ত থাকে যি এনে লোক সেৱক ৰূপে তেনে সুৰক্ষা দিবলৈ বা তেনে সুৰক্ষা দিয়াবলৈ ক্ষমতাৰ্পিত হয় তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমণাৰে বা উভয়েৰে দণ্ডিত হব।

## অধ্যায় ১১

### মিছা সাক্ষ্য আৰু লোক ন্যায়ৰ বিৰুদ্ধে অপৰাধবোৰৰ বিষয়ে

মিছা সাক্ষ্য দিয়া।

১৯১। যিয়ে, শপতৰ দ্বাৰা বা বিধিৰ কোনো ব্যক্ত উপবন্ধৰ দ্বাৰা সত্য বিবৃত কৰিবলৈ বৈধৰূপে আবদ্ধ হৈ বা কোনো বিষয়ৰ ওপৰত এটা ঘোষণা কৰিবলৈ বিধিৰ দ্বাৰা আবদ্ধ হৈ এনে কোনো বিবৃতি দিয়ে যিটো মিছা, আৰু যিটো, হয়, তেওঁ মিছা বুলি জানে বা বিশ্বাস কৰে বা সত্য বুলি বিশ্বাস নকৰে, তেওঁক মিছা সাক্ষ্য দিয়া বুলি কোৱা হয়।

**স্পষ্টীকৰণ ১** — কোনো বিবৃতি মৌখিকেই হওঁক বা অন্যথাই দিয়া হওঁক এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত।

**স্পষ্টীকৰণ ২** — অনুপ্ৰমাণিত কৰা ব্যক্তিজনৰ নিজৰ বিশ্বাস সম্পৰ্কে দিয়া মিছা বিবৃতি এটা এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত আৰু কোনো ব্যক্তি যে মিছা সাক্ষ্য দিয়াৰ বাবে দোষী হব পাৰে এনেদৰে কৈ যে তেওঁ এটা কথা বিশ্বাস কৰে, যিটো তেওঁ বিশ্বাস নকৰে আৰু এনেদৰেও কৈ যে তেওঁ এটা কথা জানে যিটো তেওঁ নাজানে।

#### দৃষ্টান্তসমূহ

(ক) "জ" ৰ বিৰুদ্ধে "খ" ৰ এহেজাৰ টকাৰ বাবে থকা এটা ন্যায্য দাবীৰ সমৰ্থনত "ক" ই কোনো বিচাৰত মিছাকৈ শপত লৈ কয় যে "জ" ই "খ" ৰ দাবীৰ ন্যায্যতা স্বীকাৰ কৰা তেওঁ শুনিছিল। "ক" ই মিছা সাক্ষ্য দিছে।

(খ) শপতৰ দ্বাৰা সত্য কথা কবলৈ আবদ্ধ হৈও "ক" ই ক'লে যে তেওঁ এটা নিৰ্দিষ্ট স্বাক্ষৰ "জ" ৰ হস্তাক্ষৰ বুলি বিশ্বাস কৰে, যদিও তেওঁ এইটো "জ" ৰ হস্তাক্ষৰ বুলি বিশ্বাস নকৰে ইয়াত "ক" ই তেওঁ যিটো মিছা বুলি জানে সেইটো ক'লে, আৰু সেই বাবে মিছা সাক্ষ্য দিলে।

(গ) "ক" ই "জ" ৰ হস্তাক্ষৰৰ সাধাৰণ লিপিৰ বিষয়ে জানিও নিৰ্দিষ্ট স্বাক্ষৰ এটা "জ" ৰ হস্তাক্ষৰ বুলি তেওঁ বিশ্বাস কৰে বুলি কলে; "ক" ই সম্ভাৱ পূৰ্ব্বক এইটো তেনে হয় বুলি বিশ্বাস কৰে। ইয়াত "ক" ৰ বিবৃতিটো তেওঁৰ বিশ্বাস সম্পৰ্কেহে আৰু এইটো তেওঁৰ বিশ্বাসৰ সম্পৰ্কে সত্য, আৰু সেই বাবে, যদিও স্বাক্ষৰটো "জ" ৰ হস্তাক্ষৰ নহবও পাৰে, তথাপিও "ক" ই মিছা সাক্ষ্য দিয়া নাই।

(ঘ) "ক" ই সত্য কথা কবলৈ শপতৰ দ্বাৰা আবদ্ধ হৈও বিষয়টো সম্পৰ্কে একেবাৰেই নজনাকৈ কলে যে এটা বিশেষ দিনত "জ" এটা বিশেষ স্থানত আছিল বুলি তেওঁ জানে। উল্লেখিত দিনত "জ" সেই স্থানত আছিল নে নাই সেই বিষয়ে "ক" ই মিছা সাক্ষ্য দিলে।

(ঙ) দোভাষী বা অনুবাদক "ক" ই এটা বিবৃতি বা দস্তাবেজৰ সত্য ভাষান্তৰ বা অনুবাদ কৰি দিয়ে বা প্ৰমাণিত কৰে, যিটো সত্যৰূপে ভাষান্তৰ কৰিবলৈ বা অনুবাদ কৰিবলৈ তেওঁ শপতৰ দ্বাৰা আবদ্ধ হৈছে, যিটো এটা সত্য ভাষান্তৰ অনুবাদ নহয় আৰু যিটো এটা সত্য ভাষান্তৰ বা অনুবাদ বুলি তেওঁ বিশ্বাস নকৰে "ক" ই মিছা সাক্ষ্য দিলে।

মিছা সাক্ষ্য সাজি কোৱা।

১৯২। যিয়েই এনে অভিপ্ৰায় সহ কোনো পৰিস্থিতিৰ অস্তিত্ব সৃষ্টি কৰে বা কোনো বহী বা অভিলেখত বা [১][বা ইলেকট্ৰনিক ৰেকৰ্ড]ত কোনো মিছা প্ৰবিষ্টি কৰে, বা মিছা বিবৃতি অন্তৰ্বিষ্ট কৰা কোনো দস্তাবেজ [১][বা ইলেকট্ৰনিক ৰেকৰ্ড] ৰচনা কৰে, যাতে এনে পৰিস্থিতি, মিছা প্ৰবিষ্টি মিছা বিবৃতি ন্যায়িক কাৰ্য্যবাহীত বা লোক সেৱকৰ সন্মুখত তেনেকৰূপে বা মধ্যস্থৰ সন্মুখত বিধিৰ দ্বাৰা গ্ৰহণ কৰা কোনো কাৰ্য্যবাহীত সাক্ষ্যত দেখুৱা হয় আৰু এনে প্ৰকাৰে সাক্ষ্যত দৰ্শিত হোৱাত এনে পৰিস্থিতি, মিছা প্ৰবিষ্টি বা মিছা বিবৃতিৰ কাৰণে এনে কোনো কাৰ্য্যবাহীত সাক্ষ্যৰ আধাৰত মত গঠন কৰিবলগীয়া হোৱা কোনো ব্যক্তিক এনে কাৰ্য্যবাহীৰ পৰিণামত কোনো তাত্বিক বিষয় সংক্ৰান্তত ভুলমত গ্ৰহণ কৰায় তেওঁ "মিছা সাক্ষ্য সাজে" বুলি কোৱা হয়।

### দৃষ্টান্তসমূহ

(ক) "ক" ই "জ" ৰ এটা বাকচত ৰত্ন অলঙ্কাৰবোৰ এই অভিপ্ৰায়সহ ভৰাই থলে যে সেইবোৰ সেইটো বাকচত পোৱা যাব আৰু এই পৰিস্থিতিটোৱে "জ" ক চুৰিৰ বাবে দোষী সাব্যস্ত কৰিব পাৰে। "ক" ই মিছা সাক্ষ্য সাজিলে।

(খ) "ক" ই তেওঁৰ দোকানৰ বহীত মিছা প্ৰবিষ্টি এই উদ্দেশ্যে কৰিলে যাতে তেওঁ ইয়াক ন্যায়ালয়ত সংপোষক সাক্ষ্যৰূপে ব্যৱহাৰ কৰিব পাৰে, "ক" মিছা সাক্ষ্য সাজিলে।

(গ) আপৰাধিক ষড়যন্ত্ৰৰ বাবে "জ" ক দোষী সাব্যস্ত কৰোৱাৰ অভিপ্ৰায়েৰে "ক" ই "জ" ৰ হস্তাক্ষৰ নকল কৰি চিঠি এখন লিখিলে, য'ত এইটো তাৎপৰ্য্যিত হৈছে যে এনে আপৰাধিক ষড়যন্ত্ৰ এজন সহ-অপৰাধীক সম্বোধিত কৰা হৈছে আৰু চিঠিখন এনে এখন স্থানত থলে য'ত আৰক্ষী পদাধিকাৰীয়ে তালাচ কৰাৰ সম্ভাৱনা আছে। "ক" ই মিছা সাক্ষ্য সাজিলে।

মিছা সাক্ষ্যৰ বাবে দণ্ড।

১৯৩। যিয়ে, অভিপ্ৰায় সহ কোনো ন্যায়িক কাৰ্য্যবাহীৰ কোনো পৰ্য্যায়ত মিছা সাক্ষ্য দিয়ে বা কোনো ন্যায়িক কাৰ্য্যবাহীৰ কোনো পৰ্য্যায়ত ব্যৱহাৰ কৰাৰ উদ্দেশ্যে মিছা সাক্ষ্য সাজে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰলৈ বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব,

আৰু যিয়ে আন যি কোনো ক্ষেত্ৰত মিছা সাক্ষ্য দিয়ে বা সাজে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ ১** -- সেনা ন্যায়ালয়ৰ [২]x x x সন্মুখৰ বিচাৰ ন্যায়িক কাৰ্য্যবাহী।

**স্পষ্টীকৰণ ২** -- কোনো ন্যায়ালয়ৰ সন্মুখত কোনো কাৰ্য্যবাহী এটাৰ প্ৰাৰম্ভিক ভাৱে বিধিৰ দ্বাৰা নিৰ্দেশিত অনুসন্ধান ন্যায়িক কাৰ্য্যবাহীৰ এটা পৰ্য্যায়, যদিও সেই অনুসন্ধানটো কোনো ন্যায়ালয়ৰ সন্মুখত নহব পাৰে।

### দৃষ্টান্ত

"জ" ক বিচাৰৰ বাবে চোপৰ্দ কৰা উচিত হব নে নহয় সেইটো অভিনিশ্চিত কৰাৰ বাবে কোনো দণ্ডাধীশৰ সন্মুখৰ এটা তদন্তত "ক" ই শপত লৈ এনে এটা বিবৃতি দিলে যিটো, তেওঁ মিছা

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম ২০০০ৰ প্ৰথম অনুসূচীৰ ধাৰা ৬ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত (২০০০ ৰ ২১ নং অধিনিয়ম)।

২। ১৮৮৯ চনত ১৩ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা "বা মিলিটাৰী কোৰ্ট অৱ ৰিকুৱেষ্ট"ৰ সন্মুখত শব্দসমূহ নিৰসিত কৰা হৈছে।

বুলি জানে। যিহেতু এই তদন্তটো এটা ন্যায়িক কাৰ্যবাহীৰ পৰ্য্যায়, "ক" ই মিছা সাক্ষ্য দিলে।

**স্পষ্টীকৰণ ৩** — ন্যায়ালয়ৰ দ্বাৰা বিধি অনুসৰি নিৰ্দ্দেশিত আৰু ন্যায়ালয়ৰ প্ৰাধিকাৰৰ অধীনত পৰিচালিত, অনুসন্ধান ন্যায়িক কাৰ্যবাহীৰ এটা পৰ্য্যায় যদিও সেই অনুসন্ধানটো কোনো ন্যায়ালয়ৰ সন্মুখত নহবও পাৰে।

দৃষ্টান্ত

চৰ জমিনত ভূমিৰ সীমা অভিনিশ্চিত কৰিবলৈ ন্যায়ালয়ৰ দ্বাৰা প্ৰতিনিযুক্ত কোনো পদাধিকাৰীৰ সন্মুখৰ এটা তদন্তত "ক" ই শপতৰ ওপৰত এনে বিবৃতি দিলে যিটো তেওঁ মিছা বুলি জানে। যিহেতু এই তদন্তটো ন্যায়িক কাৰ্যবাহীৰ এটা পৰ্য্যায়, "ক" ই মিছা সাক্ষ্য দিলে।

মৃত্যু দণ্ডৰে দণ্ডনীয় অপৰাধত দোষী সাব্যস্ত কৰোৱাৰ অভিপ্ৰায়েৰে মিছা সাক্ষ্য দিয়া বা সাজি কোৱা।

১৯৪। যিয়ে, [১][[২]ভাৰত]ত তৎসময় বলবৎ থকা বিধিৰ দ্বাৰা] মৃত্যু দণ্ডৰে দণ্ডনীয় অপৰাধৰ বাবে কোনো ব্যক্তিক দোষী সাব্যস্ত কৰোৱাৰ অভিপ্ৰায়েৰে বা ইয়াৰ দ্বাৰা তেওঁ কোনো ব্যক্তিক দোষী সাব্যস্ত কৰোৱাৰ সম্ভাৱনা আছে বুলি জানি মিছা সাক্ষ্য দিয়ে বা মিছা সাক্ষ্য সাজি কয়, তেওঁ [৩][আজীৱন কাৰাবাস]ৰে বা সশ্ৰম কাৰাবাসৰে যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমণাৰ বাবেও দায়ী হব,

যদি তাৰ দ্বাৰা নিৰ্দোষ ব্যক্তিক দোষী সাব্যস্ত কৰা হয় আৰু ফাঁচি দিয়া হয়।

আৰু তেনে মিছা সাক্ষ্যৰ পৰিণাম স্বৰূপে যদিহে কোনো নিৰ্দোষ ব্যক্তিক দোষী সাব্যস্ত কৰা হয় আৰু ফাঁচি দিয়া হয়, তেতিয়া তেনে মিছা সাক্ষ্য দিয়া ব্যক্তিজন হয় মৃত্যুৰে বা ইয়াত ইয়াৰ পূৰ্বে বৰ্ণিত দণ্ডৰে দণ্ডিত হব।

আজীৱন কাৰাবাসৰে বা কাৰাবাসৰে দণ্ডনীয় অপৰাধৰ বাবে দোষী সাব্যস্ত কৰোৱাৰ অভিপ্ৰায়েৰে মিছা সাক্ষ্য দিয়া বা সাজি কোৱা।

১৯৫। যিয়ে, এনে অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানি যে ইয়াৰ দ্বাৰা তেওঁ কোনো ব্যক্তিক [১][[২][ভাৰত]ত তৎসময় বলবৎ থকা বিধিৰ দ্বাৰা] মৃত্যুৰে দণ্ডনীয় নোহোৱা বা [৩][আজীৱন কাৰাবাস] বা সাত বছৰ বা ততোধিক কাৰাবাসৰে দণ্ডনীয় হোৱা এনে কোনো অপৰাধৰ বাবে দোষী সাব্যস্ত কৰাব, মিছা সাক্ষ্য দিয়ে বা সাজি কয়, তেওঁ এনেদৰে দণ্ডিত হব যিদৰে সেই অপৰাধৰ বাবে দোষী সাব্যস্ত হোৱা ব্যক্তি দণ্ডৰ বাবে দায়ী হ'লহেতেন।

দৃষ্টান্ত

"ক" ই কোনো ন্যায়ালয়ৰ সন্মুখত "জ" ক ডকাইতিৰ বাবে দোষী সাব্যস্ত কৰোৱাৰ অভিপ্ৰায়েৰে মিছা সাক্ষ্য দিলে। ডকাইতিৰ বাবে দণ্ড হৈছে, জৰিমণা সহ বা জৰিমণা বিনা [৩][আজীৱন কাৰাবাস] বা দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পৰা অৱধিৰ বাবে সশ্ৰম কাৰাবাস, গতিকে "ক" জৰিমণা সহ বা জৰিমণা বিনা [৩][আজীৱন কাৰাবাস]বা কাৰাবাসৰ বাবে দায়ী।

কোনো ব্যক্তিক মিথ্যা সাক্ষ্য দিবলৈ ভীতি প্ৰদৰ্শন বা উৎপ্ৰেৰিত কৰা।

১৮৬০ ৰ ৪৫

[৪][১৯৫ক। যিয়ে, তেওঁৰ ব্যক্তি, খ্যাতি বা সম্পত্তি বা ব্যক্তি বা কোনো এজনৰ খ্যাতিক হানি কৰি অন্য ব্যক্তিক য'ত সেই ব্যক্তি স্বাৰ্থ জড়িত হয়, সেই ব্যক্তিজনক এটা মিথ্যা সাক্ষ্য দিয়াৰৰ অভিপ্ৰায়েৰে ভীতি প্ৰদৰ্শন কৰে, তেওঁ এটা কাৰাবাসেৰে, যাৰ অৱধি সাত বছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব;

আৰু যদি এনে মিছা সাক্ষ্যৰ পৰিণামত কোনো নিৰীহ ব্যক্তিক মৃত্যুৰে বা সাত বছৰতকৈ অধিক কালৰ কাৰাবাসেৰে দোষী সাব্যস্ত কৰা হয় আৰু দণ্ডাদেশ দিয়া হয়, তেন্তে ভীতি প্ৰদৰ্শন কৰা ব্যক্তিজনক, একে দণ্ড আৰু দণ্ডাদেশ আৰু একে বিস্তাৰলৈ দণ্ডিত কৰা হব যিটো নিৰীহ ব্যক্তিজনক দণ্ডিত আৰু দণ্ডাদেশিত কৰা হৈছে।

মিছা বুলি জনা সাক্ষ্য ব্যৱহাৰ কৰা।

১৯৬। যিয়ে, কোনো সাক্ষ্য যিটো তেওঁ মিছাহোৱা বা সঁচা হোৱা বুলি জানে, সঁচা বা আচল সাক্ষ্য ৰূপে সততা পূৰ্বক উপযোগ কৰে বা উপযোগ কৰাৰ বাবে প্ৰয়াস কৰে, তেওঁ সেই এনে ধৰণে দণ্ডিত হব যেনিবা তেওঁ মিছা সাক্ষ্য দিছিল বা মিছা সাক্ষ্য সাজিছিল।

মিছা প্ৰমাণ পত্ৰ জাৰি কৰা বা স্বাক্ষৰ কৰা।

১৯৭। যিয়ে, কোনো প্ৰমাণ পত্ৰ জাৰি কৰে বা স্বাক্ষৰ কৰে, যিখন দিয়াটো বা স্বাক্ষৰ কৰাটো বিধিৰ দ্বাৰা অপেক্ষিত হয় বা যিকোনো তথ্যৰ সম্পৰ্কে যি তথ্যৰ বাবে তেনে প্ৰমাণ পত্ৰ সাক্ষ্য হিচাপে

---

১। অনুকূলন আদেশ, ১৯৪৮ ৰ দ্বাৰা "বৃটিছ ভাৰত বা ইংলেণ্ডৰ বিধিৰ দ্বাৰা" ৰ বাবে প্ৰতিস্থাপিত।

২। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰাত আৰু অনুসূচীৰ দ্বাৰা "ৰাজ্যবোৰ" ৰ বাবে প্ৰতিস্থাপিত।

৩। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৪। দণ্ড বিধি (সংশোধন) অধিনিয়ম ২০০৫ৰ ধাৰা ২ ৰ দ্বাৰা অন্তঃস্থাপিত।

বিধি অনুসৰি গ্ৰাহ্য হয়, এইটো জানিও বা বিশ্বাস কৰিও যে তেনে প্ৰমাণ পত্ৰ কোনো তাত্বিক বিষয়ত মিছা, তেওঁ সেই একেদৰে দণ্ডিত হব যেন তেওঁ মিছা সাক্ষ্য দিছিল।

মিছা বুলি জনা এখন প্ৰমাণ পত্ৰ সত্যৰূপে ব্যৱহাৰ কৰা।

১৯৮। যিয়ে এনে ধৰণৰ কোনো এখন প্ৰমাণ পত্ৰ যিখন কোনো তাত্বিক বিষয়ত মিছা বুলি জানিও ভ্ৰষ্টতা পূৰ্বক উপযোগ কৰে বা ব্যৱহাৰ কৰিবলৈ প্ৰয়াস কৰে, তেওঁ সেই একে ধৰণেৰে দণ্ডিত হব যেন তেওঁ মিছা সাক্ষ্য দিছিল।

বিধিৰ দ্বাৰা সাক্ষ্য ৰূপে গ্ৰহণীয় ঘোষণাত মিছা বিবৃতি দিয়া।

১৯৯। যিয়েই তেওঁৰ দ্বাৰা কৃত বা স্বাক্ষৰিত কোনো ঘোষণাত যি ঘোষণা, কোনো ন্যায়ালয়, বা কোনো লোক সেৱক বা আন ব্যক্তি কোনো তথ্যৰ সাক্ষ্যৰূপে গ্ৰহণ কৰিবলৈ বিধিৰ দ্বাৰা আবদ্ধ বা প্ৰাধিকৃত হয়, যি উদ্দেশ্যৰ বাবে ঘোষণাটো কৰা বা ব্যৱহাৰ কৰা হৈছে তাৰ তাত্বিক বিষয় সম্পৰ্কত এনে কোনো বিবৃতি দিয়ে যিটো মিছা আৰু যিটো, হয়, তেওঁ মিছা বুলি জানে বা বিশ্বাস কৰে বা সঁচা বুলি বিশ্বাস নকৰে, তেওঁ সেই একেদৰে দণ্ডিত হব যেন তেওঁ মিছা সাক্ষ্য দিছিল।

মিছা বুলি জানিও এনে ঘোষণা সত্য ৰূপে ব্যৱহাৰ কৰা।

২০০। যিয়ে এনে ধৰণৰ কোনো ঘোষণা যিটো কোনো তাত্বিক বিষয়ত মিছা বুলি জানিও ভ্ৰষ্টতাপূৰ্বক সত্যৰূপে ব্যৱহাৰ কৰে বা ব্যৱহাৰ কৰিবলৈ প্ৰয়াস কৰে তেওঁ সেই একে ধৰণেৰে দণ্ডিত হব যেন তেওঁ মিছা সাক্ষ্য দিছিল।

**স্পষ্টীকৰণ** - যি ঘোষণা কেৱল কোনো অনিয়মিকতাৰ বাবে হে অগ্ৰাহ্য, ধাৰা ১৯৯ আৰু ২০০ ৰ অৰ্থৰ অন্তৰ্গত ঘোষণা।

অপৰাধৰ সাক্ষ্য নোহোৱা কৰা বা অপৰাধীক প্ৰতিচ্ছাদিত কৰিবলৈ মিছা সংবাদ দিয়া-

২০১। যিয়েই, কোনো অপৰাধ সংঘটিত হৈছে বুলি জানি বা বিশ্বাস কৰিবলৈ কাৰণ থকাত সেই অপৰাধটো সংঘটনৰ কোনো সাক্ষ্য অপৰাধীক বিধিসম্মত দণ্ডৰ পৰা প্ৰতিচ্ছাদিত কৰাৰ অভিপ্ৰায়েৰে, নোহোৱা কৰায়।

বা সেইটো অভিপ্ৰায়েৰে অপৰাধটোৰ সম্পৰ্কে এনে কোনো সংবাদ দিয়ে যিটো তেওঁ মিছা বুলি জানে বা বিশ্বাস কৰে,

যদিহে মৃত্যুৰে দণ্ডনীয় অপৰাধ হয় —

তেওঁ, যদিহে সেই অপৰাধটো, যিটো তেওঁ সংঘটিত কৰা বুলি জানে বা বিশ্বাস কৰে, মৃত্যুৰে দণ্ডনীয় হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

যদিহে আজীৱন কাৰাবাসৰে দণ্ডনীয় হয়—

আৰু যদিহে অপৰাধটো [1][ আজীৱন কাৰাবাস] ৰে বা দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পৰা কাৰাবাসৰে দণ্ডনীয় হয় তেন্তে তেওঁ দুইপ্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব,

যদিহে দহ বছৰতকৈ কম কাৰাবাসৰে দণ্ডনীয় হয়—

আৰু যদিহে অপৰাধটো দহ বছৰৰ অনধিক কোনো এটা অৱধিৰ বাবে কাৰাবাসৰে দণ্ডনীয় হয়, তেন্তে তেওঁ সেই অপৰাধটোৰ বাবে উপবন্ধিত প্ৰকাৰৰ কাৰাবাসৰে, অপৰাধটোৰ বাবে উপবন্ধিত দীৰ্ঘতম অৱধিটোৰ এক চতুৰ্থাংশলৈকে বিস্তাৰিত হব পৰা এনে এটা অৱধিৰ বাবে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

### দৃষ্টান্ত

"খ" ই 'জ'ক হত্যা কৰা বুলি জানিও, "ক" ই "খ" ক দণ্ডৰ পৰা প্ৰতিচ্ছাদিত কৰাৰ অভিপ্ৰায়েৰে "খ"ৰ মৃতদেহটো লুকুৱাই ৰাখিবলৈ সহায় কৰিলে। "ক" সাত বছৰৰ বাবে দুই প্ৰকাৰৰ এটা কাৰাবাস, আৰু জৰিমনাৰ বাবেও দায়ী হব।

সংবাদ দিবলৈ আবদ্ধ ব্যক্তিৰ দ্বাৰা অপৰাধৰ সংবাদ দিয়াত অভিপ্ৰায়সহ ত্ৰুটী।

২০২। যিয়ে, কোনো অপৰাধ সংঘটিত কৰা হৈছে বুলি জানি বা বিশ্বাস কৰিবলৈ কাৰণ থকাত সেই অপৰাধটোৰ সম্পৰ্কে কোনো সংবাদ দিবলৈ অভিপ্ৰায়সহ ত্ৰুটী কৰে যিটো দিবলৈ তেওঁ বিধি অনুসৰি আবদ্ধ তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে, দণ্ডিত হব।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

**সংঘটিত কোনো অপৰাধ সম্পৰ্কে মিছা সংবাদ দিয়া।**

২০৩। যিয়ে, কোনো অপৰাধ সংঘটিত কৰা হৈছে বুলি জানি বা বিশ্বাস কৰিবলৈ কাৰণ থকাত সেই অপৰাধটোৰ সম্পৰ্কে এনে কোনো সংবাদ দিয়ে যিটো তেওঁ মিছা বুলি জানে বা বিশ্বাস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুই বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

[1][স্পষ্টীকৰণ - ধাৰা ২০১ আৰু ২০২ ত আৰু এই ধাৰাত "অপৰাধ" শব্দই [2][ভাৰত]ৰ বাহিৰত যিকোনো স্থানত সংঘটিত কৰা যি কোনো কাৰ্য্য অন্তৰ্ভুক্ত কৰে, যি কাৰ্য্য [2][ভাৰত]ত সংঘটিত কৰা হলে নিম্নোক্ত ধাৰাবোৰৰ যি কোনোটোৰ অধীনত দণ্ডনীয় হ'লহেতেন, অৰ্থাৎ ৩০২, ৩০৪, ৩৮২, ৩৯২, ৩৯৩, ৩৯৪, ৩৯৫, ৩৯৬, ৩৯৭, ৩৯৮, ৩৯৯, ৪০২, ৪৩৫, ৪৩৬, ৪৪৯, ৪৫০, ৪৫৭, ৪৫৮ ৪৫৯ আৰু ৪৬০।

**সাক্ষ্যৰূপে কোনো দস্তাৱেজ উপস্থাপন নিবাৰণ কৰিবলৈ ইয়াক নষ্ট কৰা।**

২০৪। যিয়ে, কোনো [3][দস্তাৱেজ বা ইলেকট্ৰনিক ৰেকৰ্ড] গোপন কৰে বা নষ্ট কৰে, যি [3][দস্তাৱেজ বা ইলেকট্ৰনিক ৰেকৰ্ড] কোনো ন্যায়ালয় বা কোনো লোক সেৱকৰ সম্মুখত সাক্ষ্য হিচাবে তেনে ৰূপে বিধি সম্মতভাৱে অনুষ্ঠিত কোনো কাৰ্য্যবাহীত উপস্থাপন কৰিবলৈ তেওঁক বিধিসম্মত ভাৱে বাধ্য কৰিব পৰা যায়, বা তেনে [3][দস্তাৱেজ বা ইলেকট্ৰনিক ৰেকৰ্ড] উপৰোক্তভাৱে তেনে ন্যায়ালয় বা লোকসেৱকৰ সম্মুখত সাক্ষ্য হিচাবে উপস্থাপন বা ব্যৱহাৰ কৰাটো নিবাৰণ কৰাৰ অভিপ্ৰায়েৰে বা তেওঁক বিধি সম্মতভাৱে চমন কৰা বা সেই প্ৰয়োজনৰ বাবে সেইখন উপস্থাপন কৰিবলৈ অপেক্ষিত হোৱাৰ পিছত এনে [3][দস্তাৱেজ বা ইলেকট্ৰনিক ৰেকৰ্ড] ৰ সমগ্ৰ বা তাৰ কোনো অংশ মচি পেলায় বা নষ্ট কৰে, তেওঁ, দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি দুই বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**বাদ বা অভিযোজনত কোনো কাৰ্য্য বা কাৰ্য্যবাহীৰ প্ৰয়োজনৰ বাবে মিছা প্ৰতিৰূপন।**

২০৫। যিয়ে, মিছাকৈয়ে আন এজনৰ প্ৰতিৰূপণ কৰে, আৰু এনে গৃহীত ৰূপত কোনো বাদ বা আপৰাধিক অভিযোজনত কোনো স্বীকাৰ কৰে বা বিবৃতি দিয়ে বা নিৰ্ণয়ৰ স্বীকাৰোক্তি কৰে, বা কোনো আদেশিকা জাৰি কৰায় বা জামিনদাৰ বা প্ৰতিভূ হয় বা আন কোনো কাৰ্য্য কৰে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**বাজেয়াপ্ত মতে বা নিষ্পাদনত সম্পত্তিৰ অভিগ্ৰহণ নিবাৰণ কৰিবলৈ ইয়াৰ প্ৰৱঞ্চনামূলক অপসাৰণ বা গোপন কৰণ।**

২০৬। যিয়ে, কোনো সম্পত্তি বা তাত থকা কোনো স্বাৰ্থ, সেই সম্পত্তি বা তাত থকা স্বাৰ্থ এনে দণ্ডাদেশৰ অধীনত, যিটো ন্যায়ালয় বা কোনো সক্ষম প্ৰাধিকাৰীৰ দ্বাৰা শুনোৱা হৈছে বা শুনোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ জানে, বাজেয়াপ্তকৰণ হিচাবে বা জৰিমনাৰ পৰিশোধ হিচাবে লৈ যোৱা বা কোনো চিভিল বাদত ন্যায়ালয়ৰ দ্বাৰা দিয়া বা দিয়াৰ সম্ভাৱনা থকা, যিটো তেওঁ জানে, কোনো ডিক্ৰী বা আদেশৰ নিষ্পাদনত লৈ যোৱা নিবাৰণ কৰাৰ অভিপ্ৰায় সহ কোনো ব্যক্তিলৈ প্ৰৱঞ্চনামূলক ভাৱে অপসাৰণ কৰে, গোপন কৰে বা অন্তৰিত কৰে বা পৰিদত্ত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**বাজেয়াপ্ত মতে বা নিষ্পাদনত সম্পত্তিৰ অভিগ্ৰহণ নিবাৰণ কৰিবলৈ প্ৰৱঞ্চনামূলক দাবী।**

২০৭। যিয়ে, প্ৰৱঞ্চনামূলক ভাৱে কোনো সম্পত্তি বা তাৰ কোনো স্বাৰ্থ তেনে সম্পত্তি বা স্বাৰ্থৰ প্ৰতি তেওঁৰ কোনো অধিকাৰ বা অধিকাৰপূৰ্ণ দাবী নাই বুলি জানিও গ্ৰহণ কৰে, লয় বা দাবী কৰে বা কোনো সম্পত্তিত অধিকাৰৰ বিষয়ত এই অভিপ্ৰায়েৰে ছলনা কৰে যে তাৰ দ্বাৰা সেই সম্পত্তি বা তাৰ স্বাৰ্থ এনে দণ্ডাদেশৰ অধীনত যিটো ন্যায়ালয় বা কোনো সক্ষম প্ৰাধিকাৰীৰ দ্বাৰা শুনোৱা হৈছে বা শুনোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ জানে বাজেয়াপ্তকৰণ হিচাবে বা জৰিমনাৰ আদায় হিচাবে লৈ যোৱা বা কোনো চিভিল বাদত ন্যায়ালয়ৰ দ্বাৰা দিয়া বা দিয়াৰ সম্ভাৱনা থকা যিটো তেওঁ জানে,

---

১। ১৮৯৪ চনৰ ৩ নং অধিনিয়ম ধাৰা ৬ ৰ দ্বাৰা সংযুক্ত কৰা হৈছে।

২। "বৃটিছ ভাৰত" শব্দসমূহ অনুকূলন আদেশ, ১৯৪৮, অঃ আঃ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্তভাৱে পঠিত হবলৈ ক্ৰমাগতভাৱে প্ৰতিষ্ঠাপিত।

৩। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম ২০০০ৰ প্ৰথম অনুসূচীৰ ধাৰা ৭ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত (২০০০ ৰ ২১ নং অভিসূচী)।

কোনো ডিক্ৰী বা আদেশৰ নিষ্পাদনত লৈ যোৱাটো নিবাৰণ কৰিব তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

দেয় নোহোৱা ধন ৰাশিৰ বাবে প্ৰৱঞ্চনামূলক ভাবে ডিক্ৰী হোৱাটো সহ্য কৰা।

২০৮। যিয়েই, কোনো ব্যক্তিৰ বাদত এনেকুৱা ধনৰাশিৰ বাবে যি এনে ব্যক্তিক দেয় নহয় বা দেয় ধনৰাশিৰ অধিক হয়, বা কোনো এনে সম্পত্তি বা সম্পত্তিৰ স্বাৰ্থৰ বাবে যাৰ বাবে এনে ব্যক্তি হকদাৰ নহয়, বা নিজৰ বিৰুদ্ধে কোনো ডিক্ৰী বা আদেশ প্ৰৱঞ্চনামূলক ভাবে পাৰিত কৰায়, বা পাৰিত কৰাটো সহ্য কৰে বা কোনো ডিক্ৰী বা আদেশ ইয়াক তুষ্ট কৰাৰ পিছত বা কোনো বিষয়ৰ বাবে যি বিষয়ত সেই ডিক্ৰী বা আদেশ তুষ্ট কৰা হৈছে নিজৰ বিৰুদ্ধে নিষ্পাদিত কৰায় বা কৰাটো সহ্য কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**দৃষ্টান্ত**

"ক" ই "জ" বিৰুদ্ধে এটা বাদ ৰুজু কৰিলে। "জ"ই তেওঁৰ বিৰুদ্ধে "ক"ই ডিক্ৰী এটা লাভ কৰিব বুলি জানি, "খ"ৰ বাদত যাৰ তেওঁৰ বিৰুদ্ধে কোনো ন্যায়সঙ্গত দাবী নাই ন্যায়ালয়ৰ অধিক ধনৰাশিৰ বাবে তেওঁৰ বিৰুদ্ধে প্ৰৱঞ্চনামূলক ভাবে এটা নিৰ্ণয় হোৱাটো সহ্য কৰিলে, যাতে "খ"ই, হয় তেওঁৰ নিজৰ বাবদ বা "জ" ৰ হিতৰ বাবে, "জ"ৰ সম্পত্তি কোনো বিক্ৰীৰ আগমৰ অংশ লব পাৰে যিটো "ক"ৰ "জ" ই এই ধাৰাৰ অধীনত এটা অপৰাধ সংঘটিত কৰিলে।

অসাধুভাৱে ন্যায়ালয়ত মিছা দাবী কৰা।

২০৯। যিয়ে, প্ৰৱঞ্চনামূলক ভাবে বা অসাধুভাৱে, বা কোনো ব্যক্তিৰ ক্ষতি বা বিৰক্তি কৰাৰ অভিপ্ৰায়েৰে, ন্যায়ালয়ত কোনো দাবী কৰে, যিটো তেওঁ মিছা বুলি জানে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

দেয় নোহোৱা ধন ৰাশিৰ বাবে প্ৰৱঞ্চনামূলক ভাবে ডিক্ৰী লাভ কৰা।

২১০। যিয়েই, কোনো ব্যক্তিৰ বিৰুদ্ধে এনেকুৱা ধনৰাশিৰ বাবে যি দেয় নহয়, বা দেয় ধনৰাশিৰ অধিক হয়, বা কোনো এনে সম্পত্তি বা সম্পত্তিৰ স্বাৰ্থৰ বাবে যাৰ বাবে এনে ব্যক্তি হকদাৰ নহয়, কোনো ডিক্ৰী বা আদেশ প্ৰৱঞ্চনামূলক ভাবে লাভ কৰে, বা কোনো ডিক্ৰী বা আদেশ ইয়াক তুষ্ট কৰাৰ পিছত বা কোনো বিষয়ৰ বাবে যি বিষয়ত সেই ডিক্ৰী বা আদেশ তুষ্ট কৰা হৈছে কোনো ব্যক্তিৰ বিৰুদ্ধে প্ৰৱঞ্চনামূলক ভাবে নিষ্পাদিত কৰায় বা নিজৰ নামত প্ৰৱঞ্চনামূলক এনে কোনো কাৰ্য্য কৰাটো সহ্য কৰে, বা কৰাৰ অনুমতি দিয়ে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰৰ বাবে বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

ক্ষতি কৰাৰ অভিপ্ৰায়েৰে অপৰাধৰ মিছা আৰোপ কৰা।

২১১। যিয়ে, কোনো ব্যক্তিক এইটো জানিও যে সেইজন ব্যক্তিৰ বিৰুদ্ধে তেনে কাৰ্য্যবাহী বা আৰোপৰ কোনো ন্যায়সঙ্গত বা বিধিসন্মত আধাৰ নাই, ক্ষতি কৰাৰ অভিপ্ৰায়েৰে সেইজন ব্যক্তিৰ বিৰুদ্ধে কোনো দাণ্ডিক কাৰ্য্যবাহী ৰুজু কৰে বা ৰুজু কৰোৱায় বা কোনো ব্যক্তিক অপৰাধ কৰা বুলি মিছা আৰোপ লগায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব;

আৰু যদিহে তেনে দাণ্ডিক কাৰ্য্যবাহী মৃত্যু, [1][আজীৱন কাৰাবাস] বা সাত বছৰ বা তদুৰ্দ্ধ কাৰাবাসৰে দণ্ডনীয় অপৰাধৰ মিছা আৰোপৰ ওপৰত ৰুজু কৰা হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডনীয় হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

অপৰাধীক আশ্ৰয় দিয়া-

২১২। যেতিয়া কোনো অপৰাধ সংঘটিত কৰা হয় যিয়ে কোনো ব্যক্তিক যিজনক অপৰাধী বুলি তেওঁ জানে বা তেওঁৰ বিশ্বাস কৰিবলৈ কাৰণ থাকে তেওঁক বৈধ দণ্ডৰ পৰা প্ৰতিষ্ঠাপিত কৰাৰ অভিপ্ৰায়েৰে আশ্ৰয় দিয়ে বা লুকাই ৰাখে,

যদি মৃত্যুৰে দণ্ডনীয় অপৰাধ হয়—

যদিহে অপৰাধটো মৃত্যুৰে দণ্ডনীয় হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি পাঁচ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব;

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

**যদি আজীৱন কাৰাবাস বা কাৰাবাসৰে দণ্ডনীয় হয়—**

যদি আজীৱন কাৰাবাস বা কাৰাবাসৰে দণ্ডনীয় হয় আৰু অপৰাধটো যদি [1][আজীৱন কাৰাবাস] বে বা দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পৰা কাৰাবাসেৰে দণ্ডনীয় হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব,

আৰু যদিহে অপৰাধটো কাৰাবাসৰে দণ্ডনীয় হয় যিটো এবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে কিন্তু দহ বছৰলৈ নহয়, তেওঁ অপৰাধটোৰ বাবে উপবন্ধিত প্ৰকাৰৰ এনে কাৰাবাসেৰে যি অপৰাধটোৰ বাবে উপবন্ধিত কৰা কাৰাবাসৰ দীৰ্ঘতম অৱধিৰ এক চতুৰ্থাংশলৈকে বিস্তাৰিত হব পাৰে এনে এটা অৱধিৰ বাবে বা জৰিমনাৰে, বা উভয়েৰে, দণ্ডিত হব।

[2][এই ধাৰাত "অপৰাধ" শব্দে [3][ভাৰত] ৰ বাহিৰৰ যি কোনো স্থানত সংঘটিত কৰা যি কোনো কাৰ্য্য অন্তৰ্ভুক্ত কৰে, যি কাৰ্য্য, যদিহে [3][ভাৰত] ত সংঘটিত কৰা হলে নিম্নোক্ত ধাৰাবোৰৰ কোনোটোৰ অধীনত অৰ্থাৎ ৩০২, ৩০৪, ৩৮২, ৩৯২, ৩৯৩, ৩৯৪, ৩৯৫, ৩৯৬, ৩৯৭, ৩৯৮, ৩৯৯, ৪০২, ৪৩৫, ৪৩৬, ৪৪৯, ৪৫০, ৪৫৭, ৪৫৮, ৪৫৯ আৰু ৪৬০ ৰ অধীনত দণ্ডনীয় হ'লহেঁতেন, আৰু এই ধাৰাৰ প্ৰয়োজনাৰ্থে এনে প্ৰতিটো কাৰ্য্য এনেদৰে দণ্ডনীয় হব বুলি গণ্য কৰা হব যেনিবা অপৰাধী ব্যক্তিজন ইয়াৰ বাবে [3][ভাৰত] ত দোষী হৈছিল।]

**ব্যতিক্ৰম** - এই উপবন্ধটো এনে কোনো ক্ষেত্ৰলৈ বিস্তাৰিত নহয় য'ত আশ্ৰয়দান বা লুকাই ৰখা কাৰ্য্যটো অপৰাধীজনৰ স্বামী বা স্ত্ৰীৰ দ্বাৰা কৰা হৈছে।

### দৃষ্টান্ত

"খ" ই ডকাইতি কৰা বুলি জানি, "ক" ই জানি শুনি "খ" ক, বিধি সম্মত দণ্ডৰ পৰা তেওঁক প্ৰতিচ্ছাদিত কৰিবলৈ লুকাই ৰাখিলে। ইয়াত যিহেতু "খ" [1][আজীৱন কাৰাবাস] ৰ বাবে দায়ী, "ক" দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰৰ অধিক নহয় দায়ী হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**অপৰাধীক দণ্ডৰ পৰা প্ৰতিচ্ছাদিত কৰাৰ বাবে উপহাৰ আদি লোৱা।**

২১৩। যিয়েই, নিজৰ বা কোনো অন্য ব্যক্তিৰ কাৰণে কোনো পৰিতোষণ বা নিজৰ বা কোনো অন্য ব্যক্তিৰ কাৰণে কোনো সম্পত্তিৰ প্ৰত্যাস্থাপন, কোনো অপৰাধ গোপন কৰাৰ বাবে বা কোনো ব্যক্তিক কোনো অপৰাধৰ বাবে বৈধ দণ্ডৰ পৰা প্ৰতিচ্ছাদিত কৰাৰ নিমিত্তে বা কোনো ব্যক্তিৰ বিৰুদ্ধে লোৱা কাৰ্য্যবাহী নলবৰ কাৰণে প্ৰতিদান স্বৰূপে গ্ৰহণ কৰে, লাভ কৰে, লাভ কৰিবলৈ প্ৰয়াস কৰে বা গ্ৰহণ কৰিবলৈ চুক্তি কৰে,

**যদি মৃত্যুৰে দণ্ডনীয় অপৰাধ হয়।**

যদিহে অপৰাধটো মৃত্যুৰে দণ্ডনীয় হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব,

**যদি আজীৱন কাৰাবাসৰে বা কাৰাবাসৰে দণ্ডনীয় হয়।**

আৰু যদিহে অপৰাধটো [1][আজীৱন কাৰাবাস] ৰে বা দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পৰা কাৰাবাসৰে দণ্ডনীয় হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব, আৰু জৰিমনাৰ দায়ী হব,

আৰু যদিহে অপৰাধটো দহ বছৰ পৰ্যন্ত বিস্তাৰিত নোহোৱা এনে কাৰাবাসৰে দণ্ডনীয় হয়, তেন্তে তেওঁ অপৰাধটোৰ বাবে উপবন্ধিত প্ৰকাৰৰ এনে কাৰাবাসেৰে যি অপৰাধটোৰ বাবে উপবন্ধিত কৰা কাৰাবাসৰ দীৰ্ঘতম অৱধিটোৰ এক চতুৰ্থাংশলৈকে বিস্তাৰিত হব পাৰে, এনে এটা অৱধিৰ বাবে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২। ১৮৯৪ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৭ ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। "বৃটিছ ভাৰত" শব্দসমূহ অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ, ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত ভাৱে পঠিত হবলৈ ক্ৰমাগত ভাৱে প্ৰতিস্থাপিত হৈছে।

**অপৰাধীক প্ৰতিস্থাপিত কৰাৰ প্ৰতিদান স্বৰূপে উপহাৰৰ প্ৰস্তাৱ বা সম্পত্তিৰ প্ৰত্যাবৰ্তন-**

২১৪। যিয়েই, কোনো ব্যক্তিক কোনো অপৰাধ সেই ব্যক্তিৰ দ্বাৰা গোপন কৰাৰ বাবে বা সেই ব্যক্তিৰ দ্বাৰা কোনো অপৰাধৰ বাবে বৈধ দণ্ডৰ পৰা প্ৰতিস্থাপিত কৰাৰ নিমিত্তে বা সেই ব্যক্তিৰ দ্বাৰা কোনো ব্যক্তিক বৈধ দণ্ড দিয়াৰ প্ৰয়োজনৰ পৰা তেওঁৰ বিৰুদ্ধে লোৱা কাৰ্যবাহী নললৰ কাৰণে কোনো পৰিতোষ দিয়ে, বা দিয়ায় বা দিয়া বা দিয়াৰৰ বাবে প্ৰস্তাৱ বা চুক্তি কৰে, বা কোনো সম্পত্তিৰ [1][প্ৰত্যাবৰ্ত্তিত কৰে বা কৰায়,]

**যদিহে মৃত্যুৰে দণ্ডনীয় অপৰাধ হয়;**

যদিহে অপৰাধটো মৃত্যুৰে দণ্ডনীয় হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰে বাবেও দায়ী হব;

**যদি আজীৱন কাৰাবাসৰে,বা কাৰাবাসৰে দণ্ডনীয় হয়।**

আৰু যদিহে অপৰাধটো [2][আজীৱন কাৰাবাস]ৰে বা দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পৰা কাৰাবাসৰে দণ্ডনীয় হয় তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব;

আৰু যদিহে অপৰাধটো দহ বছৰ পৰ্যন্ত বিস্তাৰিত নোহোৱা এনে কাৰাবাসৰে দণ্ডনীয় হয়, তেন্তে তেওঁ অপৰাধটোৰ বাবে উপবন্ধিত প্ৰকাৰৰ এনে কাৰাবাসৰে যিটো অপৰাধটোৰ বাবে উপবন্ধিত কৰা কাৰাবাসৰ দীৰ্ঘতম অৱধিটোৰ এক চতুৰ্থাংশলৈকে বিস্তাৰিত হব পাৰে, এনে এটা অৱধিৰ বাবে বা জৰিমনাৰে, বা উভয়েৰে,দণ্ডিত হব।

[3][**ব্যতিক্ৰম** - ধাৰাসমূহ ২১৩ আৰু ২১৪ ৰ উপবন্ধবোৰ এনে কোনো ক্ষেত্ৰলৈ বিস্তাৰিত নহয় যি ক্ষেত্ৰত অপৰাধটো বিধি সম্মত ভাৱে আপোচ কৰিব পৰা যায়]।

[4] X X X X

**চুৰি সম্পত্তি ইত্যাদি পুনৰুদ্ধাৰত সাহায্য কৰিবলৈ উপহাৰ লোৱা।**

২১৫। যিয়ে, কোনো ব্যক্তিক কোনো অস্থাৱৰ সম্পত্তি পুনৰুদ্ধাৰ কৰিবলৈ সাহায্য কৰাৰ ভাওজুৰি বা সাহায্য দান কৰাৰ বাবে কোনো পৰিতোষ লয়, বা লবলৈ চুক্তি কৰে বা সম্মতি দিয়ে, যি সম্পত্তিৰ পৰা এই সংহিতাৰ অধীনত দণ্ডনীয় কোনো অপৰাধৰ দ্বাৰা তেওঁ বঞ্চিত হব, যদিহে তেওঁ অপৰাধীজনক কৰায়ত্ত কৰিবৰ বাবে আৰু অপৰাধটোৰ বাবে দোষী সাব্যস্ত কৰিবৰ বাবে তেওঁৰ ক্ষমতাত থকা সকলোবোৰ উপায় গ্ৰহণ নকৰে, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**এনে অপৰাধীক আশ্ৰয় দিয়া যিজনে অভিৰক্ষাৰ পৰা পলায়ন কৰিছে বা যাৰ কৰায়ত্ত কৰাৰ বাবে আদেশ দিয়া হৈছে।**

২১৬। যেতিয়া কোনো ব্যক্তি যিজনক কোনো অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা হৈছে বা আৰোপিত কৰা হৈছে, সেই অপৰাধটোৰ বাবে বিধি সম্মত অভিৰক্ষাত থাকিও, তেনে অভিৰক্ষাৰ পৰা পলায়ন কৰে,

বা যেতিয়া কোনো লোক সেৱকে তেনে লোক সেৱকৰ বিধি সম্মত ক্ষমতাৱলীৰ প্ৰয়োগত, এজন নিৰ্দিষ্ট ব্যক্তিক কোনো অপৰাধৰ বাবে কৰায়ত্ত কৰাৰ কাৰণে আদেশ দিয়ে, যিয়ে তেনে পলায়ন বা কৰায়ত্তৰ আদেশৰ কথা জানিও, সেই ব্যক্তিজনক কৰায়ত্ত কৰাৰ পৰা নিবাৰিত কৰাৰ অভিপ্ৰায়েৰে আশ্ৰয় দান কৰে বা লুকাই ৰাখে, তেওঁ নিম্নোক্ত ধৰণে দণ্ডিত হব, অৰ্থাৎ

**যদিহে মৃত্যুৰে দণ্ডনীয় অপৰাধ হয়।**

যদিহে অপৰাধটো যিটোৰ বাবে ব্যক্তিজন অভিৰক্ষাত আছিল বা তেওঁৰ কৰায়ত্তৰ আদেশ দিয়া হৈছিল, মৃত্যুৰে দণ্ডনীয় হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব;

---

১। ১৯৫৩ ৰ অধিনিয়ম সংখ্যা ৪২ ৰ ধাৰা ৪ আৰু অনুসূচী ৩ ৰ দ্বাৰা "প্ৰত্যাবৰ্ত্তিত কৰে বা কৰায়" ৰ স্থানত প্ৰতিস্থাপিত।

২। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিস্থাপিত।

৩। ১৮৮২ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ৬ ৰ দ্বাৰা মূল ব্যতিক্ৰমৰ বাবে প্ৰতিস্থাপিত।

৪। ১৮৮২ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা দৃষ্টান্তসমূহ নিৰসিত কৰা হৈছে।

যদিহে আজীৱন কাৰাবাসৰে বা কাৰাবাসৰে দণ্ডনীয় হয়।

যদিহে অপৰাধটো [১][আজীৱন কাৰাবাস] ৰে বা দহ বছৰ কাৰাবাসৰে দণ্ডনীয় হয়, তেন্তে তেওঁ জৰিমনাসহ বা বিনা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব;

আৰু যদিহে অপৰাধটো কাৰাবাসৰে দণ্ডনীয় হয় যিটো এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে কিন্তু দহ বছৰলৈ নহয় তেন্তে তেওঁ অপৰাধটোৰ বাবে উপবন্ধিত প্ৰকাৰৰ কাৰাবাসৰে যিটো অপৰাধটোৰ বাবে উপবন্ধিত কৰা কাৰাবাসৰ দীৰ্ঘতম অৱধিৰ এক চতুৰ্থাংশলৈ বিস্তাৰিত হব পাৰে এনে এটা অৱধিৰ বাবে বা জৰিমনাৰে বা উভয়েৰে, দণ্ডিত হব।

[২][এই ধাৰাত "অপৰাধ" শব্দে কোনো কাৰ্য্য বা ত্ৰুটীকো অন্তৰ্ভুক্ত কৰে যাৰ বাবে কোনো ব্যক্তি [৩][ভাৰত] ৰ বাহিৰত দোষী হোৱা বুলি অভিকথিত কৰা হৈছে, যিটো, যদিহে তেওঁ ইয়াৰ বাবে [৩][ভাৰত] ত দোষী হ'লহেতেন, এটা অপৰাধ হিচাপে দণ্ডনীয় হ'লহেতেন, আৰু যাৰ বাবে তেওঁ, প্ৰত্যাৰ্পণ সম্পৰ্কীয় কোনো বিধিৰ অধীনত, [৪]x x x x অন্যথা [৩][ভাৰত] ত কৰায়ত্ত হোৱাৰ বা অভিৰক্ষাত নিৰুদ্ধ হোৱাৰ বাবে দায়ী; আৰু এই ধাৰাৰ প্ৰয়োজনবোৰৰ বাবে এনে প্ৰত্যেক কাৰ্য্য বা ত্ৰুটী এনেদৰে দণ্ডনীয় বুলি গণ্য কৰা হব যেনিবা অভিযুক্ত ব্যক্তিজন ইয়াৰ বাবে [৩][ভাৰত] ত দোষী হৈছিল।

**ব্যতিক্ৰম** - এই উপবন্ধটো এনে ক্ষেত্ৰ লৈ বিস্তাৰিত নহয় যি ক্ষেত্ৰত আশ্ৰয় দান বা লুকাই ৰখা কাৰ্য্যটো কৰায়ত্ত কৰিবলগীয়া ব্যক্তিজনৰ স্বামী বা স্ত্ৰীৰ দ্বাৰা কৰা হৈছে।

লুণ্ঠক বা ডকাইতক আশ্ৰয় দিয়াৰ বাবে দণ্ড।

[৫][২১৬ক। যিয়ে, জানি শুনি বা বিশ্বাস কৰিবলৈ কাৰণ থকাত যে কিছুমান ব্যক্তিয়ে লুণ্ঠন বা ডকাইতি সংঘটিত কৰিব ওলাইছে বা অলপতে সংঘটিত কৰিছে, তেওঁলোকক বা, তেওঁলোকৰ কোনোএজনক তেনে লুণ্ঠন বা ডকাইতিৰ সংঘটন সুচল কৰাৰ বা তেওঁলোকৰ কোনোজনক দণ্ডৰ পৰা প্ৰতিচ্ছাদিত কৰাৰ অভিপ্ৰায়েৰে আশ্ৰয় দিয়ে তেওঁ সশ্ৰম কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - এই ধাৰাৰ প্ৰয়োজনাৰ্থে, লুণ্ঠন বা ডকাইতিটো [৩][ভাৰত] ৰ ভিতৰত বা বাহিৰত কৰিবলৈ অভিপ্ৰেত হৈছে বা কৰা হৈছে সেইটো গুৰুত্বহীন।

**ব্যতিক্ৰম** - এই উপবন্ধটো এনে এটা ক্ষেত্ৰলৈ বিস্তাৰিত নহয় য'ত আশ্ৰয় দান কাৰ্য্যটো অপৰাধীজনৰ স্বামী বা স্ত্ৰীৰ দ্বাৰা কৰা হৈছে।

[৫][২১৬খ। ধাৰা সমূহ ২১২, ২১৬ আৰু ২১৬ "ক ত আশ্ৰয় দান" ৰ পৰিভাষা। ভাৰতীয় দণ্ড সংহিতা (সংশোধন) অধিনিয়ম, ১৯৪২ (১৯৪২ ৰ ৮) ৰ ধাৰা ৩ ৰ দ্বাৰা নিৰসিত।

---

১। ১। ১৯৫৫ চনৰ ২৬ অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৮৮৬ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২৩ ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। "বৃটিছ ভাৰত" শব্দসমূহ অনুকুলন আদেশ, ১৯৪৮, অনুকুলন আদেশ, ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত ভাবে পঠিত হবলৈ ক্ৰমাগত ভাবে প্ৰতিষ্ঠাপিত হৈছে।

৪। "বা ফিউজিটিভ অফেন্দাৰ এক্ট ১৮৮১ ৰ অধীনত" শব্দসমূহ ১৯৫১ ৰ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা লোপ কৰা হৈছে।

৫। ১৮৯৪ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৮ ৰ দ্বাৰা অন্তঃস্থাপিত।

**লোকসেৱকে কোনো ব্যক্তিক দণ্ডৰ পৰা বা সম্পত্তিৰ বাজেয়াপ্তকৰণৰ পৰা ৰক্ষা কৰাৰ অভিপ্ৰায়েৰে বিধিৰ নিৰ্দেশ অৱজ্ঞা কৰা।**

২১৭। যিয়ে, কোনো লোক সেৱক হৈ তেনে লোক সেৱক ৰূপে তেওঁ নিজে কিদৰে আচৰণ কৰিব লাগে সেইটো জানি শুনি সেই বিষয়ে থকা বিধিৰ নিৰ্দেশৰ অৱজ্ঞা কোনো ব্যক্তিক বৈধ দণ্ডৰ পৰা ৰক্ষা কৰাৰ অভিপ্ৰায়েৰে বা সম্ভাব্যতাৰ দ্বাৰা ৰক্ষা কৰিব বুলি জানি বা তেওঁ দায়িত্বাধীন হোৱা দণ্ডতকৈ কম দণ্ড দিয়াৰ এইটো সম্ভাব্য বুলি জানি বা কোনো সম্পত্তি এনে বাজেয়াপ্তকৰণ বা ভাৰৰ পৰা যাৰ বাবে সেই সম্পত্তি বিধিৰ দায়িত্বাধীনত আছে, ৰক্ষা কৰাৰ অভিপ্ৰায়েৰে বা সম্ভাব্যতাৰ দ্বাৰা ৰক্ষা কৰিব বুলি জানি কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুই বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**কোনো ব্যক্তিক দণ্ডৰ পৰা বা কোনো সম্পত্তিক বাজেয়াপ্তকৰণৰ পৰা ৰক্ষা-কৰাৰ অভিপ্ৰায়েৰে লোকসেৱকৰ দ্বাৰা অশুদ্ধ অভিলেখ বা লিখনি ৰচনা।**

২১৮। যিয়ে, লোক সেৱক হৈ, আৰু এনে লোকসেৱক ৰূপে কোনো অভিলেখ বা আন লেখন প্ৰস্তুত কৰণৰ ভাৰপ্ৰাপ্ত হৈ, সেই অভিলেখ বা লেখ এনে ধৰণে ৰচনা কৰে যিটো তেওঁ অশুদ্ধ বুলি জানে, জনসাধাৰণক বা কোনো ব্যক্তিক হানি বা ক্ষতি কৰোৱাৰ অভিপ্ৰায়েৰে বা সম্ভাব্যতাৰ দ্বাৰা কৰাব বুলি জানি বা কোনো ব্যক্তিক বৈধ দণ্ডৰ পৰা ৰক্ষা কৰাৰ অভিপ্ৰায়েৰে বা সম্ভাব্যতাৰ দ্বাৰা ৰক্ষা কৰিব বুলি জানি বা কোনো সম্পত্তি বাজেয়াপ্তকৰণ বা অন্য ভাৰৰ পৰা যাৰ দায়িত্বাধীনত সেই সম্পত্তি বিধি অনুসৰি আছে, ৰক্ষা কৰাৰ অভিপ্ৰায়ে বা সম্ভাব্যতাৰ দ্বাৰা ৰক্ষা কৰিব বুলি জানি কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**ন্যায়িক কাৰ্য্যবাহীত বিধিৰ প্ৰতিকূল প্ৰতিবেদন আদিৰ লোক সেৱকৰ দ্বাৰা ভ্ৰষ্টতাপূৰ্বক দিয়া।**

২১৯। যিয়ে, কোনো লোক সেৱক হৈ কোনো ন্যায়িক কাৰ্য্যবাহীৰ কোনো পৰ্য্যায়ত কোনো প্ৰতিবেদন, আদেশ, অধিমত বা বিনিশ্চয় ভ্ৰষ্টতাপূৰ্বক বা দ্বেষপূৰ্বক দিয়ে বা শুনায় যিটো তেওঁ বিধিৰ প্ৰতিকূল বুলি জানে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**প্ৰাধিকাৰযুক্ত ব্যক্তিৰ দ্বাৰা যি বিধিৰ প্ৰতিকূলে কাৰ্য্যকৰী থকা বুলি জানে, বিচাৰৰ বাবে বা পৰিৰোধকৰণৰ বাবে সোপৰ্দকৰণ।**

২২০। যিয়ে, কোনো পদত থাকি যিটো তেওঁক ব্যক্তি সমূহক বিচাৰৰ বাবে বা পৰিৰোধকৰণৰ বাবে সোপৰ্দ কৰিবলৈ বা পৰিৰোধত ৰাখিবলৈ বৈধ প্ৰাধিকাৰ দিয়ে, সেই প্ৰাধিকাৰৰ প্ৰয়োগত ভ্ৰষ্টতা পূৰ্বক বা দ্বেষপূৰ্বক কোনো ব্যক্তিক বিচাৰৰ বা পৰিৰোধকৰণৰ বাবে সোপৰ্দ কৰে বা কোনো ব্যক্তিক পৰিৰোধত ৰাখে, এই কথা জানিও যে তেনে কাৰ্য্য কৰোতে তেওঁ বিধিৰ প্ৰতিকূলে কাৰ্য্য কৰি আছে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**কৰায়ত্ত কৰিবলৈ আবদ্ধ লোক সেৱকৰ দ্বাৰা কৰায়ত্ত কৰাত অভিপ্ৰেত ত্ৰুটী।**

২২১। যিয়ে, এনে লোকসেৱক হৈ, যি কোনো অপৰাধৰ বাবে আৰোপিত বা কৰায়ত্ত হবলৈ দায়িত্বাধীন কোনো ব্যক্তিক কৰায়ত্ত কৰিবলৈ বা পৰিৰোধত ৰাখিবলৈ এনে লোকসেৱকৰূপে বৈধ ভাবে আবদ্ধ হৈ এনে ব্যক্তিক কৰায়ত্ত কৰিবলৈ অভিপ্ৰেত ভাবে ত্ৰুটী কৰে বা পৰিৰোধকৰণৰ পৰা এনে ব্যক্তিৰ পলায়ন কৰাটো সহ্য কৰে বা এনে ব্যক্তি পলায়ন কৰাত বা পলায়ন কৰাৰ প্ৰয়াসৰ অভিপ্ৰেত ভাবে সহায় কৰে, তেওঁ নিম্নোক্ত ধৰণে দণ্ডিত হব, অৰ্থাৎ :-

যদিহে পৰিৰোধত থকা ব্যক্তিজন, বা যিজন ব্যক্তিক কৰায়ত্ত কৰাটো উচিত আছিল, সেই ব্যক্তি জনক মৃত্যুৰে দণ্ডনীয় অপৰাধৰ বাবে আৰোপিত কৰা হয়, বা কৰায়ত্ত কৰাৰ বাবে দায়ী হয় তেওঁ জৰিমনা সহ বা বিনা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে; বা

যদিহে পৰিৰোধত থকা ব্যক্তিজন বা যিজন ব্যক্তিক কৰায়ত্ত কৰা উচিত আছিল সেই ব্যক্তিজনক [1][আজীৱন কাৰাবাস] ৰে বা দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে এনে এটা অৱধিৰ বাবে কাৰাবাসৰে দণ্ডনীয় এটা অপৰাধৰ বাবে আৰোপিত কৰা হয়, বা কৰায়ত্তৰ বাবে দায়ী হয়, তেওঁ জৰিমনা সহ বা বিনা, দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা

যদিহে পৰিৰোধত থকা ব্যক্তিজনক বা যিজন ব্যক্তিক কৰায়ত্ত কৰাটো উচিত আছিল, সেই

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

ব্যক্তিজন দহ বছৰতকৈ কম অৱধিৰ কাৰাবাসৰে দণ্ডনীয় অপৰাধৰ বাবে আৰোপিত কৰা বা কৰায়ত্ত কৰাৰ বাবে দায়ী হয়, তেওঁ জৰিমনা সহ ৭ (৭০) দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুই বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে।

**দণ্ডাদেশৰ অধীনত বা বিধি সম্মত ভাবে ছোৰ্পদ কৰা ব্যক্তিক কৰায়ত্ত কৰাৰ বাবে আবদ্ধ লোক সেৱকৰ দ্বাৰা কৰায়ত্ত কৰিবলৈ অভিপ্ৰেত ভাবে ত্ৰুটী কৰা।**

২২২। যিয়ে, লোক সেৱক হৈ কোনো অপৰাধৰ বাবেকোনো ন্যায়ালয়ৰ দণ্ডাদেশৰ অধীনত [1][বা অভিৰক্ষাতে বিধি সম্মত ভাবে ছোৰ্পদ কৰা] কোনো ব্যক্তিক কৰায়ত্ত কৰিবলৈ বা পৰিৰোধত ৰাখিবলৈ এনে লোক সেৱক ৰূপে বৈধ ভাবে আবদ্ধ হৈ এনে ব্যক্তিক কৰায়ত্ত কৰিবলৈ অভিপ্ৰেত ভাবে ত্ৰুটী কৰে বা পৰিৰোধৰ পৰা তেনে ব্যক্তিৰ পলায়ন কৰাটো সহ্য কৰে বা এনে ব্যক্তি পলায়ন কৰাত বা পলায়ন কৰাৰ প্ৰয়াসত অভিপ্ৰেত ভাবে সহায় কৰে তেওঁ নিম্নোক্ত ধৰণে দণ্ডিত হব অৰ্থাৎ :-

যদিহে পৰিৰোধত থকা ব্যক্তিজন, বা যিজনক কৰায়ত্ত কৰা উচিত আছিল তেওঁ, মৃত্যু দণ্ডাদেশৰ অধীনত আছে, তেন্তে তেওঁ জৰিমনা সহ বা বিনা [2][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি চৈধ্য বছৰলৈ বিস্তাৰিত হব পাৰে, বা

যদিহে পৰিৰোধত থকা ব্যক্তিজন বা যিজনক কৰায়ত্ত কৰা উচিত আছিল তেওঁ ন্যায়ালয়ৰ দণ্ডাদেশৰ দ্বাৰা বা এনে দণ্ডাদেশৰ লঘুকৰণৰ আধাৰত [2][আজীৱন কাৰাবাস] [3]xxx [4]xxx [5]xxx [6]xxx বা দহ বছৰৰ বা তদূৰ্দ্ধ অৱধিৰ বাবে কাৰাবাসৰ অধ্যধীন হব, তেন্তে জৰিমনা সহ বা বিনা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে; বা

যদিহে পৰিৰোধত থকা ব্যক্তিজনক বা যিজন ব্যক্তিক কৰায়ত্ত কৰা উচিত আছিল সেই ব্যক্তিজন ন্যায়ালয়ৰ দণ্ডাদেশৰ দ্বাৰা দহ বছৰতকৈ অধিক নোহোৱা অৱধিৰ বাবে কাৰাবাসৰ অধ্যধীন হয় [1][বা যদি সেই ব্যক্তিক অভিৰক্ষাত বিধি সম্মত ছোৰ্পদ কৰা হৈছে] তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে।

**লোকসেৱকৰ দ্বাৰা অৱহেলাৰে পৰিৰোধ বা অভিৰক্ষাৰ পৰা পলায়ন কৰাটো সহ্য কৰা।**

২২৩। যিয়ে, এনে লোক সেৱক হৈ যি অপৰাধৰ বাবে আৰোপিত বা দোষী সাব্যস্ত [1][বা অভিৰক্ষাত বিধি সম্মত ভাবে ছোৰ্পদ কৰা] কোনো ব্যক্তিক পৰিৰুদ্ধ কৰি ৰাখিবলৈ এনে লোক সেৱক ৰূপে আবদ্ধ, এনে ব্যক্তি পৰিৰুদ্ধ হৈ থকাৰ পৰা পলায়ন কৰাটো অৱহেলা পূৰ্বক সহ্য কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**কোনো ব্যক্তিৰ দ্বাৰা তেওঁ বিধি সম্মত কৰায়ত্ত কৰণত প্ৰতিৰোধ বা বাধা।**

২২৪। যিয়ে, কোনো এনে অপৰাধৰ বাবে যাৰ কাৰণে তেওঁক আৰোপিত কৰা হৈছে বা যাৰ বাবে তেওঁক দোষী সাব্যস্ত কৰা হৈছে তেওঁৰ বিধি সম্মত কৰায়ত্ত কৰণত অভিপ্ৰেত ভাবে প্ৰতিৰোধ কৰে বা অবৈধ ভাবে বাধা দিয়ে বা কোনো অভিৰক্ষাৰ পৰা য'ত তেওঁক কোনো এনে অপৰাধৰ বাবে নিৰুদ্ধ কৰা হৈছে, পলায়ন কৰে বা পলায়ন কৰিবলৈ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে

---

১। ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ৮ ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৯৫৫ চনৰ ২৬ অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৩। ১৯৪৯ চনৰ ১৭ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা "বা আজীৱন কঠোৰ শ্ৰম কাৰাবাস" শব্দসমূহ লোপ কৰা হৈছে (৬-৪-১৯৪৯ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৪। ১৯৫৭ চনৰ ৩৬ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচী ২ৰ দ্বাৰা "বা জৈ" শব্দসমূহ লোপ কৰা হৈছে।

৫। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "নিৰ্বাসন" শব্দ লোপ কৰা হৈছে।

৬। ১৯৪৯ চনৰ ১৭ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা "বা কঠোৰ শ্ৰম কাৰাবাস" শব্দসমূহ লোপ কৰা হৈছে (৬-৪-১৯৪৯ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

যাৰ অৱধি দুবছৰ পৰ্যান্ত বিস্তাৰিত হ'ব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হ'ব।

**স্পষ্টীকৰণ** —এই ধাৰাৰ দণ্ড সেই দণ্ডৰ অতিৰিক্ত হ'ব যি দণ্ড কৰায়ত্ত কৰিবলগীয়া বা অভিৰক্ষাত নিৰুদ্ধ কৰিবলগীয়া ব্যক্তিজন সেই অপৰাধৰ বাবে দায়ী আছিল যি অপৰাধটোৰ বাবে তেওঁক আৰোপিত কৰা হৈছিল বা তেওঁক দোষী সাব্যস্ত কৰা হৈছিল।

কোনো অন্য ব্যক্তিৰ কৰায়ত্ত কৰণত প্ৰতিৰোধ বা বাধা।

২২৫। যিয়ে, কোনো এনে অপৰাধৰ বাবে যাৰ কাৰণে কোনো অন্য ব্যক্তিৰ বিধি সম্মত কৰায়ত্ত কৰণত অভিপ্ৰেত ভাবে প্ৰতিৰোধ কৰে বা অবৈধ বাধা দিয়ে বা কোনো ব্যক্তিক কোনো এনে অভিৰক্ষাৰ পৰা য'ত সেই ব্যক্তিক কোনো অপৰাধৰ বাবে বিধি সম্মত ভাবে নিৰুদ্ধ কৰা হৈছে, উদ্ধাৰ কৰে বা উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুই বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

বা কৰায়ত্ত কৰিবলগীয়া বা উদ্ধাৰ কৰা ব্যক্তি জনক বা উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰা ব্যক্তিজনক [1][আজীৱন কাৰাবাস] ৰে বা দহ বছৰ পৰ্য্যান্ত বিস্তাৰিত হব পৰা এটা অৱধিৰ বাবে কাৰাবাসৰে দণ্ডনীয় এটা অপৰাধৰ বাবে আৰোপিত কৰা হয় বা তেওঁ তাৰ বাবে কৰায়ত্ত হবলৈ দায়িত্বাধীন হয় তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰ পৰ্য্যান্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব;

বা যদিহে কৰায়ত্ত কৰিবলগীয়া ব্যক্তিজনক বা উদ্ধাৰ কৰা বা উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰা ব্যক্তিজনক মৃত্যুৰে দণ্ডনীয় হোৱা এনে এটা অপৰাধৰ বাবে আৰোপিত কৰা হয় বা তেওঁ কৰায়ত্ত হবলৈ দায়িত্বাধীন হয় তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্য্যান্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব;

বা যদিহে কৰায়ত্ত কৰিবলগীয়া বা উদ্ধাৰ কৰা বা উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰা ব্যক্তিজনক কোনো ন্যায়ালয়ৰ দণ্ডাদেশৰ অধীনত বা তেওঁ তেনে দণ্ডাদেশৰ লঘুকৰণৰ আধাৰত [1][আজীৱন কাৰাবাস] ৰে [2]xxx [3]xxx [4]xxx বা দহ বছৰ বা তদুৰ্দ্ধ অৱধিৰ কাৰাবাসৰে দণ্ডনীয় হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্য্যান্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব;

বা যদিহে কৰায়ত্ত কৰিবলগীয়া বা উদ্ধাৰ কৰা বা উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰা ব্যক্তিজন মৃত্যু দণ্ডাদেশৰ অধীন হৈ থাকে, তেন্তে তেওঁ [1][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰৰ অধিক নহয়, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

অন্যথা উপবন্ধ নকৰা ক্ষেত্ৰবোৰত লোক সেৱকে কৰায়ত্ত কৰিবলৈ ত্ৰুটী কৰা বা পলায়ন কৰাটো সহ্য কৰা।

[5][২২৫ক। যিয়ে, লোকসেৱক হৈ কোনো ব্যক্তিক কৰায়ত্ত কৰিবলৈ বা পৰিৰোধ কৰি ৰাখিবলৈ এনে কোনো সেৱক ৰূপে বৈধ ভাবে আবদ্ধ হৈ ধাৰা ২২১, ধাৰা ২২২ বা ধাৰা ২২৩ বা তৎসময় বলবৎ থকা আন কোনো বিধিত উপবন্ধ নকৰা এনে কোনো ক্ষেত্ৰত, সেই ব্যক্তিজনক কৰায়ত্ত কৰিবলৈ ত্ৰুটী কৰে বা তেওঁ পৰিৰোধ হৈ থকাৰ পৰা পলায়ন কৰাটো সহ্য কৰে, তেওঁ —

---

১। ১৯৫৫ চনৰ ২৬ অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৫৭ চনৰ ৩৬ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচী ২ ৰ দ্বাৰা "বা......লৈ বাবে" শব্দসমূহ লোপ কৰা হৈছে।

৩। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "নিৰ্বাসন" শব্দটো লোপ কৰা হৈছে।

৪। ১৯৪৯ চনৰ ১৭ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা "কঠোৰ শ্ৰম কাৰাবাস" শব্দসমূহ লোপ কৰা হৈছে।

৫। ১৮৮৬ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২৪(১) ৰ দ্বাৰা ধাৰা সমূহ ২২৫ক আৰু ২২৫খ, ধাৰা ২২৫ক ৰ বাবে প্ৰতিষ্ঠাপিত কৰা হৈছিল যিটো ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ৯ৰ দ্বাৰা অন্তঃস্থাপিত কৰা হৈছিল।

(ক) যদি তেওঁ অভিপ্ৰায় পূৰ্বক তেনে কৰে, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে, আৰু

(খ) যদি তেওঁ অৱহেলাৰ তেনে কৰে, বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব।

অন্যথা উপবন্ধ নকৰা ক্ষেত্ৰবোৰত বিধি সম্মত কৰায়ত্তকৰণত প্ৰতিৰোধ বা বাধা বা পলায়ন বা উদ্ধাৰ কৰা।

২২৫খ। যিয়ে, ধাৰা ২২৪ বা ধাৰা ২২৫ বা তৎসময় বলবৎ থকা আন কোনো বিধিত উপবন্ধ নকৰা যি কোনো এটা ক্ষেত্ৰত তেওঁ বা আন যি কোনো ব্যক্তিৰ বিধি সম্মত কৰায়ত্ত কৰণত অভিপ্ৰায় পূৰ্বক কোনো প্ৰতিৰোধ কৰে বা অবৈধ বাধা জন্মায়, বা কোনো অভিৰক্ষাৰ পৰা পলায়ন কৰে বা পলায়ন কৰিবলৈ প্ৰয়াস কৰে, যি অভিৰক্ষাত তেওঁক বিধি সম্মত ভাৱে নিৰুদ্ধ কৰি ৰখা হৈছে, বা কোনো ব্যক্তিক কোনো অভিৰক্ষাৰ পৰা উদ্ধাৰ কৰে, বা উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰে, যি অভিৰক্ষাত সেই ব্যক্তিজনক বিধি সম্মত ভাৱে নিৰুদ্ধ কৰি ৰখা হৈছে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।]

২২৬। [নিৰ্বাসনৰ পৰা বিধি বিৰুদ্ধ প্ৰত্যাবৰ্তন] দণ্ড প্ৰক্ৰিয়া সংহিতা (সংশোধন) অধিনিয়ম, ১৯৫৫ (১৯৫৫ ৰ ২৬) ৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা ১/১/১৯৫৬ ৰ পৰা) নিৰসিত।

দণ্ডৰ ৰেহাইৰ চৰ্তৰ লঙ্ঘন।

২২৭। যিয়ে, দণ্ডৰ কোনো চৰ্ত সাপেক্ষে ৰেহাই গ্ৰহণ কৰি এনে ৰেহাই মঞ্জুৰ কৰা কোনো চৰ্ত, জানি শুনি লঙ্ঘন কৰে, তেওঁ মূলতঃ দণ্ডাদিষ্ট হোৱা দণ্ডৰে দণ্ডিত হব, যদি তেওঁ সেই দণ্ডৰ কোনো এটা ভাগ ইতিপূৰ্বে ভোগ কৰা নাই আৰু যদিহে তেওঁ সেই দণ্ডৰ কোনো ভাগ ইতিপূৰ্বে ভোগ কৰিছে, তেন্তে সেই দণ্ডৰ সিমান যিমি যিমিনি তেওঁ ইতিপূৰ্বে ভোগ কৰা নাই।

ন্যায়িক কাৰ্য্যবাহী চলাই থকা লোক সেৱকক অভিপ্ৰায়সহ অপমান বা ব্যাঘাত।

২২৮। যিয়ে, কোনো লোকসেৱকক তেনে লোকসেৱকে কোনো ন্যায়িক কাৰ্য্যবাহীৰ কোনো এটা পৰ্য্যায়ত চলাই থাকোতে, অপমান কৰে, বা কোনো ধৰণৰ ব্যাঘাত জন্মায়, তেওঁ বিনা শ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

কিছুমান নিৰ্দিষ্ট অপৰাধ ইত্যাদিত পীড়িত ব্যক্তিৰ পৰিচয় প্ৰকটকৰণ।

[1][২২৮ক। (১) যিয়ে, কোনো নাম বা অন্য বিষয়, যাৰ দ্বাৰা এনে কোনো ব্যক্তিৰ (যাক এই ধাৰাত ইয়াৰ পিছত পীড়িত ব্যক্তি বুলি উল্লেখ কৰা হৈছে) পৰিচয় প্ৰকাশ হব পাৰে, যাৰ বিৰুদ্ধে ধাৰা ৩৭৬, বা ধাৰা ৩৭৬ক, ধাৰা ৩৭৬খ, বা ধাৰা ৩৭৬গ ৰ বা ধাৰা ৩৭৬ঘ ৰ অধীনত কোনো অপৰাধ কৰাটো অভিকথিত হৈছে বা এনে অপৰাধ সংঘটিত কৰা পোৱা গৈছে, মুদ্ৰিত বা প্ৰকাশিত কৰে, তেওঁ দুয়োটাৰে যিকোনো এক প্ৰকাৰৰ কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

(২) উপধাৰা (১) ৰ কোনো কথাই কোনো নাম বা কোনো বিষয়ৰ মুদ্ৰন বা প্ৰকাশনলৈ বিস্তাৰিত নহব, যদিহে তাৰ দ্বাৰা পীড়িত ব্যক্তিৰ পৰিচয় প্ৰকাশ হব পাৰে, যেতিয়া এনে মুদ্ৰন বা প্ৰকাশন—

(ক) আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত পদাধিকাৰী বা এনে অপৰাধ অনুসন্ধান কৰা আৰক্ষী পদাধিকাৰীৰ দ্বাৰা তেওঁৰ লিখিত আদেশৰ অধীনত যিয়ে, এনে অনুসন্ধানৰ প্ৰয়োজনত সদভাৱ পূৰ্বক কাৰ্য্য কৰে, বা

(খ) পীড়িত ব্যক্তিৰ দ্বাৰা বা তেওঁৰ লিখিত প্ৰাধিকাৰসহ কৰিলে ; বা

(গ) যিক্ষেত্ৰত পীড়িত ব্যক্তিৰ মৃত্যু হৈছে, বা তেওঁ নাবালক বা অসুস্থ মনৰ হয়, তেনে ক্ষেত্ৰত পীড়িত ব্যক্তিৰ নিকটতম সম্বন্ধীয়ৰ দ্বাৰা বা তেওঁৰ লিখিত প্ৰাধিকাৰৰ দ্বাৰা কৰা হয় ঃ

পৰন্তু নিকটতম সম্বন্ধীয়ৰ দ্বাৰা এনে কোনো প্ৰধিকাৰ কোনো স্বীকৃতিপ্ৰাপ্ত কল্যাণ সংস্থা সংগঠনৰ চেয়াৰমেন বা সচিবৰ যি নামেৰে অভিহিত নহওক, বাহিৰে অন্য কোনো ব্যক্তিক দিয়া নহব।

স্পষ্টীকৰণ - এই উপধাৰাৰ প্ৰয়োজনৰ বাবে "স্বীকৃতিপ্ৰাপ্ত কল্যাণ সংস্থা বা সংগঠন" এই

---

১। ১৯৮৩ চনৰ ৪ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা অন্তৰ্স্থাপিত।

ক্ষেত্ৰত কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত কোনো সমাজ কল্যাণ সংস্থা বা সংগঠনক বুজায়।

(৩) যিয়ে, উপধাৰা (১)ত নিৰ্দিষ্ট কোনো অপৰাধ সম্পৰ্কত কোনো ন্যায়ালয়ৰ সন্মুখত কোনো কাৰ্য্যবাহী সম্বন্ধে কোনো কথা, সেই ন্যায়ালয়ৰ পূৰ্ব অনুমতি বিনা মুদ্ৰিত বা প্ৰকাশিত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - কোনো উচ্চ ন্যায়ালয় বা উচ্চতম ন্যায়ালয়ৰ কোনো নিৰ্ণয়ৰ মুদ্ৰণ বা প্ৰকাশন এই ধাৰাৰ অৰ্থত অপৰাধ নহয়।]

**জুৰী সদস্য বা এচেচৰৰ প্ৰতিৰূপন।**

২২৯। যিয়েই কোনো গোচৰত প্ৰতিৰূপনৰ দ্বাৰা বা অন্যথা নিজকে এইটো জানি জুৰী সদস্য বা এচেচৰ ৰূপে তালিকা ভুক্ত, পেনেল ভুক্ত বা গৃহীত শপত অভিপ্ৰায় সহ কৰায় বা হবলৈ দিয়াটো সহ্য কৰে যে তেওঁ এইদৰে তালিকাভুক্ত বা পেনেলভুক্ত বা গৃহীত শপত হোৱাটো বিধিৰ দ্বাৰা হকদাৰ নহয় বা এইটো জানি যে তেওঁ এইদৰে তালিকাভুক্ত, পেনেলভুক্ত বা গৃহীত শপত বিধিৰ প্ৰতিকূলে হৈছে এনে জুৰিত বা এনে এচেচৰ ৰূপে স্বেচ্ছাই সেৱা কৰিব, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুইবছৰ পৰ্য্যন্ত বিস্তাৰিত হব, পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**জামিন বা খতপত্ৰত খালাচ পোৱা ব্যক্তি ন্যায়ালয়ত হাজিৰ হবলৈ অসফল।**

[1][২২৯ক। কোনো এটা অপৰাধত অভিযুক্ত হোৱা আৰু প্ৰত্যাভূতি বিনা জামিন বা খতপত্ৰত খালাচ পোৱা যিজনেই জামিন বা খতপত্ৰৰ অৱধিৰ অনুসৰণত পৰ্য্যাপ্ত কাৰণ বিনা (প্ৰমাণৰ ভাৰ যিবোৰ তেওঁৰ ওপৰত চলিব) ন্যায়ালয়ত হাজিৰ হবলৈ অসফল হয়, তেওঁ যি কোনো বৰ্ণনাৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।]

**স্পষ্টীকৰণ** - এই ধাৰাৰ অধীনত দণ্ড —

(ক) এই দণ্ডৰ অতিৰিক্ত যিটোত অপৰাধী জন অপৰাধটোৰ বাবে দোষী সাব্যস্তকৰণৰ বাবে দায়ী হব যিটোৰ বাবে তেওঁক অভিযুক্ত কৰা হৈছে ; আৰু

(খ) খতপত্ৰৰ বাজেয়াপ্তকৰণৰ আদেশলৈ ন্যায়ালয়ৰ ক্ষমতাত প্ৰতিকূল প্ৰভাৱ নোপেলোৱাকৈ হয়।

## অধ্যায় - ১২

### মুদ্ৰা আৰু চৰকাৰী ষ্টাম্প সম্বন্ধীয় অপৰাধবোৰৰ বিষয়ে

**"মুদ্ৰা" পৰিভাষিত।**

২৩০। [2][মুদ্ৰা হৈছে তৎসময় ধনৰূপে ব্যৱহাৰ কৰাৰ বাবে আৰু তেনেদৰে ব্যৱহাৰ কৰিবলৈ কোনো ৰাজ্য বা সাৰ্বভৌম ক্ষমতা প্ৰাধিকাৰৰ দ্বাৰা ষ্টাম্পিত আৰু প্ৰচলিত ধাতু]।

**ভাৰতীয় মুদ্ৰা।**

[3][ভাৰতীয় মুদ্ৰা হৈছে ধনৰূপে ব্যৱহাৰ কৰাৰ বাবে ভাৰত চৰকাৰৰ প্ৰাধিকাৰৰ দ্বাৰা ষ্টাম্পিত আৰু প্ৰচলিত ধাতু, আৰু এইটো অধ্যায়ৰ প্ৰয়োজনাৰ্থে এনেদৰে ষ্টাম্পিত আৰু প্ৰচলিত ধাতু ধনৰূপে ইয়াৰ ব্যৱহাৰ বন্ধ হোৱা স্বত্বেও ভাৰতীয় মুদ্ৰা হৈয়ে থাকিব]।

**দৃষ্টান্ত**

(ক) কড়ি বিলাক মুদ্ৰা নহয়।

(খ) ষ্টাম্পিত নোহোৱা তামৰ দদাবোৰ ধনৰূপে ব্যৱহাৰ কৰা হলেও, মুদ্ৰা নহয়।

(গ) পদকবোৰ মুদ্ৰা নহয়, যিহেতু সেইবোৰক ধনৰূপে ব্যৱহাৰ কৰাটো অভিপ্ৰেত নহয়।

---

১। ২০০৫ চনৰ ২৫ নং অধিনিয়মৰ ধাৰা ৪৪ ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৮৭২ চনৰ ১৯ নং অধিনিয়মৰ ধাৰা ১ দ্বাৰা "মূল প্ৰথম দফাৰ বাবে প্ৰতিস্থাপিত।

৩। অনুকূলন আদেশ, ১৯৫০ চনৰ দ্বাৰা মহাৰাণীৰ বাবে অন্তঃস্থাপিত।

(ঘ) কোম্পানীৰ টকা বুলি নাম দিয়া মুদ্ৰা [1][ভাৰতীয় মুদ্ৰা]।

[2][(ঙ) "ফৰুকাবাদ টকা" যাক পূৰ্বে ভাৰত চৰকাৰৰ প্ৰাধিকাৰৰ অধীনত ধনৰূপে ব্যৱহাৰ কৰা হৈছিল, এইটো আজি কালি তেনে দৰে ব্যৱহাৰ কৰা নহলেও [1][ভাৰতীয় মুদ্ৰা]।

মুদ্ৰা জাল কৰা।

২৩১। যিয়ে, মুদ্ৰা জাল কৰে বা জানিশুনি মুদ্ৰা জাল কৰা প্ৰক্ৰিয়াটোৰ যি কোনো ভাগ সম্পাদন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব, পাৰে দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - এজন ব্যক্তিয়ে এই অপৰাধটো কৰে যি জনে প্ৰতাৰণা কৰাৰ অভিপ্ৰায়েৰে বা তাৰ দ্বাৰা প্ৰতাৰণা কৰা হব পাৰে বুলি জানিও এটা আচল মুদ্ৰা এটা বেলেগ মুদ্ৰাৰ দৰে প্ৰতীয়মান হোৱা কৰে।

ভাৰতীয় মুদ্ৰা জাল কৰা।

২৩২। যিয়ে, ভাৰতীয় মুদ্ৰা জাল কৰে, বা জানি শুনি [1][ভাৰতীয় মুদ্ৰা] জাল কৰা প্ৰক্ৰিয়াটোৰ যি কোনো ভাগ সম্পাদন কৰে, তেওঁ [3][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

মুদ্ৰা জাল কৰাৰ বাবে সঁজুলি তৈয়াৰ কৰা বা বিক্ৰী কৰা।

২৩৩। যিয়েই, কোনো সাঁচ বা সঁজুলি মুদ্ৰা জাল কৰিবৰ বাবে ব্যৱহাৰ কৰিবলৈ বা সেই উদ্দেশ্যে ব্যৱহাৰ কৰিবলৈ অভিপ্ৰেত হৈছে বুলি জানিও বা তেনে বুলি বিশ্বাস কৰিবলৈ কাৰণ থকা স্বত্বেও তৈয়াৰ কৰে বা মেৰামতি কৰে বা তৈয়াৰ বা মেৰামতি কৰা প্ৰক্ৰিয়াৰ কোনো এটা ভাগ সম্পাদন কৰে বা ক্ৰয় কৰে, বিক্ৰী কৰে বা ব্যয়ন কৰে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

ভাৰতীয় মুদ্ৰা জাল কৰাৰ বাবে সঁজুলি তৈয়াৰ কৰা বা বিক্ৰী কৰা।

২৩৪। যিয়েই, কোনো সাঁচ বা সজুলি [1][ভাৰতীয় মুদ্ৰা] জাল কৰিবৰ বাবে ব্যৱহাৰ কৰিবলৈ বা সেই উদ্দেশ্যে ব্যৱহাৰ কৰিবলৈ অভিপ্ৰেত হৈছে বুলি জানিও বা তেনে বুলি বিশ্বাস কৰিবলৈ কাৰণ থকা স্বত্বেও, তৈয়াৰ কৰে, বা মেৰামতি কৰে বা তৈয়াৰ বা মেৰামতি কৰা প্ৰক্ৰিয়াৰ কোনো এটা ভাগ সম্পাদন কৰে, বা ক্ৰয় কৰে, বিক্ৰী কৰে, বা ব্যয়ন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

মুদ্ৰা জাল কৰিবৰ বাবে ব্যৱহাৰৰ উদ্দেশ্যে সঁজুলি বা সামগ্ৰী দখলত ৰখা।

২৩৫। যিয়ে, কোনো সজুলি বা সামগ্ৰী সেইবোৰ মুদ্ৰা জাল কৰিবৰ বাবে ব্যৱহাৰৰ উদ্দেশ্যে বা সেইবোৰ সেই উদ্দেশ্যে ব্যৱহাৰ কৰিবলৈ অভিপ্ৰেত হৈছে বুলি জানিও বা বিশ্বাস কৰিবলৈ কাৰণ থকা স্বত্বেও দখলত ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব ;

যদিহে ভাৰতীয় মুদ্ৰা হয়।

আৰু যদিহে জাল কৰিব বিচৰা মুদ্ৰাটো [1][ভাৰতীয় মুদ্ৰা] হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

ভাৰতৰ বাহিৰত মুদ্ৰা জালকৰণৰ ভাৰতত অপপ্ৰেৰণা।

২৩৬। যিয়ে, [4][ভাৰত] ৰ ভিতৰত থাকি [4][ভাৰত] ৰ বাহিৰত মুদ্ৰা জালকৰণত অপপ্ৰেৰণা দিয়ে তেওঁ ঠিক একে ধৰণে দণ্ডিত হব যেনিবা তেওঁ [4][ভাৰত] ৰ ভিতৰত তেনে মুদ্ৰা জালকৰণত অপপ্ৰেৰণা দিছিল।

---

১। অনুকূলন আদেশ, ১৯৫০দ্বাৰা "মহাৰাণীৰ মুদ্ৰা"ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৮৯৬চনৰ ৬নং অধিনিয়মৰ ধাৰা ১ৰ দ্বাৰা সংযুক্ত কৰা হৈছে।

৩। ১৯৫৫ চনৰ ২৬নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৪। "বৃটিছ ভাৰত" শব্দ সমূহ অনুকূলন আদেশ, ১৯৪৮ অনুকূলন আদেশ ১৯৫০ আৰু ১৯৫১ চনৰ ৩নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা ক্ৰমাগত ভাবে উপৰোক্ত মতে পঠিত হবলৈ প্ৰতিষ্ঠাপিত হৈছে।

**জাল মুদ্ৰাৰ আমদানি বা ৰপ্তানি।**

২৩৭। যিয়ে, কোনো জাল মুদ্ৰা সেইটো জাল বুলি জানিও বা বিশ্বাস কৰিবলৈ কাৰণ থকা স্বত্বেও [1][ভাৰত] লৈ আমদানি কৰে, বা তাৰ পৰা ৰপ্তানি কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**ভাৰতীয় মুদ্ৰাৰ পৰা জাল কৰা মুদ্ৰাবোৰৰ আমদানি বা ৰপ্তানি।**

২৩৮। যিয়ে, কোনো জাল মুদ্ৰা, সেইটো [2][ভাৰতীয় মুদ্ৰা] ৰ পৰা জাল কৰা বুলি জানিও বা বিশ্বাস কৰিবলৈ কাৰণ থকাত [1][ভাৰত] লৈ আমদানি কৰে বা তাৰ পৰা ৰপ্তানি কৰে তেওঁ [3][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**এনে মুদ্ৰাৰ পৰিদান যিবোৰ জাল হোৱাটো দখলত অহাৰ সময়ত জ্ঞাত আছিল।**

২৩৯। যিয়ে, কোনো জাল মুদ্ৰা ৰাখিও, যিটো তেওঁৰ দখললৈ অহাৰ সময়ত তেওঁ জাল বুলি জানিছিল, প্ৰবঞ্চনা পূৰ্বক বা প্ৰবঞ্চনা কৰিব পাৰে বুলি তেনে অভিপ্ৰায়েৰে ইয়াক কোনো ব্যক্তিক পৰিদান কৰে, বা কোনো ব্যক্তিক ইয়াক গ্ৰহণ কৰিবলৈ উৎপ্ৰেৰিত কৰিবলৈ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**এনে ভাৰতীয় মুদ্ৰাৰ পৰিদান যিবোৰ জাল হোৱাটো দখলত অহাৰ সময়ত জ্ঞাত আছিল।**

২৪০। যিয়ে, কোনো জাল মুদ্ৰা ৰাখি যিটো [2][ভাৰতীয় মুদ্ৰা] ৰ পৰা জাল কৰা বুলি জানিও আৰু যিটো তেওঁৰ দখললৈ অহাৰ সময়ত তেওঁ [2][ভাৰতীয় মুদ্ৰা] ৰ পৰা জাল কৰা বুলি জানিছিল, প্ৰবঞ্চনা পূৰ্বক বা প্ৰবঞ্চনা কৰিব পাৰে বুলি তেনে অভিপ্ৰায়েৰে, ইয়াক কোনো ব্যক্তিক পৰিদান কৰে বা কোনো ব্যক্তিক ইয়াক গ্ৰহণ কৰিবলৈ উৎপ্ৰেৰিত কৰিবলৈ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**কোনো মুদ্ৰা আচল মুদ্ৰাৰূপে পৰিদান যিটো পৰিদানকাৰীয়ে প্ৰথমে দখললৈ অহাৰ সময়ত, জাল বুলি জনা নাছিল।**

২৪১। যিয়ে, আন কোনো ব্যক্তিক কোনো এনে জাল কৰা মুদ্ৰা আচল মুদ্ৰা যিটো জাল কৰা বুলি তেওঁ জানে, কিন্তু যিটো তেওঁৰ দখললৈ অহাৰ সময়ত জাল কৰা বুলি জানিছিল, আচল মুদ্ৰা বুলি পৰিদান কৰে বা আন কোনো ব্যক্তিক ইয়াক আচল মুদ্ৰা ৰূপে লবলৈ উৎপ্ৰেৰিত কৰাৰ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দুবছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যি জাল কৰা মুদ্ৰাৰ মূল্যৰ দহগুণ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

### দৃষ্টান্ত

মুদ্ৰা প্ৰস্তুতকাৰী "ক" ই তেওঁৰ সহঅপৰাধী "খ" ক জাল কোম্পানীৰ টকা চলাবলৈ পৰিদান কৰিলে। "খ" ই টকা খিনি আন এজন জাল মুদ্ৰা চলোৱা "গ" ক বিক্ৰী কৰিলে, যিজনে সেইবোৰ জাল মুদ্ৰা বুলি জানিও ক্ৰয় কৰিলে। "গ"ই টকা খিনি "ঘ" ক বস্তুৰ বাবদ দিলে যিয়ে সেইবোৰ জাল মুদ্ৰা বুলি নজনাকৈয়ে গ্ৰহণ কৰিলে। "ঘ"ই টকা খিনি গ্ৰহণ কৰাৰ পিছত আৱিষ্কাৰ কৰিলে যে সেইবোৰ জাল কৰা আৰু সেইবোৰ যেন ভাল এনেদৰে আদায় দি বাহিৰ কৰি দিলে। ইয়াত "ঘ" কেৱল এইটো ধাৰাৰ অধীনতহে দণ্ডনীয়, কিন্তু "খ" আৰু "গ" যথাস্থিতি ধাৰা ২৩৯ বা ২৪০ ৰ অধীনত দণ্ডনীয় হব।

**জাল মুদ্ৰা এনে ব্যক্তিৰ দ্বাৰা দখলত ৰখা যেতিয়া সেইটো তেওঁৰ দখললৈ আহিছিল তেওঁ ইয়াক জাল মুদ্ৰা বুলি জানিছিল।**

২৪২। যিয়ে, এনে কোনো জাল মুদ্ৰা যেতিয়া সেইটো তেওঁৰ দখললৈ আহিছিল তেওঁ জাল কৰা বুলি জানিছিল প্ৰবঞ্চনামূলক ভাবে বা প্ৰবঞ্চনা কৰাৰ অভিপ্ৰায়েৰে দখলত ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি তিনি বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

---

১। "বৃটিছ ভাৰত" শব্দ সমূহ অনুকূলন আদেশ, ১৯৪৮ অনুকূলন আদেশ ১৯৫০ আৰু ১৯৫১ চনৰ ৩নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা ক্ৰমাগত ভাবে উপৰোক্ত মতে পঠিত হবলৈ প্ৰতিস্থাপিত হৈছে।

২। অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা "মহাৰাণীৰ মুদ্ৰাৰ" বাবে প্ৰতিস্থাপিত।

৩। ১৯৫৫ চনৰ ২৬নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত।

**ভাৰতীয় মুদ্ৰা এনে ব্যক্তিৰ দ্বাৰা দখলত ৰখা যেতিয়া সেইটো তেওঁৰ দখললৈ আহিছিল তেওঁ ইয়াক জাল মুদ্ৰা বুলি জানিছিল।**

২৪৩। যিয়েই, কোনো এনে জাল কৰা মুদ্ৰা যিটো [1][ভাৰতীয় মুদ্ৰা] ৰ পৰা জাল কৰা আৰু যিটো তেওঁৰ দখললৈ অহাৰ সময়ত তেওঁ [1][ভাৰতীয় মুদ্ৰা] ৰ পৰা জাল কৰা বুলি জানিছিল, প্ৰৱঞ্চনামূলক ভাৱে বা প্ৰৱঞ্চনা কৰাৰ অভিপ্ৰায়েৰে দখলত ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**টাকশালত নিয়োজিত ব্যক্তিৰ দ্বাৰা মুদ্ৰাৰ বিধিৰ দ্বাৰা ধাৰ্য্য সেই ওজনৰ বা মিশ্ৰনৰ পৰা পৃথক ওজন বা মিশ্ৰন কৰা।**

২৪৪। যিয়ে, [2][ভাৰত] ত বিধিৰ দ্বাৰা প্ৰতিষ্ঠিত টাকশালত নিয়োজিত হৈ সেই টাকশালৰ পৰা প্ৰচলন কৰা কোনো মুদ্ৰা বিধিৰ দ্বাৰা ধাৰ্য্য কৰা ওজন বা মিশ্ৰণৰ পৰা পৃথক ওজন বা মিশ্ৰণ কৰাৰ অভিপ্ৰায়েৰে কোনো কাৰ্য্য কৰে বা তেওঁ যিটো বৈধ ৰূপে কৰিবলৈ আবদ্ধ সেইটো কৰিবলৈ ত্ৰুটী কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**টাকশালৰ পৰা মুদ্ৰা প্ৰস্তুত কৰা সঁজুলি বিধি বিৰুদ্ধ ভাৱে লোৱা।**

২৪৫। যিয়ে, বিধি সন্মত প্ৰাধিকাৰ বিনা [2][ভাৰত] ত বিধিসন্মত ভাৱে প্ৰতিষ্ঠিত কোনো টাকশালৰ পৰা কোনো মুদ্ৰা প্ৰস্তুত কৰা সজুঁলি বা হাতিয়াৰ বাহিৰলৈ আনে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**প্ৰৱঞ্চনামূলক ভাৱে বা অসাধু ভাৱে মুদ্ৰাৰ ওজন হ্ৰাস কৰা বা মিশ্ৰণৰ পৰিবৰ্ত্তন কৰা।**

২৪৬। যিয়ে, প্ৰৱঞ্চনামূলক ভাৱে বা অসাধুভাৱে কোনো মুদ্ৰাৰ ওপৰত এনে কোনো কাৰ্য্য কৰে যিটোৱে সেই মুদ্ৰাটোৰ ওজন হ্ৰাস কৰে বা মিশ্ৰনৰ পৰিবৰ্ত্তন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - এজন ব্যক্তি যি মুদ্ৰাটোৰ এভাগৰ বিন্ধা কৰি ফুটাটোত কোনো অন্য বস্তু ভৰায়, তেওঁ মুদ্ৰাটোৰ মিশ্ৰনৰ পৰিবৰ্ত্তন কৰে।

**প্ৰৱঞ্চনামূলক ভাৱে বা অসাধু ভাৱে ভাৰতীয় মুদ্ৰাৰ ওজন হ্ৰাস কৰা বা মিশ্ৰণৰ পৰিবৰ্ত্তন কৰা।**

২৪৭। যিয়ে, প্ৰৱঞ্চনামূলক ভাৱে বা অসাধু ভাৱে [3][কোনো ভাৰতীয় মুদ্ৰা] ৰ ওপৰত এনে কোনো কাৰ্য্য কৰে যিটোৱে সেই মুদ্ৰাটোৰ এজন হ্ৰাস কৰে বা মিশ্ৰণৰ পৰিবৰ্ত্তন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**এনে অভিপ্ৰায়সহ মুদ্ৰাৰ আকৃতিৰ পৰিবৰ্ত্তন কৰা যাতে ই পৃথক প্ৰকাৰৰ মুদ্ৰা ৰূপে চলে।**

২৪৮। যিয়েই, কোনো মুদ্ৰাৰ ওপৰত এনে অভিপ্ৰায়েৰে যাতে সেই মুদ্ৰা পৃথক প্ৰকাৰৰ মুদ্ৰা ৰূপে চলে কোনো এনে কাৰ্য্য কৰে যিটোৱে সেই মুদ্ৰাৰ আকৃতিৰ পৰিবৰ্ত্তন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**এনে অভিপ্ৰায়সহ ভাৰতীয় মুদ্ৰাৰ আকৃতিৰ পৰিবৰ্ত্তন কৰা যাতে ই পৃথক প্ৰকাৰৰ মুদ্ৰা ৰূপে চলে।**

২৪৯। যিয়ে, [3][কোনো ভাৰতীয় মুদ্ৰা] ৰ ওপৰত এনে অভিপ্ৰায় সহ যাতে উক্ত মুদ্ৰাটো এটা পৃথক প্ৰকাৰৰ মুদ্ৰা ৰূপে চলে, কোনো এনে কাৰ্য্য কৰে যিটোৱে সেই মুদ্ৰাৰ আকৃতিৰ পৰিবৰ্ত্তন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**এনে মুদ্ৰাৰ পৰিদান যিটো পৰিবৰ্ত্তিত কৰা হৈছে বুলি জ্ঞানসহ দখলত ৰখা হয়।**

২৫০। যিয়ে, তেওঁৰ দখলত থকা মুদ্ৰা যিটো সম্পৰ্কে ধাৰা ২৪৬ বা ২৪৮ ত পৰিভাষিত অপৰাধ সংঘটিত হৈছে, আৰু যেতিয়া এনে মুদ্ৰা তেওঁৰ দখললৈ আহিছিল ইয়াৰ সম্পৰ্কে এনে অপৰাধ সংঘটিত হৈছে বুলি জানিছিল, প্ৰৱঞ্চনামূলক ভাৱে বা প্ৰৱঞ্চনা সংঘটিত হওঁক, এনে অভিপ্ৰায় সহ

---

১। অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা "মহাৰাণীৰ মুদ্ৰা"ৰ বাবে প্ৰতিষ্ঠাপিত।

২। "বৃটিছ ভাৰত" শব্দসমূহ আঃআঃ, ১৯৪৮ৰ আঃ আঃ, ১৯৫০ আৰু ১৯৫১ চনৰ ৩নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্তভাৱে পঠিত হবলৈ ক্ৰমাগতভাৱে প্ৰতিষ্ঠাপিত কৰা হৈছে।

৩। অনুকূলন আদেশ ১৯৫০ ৰ দ্বাৰা "মহাৰাণীৰ কোনো মুদ্ৰা"ৰ বাবে প্ৰতিষ্ঠাপিত।

অন্য কোনো ব্যক্তিক এনে মুদ্ৰা পৰিদান কৰে বা অন্য কোনো ব্যক্তিক সেইটো গ্ৰহণ কৰিবলৈ উৎপ্ৰেৰিত কৰাৰ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**ভাৰতীয় মুদ্ৰাৰ পৰিদান যিটো পৰিবৰ্তিত কৰা হৈছে বুলি জানসহ দখলত ৰখা হৈছে।**

২৫১। যিয়ে, তেওঁৰ দখলত থকা মুদ্ৰা যিটোৰ সম্পৰ্কে, ধাৰা ২৪৭ বা ২৪৯ ত পৰিভাষিত অপৰাধ সংঘটিত হৈছে আৰু যেতিয়া তেওঁ এনে মুদ্ৰা তেওঁৰ দখললৈ আহিছিল সেই সময়ত ইয়াৰ সম্পৰ্কে এনে অপৰাধ সংঘটিত হৈছে বুলি জানিছিল, প্ৰৱঞ্চনামূলক ভাৱে বা প্ৰৱঞ্চনা সংঘটিত হওঁক এনে অভিপ্ৰায় সহ অন্য কোনো ব্যক্তিক এনে মুদ্ৰা পৰিদান কৰে বা অন্য কোনো ব্যক্তিক সেইটো গ্ৰহণ কৰিবলৈ উৎপ্ৰেৰিত কৰা প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**এনে ব্যক্তিৰ দ্বাৰা মুদ্ৰাৰ দখল যি তেওঁৰ দখললৈ অহাৰ সময়ত ইয়াক পৰিবৰ্তিত কৰা হৈছে বুলি জানিছিল।**

২৫২। যিয়ে, প্ৰৱঞ্চনামূলক ভাৱে বা প্ৰৱঞ্চনা সংঘটিত হওঁক বুলি অভিপ্ৰায় সহ কোনো মুদ্ৰা, যি সম্পৰ্কে হয়, ধাৰা ২৪৬ বা ২৪৮ ত পৰিভাষিত অপৰাধ সংঘটিত হৈছে, সেই মুদ্ৰা তেওঁৰ দখললৈ অহাৰ সময়ত এনে মুদ্ৰা সম্পৰ্কে এনে অপৰাধ সংঘটিত হৈছিল বুলি জ্ঞাত হৈ, দখলত ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**এনে ব্যক্তিৰ দ্বাৰা ভাৰতীয় মুদ্ৰাৰ দখল যি তেওঁৰ দখললৈ অহাৰ সময়ত ইয়াক পৰিবৰ্তিত কৰা হৈছে বুলি জানিছিল।**

২৫৩। যিয়ে, প্ৰৱঞ্চনামূলক ভাৱে বা প্ৰৱঞ্চনা সংঘটিত হওঁক বুলি অভিপ্ৰায় সহ কোনো মুদ্ৰা, যিটোৰ সম্পৰ্কে হয়, ধাৰা ২৪৭ বা ২৪৯ ত পৰিভাষিত অপৰাধ সংঘটিত হৈছে, সেই মুদ্ৰা তেওঁৰ দখললৈ অহাৰ সময়ত এনে মুদ্ৰা সম্পৰ্কে এনে অপৰাধ সংঘটিত হৈছিল বুলি জ্ঞাত হৈ, দখলত ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**কোনো মুদ্ৰা আচল মুদ্ৰাৰূপে পৰিদান যিটো প্ৰথমে তেওঁৰ দখললৈ অহাৰ সময়ত পৰিদান কাৰীয়ে পৰিবৰ্তিত হোৱা বুলি জনা নাছিল।**

২৫৪। যিয়েই, অন্য কোনো ব্যক্তিক কোনো মুদ্ৰা যিটোৰ সম্পৰ্কে ধাৰা সমূহ ২৪৬, ২৪৭ আৰু ২৪৮ বা ২৪৯ ত উল্লিখিত কোনো কাৰ্য্য কৰা হৈছে কিন্তু যিটোৰ সম্পৰ্কে তেওঁ ইয়াক তেওঁৰ দখলত লোৱাৰ সময়ত তাৰ ওপৰত তেওঁ তেনে কাৰ্য্য কৰা বুলি জনা নাছিল, আচল ৰূপে বা ই যি প্ৰকাৰৰ তাতকৈ ভিন প্ৰকাৰৰ মুদ্ৰা ৰূপে পৰিদান কৰে বা ই যিপ্ৰকাৰৰ তাতকৈ ভিন্ন প্ৰকাৰৰ মুদ্ৰা ৰূপে কোনো ব্যক্তিক ইয়াক লবলৈ উৎপ্ৰেৰিত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুই বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি সেই মুদ্ৰাৰ মূল্যৰ দহ গুণ পৰ্য্যন্ত হব পাৰে, যাৰ বাবে পৰিবৰ্তিত মুদ্ৰাটো চলোৱা হৈছে বা চলাবলৈ প্ৰয়াস কৰা হৈছে দণ্ডিত হব।

**চৰকাৰী ষ্টাম্প জালকৰণ।**

২৫৫। যিয়ে, চৰকাৰৰ দ্বাৰা ৰাজহৰ উদ্দেশ্যৰ বাবে প্ৰচলন কৰা কোনো ষ্টাম্প জাল কৰে বা জানি শুনি জাল কৰা প্ৰক্ৰিয়াৰ কোনো ভাগ সম্পাদন কৰে, তেওঁ [1][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - কোনো এজন ব্যক্তিয়ে এই অপৰাধটো সংঘটিত কৰে, যি এক অংকিত মূল্যৰ আচল ষ্টাম্প, এটা পৃথক মূল্যৰ আচল ষ্টাম্প সদৃশ দেখুৱাই জাল কৰে।

**চৰকাৰী ষ্টাম্প জাল কৰাৰ বাবে সঁজুলি বা সামগ্ৰী দখলত ৰখা।**

২৫৬। যিয়ে, ৰাজহৰ উদ্দেশ্যে চৰকাৰৰ দ্বাৰা প্ৰচলন কৰা ষ্টাম্পৰ জাল কৰাত ব্যৱহাৰ কৰাৰ উদ্দেশ্যে বা ইয়াক ব্যৱহাৰ কৰিবলৈ অভিপ্ৰেত হৈছে বুলি জানি বা বিশ্বাস কৰিবলৈ কাৰণ থকাত, কোনো সঁজুলি বা সামগ্ৰী তেওঁৰ দখলত ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**চৰকাৰী ষ্টাম্প জাল কৰাৰ বাবে সঁজুলিৰ তৈয়াৰ কৰা বা বিক্ৰী কৰা।**

২৫৭। যিয়ে, ৰাজহৰ উদ্দেশ্যে চৰকাৰৰ দ্বাৰা প্ৰচলন কৰা কোনো ষ্টাম্পৰ জাল কৰাৰ বাবে ব্যৱহাৰ কৰাৰ উদ্দেশ্যে বা ইয়াক ব্যৱহাৰ কৰিবলৈ অভিপ্ৰেত হৈছে বুলি জানি বা বিশ্বাস কৰাৰ কাৰণ থকাত কোনো সঁজুলি তৈয়াৰ কৰে বা তৈয়াৰ কৰাৰ কোনো প্ৰক্ৰিয়াৰ কোনো ভাগ সম্পাদন কৰে, বা ক্ৰয়

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

কৰে, বা বিক্ৰী কৰে বা ব্যয়ন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**জাল চৰকাৰী ষ্টাম্পৰ বিক্ৰী।**

২৫৮। যিয়ে, কোনো ষ্টাম্প যিটো চৰকাৰৰ দ্বাৰা ৰাজহৰ উদ্দেশ্যে প্ৰচলন কৰা কোনো ষ্টাম্পৰ জাল বুলি জানি বা বিশ্বাস কৰাৰ কাৰণ থকাত বিক্ৰী কৰে বা বিক্ৰীৰ প্ৰস্তাৱ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**চৰকাৰী জাল ষ্টাম্প দখলত ৰখা।**

২৫৯। যিয়ে, কোনো ষ্টাম্প চৰকাৰৰ দ্বাৰা ৰাজহৰ উদ্দেশ্যে প্ৰচলন কৰা কোনো ষ্টাম্পৰ জাল বুলি জানে, ইয়াক আচল ষ্টাম্পৰূপে ব্যৱহাৰ কৰা বা ব্যয়ন কৰাৰ অভিপ্ৰায়েৰে বা যাতে ইয়াক আচল ষ্টাম্প ৰূপে ব্যৱহাৰ কৰিব পাৰি, এনে কোনো ষ্টাম্প নিজৰ দখলত ৰাখে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**কোনো চৰকাৰী ষ্টাম্প জাল বুলি জানিও আচল ষ্টাম্প ৰূপে ব্যৱহাৰ কৰা।**

২৬০। যিয়ে, এনে কোনো ষ্টাম্প যিটো চৰকাৰৰ দ্বাৰা ৰাজহৰ উদ্দেশ্যে প্ৰচলন কৰা কোনো ষ্টাম্পৰ জাল বুলি জানিও আচল ৰূপে ব্যৱহাৰ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**চৰকাৰৰ ক্ষতি সাধনৰ অভিপ্ৰায়েৰে চৰকাৰী ষ্টাম্প লগোৱা পদাৰ্থৰ পৰা লিখনি মচি পেলোৱা বা দস্তাবেজৰ পৰা ইয়াৰ বাবে ব্যৱহৃত ষ্টাম্প আতৰ কৰা।**

২৬১। যিয়ে, প্ৰৱঞ্চনামূলক ভাৱে চৰকাৰৰ ক্ষতি সাধন কৰাৰ অভিপ্ৰায়ে সহ চৰকাৰৰ দ্বাৰা ৰাজহৰ উদ্দেশ্যে প্ৰচলন কৰা কোনো ষ্টাম্প লগোৱা কোনো লিখনি, বা দস্তাবেজ যিটোৰ বাবে এনে ষ্টাম্প ব্যৱহৃত হয় কোনো পদাৰ্থৰ পৰা আতৰ কৰে, বা মচি পেলায় বা কোনো লিখনি বা দস্তাবেজৰ পৰা এনে লিখনি বা দস্তাবেজত ব্যৱহাৰ কৰা ষ্টাম্প আঁতৰাই পেলায় যাতে এনে ষ্টাম্প পৃথক লিখনি বা দস্তাবেজত ব্যৱহাৰ কৰিব পাৰি তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**পূৰ্বব্যৱহৃত বুলি জ্ঞাত চৰকাৰী ষ্টাম্প ব্যৱহাৰ কৰা।**

২৬২। যিয়ে, প্ৰৱঞ্চনামূলক ভাৱে বা চৰকাৰৰ ক্ষতি সাধন কৰাৰ অভিপ্ৰায় চৰকাৰৰ দ্বাৰা ৰাজহৰ উদ্দেশ্যে প্ৰচলন কৰা কোনো ষ্টাম্প যিটো পূৰ্বে ব্যৱহাৰ হোৱা বুলি তেওঁ জানে, কোনো উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**ষ্টাম্প যে ব্যৱহৃত হৈছিল তাক সূচোৱা চিহ্নৰ মচি পেলোৱা কাৰ্য্য।**

২৬৩। যিয়ে, প্ৰৱঞ্চনামূলক ভাৱে বা চৰকাৰৰ ক্ষতি সাধন কৰাৰ অভিপ্ৰায়েৰে চৰকাৰৰ দ্বাৰা ৰাজহৰ উদ্দেশ্যে প্ৰচলন কৰা কোনো ষ্টাম্পৰ পৰা তেনে ষ্টাম্পত মৰা বা চাপ মৰা বুলি সূচোৱা, কোনো চিহ্ন মচি পেলায়, বা আতৰাই পেলায়, বা এনে কোনো ষ্টাম্প, যিটোৰ পৰা এনে চিহ্ন মচি পেলোৱা বা আতৰাই পেলোৱা হৈছে বুলি জ্ঞাত হৈ তেওঁৰ দখলত ৰাখে বা বিক্ৰী কৰে বা ব্যয়নিত কৰে বা এনে ষ্টাম্প বিক্ৰী কৰে বা ব্যয়নিত কৰে যিটো ব্যৱহৃত হৈছে বুলি তেওঁ জানে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**নকলী ষ্টাম্পৰ নিষেধ।**

[১][২৬৩ ক। (১) যিয়ে -

(ক) কোনো নকলী ষ্টাম্প তৈয়াৰ কৰে, জানি শুনি চলায়, ব্যৱসায় কৰে, বা বিক্ৰী কৰে, বা জানি শুনি ডাক সম্পৰ্কীয় উদ্দেশ্যে কোনো নকলী ষ্টাম্প ব্যৱহাৰ কৰে, বা

(খ) কোনো বিধি সম্মত ক্ষমনীয় কাৰণ নোহোৱাকৈ কোনো নকলী ষ্টাম্প তেওঁৰ দখলত ৰাখে, বা,

(গ) নকলী ষ্টাম্প তৈয়াৰ কৰাৰ বাবে কোনো সাঁচ, ফলক, সঁজুলি বা সামগ্ৰী তেওঁৰ দখলত ৰাখে,

---

১। ১৮৯৫ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা সংযুক্ত কৰা হৈছে।

তেওঁ জৰিমনাৰে, যিটো দুশ টকালৈ বিস্তাৰিত হ'ব পাৰে দণ্ডিত হ'ব।

(২) নকলী ষ্টাম্প তৈয়াৰ কৰাৰ বাবে কোনো ব্যক্তিৰ দখলত থকা এনে কোনো ষ্টাম্প, সাঁচ, ফলক, সঁজুলি বা সামগ্ৰী [1][অভিগ্ৰহণ কৰিব পাৰিব, আৰু যদি অভিগৃহীত হয়] বাজেয়াপ্ত হ'ব।

(৩) এই ধাৰাত "ভুৱা ষ্টাম্প" মানে চৰকাৰৰ দ্বাৰা ডাক মাচুলৰ নিৰিখ সূচোৱা উদ্দেশ্যে মিছাকৈ প্ৰচলন কৰা বুলি তাৎপৰ্য্যিত বা সেই উদ্দেশ্যে চৰকাৰৰ দ্বাৰা প্ৰচলন কৰা কোনো ষ্টাম্পৰ অবিকল প্ৰতিকৃতি বা অনুকৃতি বা প্ৰতিকল্পক কাগজৰ ওপৰত হওঁক বা অন্যথাই হওঁক, বুজায়।

(৪) এই ধাৰাত আৰু ২৫৫ৰ পৰা ২৬৩ লৈ ধাৰাসমূহত দুয়োটা ধাৰা অন্তৰ্ভুক্ত কৰি "চৰকাৰ" শব্দে যেতিয়া ডাক মাচুলৰ নিৰিখ সূচোৱাৰ উদ্দেশ্যে প্ৰচলন কৰা কোনো ষ্টাম্পৰ সম্পৰ্কত বা নিৰ্দেশত, ধাৰা ১৭ত কোনো কথা থকা স্বত্বেও ভাৰতৰ কোনো ভাগত আৰু হাৰ মেজেষ্টি ডমিনিয়ণৰ কোনো ভাগত বা কোনো বিদেশতো কাৰ্য্যবাহী চৰকাৰৰ প্ৰশাসন চলাবলৈ বিধিৰ দ্বাৰা প্ৰাধিকৃত ব্যক্তিসকলক অন্তৰ্ভুক্ত কৰা বুলি গণ্য হ'ব।

## অধ্যায় ১৩

### ওজন আৰু জোখ-মাখ সম্পৰ্কীয় অপৰাধবোৰৰ বিষয়ে

**ওজনৰ বাবে ভুল সঁজুলিৰ প্ৰৱঞ্চনামূলক ব্যৱহাৰ।**

২৬৪। যিয়ে, ওজন কৰিবৰ বাবে কোনো সঁজুলি যিটো তেওঁ ভুল বুলি জানে, প্ৰৱঞ্চনামূলকভাৱে ব্যৱহাৰ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

**ভুল ওজন বা জোখমাখৰ প্ৰৱঞ্চনামূলক ব্যৱহাৰ।**

২৬৫। যিয়ে, প্ৰৱঞ্চনামূলক ভাৱে কোনো ভুল ওজন বা দৈৰ্ঘ্যৰ বা ধাৰিতাৰ ভুল জোখ-মাখ বা ধাৰিতাৰ ব্যৱহাৰ কৰে বা প্ৰৱঞ্চনামূলক ভাৱে কোনো ওজন বা দৈৰ্ঘ্য বা ধাৰিতাৰ এইটো যিমান তাৰ পৰা ভিন্ন কোনো ওজন বা দৈৰ্ঘ্য বা ধাৰিতাৰ জোখ-মাখ হিচাপে ব্যৱহাৰ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হ'ব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

**ভুল ওজন বা জোখ-মাখ দখলত ৰখা।**

২৬৬। যিয়ে, কোনো ওজন কৰাৰ বা সঁজুলি বাবে কোনো ওজন বা দৈৰ্ঘ্যৰ বা ধাৰিতাৰ কোনো জোখ-মাখ যিটো তেওঁ ভুল বুলি জানে, [2]x x x এই অভিপ্ৰায়েৰে যাতে সেইবিলাক প্ৰৱঞ্চনামূলক ভাৱে ব্যৱহাৰ কৰিব পাৰি, দখলত ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হ'ব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

**ভুল ওজন বা জোখ-মাখৰ তৈয়াৰীকৰণ বা বিক্ৰী।**

২৬৭। যিয়ে, ওজন কৰাৰ বাবে কোনো সঁজুলি বাবে কোনো ওজন বা দৈৰ্ঘ্য বা ধাৰিতাৰ কোনো জোখ-মাখ যিটো তেওঁ ভুল বুলি জানে ইয়াক যাতে আচল বুলি ব্যৱহাৰ কৰিব পাৰি বা ইয়াক আচল বুলি ব্যৱহাৰ কৰাৰ সম্ভাৱনা আছে বুলি জানি, তৈয়াৰ কৰে, বিক্ৰী কৰে বা বাযনিত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হ'ব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হ'ব।

---

১। ১৯৫৩ চনৰ ৪২ নং অধিনিয়মৰ ধাৰা ৪ আৰু অনুসূচী ৩ৰ দ্বাৰা "অভিগৃহীত কৰিব পাৰে আৰু"ৰ বাবে প্ৰতিস্থাপিত।

২। ১৯৫৩ চনৰ ৪২ নং অধিনিয়মৰ ধাৰা ৪ আৰু অনুসূচী ৩ৰ দ্বাৰা "আৰু" শব্দটো লোপ কৰা হৈছে।

## অধ্যায় ১৪

### জন-স্বাস্থ্য, সুৰক্ষা, সুবিধা, শিষ্টতা আৰু নৈতিকতাৰ প্ৰভাৱ পেলোৱা অপৰাধবোৰৰ বিষয়ে

**লোক অপদোষ।**

২৬৮। কোনো ব্যক্তি লোক অপদোষৰ দোষী যি কোনো কাৰ্য্য কৰে, বা অবৈধ ক্ৰটীৰ বাবে দোষী যিটোৱে জনসাধাৰণ বা সৰ্ব সাধাৰণ ব্যক্তিৰ যি ওচৰে পাজৰে বাস কৰে বা সম্পত্তি অধিভোগ কৰে, সাধাৰণ ক্ষতি, বিপদ বা বিৰক্তি জন্মায় বা যিটোৱে ব্যক্তিসকলক যি সকলৰ কোনো লোক অধিকাৰ ব্যৱহাৰ কৰাৰ সুবিধা থাকে তেওঁলোকৰ ক্ষতি, বাধা, বিপদ বা বিৰক্তিৰ নিশ্চিত কাৰণ হয়।

কোনো সাধাৰণ অপদোষ, ই কিছুমান সুবিধা বা লাভৰ কাৰণ হোৱাৰ বাবে ক্ষমাৰ যোগ্য নহয়।

**অৱহেলাপূৰ্ণ কাৰ্য্য যি জীৱনৰ বাবে বিপদজনক ৰোগৰ সংক্ৰমণ বিয়পোৱাৰ সম্ভাৱনা।**

২৬৯। যিয়ে, অবৈধ ভাবে বা অৱহেলাৰে কোনো কাৰ্য্য কৰে যাৰ দ্বাৰা আৰু যাৰ দ্বাৰা তেওঁ জানে বা তেওঁৰ বিশ্বাস কৰাৰ কাৰণ থাকে যে জীৱনৰ বাবে বিপদজনক কোনো ৰোগৰ সংক্ৰমণ বিয়পোৱাৰ সম্ভাৱনা আছে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছয়মাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**পৰিদ্বেষপূৰ্ণ কাৰ্য্য যাৰ দ্বাৰা জীৱনৰ বাবে বিপদজনক ৰোগৰ সংক্ৰমণ বিয়পোৱাৰ সম্ভাৱনা আছে।**

২৭০। যিয়ে, পৰিদ্বেষপূৰ্ণ ভাবে কোনো কাৰ্য্য কৰে, যাৰ দ্বাৰা আৰু যাৰ দ্বাৰা তেওঁ জানে বা তেওঁৰ বিশ্বাস কৰাৰ কাৰণ থাকে যে জীৱনৰ বাবে বিপদজনক কোনো ৰোগৰ সংক্ৰমণ বিয়পোৱাৰ সম্ভাৱনা আছে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**সংসৰ্গৰোধ নিয়ম অমান্য।**

২৭১। যিয়ে, কোনো জলযান সংসৰ্গ ৰোধ অৱস্থাত ৰখাৰ বাবে বা সংসৰ্গ ৰোধ অৱস্থাত ৰখা জলযান পাৰ বা অন্য জলযান সহ সমাগম নিয়ন্ত্ৰণৰ বাবে এনে স্থানবোৰত য'ত এটা সংক্ৰামক ৰোগে দেখা দিছে, আৰু অন্য স্থানৰ মাজত সমাগম নিয়ন্ত্ৰণৰ বাবে [¹xxx ²xxxx³xxx] চৰকাৰৰ দ্বাৰা প্ৰণীত আৰু প্ৰখ্যাপিত কোনো নিয়ম জানি শুনি অমান্য কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে বা, জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**বিক্ৰীৰ বাবে অভিপ্ৰেত খাদ্য বা পানীয়ৰ অপমিশ্ৰণ।**

২৭২। যিয়ে, কোনো খাদ্য বা পানীয় সামগ্ৰীৰ, এই অভিপ্ৰায়েৰে তেওঁ সেইবোৰ এনে ৰূপে বিক্ৰী কৰিব, বা সেইবোৰ খাদ্য বা পানীয়ৰূপে বিক্ৰী হোৱাৰ সম্ভাৱনা আছে বুলি জানি, এনে দৰে অপমিশ্ৰিত কৰে যে এনে সামগ্ৰী খাদ্য বা পানীয়ৰূপে অস্বাস্থ্যকৰ হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকা পৰ্য্যন্ত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

**অস্বাস্থ্যকৰ খাদ্য বা পানীয়ৰ বিক্ৰী।**

২৭৩। যিয়ে, খাদ্য বা পানীয় ৰূপে কোনো সামগ্ৰী যিটো অস্বাস্থ্যকৰ কৰা হৈছে বা খাদ্য বা পানীয়ৰূপে অনুপযোগী অৱস্থাত আছে সেইবোৰ খাদ্য পানীয় ৰূপে অস্বাস্থ্যকৰ বুলি জানি বা বিশ্বাস কৰাৰ কাৰণ থকাত বিক্ৰী কৰে, বিক্ৰীৰ প্ৰস্তাৱ কৰে, বা বিক্ৰীৰ বাবে উলিয়াই ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাসহ যিটো এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

---

১। অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা "ভাৰত চৰকাৰৰ দ্বাৰা বা কোনো চৰকাৰৰ দ্বাৰা" ৰ বাবে প্ৰতিষ্ঠাপিত।

২। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "কেন্দ্ৰীয় বা কোনো প্ৰাদেশিক" শব্দসমূহ লোপ কৰা হৈছে।

৩। অনুকূলন আদেশ, ১৯৪৮ ৰ দ্বাৰা "বা ক্ৰাউন প্ৰতিনিধি" শব্দসমূহ লোপ কৰা হৈছে।

**ঔষধৰ অপমিশ্ৰণ।**

২৭৪। যিয়েই, কোনো ঔষধি বা ভেষজীয় প্ৰস্তুতিত অপমিশ্ৰণ, এই অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানি যে ইয়াক ঔষধীয় প্ৰয়োজনৰ বাবে বিক্ৰী কৰা হব বা ব্যৱহাৰ কৰা হব যেনিবা ইয়াত এনে অপমিশ্ৰণ হোৱা নাই, এনেদৰে কৰে যে সেই ঔষধি বা ভেষজীয় প্ৰস্তুতিৰ প্ৰভাৱকাৰিতা কম হৈ যায়, ক্ৰিয়াৰ পৰিবৰ্তন হয় বা ই অস্বাস্থ্যকৰ হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যিটো এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

**অনপমিশ্ৰিত ঔষধৰ বিক্ৰী।**

২৭৫। যিয়ে, কোনো ঔষধ বা ভেষজীয় প্ৰস্তুতিৰ এনে ধৰণে ইয়াৰ প্ৰভাৱকাৰিতা কমাবৰ অৰ্থে বা ইয়াৰ ক্ৰিয়া পৰিবৰ্তন কৰিবলৈ বা ইয়াক অস্বাস্থ্যকৰ কৰাৰ অৰ্থে অনপমিশ্ৰিত কৰা হৈছে বুলি জানি ইয়াক বিক্ৰী কৰে, বা বিক্ৰীৰ প্ৰস্তাৱ কৰে বা বিক্ৰীৰ বাবে উলিয়াই ৰাখে, বা ভেষজীয় উদ্দেশ্যে কোনো ঔষধালয়ৰ পৰা অনপমিশ্ৰিত ৰূপে দিয়ে বা ভেষজীয় উদ্দেশ্যে অপমিশ্ৰণৰ বিষয়ে নজনা কোনো ব্যক্তিৰ দ্বাৰা ব্যৱহৃত কৰায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যিটো এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

**ভিন্ন ঔষধ বা প্ৰস্তুতি বুলি ঔষধৰ বিক্ৰী।**

২৭৬। যিয়ে, কোনো ঔষধ বা ভেষজীয় প্ৰস্তুতি এটা ভিন্ন ঔষধ বা ভেষজীয় প্ৰস্তুতি হিচাপে জানি-শুনি বিক্ৰী কৰে বা বিক্ৰীৰ বাবে প্ৰস্তাৱ কৰে বা বিক্ৰীৰ বাবে উলিয়াই ৰাখে, বা ভেষজীয় উদ্দেশ্যে কোনো ঔষধালয়ৰ পৰা দিয়ে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যি এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

**ৰাজহুৱা নিজৰা বা জলাধাৰাৰ পানী কলুষিত কৰা।**

২৭৭। যিয়ে, স্বেচ্ছাই কোনো ৰাজহুৱা নিজৰা বা জলাধাৰৰ পানী, যিটো উদ্দেশ্যৰ বাবে ই সাধাৰণতে ব্যৱহৃত হয় তাতকৈ কম উপযোগী কৰাৰ অৰ্থে নষ্ট বা কলুষিত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনিমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি পাঁচশ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

**বায়ু মণ্ডল স্বাস্থ্যৰ বাবে অস্বাস্থ্যকৰ কৰা।**

২৭৮। যিয়ে, স্বেচ্ছাই কোনো স্থানত ইয়াৰ ওচৰে পাজৰে সাধাৰণ ভাৱে বাস কৰা বা ব্যৱসায় কৰি থকা বা ৰাজহুৱা পথৰ মাজেদি পাৰ হৈ যোৱা ব্যক্তিসমূহৰ স্বাস্থ্যৰ বাবে অস্বাস্থ্যকৰ কৰাৰ অৰ্থে বায়ুমণ্ডল দূষিত কৰে, তেওঁ জৰিমনাৰে, যি পাঁচশ টকালৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব।

**ৰাজহুৱা পথত উদ্ধত ভাবে বাহন চলোৱা বা আৰোহন কৰা।**

২৭৯। যিয়ে, কোনো ৰাজহুৱা পথত ইমান উদ্ধত বা অসাৱধানতাৰে কোনো বাহন চলায় বা আৰোহণ কৰে যে মানৱ জীৱন বিপন্ন কৰিব পাৰে বা অন্য কোনো ব্যক্তিৰ আঘাত বা ক্ষতি, কৰাৰ সম্ভাৱনা থাকে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যি এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

**জলযান উদ্ধতভাৱে চলোৱা।**

২৮০। যিয়ে কোনো জলযান ইমান উদ্ধত ভাৱে বা অসাৱধানতাৰে চলায় যে মানৱ জীৱন বিপন্ন কৰিব পাৰে বা অন্য কোনো ব্যক্তিক আঘাত বা দৈহিক ক্ষতি কৰাৰ সম্ভাৱনা থাকে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যি এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

**ভ্ৰামক পোহৰ, চিহ্ন বা প্লাৱকৰ প্ৰদৰ্শন।**

২৮১। যিয়ে, কোনো ভ্ৰামক পোহৰ, চিহ্ন বা প্লাৱকৰ প্ৰদৰ্শন এনে অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানি কৰে যে এনে প্ৰদৰ্শনে কোনো নৌ-চালকক পথভ্ৰষ্ট কৰিব, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**অনিৰাপদ বা অতিপাত বোজাই দিয়া জলযানত ভাড়াৰ বাবে জলপথেৰে ব্যক্তি সকলক বহন।**

২৮২। যিয়ে জানি শুনি বা অসাৱধানতাৰে কোনো ব্যক্তিক জলপথেৰে কোনো জলযানত ভাড়াৰ বাবে বহন কৰে বা কৰায় যেতিয়া সেই জলযান এনে এটা অৱস্থাত থাকে বা ইমান বোজাই কৰা থাকে যে সেই ব্যক্তিজনৰ জীৱন বিপন্ন কৰিব পাৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

**কোনো ৰাজহুৱা পথ বা নৌ-পৰিবহন পথত বিপদ বা বাধা।**

২৮৩। যিয়ে, কোনো কাৰ্য্য কৰি বা তেওঁৰ দখলত থকা তেওঁৰ ভাৰৰ অধীনত থকা কোনো সম্পত্তিৰ সম্পৰ্কে ব্যৱস্থা কৰাত ত্ৰুটী কৰি কোনো ব্যক্তিৰ কোনো ৰাজহুৱা পথ বা ৰাজহুৱা নৌ-

পৰিবহন পথত কোনো বিপদ, বাধা জন্মায় বা ক্ষতি কৰায়, তেওঁ জৰিমনাৰে, যি দুশ টকালৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব।

**বিষাক্ত পদাৰ্থ সম্পৰ্কে অসাৱধান আচৰণ।**

২৮৪। যিয়ে, কোনো বিষাক্ত পদাৰ্থৰে কোনো কাৰ্য্য ইমান উদ্ধত ভাৱে বা অসাৱধানতাৰে কৰে যাৰ দ্বাৰা মানৱ জীৱন বিপন্ন হয় বা যাৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত বা ক্ষতি হোৱাৰ সম্ভাৱনা থাকে,

বা জানি শুনি বা অসাৱধানতাৰে তেওঁৰ দখলত থকা কোনো বিষাক্ত পদাৰ্থৰ পৰা মানৱ জীৱনৰ সম্ভাব্য বিপদৰ বিৰুদ্ধে সতৰ্কতা অৱলম্বনাৰ্থে পৰ্য্যাপ্ত হোৱা এনে ব্যৱস্থা লবলৈ ত্ৰুটী কৰে,

তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যি এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

**জুই বা দাহ্য পদাৰ্থৰ সম্পৰ্কে অসাৱধান আচৰণ।**

২৮৫। যিয়ে, জুই বা অন্য দাহ্য পদাৰ্থৰ কোনো কাৰ্য্য ইমান এনে উদ্ধত ভাৱে বা অসাৱধানতাৰে কৰে যাৰ দ্বাৰা মানৱ জীৱন বিপন্ন হয় বা কোনো ব্যক্তিৰ আঘাত বা ক্ষতি কৰাৰ সম্ভাৱনা থকে,

বা জানি শুনি বা অসাৱধান ভাৱে তেওঁৰ দখলত থকা কোনো জুই বা দাহ্য পদাৰ্থৰ পৰা মানৱ জীৱনৰ কোনো সম্ভাব্য বিপদৰ বিৰুদ্ধে তেনে জুই বা দাহ্য পদাৰ্থৰ পৰা সতৰ্কতা অৱলম্বনাৰ্থে পৰ্য্যাপ্ত হোৱা এনে ব্যৱস্থা লবলৈ ত্ৰুটী কৰে,

তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

**বিস্ফোৰক পদাৰ্থ সম্পৰ্কে অসাৱধান আচৰণ।**

২৮৬। যিয়ে, কোনো বিস্ফোৰক পদাৰ্থৰে কোনো কাৰ্য্য ইমান উদ্ধতভাৱে বা অসাৱধানতাৰে কৰে যাৰ দ্বাৰা মানৱ জীৱন বিপন্ন হয়, বা কোনো ব্যক্তিৰ আঘাত বা ক্ষতি কৰাৰ সম্ভাৱনা থাকে,

বা জানি শুনি বা অসাৱধানতাৰে তেওঁ দখলত থকা কোনো বিস্ফোৰক পদাৰ্থৰ পৰা মানৱ জীৱনৰ কোনো সম্ভাব্য বিপদৰ বিৰুদ্ধে সতৰ্কতা অৱলম্বনাৰ্থে পৰ্য্যাপ্ত হোৱা এনে ব্যৱস্থা লোৱাত ত্ৰুটী কৰে,

তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

**যন্ত্ৰপাতি সম্বন্ধে অসাৱধান আচৰণ।**

২৮৭। যিয়ে, কোনো যন্ত্ৰপাতিৰে কোনো কাৰ্য্য ইমান উদ্ধত ভাৱে বা অসাৱধানতাৰে কৰে যাৰ দ্বাৰা মানৱ জীৱন বিপন্ন হয় বা অন্য কোনো ব্যক্তিৰ আঘাত বা ক্ষতি কৰাৰ সম্ভাৱনা থাকে,

বা জানি শুনি বা অসাৱধানতাৰে তেওঁৰ দখলত থকা বা তেওঁৰ তত্ত্বাৱধানত থকা কোনো যন্ত্ৰপাতিৰ বাবে তেনে যন্ত্ৰপাতিৰ পৰা মানৱ জীৱনৰ সম্ভাব্য বিপদৰ বিৰুদ্ধে সতৰ্কতা অৱলম্বনাৰ্থে পৰ্য্যাপ্ত হোৱা তেনে ব্যৱস্থা লোৱাত ত্ৰুটী কৰে,

তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

**কোনো ভৱন ভাঙি পেলোৱা বা মেৰামতি কৰা সম্পৰ্কে অসাৱধান আচৰণ।**

২৮৮। যিয়ে, কোনো ভৱন ভাঙি পেলাওঁতে বা মেৰামতি কৰোতে সেই ভৱন সম্পৰ্কে সেই ভৱন বা তাৰ কোনো অংশৰ পতনৰ পৰা মানৱ জীৱনৰ কোনো সম্ভাব্য বিপদৰ বিৰুদ্ধে সতৰ্কতা অৱলম্বনাৰ্থে পৰ্য্যাপ্ত হোৱা কোনো ব্যৱস্থা লবলৈ জানি-শুনি বা অসাৱধানতাৰে ত্ৰুটী কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

**জন্তু সম্পৰ্কে অসাৱধান আচৰণ।**

২৮৯। যিয়ে, তেওঁৰ দখলত থকা কোনো জন্তু সম্পৰ্কে মানৱ জীৱনৰ কোনো সম্ভাব্য বিপদৰ বিৰুদ্ধে সতৰ্কতা অৱলম্বনাৰ্থে বা এনে কোনো জন্তুৰ পৰা গুৰুতৰ সম্ভাব্য আঘাতৰ বিৰুদ্ধে পৰ্য্যাপ্ত হোৱা কোনো ব্যৱস্থা লবলৈ জানি-শুনি বা অসাৱধানতাৰে ত্ৰুটী কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

**অন্যথা উপবন্ধিত নোহোৱা গোচৰত লোক অপদোষৰ বাবে দণ্ড।**

২৯০। যিয়ে, কোনো এনে গোচৰত লোক অপদোষ কৰে যিটো এই সংহিতাৰ দ্বাৰা অন্যথা দণ্ডনীয় নহয়, তেওঁ জৰিমনাৰে, যি দুশ টকা পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব।

**অপদোষ চলাই নাথাকিবলৈ নিষেধাজ্ঞাৰ পিচতো ইয়াক চলাই থকা।**

২৯১। যিয়ে, এনে অপদোষৰ পুনৰাবৃত্তি নকৰিবলৈ বা চলাই নাথাকিবলৈ কোনো লোক সেৱকৰ দ্বাৰা যাৰ নিষেধাজ্ঞা জাৰি কৰাৰ বিধি সম্মত প্ৰাধিকাৰ আছে, নিৰ্দেশিত স্বত্বেও অপদোষৰ পুনৰাবৃত্তি কৰে, বা ইয়াক চলাই থাকে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে, যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

**অশ্লীল গ্ৰন্থ আদিৰ বিক্ৰী ইত্যাদি।**

[১][২৯২। [২][(১) উপধাৰা (২)ৰ প্ৰয়োজনৰ বাবে কোনো গ্ৰন্থ, পুস্তিকা, কাকত, লিখনি, ৰেখাচিত্ৰ, বৰ্ণচিত্ৰ, প্ৰতিৰূপ, আকৃতি বা অন্য কোনো বস্তুক অশ্লীল বুলি গণ্য কৰা হব, যদিহে সেইটো কামোদ্দীপক হয় বা কামুক ব্যক্তিৰ বাবে ৰুচিকৰ বা সেইটোৰ বা যেতিয়া তাত দুই বা অধিক বিষয় সন্নিবিষ্ট থাকে) তাৰ কোনো এটাৰ প্ৰভাৱে সামগ্ৰিক ভাবে বিচাৰ কৰিলে, সেই ব্যক্তি সকলক দুৰাচাৰী বা ভ্ৰষ্ট কৰিব পাৰে, যাৰ দ্বাৰা সকলো সুসংগত পৰিস্থিতিৰ প্ৰতি মনোযোগ ৰাখি তাত সন্নিবিষ্ট বা অন্তৰ্নিহিত বিষয় পঢ়া বা চোৱা বা শুনাৰ সম্ভাৱনা থাকে।]]

[৩][(২) যিয়ে -

(ক) কোনো অশ্লীল গ্ৰন্থ, পুস্তিকা, কাকত, ৰেখাচিত্ৰ, বৰ্ণচিত্ৰ, প্ৰতিৰূপ বা আকৃতি বা এনে অন্য যি কোনো অশ্লীল বস্তু যিয়েই নহওক বিক্ৰী কৰে, ভাড়াত দিয়ে, বিতৰণ কৰে বা ৰাজহুৱা ভাবে প্ৰদৰ্শন কৰে, বা ইয়াক কোনো প্ৰকাৰে প্ৰচাৰিত কৰে বা বিক্ৰী, ভাড়া বিতৰণ, ৰাজহুৱা প্ৰদৰ্শন বা প্ৰচাৰৰ উদ্দেশ্যে ৰচনা কৰে, উৎপাদিত কৰে বা নিজৰ দখলত ৰাখে, বা

(খ) কোনো অশ্লীল বস্তুৰ আমদানি, ৰপ্তানি বা বহন উপৰোক্ত উদ্দেশ্যসমূহৰ কোনো উদ্দেশ্যৰ বাবে কৰে বা এইটো জানিও বা এনে বিশ্বাস কৰাৰ কাৰণ থকা স্বত্বেও যে, এনে বস্তু বিক্ৰী কৰা হব, ভাড়াত দিয়া হব বা বিতৰণ কৰা হব বা ৰাজহুৱা ভাবে প্ৰদৰ্শিত কৰা হব বা কোনো প্ৰকাৰে প্ৰচাৰিত কৰা হব,

(গ) কোনো ব্যৱসায়ত ভাগ লয় বা কোনো ব্যৱসায়ৰ লাভ গ্ৰহণ কৰে যিটোৰ অনুক্ৰমত তেওঁ জানে, বা বিশ্বাস কৰাৰ কাৰণ থাকে যে পূৰ্বোক্ত উদ্দেশ্যসমূহৰ বাবে এনে অশ্লীল বস্তুবোৰ ৰচনা কৰা হৈছে, উৎপাদিত হৈছে, ক্ৰয় কৰা হৈছে, ৰখা হৈছে, আমদানি কৰা হৈছে, ৰপ্তানি কৰা হৈছে, বহন কৰা হৈছে, ৰাজহুৱা ভাবে প্ৰদৰ্শিত হৈছে, বা কোনো প্ৰকাৰে প্ৰচাৰিত হৈছে, বা

(ঘ) বিজ্ঞাপন দিয়ে বা যিয়েই নহওঁক কোনো ধৰণে জ্ঞাত কৰায়, যে কোনো ব্যক্তিক কোনো এনে কাৰ্যত, যিটো এই ধাৰাৰ অধীনত এটা অপৰাধ, লগোৱা হৈছে, বা লগাৰ অৰ্থে সাজু হৈছে, বা এনে কোনো অশ্লীল বস্তু কোনো ব্যক্তিৰ পৰা বা যোগেদি সংগ্ৰহ কৰিব পাৰি, বা

(ঙ) কোনো এনে কাৰ্য্য যিটো এই ধাৰাৰ অধীনত অপৰাধ, কৰিবলৈ প্ৰস্তাৱ কৰে, বা প্ৰয়াস কৰে,

তেওঁ [৪][প্ৰথম দোষী সাব্যস্ত কৰণত দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, আৰু জৰিমনাৰে, যি দুহেজাৰ টকা পৰ্যান্ত বিস্তাৰিত হব পাৰে, আৰু দ্বিতীয় বা পৰবৰ্তী দোষী সাব্যস্তকৰণৰ ক্ষেত্ৰত দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰলৈ বিস্তাৰিত

---

১। ১৯২৫ চনৰ অধিনিয়ম ৮ৰ ধাৰা ২ ৰ দ্বাৰা মূল ধাৰাৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৬৯ চনৰ অধিনিয়ম ৩৬ৰ ধাৰা ২ ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। ১৯৬৯ চনৰ অধিনিয়ম ৩৬ৰ ধাৰা ২ ৰ দ্বাৰা ২৯২ ক সেই ধাৰাৰ উপধাৰা (২) ৰ ৰূপত পুনঃ সংখ্যাঙ্কিত হৈছিল।

৪। ১৯৬৯ চনৰ ৩৬ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট শব্দৰ বাবে প্ৰতিষ্ঠাপিত।

হব পাৰে আৰু জৰিমনাৰেও যি পাঁচ হাজাৰ টকালৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব।]

[১][ব্যতিক্ৰম - এনে ধাৰাৰ বিস্তাৰ নিম্নলিখিত বোৰলৈ নহব-

(ক) কোনো এনে গ্ৰন্থ, পুস্তিকা, কাকত, লিখনি, ৰেখাচিত্ৰ, ৰঙচিত্ৰ, প্ৰতিৰূপ বা আকৃতি,

(i) যাৰ প্ৰকাশন লোক হিতৰ কাৰণে হোৱাৰ বাবে এই কাৰণত ন্যায়োচিত প্ৰমাণিত হৈছে যে এনে গ্ৰন্থ, পুস্তিকা, কাকত, লিখনি, ৰেখাচিত্ৰ, ৰঙচিত্ৰ, প্ৰতিৰূপন বা আকৃতি, বিজ্ঞান, সাহিত্য, কলা বা বিদ্যাশিক্ষা, সাৰ্বজনিক সম্বন্ধীয় অন্য উদ্দেশ্যৰ স্বাৰ্থত হৈছে, বা

(ii) যিবোৰ, সদভাৱপূৰ্বক ধৰ্মীয় উদ্দেশ্যৰ বাবে ৰখা হয় বা ব্যৱহাৰ কৰা হয়,

(খ) এনে প্ৰতিৰূপন যিটো-

(i) প্ৰাচীন স্মৃতিচিহ্ন তথা পুৰাতাত্বিক স্থান আৰু অৱশেষ অধিনিয়ম, ১৯৫৮ (১৯৫৮ৰ ২৪) ৰ অৰ্থৰ ভিতৰত কোনো স্মৃতিচিহ্নৰ ওপৰত বা তাত, বা

(ii) কোনো মন্দিৰ বা প্ৰতিমা বহনৰ বাবে ব্যৱহৃত বা কোনো ধৰ্মীয় উদ্দেশ্যৰ বাবে ৰখা বা ব্যৱহাৰ কৰা কোনো বাহনত খোদাইকৃত সাঁচ, কটা, ৰং দিয়া বা অন্যথা প্ৰতিৰূপিত কৰা।]]

**তৰুণ ব্যক্তিক অশ্লীল বস্তুৰ বিক্ৰী আদি।**

[২][২৯৩। যিয়ে, বিশ বছৰৰ তলত কোনো ব্যক্তিক কোনো এনে অশ্লীল বস্তু যি অন্তিম পূৰ্ববৰ্তী ধাৰাত নিৰ্দিষ্ট কৰা হৈছে, বিক্ৰী কৰে, ভাড়াত দিয়ে, বিতৰণ কৰে, প্ৰদৰ্শন কৰে, প্ৰচাৰ কৰে, বা তেনে কৰিবলৈ প্ৰস্তাৱ বা প্ৰয়াস কৰে, তেওঁ [৩][প্ৰথম দোষী সাব্যস্ত কৰণত দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি দুহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে আৰু দ্বিতীয় বা পৰৱৰ্তী দোষী সাব্যস্ত কৰণৰ ক্ষেত্ৰত দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰলৈ বিস্তাৰিত হব পাৰে আৰু জৰিমনাৰেও, যি পাঁচ হাজাৰ টকালৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব]।]

**অশ্লীল কাৰ্য্য আৰু গান।**

[৪][২৯৪। যিয়ে,

(ক) কোনো ৰাজহুৱা স্থানত কোনো অশ্লীল কাৰ্য্য কৰে, বা

(খ) কোনো ৰাজহুৱা স্থানত বা ৰাজহুৱা স্থানৰ ওচৰত অশ্লীল গান, বা মালিতা বা শব্দ গায়, আবৃত্তি কৰে, বা উচ্চাৰণ কৰে, যি অন্য ব্যক্তিক বিৰক্ত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনিমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**লটাৰী কাৰ্য্যালয় ৰখা।**

[৫][২৯৪ক। যিয়ে, [৬][ৰাজ্যিক লটাৰী] বা [৭][ৰাজ্য] চৰকাৰৰ দ্বাৰা প্ৰাধিকৃত কোনো লটাৰী [৮][নোহোৱা] কোনো লটাৰী খেলৰ অৰ্থে কোনো কাৰ্য্যালয় বা স্থান ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

আৰু যিয়ে, কোনো এনে লটাৰীত টিকট লাট, নম্বৰ বা আকৃতি খেলৰ সম্বন্ধত প্ৰযোজ্য হোৱা কোনো ঘটনা ঘটিলে বা আকস্মিক কিবা ঘটিলে কোনো ব্যক্তিৰ হিতৰ বাবে কোনো ধন ৰাশি পৰিদান কৰাৰ বা কোনো বস্তু পৰিদান কৰাৰ বা কোনো কাৰ্য্য কৰাৰ বা কোনো কাৰ্য্য কৰাৰ পৰা বিৰত থকাৰ কোনো প্ৰস্তাৱ প্ৰকাশিত কৰে, তেওঁ জৰিমনাৰে, যি এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব।

---

১। ১৯৬৯ চনৰ ৩৬ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা ব্যতিক্ৰমৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯২৫ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা মূল ধাৰাৰ বাবে প্ৰতিষ্ঠাপিত।

৩। ১৯৬৯ চনৰ ৩৬ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট শব্দৰ বাবে প্ৰতিষ্ঠাপিত।

৪। ১৮৯৫ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা মূল ধাৰাৰ বাবে প্ৰতিষ্ঠাপিত।

৫। ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ১০ ৰ দ্বাৰা অন্তঃস্থাপিত।

৬। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "কেন্দ্ৰীয় চৰকাৰ বা ভাগ "ক" ৰাজ্য বা ভাগ "খ" ৰাজ্য চৰকাৰৰ দ্বাৰা অনুষ্ঠিত লটাৰী ৰ বাবে প্ৰতিষ্ঠাপিত।

৭। অনুকূলন আদেশ, ১৯৫০ দ্বাৰা "প্ৰাদেশিক" বাবে প্ৰতিষ্ঠাপিত।

৮। অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা "চৰকাৰৰ দ্বাৰা প্ৰাধিকৃত নহয়"ৰ বাবে প্ৰতিষ্ঠাপিত।

### প্ৰকৃতি বিৰুদ্ধে অপৰাধবোৰৰ বিষয়ে

প্ৰকৃতি বিৰুদ্ধ অপৰাধবোৰ।

৩৭৭। যিয়ে, স্বেচ্ছাই প্ৰকৃতি বিৰুদ্ধ ভাবে কোনো পুৰুষ, নাৰী বা জন্তুৰ সৈতে দৈহিক সঙ্গম কৰে, তেওঁ [1][আজীৱন কাৰাবাস] বে বা দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - এই ধাৰাত বৰ্ণিত অপৰাধটো হবলৈ আৱশ্যকীয় দৈহিক সঙ্গমটো হবৰ বাবে প্ৰবেশেই যথেষ্ট।

## অধ্যায় - ১৭

### সম্পত্তিৰ বিৰুদ্ধে অপৰাধবোৰৰ বিষয়ে

### চুৰিৰ বিষয়ে

চুৰি।

৩৭৮। যিয়ে, কোনো অস্থাৱৰ সম্পত্তি কোনো এজন ব্যক্তিৰ দখলৰ পৰা সেই ব্যক্তিজনৰ সন্মতি বিনা, অসাধুভাবে লোৱাৰ অভিপ্ৰায়েৰে, সেই সম্পত্তি তেনেদৰে লবৰ বাবে স্থানান্তৰ কৰে, তেওঁ চুৰি কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ ১** - অস্থাৱৰ সম্পত্তি নোহোৱা কোনো বস্তু যি পৰ্যান্ত ই ভূমিৰ লগত সংলগ্ন হৈ থাকে, চুৰিৰ বিষয় নহয়, কিন্তু যেতিয়াই ইয়াক ভূমিৰ পৰা পৃথক কৰা হয়, ই চুৰিৰ বিষয় হবলৈ যোগ্য হয়।

**স্পষ্টীকৰণ ২**- একেটা কাৰ্যৰ দ্বাৰাই স্থানান্তৰকৰণ যি পৃথক কৰণ প্ৰভাবিত কৰে চুৰি কাৰ্য্য হব পাৰে।

**স্পষ্টীকৰণ ৩** - কোনো ব্যক্তিয়ে এটা বস্তুক এটা প্ৰতিবন্ধক আঁতৰাই যিটোৱে ইয়াক স্থানান্তৰ কৰাত বাধা দিছিল বা ইয়াক আন কোনো বস্তুৰ পৰা পৃথক কৰি তথা ইয়াক প্ৰকৃততে স্থানান্তৰ কৰি স্থানান্তৰ কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ ৪** - কোনো ব্যক্তি, যিজনে কোনো এটা উপায়ে এটা জন্তুক স্থানান্তৰ কৰায়, তেওঁ সেই জন্তুটোক স্থানান্তৰ কৰা বুলি, আৰু এনে সকলোবোৰ বস্তুকে যিবোৰ এনেদৰে উৎপন্ন কৰা গতিৰ পৰিণাম স্বৰূপে সেই জন্তুটোৰ দ্বাৰা স্থানান্তৰ হয়, স্থানান্তৰ কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ ৫** - পৰিভাষাত উল্লেখিত সন্মতিটো অভিব্যক্ত বা বিবক্ষিত হব পাৰে, আৰু হয়তো দখলত থকা ব্যক্তিজনে দিব পাৰে নাইবা আন কোনো ব্যক্তিয়ে দিব পাৰে যাৰ সেই উদ্দেশ্যে হয় অভিব্যক্ত বা বিবক্ষিত প্ৰাধিকাৰ আছে।

### দৃষ্টান্ত সমূহ

(ক) "জ" ৰ দখলৰ পৰা "জ"ৰ সন্মতি বিনা অসাধু ভাবে আঁতৰাই নিয়াৰ অভিপ্ৰায়েৰে "ক"ই "জ"ৰ পথাৰত থকা এডাল গছ কাটি পেলালে। এই ক্ষেত্ৰত যি মুহূৰ্ত্ততে "ক"ই গছ ডাল এনেদৰে লোৱাৰ বাবে পৃথক কৰিলে, তেওঁ চুৰি কৰিলে।

(খ) "ক" ই কুকুৰৰ বাবে এটা টোপ তেওঁৰ জেপত ৰাখিলে আৰু এইদৰে "জ"ৰ কুকুৰটোক এইটো অনুসৰণ কৰিবলৈ উৎপ্ৰেৰিত কৰিলে, এই ক্ষেত্ৰত যদিহে কুকুৰটো "জ"ৰ সন্মতি বিনা "জ"ৰ দখলৰ পৰা অসাধু ভাবে লৈ যোৱাটোৱেই "ক"ৰ অভিপ্ৰায় হয়, তেন্তে যি মুহূৰ্ত্ততে "জ" ৰ কুকুৰটোৱে "ক"ক অনুসৰণ কৰিবলৈ আৰম্ভ কৰিলে, তেতিয়াই "ক"ই চুৰি কৰিলে।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসনৰ" বাবে প্ৰতিষ্ঠাপিত।

(গ) "ক" ই ধন সম্পত্তি এবাকচ বহন কৰি নিয়া বলধ লগ পালে। তেওঁ বলধটো এটা নিৰ্দিষ্ট দিশলৈ খেদি লৈ গ'ল, তেওঁ যাতে অসাধু ভাবে ধন সম্পত্তিখিনি লব পাৰে, সেই বাবে যি মুহূৰ্ত্তত বলধটোৱে যাবলৈ আৰম্ভ কৰে, তেতিয়াই "ক" ই ধন সম্পত্তিখিনি চুৰি কৰিলে।

(ঘ) "জ"ৰ ভৃত্য হৈ থাকি, আৰু "জ" ৰ থাল এখন ৰাখি থাকিবলৈ "জ"ৰ দ্বাৰা ন্যস্ত হৈ থকা অবস্থাত "ক" ই "জ"ৰ সম্মতি বিনা, থালখন লৈ অসাধু ভাবে পলাই যায় "ক"ই চুৰি কৰিলে।

(ঙ) "জ"ই ভ্ৰমণলৈ যোৱাৰ সময়ত তেওঁৰ থালখন এটা পণ্যাগাৰত ৰক্ষক "ক"ক তেওঁ উভতি নহা পৰ্যান্ত ন্যস্ত কৰিলে। "ক"ই থালখন সোনাৰি এজনৰ ওচৰলৈ লৈ গ'ল আৰু এই ধন বিক্ৰী কৰিলে। এই ক্ষেত্ৰত থালখন "জ"ৰ দখলত নাছিল। গতিকে এইখন "জ" ৰ দখলৰ পৰা নিব পৰা নগ'লহেঁতেন, আৰু "ক"ই চুৰি কৰা নাই, যদিও তেওঁ আপৰাধিক ন্যাস ভঙ্গ কৰিব পাৰে।

(চ) "জ"ৰ আঙুঠি এটা "জ"ৰ অধিভোগত থকা ঘৰৰ মেজৰ ওপৰত "ক"ই পালে। এই ক্ষেত্ৰত আঙুঠিটো "জ"ৰ দখলত আছে আৰু যদি "ক"ই এইটো অসাধু ভাবে আতৰাই নিয়ে, তেন্তে "ক" ই চুৰি কৰিছে।

(ছ) "ক"ই কোনো ব্যক্তিৰ দখলত নথকা আঙুঠি এটা ৰাজপথ এটাত পৰি থকা পালে। "ক"ই এইটো বুটলি লোৱাৰ দ্বাৰা চুৰি কৰা নাই, যদিও তেওঁ সম্পত্তিৰ আপৰাধিক আত্মসাৎ কৰিব পাৰে।

(জ) 'ক'ই "জ"ৰ আঙুঠি এটা "জ"ৰ ঘৰৰ মেজৰ ওপৰত দেখা পালে। ততালিকে আঙুঠিটো আত্মসাৎ কৰিবলৈ সাহস নকৰি তালাচী কৰা আৰু ধৰা পৰাৰ ভয়ত "ক"ই আঙুঠিটো এনে এখন ঠাইত লুকুৱাই ৰাখিলে য'ৰ পৰা এইটো "জ" ই বিচাৰি উলিয়াব পৰাটো একেবাৰে অসম্ভৱ, কথাটো যেতিয়া পাহৰি যায় লুকুৱাই থোৱা ঠাইৰ পৰা আঙুঠিটো লৈ যায় বিক্ৰী কৰাৰ অভিপ্ৰায়েৰে। ইয়াত "ক"ই প্ৰথম বাৰত আঙুঠিটো লৈ যোৱাৰ সময়তে চুৰি কৰিলে।

(ঝ) "ক"ই তেওঁৰ ঘড়ীটো নিয়ন্ত্ৰিত কৰিবলৈ এজন সোণাৰি "জ"ক দিলে। "জ"ই এইটো তেওঁৰ দোকানলৈ লৈ গ'ল। "ক"ই সোণাৰিজনক কোনো ঋণ দিবলগীয়া নথকাত যাৰ বাবে সোণাৰিজনে প্ৰতিভূতি ৰূপে ঘড়ীটো বিধি সম্মত ভাবে ৰাখিব পাৰিলেহেঁতেন, খোলাখুলিকৈ দোকানত প্ৰবেশ কৰিলে, "জ"ৰ হাতৰ পৰা ঘড়ীটো বলপূৰ্বক ললে আৰু এইটো লৈ গুছি গ'ল। এই ক্ষেত্ৰত "ক"ই যদিও তেওঁ আপৰাধিক অনুপ্ৰবেশ আৰু অভ্যাঘাত কৰিব পাৰে, কিন্তু তেওঁ চুৰি হ'লে কৰা নাই, যিহেতু তেওঁ যি কৰিছিল, সেইটো অসাধু ভাবে কৰা হোৱা নাছিল।

(ঞ) ঘড়ীটো মেৰামতি কৰাৰ কাৰণে যদি "ক"ই "জ"ক ধন দিবলৈ ঋণী হৈ আছে, আৰু যদি "জ"ই ঘড়ীটো বিধি সম্মতভাবে ঋণটোৰ বাবে প্ৰতিভূতি ৰূপে ৰাখি থয়, আৰু "ক"ই ঘড়ীটো "জ"ৰ দখলৰ পৰা "জ"ক বঞ্চিত কৰাৰ অভিপ্ৰায়েৰে তেওঁক দিবলগীয়া ঋণটোৰ প্ৰতিভূতি ৰূপে ৰখা সম্পত্তিটো লৈ যায়, তেন্তে তেওঁ চুৰি কৰিছে, যিহেতু তেওঁ এইটো অসাধু ভাবে লৈ গৈছে।

(ট) আকৌ যদি "ক"ই তেওঁৰ ঘড়ীটো "জ"ক পণবন্ধক দি এইটো "জ"ৰ বিনানুমতিত "জ"ৰ দখলৰ পৰা লৈ যায় যদিও ঘড়ীটো তেওঁৰ সম্পত্তি, যিহেতু তেওঁ অসাধু ভাবে লৈছে, তেওঁ চুৰি কৰিছে।

(ঠ) "ক"ই "জ"ৰ বস্তু এটা "জ"ৰ সম্মতি বিনা "জ" ৰ দখলৰ পৰা যেতিয়ালৈকে তেওঁ "জ"ৰ পৰা পুৰস্কাৰ হিচাপে ধন লব নোৱাৰে, তেতিয়ালৈকে ৰাখি থোৱাৰ অভিপ্ৰায়েৰে ললে। ইয়াত "ক"ই অসাধু ভাবে লৈছে সেই বাবে "ক"ই চুৰি কৰিছে।

(ড) "ক"ই "জ"ৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক থকাত "জ"ৰ অবৰ্ত্তমানত, "জ"ৰ পুথিভঁৰাললৈ গ'ল আৰু "জ"ৰ প্ৰকাশ্য সম্মতি বিনা কেৱল এইখন পঢ়িবৰ বাবে আৰু এইখন ওভোটাই দিয়াৰ অভিপ্ৰায়েৰে এখন কিতাপ লৈ গুছি গ'ল। ইয়াত এইটো সম্ভাব্য যে "ক"ই এইটো ধাৰণা কৰিছিল যে "জ"ৰ কিতাপখন ব্যৱহাৰ কৰিবলৈ তেওঁ "জ"ৰ বিবক্ষিত সম্মতি লাভ কৰিছিল। যদি এইটো "ক"ৰ ধাৰণা আছিল, তেন্তে "ক"ই চুৰি কৰা নাই।

(ঢ) "ক"ই "জ"ৰ পত্নীৰ পৰা দান বিচাৰিলে। তাই "ক"ক ধন, খাদ্য আৰু বস্ত্ৰ দিলে, যিবোৰ

তাইৰ পতি "জ"ৰ বুলি "ক"ই জানে। ইয়াত এইটো সম্ভাব্য যে "ক"ই এইটো ধাৰণা কৰিব পাৰে যে "জ"ৰ পত্নী ভিক্ষা দিবলৈ প্ৰাধিকৃত। যদি এইটো "জ" ৰ ধাৰণা, তেন্তে "ক"ই চুৰি কৰা নাই।

(গ) "ক" "জ"ৰ পত্নীৰ উপপতি। তাই মূল্যবান সম্পত্তি এটা দিলে যিটো তাইৰ পতিৰ বুলি আৰু এনে সম্পত্তি দিবলৈ তাই "জ"ৰ পৰা প্ৰাধিকৃত নহয় বুলি "ক"ই জানে। যদিহে "ক"ই সম্পত্তিটো অসাধু ভাবে লয়, তেন্তে তেওঁ চুৰি কৰিছে।

(ত) "ক" ই সদ্ভাৱপূৰ্বক, "জ"ৰ সম্পত্তি "ক"ৰ নিজৰ সম্পত্তি বুলি বিশ্বাস কৰি, সেইটো সম্পত্তি "খ"ৰ দখলৰ পৰা লৈ গ'ল। এই ক্ষেত্ৰত, যিহেতু "ক"ই অসাধু ভাবে লোৱা নাই, তেওঁ চুৰি কৰা নাই।

**চুৰিৰ বাবে দণ্ড।**

৩৭৯। যিয়ে, চুৰি কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**বাসগৃহ আদিত চুৰি।**

৩৮০। যিয়ে, এনে কোনো ভৱন, তম্বু বা জলযানত চুৰি কৰে, যিটো ভৱন, তম্বু বা জলযান, মনুষ্যৰ বাসস্থানৰূপে ব্যৱহাৰ কৰা হয়, বা সম্পত্তি অভিৰক্ষাৰ বাবে ব্যৱহাৰ কৰা হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হ'ব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**কেৰাণী বা সেৱকৰ দ্বাৰা মালিকৰ দখলত থকা সম্পত্তিৰ চুৰি।**

৩৮১। যিয়ে, এজন কেৰাণী বা সেৱক হৈ বা কেৰাণী বা সেৱকৰ সামৰ্থ্যত নিযুক্ত হৈ, তেওঁৰ মালিক বা নিয়োগকৰ্তাৰ দখলত থকা কোনো সম্পত্তিৰ চুৰি কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**চুৰি কৰাৰ বাবে মৃত্যু, আঘাত বা অৱৰোধ কৰোৱাৰ প্ৰস্তুতি কৰাৰ পাছত চুৰি কৰা।**

৩৮২। যিয়ে, চুৰি কৰাৰ বাবে, বা চুৰি কৰাৰ পিচত পলায়ন কৰাৰ বাবে, বা চুৰিৰ দ্বাৰা লোৱা সম্পত্তি ৰাখিবৰ কাৰণে কোনো ব্যক্তিক মৃত্যু বা তেওঁক আঘাত বা তেওঁক অৱৰোধ কৰোৱাৰ বাবে বা মৃত্যু, আঘাত বা অৱৰোধৰ ভয় দেখুৱাই প্ৰস্তুতি কৰি চুৰি কৰে, তেওঁ সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

### দৃষ্টান্ত সমূহ

(ক) "ক"ই "জ"ৰ দখলত থকা সম্পত্তি চুৰি কৰিলে; আৰু এই চুৰি কাৰ্যটো কৰোতে, তেওঁৰ পোছাকৰ তলত এটা গুলী ভৰ্তি পিষ্টল লৈ গৈছে, "জ"ই বাধা দিলে। "জ"ক আঘাত কৰাৰ বাবে "ক"ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিছে।

(খ) "ক"ই "জ"ৰ পকেট মাৰিলে, তেওঁৰ ওচৰত তেওঁৰ বহুতো সঙ্গীক ৰাখি থৈ যাতে তেওঁলোকে "জ" ক বাধা দিব পাৰে, যদি "জ"ই কি ঘটিছে সেইটো বুজি পায় আৰু বাধা দিবলৈ চেষ্টা কৰে, বা "ক"ক কৰায়ত্ত কৰিবলৈ যত্ন কৰে। "ক"ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিলে।

### বলেৰে আদায় কৰণৰ বিষয়ে

**বলেৰে আদায় কৰণ।**

৩৮৩। যিয়ে, কোনো ব্যক্তিক সেই ব্যক্তিজনৰ বা আন কোনোবা এজনৰ কোনো ক্ষতি কৰাৰ ভয় অভিপ্ৰায়েৰে খুৱায়, আৰু তাৰ দ্বাৰা তেনেদৰে ভয় খুওৱা ব্যক্তিজনক কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি বা স্বাক্ষৰিত বা মুদ্ৰাঙ্কিত কোনো বস্তু, যি বস্তুক এটা মূল্যবান প্ৰতিভূতিলৈ পৰিবৰ্তন কৰিব পৰা যায়, কোনো এজন ব্যক্তিক দিবলৈ অসাধু ভাবে উৎপ্ৰেৰিত কৰে, তেওঁ "বলেৰে আদায় কৰে"।

### দৃষ্টান্ত সমূহ

(ক) "ক"ই "জ"ৰ সম্পৰ্কে মানহানিৰ অপবাদ টো প্ৰকাশ কৰিবলৈ ভাবুকি দিছে, যদিহে "জ"ই

তেওঁক ধন নিদিয়ে। তেওঁ এইদৰে "জ"ক তেওঁক ধন দিবলৈ উৎপ্ৰেৰিত কৰিছে। "ক"ই বলেৰে আদায় কৰা অপৰাধটো কৰিছে।

(খ) "ক"ই "জ" ক ভাবুকি দিছে যে তেওঁ "জ"ৰ শিশুটোক দোষপূৰ্বক পৰিৰোধ কৰি ৰাখিব যদিহে "জ"ই এখন প্ৰমিচাৰী নোট স্বাক্ষৰ নকৰে আৰু "ক"ক নিদিয়ে, "ক"ক এটা নিৰ্দিষ্ট টকা দিবলৈ "জ"ক বাধ্য কৰি "জ"ই নোটখনত স্বাক্ষৰ কৰিলে আৰু দিলে। "ক"ই বলেৰে আদায় কৰা অপৰাধটো কৰিছে।

(গ) "ক"ই এই ভাবুকি দিছে যে যদি "জ"ই "খ"ক কোনো উৎপাদন প্ৰদান কৰিবলৈ শাস্তি মূলক বন্ধ পত্ৰত স্বাক্ষৰ নকৰে আৰু "খ"ক নিদিয়ে, তেন্তে তেওঁ "জ"ৰ খেতি পথাৰত হালবাবলৈ লাঠিয়াল পঠাব আৰু তাৰ দ্বাৰা "জ"ক সেই বন্ধ পত্ৰত স্বাক্ষৰ কৰিবৰ নিমিত্তে উৎপ্ৰেৰিত কৰিছে। "ক"ই বলেৰে আদায় কৰা অপৰাধটো কৰিছে।

(ঘ) "ক"ই "জ"ক গুৰুতৰ আঘাতৰ ভয় দেখুৱাই অসাধু ভাবে "জ"ক উকা কাগজ এখনত স্বাক্ষৰ কৰিবলৈ বা তেওঁৰ মোহৰ মাৰিবলৈ আৰু এইখন "ক" ক প্ৰদান কৰিবলৈ উৎপ্ৰেৰিত কৰিলে। "জ"ই স্বাক্ষৰ কৰিলে আৰু কাগজখন "ক"ক প্ৰদান কৰিলে। ইয়াত যিহেতু স্বাক্ষৰিত কাগজখন এখন মূল্যবান প্ৰতিভূতিলৈ পৰিবৰ্তন কৰিব পৰা যায়, "ক"ই বলেৰে আদায় কৰা অপৰাধটো কৰিলে।

**বলেৰে আদায় কৰণৰ বাবে দণ্ড।**

৩৮৪। যিয়ে, বলেৰে আদায়ৰ অপৰাধটো কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**বলেৰে আদায় কৰণৰ বাবে কোনো ব্যক্তিক ক্ষতিৰ ভয় দেখুওৱা।**

৩৮৫। যিয়ে, বলেৰে আদায়ৰ কৰণৰ অৰ্থে কোনো ব্যক্তিক কোনো ক্ষতিৰ ভয় দেখুৱায় বা কোনো ব্যক্তিক কোনো ক্ষতিৰ ভয় দেখুৱাবলৈ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুই বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

**কোনো ব্যক্তিক মৃত্যুৰ বা গুৰুতৰ আঘাতৰ ভয় দেখুৱাৰ দ্বাৰা বলেৰে আদায়কৰণ।**

৩৮৬। যিয়ে, কোনো ব্যক্তিক সেই ব্যক্তিজনৰ বা আন কোনোবাৰ মৃত্যু বা গুৰুতৰ আঘাতৰ ভয় দেখুৱাৰ দ্বাৰা বলেৰে আদায়ৰঅপৰাধ সংঘটন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**বলেৰে আদায় কৰণৰ অৰ্থে কোনো ব্যক্তিক মৃত্যু বা গুৰুতৰ আঘাতৰ ভয় দেখুৱা।**

৩৮৭। যিয়ে, বলেৰে আদায়ৰ অপৰাধ সংঘটনৰ অৰ্থে কোনো ব্যক্তিক সেই ব্যক্তিজনৰ বা আন কোনোবাৰ মৃত্যুৰ বা গুৰুতৰ আঘাতৰ ভয় দেখুৱায় বা দেখুৱাবলৈ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**মৃত্যুৰে বা আজীৱন কাৰাবাস আদিৰে দণ্ডনীয় অপৰাধৰ অভিযোগ লগোৱাৰ ভাবুকিৰ দ্বাৰা বলেৰে আদায়কৰণ।**

৩৮৮। যিয়ে, কোনো ব্যক্তিক স্বয়ং তেওঁৰ বিৰুদ্ধে বা কোনো আন ব্যক্তিৰ বিৰুদ্ধে এই অভিযোগ লগোৱাৰ ভয় দেখুৱাই যে তেওঁ এনে এটা অপৰাধ কৰিছে, বা কৰাৰ প্ৰয়াস কৰিছে যি মৃত্যুৰে বা [1][আজীৱন কাৰাবাস] ৰে বা এনে কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডনীয় বা তেওঁ অন্য ব্যক্তিক এনে অপৰাধ কৰিবলৈ উৎপ্ৰেৰিত কৰিবলৈ প্ৰয়াস কৰিছিল, বলেৰে আদায়ৰ অপৰাধ সংঘটিত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব; আৰু যদিহে অপৰাধটো সংহিতাখনৰ ধাৰা ৩৭৭ ৰ অধীনত দণ্ডনীয় এটা অপৰাধ হয়, তেওঁ [1][আজীৱন কাৰাবাস] ৰে দণ্ডিত হব পাৰে।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

**বলেৰে আদায়কৰাৰ অৰ্থে কোনো ব্যক্তিক অপৰাধৰ অভিযোগ লগোৱাৰ ভয় দেখুওৱা।**

৩৮৯। যিয়ে, বলেৰে আদায় কৰাৰ অৰ্থে কোনো ব্যক্তিক স্বয়ং তেওঁৰ বিৰুদ্ধে বা কোনো অন্য ব্যক্তিৰ বিৰুদ্ধে এই অভিযোগ লগোৱাৰ ভয় দেখুৱায় বা এই ভয় দেখুৱাৰ প্ৰয়াস কৰে যে তেওঁ এনে অপৰাধ কৰিছে বা কৰিবলৈ প্ৰয়াস কৰিছে যি মৃত্যুৰে বা [1][আজীৱন কাৰাবাস] ৰে বা দহ বছৰ পৰ্যন্ত কাৰাবাসৰে দণ্ডনীয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব; আৰু জৰিমনাৰ বাবেও দায়ী হব ; আৰু যদিহে অপৰাধটো সংহিতাখনৰ ধাৰা ৩৭৭ ৰ অধীনত দণ্ডনীয় হয়, তেনেহলে [1][আজীৱন কাৰাবাস] ৰে দণ্ডিত হব পাৰে।

## লুণ্ঠন আৰু ডকাইতিৰ বিষয়ে

**লুণ্ঠন।**

৩৯০। সকলোবোৰ লুণ্ঠনত হয় চুৰি অথবা বলেৰে আদায়কৰণ থাকে।

**কেতিয়া চুৰি লুণ্ঠন হয়।**

চুৰি "লুণ্ঠন" হ'ব যদিহে, চুৰি কৰাৰ বাবে, বা চুৰি কৰোঁতে, বা চুৰিৰ দ্বাৰা প্ৰাপ্ত সম্পত্তি লৈ যাওঁতে বা লৈ যাবলৈ প্ৰয়াস কৰোঁতে, অপৰাধীজনে স্বেচ্ছাই, সেই উদ্দেশ্যে কোনো ব্যক্তিৰ মৃত্যু বা আঘাত বা সদোষ পৰিৰোধ ঘটায় বা তৎকালিক মৃত্যু বা তৎকালিক আঘাত বা তৎকালিক সদোষ পৰিৰোধৰ ভয় খুৱাবলৈ প্ৰয়াস কৰে।

**বলেৰে আদায়কৰণ কেতিয়া লুণ্ঠন হয়।**

বলেৰে আদায়কৰণ "লুণ্ঠন" হয়, যদি অপৰাধীজন বলেৰে আদায় কৰাৰ সময়ত ভয় খুওৱা ব্যক্তিজনৰ উপস্থিতিত থাকে, আৰু সেই ব্যক্তিক স্বয়ং তেওঁৰ বা কোনো অন্য ব্যক্তিৰ তৎকালিক মৃত্যু বা তৎকালিক আঘাতৰ বা তৎকালিক সদোষ পৰিৰোধৰ ভয় খুৱাই বলেৰে আদায় কৰে আৰু এই প্ৰকাৰৰ ভয় খুৱাই এই প্ৰকাৰৰ ভয় খুওৱা ব্যক্তিক বলেৰে আদায় কৰা বস্তু তৎক্ষণাত প্ৰদান কৰিবলৈ উৎপ্ৰেৰিত কৰে।

**স্পষ্টীকৰণ** - অপৰাধীজন উপস্থিত থকা বুলি কোৱা হয় যদিহে তেওঁ আন ব্যক্তিৰ তৎকালিক মৃত্যু বা তৎকালিক আঘাতৰ বা তৎকালিক সদোষ পৰিৰোধৰ ভয় দেখুৱাবলৈ যথেষ্ট ভাবে ওচৰত থাকে।

### দৃষ্টান্ত সমূহ

(ক) "ক" ই "জ"ক তলমূৰকৈ ধৰিলে আৰু প্ৰৱঞ্চনামূলকভাৱে "জ"ৰ ধন আৰু মণি মুক্তা "জ"ৰ পোছাকৰ পৰা "জ"ৰ সম্মতি বিনা ললে। ইয়াত "ক"ই চুৰি কৰিলে, আৰু সেই চুৰি কাৰ্য্য কৰিবলৈ "জ"ক স্বেচ্ছাই সদোষ পৰিৰোধ কৰিলে, গতিকে "ক"ই লুণ্ঠন কৰিলে।

(খ) "ক"ই "জ"ক ৰাজপথত লগ ধৰিলে, পিষ্টল দেখুৱালে আৰু "জ"ৰ ধনৰ মোনাখন দাবী কৰিলে। ফলস্বৰূপে "জ"ই তেওঁৰ ধনৰ মোনাখন সমৰ্পণ কৰিলে। এই ক্ষেত্ৰত "ক"ই "জ"ৰ পৰা ধনৰ মোনাখন তেওঁক তৎকালিক আঘাতৰ ভয় দেখুৱাই আৰু বলেৰে আদায়ৰ অপৰাধ সংঘটিত কৰা সময়তে তেওঁৰ উপস্থিতিত থাকি বলেৰে আদায় কৰিলে, গতিকে "ক" ই লুণ্ঠন কৰিলে।

(গ) "ক" ই "জ" আৰু "জ"ৰ শিশুক ৰাজপথত লগ ধৰিলে। "ক"ই শিশুটোক ললে আৰু যদিহে "জ"ই তেওঁৰ ধনৰ মোনাখন নিদিয়ে, তেনেহলে ইয়াক থিয় গৰাৰ পৰা তললৈ পেলাই দিব বুলি ভাবুকি দিলে। ফলস্বৰূপে "জ"ই তেওঁৰ ধনৰ মোনাখন দিলে। এই ক্ষেত্ৰত "ক"ই "জ" পৰা ধনৰ মোনাখন বলেৰে আদায় কৰিলে, "জ"ৰ মনত শিশুটোৰ তৎকালিক আঘাতৰ ভয় দেখুৱাই, যি শিশুটো তাত উপস্থিত আছিল, গতিকে "ক"ই "জ"ৰ ওপৰত লুণ্ঠন সংঘটন কৰিলে।

(ঘ) "ক"ই "জ"ৰ পৰা সম্পত্তি লাভ কৰিলে এনেদৰে কৈ -- "তোমাৰ শিশুটো মোৰ দলটোৰ হাতত আছে, আৰু তাৰ মৃত্যু ঘটোৱা হব যদিহে তুমি আমালৈ দহ হাজাৰ টকা নপঠোৱা"। এইটো বলেৰে

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

আদায়কৰণ আৰু তেনেদৰে দণ্ডনীয় ; কিন্তু ই লুণ্ঠন নহয় যদিহে "অ"ক তেওঁৰ শিশুটোৰ তৎকালিন মৃত্যুৰ ভয় দেখুৱা নহয়।

**ডকাইতি।**

৩৯১। যেতিয়া পাঁচজন বা তাতোধিক ব্যক্তিয়ে একেলগে লুণ্ঠন কৰে বা কৰিবলৈ প্ৰয়াস কৰে, বা য'ত লুণ্ঠন কৰি থকা বা লুণ্ঠন কৰিবলৈ প্ৰয়াস কৰা ব্যক্তিবোৰৰ আৰু তাত উপস্থিত থকা আৰু তেনে সংঘটন বা প্ৰয়াসত সহায়তা কৰা ব্যক্তিসকলৰ মুঠ সংখ্যা পাঁচজন বা ততোধিক হয়, তেনে ক্ষেত্ৰত এনেদৰে সংঘটিত কৰি থকা, প্ৰয়াস কৰি থকা বা সহায়তা কৰি থকা প্ৰতিজন ব্যক্তিকে "ডকাইতি" কৰা বুলি কোৱা হয়।

**লুণ্ঠনৰ বাবে দণ্ড।**

৩৯২। যিয়ে, লুণ্ঠন কৰে, তেওঁ সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব; আৰু যদি লুণ্ঠন সূৰ্যাস্ত আৰু সূৰ্যোদয়ৰ মাজত হয়, তেনেহলে কাৰাবাস চৈধ্য বছৰলৈ বিস্তাৰিত হব পাৰে।

**লুণ্ঠন কৰাৰ প্ৰয়াস।**

৩৯৩। যিয়ে, লুণ্ঠন কৰিবলৈ প্ৰয়াস কৰে, তেওঁ সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**লুণ্ঠন কৰণত স্বেচ্ছাই আঘাত কৰা।**

৩৯৪। যদি কোনো ব্যক্তিয়ে লুণ্ঠন কৰোতে বা কৰিবলৈ প্ৰয়াস কৰোতে, স্বেচ্ছাই আঘাত কৰে, তেনে ব্যক্তি আৰু তেনে লুণ্ঠনকৰণত বা কৰিবলৈ প্ৰয়াসকৰণত যুটীয়া ভাবে সংশ্লিষ্ট থকা আন কোনো ব্যক্তি [1][আজীৱন কাৰাবাস]ৰে বা সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**ডকাইতিৰ বাবে দণ্ড।**

৩৯৫। যিয়ে, ডকাইতি কৰে, তেওঁ [1][আজীৱন কাৰাবাস] ৰে বা সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**হত্যাসহ ডকাইতি।**

৩৯৬। যদি সংযুক্তভাবে ডকাইতি কৰি থকা পাঁচজন বা অধিক ব্যক্তিৰ যি কোনো এজনে, তেনেদৰে ডকাইতি কৰোতে হত্যা কৰে, তেনে ক্ষেত্ৰত সেইবোৰ ব্যক্তিৰ প্ৰতিজনেই, মৃত্যু দণ্ডেৰে বা [1][আজীৱন কাৰাবাস] ৰে বা সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**মৃত্যু বা গুৰুতৰ আঘাত ঘটোৱাৰ বাবে প্ৰয়াসসহ লুণ্ঠন বা ডকাইতি।**

৩৯৭। যদি লুণ্ঠন বা ডকাইতি কৰাৰ সময়ত অপৰাধীজনে কোনো মাৰাত্মক অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰে, বা কোনো ব্যক্তিৰ গুৰুতৰ আঘাত ঘটায়, বা কোনো ব্যক্তিৰ মৃত্যু বা গুৰুতৰ আঘাত ঘটাবলৈ প্ৰয়াস কৰে, তেনে ক্ষেত্ৰত অপৰাধীক যি কাৰাবাসৰে দণ্ড বিহিব লাগিব, সি সাত বছৰতকৈ কম নহব।

**মাৰাত্মক অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত হৈ লুণ্ঠন বা ডকাইতি কৰিবলৈ প্ৰয়াস কৰা।**

৩৯৮। যদি লুণ্ঠন বা ডকাইতি কৰিবলৈ প্ৰয়াস কৰাৰ সময়ত অপৰাধীজন কোনো মাৰাত্মক অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত হৈ থাকে, তেনে ক্ষেত্ৰত তেনে অপৰাধীক যি কাৰাবাসৰে দণ্ড দিব লাগিব, সি সাত বছৰতকৈ কম নহব।

**ডকাইতি কৰিবলৈ প্ৰস্তুতি কৰা।**

৩৯৯। যিয়ে, ডকাইতি কৰিবলৈ কোনো প্ৰস্তুতি কৰে, তেওঁ সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**ডকাইতৰ দলত দলভুক্ত হোৱাৰ বাবে দণ্ড।**

৪০০। যিয়ে, এই অধিনিয়মখন পাৰিত হোৱাৰ পাছত, যি কোনো সময়ত, এনে ব্যক্তিবোৰৰ দলত দলভুক্ত হয়, যিবোৰ অভ্যাসিকভাবে ডকাইতি কৰাৰ উদ্দেশ্যে সহযুক্ত হৈছে, তেওঁ [1][আজীৱন কাৰাবাস] ৰে বা সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

**চোৰৰ দলত দলভুক্ত হোৱাৰ বাবে দণ্ড।**

৪০১। যিয়ে, এই অধিনিয়মখন পাৰিত হোৱাৰ পাছত, যি কোনো সময়ত, এনে কোনো ঘূৰিফুৰা বা অন্য ব্যক্তিৰ দলত দলভুক্ত হয়, যিবোৰ অভ্যাসিকভাবে চুৰি বা লুণ্ঠন কৰাৰ উদ্দেশ্যে সহযুক্ত হৈছে, আৰু যিটো এটা ঠগ বা ডকাইতৰ দল নহয়, তেওঁ সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**ডকাইতি কৰাৰ উদ্দেশ্যে একত্ৰিত হোৱা।**

৪০২। যিয়ে, এই অধিনিয়মখন পাৰিত হোৱাৰ পাছত, যি কোনো সময়ত, ডকাইতি কৰিবলৈ একত্ৰিত হোৱা পাঁচজন বা অধিক ব্যক্তিৰ এজন হয়, তেওঁ সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

### সম্পত্তিৰ আপৰাধিক আত্মসাৎৰ বিষয়ে

**সম্পত্তিৰ অসাধু ভাবে আত্মসাৎ।**

৪০৩। যিয়ে, কোনো অস্থাৱৰ সম্পত্তি অসাধু ভাবে আত্মসাৎ কৰে বা তেওঁৰ নিজৰ ব্যৱহাৰৰ বাবে সংপৰিবৰ্তন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনা বা উভয়েৰে, দণ্ডিত হব।

#### দৃষ্টান্ত সমূহ

(ক) "ক"ই "জ"ৰ সম্পত্তি "জ"ৰ দখলৰ পৰা নিয়ে, যেতিয়া তেওঁ নিয়ে সেই সময়ত সদ্ভাবপূৰ্বক বিশ্বাস কৰি যে সম্পত্তিটো তেওঁৰ। "ক" চুৰিৰ বাবে দোষী নহয়; কিন্তু যদি "ক"ই তেওঁৰ ভুলটো বুজি পোৱাৰ পাছত অসাধু ভাবে সম্পত্তিটো তেওঁৰ নিজৰ ব্যৱহাৰৰ বাবে বিনিয়োজন কৰে, তেওঁ এই ধাৰাৰ অধীনত অপৰাধৰ বাবে দোষী হব।

(খ) "ক"ই "জ"ৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্কত থাকি "জ"ৰ অনুপস্থিতিত "জ"ৰ পুথিভঁৰাললৈ গ'ল আৰু "জ"ৰ অভিব্যক্ত সম্মতি বিনা কিতাপ এখন লৈ গ'ল। এই ক্ষেত্ৰত, যদি "ক"ৰ ধাৰণা আছিল যে পঢ়িবৰ বাবে কিতাপখন নিবলৈ তেওঁৰ "জ"ৰ বিবক্ষিত সন্মতি আছিল, তেন্তে "ক"ই ই চুৰি কৰা নাই। কিন্তু যদি "ক"ই পিছত তেওঁৰ নিজৰ লাভৰ বাবে কিতাপখন বিক্ৰী কৰে, তেন্তে তেওঁ এই ধাৰাৰ অধীনত অপৰাধৰ বাবে দোষী হ'ব।

(গ) "ক" আৰু "খ" এটা ঘোঁৰাৰ উমৈহতীয়া মালিক হৈ, "ক"ই ঘোঁৰাটো "খ"ৰ দখলৰ পৰা সেইটো ব্যৱহাৰ কৰাৰ অভিপ্ৰায়েৰে লৈ গ'ল। এই ক্ষেত্ৰত, যিহেতু "ক"ৰ ঘোঁৰাটো ব্যৱহাৰ কৰাৰ অধিকাৰ আছে, তেওঁ এইটো অসাধুভাবে আত্মসাৎ কৰা নাই। কিন্তু, যদি "ক"ই ঘোঁৰাটো বিক্ৰী কৰে আৰু গোটেইখিনি আগম তেওঁৰ নিজৰ ব্যৱহাৰৰ বাবে বিনিয়োজন কৰে, তেন্তে তেওঁ এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী হ'ব।

**স্পষ্টীকৰণ ১** - কেৱল অলপ সময়ৰ বাবে কৰা অসাধু আত্মসাৎ এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত আত্মসাৎ হব।

#### দৃষ্টান্ত

"ক"ই "জ"ৰ নিৰঙ্ক পৃষ্ঠাঙ্কণযুক্ত চৰকাৰী বচনপত্ৰ এখন পালে। "ক"ই বচনপত্ৰখন "জ"ৰ বুলি জানিও, ভৱিষ্যৎ সময়ত এইখন "জ"ক ঘূৰাই দিয়াৰ অভিপ্ৰায়েৰে এইখন বেঙ্কাৰ এজনলৈ ঋণৰ প্ৰতিভূতি স্বৰূপে পণ বন্ধকত দিলে। "ক"ই এই ধাৰাৰ অধীনৰ অপৰাধ কৰিছে।

**স্পষ্টীকৰণ ২** - আন কোনো এজন ব্যক্তিৰ দখলত নথকা সম্পত্তি এজন ব্যক্তিয়ে পালে, আৰু এইটো সংৰক্ষণ কৰাৰ বা মালিকজনক ওভোতাই দিয়াৰ উদ্দেশ্যে এনে সম্পত্তি গ্ৰহণ কৰিলে, তেওঁ এইটো অসাধু ভাবে গ্ৰহণ নকৰে বা আত্মসাৎ নকৰে, আৰু অপৰাধৰ বাবে দোষী নহয়; কিন্তু ওপৰত পৰিভাষিত অপৰাধটোৰ বাবে দোষী হব, যদি তেতিয়া তেওঁ মালিকজনক জানে বা মালিকজনক বিচাৰি উলিওৱাৰ উপায় থাকে, বা তেওঁ মালিকজনক বিচাৰি উলিয়াবলৈ আৰু সূচনা দিবলৈ যুক্তিযুক্ত উপায় গ্ৰহণ কৰাৰ পূৰ্বে আৰু মালিকজনক এইটো দাবী কৰিবলৈ সমৰ্থবান কৰাৰ বাবে সম্পত্তিটো যুক্তি-যুক্ত সময় ৰাখি থোৱাৰ আগতে তেওঁ এইটো তেওঁৰ নিজৰ ব্যৱহাৰৰ বাবে বিনিয়োজন কৰে, এনে ক্ষেত্ৰত

কেনেকোৱা যুক্তিযুক্ত উপায় বা কেনেটো যুক্তিযুক্ত সময়, ই এটা তথ্যৰ প্ৰশ্ন হ'ব।

কোনজন সম্পত্তিটোৰ মালিক সেইটো, বা কোনো এজন বিশেষ ব্যক্তি ইয়াৰ মালিক এইটো, পাওঁতাজনে জনাটো আৱশ্যকীয় নহয় যদিহে এইটো বিনিয়োজনৰ সময়ত তেওঁ এইটো তেওঁৰ সম্পত্তি বুলি বিশ্বাস নকৰে, বা সদ্ভাবপূৰ্বক বিশ্বাস কৰে যে প্ৰকৃত মালিকজনক বিচাৰি পাব পৰা নহয় সেইটোৱেই পৰ্যাপ্ত হ'ব।

### দৃষ্টান্তসমূহ

(ক) মুদ্ৰাটো কাৰ সেইটো নজনাকৈ "ক"ই এটকীয়া মুদ্ৰা এটা ৰাজপথত পালে। "ক"ই মুদ্ৰাটো বুটলি ল'লে। এই ক্ষেত্ৰত "ক"ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰা নাই।

(খ) "ক" ই ৰাস্তাত বেংকনোট এখন থকা চিঠি এখন পালে। চিঠিখনত থকা নিৰ্দেশ আৰু অন্তৰ্বস্তুৰ পৰা নোটখন কাৰ সেইটো তেওঁ জানিলে। তেওঁ নোটখন বিনিয়োজন কৰিলে। তেওঁ এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

(গ) "ক"ই বাহকক আদায় দিবলগীয়া চেক এখন পালে। চেকখন কোনো ব্যক্তিয়ে হেৰুৱাইছে সেই সম্পৰ্কে তেওঁ কোনো ধাৰণা কৰিব নোৱাৰিলে। কিন্তু চেকখন লিখা ব্যক্তিজনৰ নাম দেখা গৈছে। "ক"ই জানে যে এই মানুহজনে তেওঁক কোনজন ব্যক্তিৰ পক্ষে চেকখন লিখা হৈছে, সেইজনলৈ নিৰ্দেশ কৰিব পাৰে। মালিকজনক বিচাৰি উলিয়াবলৈ প্ৰয়াস নকৰাকৈ "ক"ই চেকখন বিনিয়োজন কৰিলে। তেওঁ এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

(ঘ) "জ"ই টকাৰ সৈতে তেওঁৰ ধনৰ মোনাখন পেলোৱা "ক"ই দেখিলে। "ক"ই এইখন "জ"ক ঘূৰাই দিয়াৰ অভিপ্ৰায়েৰে ধনৰ মোনাখন বুটলি ল'লে, কিন্তু পাছত ইয়াক তেওঁৰ নিজৰ ব্যৱহাৰৰ কাৰণে বিনিয়োজন কৰিলে। "ক"ই এই ধাৰাৰ অধীনৰ অপৰাধ কৰিলে।

(ঙ) এইখন কাৰ নজনাকৈ টকাৰে সৈতে ধনৰ মোনা এখন "ক"ই পালে; পিছত তেওঁ বিচাৰি উলিয়াব পাৰিলে যে এইখন "জ"ৰ, আৰু ইয়াক তেওঁৰ নিজৰ ব্যৱহাৰৰ কাৰণে বিনিয়োজন কৰিলে। "ক" এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

(চ) এইটো কাৰ নজনাকৈ "ক" ই এটা মূল্যবান আঙুঠি পালে। মালিকজনক বিচাৰি উলিয়াবলৈ প্ৰয়াস নকৰাকৈ "ক"ই এইটো তত্‌ক্ষণাত বিক্ৰী কৰিলে। "ক" এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

**এনে সম্পত্তিৰ অসাধুভাৱে আত্মসাৎ যি মৃত ব্যক্তিৰ মৃত্যুৰ সময়ত তেওঁৰ দখলত আছিল।**

৪০৪। যিয়েই, কোনো সম্পত্তি, এইটো জানি যে এনে সম্পত্তি কোনো ব্যক্তিৰ মৃত্যুৰ সময়ত সেই মৃত ব্যক্তিৰ দখলত আছিল আৰু তেতিয়াৰ পৰা, এনে দখলৰ বাবে বৈধৰূপে হকদাৰ হোৱা কোনো ব্যক্তিৰ দখলত থকা নাই, অসাধুভাৱে আত্মসাৎ কৰে বা নিজৰ ব্যৱহাৰলৈ সংপৰিবৰ্তিত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হ'ব পাৰে, দণ্ডিত হ'ব আৰু জৰিমনাৰ বাবেও দায়ী হ'ব আৰু যদি সেই অপৰাধীক এনে ব্যক্তিৰ মৃত্যুৰ সময়ত কেৰাণী বা সেৱকৰূপে নিয়োগ কৰা হয়, তেন্তে কাৰাবাস সাত বছৰ পৰ্যন্ত বিস্তাৰিত হ'ব পাৰিব।

### দৃষ্টান্ত

আচবাব আৰু ধন দখলত থাকোঁতেই "জ"ৰ মৃত্যু হ'ল। ধনখিনি পাবলৈ হকদাৰ হোৱা কোনো ব্যক্তিৰ হাতলৈ এইখিনি যোৱাৰ পূৰ্বে তেওঁৰ সেৱক "ক"ই ইয়াক অসাধুভাৱে আত্মসাৎ কৰে। "ক"ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিছে।

### আপৰাধিক ন্যাস ভঙ্গৰ বিষয়ে

**আপৰাধিক ন্যাস ভঙ্গ।**

৪০৫। যিয়ে, কোনো প্ৰকাৰে সম্পত্তি, বা সম্পত্তিৰ ওপৰত কোনো আধিপত্য নিজৰ ওপৰত ন্যস্ত হৈ থকা অৱস্থাত সেই সম্পত্তি অসাধু ভাৱে আত্মসাৎ কৰে বা তেওঁৰ নিজৰ ব্যৱহাৰৰ বাবে সংপৰিবৰ্তন কৰে, বা তেনে ন্যাস কেনেদৰে নিৰ্বহন কৰিব লাগে সেইটো বিহিত কৰা কোনো বিধিৰ নিৰ্দেশৰ বা

অভিব্যক্তই হওঁক বা বিবক্ষিতই হওঁক এনে কোনো বিধিসন্মত সংবিদাৰ উলংঘন ক্ৰমে অসাধুভাৱে ব্যৱহাৰ কৰে বা ব্যয়ন কৰে, তেনে ন্যাস নিৰ্বহণ কৰাৰ সংক্ৰান্তত যি সংবিদা তেওঁ কৰিছে, বা আন কোনো ব্যক্তিয়ে তেনেদৰে কৰাটো ইচ্ছাপূৰ্বক সহ্য কৰে, তেওঁ "অপৰাধিক ন্যাস ভঙ্গ" কৰে।

[1][**স্পষ্টীকৰণ-** [2][১] - যিয়ে [3][কৰ্মচাৰী ভৱিষ্য নিধি আৰু বিবিধ উপবন্ধ অধিনিয়ম, ১৯৫২ ৰ ধাৰা ১৭ ৰ অধীনত ৰেহাই প্ৰাপ্ত হওঁক বা নহওঁক কোনো সংস্থাপনৰ] নিয়োজক হৈ তৎসময় বলবৎ থকা কোনো বিধিৰ দ্বাৰা স্থাপিত ভৱিষ্য নিধি বা পৰিয়াল পেঞ্চন নিধিত জমা কৰাৰ বাবে কৰ্মচাৰীৰ বৰঙণিৰ কৰ্তন কৰ্মচাৰীক প্ৰদেয় মজুৰিৰ পৰা কৰে, তেওঁৰ দ্বাৰা সেইদৰে কৰ্তনকৰা বৰঙণিৰ ধন তেওঁক ন্যস্ত কৰাবুলি গণ্য কৰা হব আৰু যদি তেওঁ উক্ত নিধিত এনে বৰঙণিৰ প্ৰদানত উক্ত বিধি লঙ্ঘন কৰি ত্ৰুটী কৰে তেনেহলে তেওঁ যথাপূৰ্বোক্ত বিধিৰ কোনো লঙ্ঘন কৰি উক্ত বৰঙণিৰ ধন অসাধুভাৱে ব্যৱহাৰ কৰা বুলি গণ্য কৰা হব।]

[4][**স্পষ্টীকৰণ ২**]- যিয়ে নিয়োজক হৈ, কৰ্মচাৰী ৰাজ্য বীমা অধিনিয়ম, ১৯৪৮(১৯৪৮ ৰ৩৪) ৰ অধীনত স্থাপিত কৰ্মচাৰী ৰাজ্য বীমা নিগমৰ দ্বাৰা ধাৰিত আৰু শাসিত কৰ্মচাৰী ৰাজ্য বীমা নিগম নিধিত জমা কৰাৰ বাবে কৰ্মচাৰীক প্ৰদেয় মজুৰিৰ পৰা কৰ্মচাৰীৰ বৰঙণিৰ কৰ্তন কৰে, তেওঁৰ দ্বাৰা সেইদৰে কৰ্তন কৰা বৰঙণিৰ ধন তেওঁক ন্যস্ত কৰা বুলি গন্য কৰা হব আৰু যদি তেওঁ উক্ত নিধিত এনে বৰঙণি প্ৰদানকৰণত উক্ত অধিনিয়ম লঙ্ঘন কৰি ত্ৰুটী কৰে, তেন্তে তেওঁ যথাপূৰ্বোক্ত বিধিৰ কোনো নিৰ্দেশ লঙ্ঘন কৰি উক্ত বৰঙণি অসাধুভাৱে ব্যৱহাৰ কৰিছে।

### দৃষ্টান্তসমূহ

(ক) "ক", এজন মৃত ব্যক্তিৰ ইচ্ছাপত্ৰৰ নিষ্পাদক হৈ সেই বিধিক যিজনে তেওঁক সম্পত্তিখিনি ইচ্ছাপত্ৰ অনুসৰি বিভাজন কৰিবলৈ নিৰ্দেশ দিছে, অসাধুভাৱে অৱজ্ঞা কৰে আৰু সেইবোৰ তেওঁৰ নিজৰ ব্যৱহাৰৰ বাবে বিনিয়োজন কৰে। "ক"ই আপৰাধিক ন্যাস ভঙ্গ কৰিছে।

(খ) "ক" এজন পন্যাগাৰ ৰক্ষক। "জ"ই ভ্ৰমণলৈ ওলাই তেওঁৰ আচবাবখিনি এনে এটা সংবিদাৰ অধীনত "ক"ৰ ওচৰত ন্যস্ত কৰিলে যে পণ্যাগাৰৰ কোঠালিটোৰ বাবে এটা নিৰ্দ্ধাৰিত ধন আদায় দিলে এইখিনি ওভোটাই দিব লাগিব। "ক" ই অসাধুভাৱে মালখিনি বিক্ৰী কৰিলে। "ক"ই আপৰাধিক ন্যাস ভঙ্গ কৰিছে।

(গ) দিল্লীত বাস কৰা "জ"ৰ কলিকতাত বাস কৰা "ক" এজন অভিকৰ্ত্তা। "ক" আৰু "জ"ৰ ভিতৰত এখন অভিব্যক্ত বা বিবক্ষিত সংবিদা আছে যে "জ"ই "ক" লৈ পঠোৱা সমস্ত ধন "ক"ই, "জ"ৰ নিৰ্দেশ অনুসৰি, বিনিয়োগ কৰিব লাগিব। সেইখিনি কোম্পানীৰ কাগজত বিনিয়োগ কৰিবলৈ "ক"লৈ নিৰ্দেশেৰে সৈতে "জ"ই "ক"লৈ এক লাখ টকা পঠালে। "ক"ই অসাধুভাৱে নিৰ্দেশ অমান্য কৰিলে আৰু ধনখিনি তেওঁৰ ব্যৱসায়ত খটালে। "ক"ই আপৰাধিক ন্যাস ভঙ্গ কৰিছে।

(ঘ) কিন্তু অন্তিম দৃষ্টান্তটোত, যদি "ক"ই অসাধুভাৱে নহয় কিন্তু সৰল বিশ্বাসত, এইটো বিশ্বাস কৰি যে বেঙ্ক অৱ বেঙ্গলৰ অংশ ধাৰণ কৰাটো "জ"ৰ পক্ষে অধিক লাভজনক হব, "জ"ৰ নিৰ্দেশ অমান্য কৰে আৰু "জ"ৰ বাবে, কোম্পানীৰ কাগজ কিনাৰ পৰিবৰ্তে বেঙ্ক অৱ বেঙ্গলৰ অংশ কিনে, এই ক্ষেত্ৰত, যদিও "জ"ই ক্ষতিগ্ৰস্ত হব লগা হয়, আৰু সেই হানিৰ বাবদ, "ক"ৰ বিৰুদ্ধে চিভিল কাৰ্য্যবাহী এটা কৰিবলৈ হকদাৰ হয়, তথাপিও "ক"ই, অসাধুভাৱে কাৰ্য্য নকৰাত আপৰাধিক ন্যাস ভঙ্গ কৰা নাই।

---

১। ১৯৭৩ চনৰ ৪০ নং অধিনিয়মৰ ধাৰা ৯ ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৯৭৫ চনৰ ৩৮ নং অধিনিয়মৰ ধাৰা ৯ ৰ দ্বাৰা স্পষ্টীকৰণ ১ হিচাপে সংখ্যায়িত কৰা হৈছে।

৩। ১৯৮৮ চনৰ ৩৩ নং অধিনিয়মৰ ধাৰা ২৭ ৰ দ্বাৰা অন্তঃস্থাপিত (১-৮-১৯৮৮ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৪। ১৯৭৫ চনৰ ৩৮ নং অধিনিয়মৰ ধাৰা ৯ ৰ দ্বাৰা অন্তঃস্থাপিত।

(ঙ) ৰাজহ পদাধিকাৰী "ক"ক লোক ধন ন্যাস্ত কৰা হৈছে আৰু এটা নিৰ্দিষ্ট কোষাগাৰত তেওঁৰ ধাৰণ কৰা সকলোবোৰ লোকধন আদায় দিবলৈ হয়তো বিধিৰ দ্বাৰা নিৰ্দেশিত হৈছে নাইবা চৰকাৰৰ সৈতে হোৱা, অভিব্যক্ত বা বিবক্ষিত, সংবিদাৰ দ্বাৰা আবদ্ধ হৈছে। "ক"ই অসাধুভাৱে ধনখিনি বিনিয়োজন কৰিলে। "ক"ই আপৰাধিক ন্যাস ভঙ্গ কৰিছে।

(চ) বাহক "ক"ক স্থলপথ বা জলপথেৰে বহন কৰি নিবলৈ "ঙ"ই সম্পত্তি ন্যাস্ত কৰিলে। "ক"ই অসাধুভাৱে সম্পত্তি আত্মসাৎ কৰিলে। "ক"ই আপৰাধিক ন্যাস ভঙ্গ কৰিলে।

**আপৰাধিক ন্যাস ভঙ্গৰ বাবে দণ্ড।**

৪০৬। যিয়ে, আপৰাধিক ন্যাস ভঙ্গ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসলৈ, যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে, দণ্ডিত হব।

**বাহক আদিৰ দ্বাৰা কৰা আপৰাধিক ন্যাস ভঙ্গ।**

৪০৭। যিয়ে, বাহক, ঘাটোৱাল বা পণ্যাগাৰ ৰক্ষকৰূপে সম্পত্তি নিজৰ ওচৰত ন্যস্ত হৈ থকা অৱস্থাত তেনে সম্পত্তিৰ সম্পৰ্কে আপৰাধিক ন্যাস ভঙ্গ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**কেৰাণী বা সেৱকৰ দ্বাৰা কৰা আপৰাধিক ন্যাস ভঙ্গ।**

৪০৮। যিয়ে, কেৰাণী বা সেৱক হৈ থাকি, বা কেৰাণী বা সেৱকৰূপে নিযুক্ত হৈ, আৰু এনে পদ সামৰ্থ্যত যি কোনো প্ৰকাৰে সম্পত্তি বা সম্পত্তিৰ ওপৰত আধিপত্য ন্যাস্ত হৈ থকা অৱস্থাত সেই সম্পত্তিৰ সম্পৰ্কে আপৰাধিক ন্যাস ভঙ্গ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**লোকসেৱকৰ দ্বাৰা বা বেঙ্কাৰ, বেপাৰী বা অভিকৰ্ত্তাৰ দ্বাৰা কৰা আপৰাধিক ন্যাস ভঙ্গ।**

৪০৯। যিয়ে, লোকসেৱকৰূপে তেওঁৰ পদ সামৰ্থ্যত বা বেঙ্কাৰ, বেপাৰী, গোমস্তা (ফেক্‌টৰ), দালাল, এটৰ্ণী বা অভিকৰ্ত্তা ৰূপে তেওঁৰ ব্যৱসায় চলাই থাকোতে, যি কোনো প্ৰকাৰে সম্পত্তি ন্যাস্ত হৈ থকা অৱস্থাত, সেই সম্পত্তিৰ সম্পৰ্কে আপৰাধিক ন্যাস ভঙ্গ কৰে, তেওঁ [1][আজীৱন কাৰাবাস] ৰে, বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

## চুৰি সম্পত্তি প্ৰাপ্তিৰ বিষয়ে

**চুৰি সম্পত্তি।**

৪১০। এনে সম্পত্তি, যাৰ দখল, চুৰিৰ দ্বাৰা, বা বলেৰে আদায়কৰণৰ দ্বাৰা, বা লুণ্ঠনৰ দ্বাৰা অন্তৰিত কৰা হৈছে, আৰু এনে সম্পত্তি যিটো আপৰাধিক ভাবে আত্মসাৎ কৰা হৈছে বা যি সম্পত্তিৰ সম্পৰ্কে আপৰাধিক ন্যাস ভঙ্গ [2]xxx কৰা হৈছে, তাক "চুৰি সম্পত্তি" ৰূপে অভিহিত কৰা হয়, [3][অন্তৰণটো বা আত্মসাৎ বা ন্যাস ভঙ্গটো [4][ভাৰত] ৰ ভিতৰতেই হওঁক বা বাহিৰতেই কৰা হওঁক] কিন্তু যদিহে এনে সম্পত্তি পিছত এনে এজন ব্যক্তিৰ দখললৈ আহে, যিজন তাৰ দখলৰ বাবে বিধি সম্মত ভাবে হকদাৰ, তেতিয়া ই চুৰি সম্পত্তি হৈ নাথাকে।

**অসাধু ভাবে চুৰি সম্পত্তি গ্ৰহণ কৰা।**

৪১১। যিয়ে, কোনো চুৰি সম্পত্তি, সেইটো চুৰি সম্পত্তি বুলি জানিও বা তেনে বুলি বিশ্বাস কৰিবলৈ কাৰণ থকা স্বত্বেও, অসাধু ভাবে গ্ৰহণ কৰে বা ৰাখি থয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব।

**ডকাইতি সংঘটনত চুৰি সম্পত্তিৰ অসাধুভাৱে গ্ৰহণ কৰা।**

৪১২। যিয়ে, কোনো চুৰি সম্পত্তি অসাধু ভাবে গ্ৰহণ কৰে বা ৰাখি থয়, যি সম্পত্তিৰ দখল ডকাইতি সংঘটনৰ দ্বাৰা অন্তৰিত হোৱা বুলি তেওঁ জানে বা তেনেদৰে হোৱা বুলি বিশ্বাস কৰিবলৈ তেওঁৰ কাৰণ

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২। ১৮৯১ চনৰ ১২ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১আৰু ১৮৮২ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ৯ দ্বাৰা "অপৰাধ" শব্দটো নিৰসিত।

৩। ১৮৮২ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ৯ৰ দ্বাৰা অন্তঃস্থাপিত।

৪। "বৃটিছ ভাৰত" শব্দ সমূহ আনুক্ৰমিক ভাবে অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত ভাবে পঠিত হবলৈ প্ৰতিস্থাপিত।

থাকে বা এনে কোনো ব্যক্তিৰ পৰা যিজন ব্যক্তি এটা ডকাইতৰ দলত দলভুক্ত বুলি বা দলভুক্ত আছিল বুলি তেওঁ জানে, বা তেনে বুলি বিশ্বাস কৰিবলৈ তেওঁৰ কাৰণ থাকে, এনে কোনো সম্পত্তি অসাধু ভাবে গ্ৰহণ কৰে, যি সম্পত্তি চুৰি কৰি অনা বুলি তেওঁ জানে বা তেনে বুলি বিশ্বাস কৰিবলৈ তেওঁৰ কাৰণ থাকে, তেওঁ ¹[আজীৱন কাৰাবাস] ৰে বা সশ্ৰম কাৰাবাসেৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**চুৰি সম্পত্তি অভ্যাসজনিত ভাৱে ব্যৱসায় কৰা।**

৪১৩। যিয়ে, অভ্যাসজনিতভাবে এনে সম্পত্তি গ্ৰহণ কৰে বা এনে সম্পত্তি ব্যৱসায় কৰে, যি সম্পত্তি চুৰি সম্পত্তি বুলি তেওঁ জানে বা তেনে বুলি বিশ্বাস কৰিবলৈ তেওঁৰ কাৰণ থাকে, তেওঁ ¹[আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**চুৰি সম্পত্তি গোপন কৰণত সাহায্য কৰা।**

৪১৪। যিয়ে, এনে সম্পত্তি গোপন কৰাত, বা ব্যয়ন কৰাত বা ইফাল সিফাল কৰাত স্বেচ্ছাই সাহায্য কৰে, যি সম্পত্তি চুৰি সম্পত্তি বুলি তেওঁ জানে বা তেনে বুলি বিশ্বাস কৰিবলৈ তেওঁৰ কাৰণ থাকে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

## ছলনাৰ বিষয়ে

**ছলনা।**

৪১৫। যিয়ে, কোনো ব্যক্তিক প্ৰতাৰণা কৰি, প্ৰবঞ্চনামূলক ভাৱে বা অসাধু ভাৱে তেনেদৰে প্ৰতাৰিত হোৱা ব্যক্তিজনক কোনো এজন ব্যক্তিক কোনো সম্পত্তি দি দিবলৈ বা এই সম্পত্তি দিবলৈ যে কোনো ব্যক্তিয়ে কোনো সম্পত্তি ৰাখি থয় বা তেনেদৰে প্ৰবঞ্চিত হোৱা ব্যক্তিজনক এনে কোনো কাৰ্য্য কৰিবলৈ বা কৰাত ত্ৰুটী কৰিবলৈ অভিপ্ৰায় সহ উৎপ্ৰেৰিত কৰে, যি কামটো তেওঁক প্ৰতাৰণা নকৰাহেঁতেন তেওঁ নকৰিলেহেঁতেন বা কৰাত ত্ৰুটী নকৰিলেহেঁতেন আৰু যি কাৰ্য্য বা ত্ৰুটীয়ে সেই ব্যক্তিজনৰ শৰীৰ, মন, সন্মান বা সম্পত্তিৰ ক্ষতি সাধন কৰে বা অনিষ্ট কৰে বা কৰাৰ সম্ভাৱনা থাকে, তেওঁ "ছলনা কৰা" বুলি কোৱা হয়।

**স্পষ্টীকৰণ** - তথ্যৰ অসাধু গোপনকৰণ এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত এটা প্ৰতাৰণা।

## দৃষ্টান্ত সমূহ

(ক) "ক"ই, চিভিল সেৱাত থকা বুলি মিছাকৈ ভাৰ্ও জুৰি, অভিপ্ৰায় পূৰ্বক "জ"ক প্ৰতাৰণা কৰিলে, আৰু এনেদৰে তেওঁক বাকীকৈ বস্তু দিবলৈ "জ"ক অসাধুভাৱে উৎপ্ৰেৰিত কৰিলে, যি বস্তুবোৰৰ বাবে মূল্য আদায় দিয়াটো তেওঁৰ উদ্দেশ্যে নহয়। "ক" ই ছলনা কৰিলে।

(খ) "ক"ই বস্তু এটাত জাল চিহ্ন এটা দি, "জ"ক এনেদৰে বিশ্বাস কৰিবলৈ অভিপ্ৰায় পূৰ্বক প্ৰতাৰণা কৰিলে যে বস্তুটো এটা নিৰ্দিষ্ট প্ৰখ্যাত নিৰ্মাতাৰ দ্বাৰা তৈয়াৰ কৰা হৈছিল আৰু এনেদৰে বস্তুটো কিনিবলৈ আৰু তাৰ বাবে মূল্য আদায় দিবলৈ "জ"ক অসাধুভাৱে উৎপ্ৰেৰিত কৰিলে। "ক"ই ছলনা কৰিলে।

(গ) "ক"ই বস্তু এটাৰ মিছা নমুনা "জ"ৰ আগত প্ৰদৰ্শন কৰি, "জ"ক এনেদৰে বিশ্বাস কৰিবলৈ অভিপ্ৰায় পূৰ্বক প্ৰতাৰণা কৰিলে যে বস্তুটো নমুনাটোৰ সৈতে অনুৰূপ, আৰু তাৰ দ্বাৰা বস্তুটো কিনিবলৈ আৰু মূল্য আদায় দিবলৈ "জ"ক অসাধুভাৱে উৎপ্ৰেৰিত কৰিলে। "ক"ই ছলনা কৰিলে।

(ঘ) "ক"ই বস্তু এটাৰ বাবে মূল্য আদায় দিয়াৰ অৰ্থে এনেদৰে এটা কোঠাত এখন বিনিময় পত্ৰ দিলে, যি স্থানত "ক"ই ধন নাৰাখে, আৰু যাৰ দ্বাৰা "ক"ই আশা কৰিছে যে বিনিময়পত্ৰ অনাদৰ কৰা হব, "জ"ক অভিপ্ৰায় পূৰ্বক প্ৰতাৰণা কৰিলে আৰু তাৰ দ্বাৰা ইয়াৰ বাবে মূল্য আদায় নিদিয়াৰ অভিপ্ৰায়েৰে বস্তুটো দি দিবলৈ "জ"ক অসাধুভাৱে উৎপ্ৰেৰিত কৰিলে, "ক"ই প্ৰতাৰণা কৰিলে।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত।

(ঙ) ''ক''ই, এনে বস্তুবোৰ, যিবোৰ হীৰা নহয় বুলি তেওঁ জানে, হীৰা বুলি গণ্য কৰিবলৈ ''জ''ক অভিপ্ৰায় পূৰ্বক প্ৰতাৰণা কৰিলে, আৰু তাৰ দ্বাৰা ধন ধাৰলৈ দিবলৈ ''জ''ক অসাধুভাৱে উৎপ্ৰেৰিত কৰিলে। ''ক''ই ছলনা কৰিলে।

(চ) ''ক''ই এনেদৰে বিশ্বাস কৰিবলৈ ''জ''ক প্ৰতাৰণা কৰিলে যে ''ক''ই তেওঁক ধাৰলৈ দিয়া যি কোনো ধন ''ক''ই পৰিশোধ কৰিব আৰু তাৰ দ্বাৰা ধন ধাৰলৈ দিবলৈ ''জ''ক অসাধুভাৱে উৎপ্ৰেৰিত কৰিলে, ''ক''ৰ অভিপ্ৰায় ইয়াক পৰিশোধ কৰা নহয়। ''ক''ই ছলনা কৰিলে।

(ছ) ''ক''ই এনেদৰে বিশ্বাস কৰিবলৈ ''জ''ক অভিপ্ৰায় পূৰ্বক প্ৰতাৰণা কৰিলে যে ''ক''ই ''জ''ক কিছুসংখ্যক নীলৰ গছ দিব খুজিছে, যিবোৰ দি দিবলৈ তেওঁৰ অভিপ্ৰায় নাই, আৰু তাৰ দ্বাৰা তেনেদৰে দিব বুলি বিশ্বাস জন্মাই অগ্ৰিম ধন দিবলৈ ''জ''ক অসাধুভাৱে উৎপ্ৰেৰিত কৰিলে। ''ক''ই ছলনা কৰিলে; কিন্তু যদি ''ক''ই ধনখিনি লোৱাৰ সময়ত নীল গছবোৰ দি দিবলৈ অভিপ্ৰায় কৰে, আৰু তাৰ পাছত তেওঁৰ সংবিদা ভঙ্গ কৰে আৰু এইবোৰ নিদিয়ে, তেওঁ ছলনা কৰা নাই কিন্তু সংবিদা ভঙ্গৰ বাবে কেৱল চিভিল কাৰ্যাবাহীৰ বাবেহে দায়ী।

(জ) ''ক''ই ''জ''ৰ সৈতে কৰা সংবিদা এটাৰ ''ক''ৰ অংশটো ''ক''ই কৰিছে বুলি যিটো তেওঁ কৰা নাই, বিশ্বাস কৰিবলৈ ''জ''ক অভিপ্ৰায় পূৰ্বক প্ৰতাৰণা কৰিলে, আৰু তাৰ দ্বাৰা ''জ''ক ধন আদায় দিবলৈ অসাধুভাৱে উৎপ্ৰেৰিত কৰিলে। ''ক''ই ছলনা কৰিলে।

(ঝ) ''ক''ই সম্পদ এটা ''খ''ক বিক্ৰী কৰিলে আৰু হস্তান্তৰ কৰি দিলে। ''ক''ই এনে বিক্ৰীৰ পৰিণাম স্বৰূপে সম্পত্তিটোৰ ওপৰত তেওঁৰ কোনো অধিকাৰ নাই বুলি জানিও, একে সম্পত্তি ''খ''ক কৰা পূৰ্বৰ বিক্ৰী আৰু হস্তান্তৰ কৰা তথ্যটো প্ৰকাশ নকৰাকৈ ''জ''ক বিক্ৰী কৰিলে বা বন্ধকত দিলে আৰু ''জ''ৰ পৰা বিক্ৰীমূল্য বা বন্ধকী ধন গ্ৰহণ কৰিলে। ''ক''ই ছলনা কৰিলে।

**প্ৰতিৰূপণৰ দ্বাৰা ছলনা।**

৪১৬। কোনো ব্যক্তিয়ে ''প্ৰতিৰূপণৰ দ্বাৰা ছলনা কৰা'' বুলি কোৱা হয় যদি তেওঁ আন কোনো এজন ব্যক্তিৰ ভাও জুৰি, বা এজন ব্যক্তিৰ সলনি আন এজনক জানি শুনি প্ৰতিস্থাপিত কৰি, বা তেওঁ বা আন কোনো এজন ব্যক্তি, তেওঁ বা তেনে আন ব্যক্তিজন প্ৰকৃততে যি সেইজনৰ বাহিৰে আন এজন ব্যক্তি বুলি প্ৰদৰ্শন কৰি ছলনা কৰে।

**স্পষ্টীকৰণ** - যাৰ প্ৰতিৰূপণ কৰা হৈছে সেই ব্যক্তিজন প্ৰকৃতই হওঁক বা কাল্পনিক ব্যক্তিয়েই হওঁক এনে যি কোনো ক্ষেত্ৰতে অপৰাধটো সংঘটিত হয়।

দৃষ্টান্ত সমূহ

(ক) 'ক'ই একে নামৰ এজন ধনী বেঙ্ক ব্যৱসায়ী বুলি ভাও জুৰি ছলনা কৰিলে, 'ক'ই প্ৰতিৰূপণৰ দ্বাৰা ছলনাকৰিলে।

(খ) 'ক'ই, তেওঁ 'খ' বুলি এজন ব্যক্তিৰ, যিজন মৃত, ভাও জুৰি ছলনা কৰিলে। 'ক'ই প্ৰতিৰূপণৰ দ্বাৰা ছলনা কৰিলে।

**ছলনাৰ বাবে দণ্ড।**

৪১৭। যিয়ে ছলনা কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসবে, যাৰ অৱধি এবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**এনে জ্ঞানসহ ছলনা কৰা যে সেই ব্যক্তিজনৰ, যাৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ অপৰাধীজন আবদ্ধ, তেওঁৰ সদোষ হানি হব পাৰে।**

৪১৮। যিয়ে এনেদৰে জানি শুনি ছলনা কৰে যে এইটো সম্ভাব্য যে তাৰ দ্বাৰা তেওঁ এনে এজন ব্যক্তিৰ সদোষ হানি কৰিব পাৰে, সেই ছলনা সম্বন্ধিত হোৱা সেই সংব্যৱহাৰত যিজন ব্যক্তিৰ স্বাৰ্থ সংৰক্ষণ কৰিবলৈ, হয় বিধিৰ দ্বাৰা, অথবা এটা বিধিসম্মত সংবিদাৰ দ্বাৰা, তেওঁ আবদ্ধ আছিল, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসবে, যাৰ অৱধি তিনিবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়ৰে, দণ্ডিত হব।

**প্ৰতিৰূপণৰ দ্বাৰা ছলনা কৰাৰ বাবে দণ্ড।**

৪১৯। যিয়ে প্ৰতিৰূপণৰ দ্বাৰা ছলনা কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসবে, যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব।

ছলনা কৰা আৰু সম্পত্তি পৰিদান কৰিবলৈ অসাধুভাবে উৎপ্ৰেৰিত কৰা।

৪২০। যিয়েই, ছলনা কৰে, আৰু তাৰ দ্বাৰা প্ৰতাৰিত ব্যক্তিজনক অসাধু ভাবে উৎপ্ৰেৰিত কৰে, যে তেওঁ কোনো সম্পত্তি কোনো ব্যক্তিক পৰিদান কৰি দিয়ে, বা কোনো মূল্যবান প্ৰতিভূতি বা কোনো বস্তুকে যি স্বাক্ষৰিত বা মুদ্ৰাঙ্কিত হৈছে আৰু যিটো মূল্যবান প্ৰতিভূতিলৈ সংপৰিৱৰ্ত্তিত কৰিব পাৰি পুনতঃ বা অংশতঃ ৰচনা কৰে, পৰিৱৰ্ত্তিত কৰে বা নষ্ট কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

### প্ৰৱঞ্চনামূলক দলিল আৰু সম্পত্তিৰ ব্যয়নৰ বিষয়ে

লেনদাৰ সকলৰ মাজত বিতৰণ বাৰণ কৰিবলৈ সম্পত্তিৰ অসাধু বা প্ৰৱঞ্চনামূলক অপসাৰণ বা গোপনকৰণ।

৪২১। যিয়ে, কোনো সম্পত্তিৰ নিজৰ লেনদাৰ বা কোনো অন্য ব্যক্তিৰ লেনদাৰ সকলৰ মাজত বিধি অনুসাৰে বিতৰণ কৰাটো বাৰণ কৰাৰ অভিপ্ৰায়েৰে বা তাৰ দ্বাৰা সম্ভাব্যতঃ বাৰণ কৰিব বুলি জানি সেই সম্পত্তি অসাধু ভাবে বা প্ৰৱঞ্চনামূলক ভাবে অপসাৰিত কৰে বা গোপন কৰে, বা কোনো ব্যক্তিক পৰিদান কৰে বা পৰ্য্যাপ্ত প্ৰতিদান বিনা কোনো ব্যক্তিলৈ অন্তৰিত কৰে বা কৰায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

ঋণ লেনদাৰ সকলৰ বাবে পাব পৰা হোৱাটো অসাধুভাবে বা প্ৰৱঞ্চনা-মূলকভাবে বাৰণ কৰা।

৪২২। যিয়ে, তেওঁৰ নিজলৈ বা আন কোনো ব্যক্তিলৈ দেয় কোনো ঋণ বা দাবী, তেওঁৰ ঋণবোৰৰ বা তেনে আন ব্যক্তিৰ ঋণবোৰ পৰিশোধৰ বাবে বিধি অনুসৰি পাব পৰা হোৱাটো অসাধু ভাবে বা প্ৰৱঞ্চনামূলক ভাবে বাৰণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়ৰে, দণ্ডিত হব।

প্ৰতিদানৰ বিষয়ে মিছা বিবৰণ অন্তৰ্বিষ্ট থকা অন্তৰণ দলিলৰ অসাধু বা প্ৰৱঞ্চনামূলক নিষ্পাদন।

৪২৩। যিয়ে, এনে কোনো দলিল বা লেখ্যত অসাধুভাবে বা প্ৰৱঞ্চনামূলক ভাবে স্বাক্ষৰ কৰে, নিষ্পাদন কৰে বা এটা পক্ষভুক্ত হয়, যিখনে কোনো সম্পত্তি বা তাত থকা কোনো স্বাৰ্থ, অন্তৰণ কৰিবলৈ বা কোনো ভাৰৰ অধ্যধীন কৰিবলৈ তাৎপৰ্য্যিত কৰে, আৰু যিখনে তেনে অন্তৰণ বা ভাৰৰ বাবে প্ৰতিদান সম্পৰ্কে, বা সেই ব্যক্তিজন বা ব্যক্তিসকলৰ সম্পৰ্কে যাৰ ব্যৱহাৰ বা হিতৰ অৰ্থে এইখন কাৰ্য্যকৰী হোৱাটো প্ৰকৃততে অভিপ্ৰেত হৈছে, তেনে, ব্যক্তি বা ব্যক্তিসকলৰ সম্পৰ্কে কোনো মিছা বিবৰণ অন্তৰ্বিষ্ট কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

সম্পত্তিৰ অসাধু বা প্ৰৱঞ্চনামূলক অপসাৰণ বা গোপনকৰণ।

৪২৪। যিয়ে, তেওঁৰ নিজৰ বা আন কোনো ব্যক্তিৰ কোনো সম্পত্তি অসাধুভাবে বা প্ৰৱঞ্চনামূলকভাবে গোপন কৰে বা অপসাৰণ কৰে বা তাৰ গোপনকৰণ বা অপসাৰণ কৰা কাৰ্য্যত অসাধুভাবে বা প্ৰৱঞ্চনামূলকভাবে সাহায্য দান কৰে, বা তেওঁ হকদাৰ হোৱা কোনো অভিযাচন বা দাবী অসাধুভাবে এৰি দিয়ে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

### অপকৰ্মৰ বিষয়ে

অপকৰ্ম।

৪২৫। যিয়ে, জনসাধাৰণৰ বা কোনো ব্যক্তিৰ সদোষ হানি বা ক্ষতি কৰাৰ অভিপ্ৰায়েৰে, বা তেওঁ এইটো কৰিব সম্ভাব্য বুলি জানি, কোনো সম্পত্তি ধ্বংস কৰে বা কোনো সম্পত্তিৰ বা তাৰ অৱস্থিতিৰ এনে পৰিবৰ্তন কৰে, যিটোৱে ইয়াৰ মূল্য বা উপযোগিতা ধ্বংস কৰে বা হ্ৰাস কৰে, বা ইয়াৰ ওপৰত অনিষ্টজনক প্ৰভাৱ পেলায়, তেওঁ "অপকৰ্ম" কৰে।

**স্পষ্টীকৰণ ১** - অপকৰ্মৰ অপৰাধটোৰ বাবে এইটো আৱশ্যকীয় নহয় যে ক্ষতি কৰা বা ধ্বংস কৰা সম্পত্তিটো মালিকৰ হানি বা ক্ষতি কৰিবলৈ অপৰাধীজনৰ অভিপ্ৰায় থাকিব লাগিব। এইটো পৰ্য্যাপ্ত হব যদি তেওঁ কোনো সম্পত্তিৰ ক্ষতি সাধন কৰি এনে কোনো ব্যক্তিৰ এইটো সেই ব্যক্তিজনৰ হওঁকেই বা নহওঁকেই, সদোষ হানি বা ক্ষতি কৰিবলৈ অভিপ্ৰায় কৰে, বা তেওঁ এইটো জানে যে তেওঁ তেনে ক্ষতি

বা হানি কৰাৰ সম্ভাৱনা আছে।

**স্পষ্টীকৰণ ২** - কাৰ্যটো কৰা ব্যক্তিজনৰ, বা সেইজন ব্যক্তি আৰু আনৰ উমৈহতীয়া সম্পত্তি প্ৰভাৱিত কৰা কাৰ্য্যৰ দ্বাৰা অপকৰ্ম কৰিব পৰা যায়।

### দৃষ্টান্ত সমূহ

(ক) 'জ'ৰ সদোষ হানি কৰাৰ অভিপ্ৰায়েৰে 'জ'ৰ মূল্যবান প্ৰতিভূতি এখন 'ক'ই স্বেচ্ছাই পুৰিলে। 'ক'ই অপকৰ্ম কৰিলে।

(খ) 'জ'ৰ সদোষ হানি কৰাৰ অভিপ্ৰায়েৰে 'জ'ৰ বৰফৰ ঘৰ এটাত 'ক'ই পানী সুমাই দিলে আৰু এনেদৰে বৰফখিনি গলাই পেলালে। 'ক'ই অপকৰ্ম কৰিলে।

(গ) 'জ'ৰ সদোষ হানি কৰাৰ অভিপ্ৰায়েৰে 'জ'ৰ আঙুঠি এটা 'ক'ই নদী এখনত স্বেচ্ছাই দলিয়াই দিলে। 'ক'ই অপকৰ্ম কৰিলে।

(ঘ) 'ক'ই তেওঁৰ পৰা 'জ'ক দেয় ঋণ এটাৰ সন্তুষ্টি ক্ৰমে তেওঁৰ মাল বস্তুবোৰ লৈ যাব ওলোৱা বুলি জানি তাৰ দ্বাৰা 'জ'ক ঋণটোৰ সন্তুষ্টি লাভ কৰাটো বাৰণ কৰিবৰ অভিপ্ৰায়েৰে, আৰু এনেদৰে 'জ'ৰ ক্ষতি সাধন কৰাৰ অভিপ্ৰায়েৰে, সেই মালবস্তুবোৰ নষ্ট কৰিলে। 'ক'ই অপকৰ্ম কৰিলে।

(ঙ) 'ক'ই জাহাজ এখনৰ বীমা কৰাৰ পাছত, বীমাকৰ্ত্তা সকলৰ ক্ষতি সাধন কৰাৰ অভিপ্ৰায়েৰে, সেইখন স্বেচ্ছাপূৰ্বক আতৰি যাবলৈ দিলে। 'ক'ই অপকৰ্ম কৰিলে।

(চ) জাহাজখনৰ বটমৰি বন্ধক লৈ ধন ধাৰলৈ দিয়া 'জ'ৰ তাৰ দ্বাৰা ক্ষতি সাধন কৰাৰ অভিপ্ৰায়েৰে, "ক"ই জাহাজ এখন আতৰি যাবলৈ দিলে। 'ক'ই অপকৰ্ম কৰিলে।

(ছ) ঘোৰা এটাত 'জ'ৰ লগতে উমৈহতীয়া সম্পত্তি থকা 'ক'ই, তাৰ দ্বাৰা 'জ'ৰ সদোষ হানি কৰাৰ অভিপ্ৰায়েৰে, ঘোৰাটো গুলী কৰিলে। 'ক'ই অপকৰ্ম কৰিলে।

(জ) "ক"ই, 'জ'ৰ শস্যৰ ক্ষতিসাধন কৰাৰ অভিপ্ৰায়েৰে আৰু তেওঁ তাৰ ক্ষতি সাধন কৰা সম্ভাৱনা আছে বুলি জানি, 'জ'ৰ খেতিপথাৰ এখনত গৰু-ম'হ সুমুৱাই দিলে। 'ক'ই অপকৰ্ম কৰিলে।

অপকৰ্মৰ বাবে দণ্ড।

৪২৬। যিয়ে, অপকৰ্ম কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি মাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

পঞ্চাশ টকা পৰিমাণৰ ক্ষতি সাধন কৰা।

৪২৭। যিয়ে, অপকৰ্ম কৰে আৰু তাৰ দ্বাৰা পঞ্চাশ টকা বা তদুৰ্দ্ধ পৰিমাণৰ হানি বা ক্ষতি সাধন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে, দণ্ডিত হব।

দহ টকা মূল্যৰ জন্তুক বধ কৰি বা বিকলাঙ্গ কৰি অপকৰ্ম কৰা।

৪২৮। যিয়ে, দহ টকা বা তদুৰ্দ্ধ মূল্যৰ কোনো জন্তু বা জন্তুবোৰ বধ কৰি, বিষ প্ৰয়োগ কৰি, বিকলাঙ্গ কৰি বা ব্যৱহাৰৰ অনুপযোগী কৰি অপকৰ্ম কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে, দণ্ডিত হব।

যি কোনো মূল্যৰ গৰু মহ আদি বা পঞ্চাশ টকা মূল্যৰ যি কোনো জন্তু বধ কৰি বা বিকলাঙ্গ কৰি অপকৰ্ম।

৪২৯। যিয়ে, কোনো হাতী, উট, ঘোঁৰা, খচ্চৰ, ম'হ, বলদ, গাই-গৰু বা ষাড় গৰু তাৰ মূল্য যিয়েই নহওঁক কিয়, বা পঞ্চাশ টকা বা তদুৰ্দ্ধ মূল্যৰ যি কোনো জন্তু, বধ কৰি, বিষ প্ৰয়োগ কৰি, বিকলাঙ্গ কৰি, বা ব্যৱহাৰৰ অনুপযোগী কৰি অপকৰ্ম কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

জলসিঞ্চন কাৰ্যৰ ক্ষতি সাধন কৰি বা পানীৰ গতি সদোষ পৰিবৰ্তন কৰি অপকৰ্ম।

৪৩০। যিয়ে, এনে কোনো কাৰ্য্য কৰি অপকৰ্ম কৰে, যি কাৰ্যই কৃষিৰ প্ৰয়োজনাৰ্থে বা মানুহৰ বাবে এনে জন্তুৰ বাবে যিবোৰ সম্পত্তি, খাদ্য বা পানীয় হিচাপে, বা পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে, বা বিনিময় কাৰ্য্য চলাই থকাৰ বাবে পানীৰ যোগান হ্ৰাস কৰে, বা যি কাৰ্যই তেনে যোগান হ্ৰাস কৰাৰ সম্ভাৱনা থকা বুলি

তেওঁ জানে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্যন্ত বিস্তাৰিত হ'ব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হ'ব।

**সাৰ্বজনিক পথ, দলং, নদী বা সুঁতিৰ ক্ষতি সাধন কৰি অপকৰ্ম কৰা।**

৪৩১। যিয়ে, এনে কোনো কাৰ্য্য কৰি অপকৰ্ম কৰে, যি কাৰ্য্যই কোনো সাৰ্বজনিক পথ, দলং, নাব্য নদী বা নাব্য সুঁতি, প্ৰাকৃতিকেই হওঁক বা কৃত্ৰিমেই হওঁক, যাতায়াতৰ অনুপযোগী কৰে, বা ভ্ৰমণৰ বাবে বা সম্পত্তি বহন কৰি নিয়াৰ বাবে কম নিৰাপদ কৰে বা তেনে কৰা সম্ভাব্য বুলি তেওঁ জানে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্যন্ত বিস্তাৰিত হ'ব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হ'ব।

**সাৰ্বজনিক নলাৰ প্লাৱন ঘটাই বা বাধা জন্মাই ক্ষতি সাধন কৰি অপকৰ্ম।**

৪৩২। যিয়ে, এনে কোনো কাৰ্য্য কৰি অপকৰ্ম কৰে, যি কাৰ্য্যই কোনো সাৰ্বজনিক নলাৰ অনিষ্ট আৰু ক্ষতি সাধন কৰাৰ লগতে প্লাৱন ঘটায় বা বাধা জন্মায় বা প্লাৱন ঘটোৱা বা বাধা জন্মোৱা সম্ভাব্য বুলি তেওঁ জানে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্যন্ত বিস্তাৰিত হ'ব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হ'ব।

**কোনো লাইট হাউচ বা সাগৰৰ চিন নষ্ট কৰি বা স্থানান্তৰিত কৰি, বা কম উপযোগী কৰি, অপকৰ্ম।**

৪৩৩। যিয়ে, কোনো লাইট হাউচ বা সাগৰৰ চিহ্নৰূপে ব্যৱহাৰ কৰা আন পোহৰ, বা কোনো সাগৰৰ চিহ্ন, বা বয়, বা নাবিক সকলৰ পথ প্ৰদৰ্শক ৰূপে ৰখা আন বস্তু, নষ্ট কৰি বা স্থানান্তৰিত কৰি, বা এনে কোনো কাৰ্য্য কৰি, যিয়ে এনে কোনো লাইট হাউচ, সাগৰৰ চিহ্ন, বয়, বা ওপৰোক্ত ধাৰণাৰ এনে আন বস্তু নাবিক সকলৰ প্ৰদৰ্শকৰূপে কম উপযোগী কৰি অপকৰ্ম কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হ'ব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হ'ব।

**লোক প্ৰাধিকাৰীৰ দ্বাৰা লগোৱা ভূমিচিহ্ন নষ্ট বা স্থানান্তৰিত ইত্যাদি কৰি, অপকৰ্ম কৰা।**

৪৩৪। যিয়ে, লোকসেৱক এজনৰ প্ৰাধিকাৰৰ দ্বাৰা লগোৱা কোনো ভূমি-চিহ্ন নষ্ট কৰি, বা স্থানান্তৰিত কৰি, বা এনে কোনো কাৰ্য্য কৰি যি কাৰ্য্যই তেনে ভূমি-চিহ্নক তেনেৰূপে কম উপযোগী কৰে, অপকৰ্ম কৰে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এবছৰ পৰ্যন্ত বিস্তাৰিত হ'ব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হ'ব পাৰে।

**এশ টকা বা (কৃষিৰ দ্বাৰা উৎপন্ন বস্তুৰ ক্ষেত্ৰত) দহ টকা পৰিমাণৰ ক্ষতি কৰাৰ অভিপ্ৰায়েৰে অগ্নি বা বিস্ফোৰক পদাৰ্থৰ দ্বাৰা অপকৰ্ম কৰা।**

৪৩৫। যিয়ে, কোনো সম্পত্তিৰ এশ টকা বা তদূৰ্ধ, [1][বা (যি ক্ষেত্ৰত সম্পত্তিটো কৃষিৰ দ্বাৰা উৎপন্ন বস্তু) দহ টকা বা তদূৰ্ধ], পৰিমাণৰ ক্ষতি কৰাৰ অভিপ্ৰায়েৰে, বা তাৰ দ্বাৰা তেওঁ তেনে ধৰণৰ ক্ষতি সম্ভাব্য বুলি জানি, অগ্নি বা কোনো বিস্ফোৰক পদাৰ্থৰ দ্বাৰা অপকৰ্ম কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হ'ব পাৰে, দণ্ডিত হ'ব আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

**ঘৰ আদি নষ্ট কৰাৰ অভিপ্ৰায়েৰে অগ্নি বা বিস্ফোৰক পদাৰ্থৰ দ্বাৰা অপকৰ্ম কৰা।**

৪৩৬। যিয়ে, কোনো এটা ভৱন, যিটো উপাসনাৰ স্থান হিচাপে, বা মানুহৰ বাসস্থান হিচাপে, বা সম্পত্তিৰ অভিৰক্ষণৰ স্থান হিচাপে সাধাৰণতে ব্যৱহাৰ কৰা হয়, নষ্ট কৰাৰ অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য জানি তেওঁ তাৰ দ্বাৰা নষ্ট কৰিব, অগ্নি বা কোনো বিস্ফোৰক পদাৰ্থৰ দ্বাৰা অপকৰ্ম কৰে, তেওঁ [2][আজীৱন কাৰাবাস]ৰে, বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হ'ব পাৰে, দণ্ডিত হ'ব, আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

**ডেক থকা বা বিশ টন বোজাৰ জলযানৰ নষ্ট বা নিৰাপত্তাহীন কৰাৰ অভিপ্ৰায়েৰে কৰা অপকৰ্ম।**

৪৩৭। যিয়ে, কোনো ডেক থকা জলযান বা বিশ টন বা তদূৰ্ধ বোজাৰ জলযান নষ্ট কৰা বা নিৰাপত্তাহীন কৰাৰ অভিপ্ৰায়েৰে, বা এইটো সম্ভাব্য জানি যে তাৰ দ্বাৰা তেওঁ সেই জলযান নষ্ট কৰিব, বা নিৰাপত্তাহীন কৰিব, অপকৰ্ম কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হ'ব পাৰে, দণ্ডিত হ'ব, আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

---

১। ১৯৮২ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ১০ ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ চনৰ পৰা প্ৰভাৱী হোৱাকৈ)।

ধাৰা ৪৩৭ত বৰ্ণিত অগ্নি বা বিস্ফোৰক পদাৰ্থৰ দ্বাৰা সংঘটিত অপকৰ্মৰ বাবে দণ্ড।

৪৩৮। যিয়ে, অন্তিম পূৰ্ববৰ্তী ধাৰাটোত বৰ্ণনা কৰা মতে এনে অপকৰ্ম, অগ্নি বা কোনো বিস্ফোৰক পদাৰ্থৰ দ্বাৰা, সংঘটিত কৰে, বা কৰিবলৈ প্ৰয়াস কৰে, তেওঁ [1][আজীৱন কাৰাবাস]ৰে, বা দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

চুৰি আদি কৰাৰ অভিপ্ৰায়েৰে জলযান এখন ভূমিত লগোৱা বা পাৰলৈ অনাৰ বাবে দণ্ড।

৪৩৯। যিয়ে, কোনো জলযান তাত থকা কোনো সম্পত্তি চুৰি কৰাৰ, বা তেনে কোনো সম্পত্তি অসাধু ভাবে আত্মসাৎ কৰাৰ অভিপ্ৰায়েৰে, বা সম্পত্তিৰ তেনে চুৰি বা আত্মসাৎ যাতে কৰিব পৰা যায়, তেনে অভিপ্ৰায়েৰে, কোনো জলযান ভূমিত লগায় বা পাৰলৈ লৈ আহে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

মৃত্যু বা আঘাত ঘটোৱাৰ প্ৰস্তুতিৰ পাছত অপকৰ্ম কৰা।

৪৪০। যিয়ে, কোনো ব্যক্তিৰ মৃত্যু ঘটোৱাৰ বা তেওঁৰ আঘাত বা সদোষ অৱৰোধ কৰোৱাৰ, বা মৃত্যুৰ বা আঘাতৰ, বা সদোষ অৱৰোধৰ ভয় দেখুওৱাৰ বাবে প্ৰস্তুতি কৰি, অপকৰ্ম কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

## আপৰাধিক অনধিকাৰ প্ৰবেশৰ বিষয়ে

আপৰাধিক অনধিকাৰ প্ৰবেশ।

৪৪১। যিয়ে, অন্য এজন ব্যক্তিৰ দখলত থকা কোনো সম্পত্তিৰ ভিতৰত বা ওপৰত অপৰাধ এটা সংঘটন কৰাৰ বা তেনে সম্পত্তিৰ দখলত থকা কোনো ব্যক্তিক ভাবুকি দিয়াৰ, অপমান কৰাৰ, বা বিৰক্ত কৰাৰ অভিপ্ৰায়েৰে, প্ৰবেশ কৰে, বা

তেনে সম্পত্তিৰ ভিতৰত বা ওপৰত বিধি সম্মত ভাবে প্ৰবেশ কৰি, তাৰ দ্বাৰা কোনো ব্যক্তিক ভাবুকি দিয়াৰ অপমান কৰাৰ বা বিৰক্ত কৰাৰ অভিপ্ৰায়েৰে, বা অপৰাধ এটা সংঘটন, কৰাৰ অভিপ্ৰায়েৰে, বিধি বিৰুদ্ধ ভাবে তাত থাকে, তেওঁ "আপৰাধিক অনধিকাৰ প্ৰবেশ" কৰা বুলি কোৱা হয়।

গৃহে অনধিকাৰ প্ৰবেশ।

৪৪২। যিয়ে, মানুহৰ বাসস্থানৰূপে ব্যৱহাৰ কৰা কোনো ভৱন, তম্বু বা জলযানত, বা উপাসনাৰ স্থানৰূপে বা সম্পত্তিৰ অভিৰক্ষাৰ স্থানৰূপে ব্যৱহাৰ কৰা কোনো ভৱনত প্ৰবেশ কৰি বা থাকি আপৰাধিক অনধিকাৰ প্ৰবেশ কৰে, তেওঁক "গৃহে অনধিকাৰ প্ৰবেশ" কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ** - আপৰাধিক অনধিকাৰ প্ৰৱেশকাৰীৰ শৰীৰৰ যি কোনো এটা অংশৰ প্ৰৱেশেই গৃহে অনধিকাৰ প্ৰবেশ গঠিত কৰাৰ বাবে যথেষ্ট প্ৰবেশ হব।

লুকাই গৃহে অনধিকাৰ প্ৰবেশ।

৪৪৩। যিয়েই, এনে সতৰ্কতা মূলক ব্যৱস্থা লোৱাৰ পিছত গৃহে অনধিকাৰ প্ৰবেশ কৰে যে এনে গৃহে অনধিকাৰ প্ৰবেশ কোনো এনে ব্যক্তিৰ পৰা লুকোৱা যায় যাৰ, অনধিকাৰ প্ৰবেশৰ বিষয় হোৱা সেই ভৱন, তম্বু বা জলযানৰ পৰা অধিকাৰ প্ৰৱেশকাৰীক বাহিৰ কৰি দিবলৈ বা উচ্ছেদ কৰিবলৈ অধিকাৰ থাকে, তেওঁ "লুকাই গৃহে অনধিকাৰ প্ৰবেশ" কৰা বুলি কোৱা হয়।

ৰাত্ৰি লুকাই গৃহে অনধিকাৰ প্ৰবেশ।

৪৪৪। যিয়ে, সূৰ্যাস্তৰ পিছত আৰু সূৰ্যোদয়ৰ পূৰ্বে লুকাই গৃহে অনধিকাৰ প্ৰবেশ কৰে, তেওঁ "ৰাত্ৰি লুকাই গৃহে অনধিকাৰ প্ৰবেশ" কৰা বুলি কোৱা হয়।

গৃহ-ভেদন।

৪৪৫। গৃহে অনধিকাৰ প্ৰবেশ কৰা ব্যক্তি এজনে 'গৃহভেদন' কৰা বুলি কোৱা হয় যদি তেওঁ ঘৰটোত বা যি কোনো এটা ভাগত তেওঁৰ প্ৰবেশ এতৎ পশ্চাৎ বৰ্ণনা কৰা ছয়টা ধৰণৰ যি কোনো এটা ধৰণে কৰে, বা যদি তেওঁ অপৰাধ সংঘটন কৰাৰ উদ্দেশ্যে ঘৰটোত বা ইয়াৰ যিকোনো এটা ভাগত উপস্থিত থাকি, বা তাত অপৰাধ সংঘটিত কৰাৰ পাছত, তেওঁ ঘৰটোৰ বা তাৰ যি কোনো ভাগৰ পৰা এনে ছয়টা ধৰণৰ যি কোনোটোৰে ওলাই যায়, অৰ্থাৎ ঃ-

প্ৰথম ঃ- যদি তেওঁ এনে এটা বাটেৰে সোমায় বা ওলাই যায় যিটো গৃহ অনধিকাৰ প্ৰবেশ কৰাৰ বাবে তেওঁ নিজে কৰা বা গৃহে অনধিকাৰ প্ৰবেশ কাৰ্যৰ কোনো অপপ্ৰেৰকৰ দ্বাৰা কৰা হৈছে।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

দ্বিতীয় :- যদি তেওঁ এনে এটা বাটেৰে সোমায় বা ওলাই যায় যিটো তেওঁ নিজে বা অপৰাধটোৰ অপপ্ৰেৰক এজনৰ বাহিৰে অন্য কোনো ব্যক্তিৰ দ্বাৰা মনুষ্যৰ প্ৰৱেশৰ বাবে অভিপ্ৰেত নহয়, বা এনে কোনো বাটেৰে প্ৰৱেশ কৰে বা ওলাই যায় যি বাটটোলৈ তেওঁ কোনো বেৰা বা গৃহ ডখলা লগাই উঠি বা বগাই প্ৰৱেশ কৰিছে।

তৃতীয় :- যদি তেওঁ এনে কোনো বাটেৰে প্ৰৱেশ কৰে বা ওলাই যায় যিটো তেওঁ বা গৃহে-অনধিকাৰ প্ৰৱেশৰ কোনো অপ প্ৰেৰকে গৃহ-অনধিকাৰ প্ৰৱেশ কৰিবলৈ এনে যি কোনো উপায়েৰে খুলিছে, যিটো উপায়েৰে বাটটো খুলিবলৈ ঘৰটোৰ অধিভোগীয়ে অভিপ্ৰায় কৰা নাছিল।

চতুৰ্থ :- যদি তেওঁ গৃহ-অনধিকাৰ প্ৰৱেশ কৰিবলৈ বা গৃহ অনধিকাৰ প্ৰৱেশ কৰাৰ পাছত ঘৰটোৰ পৰা ওলাই যাবলৈ, কোনো তলা খুলি প্ৰৱেশ কৰে বা ওলাই যায়।

পঞ্চম :- যদি তেওঁ তেওঁৰ প্ৰৱেশ বা প্ৰস্থান আপৰাধিক বল প্ৰয়োগ কৰি, বা অভ্যাঘাত কৰি, বা কোনো ব্যক্তিক অভ্যাঘাতৰ ভাবুকি দি, সম্পন্ন কৰে।

ষষ্ঠ :- যদি তেওঁ এনে কোনো বাটেৰে প্ৰৱেশ কৰে বা ওলাই যায় যিটো তেনে প্ৰৱেশ পথ বা প্ৰস্থান পথত বান্ধি থোৱা বুলি তেওঁ জানে আৰু তেওঁৰ দ্বাৰা বা গৃহে অনধিকাৰ প্ৰৱেশৰ অপপ্ৰেৰকৰ দ্বাৰা বান্ধ খোলা হৈছে।

**স্পষ্টীকৰণ** - কোনো বাটিঘৰ বা ভৱন এটাৰ লগত একেলগে অধিভোগ কৰি থকা কোনো গৃহ, আৰু যিটো আৰু এনে ঘৰটোৰ মাজত এটা অব্যৱহৃত আভ্যন্তৰীণ বাট আছে, তেনে বাটিঘৰ বা ভৱনটো এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত ঘৰটোৰ এটা ভাগ।

**দৃষ্টান্ত সমূহ**

(ক) 'জ' ৰ ঘৰৰ বেৰখনৰ মাজেৰে ফুটা এটা কৰি আৰু সেই ফুটাটোৰে তেওঁৰ হাতখন সুমাই দি 'ক'ই গৃহে অনধিকাৰ প্ৰৱেশ কৰিলে। এইটো গৃহ-ভেদন।

(খ) ডেক বিলাকৰ মাজত থকা ঘূৰণীয়া খিড়িকিৰে জাহাজ এখনৰ ভিতৰলৈ চুচৰি গৈ 'ক'ই গৃহে অনধিকাৰ প্ৰৱেশ কৰিলে। এইটো গৃহ-ভেদন।

(গ) 'জ'ৰ ঘৰত খিড়িকি এখনেৰে প্ৰৱেশ কৰি 'ক'ই গৃহে অনধিকাৰ প্ৰৱেশ কৰিলে। এইটো গৃহ-ভেদন।

(ঘ) বান্ধি থোৱা দুৱাৰ এখনেৰে 'জ'ৰ ঘৰত প্ৰৱেশ কৰি 'ক'ই গৃহে অনধিকাৰ প্ৰৱেশ কৰিলে। এইটো গৃহ-ভেদন।

(ঙ) দুৱাৰখনত থকা ফুটাৰে তাঁৰ সুমুৱাই খিলি খুলি দুৱাৰখনেৰে 'জ'ৰ ঘৰত প্ৰৱেশ কৰি 'ক'ই গৃহে অনধিকাৰ প্ৰৱেশ কৰিলে। এইটো গৃহ-ভেদন।

(চ) 'ক' ই 'জ'ৰ ঘৰৰ দুৱাৰৰ চাবি পাত পালে, যি চাবিপাত 'জ'ই হেৰুৱাইছিল, আৰু সেই চাবিপাতেৰে দুৱাৰখন খুলি, 'জ'ৰ ঘৰত প্ৰৱেশ কৰি গৃহে অনুপ্ৰৱেশ কৰিলে। এইটো গৃহ-ভেদন।

(ছ) 'জ' তেওঁৰ দুৱাৰমুখত থিয় হৈ আছে। 'ক'ই 'জ'ক ঘুচা মাৰি বগৰাই পেলাই বলেৰে বাট এটা উলিয়ালে, আৰু ঘৰটোত প্ৰৱেশ কৰি গৃহে অনধিকাৰ প্ৰৱেশ কৰিলে। এইটো গৃহ ভেদন।

(জ) 'ট'ৰ দ্বাৰৰক্ষী 'জ'ই 'ট'ৰ দুৱাৰমুখত থিয় হৈ আছে। 'জ'ক কোবাব বুলি ভাবুকি দি তেওঁৰ বিৰুদ্ধাচৰণ কৰাৰ পৰা 'জ'ক নিবৃত্ত কৰি, ঘৰটোত প্ৰৱেশ কৰি 'ক' ই গৃহে অনধিকাৰ প্ৰৱেশ কৰিলে। এইটো গৃহ-ভেদন।

ৰাত্ৰি গৃহ-ভেদন।

৪৪৬। যিয়ে সূৰ্য্যাস্তৰ পিছত আৰু সূৰ্যোদয়ৰ পূৰ্বে গৃহ-ভেদন কৰে, তেওঁ 'ৰাত্ৰি গৃহ-ভেদন' কৰা বুলি কোৱা হয়।

**অপৰাধিক অনধিকাৰ প্ৰৱেশৰ বাবে দণ্ড।**

৪৪৭। যিয়ে, আপৰাধিক অনধিকাৰ প্ৰৱেশ কৰে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি মাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা পাঁচশ টকা পৰ্যন্ত বিস্তাৰিত হব পৰা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

**গৃহে অনধিকাৰ প্ৰৱেশৰ বাবে দণ্ড।**

৪৪৮। যিয়ে, গৃহে অনধিকাৰ প্ৰৱেশ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা এহেজাৰ টকা পৰ্যন্ত বিস্তাৰিত হব পৰা জৰিমনাৰে, বা উভয়েৰে, দণ্ডিত হব।

**মৃত্যুৰে দণ্ডনীয় অপৰাধ সংঘটনৰ উদ্দেশ্যে গৃহে অনধিকাৰ প্ৰৱেশ।**

৪৪৯। যিয়ে, মৃত্যুৰে দণ্ডনীয় কোনো অপৰাধ সংঘটনৰ উদ্দেশ্যে গৃহে অনধিকাৰ প্ৰৱেশ কৰে, তেওঁ [1][আজীৱন কাৰাবাস] ৰে, বা সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি দহ বছৰৰ অধিক নহব, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

**আজীৱন কাৰাবাসৰে দণ্ডনীয় অপৰাধ সংঘটনৰ উদ্দেশ্যে গৃহে অনধিকাৰ প্ৰৱেশ।**

৪৫০। যিয়ে, [1][আজীৱন কাৰাবাস] ৰে, দণ্ডনীয় কোনো অপৰাধ সংঘটনৰ উদ্দেশ্যে গৃহে অনধিকাৰ প্ৰৱেশ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰৰ অধিক নহব, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**কাৰাবাসৰে দণ্ডনীয় অপৰাধ সংঘটনৰ উদ্দেশ্যে গৃহে অনধিকাৰ প্ৰৱেশ।**

৪৫১। যিয়ে, কাৰাবাসৰে দণ্ডনীয় কোনো অপৰাধ সংঘটন কৰাৰ উদ্দেশ্যে গৃহে অনধিকাৰ প্ৰৱেশ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

আৰু যদি সংঘটিত কৰিবলৈ অভিপ্ৰায় কৰা অপৰাধটো চুৰি হয়, তেন্তে কাৰাবাসৰ অৱধিটো সাত বছৰলৈ বিস্তাৰিত হব পাৰে।

**আঘাত, অভ্যাঘাত বা সদোষ অৱৰোধৰ প্ৰস্তুতি কৰি গৃহে অনধিকাৰ প্ৰৱেশ।**

৪৫২। যিয়ে, কোনো ব্যক্তিক আঘাত কৰিবলৈ, বা কোনো ব্যক্তিক অভ্যাঘাত কৰিবলৈ, বা কোনো ব্যক্তিক দোষ পূৰ্বক অৱৰোধ কৰিবলৈ, বা কোনো ব্যক্তিক আঘাতৰ বা অভ্যাঘাত, বা সদোষ অৱৰোধৰ ভয় দেখুওৱাৰ প্ৰস্তুতি কৰি, গৃহে অনধিকাৰ প্ৰৱেশ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**লুকাই গৃহে অনধিকাৰ প্ৰৱেশ বা গৃহ-ভেদনৰ বাবে দণ্ড।**

৪৫৩। যিয়ে, লুকাই গৃহে-অনধিকাৰ প্ৰৱেশ, বা গৃহ-ভেদন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**কাৰাবাসেৰে দণ্ডনীয় অপৰাধ সংঘটনৰ উদ্দেশ্যে লুকাই গৃহে অনধিকাৰ প্ৰৱেশ বা গৃহ-ভেদন।**

৪৫৪। যিয়ে, কাৰাবাসৰে দণ্ডনীয় কোনো অপৰাধ সংঘটনৰ উদ্দেশ্যে লুকাই গৃহে অনধিকাৰ প্ৰৱেশ বা গৃহ-ভেদন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব, আৰু যদি সংঘটিত কৰিবলৈ অভিপ্ৰায় কৰা অপৰাধটো চুৰি হয়, তেন্তে কাৰাবাসৰ অৱধিটো দহ বছৰলৈ বিস্তাৰিত হব পাৰে।

**আঘাত, অভ্যাঘাত বা সদোষ অৱৰোধৰ প্ৰস্তুতি কৰি লুকাই গৃহে অনধিকাৰ প্ৰৱেশ বা গৃহ-ভেদন।**

৪৫৫। যিয়ে, কোনো ব্যক্তিক আঘাত কৰাৰ বাবে বা কোনো ব্যক্তিক অভ্যাঘাত কৰাৰ বাবে বা কোনো ব্যক্তিক দোষ পূৰ্বক অৱৰোধ কৰাৰ বাবে, বা কোনো ব্যক্তিক আঘাতৰ, বা অভ্যাঘাতৰ বা সদোষ অৱৰোধৰ ভয় দেখুৱাৰ বাবে প্ৰস্তুতি কৰি, লুকাই গৃহে অনধিকাৰ প্ৰৱেশ, বা গৃহ-ভেদন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**ৰাত্ৰি লুকাই গৃহে অনধিকাৰ প্ৰৱেশ বা গৃহ-ভেদনৰ বাবে দণ্ড।**

৪৫৬। যিয়ে, ৰাত্ৰি লুকাই গৃহে অনধিকাৰ প্ৰৱেশ কৰে, বা ৰাত্ৰি গৃহ-ভেদন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ চনৰ পৰা প্ৰভাৱী হোৱাকৈ)।

**কাৰাবাসৰে দণ্ডনীয় অপৰাধ সংঘটনৰ উদ্দেশ্যে ৰাত্ৰি লুকাই গৃহত অনধিকাৰ প্ৰৱেশ বা গৃহভেদন কৰা।**

৪৫৭। যিয়ে, কাৰাবাসেৰে দণ্ডনীয় কোনো অপৰাধ সংঘটনৰ উদ্দেশ্যে ৰাত্ৰি লুকাই গৃহত অনধিকাৰ প্ৰৱেশ, বা ৰাত্ৰি গৃহ-ভেদন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব; আৰু যদি সংঘটিত কৰিবলৈ অভিপ্ৰায় কৰা অপৰাধটো চুৰি হয়, তেন্তে কাৰাবাসৰ অৱধিটো চৈধ্য বছৰলৈ বিস্তাৰিত হব পাৰে।

**আঘাত, অভ্যাঘাত বা সদোষ অৱৰোধৰ বাবে প্ৰস্তুতি কৰি ৰাত্ৰি লুকাই গৃহত অনধিকাৰ প্ৰৱেশ বা গৃহভেদন কৰা।**

৪৫৮। যিয়ে, কোনো ব্যক্তিক আঘাত কৰিবলৈ বা কোনো ব্যক্তিক অভ্যাঘাত কৰিবলৈ, বা কোনো ব্যক্তিক সদোষ অৱৰোধ কৰিবলৈ প্ৰস্তুতি কৰি বা কোনো ব্যক্তিক আঘাতৰ বা অভ্যাঘাতৰ বা সদোষ অৱৰোধৰ ভয় দেখুৱাই ৰাত্ৰি লুকাই গৃহত অনধিকাৰ প্ৰৱেশ বা ৰাত্ৰি গৃহ-ভেদন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি চৈধ্য বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**লুকাই গৃহত অনধিকাৰ প্ৰৱেশ বা গৃহভেদন কৰোঁতে ঘটোৱা গুৰুতৰ আঘাত।**

৪৫৯। যিয়ে, লুকাই গৃহত অনধিকাৰ প্ৰৱেশ বা গৃহ-ভেদন কৰোঁতে, কোনো ব্যক্তিক গুৰুতৰ আঘাত কৰে বা কোনো ব্যক্তিৰ মৃত্যু বা গুৰুতৰ আঘাত ঘটাবলৈ প্ৰয়াস কৰে, তেওঁ [1][আজীৱন কাৰাবাস] ৰে, বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**যেতিয়া তেওঁলোকৰ এজনৰ দ্বাৰা মৃত্যু বা গুৰুতৰ আঘাত ঘটোৱা হয়, তেনে ক্ষেত্ৰত ৰাত্ৰি লুকাই গৃহত অনধিকাৰ প্ৰৱেশ বা গৃহভেদন কাৰ্যত সংযুক্ত ভাবে সংশ্লিষ্ট সকলোবোৰ ব্যক্তি দণ্ডনীয় হব।**

৪৬০। যদি, ৰাত্ৰি লুকাই গৃহত অনধিকাৰ প্ৰৱেশ বা ৰাত্ৰি গৃহ-ভেদন কৰা সময়ত তেনে অপৰাধৰ বাবে দোষী কোনো ব্যক্তিয়ে মৃত্যু বা গুৰুতৰ আঘাত স্বেচ্ছা পূৰ্বক ভাবে ঘটায় বা ঘটাবলৈ প্ৰয়াস কৰে, তেনে ৰাত্ৰি লুকাই গৃহত অনধিকাৰ প্ৰৱেশ বা ৰাত্ৰি গৃহ-ভেদন কাৰ্যত সংযুক্ত ভাবে সংশ্লিষ্ট প্ৰত্যেক ব্যক্তি [1][আজীৱন কাৰাবাস] ৰে, বা দুই প্ৰকাৰৰ টো কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব বা জৰিমনাৰ বাবেও দায়ী হব।

**সম্পত্তি থকা পাত্ৰ অসাধু ভাবে ভাঙি খোলা।**

৪৬১। যিয়ে, অসাধু ভাবে, বা অপকৰ্ম্ম কৰাৰ অভিপ্ৰায়েৰে এনে এটা বন্ধ পাত্ৰ ভাঙি খোলে বা বান্ধ মোকলাই দিয়ে, যিটো পাত্ৰত সম্পত্তি আছে বা যিটো পাত্ৰত সম্পত্তি থকা বুলি তেওঁ বিশ্বাস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে, দণ্ডিত হব।

**একে অপৰাধৰ বাবে দণ্ড যেতিয়া অভিৰক্ষা ন্যস্ত হোৱা ব্যক্তিয়ে অপৰাধটো কৰে।**

৪৬২। যিয়ে, এনে কোনো বন্ধপাত্ৰ এটা ন্যস্ত হোৱাৰ পাচত, যি পাত্ৰত সম্পত্তি আছে, বা যি পাত্ৰত সম্পত্তি থকা বুলি তেওঁ বিশ্বাস কৰে, সেইটো খুলিবলৈ প্ৰাধিকাৰ নথকাকৈ, অসাধুভাবে বা অপকৰ্ম কৰাৰ অভিপ্ৰায়েৰে, সেই পাত্ৰটো ভাঙি খোলে বা বান্ধ মোকলাই দিয়ে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব।

### দস্তাবেজ আৰু [1]x x x সম্পত্তি চিহ্ন সম্পৰ্কীয় অপৰাধবোৰৰ বিষয়ে

**জালিয়তি।**

৪৬৩। যিয়ে, জনসাধাৰণৰ বা কোনো ব্যক্তিৰ হানি বা ক্ষতি কৰাৰ, বা কোনো দাবী বা হক্ সমৰ্থন কৰাৰ বা কোনো ব্যক্তিক সম্পত্তি এৰি দিয়াবৰ, বা কোনো অভিব্যক্ত বা বিবক্ষিত সংবিদা কৰাৰ অভিপ্ৰায়েৰে, বা প্ৰবঞ্চনা কৰাৰ বা যাতে প্ৰবঞ্চনা কৰিব পাৰে, তেনে অভিপ্ৰায়েৰে কোনো মিথ্যা দস্তাবেজ [2][বা মিথ্যা ইলেকট্ৰনিক ৰেকৰ্ড] [2][ বা দস্তাবেজ বা ইলেকট্ৰনিক ৰেকৰ্ড ]ৰ ভাগ ৰচনা কৰে, তেওঁ জালিয়তি কৰে।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত।

২। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ৮ৰ দ্বাৰা "দস্তাবেজৰ" স্থানত প্ৰতিস্থাপিত (২০০০ৰ ২১ নং অধিনিয়ম)।

মিথ্যা দস্তাবেজ ৰচনা।

৪৬৪। [1]["কোনো ব্যক্তিক মিথ্যা দস্তাবেজ বা মিথ্যা ইলেকট্ৰনিক ৰেকৰ্ড ৰচনা কৰা বুলি কোৱা হয় যদিহে—

প্ৰথমতে — যিয়ে অসাধু ভাবে বা প্ৰবঞ্চনা মূলক ভাবে-

(ক) কোনো দস্তাবেজ বা দস্তাবেজৰ এটা ভাগ ৰচনা কৰে, স্বাক্ষৰ কৰে, চাব মোহৰ মাৰে বা নিষ্পাদন কৰে;

(খ) কোনো ইলেকট্ৰনিক ৰেকৰ্ড বা কোনো ইলেকট্ৰনিক ৰেকৰ্ডৰ ভাগ ৰচনা কৰে বা প্ৰেৰণ কৰে;

(গ) কোনো ইলেকট্ৰনিক ৰেকৰ্ডৰ ওপৰত কোনো [2][ইলেকট্ৰনিক চিগনেছাৰ] লগাই দিয়ে;

(ঘ) দস্তাবেজ এখনৰ নিষ্পাদন সূচক [2][ইলেকট্ৰনিক চিগনেছাৰ] অধিপ্ৰমাণীকৰণ সূচক কোনো চিহ্ন অঙ্কিত কৰে;

এইটো বিশ্বাস কৰোৱাৰ অভিপ্ৰায়েৰে যে তেনে দস্তাবেজ বা দস্তাবেজৰ ভাগ, ইলেকট্ৰনিক ৰেকৰ্ড বা [2][ইলেকট্ৰনিক চিগনেচাৰ] ৰচনা, স্বাক্ষৰিত, চাব মোহৰ মৰা হৈছিল, নিষ্পাদন কৰা, প্ৰেৰণ কৰা বা লগাই দিয়া হৈছিল, এনে এজন ব্যক্তিৰ দ্বাৰা বা এজন ব্যক্তিৰ প্ৰাধিকাৰৰ দ্বাৰা যিজনৰ দ্বাৰা বা যিজনৰ প্ৰাধিকাৰৰ দ্বাৰা এইখন ৰচনা কৰা, স্বাক্ষৰ কৰা, চাব মোহৰ মৰা, নিষ্পাদন কৰা বা লগোৱা হোৱা নাছিল বুলি তেওঁ জাত ; বা

দ্বিতীয়তে - যিয়ে, তেওঁ নিজে বা আন ব্যক্তিৰ দ্বাৰা এইখন ৰচনা, নিষ্পাদন কৰাৰ বা [2][ইলেকট্ৰনিক চিগনেছাৰ] লগোৱাৰ পিছত, তেনে ব্যক্তি তেনে পৰিবৰ্তন কৰাৰ সময়ত জীৱিতই হওঁক বা মৃতই হওঁক বিধি সম্মত প্ৰাধিকাৰ অবিহনে অসাধু ভাবে বা প্ৰবঞ্চনামূলক ভাবে, বদ কৰণৰ দ্বাৰা বা অন্যথা কোনো দস্তাবেজ বা ইলেকট্ৰনিক ৰেকৰ্ডৰ কোনো গুৰুত্বপূৰ্ণ ভাগৰ পৰিবৰ্তন কৰে; বা

তৃতীয়তে - যিয়ে, অসাধু ভাবে বা প্ৰবঞ্চনামূলক ভাবে কোনো ব্যক্তিৰ দ্বাৰা তেনে ব্যক্তিয়ে দস্তাবেজখনৰ অৰ্ন্তবস্তু বা ইলেকট্ৰনিক ৰেকৰ্ড বা পৰিবৰ্তনৰ প্ৰকৃতি মনৰ অসুস্থতা বা মাতাল অৱস্থাৰ কাৰণে জানিব নোৱাৰে বা তেওঁৰ ওপৰত কৰা প্ৰতাৰণাৰ কাৰণে, নাজানে বুলি জানিও দস্তাবেজ বা এখন ইলেকট্ৰনিক ৰেকৰ্ড স্বাক্ষৰিত কৰোৱায়, চাবমোহৰ মৰায়, নিষ্পাদন বা পৰিবৰ্তন কৰোৱায় বা কোনো ইলেকট্ৰনিক ৰেকৰ্ডৰ ওপৰত তেওঁৰ [2][ইলেকট্ৰনিক চিগনেছাৰ] লগোৱায়" ।]

### দৃষ্টান্তসমূহ

(ক) 'ক'ৰ 'খ'ৰ ওপৰত 'জ'ৰ দ্বাৰা লিখিত ১০,০০০ টকাৰ প্ৰত্যয় পত্ৰ এখন আছে। 'ক'ই 'খ'ক প্ৰবঞ্চনা কৰাৰ অৰ্থে ১০,০০০ৰ লগত এটা শূন্য যোগ কৰিলে আৰু ৰাশিটো ১,০০,০০০ কৰিলে এনে অভিপ্ৰায়েৰে যে "জ'ই পত্ৰখন লিখিছিল বুলি 'খ'ই এইটো বিশ্বাস কৰিব পাৰে, 'ক'ই জাল কৰিছে।

(খ) 'ক'ই সম্পদ এটা 'খ'ক বিক্ৰী কৰাৰ আৰু তাৰ দ্বাৰা 'খ'ৰ পৰা ক্ৰয় মূল্য লাভ কৰাৰ অভিপ্ৰায়েৰে 'জ'ৰ প্ৰাধিকাৰৰ অবিহনে 'জ'ৰ চাবমোহৰ এনে এখন দস্তাবেজত মাৰিলে, যিখন 'জ'ৰ পৰা 'ক'লৈ সম্পদ এটাৰ হস্তান্তৰ পত্ৰ বুলি তাৎপৰ্যিত হৈছে। 'ক'ই জাল কৰিছে।

(গ) 'ক'ই 'খ'ৰ দ্বাৰা স্বাক্ষৰিত বাহকক দেয় কিন্তু চেকখনত কোনো ৰাশি অন্তৰ্বিষ্ট নকৰা বেঙ্কাৰ এজনৰ ওপৰত চেক এখন বুটলি ললে। 'ক'ই দহ হেজাৰ টকাৰ ৰাশি এটা অন্তৰ্বিষ্ট কৰি প্ৰবঞ্চনামূলক ভাবে চেকখন পূৰ্ণ কৰিলে। 'ক'ই জাল কৰিছে।

(ঘ) 'ক'ই তেওঁৰ অভিকৰ্ত্তা 'খ'ৰ হাতত 'ক'ৰ দ্বাৰা স্বাক্ষৰিত দেয় ৰাশিটো অন্তৰ্বিষ্ট নকৰা,

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ১(ক)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত (২০০০ৰ ২১ নং অধিনিয়ম)।

২। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ (২০০৯ৰ১০)ৰ ধাৰা ৫১ৰ দ্বাৰা "ডিজিটেল" শব্দৰ স্থানত প্ৰতিষ্ঠাপিত।

বেঙ্কাৰৰ ওপৰত চেক এখন এবিলে আৰু কিছুমান আদায় দিবৰ বাবে দহ হেজাৰ টকাতকৈ অধিক নোহোৱা ৰাশি এটা অন্তৰ্বিষ্ট কৰি চেকখন পূৰ্ণ কৰিবলৈ 'খ'ক প্ৰাধিকৃত কৰিলে। 'খ'ই বিশ হাজাৰ টকাৰ ৰাশি টো অন্তৰ্বিষ্ট কৰি চেকখন প্ৰৱঞ্চনামূলক ভাৱে সম্পূৰ্ণ কৰিলে, 'খ'ই জাল কৰিলে।

(ঙ) 'ক' ই 'খ'ৰ প্ৰাধিকাৰ বিনা তেওঁৰ নিজৰ ওপৰত 'খ'ৰ নামত এখন বিনিময় পত্ৰ এই অভিপ্ৰায়েৰে লিখে যে তেওঁ এজন বেঙ্কাৰৰ পৰা আচল বিনিময় পত্ৰ বাট্টাত ভজাব আৰু ইয়াৰ পৰিপক্কতাত সেইবিনিময় পত্ৰখন গ্ৰহণ কৰিব। ইয়াত যিহেতু 'ক'ই তেওঁৰ হাতত 'খ'ৰ প্ৰতিভূতি আছিল বুলি বেঙ্ক ব্যৱসায়ীক ধৰি লবৰ বাবে আৰু তাৰ দ্বাৰা বিনিময় পত্ৰখন বাট্টাত ভজাবলৈ প্ৰতাৰণা কৰাৰ অভিপ্ৰায়সহ লিখিছে। 'ক' জালিয়তিৰ বাবে দোষী।

(চ) 'জ'ৰ ইচ্ছাপত্ৰত এই শব্দবোৰ অন্তৰ্বিষ্ট আছে— "মই নিৰ্দেশ দিও যে মোৰ সকলোবোৰ অৱশিষ্ট সম্পত্তি'ক' 'খ' আৰু 'গ'ৰ মাজত সমানে বিভাজন হওঁক"।

'ক'ই অসাধুভাৱে 'খ'ৰ নামটো কাটি দিয়ে, এইটো বিশ্বাস কৰিবৰ অভিপ্ৰায়েৰে যে সমস্ত খিনি স্বয়ং তেওঁ আৰু 'গ'ৰ মাজত এৰি গৈছিল। 'ক'ই জালিয়তি সংঘটন কৰিছে।

(ছ) 'ক' ই এখন চৰকাৰী বণ্ড পত্ৰত পৃষ্ঠাংকন কৰে আৰু 'জ'ক তেওঁৰ আদেশানুসাৰে দেয় কৰে, বিনিময় পত্ৰখনত 'জ'ক বা তেওঁৰ আদেশানুসাৰে আদায় দিব, সেই শব্দবোৰ বিনিময় পত্ৰখনত লিখি দি আৰু পৃষ্ঠাংকনটোত স্বাক্ষৰ কৰে। 'খ'ই অসাধু ভাৱে 'জ'ক বা তেওঁৰ আদেশানুসাৰে আদায় দিব" এই শব্দবোৰ মচি পেলায়, আৰু তাৰ দ্বাৰা বিশেষ পৃষ্ঠাংকনটো এটা নিৰঙ্ক পৃষ্ঠাংকনলৈ পৰিবৰ্তন কৰে। 'খ'ই জালিয়তি সংঘটন কৰে।

(জ) 'ক'ই এটা সম্পদা 'জ'ক বিক্ৰী কৰে, আৰু হস্তান্তৰ কৰে। 'ক'ই তাৰ পিচত "জ"ক তেওঁৰ সম্পদাটোৰ পৰা প্ৰৱঞ্চনা কৰাৰ অৰ্থে সেই একে সম্পদাটোৰ 'খ'লৈ হস্তান্তৰ পত্ৰ নিষ্পাদনৰ কৰে, তেওঁ 'জ' লৈ হস্তান্তৰ পত্ৰ কৰি দিয়াৰ ছয়মাহৰ পূৰ্বৰ দিনভুক্ত কৰি এইটো বিশ্বাস কৰক, এই অভিপ্ৰায়েৰে যে তেওঁ 'জ'ক হস্তান্তৰ কৰি দিয়াৰ পূৰ্বে তেওঁ 'ক' লৈ সম্পদাটো হস্তান্তৰ কৰিছে। 'ক'ই জালিয়তি সংঘটন কৰিছে।

(ঝ) 'জ'ই তেওঁৰ ইচ্ছাপত্ৰ খন 'ক'ক লিখিবলৈ কৈ যায়। 'ক'ই ইচ্ছাপূৰ্বক 'জ'ৰ দ্বাৰা নামিত ইচ্ছাপত্ৰৰ ৰিকথগ্ৰাহীৰ পৰা পৃথক ইচ্ছা পত্ৰ ৰিকথগ্ৰাহীৰ নাম লিখি যায় আৰু 'জ'ক অভ্যাবেদনৰ দ্বাৰা যে তেওঁ তেওঁৰ নিৰ্দেশ অনুযায়ী ইচ্ছাপত্ৰখন প্ৰস্তুত কৰিছে, 'জ'ক ইচ্ছাপত্ৰখনত স্বাক্ষৰ কৰিবলৈ উৎপ্ৰেৰিত কৰে। 'ক'ই জালিয়তি সংঘটন কৰিছে।

(ঞ) 'ক'ই এখন চিঠি লিখে আৰু 'খ'ৰ বিনা প্ৰাধিকাৰে 'খ'ৰ নামেৰে স্বাক্ষৰ কৰে, এইটো প্ৰমানিত কৰি, যে 'ক' এজন সৎ চৰিত্ৰৰ লোক, তেওঁ অসম্ভাব্য দুৰ্ভাগ্যৰ পৰা দুদৰ্শাৰ পৰিস্থিতিত পৰিছে, এনে চিঠিৰ সহায়েৰে 'জ' আৰু অন্য লোকৰ পৰা ভিক্ষা পোৱাৰ অভিপ্ৰায়েৰে - ইয়াত যিহেতু 'ক'ই 'জ'ক সম্পত্তি হস্তান্তৰৰ বাবে উৎপ্ৰেৰিত কৰিবলৈ এখন মিথ্যা দস্তাবেজ কৰিছে, 'ক' ই জালিয়তি সংঘটন কৰিছে।

(ট) 'ক'ই 'খ'ৰ বিনা প্ৰাধিকাৰে এখন চিঠি লিখে আৰু 'খ'ৰ নামত স্বাক্ষৰ কৰে, 'ক'ৰ চৰিত্ৰ প্ৰমাণিত কৰি, তাৰ দ্বাৰা 'জ'ৰ অধীনত কৰ্ম নিয়োগ পোৱাৰ অভিপ্ৰায়েৰে। 'ক'ই জালিয়তি সংঘটন কৰিছে, যিহেতু তেওঁ 'জ'ক এখন জাল প্ৰমাণ পত্ৰৰ দ্বাৰা প্ৰতাৰণা কৰাৰ অভিপ্ৰায় কৰিছিল, আৰু তাৰ দ্বাৰা 'জ'ক এটা অভিব্যক্ত বা বিবক্ষিত সেৱা সংবিদাত সোমাবলৈ উৎপ্ৰেৰিত কৰাৰ অৰ্থে।

**স্পষ্টীকৰণ ১** - কোনো ব্যক্তিৰ নিজৰ নামত স্বাক্ষৰ জালিয়তিৰ পৰ্যায়ৰ হব পাৰে।

**দৃষ্টান্তবোৰ**

(ক) 'ক'ই এখন বিনিময় পত্ৰত তেওঁৰ নিজৰ নাম স্বাক্ষৰ কৰে, এইটো বিশ্বাস কৰিব পৰাৰ অভিপ্ৰায়েৰে যে বিনিময় পত্ৰখন তেওঁৰ একে নামৰ অন্য ব্যক্তিৰ দ্বাৰা লিখা হৈছিল। 'ক'ই জালিয়তি সংঘটন কৰিছে।

(খ) 'ক'ই এটুকুৰা কাগজত "প্ৰতিগৃহীত" শব্দটো লিখে আৰু "জ"ৰ নামত ইয়াত স্বাক্ষৰ কৰে, যাতে 'খ'ই পিছত কাগজখনত 'জ'ৰ ওপৰত 'খ'ৰ দ্বাৰা লিখা হোৱা এখন বিনিময় পত্ৰত লিখিব পাৰে, আৰু বিনিময় পত্ৰখন পৰক্ৰামণ কৰে যেনিবা এইখন 'জ'ৰ দ্বাৰা প্ৰতিগৃহীত হৈছিল। 'ক' জালিয়তিৰ বাবে দোষী ; আৰু যদি 'খ'ই তথ্যটো জানিও 'ক'ৰ অনুসৰণত বিনিময় পত্ৰখন লিখি দিয়ে, 'খ'ও জালিয়তিৰ বাবে দোষী।

(গ) 'ক' ই একে নামত এজন বেলেগ লোকৰ আদেশানুসাৰে দেয় এখন বিনিময় পত্ৰ বুটলি লয়। 'ক'ই বিনিময় পত্ৰখনত তেওঁৰ নিজৰ নামত পৃষ্ঠাঙ্কিত কৰে, এইটো বিশ্বাস কৰোৱাৰ অভিপ্ৰায়েৰে যে যিজন ব্যক্তিৰ আদেশানুসাৰে এইখন দেয় হব লাগিছিল, এইজন ব্যক্তিয়ে এইখন পৃষ্ঠাঙ্কিত কৰিছিল। ইয়াত 'ক'ই জালিয়তি সংঘটিত কৰিছে।

(ঘ) 'খ'ৰ বিৰুদ্ধে ডিক্ৰী নিষ্পাদনত বিক্ৰী হোৱা এটা সম্পদ 'ক'ই ক্ৰয় কৰে। খ'ই সম্পদটো জব্দ হোৱাৰ পিছত জব্দ হোৱাৰ ছমাহৰ পূৰ্বৰ দিনাংকেৰে সম্পদটো এটা সামান্য খাজানাত এটা দীৰ্ঘকালাৱধিৰ বাবে 'জ'ৰ লগত চক্ৰান্ত কৰি 'জ'লৈ পট্টা নিষ্পাদন কৰে, 'ক'ক প্ৰতাৰণা কৰাৰ অভিপ্ৰায়েৰে আৰু এইটো বিশ্বাস কৰোৱাৰ অৰ্থে যে জব্দ হোৱাৰ পূৰ্বে পট্টনটো মঞ্জুৰ কৰা হৈছিল। 'খ'ই যদিও পট্টনটো নিজৰ নামত নিষ্পাদন কৰিছিল, তেওঁ ইয়াক পূৰ্ব দিনাঙ্কনৰ দ্বাৰা জালিয়তি কৰিছে।

(ঙ) 'ক' এজন ব্যৱসায়ীয়ে দেউলীয়া হোৱাৰ আশঙ্কা কৰি 'ক'ৰ নিজৰ হিতৰ বাবে তেওঁৰ লেনদাৰক প্ৰবঞ্চনা কৰিবলৈ 'খ'ৰ লগত সম্পত্তিবোৰ ৰাখিলে; আৰু লেনদেনটোত এটা ধন দিয়াৰ অৰ্থে মূল্যপ্ৰাপ্ত হোৱা বুলি 'খ'ৰ এটা ৰাশি আদায় দিবলৈ নিজকে আবদ্ধ কৰি এখন বন্ধন পত্ৰ লিখি দিয়ে, বন্ধন পত্ৰখন এটা পূৰ্ব তাৰিখত দিনাঙ্কন কৰি এনে অভিপ্ৰায়েৰে যে সেইখন 'ক' দেউলীয়া হোৱাৰ পূৰ্বে নিষ্পাদন কৰা হৈছিল বুলি বিশ্বাস হওক। 'ক'ই পৰিভাষাৰ প্ৰথম শীৰ্ষকৰ অধীনত জালিয়তি সংঘটন কৰিছিল।

**স্পষ্টীকৰণ ২** - এজন কাল্পনিক ব্যক্তিৰ নামত, এজন প্ৰকৃত ব্যক্তিৰ দ্বাৰা ইয়াক ৰচিত কৰা হৈছিল বুলি বিশ্বাস হওঁক এনে অভিপ্ৰায়েৰে বা এজন মৃত ব্যক্তিৰ নামত সেই ব্যক্তিৰ দ্বাৰা তেওঁৰ জীৱন কালত দস্তাবেজখন ৰচিত কৰা হৈছিল বুলি বিশ্বাস হওঁক এনে অভিপ্ৰায়ৰে এখন মিথ্যা দস্তাবেজ ৰচনা কৰাটো জালিয়তি পৰ্য্যায়ৰ হব পাৰে।

[১][**স্পষ্টীকৰণ ৩** - এই ধাৰাৰ প্ৰয়োজনাৰ্থে "[২][ইলেকট্ৰনিক চিগনেছাৰ] লগোৱা" অভিব্যক্তিৰ তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ ধাৰা ২ ৰ উপধাৰা (১) ৰ খণ্ড (ঘ)ত ইয়াক ন্যস্ত কৰাৰ দৰে অৰ্থ হব"।

**দৃষ্টান্ত**

'ক'ই এখন বিনিময় পত্ৰ এজন কাল্পনিক ব্যক্তিৰ নামত লিখে আৰু ইয়াক পৰক্ৰামণ কৰাৰ অভিপ্ৰায়েৰে তেনে কাল্পনিক নামত বিনিময় পত্ৰখন প্ৰৱঞ্চনামূলক ভাবে প্ৰতি গ্ৰহণ কৰে, 'ক' ই জালিয়তি সংঘটন কৰে।

জালিয়তিৰ বাবে দণ্ড।

৪৬৫। যিয়ে, জালিয়তি কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়ৰে, দণ্ডিত হব।

ন্যায়ালয়ৰ অভিলেখৰ বা লোকপঞ্জী আদিৰ জালিয়তি।

৪৬৬। [৩][যিয়ে, এনে এখন দস্তাবেজ বা এখন ইলেকট্ৰনিক ৰেকৰ্ড] জাল কৰে, যিখন কোনো ন্যায়ালয়ৰ বা ন্যায়ালয়ত থকা অভিলেখ বা কাৰ্যবাহী, বা জন্ম, খ্ৰীষ্টিন ধৰ্ম গ্ৰহণ, বিবাহ বা অন্ত্যেষ্টিৰ পঞ্জী বা কোনো

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ প্ৰথম অনুসূচীৰ ধাৰা ৯(খ) দ্বাৰা অন্তঃস্থাপিত (২০০০ৰ ২১ নং অধিনিয়ম)।

২। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ (২০০৯ৰ১০)ৰ ধাৰা ৫১ৰ দ্বাৰা "ডিজিটেল" শব্দৰ স্থানত প্ৰতিস্থাপিত।

৩। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ প্ৰথম অনুসূচীৰ ধাৰা ১০ (ক) ৰ দ্বাৰা দস্তাবেজৰ স্থানত প্ৰতিস্থাপিত (২০০০ ৰ ২১ নং অধিনিয়ম)।

লোক সেৱকে, তেনে ৰূপে কথা পঞ্জী তাৎপৰ্যিত হৈছে, বা কোনো লোক সেৱক তেওঁৰ পদীয় সামৰ্থ্যত ৰচনা কৰা বুলি তাৎপৰ্যিত প্ৰমাণপত্ৰ বা দস্তাবেজ বা কোনো বাদ কজু কৰাৰ বা প্ৰতিৰক্ষা কৰাৰ বা তাত কোনো কাৰ্যবাহী গ্ৰহণ কৰা, বা নিৰ্ণয় স্বীকাৰ কৰা, বা এখন মোক্তাৰ নামা ৰূপে তাৎপৰ্যিত হৈছে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

[1][**স্পষ্টীকৰণ ১**- এই ধাৰাৰ প্ৰয়োজনাৰ্থে, "পঞ্জী" য়ে তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ ধাৰা২ৰ উপধাৰা (১)ৰ খণ্ড (ড)ত পৰিভাষিত দৰে কোনো ইলেক্‌ট্ৰনিক প্ৰপত্ৰত সংৰক্ষিত যি কোনো প্ৰবিষ্টিৰ কোনো সূচী, ডাটা বা ৰেকৰ্ড অন্তৰ্ভুক্ত কৰে"।]

মূল্যবান প্ৰতিভূতি, ইচ্ছা পত্ৰ আদিৰ জালিয়তি।

৪৬৭। যিয়ে, এনে এখন দস্তাবেজ জাল কৰে, যিখন এখন মূল্যবান প্ৰতিভূতি, বা ইচ্ছাপত্ৰ বা পুত্ৰৰ দত্তক গ্ৰহণৰ প্ৰাধিকাৰ ৰূপে তাৎপৰ্যিত হৈছে, বা যিখন কোনো ব্যক্তিক কোনো মূল্যবান প্ৰতিভূতি ৰচনা কৰাৰ বাবে বা অন্তৰণ কৰাৰ বাবে প্ৰাধিকাৰ দিবলৈ বা তাৰ মূলধন, সুত বা লাভাংশ গ্ৰহণ কৰিবলৈ, বা কোনো ধন, অস্থাৱৰ সম্পত্তি বা মূল্যবান প্ৰতিভূতি, গ্ৰহণ কৰিবলৈ বা পৰিদান কৰাৰ প্ৰাধিকাৰ তাৎপৰ্যিত হৈছে, বা এনে কোনো দস্তাবেজ, যিখনৰ ধন আদায় দিয়া অভিস্বীকৃতি এখন নিস্তাৰণ পত্ৰ বা ৰছিদ বা কোনো অস্থাৱৰ সম্পত্তি বা মূল্যবান প্ৰতিভূতি প্ৰদানৰ অৰ্থে এখন নিস্তাৰণ পত্ৰ বা ৰছিদ ৰূপে তাৎপৰ্যিত হৈছে, তেওঁ [2][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবে দায়ী হব।

ছলনা কৰাৰ উদ্দেশ্যে জালিয়তি।

৪৬৮। যিয়ে, [3][জাল কৰা দস্তাবেজ বা ইলেকট্ৰনিক ৰেকৰ্ড] ছলনা কৰাৰ উদ্দেশ্যে ব্যৱহৃত হব, এই অভিপ্ৰায়েৰে, জাল কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

খ্যাতি হানি কৰাৰ উদ্দেশ্যে জালিয়তি।

৪৬৯। যিয়ে, [4][জাল কৰা দস্তাবেজ বা ইলেকট্ৰনিক ৰেকৰ্ড কোনো পক্ষৰ খ্যাতিৰ হানি কৰিব, এনে অভিপ্ৰায়েৰে], বা এইখন সেই উদ্দেশ্যে ব্যৱহাৰ কৰা সম্ভাব্য বুলি জানি, জাল কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

জাল কৰা দস্তাবেজ।

৪৭০। সম্পূৰ্ণ বা আংশিক ভাবে জাল কৰি ৰচনা কৰা এখন মিথ্যা [5][দস্তাবেজ বা ইলেকট্ৰনিক ৰেকৰ্ড] ক জাল কৰা [5][দস্তাবেজ বা ইলেকট্ৰনিক ৰেকৰ্ড] বুলি কোৱা হয়।

জাল কৰা দস্তাবেজ এখন আচল হিচাপে ব্যৱহাৰ কৰা।

৪৭১। যিয়ে, প্ৰৱঞ্চনামূলক ভাবে বা অসাধু ভাবে এখন [6][দস্তাবেজ বা ইলেকট্ৰনিক ৰেকৰ্ড] আচল হিচাবে ব্যৱহাৰ কৰে, যিখন জাল [6][দস্তাবেজ বা ইলেকট্ৰনিক ৰেকৰ্ড ] বুলি তেওঁ জানে বা তেনে বুলি

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ১০ (খ)ৰ দ্বাৰা অন্তস্থাপিত (২০০০ ৰ ২১ নং অধিনিয়ম)।

২। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৩। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ১১ৰ দ্বাৰা দস্তাবেজৰ স্থানত প্ৰতিষ্ঠাপিত (২০০০ৰ ২১নং অধিনিয়ম)।

৪। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ১২ৰ দ্বাৰা দস্তাবেজৰ স্থানত প্ৰতিষ্ঠাপিত (২০০০ৰ ২১নং অধিনিয়ম)।

৫। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ১৩ৰ দ্বাৰা দস্তাবেজৰ স্থানত প্ৰতিষ্ঠাপিত (২০০০ৰ ২১নং অধিনিয়ম)।

৬। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ১৪ৰ দ্বাৰা দস্তাবেজৰ স্থানত প্ৰতিষ্ঠাপিত (২০০০ৰ ২১নং অধিনিয়ম)।

তেওঁৰ বিশ্বাস কৰিবলৈ কাৰণ থাকে, তেওঁ ঠিক এনে ধৰণে দণ্ডিত হব যেনিবা তেওঁ তেনে [1][দস্তাবেজ বা ইলেকট্ৰনিক ৰেকৰ্ড] জাল কৰিছিল।

**ধাৰা ৪৬৭ৰ অধীনত দণ্ডনীয় জালিয়তি কৰাৰ অভিপ্ৰায়েৰে নকল চাব-মোহৰ আদি প্ৰস্তুত কৰা বা দখলত ৰখা।**

৪৭২। যিয়ে, কোনো চাবমোহৰ, ফলক বা চাপ মৰাৰ বাবে আন সজুলি এনে অভিপ্ৰায়েৰে প্ৰস্তুত কৰে বা জাল কৰে যে সেইটো এই সংহিতাৰ ধাৰা ৪৬৭ৰ অধীনত দণ্ডনীয় কোনো জাল কৰাৰ উদ্দেশ্যে ব্যৱহৃত হব বা তেনে অভিপ্ৰায় সহ এনে চাবমোহৰ, ফলক বা আনসঁজুলি ইয়াক জাল বুলি জানিও, তেওঁৰ দখলত ৰাখে, তেওঁ [2][আজীৱন কাৰাবাস]ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**অন্যথাই দণ্ডনীয় জালিয়তি কৰাৰ অভিপ্ৰায়েৰে জাল, চাব-মোহৰ আদি প্ৰস্তুত কৰা বা দখলত ৰখা।**

৪৭৩। যিয়ে, কোনো চাবমোহৰ, ফলক বা চাব মৰাৰ বাবে আন সজুলি এনে অভিপ্ৰায়েৰে প্ৰস্তুত কৰে বা জাল কৰে, যে সেইবোৰ এই সংহিতাৰ অধীনত দণ্ডনীয় কোনো জালিয়তি কৰাৰ উদ্দেশ্যে ব্যৱহৃত হব, যি ধাৰা, ৪৬৭ ভিন্ন এই অধ্যায়ৰ কোনো ধাৰাৰ অধীনত দণ্ডনীয় হব, বা এনে অভিপ্ৰায়েৰে এনে কোনো চাব মোহৰ, ফলক, বা আন সজুলি সেইবোৰ জাল বুলি জানিও তেওঁৰ দখলত ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**ধাৰা ৪৬৬ বা ৪৬৭ত বৰ্ণিত দস্তাবেজ জাল বুলি জানি আৰু ইয়াক আচল বুলি ব্যৱহৃত কৰাৰ অভিপ্ৰায়েৰে দখলত ৰখা।**

৪৭৪। [3][যিয়ে, কোনো দস্তাবেজ বা ইলেট্ৰনিক ৰেকৰ্ড জাল কৰা বুলি জানিও আৰু এনে অভিপ্ৰায়েৰে যে সেইটো আচল বুলি প্ৰৱঞ্চনামূলক আৰু অসাধু ভাৱে ব্যৱহৃত হব, নিজৰ দখলত ৰাখে, যদি দস্তাবেজ বা ইলেকট্ৰনিক ৰেকৰ্ড এই সংহিতাৰ ধাৰা ৪৬৬ত উল্লিখিত বৰ্ণনাৰ এখন দস্তাবেজ, বা ইলেকট্ৰনিক ৰেকৰ্ড] হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব; আৰু যদি দস্তাবেজখন ৪৬৭ ত উল্লিখিত বৰ্ণনাৰ হয়, তেওঁ [2][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**ধাৰা ৪৬৭ত বৰ্ণিত দস্তাবেজ অধিপ্ৰমাণীকৃত কৰাৰ অৰ্থে ব্যৱহৃত কৌশল, বা চিহ্ন জালকৰণ বা জাল চিহ্নিত সামগ্ৰী দখলত ৰখা।**

৪৭৫। যিয়ে, কোনো বস্তুৰ ওপৰত বা ইয়াৰ উপাদানত কোনো এনে কৌশল বা চিহ্ন, যিবিলাক এই সংহিতাৰ ধাৰা ৪৬৭ত বৰ্ণিত কোনো দস্তাবেজৰ অধিপ্ৰমাণীকৰণৰ বাবে ব্যৱহাৰ কৰা হব, এই অভিপ্ৰায়েৰে জাল কৰে, যে এনে কৌশল বা এনে চিহ্ন এনে বস্তুৰ ওপৰত সেই সময়ত জাল কৰা হৈছিল বা ইয়াৰ পিছত জাল কৰিবলগীয়া কোনো দস্তাবেজৰ অধিপ্ৰমাণীকৃত আভাস দিয়াৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হব বা যি এনে অভিপ্ৰায়েৰে কোনো এনে বস্তু নিজৰ দখলত ৰাখে যাৰ ওপৰত বা যাৰ উপাদানৰ ওপৰত এনে কৌশল বা চিহ্নৰ জাল কৰা হৈছে, তেওঁ [2][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**ধাৰা ৪৬৭ত বৰ্ণিত দস্তাবেজৰ বাহিৰে অন্য দস্তাবেজ অধিপ্ৰমাণীকৃত কৰাৰ অৰ্থে ব্যৱহৃত কৌশল, বা চিহ্ন, জালকৰণ বা জাল চিহ্নিত বস্তু দখলত ৰখা।**

৪৭৬। যিয়েই, কোনো বস্তুৰ ওপৰত বা ইয়াৰ উপাদানত কোনো এনে কৌশল বা চিহ্ন যিবিলাক এই সংহিতাৰ ধাৰা ৪৬৭ ত বৰ্ণিত [4][কোনো দস্তাবেজ বা ইলেকট্ৰনিক ৰেকৰ্ড]ৰ অধিপ্ৰমাণীকৰণৰ বাবে ব্যৱহাৰ কৰা হব বা এই অভিপ্ৰায়েৰে জাল কৰে যে এনে কৌশল বা এনে চিহ্ন এনে বস্তুৰ ওপৰত সেই সময়ত জাল কৰা হৈছিল বা ইয়াৰ পিছত জাল কৰিবলগীয়া [4][কোনো দস্তাবেজ বা ইলেকট্ৰনিক ৰেকৰ্ড]ৰ

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ১৪ৰ দ্বাৰা দস্তাবেজৰ স্থানত প্ৰতিষ্ঠাপিত (২০০০ৰ ২১নং অধিনিয়ম)।

২। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭, আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৩। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ১৫ৰ দ্বাৰা প্ৰতিষ্ঠাপিত, (২০০০ৰ ২১নং অধিনিয়ম)।

৪। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ১৬ৰ দ্বাৰা দস্তাবেজৰ স্থানত প্ৰতিষ্ঠাপিত, (২০০০ৰ ২১নং অধিনিয়ম)।

অধিপ্ৰমাণীকৃত অভাস দিয়াৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হব বা যি এনে অভিপ্ৰায়েৰে কোনো এনে বস্তু নিজৰ দখলত ৰাখে, যাৰ ওপৰত বা যাৰ উপাদানৰ ওপৰত এনে কৌশল বা চিহ্নৰ জাল কৰা হৈছে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**ইচ্ছাপত্ৰ, দত্তক গ্ৰহণ প্ৰাধিকাৰ পত্ৰ বা মূল্যবান প্ৰতিভূতিৰ প্ৰৱঞ্চনামূলক ৰদকৰণ, নষ্ট আদি কৰণ।**

৪৭৭। যিয়েই, প্ৰৱঞ্চনামূলক ভাৱে বা অসাধু ভাৱে বা জনসাধাৰণ বা কোনো ব্যক্তিক হানি বা ক্ষতি কৰাৰ অভিপ্ৰায়ে, কোনো এনে দস্তাবেজ যি ইচ্ছাপত্ৰ বা পুত্ৰ দত্তক গ্ৰহণ কৰাৰ প্ৰাধিকাৰ পত্ৰ বা কোনো মূল্যবান প্ৰতিভূতি হয়, বা হোৱা বুলি তাৎপৰ্যিত হয়, ৰদ, নষ্ট বা বিকৃত কৰে বা ৰদ বা নষ্ট বা বিকৃত কৰিবলৈ প্ৰয়াস কৰে, বা এনে দস্তাবেজ সম্পৰ্কে অপকৰ্ম কৰে, তেওঁ [1][আজীৱন কাৰাবাস] বে বা দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**হিচাপ পত্ৰৰ মিথ্যাকৰণ।**

[2][৪৭৭ক। যিয়ে, এজন কেৰাণী, পদাধিকাৰী বা সেৱক হিচাপে, বা কেৰাণী, পদাধিকাৰী বা সেৱকৰ পদ সামৰ্থ্যত নিযুক্ত হৈ বা কাৰ্যনিৰ্বাহ কৰি, ইচ্ছাপূৰ্বক, আৰু প্ৰৱঞ্চনা কৰাৰ অভিপ্ৰায়েৰে কোনো [3][ বহী, ইলেকট্ৰনিক ৰেকৰ্ড, কাগজ পত্ৰ, লিখনি] মূল্যবান প্ৰতিভূতি বা হিচাপ পত্ৰ নষ্ট কৰে, পৰিবৰ্তন কৰে, বিকৃত কৰে বা মিথ্যা কৰে, যিটো তেওঁৰ নিয়োগ কৰ্তাৰ, দখলত থাকে বা তেওঁৰ দ্বাৰা নিয়োগ কৰ্তাৰ বাবে বা হকে তেওঁ গ্ৰহণ কৰিছে, বা ইচ্ছাপূৰ্বক, আৰু প্ৰৱঞ্চনা কৰাৰ অভিপ্ৰায়েৰে তেনে কোনো [3][বহী, ইলেকট্ৰনিক ৰেকৰ্ড, কাগজপত্ৰ, লিখনি], মূল্যবান প্ৰতিভূতি বা হিচাপ পত্ৰত কোনো মিথ্যা প্ৰবিষ্টি কৰে বা কৰিবলৈ অপপ্ৰেৰণা দিয়ে, বা তাৰ পৰা বা তাত থকা কোনো তাত্বিক বিবৰণ বিলুপ্ত কৰে বা পৰিবৰ্তন কৰে বা বিলোপ বা পৰিবৰ্তনত অপপ্ৰেৰণা দিয়ে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - এই ধাৰাৰ অধীনত যিকোনো দোষাৰোপত প্ৰৱঞ্চিত কৰিবলৈ অভিপ্ৰেত কৰা কোনো বিশেষ ব্যক্তিৰ নামোল্লেখ নকৰাকৈ, বা প্ৰৱঞ্চনাটোৰ অধ্যধীন কৰা অভিপ্ৰেত কোনো নিৰ্দিষ্ট ধনৰাশি বিনিৰ্দিষ্ট নকৰাকৈ বা অপৰাধটো, সংঘটনৰ কোনো নিৰ্দিষ্ট দিন এটা উল্লেখ নকৰাকৈ প্ৰৱঞ্চনা কৰাৰ এটা সাধাৰণ অভিপ্ৰায়ৰ বিষয়ে অভিযোগ কৰিলেই যথেষ্ট হব। ]

[4]সম্পত্তি [5]X X X আৰু অন্য চিহ্নবোৰৰ বিষয়ে

৪৭৮। [পণ্য চিহ্ন] বেপাৰ আৰু পণ্য দ্ৰব্য চিহ্ন অধিনিয়ম, ১৯৫৮ (১৯৫৮ ৰ ৪৩)ৰ ধাৰা ১৩৫ আৰু অনুসূচীৰ দ্বাৰা নিৰসিত (২৫-১১-১৯৫৯ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

**সম্পত্তি চিহ্ন।**

৪৭৯। অস্থাৱৰ সম্পত্তি কোনো বিশেষ ব্যক্তিৰ বুলি বুজোৱাৰ অৰ্থে ব্যৱহাৰ কৰা চিহ্নক সম্পত্তি চিহ্ন বুলি কোৱা হয়।

৪৮০। [মিথ্যা পণ্য চিহ্ন ব্যৱহাৰ কৰা] - বেপাৰ আৰু পণ্য দ্ৰব্য চিহ্ন অধিনিয়ম, ১৯৫৮ (১৯৫৮ ৰ ৪৩), ধাৰা ১৩৫ আৰু অনুসূচীৰ দ্বাৰা নিৰসিত (২৫-১১-১৯৫৯ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭, আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২। ১৮৯৫ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৪, দ্বাৰা সংযুক্ত কৰা হৈছে।

৩। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ১৭ৰ দ্বাৰা দস্তাবেজৰ স্থানত প্ৰতিস্থাপিত, (২০০০ৰ ২১নং অধিনিয়ম)।

৪। ১৮৯৯ চনৰ ৪নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা মূল শীৰ্ষক আৰু ধাৰা সমূহ ৪৭৮ ৰ পৰা ৪৮৯ লৈ বাবে প্ৰতিস্থাপিত।

৫। ১৯৫৮ চনৰ ৪৩নং অধিনিয়মৰ ধাৰা ১৩৫ আৰু অনুসূচীৰ দ্বাৰা "বেপাৰ" শব্দটো লোপ কৰা হৈছে (২৫-১১-১৯৫৯ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

**মিথ্যা চিহ্ন ব্যৱহাৰ কৰা।**

৪৮১। যিয়ে, কোনো অৱস্থাৰ সম্পত্তি বা মাল বস্তু, বা অস্থাৱৰ সম্পত্তি বা মালবস্তু থোৱা কোনো বাকচ, টোপোলা বা অন্যপাত্ৰ এনেদৰে চিহ্নিত কৰে বা ইয়াৰ ওপৰত চিহ্ন থকা কোনো বাকচ, টোপোলা বা অন্যপাত্ৰ এনেদৰে ব্যৱহাৰ কৰে, যিটোৱে এই নিমিত্তে যুক্তিযুক্ত ভাবে, তেনেদৰে চিহ্নিত সম্পত্তি বা মালবস্তু বা তেনেদৰে চিহ্নিত পাত্ৰত থোৱা সম্পত্তি বা মালবস্তু এনে এজন ব্যক্তিৰ হয় বুলি বিশ্বাস জন্মাব পাৰে, যিবোৰ সেইজন ব্যক্তিৰ নহয়, তেওঁ এটা মিথ্যা সম্পত্তি চিহ্ন ব্যৱহাৰ কৰা বুলি কোৱা হয়।

**মিথ্যা সম্পত্তি চিহ্ন ব্যৱহাৰ কৰাৰ বাবে দণ্ড।**

৪৮২। যিয়ে, কোনো [1]x x x মিথ্যা সম্পত্তি চিহ্ন জাল কৰে, যদিহে তেওঁ প্ৰমাণ নকৰে যে তেওঁ প্ৰৱঞ্চনা কৰাৰ অভিপ্ৰায় বিনা কাৰ্য্য কৰিছিল, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে, দণ্ডিত হব।

**আন এজনে ব্যৱহাৰ কৰা সম্পত্তি চিহ্ন জালকৰণ।**

৪৮৩। যিয়ে, এনে কোনো [2]x x x সম্পত্তি চিহ্ন জাল কৰে, যিটো আন এজন ব্যক্তিয়ে ব্যৱহাৰ কৰিছিল, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে, দণ্ডিত হব।

**কোনো লোকসেৱকে ব্যৱহাৰ কৰা চিহ্ন জালকৰণ।**

৪৮৪। যিয়ে, লোক সেৱকে ব্যৱহাৰ কৰা কোনো সম্পত্তি চিহ্ন বা কোনো সম্পত্তি এজন বিশেষ ব্যক্তিৰ দ্বাৰা, বা এটা বিশেষ সময়ত, বা ঠাইত কৰা হৈছে বুলি বুজাবলৈ বা সম্পত্তিটো এটা নিৰ্দ্দিষ্ট গুণবিশিষ্ট বা এটা নিৰ্দ্দিষ্ট কাৰ্য্যালয়েৰে পাৰ হৈছে, বা ই কোনো ৰেহাইৰ বাবে হকদাৰ বুলি বুজাবলৈ, লোকসেৱক এজনৰ দ্বাৰা ব্যৱহাৰ কৰা কোনো চিহ্ন জাল কৰে, বা এইটো জাল কৰা বুলি জানিও এনে কোনো চিহ্ন আচল বুলি ব্যৱহাৰ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**সম্পত্তি চিহ্ন জাল কৰাৰ বাবে কোনো সঁজুলি তৈয়াৰ কৰা বা দখলত ৰখা।**

[3][৪৮৫। যিয়ে, সম্পত্তি চিহ্ন জাল কৰাৰ উদ্দেশ্যে কোনো সাঁচ, ফলি, বা আন সঁজুলি, তৈয়াৰ কৰে, বা তেওঁৰ দখলত ৰাখে, বা এনে এটা সম্পত্তি চিহ্ন তেওঁৰ দখলত ৰাখে যিটোৱে দেখুৱায় যে কোনো সম্পত্তি এনে এজন ব্যক্তিৰ, যাৰ সেইবোৰ নহয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব।]

**জাল সম্পত্তি চিহ্নেৰে চিহ্নিত মালবস্তু বিক্ৰী কৰা।**

৪৮৬। [4][যিয়েই, কোনো মাল বা বস্তু, স্বয়ং তাৰ ওপৰত বা এনে মাল ৰখা কোনো এনে বাকচ, টোপোলা বা অন্য পাত্ৰত কোনো জাল সম্পত্তি চিহ্ন ৰাখে বা ছপাই বিক্ৰী কৰে, বা বিক্ৰীৰ বাবে প্ৰদৰ্শন কৰে বা নিজৰ দখলত ৰাখে] যদিহে তেওঁ প্ৰমাণ নকৰে—

(ক) যে এই ধাৰাৰ বিৰুদ্ধে অপৰাধ এটা নকৰিবলৈ সকলো যুক্তি যুক্ত সাৱধানতা অৱলম্বন কৰিও অভিকথিত অপৰাধটো সংঘটিত কৰাৰ সময়ত, চিহ্নটো আচল হোৱা সম্বন্ধে সন্দেহ কৰিবলৈ তেওঁৰ কোনো কাৰণ নাছিল; আৰু

(খ) যে, অভিযোজকৰ দ্বাৰা, বা তেওঁৰ হকে দাবী কৰাত তেওঁ তেনে মাল বা বস্তুবোৰ কাৰ পৰা লাভ কৰিছিল, তেওঁলোকৰ সম্বন্ধে তেওঁ তেওঁৰ ক্ষমতাত থকা সকলোবোৰ তথ্য দিছিল ; আৰু

(গ) যে, অন্যথা তেওঁ নিৰ্দোষভাৱে কাৰ্য্য কৰিছিল, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে, দণ্ডিত হব।

---

১। ১৯৫৮ চনৰ ৪৩ নং অধিনিয়মৰ ধাৰা ১৩৫ আৰু অনুসূচীৰ "কোনো মিথ্যা বেপাৰ চিহ্ন বা" শব্দসমূহ লোপ কৰা হৈছে (২৫-১১-১৯৫৯ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২। একে অধিনিয়মৰ ধাৰা ১৩৫ আৰু অনুসূচীৰ দ্বাৰা "বেপাৰ চিহ্ন বা" শব্দসমূহ লোপ কৰা হৈছে (২৫-১১-১৯৫৯ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৩। ১৯৫৮ চনৰ ৪৩ নং অধিনিয়মৰ ধাৰা ১৩৫ আৰু অনুসূচীৰ দ্বাৰা মূল ধাৰাৰ বাবে প্ৰতিস্থাপিত (২৫-১১-১৯৫৯ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৪। একে অধিনিয়মৰ ধাৰা ১৩৫ আৰু অনুসূচীৰ দ্বাৰা নিৰ্দ্দিষ্ট শব্দসমূহৰ বাবে প্ৰতিস্থাপিত (২৫-১১-১৯৫৯ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

**মালবস্তু অন্তৰ্বিষ্ট কোনো পাত্ৰৰ ওপৰত মিথ্যা চিহ্ন দিয়া।**

৪৮৭। যিয়ে, কোনো বাকচ, টোপোলা বা বস্তু অন্তৰ্বিষ্ট আন পাত্ৰৰ ওপৰত এনে ধৰণে কোনো মিথ্যা চিহ্ন দিয়ে, যিটোৱে কোনো লোকসেৱকক বা অন্য কোনো ব্যক্তিক যুক্তিযুক্ত ভাবে বিশ্বাস জন্মাব পাৰে বুলি ধৰি লব পাৰে, যে তেনে পাত্ৰটোত এনেবোৰ বস্তু অন্তৰ্বিষ্ট, যিবোৰ ইয়াত অন্তৰ্বিষ্ট নহয়, বা ইয়াত অন্তৰ্বিষ্ট নোহোৱা বস্তুবোৰ ইয়াত অন্তৰ্বিষ্ট, বা এনে পাত্ৰত অন্তৰ্বিষ্ট বস্তুবোৰ এনে এটা প্ৰকৃতিৰ বা এনে গুণ বিশিষ্ট যিটো তাৰ আচল প্ৰকৃতি বা গুণৰ পৰা পৃথক যদিহে তেওঁ প্ৰমাণ নকৰে যে তেওঁ প্ৰৱঞ্চনা কৰাৰ অভিপ্ৰায় বিনা কাৰ্য্য কৰিছিল, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসলে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনালৈ, বা উভয়লৈ দণ্ডিত হব।

**এনে কোনো মিথ্যা চিহ্ন ব্যৱহাৰ কৰাৰ বাবে দণ্ড।**

৪৮৮। যিয়ে, এনে কোনো মিথ্যা চিহ্ন অন্তিম পূৰ্বগামী ধাৰাটোত নিষিদ্ধ কৰা যিকোনো এটা ধৰণে ব্যৱহাৰ কৰে, যদিহে, তেওঁ প্ৰমাণ নকৰে যে তেওঁ প্ৰৱঞ্চনা কৰাৰ অভিপ্ৰায় বিনা কাৰ্য্য কৰিছিল, তেন্তে এনেদৰে দণ্ডিত হব যেন তেওঁ সেই ধাৰাটোৰ বিৰুদ্ধে অপৰাধ এটাহে সংঘটিত কৰিছিল।

**অনিষ্টকৰাৰ অভিপ্ৰায়েৰে সম্পত্তি চিহ্নৰ হস্তক্ষেপ কৰা।**

৪৮৯। যিয়েই, সম্পত্তি চিহ্ন এই অভিপ্ৰায়েৰে বা তাৰ দ্বাৰা কোনো ব্যক্তিৰ অনিষ্ট কৰা সম্ভাব্য বুলি জানিও কোনো সম্পত্তি চিহ্ন অপসাৰণ কৰে, নষ্ট কৰে, বিকৃত কৰে বা তাত কিছু সংযোজন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসলৈ, যাৰ অৱধি একবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনালৈ বা উভয়লৈ দণ্ডিত হব।

### [1][কাৰেন্সী নোট আৰু বেঙ্ক নোটৰ বিষয়ে

**কাৰেন্সী নোট বা বেঙ্ক নোটৰ জালকৰণ।**

৪৮৯ ক। যিয়ে, কোনো কাৰেন্সী নোট বা বেঙ্ক নোট জাল কৰে বা জানি শুনি জাল কৰা প্ৰক্ৰিয়াৰ কোনো ভাগ সম্পাদিত কৰে, তেওঁ [2][আজীৱন কাৰাবাস] লৈ বা দুই প্ৰকাৰৰ এটা কাৰাবাসলৈ, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - এই ধাৰাৰ আৰু ৪৮৯ খ, [3][৪৮৯ গ, ৪৮৯ ঘ, আৰু ৪৮৯ ঙ,] ধাৰাবোৰৰ প্ৰয়োজনাৰ্থে বেঙ্ক নোট অভিব্যক্তিয়ে বাহকক দাবী কৰা মাত্ৰে ধন আদায় দিবৰ বাবে এখন বচন পত্ৰ বা বচন বন্ধক বুজায় যি পৃথিৱীৰ যি কোনো ভাগৰ বেঙ্ক ব্যৱসায় চলোৱা কোনো ব্যক্তিৰ দ্বাৰা প্ৰচালিত, বা কোনো ৰাজহি বা সম্পূৰ্ণ প্ৰভুত্ব সম্পন্ন শক্তিৰ দ্বাৰা বা ইয়াৰ প্ৰাধিকাৰৰ অধীনত প্ৰচালিত কৰা হৈছে আৰু যি ধনৰ বাবে সমপৰ্য্যায়ত বা বিকল্প হিচাবে ব্যৱহৃত হোৱাৰ বাবে অভিপ্ৰেত বুজায়।

**জাল বা নকলী কাৰেন্সী নোট বা বেঙ্ক নোট আচল হিচাপে ব্যৱহাৰ।**

৪৮৯খ। যিয়ে, কোনো জাল বা নকলী কাৰেন্সী নোট বা বেঙ্ক নোট সেইটো জাল বা নকলীবুলি জানি শুনি বা বিশ্বাস কৰাৰ কাৰণ থকাত কোনো অন্য ব্যক্তিক বিক্ৰী কৰে, বা তেওঁৰ পৰা ক্ৰয় কৰে বা গ্ৰহণ কৰে বা অন্যথাই ব্যৱসায় কৰে বা আচল বুলি ব্যৱহাৰ কৰে, তেওঁ [2][আজীৱন কাৰাবাস] লৈ বা দুই প্ৰকাৰৰ এটা কাৰাবাসলৈ, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**জাল বা নকলী কাৰেন্সী নোট বা বেঙ্ক নোট দখলত ৰখা।**

৪৮৯গ। যিয়ে, কোনো জাল বা নকলী কাৰেন্সী নোট বা বেঙ্কনোট সেইটো জাল বা নকলী বুলি জানি শুনি বা বিশ্বাস কৰাৰ কাৰণ থকাত আৰু সেইটো আচল হিচাপে ব্যৱহাৰ কৰাৰ অভিপ্ৰায়েৰে তেওঁৰ দখলত ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসলৈ, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনালৈ বা উভয়লৈ দণ্ডিত হব।

**কাৰেন্সী নোট বা বেঙ্ক নোট জাল কৰা বা নকল কৰাৰ অৰ্থে কোনো সজুলি বা সামগ্ৰী তৈয়াৰ কৰা বা দখলত ৰখা।**

৪৮৯ ঘ। যিয়ে, কোনো যন্ত্ৰ, সজুলি, বা সামগ্ৰী কাৰেন্সী নোট বা বেঙ্ক নোট জাল বা নকল কৰাৰ অৰ্থে ব্যৱহৃত কৰাৰ উদ্দেশ্যে বা জানি-শুনি বা বিশ্বাস কৰাৰ কাৰণ থকাত তেওঁ কোনো কাৰেন্সী নোট বা বেঙ্ক নোট জাল বা নকল কৰাৰ বাবে ব্যৱহৃত কৰিবলৈ ইয়াক অভিপ্ৰেত কৰা হৈছে, তৈয়াৰ কৰে বা তৈয়াৰ কৰা

---

১। ১৮৯৯ চনৰ ১২ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা সংযুক্ত কৰা হৈছে।

২। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিস্থাপিত।

৩। ১৯৫০ চনৰ ৩৫ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচী ।। ৰ দ্বাৰা "৪৮৯ গ আৰু ৪৮৯ ঘ"ৰ বাবে প্ৰতিস্থাপিত।

প্ৰক্ৰিয়াৰ কোনো ভাগ সম্পাদন কৰে, ক্ৰয় কৰে, বিক্ৰী কৰে বা বাহনিত কৰে, তেওঁ [1][আজীৱন কাৰাবাস]ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।]

**কাৰেন্সী নোট বা বেঙ্ক নোটৰ সাদৃশ্য থকা দস্তাবেজ তৈয়াৰ কৰা বা ব্যৱহাৰ কৰা।**

[2][৪৮৯ঙ। (১) যিয়ে, কোনো দস্তাবেজ যি কাৰেন্সী নোট বা বেঙ্ক নোট বুলি তাৎপৰ্যিত হয় বা কাৰেন্সী নোট বা বেঙ্ক নোটৰ কোনো প্ৰকাৰৰ সাদৃশ্যৰ হয় বা ইমান নিকটতম সাদৃশ্যৰ হয় যে প্ৰৱঞ্চনা কৰাটো প্ৰকল্পিত হয়, তৈয়াৰ কৰে বা তৈয়াৰ কৰোৱায় বা যি কোনো উদ্দেশ্যৰ কাৰণে নহওক কিয় ব্যৱহাৰ কৰে, তেওঁ এশ টকালৈ বিস্তাৰিত হব পৰা জৰিমনাৰে দণ্ডিত হব।

(২) যদি কোনো ব্যক্তিয়ে যাৰ নাম কোনো দস্তাবেজত থাকে, যিখনৰ ৰচনা উপধাৰা ১ৰ অধীনত এটা অপৰাধ, কোনো বিধিসম্মত হেতু নোহোৱাকৈ কোনো আৰক্ষী পদাধিকাৰীয়ে তেনেকৈ অপেক্ষিত কৰা যিজন ব্যক্তিৰ দ্বাৰা ইয়াক মুদ্ৰিত, বা অন্যথাই তৈয়াৰী কৃত হৈছিল, তেনে ব্যক্তিৰ নাম আৰু ঠিকনা দিবলৈ অমান্তি হয়, তেওঁ দুশ টকালৈ বিস্তাৰিত হব পৰা জৰিমনাৰে দণ্ডিত হব।

(৩) যি ক্ষেত্ৰত কোনো দস্তাবেজত, যিখন সম্পৰ্কে কোনো ব্যক্তি উপধাৰা (১)ৰ অধীনত এটা অপৰাধৰ বাবে বা সেই দস্তাবেজ সহ ব্যৱহাৰ কৰা বা বিতৰণ কৰা অন্য কোনো দস্তাবেজৰ সম্বন্ধত দোষাৰোপিত কোনো ব্যক্তিৰ নাম থাকে, যেতিয়ালৈকে বিপৰীতে প্ৰমাণিত নহয়, সেই ব্যক্তিজনে দস্তাবেজখন তৈয়াৰ কৰাইছিল বুলি প্ৰাক্ ধাৰণা কৰিব পাৰে।]

## অধ্যায় - ১৯

### সেৱা সংবিদাৰ আপৰাধিক ভঙ্গৰ বিষয়ে

৪৯০। [সমুদ্ৰ যাত্ৰা বা ভ্ৰমণ কালত সেৱা সংবিদা ভঙ্গ] কৰ্মীৰ সেৱা সংবিদা ভঙ্গ (নিৰসন) অধিনিয়ম, ১৯২৫ (১৯২৫ ৰ ৩)ৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা নিৰসিত।

**নিঃসহায় ব্যক্তিৰ পৰিচৰ্য্যা কৰিবলৈ আৰু অভাৱ পূৰণ কৰিবলৈ কৰা সংবিদা ভঙ্গ।**

৪৯১। যিয়ে, কোনো ব্যক্তিৰ, যিজন যুবাবস্থাৰ কাৰণে বা মনৰ অসুস্থতাৰ কাৰণে, বা ৰোগৰ কাৰণে, বা শাৰীৰিক দুৰ্বলতাৰ কাৰণে, নিঃসহায় হয় বা তেওঁৰ নিজৰ নিৰাপত্তাৰ ব্যৱস্থা কৰিবলৈ বা তেওঁৰ নিজৰ অভাৱপূৰণ কৰিবলৈ অসমৰ্থ, পৰিচৰ্য্যা কৰিবলৈ বা অভাৱবোৰৰ যোগান ধৰিবলৈ বিধিসম্মত সংবিদাৰ দ্বাৰা আবদ্ধ হৈও তেনেকৈ কৰিবলৈ স্বেচ্ছাই ত্ৰুটী কৰে, তেওঁ দুই প্ৰকাৰৰ যি কোনো এটা কাৰাবাসেৰে, যাৰ অৱধি তিনিমাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা দুশ টকালৈকে বিস্তাৰিত হব পৰা এনে জৰিমনাৰে, বা উভয়ৰে, দণ্ডিত হব।

৪৯২। [দূৰ ঠাইত সেৱা কৰাৰ সংবিদা ভঙ্গ, যি ঠাইলৈ সেৱকক মালিকৰ ব্যয়ত লৈ যোৱা হয়] কৰ্মীৰ সেৱা সংবিদা ভঙ্গ (নিৰসন) অধিনিয়ম, ১৯২৫ (১৯২৫ ৰ ৩),ৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা নিৰসিত।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৪৩ চনৰ ৬ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

## অধ্যায় ১৫

### ধৰ্ম সম্পৰ্কীয় অপৰাধবোৰৰ বিষয়ে

**কোনো শ্ৰেণীৰ ধৰ্ম অপমানিত কৰাৰ অভিপ্ৰায়েৰে উপাসনাৰ স্থানৰ ক্ষতি বা অপবিত্ৰ কৰা।**

২৯৫। যিয়ে, কোনো উপাসনাৰ স্থান বা কোনো শ্ৰেণীৰ ব্যক্তিয়ে পবিত্ৰ বুলি মান্য কৰা কোনো বস্তু নষ্ট, ক্ষতিগ্ৰস্ত বা অপবিত্ৰ এই অভিপ্ৰায়েৰে কৰে যে কোনো শ্ৰেণীৰ ব্যক্তিৰ ধৰ্মৰ তাৰ দ্বাৰা অপমান কৰা হয় বা এইটো সম্ভাব্য বুলি জানি কৰে যে কোনো শ্ৰেণীৰ ব্যক্তিয়ে এনে নাশ, ক্ষতি বা অপবিত্ৰ কৰাটো নিজৰ ধৰ্মৰ প্ৰতি অপমান বুলি বিবেচনা কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

**ইচ্ছাকৃত আৰু বিদ্বেষপূৰ্ণ কাৰ্য্য যিকোনো শ্ৰেণীৰ ধৰ্ম বা ধৰ্মীয় বিশ্বাসৰ অপমানৰ দ্বাৰা ইয়াৰ ধৰ্মীয় অনুভূতি আহত কৰাৰ অভিপ্ৰায়েৰে কৰা হৈছে।**

[1][২৯৫ক। যিয়েই, [2][ভাৰতৰ নাগৰিক সমূহৰ] কোনো শ্ৰেণীৰ ধৰ্মীয় অনুভূতি আহত কৰাৰ ইচ্ছাকৃত আৰু বিদ্বেষপূৰ্ণ অভিপ্ৰায়েৰে সেই শ্ৰেণীৰ ধৰ্ম বা ধৰ্মীয় বিশ্বাসৰ অপমান [3][হয়, কথিত বা লিখিত শব্দৰ দ্বাৰা বা সংকেতৰ দ্বাৰা বা দৃশ্যৰূপনৰ দ্বাৰা বা অন্যথা] কৰে বা কৰাৰ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি [4][তিনি বছৰলৈ] বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**ধৰ্মীয় সমাবেশ বিঘ্নিত কৰা।**

২৯৬। যিয়েই, ধৰ্মীয় উপাসনা বা ধৰ্মীয় উৎসৱত বৈধৰূপে ৰত থকা কোনো সমাবেশত স্বেচ্ছাই বিঘ্নিত কৰায় তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

**সমাধি স্থান ইত্যাদিৰ ওপৰত অনধিকাৰ প্ৰৱেশ।**

২৯৭। যিয়েই, কোনো উপাসনাৰ স্থানত বা কোনো সমাধিস্থানত বা অন্ত্যেষ্টি ক্ৰিয়াৰ বাবে বা মৃতকৰ অৱশেষৰ নিমিত্তে নিক্ষেপ স্থান ৰূপে আচুতীয়াকৈ ৰখা কোনো স্থানত অনধিকাৰ প্ৰৱেশ বা কোনো মানৱ শৱৰ অসম্মান বা অন্ত্যেষ্টি ক্ৰিয়াৰ কাৰণে সমবেত কোনো ব্যক্তিক বিঘ্নিত এই অভিপ্ৰায়েৰে কৰে যে কোনো ব্যক্তিৰ অনুভূতিত আঘাত কৰে বা কোনো ব্যক্তিৰ ধৰ্মৰ অপমান কৰে বা এইটো সম্ভাব্য বুলি জানি কৰে যে তাৰ দ্বাৰা কোনো ব্যক্তিৰ অনুভূতিত আঘাত কৰিব বা ধৰ্মৰ অপমান কৰিব,

তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

**ধৰ্মীয় অনুভূতিৰ আঘাত কৰাৰ ইচ্ছাকৃত অভিপ্ৰায়েৰে শব্দ উচ্চাৰিত কৰা ইত্যাদি।**

২৯৮। যিয়ে, কোনো ব্যক্তিৰ ধৰ্মীয় অনুভূতিত আঘাত কৰাৰ ইচ্ছাকৃত অভিপ্ৰায়সহ সেই ব্যক্তিয়ে শুনাকৈ কোনো শব্দ, উচ্চাৰিত কৰে, বা কোনো শব্দ কৰে, বা সেই ব্যক্তিৰ দৃষ্টি গোচৰতাত কোনো অংগী ভংগি কৰে, বা কোনো বস্তু ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

---

১। ১৯২৭ চনৰ ২৫ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

২। অনুকূলন আদেশ, ১৯৫০ ৰ "হিজ মেজেষ্টিৰ প্ৰজা" ৰ বাবে প্ৰতিস্থাপিত।

৩। ১৯৬১ চনৰ ৪১ নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট শব্দৰ বাবে প্ৰতিস্থাপিত।

৪। উপৰোক্ত অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা "দুবছৰ" ৰ বাবে প্ৰতিস্থাপিত।

## অধ্যায় - ১৬

### মানৱ শৰীৰৰ উপৰত প্ৰভাৱ পেলোৱা অপৰাধবোৰৰ বিষয়ে
### জীৱনৰ উপৰত প্ৰভাৱ পেলোৱা অপৰাধ বোৰৰ বিষয়ে

দোষাবহ নৰবধ।

২৯৯। যিয়ে, মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে বা মৃত্যু ঘটোৱাৰ সম্ভাৱনা থকা এনে শাৰীৰিক ক্ষতি ঘটোৱাৰ অভিপ্ৰায়েৰে বা তেনে কাৰ্যৰ দ্বাৰা যে তেওঁ মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে এনে জ্ঞানেৰে কোনো কাৰ্য্য কৰি মৃত্যু ঘটায়, তেওঁ দোষাবহ নৰবধৰ অপৰাধটো সংঘটিত কৰে।

**দৃষ্টান্ত সমূহ**

(ক) "ক" ই গাঁত এটাৰ উপৰত খুটি আৰু ঘাঁহ থকা চপৰা এই অভিপ্ৰায়েৰে ৰাখিলে যাতে তাৰ দ্বাৰা মৃত্যু ঘটিত হয় বা এই জ্ঞানেৰে ৰাখিলে যে তাৰ দ্বাৰা মৃত্যু ঘটোৱা সম্ভাব্য। "জ" ই ভূমি দৃঢ় বুলি বিশ্বাস কৰি ইয়াৰ ওপৰেদি খোজ কাঢ়িলে, ভিতৰত পৰিল আৰু তেওঁৰ মৃত্যু ঘটোৱা হ'ল। "ক" ই দোষাবহ নৰবধৰ অপৰাধটো সংঘটিত কৰিলে।

(খ) "ক" ই "জ" ক এটা জোপোহাৰ পিছ পিনে থকা বুলি জানে। "খ" ই এইটো নাজানে। "ক" ই "জ" ৰ মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে বা এইটো জানি যে তাৰ দ্বাৰা "জ" ৰ মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, "খ" ক জোপোহাটোলৈ গুলী কৰিবলৈ উৎপ্ৰেৰিত কৰিলে। "খ" ই গুলী কৰিলে আৰু "জ" ৰ মৰণ ঘটালে। ইয়াত "খ" কোনো এটা অপৰাধৰ বাবে দোষী নহব পাৰে, কিন্তু "ক" ই দোষাবহ নৰবধৰ অপৰাধটো সংঘটিত কৰিলে।

(গ) "ক" ই এটা কুকুৰাক মৰা আৰু চুৰি কৰাৰ অভিপ্ৰায়েৰে গুলী কৰি এটা জোপোহাৰ পিছ পিনে থকা "খ"ৰ মৰণ ঘটালে, তেওঁ কিন্তু "খ" তাত আছিল "ক"ই ইয়াক নাজানিছিল, যদিও "ক" ই এটা বিধি বিৰুদ্ধ কাৰ্য্য কৰি আছিল, তেওঁ দোষাবহ নৰবধৰ বাবে দোষী নহয়, যিহেতু তেওঁ "খ" ৰ মৰণ ঘটোৱা বা মৃত্যু ঘটোৱা সম্ভাব্য বুলি জনা এনে কোনো কাৰ্য্য কৰি মৃত্যু ঘটোৱাৰ অভিপ্ৰায় কৰা নাছিল।

**স্পষ্টীকৰণ ১**- কোনো ব্যক্তি যিজনে আন এজনক যিজনে কোনো অসুখ, ৰোগ বা শাৰীৰিক অক্ষমতাত ভুগি আছে, শাৰীৰিক ক্ষতি কৰে আৰু তাৰ দ্বাৰা সেই অন্যজনৰ মৃত্যু ত্বৰান্বিত কৰে, তেওঁ তেওঁৰ মৃত্যু ঘটোৱা বুলি গণ্য হব।

**স্পষ্টীকৰণ ২**- যি ক্ষেত্ৰত শাৰীৰিক ক্ষতিৰ দ্বাৰা মৃত্যু ঘটোৱা হয়, সেই ব্যক্তিজন, যিজনে তেনে শাৰীৰিক ক্ষতি কৰে, তেওঁ মৃত্যু ঘটোৱা বুলি গণ্য হব, যদিওবা যথোচিত প্ৰতিকাৰ গ্ৰহণ কৰি আৰু কৌশল পূৰ্ণ চিকিৎসাৰ জৰিয়তে মৃত্যু নিবাৰণ কৰিব পৰা গ'লহেতেন।

**স্পষ্টীকৰণ ৩**- মাতৃ গৰ্ভস্থিত শিশুৰ মৃত্যু ঘটোৱাটো নৰবধ নহয়। কিন্তু কোনো জীৱিত শিশুৰ মৃত্যু ঘটোৱাটো দোষাবহ নৰবধৰ পৰ্য্যায়ত আহিব পাৰে যদি সেই শিশুৰ কিছু অংশ বাহিৰ কৰি উলিয়াই অনা হয় যদিওবা শিশুটোৱে নিশ্বাস নললেহেতেন বা ইয়াৰ সম্পূৰ্ণ ৰূপে জন্ম নহ'লহেতেন।

হত্যা।

৩০০। এতৎপশ্চাতে বাদ দিয়া ক্ষেত্ৰবোৰৰ ব্যতিৰেকে অন্যবোৰ ক্ষেত্ৰত দোষাবহ নৰবধ হত্যা হ'ব যদিহে মৃত্যু ঘটোৱা কাৰ্য্যটো মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে কৰা হয়, বা

দ্বিতীয়তে - যদি এইটো এনে শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়েৰে কৰা হয় যাৰ দ্বাৰা অপৰাধীজনে জানে যে যিজনৰ প্ৰতি অনিষ্টটো কৰা হৈছে, তেওঁৰ মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, বা

তৃতীয়তে - যদিহে এইটো কোনো এজন ব্যক্তিৰ শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়েৰে কৰা হয় আৰু কৰিবলৈ অভিপ্ৰেত শাৰীৰিক ক্ষতিটো প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত মৃত্যু ঘটাবলৈ পৰ্য্যাপ্ত হয়, বা

চতুৰ্থতে - কাৰ্যটো কৰা ব্যক্তিজনে এইটো জানে যে এইটো এনে ধৰণৰ আসন্ন ভাৱে বিপদজনক যে এই কাৰ্য্যটোৱে সম্পূৰ্ণ সম্ভাব্য ভাৱে মৃত্যু ঘটাব বা এনে শাৰীৰিক ক্ষতি কৰিব যিটোৱে মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, আৰু তেওঁ মৃত্যু ঘটোৱা বা পূৰ্বোক্ত মতে ক্ষতি কৰাৰ বিপদশঙ্কাৰ সন্মুখীন হবলৈ কোনো উপযুক্ত কাৰণ বিনা কাৰ্য্য কৰে।

**দৃষ্টান্ত সমূহ**

(ক) "ক" ই "জ"ৰ মৰণ ঘটোৱাৰ অভিপ্ৰায়েৰে তেওঁক গুলীয়ালে। ফল স্বৰূপে "জ" ৰ মৃত্যু হ'ল। "ক" ই হত্যা সংঘটিত কৰিলে।

(খ) "ক" ই এইটো জানে যে "জ" ই এনে অসুখত ভুগি আছে যে এইটো সম্ভাব্য যে এটা ভুকুৱেই তেওঁৰ মৃত্যু ঘটাব পাৰে, তেওঁক শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়েৰে কোব মাৰিলে। সেই ভুকুটোৰ ফলস্বৰূপে "জ" ৰ মৃত্যু হ'ল। "ক" হত্যাৰ বাবে দোষী, যদিও ভুকুটো প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত এজন সুস্বাস্থ্যৰ ব্যক্তিৰ মৃত্যু ঘটোৱাটো পৰ্য্যাপ্ত নহলহেঁতেন। কিন্তু যদি "ক" ই "জ" যে অসুখত ভুগি আছে সেইটো নজনাকৈয়ে তেওঁক এনে এটা ভুকু দিয়ে যিটোৱে প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত এজন সুস্বাস্থ্যৰ ব্যক্তিৰ মৃত্যু নঘটালেহেঁতেন।

এই ক্ষেত্ৰত, যদিও "ক" ৰ শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়, তথাপিও, "ক" হত্যাৰ বাবে দোষী নহয়, যদিহে তেওঁৰ মৃত্যু ঘটোৱা বা এনে শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায় নাই, যিটোৱে প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত এজন সুস্বাস্থ্যৰ ব্যক্তিৰ মৃত্যু ঘটায়।

(গ) "ক" ই "জ" ক অভিপ্ৰায়েৰে তৰোৱালৰ আঘাত বা দণ্ডাঘাত দিলে যি প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত এজন মানুহৰ মৃত্যু ঘটাব পৰাকৈ পৰ্য্যাপ্ত, ফলস্বৰূপে "জ" ৰ মৃত্যু হ'ল। এই ক্ষেত্ৰত "ক" হত্যাৰ বাবে দোষী, যদিওবা "জ" ৰ মৃত্যু ঘটোৱাটো তেওঁৰ অভিপ্ৰায় নহব পাৰে।

(ঘ) "ক" ই কোনো উপযুক্ত কাৰণ নোহোৱাকৈ গুলীভৰা কামান এজাক মানুহৰ ওপৰত চলালে আৰু তেওঁলোকৰ এজনৰ মৃত্যু ঘটালে। "ক" হত্যাৰ বাবে দোষী, যদিওবা তেওঁৰ কোনো এজন নিৰ্দিষ্ট মানুহক বধ কৰাৰ পূৰ্ব্ব সংকল্পিত অভিসন্ধি নাথাকিব পাৰে।

**ব্যতিক্ৰম ১ — দোষাবহ নৰবধ কেতিয়া হত্যা নহয়** - দোষাবহ নৰবধ হত্যা নহয় যদিহে অপৰাধীজনে গম্ভীৰ আৰু আচম্বিত প্ৰকোপনৰ বশবৰ্ত্তী হৈ আত্ম সংযমৰ শক্তিৰ পৰা বঞ্চিত হৈ অন্য কোনো এজন ব্যক্তিৰ যিজনে প্ৰকোপনটো দিছিল, মৃত্যু, ভুল বা দুৰ্ঘটনা ক্ৰমে ঘটায়।

ওপৰৰ ব্যতিক্ৰমটো নিম্নোক্ত পৰন্তুক সমূহৰ সাপেক্ষে হব :-

**প্ৰথম** — যে প্ৰকোপনটো কোনো ব্যক্তিক বধ কৰাৰ বা অনিষ্ট কৰাৰ বাবে এটা উপযুক্ত কাৰণ ৰূপে অপৰাধীজনৰ দ্বাৰা বিচৰা হোৱা নাই বা স্বেচ্ছাই প্ৰকোপিত হোৱা নাই।

**দ্বিতীয়** — যে প্ৰকোপনটো বিধি পালন ক্ৰমে কোনো কাৰ্য্যকৰণৰ দ্বাৰা বা কোনো লোক সেৱকৰ দ্বাৰা তেনে লোক সেৱকৰ ক্ষমতাৰ বিধি সম্মত প্ৰয়োগত দিয়া হোৱা নাই।

**তৃতীয়** — যে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ বিধি সম্মত প্ৰয়োগত কোনো কাৰ্য্য কৰাৰ দ্বাৰা প্ৰকোপন দিয়া হোৱা নাই।

**স্পষ্টীকৰণ** — প্ৰকোপনটো হত্যাৰ পৰ্য্যায়ৰ অপৰাধ হোৱাটো নিবাৰণ কৰিব পৰাকৈ গম্ভীৰ আৰু আচম্বিত আছিল নে নাই সেইটো এটা তথ্যৰ প্ৰশ্ন।

### দৃষ্টান্ত সমূহ

(ক) "ক" ই "জ" ৰ দ্বাৰা দিয়া হোৱা প্ৰকোপনৰ দ্বাৰা উত্তেজিত হোৱা আবেগৰ বশৱৰ্তী হৈ "জ" ৰ সন্তান "স্ব" ক অভিপ্ৰায়সহ বধ কৰিলে। এইটো এটা হত্যা, যিহেতু প্ৰকোপনটো শিশুটোৰ দ্বাৰা দিয়া হোৱা নাছিল আৰু শিশুটোৰ মৃত্যু সেই প্ৰকোপনৰ দ্বাৰা কোনো কাৰ্যকৰণত দুৰ্ঘটনা বা দুৰ্দশা ক্ৰমে হোৱা নাছিল।

(খ) "স্ব" ই "ক" ক গম্ভীৰ আৰু আচম্বিত প্ৰকোপন দিলে, এই প্ৰকোপনত তেওঁৰ ওচৰত অদৃশ্য হৈ থকা "জ" ক হত্যা কৰাৰ অভিপ্ৰায় নথকাকৈ বা তেওঁক বধ কৰিব পাৰে বুলি তেওঁ নিজে নজনাকৈ "ক" ই "স্ব" ৰ ওপৰত পিষ্টল চলালে। "ক" ই "জ" ক বধ কৰিলে। এই ক্ষেত্ৰত "ক" ই হত্যা সংঘটিত কৰা নাই, কিন্তু মাত্ৰ দোষাবহ নৰবধহে কৰিলে।

(গ) "ক" ক ন্যায়ৰক্ষী "জ" ৰ দ্বাৰা বিধি সম্মত ভাবে গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰ কৰাৰ ফলত "ক" আচম্বিত আৰু প্ৰচণ্ড আবেগত উত্তেজিত হৈ পৰিল আৰু "জ" ক বধ কৰিলে। এইটো এটা হত্যা, কাৰণ প্ৰকোপনটো এজন লোক সেৱকৰ দ্বাৰা তেওঁৰ ক্ষমতাৱলীৰ প্ৰয়োগত কৰা এটা কাৰ্য্যৰ দ্বাৰা দিয়া হৈছিল।

(ঘ) "ক" ই এজন দণ্ডাধীশ "জ" ৰ সন্মুখত সাক্ষী হিচাবে হাজিৰ হৈছে। "জ" ই কলে যে তেওঁ "ক" ৰ অভিসাক্ষ্যৰ এটা কথাও বিশ্বাস নকৰে, আৰু যে "ক" ই নিজে মিছা সাক্ষ্য দিছে। এই কথাবোৰৰ দ্বাৰা "ক" আচম্বিত আবেগগ্ৰস্থ হৈ পৰিল আৰু "জ" ক বধ কৰিলে। এইটো হত্যা।

(ঙ) "ক" ই "জ" ৰ নাকটো টানিবলৈ প্ৰয়াস কৰিলে। "জ" ই ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ প্ৰয়োগত "ক" ক তেওঁক এইটো কৰাত বাধা দিবলৈ ধৰি ললে। ফলস্বৰূপে "ক" আচম্বিত আৰু প্ৰচণ্ড আবেগ গ্ৰস্থ হৈ পৰিল আৰু "জ" ক বধ কৰিলে। এইটো হত্যা। যিহেতু প্ৰকোপনটো ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ প্ৰয়োগত কৰা এটা কাৰ্য্যৰ দ্বাৰা দিয়া হৈছিল।

(চ) "জ" ই "খ" ক কোবালে। এই প্ৰকোপনৰ দ্বাৰা "খ" প্ৰচণ্ড খঙত উত্তেজিত হৈ পৰিল। বাটৰুৱা "ক" ই "খ" ৰ খঙৰ সুবিধা লবৰ আৰু তেওঁৰ দ্বাৰা "জ" ক বধ কৰাবৰ অভিপ্ৰায়েৰে, সেই উদ্দেশ্যে "ক" ৰ হাতত এখন কটাৰী তুলি দিলে। কটাৰী খনৰ দ্বাৰা "খ" ই "জ" ক বধ কৰিলে। এই ক্ষেত্ৰত "খ"ই কেৱল দোষাবহ নৰবধহে কৰিব পাৰে, কিন্তু "ক" হত্যাৰ বাবে দোষী।

**ব্যতিক্ৰম** ২ — দোষবহ নৰবধ হত্যা নহয়, যদিহে অপৰাধীজনে, শৰীৰ বা সম্পত্তিৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ সদবিশ্বাসত প্ৰয়োগ কৰি, বিধিৰ দ্বাৰা তেওঁক দিয়া ক্ষমতা অতিক্ৰম কৰে আৰু সেই ব্যক্তিজনৰ যিজনৰ বিৰুদ্ধে তেওঁ তেনে অধিকাৰ প্ৰয়োগ কৰি আছে পূৰ্ব পৰিকল্পনা বিনা, আৰু তেনে প্ৰতিৰক্ষাৰ বাবে যিমান থিনি যথেষ্ট তাতকৈ অধিক অনিষ্ট কৰাৰ অভিপ্ৰায় বিনা মৃত্যু ঘটায়।

### দৃষ্টান্ত

"জ" ই "ক" ক চাবুক মাৰিবলৈ প্ৰয়াস কৰিলে, কিন্তু "ক" ক কোনো গুৰুতৰ আঘাত দিয়া ধৰণে নহয়। "ক" ই এটা পিষ্টল উলিয়ালে। "জ" ই অত্যাঘাত চলায়েই থাকিল। "ক" ই এনেদৰে সদ্‌ভাৱপূৰ্বক বিশ্বাস কৰি যে তেওঁ আন কোনো প্ৰকাৰে নিজকে চাবুকাঘাতৰ পৰা ৰক্ষা কৰিব নোৱাৰে "জ" ক গুলীয়াই তেওঁৰ মৃত্যু ঘটালে। "ক" ই হত্যা কৰা নাই কিন্তু কেৱল দোষাবহ নৰবধহে কৰিছে।

**ব্যতিক্ৰম** ৩ — দোষাবহ নৰবধ হত্যা নহয়, যদিহে অপৰাধীজনে, নিজে এজন লোক সেৱক হৈ বা লোক ন্যায়ৰ অগ্ৰসৰতাৰ বাবে কাৰ্য্য কৰা এজন লোক সেৱকক সহায়তা কৰি, বিধিৰ দ্বাৰা তেওঁক প্ৰদত্ত ক্ষমতা অতিক্ৰম কৰে আৰু এনে এটা কাৰ্য্য কৰি যিটো বিধি সন্মত আৰু তেনে লোক সেৱক জনে তেওঁৰ কৰ্তব্যৰ সম্যক পালনৰ বাবে আৱশ্যকীয় বুলি সদভাৱপূৰ্বক বিশ্বাস কৰে আৰু যিজনৰ ব্যক্তিৰ মৃত্যু ঘটোৱা হৈছে তেওঁৰ প্ৰতি কোনো বিদ্বেষ ভাব নোহোৱাকৈ মৃত্যু ঘটায়।

**ব্যতিক্ৰম** ৪ — দোষাবহ নৰবধ হত্যা নহয় যদিহে এইটো পূৰ্ব পৰিকল্পনা বিনা হঠাতে হোৱা

এখন কাজিয়াৰ ফলত তীব্ৰ আবেগৰ বশবৰ্তী হৈ হঠাতে মৰামৰি কৰি আৰু অপৰাধী জনৰ দ্বাৰা অন্যায় সুবিধা গ্ৰহণ নকৰাকৈ বা নিষ্ঠুৰ বা অসাধাৰণ ধৰণে কাৰ্য্য নকৰাকৈ, কৰা হয়।

**স্পষ্টীকৰণ** - এনেবোৰ ক্ষেত্ৰত কোনটো পক্ষই প্ৰকোপন দিছে বা প্ৰথম অভ্যাঘাত কৰিছে সেইটো অপ্ৰয়োজনীয়।

**ব্যতিক্ৰম ৫** — দোষাবহ নৰবধ হত্যা নহয় যেতিয়া সেই ব্যক্তিজন যিজনৰ মৃত্যু ঘটোৱা হৈছে, ওঠৰ বছৰৰ অধিক বয়সৰ হৈ নিজৰ সম্মতিক্ৰমে মৃত্যু ভোগ কৰে বা মৃত্যুৰ বিপদাশঙ্কা লয়।

**দৃষ্টান্ত**

"ক" ই প্ৰৰোচনা দি ওঠৰ বছৰ বয়সৰ তলৰ ব্যক্তি এজন "জ" ক, স্বেচ্ছাই আত্মহত্যা কৰালে। এই ক্ষেত্ৰত "জ" ৰ কম বয়সৰ কাৰণে, তেওঁ তেওঁৰ নিজৰ মৃত্যুৰ বাবে সম্মতি দিবলৈ অসমৰ্থ আছিল, গতিকে "ক" ই হত্যাৰ অপপ্ৰেৰণা দিলে।

**যি জন ব্যক্তিৰ মৃত্যু ঘটোৱা অভিপ্ৰায় আছিল সেইজনৰ বাহিৰে আন ব্যক্তিৰ মৃত্যু ঘটোৱাৰ দ্বাৰা দোষাবহ নৰবধ।**

৩০১। যদি কোনো ব্যক্তিয়ে কোনো এনে কাৰ্য্য কৰি যাৰ দ্বাৰা তেওঁৰ অভিপ্ৰায় মৃত্যু ঘটোৱা বা যাৰ দ্বাৰা মৃত্যু ঘটোৱা সম্ভাব্য বুলি তেওঁ জানে, কোনো ব্যক্তিৰ মৃত্যু ঘটায়, যিজনৰ মৃত্যু ঘটোৱা তেওঁৰ অভিপ্ৰায় নহয় নাইবা তেওঁৰ মৃত্যু ঘটোৱা সম্ভাব্য বুলি তেওঁ নাজানে, দোষাবহ নৰবধ কৰে, তেন্তে অপৰাধীৰ দ্বাৰা কৰা দোষাবহ নৰবধ সেই প্ৰকাৰৰ হব যিটো যদিহে তেওঁ ব্যক্তিজনৰ মৃত্যু ঘটালেহেঁতেন যাৰ মৃত্যু তেওঁৰ অভিপ্ৰেত আছিল, বা যাৰ মৃত্যু ঘটাব পাৰে বুলি তেওঁ জানিছিল।

**হত্যাৰ বাবে দণ্ড।**

৩০২। যিয়ে, হত্যা সংঘটিত কৰে তেওঁ মৃত্যু বা [1][আজীৱন কাৰাবাস] ৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**আজীৱন কাৰাবাসীৰ দ্বাৰা হত্যাৰ বাবে দণ্ড।**

*৩০৩। যিয়ে, [1][আজীৱন কাৰাবাস] ৰ দণ্ডাদেশৰ অধীনত থাকি, হত্যা সংঘটিত কৰে, তেওঁ মৃত্যুৰে দণ্ডিত হব।

**হত্যাৰ পৰ্য্যায়ৰ নোহোৱা দোষাবহ নৰবধৰ বাবে দণ্ড।**

৩০৪। যিয়ে, হত্যাৰ পৰ্য্যায়ৰ নোহোৱা দোষাবহ নৰবধ কৰে, তেওঁ [1][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ, বাবেও দায়ী হব, যদিহে, যি কাৰ্য্যৰ দ্বাৰা মৃত্যু ঘটোৱা হৈছে, মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে কৰা হৈছে বা মৃত্যু ঘটোৱাৰ সম্ভাৱনা থকা এনে শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়েৰে কৰা হয়, বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব যদিহে কাৰ্য্যটো এই জ্ঞানসহ কৰা হয় যে ই মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, কিন্তু মৃত্যু ঘটোৱাৰ অভিপ্ৰায় নোহোৱাকৈ বা মৃত্যু ঘটোৱাৰ সম্ভাৱনা থকা এনে শাৰীৰিক ক্ষতি কৰাৰ কোনো অভিপ্ৰায় নোহোৱাকৈ কৰা হয়।

**অসাৱধানতাৰে মৃত্যু ঘটোৱা।**

[2][৩০৪ক। যিয়ে, কোনো উদ্ধত বা অসাৱধান কাৰ্য্য কৰি কোনো ব্যক্তিৰ মৃত্যু ঘটায় যি দোষাবহ নৰবধৰ পৰ্য্যায়ভুক্ত নহয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব]।

**যৌতুকৰ বাবে হোৱা মৃত্যু।**

[3][৩০৪খ। (১) যেতিয়া কোনো নাৰীৰ মৃত্যু, কোনো পোৰণ বা শাৰীৰিক ক্ষতিৰ দ্বাৰা সংঘটিত হয় বা স্বাভাৱিক পৰিস্থিতিৰ বাহিৰে অন্যথা তেওঁ বিবাহৰ সাত বছৰৰ ভিতৰত ঘটে আৰু তেওঁ মৃত্যুৰ

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিস্থাপিত (১-১-৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

*মিঠু বনাম পঞ্জাব এ আই আৰ ১৯৮৩ উচ্চতম ন্যায়ালয় ৪৭৩ ত উচ্চতম ন্যায়ালয়ে এই ধাৰাটো অসাংবিধানিক বুলি অভিখণ্ডিত কৰিছে আৰু বাতিল ঘোষিত কৰিছে।

২। ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ১২ ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। ১৯৮৬ চনৰ ৪৩ নং অধিনিয়মৰ ধাৰা ১০ ৰ দ্বাৰা অন্তঃস্থাপিত (১৯-১১-৮৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

আগু পূৰ্বে যৌতুকৰ কোনো দাবীৰ কাৰণে বা ইয়াৰ সম্পৰ্কত তেওঁৰ স্বামীৰ দ্বাৰা বা তেওঁৰ স্বামীৰ কোনো আত্মীয়ৰ দ্বাৰা নিষ্ঠুৰতা বা হাৰাশাস্তি দিয়া হৈছিল বুলি দেখুৱা হয়, তেনে মৃত্যুক "যৌতুকৰ বাবে মৃত্যু" হোৱা বুলি কোৱা হয়, আৰু এনে স্বামী বা আত্মীয়ই তেওঁৰ মৃত্যু ঘটোৱা বুলি গণ্য কৰা হব।

**স্পষ্টীকৰণ** - এই উপ-ধাৰাৰ প্ৰয়োজনার্থে, "যৌতুক" শব্দটো নিষেধ অধিনিয়ম, ১৯৬১ (১৯৬১ ৰ ২৮) ৰ ধাৰা ২ ত থকাৰ দৰে একে অৰ্থ হব।

(২) যিয়ে, যৌতুকৰ বাবে মৃত্যু ঘটায়, তেওঁ কাৰাবাসেৰে, যাৰ অৱধি সাত বছৰতকৈ কম নহব কিন্তু যিটো আজীৱন কাৰাবাসলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব।]

শিশু বা উম্মাদ ব্যক্তিৰ আত্মহত্যাৰ অপপ্ৰেৰণা।

৩০৫। যদিহে ওঠৰ বছৰ বয়সৰ তলৰ কোনো ব্যক্তি, কোনো উম্মাদ ব্যক্তি, কোনো বিভ্ৰমচিত্তৰ ব্যক্তি, কোনো নিৰ্বোধ বা মাতাল অৱস্থাত থকা কোনো ব্যক্তিয়ে আত্মহত্যা কৰে, যিয়ে এনে আত্মহত্যা কৰণত অপপ্ৰেৰণা দিয়ে, তেওঁ মৃত্যু বা [1][আজীৱন কাৰাবাস] ৰে বা কাৰাবাসেৰে, যাৰ অৱধি দহ বছৰৰ অধিক নহব, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

আত্মহত্যাৰ অপপ্ৰেৰণা।

৩০৬। যদিহে কোনো ব্যক্তিয়ে আত্মহত্যা কৰে, যিয়ে এনে আত্মহত্যা কৰণত অপপ্ৰেৰণা দিয়ে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

হত্যা কৰাৰ প্ৰয়াস।

৩০৭। যিয়ে, কোনো কাৰ্য্য এনে অভিপ্ৰায় বা জ্ঞানসহ আৰু এনে পৰিস্থিতিৰ অধীনত কৰে, যে যদি তেওঁ সেইটো কাৰ্য্যৰে মৃত্যু ঘটালেহেঁতেন, তেওঁ হত্যাৰ বাবে দোষী হ'লহেঁতেন, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব, আৰু যদি এনে কাৰ্য্যৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত কৰা হয়, তেতিয়া অপৰাধীজন হয় [1][আজীৱন কাৰাবাস] ৰে নতুবা ইয়াত ওপৰত উল্লেখিত ধৰণৰ এনে দণ্ডৰ বাবে দায়ী হব।

আজীৱন কাৰাবাসীৰ দ্বাৰা প্ৰয়াস।

[2][যেতিয়া এই ধাৰা [1][আজীৱন কাৰাবাস] ৰে দণ্ডাদেশাধীন হৈ থাকে, যদিহে তেওঁৰ আঘাত ঘটোৱা হয়, মৃত্যুৰে দণ্ডিত হব]।

## দৃষ্টান্ত সমূহ

(ক) "ক" ই "জ" ক বধ কৰাৰ অভিপ্ৰায়েৰে গুলীয়ালে, এনে পৰিস্থিতিৰ অধীনত যে যদিহে মৃত্যু হ'লহেঁতেন, তেন্তে "ক" হত্যাৰ বাবে দোষী হ'লহেঁতেন। "ক" এই ধাৰাৰ অধীনত দণ্ডিত হবলৈ দায়ী।

(খ) "ক" ই, কোমল বয়সৰ এটা শিশুৰ মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে, ইয়াক এনে নিৰ্জন স্থানত পেলাই থলে। 'ক'ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিলে যদিও শিশুটোৰ মৃত্যু হোৱা নাই।

(গ) "ক" ই "জ" ক হত্যা কৰাৰ অভিপ্ৰায়েৰে এটা বন্দুক কিনে আৰু ইয়াত গুলী ভৰায়। "ক" ই এই পৰ্য্যন্ত অপৰাধটো কৰা নাই। "ক"ই "জ" লৈ বন্দুকটো গুলীয়ালে। তেওঁ এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিলে আৰু যদিহে এনে দৰে গুলী কৰি, তেওঁ "জ" ক আহত কৰে, তেনে হলে তেওঁ এই ধাৰাত [3][প্ৰথম দফাৰ] পিছৰ ভাগত উপবন্ধিত দণ্ডৰ বাবে দায়ী হব।

(ঘ) "ক" ই "জ" ক বিহ খুৱাই হত্যা কৰাৰ অভিপ্ৰায়েৰে বিহ কিনিলে আৰু ইয়াৰ খাদ্যৰ

---

১। ১৯৫৫ চনৰ ২৬ অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ১১ ৰ দ্বাৰা সংযুক্ত কৰা হৈছে।

৩। ১৮৯১ চনৰ ১২ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ ২ ৰ দ্বাৰা অন্তঃস্থাপিত।

সৈতে মিলালে যিটো "ক" ই নিজৰ লগত ৰাখে, "ক"ই এই পৰ্য্যন্ত এই ধাৰাত পৰিভাষিত অপৰাধটো কৰা নাই। "ক" ই খাদ্য "জ" ৰ মেজৰ ওপৰত থলে বা ইয়াক "জ" ৰ মেজৰ ওপৰত থবলৈ "জ" ৰ সেৱকক দিলে। "ক" ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

**দোষাবহ নৰবধ কৰাৰ প্ৰয়াস।**

৩০৮। যিয়ে, কোনো কাৰ্য্য এনে অভিপ্ৰায় বা জ্ঞানসহ আৰু এনে পৰিস্থিতিৰ অধীনত কৰে যে যদি তেওঁ সেই কাৰ্য্যটোৰ দ্বাৰা মৃত্যু ঘটালেহেঁতেন, তেওঁ হত্যাৰ পৰ্য্যায়ৰ নোহোৱা দোষাবহ নৰবধৰ বাবে দোষী হ'লহেঁতেন, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব, আৰু যদি তেনে কাৰ্য্যৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত ঘটোৱা হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব।

### দৃষ্টান্ত

"ক" ই, গম্ভীৰ আৰু আচম্বিত প্ৰকোপনত "জ" লৈ পিষ্টলেৰে গুলীয়ালে এনে পৰিস্থিতিৰ অধীনত যে যদিহে তেওঁ তাৰ দ্বাৰা মৃত্যু ঘটালেহেঁতেন, তেন্তে তেওঁ হত্যাৰ পৰ্য্যায়ৰ নোহোৱা দোষাবহ নৰবধৰ বাবে দোষী হ'লহেঁতেন। "ক" ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিলে।

**আত্মহত্যা কৰাৰ প্ৰয়াস।**

৩০৯। যিয়ে, আত্মহত্যা কৰিবলৈ প্ৰয়াস কৰে আৰু তেনে অপৰাধ সংঘটনৰ বাবে কোনো কাৰ্য্য কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, [1][বা জৰিমনাৰে, বা উভয়ৰে] দণ্ডিত হব।

**ঠগ।**

৩১০। যিয়ে, এই অধিনিয়মৰুন পাৰিত হোৱাৰ পিছত যি কোনো সময়ত হত্যাৰ দ্বাৰা বা হত্যা সহিত লুণ্ঠন বা শিশু চুৰি কৰাৰ উদ্দেশ্যে, অন্য ব্যক্তি বা অন্য ব্যক্তি সকলৰ সৈতে অভ্যাসিক ভাৱে সহযোগী হৈ থাকে, তেওঁ ঠগ।

**দণ্ড**

৩১১। যিয়ে, ঠগ হয়, তেওঁ [2][আজীৱন কাৰাবাস] ৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

### গৰ্ভপাত কৰোৱা, অজাত শিশুৰ ক্ষতি কৰোৱা, শিশু পেলাই থৈ যোৱা আৰু জন্মৰ গোপনকৰণৰ বিষয়ে

**গৰ্ভপাত কৰোৱা।**

৩১২। যিয়ে, কোনো এগৰাকী সন্তান সম্ভৱা তিৰোতাক স্বেচ্ছাই গৰ্ভপাত কৰায়, যদিহে তেনে গৰ্ভপাত সদ্ভাৱ পূৰ্ব্বক তিৰোতা গৰাকীৰ জীৱন ৰক্ষা কৰা উদ্দেশ্যে কৰোৱা নহয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব, আৰু যদিহে তিৰোতা গৰাকী স্পন্দন গৰ্ভা হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - কোনো তিৰোতা, যিজনীয়ে নিজে নিজৰ গৰ্ভপাত কৰায়, তেওঁও এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত হব।

**তিৰোতা গৰাকীৰ সম্মতি বিনা গৰ্ভপাত কৰোৱা।**

৩১৩। যিয়ে, অন্তিম পূৰ্ব্ববৰ্ত্তী ধাৰাটোত পৰিভাষিত অপৰাধটো তিৰোতা গৰাকীৰ সম্মতি বিনা সংঘটিত কৰে, তিৰোতা গৰাকী স্পন্দিত গৰ্ভা হওঁতেই বা নহওঁতেই, তেওঁ [2][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

---

১। ১৮৮২ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ৭ ৰ দ্বাৰা "আৰু জৰিমনাৰ বাবেও দায়ী হব" ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৫৫ চনৰ ২৬ অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

গৰ্ভপাত কৰোৱা অভিপ্ৰায়েৰে কৰা কাৰ্য্যৰ দ্বাৰা ঘটিত মৃত্যু।

৩১৪। যিয়ে, সন্তান সম্ভৱা তিৰোতা এগৰাকীৰ গৰ্ভপাত কৰোৱাৰ অভিপ্ৰায়েৰে, এনে কোনো কাৰ্য্য কৰে যিটোৱে তেনে তিৰোতাৰ মৃত্যু ঘটায় তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব,

যদি তিৰোতা গৰাকীৰ সম্মতি বিনা কাৰ্য্য কৰা হয়।

আৰু যদি তিৰোতা গৰাকীৰ সম্মতি বিনা কাৰ্য্যটো কৰা হয়, তেন্তে তেওঁ, হয় [1][আজীৱন কাৰাবাস] বে নাইবা ওপৰত উল্লেখিত দণ্ডৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - এই অপৰাধটোৰ বাবে এইটো আৱশ্যকীয় নহয় যে অপৰাধীজনে এইটো জনা উচিত যে কাৰ্য্যটোৱে মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে।

শিশুক জীৱিত ভাবে জন্ম হোৱাত বাধাদান কৰাৰ বা জন্মৰ পিছত ইয়াৰ মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে কৰা কাৰ্য্য।

৩১৫। যিয়েই, কোনো শিশুৰ জন্মৰ পূৰ্ব্বে কোনো কাৰ্য্য এই অভিপ্ৰায়েৰে কৰে যে সেই শিশুৰ জীৱিত ভাবে জন্ম হোৱাত বাধা দিয়া হয় বা জন্মৰ পিছত ইয়াৰ মৃত্যু ঘটায়, আৰু যদি তেনে কাৰ্য্যৰ দ্বাৰা সেই শিশুটো জীৱিত ভাবে জন্মাত বাধা দিয়ে বা ইয়াৰ জন্মৰ পিছতে ইয়াৰ মৃত্যু ঘটায় যদি সেই কাৰ্য্য মাতৃৰ জীৱন ৰক্ষা কৰাৰ উদ্দেশ্যে সদ্ভাৱপূৰ্ব্বক কৰা নহয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

দোষাবহ নৰবধৰ পৰ্য্যায়ৰ কাৰ্য্যৰ দ্বাৰা স্পন্দনশীল অজাত শিশুৰ মৃত্যু ঘটোৱা।

৩১৬। যিয়ে, এনে পৰিস্থিতিত কোনো কাৰ্য্য কৰে যে যদিহে তেওঁ তাৰ দ্বাৰা মৃত্যু ঘটালেহেঁতেন তেন্তে তেওঁ দোষাবহ নৰবধৰ বাবে দোষী হ'লহেঁতেন, আৰু তেনে কাৰ্য্যৰ দ্বাৰা কোনো অজাত স্পন্দনশীল শিশুৰ মৃত্যু ঘটায়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

### দৃষ্টান্ত

"ক" ই, এইটো সম্ভাব্য বুলি জানি যে তেওঁ এগৰাকী গৰ্ভৱতী তিৰোতাৰ মৃত্যু ঘটাব পাৰে, এনে এটা কাৰ্য্য কৰিলে যিটো, যদিহে ই তিৰোতা গৰাকীৰ মৃত্যু ঘটালেহেঁতেন দোষাবহ নৰবধৰ পৰ্য্যায়ৰ হ'লহেঁতেন। তিৰোতা গৰাকী আহত হয় কিন্তু তেওঁৰ মৃত্যু নহয়। কিন্তু তাৰ দ্বাৰা সেই অজাত স্পন্দনশীল শিশুৰ যিটোৰ সৈতে তিৰোতা গৰাকী গৰ্ভৱতী, মৃত্যু ঘটে। "ক" এই ধাৰাটোত পৰিভাষিত অপৰাধটোৰ বাবে দোষী।

পিতা মাতা বা ইয়াৰ তত্বাবধানৰ ভাৰপ্ৰাপ্ত ব্যক্তিৰ দ্বাৰা ১২ বছৰ বয়সৰ তলৰ শিশুৰ অৰক্ষিতভাৱে এৰি যোৱা আৰু পৰিত্যাগ কৰা।

৩১৭। যিয়ে, বাৰ বছৰ বয়সৰ তলৰ কোনো শিশুৰ পিতা বা মাতা হৈ, বা তেনে শিশুৰ তত্বাৱধানৰ ভাৰপ্ৰাপ্ত হৈ তেনে শিশুক সম্পূৰ্ণভাৱে পৰিত্যাগ কৰাৰ অভিপ্ৰায়েৰে তেনে শিশুক অৰক্ষিতভাৱে পেলাই থৈ বা কোনো স্থানত এৰি যায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - যদিহে অৰক্ষিতভাৱে পেলাই থোৱাৰ ফলত শিশুটোৰ মৃত্যু হয়, সেই ক্ষেত্ৰত এই ধাৰাটো যথাস্থিতি হত্যা বা দোষাবহ নৰবধৰ বাবে অপৰাধীজনৰ বিচাৰ নিবাৰিত কৰিবলৈ অভিপ্ৰেত হোৱা নাই।

মৃত দেহৰ গোপন সৎকাৰৰ দ্বাৰা জন্মৰ গোপনকৰণ।

৩১৮। যিয়ে, গোপনীয়ভাৱে পুতি বা অন্যথা এটা শিশুৰ মৃত দেহৰ সৎকাৰ কৰি, তেনে শিশুৰ মৃত্যু ইয়াৰ জন্মৰ পূৰ্বেই বা পিছতেই বা জন্ম হৈ থকা অৱস্থাতেই নহওঁক কিয় তেনে শিশুৰ জন্ম অভিপ্ৰায় পূৰ্বক গোপন কৰে বা গোপন কৰিবলৈ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

### আঘাতৰ বিষয়ে

আঘাত।

৩১৯। যিয়ে, কোনো ব্যক্তিৰ শাৰীৰিক কষ্ট, ৰোগ বা দুৰ্বলতা ঘটায়, তেওঁ আঘাত ঘটোৱা বুলি কোৱা হয়।

---

১। ১৯৫৫ চনৰ ২৬ অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

গুৰুতৰ আঘাত।

৩২০। কেৱল নিম্নোক্ত প্ৰকাৰৰ আঘাতকহে "গুৰুতৰ" বুলি অভিহিত কৰা হয় —

**প্ৰথম** — পুৰুষত্বহীনকৰণ।

**দ্বিতীয়** — কোনটো চকুৰ দৃষ্টি শক্তিৰ স্থায়ী হানিকৰণ।

**তৃতীয়** — যি কোনো এখন কাণৰ শ্ৰৱণ শক্তিৰ স্থায়ী হানিকৰণ।

**চতুৰ্থ** — কোনো অঙ্গ প্ৰত্যঙ্গ বা জোৰাৰ নষ্টকৰণ।

**পঞ্চম** — কোনো অঙ্গ প্ৰত্যঙ্গ বা জোৰাৰ শক্তি নষ্টকৰণ বা স্থায়ী হানিকৰণ।

**ষষ্ঠ** — মূৰ বা মুখ মণ্ডলৰ স্থায়ী বিকৃতিকৰণ।

**সপ্তম** — হাত বা দাত ভঙা বা লৰোৱা।

**অষ্টম** — কোনো আঘাত যিটোৱে জীৱন বিপদাপন্ন কৰে বা যিটোৱে কষ্টভোগীজনক বিশ দিনৰ বাবে গুৰুতৰ শাৰীৰিক কষ্ট ভোগ কৰায় বা তেওঁৰ সাধাৰণ ব্যৱসায় চলাই থাকিবলৈ অসমৰ্থ কৰে।

স্বেচ্ছাই আঘাত ঘটোৱা।

৩২১। যিয়ে, কোনো কাৰ্য্য এই অভিপ্ৰায়েৰে কৰে যে তাৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত ঘটায় বা এই জ্ঞানসহ কৰে যে তেওঁ তাৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত ঘটোৱাৰ সম্ভাৱনা আছে আৰু তাৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত ঘটায়, তেওঁ "স্বেচ্ছাই আঘাত ঘটোৱা" বুলি কোৱা হয়।

স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।

৩২২। যিয়ে, স্বেচ্ছাই আঘাত ঘটায় যদিহে তেওঁ ঘটাবলৈ অভিপ্ৰায় কৰা আঘাতৰ বা যিটো তেওঁ ঘটোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ জানে গুৰুতৰ আঘাত হয়, আৰু যদি তেওঁ ঘটোৱা আঘাতটো গুৰুতৰ আঘাত হয়, তেওঁ "স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা" বুলি কোৱা হয়।

**স্পষ্টীকৰণ** - এজন ব্যক্তিয়ে এই দুয়োটা ক্ষেত্ৰ ব্যতিৰেকে যেতিয়া তেওঁ গুৰুতৰ আঘাত ঘটায় আৰু গুৰুতৰ আঘাত ঘটাবলৈ অভিপ্ৰায় কৰে বা তেওঁ ঘটোৱা সম্ভাব্য বুলি জানে তেওঁ স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা বুলি কোৱা নহয় কিন্তু তেওঁ স্বেচ্ছাই গুৰুতৰ ঘটোৱা বুলি কোৱা হয়, যদি এক প্ৰকাৰৰ গুৰুতৰ আঘাত ঘটোৱাটো অভিপ্ৰায় কৰি বা ঘটাব পাৰে বুলি তেওঁ নিজেই জানি তেওঁ বাস্তৱিকতে আন এক প্ৰকাৰৰ গুৰুতৰ আঘাতহে ঘটায়।

**দৃষ্টান্ত**

"ক" ই "জ"ৰ মুখ মণ্ডল স্থায়ীভাৱে বিকৃত কৰাৰ অভিপ্ৰায় কৰি বা কৰাৰ সম্ভাৱনা থকা বুলি নিজে জানি "জ"ক এটা খোচা মাৰিলে যিটোৱে "জ"ৰ মুখ মণ্ডল স্থায়ীভাৱে বিকৃত নকৰিলে, কিন্তু যিটোৱে "জ" ক বিশ দিন পৰ্যন্ত ভীষণ দৈহিক কষ্ট ভোগ কৰিবলগীয়া কৰে। "ক" ই স্বেচ্ছাই গুৰুতৰ আঘাত ঘটালে।

স্বেচ্ছাই আঘাত ঘটোৱাৰ বাবে দণ্ড।

৩২৩। যিয়ে, ধাৰা ৩৩৪ ত উপবন্ধিত ক্ষেত্ৰ ব্যতিৰেকে স্বেচ্ছাই আঘাত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্যন্ত বিস্তাৰিত হ'ব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকা পৰ্যন্ত বিস্তাৰিত হ'ব পাৰে বা উভয়েৰে দণ্ডিত হ'ব।

মাৰাত্মক অস্ত্ৰেৰে বা উপায়েৰে স্বেচ্ছাই আঘাত ঘটোৱা।

৩২৪। যিয়ে, ধাৰা ৩৩৪ ত উপবন্ধিতৰ ক্ষেত্ৰৰ ব্যতিৰেকে গুলী কৰা, খোচা বা কটা কোনো সজুলিৰ দ্বাৰা, বা এনে কোনো সজুলিৰ দ্বাৰা, যিটো অপৰাধৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিলে, মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে বা জুই বা কোনো উত্তপ্ত পদাৰ্থৰ দ্বাৰা বা কোনো বিহ বা ক্ষয়কাৰী পদাৰ্থৰ দ্বাৰা, বা কোনো বিস্ফোৰক পদাৰ্থৰ দ্বাৰা বা এনে কোনো পদাৰ্থৰ দ্বাৰা যি পদাৰ্থ নিশ্বাসত লোৱা বা গিলা বা তেজত মিহলাই লোৱা মানৱ শৰীৰৰ বাবে ক্ষতি কাৰক, বা কোনো জন্তুৰ দ্বাৰা, স্বেচ্ছাই আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হ'ব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হ'ব।

**স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱাৰ বাবে দণ্ড।**

৩২৫। যিয়ে, ধাৰা ৩৩৫ ত উপবন্ধিত ক্ষেত্ৰৰ বাহিৰেকে স্বেচ্ছাই গুৰুতৰ আঘাত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**মাৰাত্মক অস্ত্ৰেৰে বা উপায়েৰে স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।**

৩২৬। যিয়ে, ধাৰা ৩৩৫ ত উপবন্ধিতৰ ক্ষেত্ৰৰ বাহিৰেকে গুলী কৰা, খোচা বা কটা কোনো সঁজুলিৰ দ্বাৰা, বা এনে কোনো সঁজুলিৰ দ্বাৰা যিটো অপৰাধৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিলে মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে বা জুই বা কোনো উত্তপ্ত পদাৰ্থৰ দ্বাৰা, বা কোনো বিহ বা কোনো ক্ষয়কাৰী পদাৰ্থৰ দ্বাৰা, বা কোনো বিস্ফোৰক পদাৰ্থৰ দ্বাৰা, বা এনে কোনো পদাৰ্থৰ দ্বাৰা যি পদাৰ্থ নিশ্বাসত লোৱা, গিলা বা তেজত মিহলাই লোৱা মানৱ শৰীৰৰ বাবে ক্ষতিকাৰক বা কোনো জন্তুৰ দ্বাৰা, স্বেচ্ছাই গুৰুতৰ আঘাত ঘটায়, তেওঁ [1][আজীৱন কাৰাবাস]ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**সম্পত্তি বলেৰে আদায় কৰিবলৈ বা কোনো অবৈধ কাৰ্য্য কৰাৰ বাবে বাধ্য কৰিবলৈ স্বেচ্ছাই আঘাত ঘটোৱা।**

৩২৭। যিয়ে, কষ্টভোগাজনৰ পৰা বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি বলেৰে আদায় কৰাৰ উদ্দেশ্যে বা কষ্টভোগাজন বা তেনে কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিক এনে কোনো কাৰ্য্য কৰিবলৈ বাধ্য কৰাৰ বাবে, যিটো অবৈধ বা যিটোৱে কোনো অপৰাধ সংঘটন সহজ সাধ্য কৰিব পাৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

**অপৰাধ সংঘটন কৰাৰ অভিপ্ৰায়েৰে বিষ আদিৰ দ্বাৰা আঘাত ঘটোৱা।**

৩২৮। যিয়ে, কোনো ব্যক্তিক বিহ বা কোনো বেহুচ কৰা, নিচাযুক্ত বা অস্বাস্থ্যকৰ ঔষধ বা অন্য বস্তু তেনে ব্যক্তিৰ আঘাত ঘটোৱাৰ অভিপ্ৰায়েৰে, বা কোনো অপৰাধ কৰা বা ইয়াৰ সংঘটন সহজ সাধ্য কৰাৰ অভিপ্ৰায়েৰে বা তেওঁ তাৰ দ্বাৰা আঘাত ঘটোৱাৰ সম্ভাৱনা আছে বুলি জানিও, প্ৰয়োগ কৰে বা গ্ৰহণ কৰায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**সম্পত্তি বলেৰে আদায় কৰিবলৈ বা কোনো অবৈধ কাৰ্য্য কৰাৰ বাবে বাধ্য কৰিবলৈ স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।**

৩২৯। যিয়ে, কষ্টভোগাজনৰ পৰা বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি বলেৰে আদায় কৰিবলৈ বা সেই কষ্টভোগাজনক বা তেনে কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিক কোনো কাৰ্য্য, যিটো অবৈধ, বা যিটোৱে কোনো অপৰাধৰ সংঘটন সহজ সাধ্য কৰে, কৰিবলৈ বাধ্য কৰে, স্বেচ্ছাই গুৰুতৰ আঘাত কৰে, তেওঁ [1][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্বীকাৰোক্তি আদায় কৰিবলৈ বা সম্পত্তি প্ৰত্যাৰ্পণ কৰিবলৈ বাধ্য কৰিবলৈ স্বেচ্ছাই আঘাত ঘটোৱা।**

৩৩০। যিয়ে, কষ্টভোগাজনৰ পৰা বা কষ্টভোগাজনৰ স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো স্বীকাৰোক্তি বা কোনো সংবাদ, যিটোৱে কোনো অপৰাধ বা অসদাচাৰণ ধৰা পেলাবলৈ বাট দেখুৱাই দিব পাৰে আদায় কৰিবলৈ বা কষ্টভোগাজনক বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিক কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি প্ৰত্যাৰ্পণ কৰিবলৈ বা প্ৰত্যাৰ্পণ কৰাবৰ বাবে বাধ্য কৰাৰ বাবে বা কোনো দাবী বা অভিযাচন পূৰণ কৰিবলৈ বা এনে সংবাদ দিবলৈ যিটোৱে কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতিৰ প্ৰত্যাৰ্পণৰ বাট দেখুৱাই দিয়ে, স্বেচ্ছাই আঘাত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

### দৃষ্টান্ত সমূহ

(ক) আৰক্ষী পদাধিকাৰী "ক" ই "জ"ক তেওঁ যে এটা অপৰাধ সংঘটিত কৰিছে এই স্বীকাৰোক্তি কৰিবলৈ উৎপ্ৰেৰিত কৰাৰ বাবে "জ"ক যন্ত্ৰণা দিলে। "ক" এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

(খ) আৰক্ষী পদাধিকাৰী "ক"ই কোনখন ঠাইত কিছুমান চুৰি সম্পত্তি জমা কৰি ৰখা হৈছে দেখুৱাই দিবলৈ তেওঁক উৎপ্ৰেৰিত কৰাৰ বাবে 'খ' ক যন্ত্ৰণা দিলে। "ক" এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

(গ) ৰাজহ পদাধিকাৰী "ক"ই "জ"ৰ দ্বাৰা দেয় হোৱা ৰাজহৰ বাকী আদায় দিবলৈ বাধ্য কৰাৰ উদ্দেশ্যে "জ" ক যন্ত্ৰণা দিলে। "ক" এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

(ঘ) জমিদাৰ "ক"ই তেওঁক দিবলগীয়া ভাৰা আদায় দিবলৈ বাধ্য কৰাৰ বাবে এজন ৰায়তক যন্ত্ৰণা দিলে। "ক"ই এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

**স্বীকাৰোক্তি আদায় কৰিবলৈ বা সম্পত্তিৰ প্ৰত্যাৰ্পণ বাধ্য কৰিবৰ বাবে স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।**

৩৩১। যিয়ে, কষ্টভোগাজনৰ পৰা বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো স্বীকাৰোক্তি বা কোনো সংবাদ, যিটোৱে কোনো অপৰাধ বা অসদাচৰণ ধৰা পেলাবলৈ বাট দেখুৱাব পাৰে, আদায় কৰিবলৈ বা কষ্টভোগাজন বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিক কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি প্ৰত্যাৰ্পণ কৰিব বা প্ৰত্যাৰ্পণ কৰাবৰ বাবে বা কোনো দাবী বা অভিযাচন পূৰণ কৰিবলৈ, বা কোনো সংবাদ জনাবলৈ যিটোৱে কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতিৰ প্ৰত্যাৰ্পণ কৰিবলৈ বাট দেখুৱাব পাৰে— বাধ্য কৰাৰ উদ্দেশ্যে স্বেচ্ছাই গুৰুতৰ আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**লোকসেৱকক তেওঁৰ কৰ্ত্তব্য পালনৰ পৰা বিৰত কৰিবলৈ স্বেচ্ছাই আঘাত ঘটোৱা।**

৩৩২। যিয়ে, লোকসেৱক হিচাবে থকা কোনো ব্যক্তিক তেনে লোকসেৱককপে তেওঁৰ কৰ্ত্তব্য নিৰ্বহন কৰাত বা সেই ব্যক্তিজনক বা আন কোনো লোকসেৱকক তেনে লোকসেৱককপে তেওঁৰ কৰ্ত্তব্য নিৰ্বহন কৰাৰ পৰা নিবাৰিত কৰা বা বিৰত কৰাৰ অভিপ্ৰায়েৰে, বা সেই ব্যক্তিজনৰ দ্বাৰা তেনে লোকসেৱককপে তেওঁৰ কৰ্ত্তব্যৰ বিধি সম্মত নিৰ্বহনত কোনো কাৰ্য্য কৰাৰ বা কৰিবলৈ প্ৰয়াস কৰাৰ ফলস্বৰূপে স্বেচ্ছাই আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**লোকসেৱকক তেওঁৰ কৰ্ত্তব্য পালনৰ পৰা বিৰত কৰিবলৈ স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।**

৩৩৩। যিয়ে, লোকসেৱক হৈ থকা কোনো ব্যক্তিক তেনে লোকসেৱককপে তেওঁৰ কৰ্ত্তব্যৰ নিৰ্বহন কৰাত, বা সেই ব্যক্তিজনক বা আন কোনো লোকসেৱকক তেনে লোকসেৱককপে তেওঁৰ কৰ্ত্তব্য নিৰ্বহন কৰাৰ পৰা নিবাৰিত কৰা বা বিৰত কৰাৰ অভিপ্ৰায়েৰে, বা সেই ব্যক্তিজনৰ দ্বাৰা তেনে লোকসেৱককপে তেওঁৰ কৰ্ত্তব্যৰ বিধি সম্মত নিৰ্বহনত কোনো কাৰ্য্য কৰাৰ বা কৰিবলৈ প্ৰয়াস কৰাৰ ফলস্বৰূপে স্বেচ্ছাই গুৰুতৰ আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**প্ৰকোপণত স্বেচ্ছাই আঘাত ঘটোৱা।**

৩৩৪। যিয়ে, গম্ভীৰ আৰু আচম্বিত প্ৰকোপণত স্বেচ্ছাই আঘাত ঘটায়, যদি তেওঁ যিজন ব্যক্তিয়ে প্ৰকোপণটো দিছিল সেইজন ব্যক্তিৰ বাহিৰে আন কোনো ব্যক্তিক আঘাত ঘটাবলৈ অভিপ্ৰায় কৰাও নাই নাইবা তেওঁ নিজে আঘাত ঘটোৱাৰ সম্ভাৱনা আছে বুলি নাজানে, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

**প্ৰকোপণত স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।**

৩৩৫। যিয়ে, গম্ভীৰ আৰু আচম্বিত প্ৰকোপণত [1][স্বেচ্ছাই] গুৰুতৰ আঘাত ঘটায়, যদি তেওঁ যিজন ব্যক্তিয়ে প্ৰকোপণটো দিছিল সেইজন ব্যক্তিৰ বাহিৰে আন কোনো ব্যক্তিৰ গুৰুতৰ আঘাত ঘটাবলৈ অভিপ্ৰায় কৰাও নাই নাইবা তেওঁ নিজে গুৰুতৰ আঘাত ঘটোৱাৰ সম্ভাৱনা আছে বুলি নাজানেও, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি চাৰি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি দুহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - অন্তিম ধাৰা দুটা ধাৰা ৩০০ ৰ ব্যতিক্ৰম ১ ৰ দৰে একে পৰন্তুক সমূহৰ অধীনত হব।

---

১। ১৮৮২ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ৮ ৰ দ্বাৰা অন্তঃস্থাপিত।

**অন্যৰ জীৱন বা ব্যক্তিগত সুৰক্ষা বিপদাপন্ন কৰা কাৰ্য্য।**

৩৩৬। যিয়ে, কোনো কাৰ্য্য এনে উদ্ধতভাৱে আৰু অসাৱধানতাৰে কৰে যে তাৰ দ্বাৰা মানৱ জীৱন বা অন্যৰ সুৰক্ষা বিপদাপন্ন হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি মাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি দুশ পঞ্চাশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

**অন্যৰ জীৱন বা ব্যক্তিগত সুৰক্ষা বিপদাপন্ন কৰা কাৰ্য্যৰ দ্বাৰা আঘাত ঘটোৱা।**

৩৩৭। যিয়ে, এনে উদ্ধতভাৱে বা অসাৱধানতাৰে কোনো কাৰ্য্য কৰে, যাৰ দ্বাৰা মানৱ জীৱন বা অন্যৰ ব্যক্তিগত সুৰক্ষা বিপদাপন্ন হয়, কোনো ব্যক্তিৰ আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

**অন্যৰ জীৱন বা ব্যক্তিগত সুৰক্ষা বিপদাপন্ন কৰা কাৰ্য্যৰদ্বাৰা গুৰুতৰ আঘাত ঘটোৱা।**

৩৩৮। যিয়ে, এনে উদ্ধতভাৱে বা অসাৱধানতাৰে মানৱ জীৱন বা অন্যৰ ব্যক্তিগত সুৰক্ষা বিপদাপন্ন কৰাকৈ কোনো কাৰ্য্য কৰি কোনো ব্যক্তিৰ গুৰুতৰ আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

## সদোষ অৱৰোধ আৰু সদোষ পৰিৰোধৰ বিষয়ে

**সদোষ অৱৰোধ।**

৩৩৯। যিয়ে, স্বেচ্ছাই কোনো ব্যক্তিক এনেদৰে বাধা দিয়ে যাতে সেই ব্যক্তিজন কোনো এটা দিশলৈ অগ্ৰসৰ হবলৈ নিবাৰিত হয়, যি দিশটোলৈ অগ্ৰসৰ হোৱা অধিকাৰ সেই ব্যক্তিজনৰ আছে, তেওঁ সেই ব্যক্তিজনক সদোষ অৱৰোধ কৰা বুলি কোৱা হয়।

ব্যতিক্ৰম - স্থল বা জলৰ ওপৰেদি ব্যক্তিগত পথ এটাৰে বাধা দান কৰাটো, যিটো এজন ব্যক্তিয়ে বাধা দিবলৈ তেওঁৰ নিজৰ এটা বিধি সম্মত অধিকাৰ থকা বুলি সদ্ভাৱ পূৰ্বক বিশ্বাস কৰে, এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত অপৰাধ নহয়।

### দৃষ্টান্ত

'ক' ই পথটো বন্ধ কৰিবলৈ তেওঁৰ অধিকাৰ আছে বুলি সদ্ভাৱ পূৰ্বক বিশ্বাস নকৰাকৈয়ে এটা পথ, যিটোৰে 'জ'ৰ যাতায়তৰ অধিকাৰ আছে 'ক' ই বাধা দিয়ে তাৰ দ্বাৰা "জ"ক যাতায়তৰ পৰা নিবাৰিত কৰা হ'ল 'ক' ই 'জ' ক দোষ পূৰ্বক অৱৰোধ কৰিলে।

**সদোষ পৰিৰোধ।**

৩৪০। যিয়ে, কোনো এজন ব্যক্তিক এনে ধৰণে দোষ পূৰ্বক পৰিৰোধ কৰে যাতে সেই ব্যক্তিজনৰ নিৰ্দিষ্ট পৰিসীমা অতিক্ৰম কৰি অগ্ৰসৰ হোৱাৰ পৰা নিবাৰিত কৰা হয় তেওঁ, সেই ব্যক্তিজনক "সদোষ পৰিৰোধ কৰা বুলি কোৱা হয়।

### দৃষ্টান্তসমূহ

(ক) 'ক'ই 'জ'ক বেৰাৰে আবৃত ঠাই এডোখৰৰ ভিতৰলৈ যাবলৈ বাধ্য কৰিলে, আৰু 'জ'ক তাৰ ভিতৰত তলা মাৰি থ'লে। এনেদৰে 'জ'ক বেৰাখনৰ পৰিসীমাৰ ৰেখা পাৰ হৈ যিকোনো দিশলৈ অগ্ৰসৰ হোৱাৰ পৰা নিবাৰিত কৰা হ'ল। 'ক'ই 'জ'ক দোষপূৰ্বক পৰিৰোধ কৰিলে।

(খ) 'ক'ই আগ্নেয়াস্ত্ৰ সহ মানুহ কিছুমান ঘৰ এটাৰ ওলাই যোৱা পথত ৰাখিলে আৰু 'জ'ক কলে যে যিহতে 'জ'ক গুলীয়াব যদিহে 'জ'ই ঘৰটোৰ পৰা ওলাই যাবলৈ যত্ন কৰে। 'ক'ই 'জ'ক দোষ পূৰ্বক পৰিৰোধ কৰিলে।

**সদোষ অৱৰোধৰ বাবে দণ্ড।**

৩৪১। যিয়ে, কোনো ব্যক্তিক দোষপূৰ্বক অৱৰোধ কৰে, তেওঁ সাধাৰণ কাৰাবাসৰে যাৰ অৱধি একমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমণাৰে, যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

**সদোষ পৰিৰোধৰ বাবে দণ্ড।**

৩৪২। যিয়ে, কোনো ব্যক্তিক দোষপূৰ্বক পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমণাৰে, যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

**তিনি বা অধিক দিনৰ বাবে সদোষ পৰিৰোধ।**

৩৪৩। যিয়ে, তিনি বা অধিক দিনৰ বাবে কোনো ব্যক্তিক দোষপূৰ্বক পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

**দহ বা অধিক দিনৰ বাবে সদোষ পৰিৰোধ।**

৩৪৪। যিয়ে, কোনো ব্যক্তিক দহ বা অধিক দিনৰ বাবে দোষপূৰ্বক পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনিবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**এনে ব্যক্তিৰ সদোষ পৰিৰোধ যাৰ মুক্তিৰ বাবে ৰিট জাৰি কৰা হৈছে।**

৩৪৫। যিয়ে, এনে কোনো ব্যক্তিক, সেই ব্যক্তিজনৰ মুক্তিৰ বাবে ৰিট এখন সম্যকৰূপে জাৰি কৰা হৈছে বুলি জানিও সদোষ পৰিৰোধত ৰাখে তেওঁ, এই অধ্যায়ৰ আন কোনো ধাৰাৰ অধীনত দায়ী হব পৰা যি কোনো অৱধিৰ কাৰাবাসৰ উপৰিও দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব।

**গোপন স্থানত সদোষ পৰিৰোধ।**

৩৪৬। যিয়ে, কোনো ব্যক্তিক এনে ধৰণে দোষপূৰ্বক পৰিৰোধ কৰি ৰাখে যাৰ দ্বাৰা এনে এটা অভিপ্ৰায় প্ৰতীত হয় যে তেনে ব্যক্তিৰ পৰিৰোধৰ বিষয়ে তেনেদৰে পৰিৰুদ্ধ ব্যক্তিজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তি বা কোনো লোকসেৱকে জানিব পৰা নহয় বা তেনেদৰে পৰিৰোধৰ ঠাইখনৰ বিষয়ে ইয়াৰ ওপৰত উল্লেখ কৰা তেনে কোনো ব্যক্তি বা লোকসেৱকে জানিব পৰা নহয় বা আবিষ্কাৰ কৰিব পৰা নহয়, তেনে সদোষ পৰিৰোধৰ বাবে তেওঁ দায়ী হব পৰা আন কোনো দণ্ডৰ উপৰিও দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব।

**সম্পত্তি বলেৰে আদায় কৰিবলৈ বা অবৈধ কাৰ্য্য কৰাৰ বাবে বাধ্য কৰিবলৈ সদোষ পৰিৰোধ।**

৩৪৭। যিয়ে, পৰিৰুদ্ধ ব্যক্তিজন বা পৰিৰুদ্ধ ব্যক্তিজনত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা, কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি, বলেৰে আদায় কৰাৰ উদ্দেশ্যে বা পৰিৰুদ্ধ ব্যক্তিজন বা এনে ব্যক্তিক স্বাৰ্থজড়িত কোনো ব্যক্তিক অবৈধ কাৰ্য্য কৰিবলৈ বা কোনো সংবাদ দিবলৈ যিটোৱে কোনো অপৰাধৰ সংঘটন সহজ সাধ্য কৰে, বাধ্য কৰাৰ বাবে কোনো ব্যক্তিক দোষপূৰ্বক পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্বীকাৰোক্তি বলপূৰ্বক আদায় কৰিবলৈ বা সম্পত্তি প্ৰত্যৰ্পণ কৰিবলৈ বাধ্য কৰাৰ বাবে সদোষ পৰিৰোধ।**

৩৪৮। যিয়েই, পৰিৰুদ্ধ ব্যক্তিৰ বা পৰিৰুদ্ধ ব্যক্তিজনত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো স্বীকাৰোক্তি বা এনে কোনো সংবাদ যিটোৱে কোনো অপৰাধ বা অসদাচৰণ ধৰা পেলাবলৈ বাট দেখুৱাব পাৰে, বলেৰে লোৱাৰ উদ্দেশ্যে বা পৰিৰুদ্ধ ব্যক্তিজনক বা পৰিৰুদ্ধ ব্যক্তিজনত স্বাৰ্থজড়িত যি কোনো ব্যক্তিক কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি প্ৰত্যৰ্পণ কৰিবলৈ বা কোনো দাবী বা অভিযাচন পূৰণ কৰিবলৈ, বা এনে কোনো সংবাদ দিবলৈ যিটোৱে কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি প্ৰত্যৰ্পণ কৰিবলৈ বাট দেখুৱাব পাৰে, দিবলৈ বাধ্য কৰাৰ উদ্দেশ্যে, কোনো ব্যক্তিক সদোষ পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

### আপৰাধিক বল আৰু অভ্যাঘাতৰ বিষয়ে

**বল।**

৩৪৯। কোনো ব্যক্তিয়ে আন এজনৰ প্ৰতি বল প্ৰয়োগ কৰা বুলি কোৱা হয় যদি তেওঁ সেই ব্যক্তিজনৰ গতি, গতিৰ পৰিবৰ্তন বা গতিৰ অন্ত ঘটায়, বা যদিহে তেওঁ কোনো পদাৰ্থৰ এনে গতি, বা গতিৰ পৰিবৰ্তন বা গতিৰ অন্ত ঘটায় যিটোৱে সেই পদাৰ্থটোক সেই অন্যজনৰ দেহৰ কোনো অংশৰ লগত সংস্পৰ্শলৈ আনে, বা আন কোনো বস্তুৰ লগত যিটো সেই অন্যজনে পিন্ধি আছে বা লৈ আছে বা এনেদৰে অৱস্থিত এনে কোনো বস্তুৰ লগত তেনে সংস্পৰ্শই সেই অন্যজনৰ অনুভূতিৰ জ্ঞানক প্ৰভাৱিত কৰে : পৰন্তু, গতি, গতিৰ পৰিবৰ্তন বা গতিৰ অন্ত ঘটোৱা ব্যক্তিজনে সেই গতি, গতিৰ পৰিবৰ্তন বা গতিৰ অন্ত ইয়াত ইয়াৰ পাছত বৰ্ণিত তিনিটা উপায়ৰ কোনো এটা উপায়েৰে ঘটায় :-

**প্ৰথম** - তেওঁ নিজৰ দৈহিক শক্তিৰ দ্বাৰা।

**দ্বিতীয়** - কোনো পদাৰ্থ এনে ধৰণে ব্যয়ন কৰি যে সেই গতি, গতিৰ পৰিবৰ্তন বা গতিৰ অন্ত তেওঁৰ দ্বাৰা বা আন কোনো ব্যক্তিৰ দ্বাৰা আন কোনো অধিক কাৰ্য্য নকৰাকৈয়ে ঘটে।

**তৃতীয়** - কোনো জন্তুক গতি কৰিবলৈ, ইয়াৰ গতি পৰিবৰ্তন কৰিবলৈ, বা গতি বন্ধ কৰিবলৈ উৎপ্ৰেৰিত কৰে।

আপৰাধিক বল।

৩৫০। যিয়ে, কোনো ব্যক্তিৰ প্ৰতি, সেই ব্যক্তিজনৰ সন্মতিবিনা, কোনো অপৰাধ সংঘটিত কৰিবলৈ, বা অভিপ্ৰেত তেনে বল প্ৰয়োগৰ দ্বাৰা তেওঁ সেই ব্যক্তিজনৰ, যিজনৰ প্ৰতি বল প্ৰয়োগ কৰা হৈছে ক্ষতি কৰা, ভয় বা বিৰক্তি জন্মোৱাৰ অভিপ্ৰায় কৰি বা এনে বল প্ৰয়োগৰ দ্বাৰা, এনে ক্ষতি, ভয় বা বিৰক্তি জন্মোৱাৰ সম্ভাৱনা আছে বুলি জানিও অভিপ্ৰায়েৰে বল প্ৰয়োগ কৰে, তেওঁ সেই অন্যজনৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰা বুলি কোৱা হয়।

## দৃষ্টান্তসমূহ

(ক) নদীৰ পাৰত লঙৰ পেলাই বান্ধি ৰখা নাওঁ এখনত "জ" বহি আছে। 'ক' ই লঙৰৰ গাঠি খুলি দিলে আৰু এনেদৰে অভিপ্ৰায়েৰে নাওঁখন ভাটীৰ ফাললৈ সোঁতত উটি যাবলৈ দিলে। ইয়াত 'ক' ই অভিপ্ৰায়েৰে 'জ'ৰ গতিৰ সাললসলনি কৰিছে আৰু তেওঁ এইটো এটা বস্তু এনে ধৰণে ব্যৱহাৰ কৰি কৰিলে যে আন কোনো ব্যক্তিৰ দ্বাৰা আন কাৰ্য্য নকৰাকৈয়ে গতিটো উৎপন্ন হ'ল। গতিকে 'ক' ই 'জ' ৰ ওপৰত অভিপ্ৰায়েৰে বল প্ৰয়োগ কৰিলে ; আৰু যদিহে তেওঁ 'জ' ৰ সন্মতিবিনা কোনো অপৰাধ সংঘটিত কৰাৰ বাবে বা এই বল প্ৰয়োগে 'জ' ৰ ক্ষতি কৰিব, ভয় বা বিৰক্তি জন্মাব এনে অভিপ্ৰায়েৰে বা সম্ভাব্য বুলি জানিও, এনেদৰে কৰিছে তেন্তে 'ক' ই 'জ' ৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিছে।

(খ) 'জ' ই এখন ৰথ চলাই গৈছে। 'ক' ই 'জ'ৰ ঘোঁৰাবোৰক চাবুকেৰে কোবালে আৰু তাৰ দ্বাৰা সিহঁতৰ পদচালনা ক্ষিপ্ৰ কৰিবলৈ উৎপ্ৰেৰিত কৰি 'জ'ৰ গতিৰ পৰিবৰ্তন ঘটালে। গতিকে 'ক' ই 'জ'ৰ ওপৰত বল প্ৰয়োগ কৰিছে ; আৰু যদিহে 'ক' ই এইটো 'জ' ৰ সন্মতিবিনা এনেদৰে অভিপ্ৰায় কৰি বা এইটো সম্ভাব্য বুলি জানিও কৰিছে যে তেওঁ তাৰ দ্বাৰা 'জ' ৰ ক্ষতি কৰিব, ভীত কৰিব বা বিৰক্তি জন্মাব তেন্তে 'ক' ই 'জ' ৰ ওপৰত আপৰাধিক বল প্ৰয়োগ কৰিলে।

(গ) 'জ' ই এখন পাল্কীত উঠি গৈ আছে। 'ক'ই 'জ'ক লুণ্ঠন কৰাৰ অভিপ্ৰায়েৰে পাল্কীৰ মুৰটোত ধৰিলে আৰু পাল্কীখন যোৱা বন্ধ কৰিলে। ইয়াত 'ক' ই 'জ' ৰ গতিৰ অন্ত ঘটালে ; আৰু তেওঁ এইটো তেওঁৰ নিজৰ দৈহিক শক্তিৰে কৰিলে। গতিকে 'ক' ই 'জ' ৰ ওপৰত বল প্ৰয়োগ কৰিলে ; আৰু যিহেতু 'ক' ই 'জ' ৰ সন্মতিবিনা এটা অপৰাধ সংঘটিত কৰাৰ উদ্দেশ্যে এনেদৰে অভিপ্ৰায়েৰে কাৰ্য্য কৰিলে, 'ক' ই 'জ' ৰ ওপৰত আপৰাধিক বল প্ৰয়োগ কৰিলে।

(ঘ) 'ক' ই ৰাজ্পথত অভিপ্ৰায়েৰে 'জ' ক ঠেলি দিলে। ইয়াত 'ক' ই তেওঁৰ নিজৰ দৈহিক শক্তিৰ দ্বাৰা তেওঁৰ নিজৰ দেহ এনেদৰে লৰালে যেন ইয়াক 'জ' ৰ সংস্পৰ্শলৈ আনিব পাৰে। গতিকে তেওঁ 'জ' ৰ ওপৰত অভিপ্ৰায়েৰে বল প্ৰয়োগ কৰিলে ; আৰু যদিহে তেওঁ 'জ' ৰ সন্মতিবিনা এনেদৰে অভিপ্ৰায় কৰি বা সম্ভাব্য বুলি জানিও এনেদৰে কৰিছে যে তেওঁ তাৰ দ্বাৰা 'জ' ৰ ক্ষতি কৰিব, তেওঁক ভীত কৰিব বা বিৰক্ত কৰিব তেন্তে তেওঁ 'জ' ৰ ওপৰত আপৰাধিক বল প্ৰয়োগ কৰিছে।

(ঙ) 'ক' ই এটা শিলগুটি দলিয়ালে এই অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে শিলটো এনেদৰে 'জ' ৰ বা 'জ' ৰ কাপোৰৰ বা 'জ' ই কঢ়িয়াই নিয়া কোনো বস্তুৰ সংস্পৰ্শলৈ অনা হব, বা এইটো পানীত পৰিব আৰু পানীখিনি 'জ' ৰ কাপোৰত বা 'জ' ই কঢ়িয়াই নিয়া কোনো বস্তুত ছিটিকনি খাই পৰিব। ইয়াত, যদিহে শিলটো দলিওৱাৰ ফলত কোনো পদাৰ্থ 'জ' ৰ বা 'জ' ৰ কাপোৰৰ সংস্পৰ্শলৈ অহাটো ঘটে, 'ক' ই 'জ' ৰ প্ৰতি বল প্ৰয়োগ কৰিছে ; আৰু যদিহে তেওঁ 'জ'ৰ সন্মতিবিনা তাৰ দ্বাৰা 'জ'ক ক্ষতি কৰা, ভীত কৰা বা বিৰক্তি জন্মোৱাৰ অভিপ্ৰায়েৰে এনেদৰে কৰিছে, তেন্তে তেওঁ 'জ'ৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিছে।

(চ) 'ক'ই অভিপ্ৰায়েৰে কোনো তিৰোতাৰ ওৰণি গুচাই দিলে। ইয়াত 'ক'ই অভিপ্ৰায়েৰে তেওঁৰ প্ৰতি বল প্ৰয়োগ কৰিছে, আৰু যদিহে তেওঁ তিৰোতা গৰাকীৰ সন্মতিবিনা, এনে অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে তাৰ দ্বাৰা তেওঁ তিৰোতা গৰাকীক ক্ষতি কৰিব, ভীত কৰিব বা বিৰক্ত কৰিব পাৰে, তেন্তে তেওঁ তিৰোতা গৰাকীৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিছে।

(ছ) 'জ'ই স্নান কৰি আছে। স্নান কৰা পানীখিনিত 'ক'ই পানী ঢালি দিলে, যি পানী উতলি থকা বুলি তেওঁ জানে। ইয়াত 'ক'ই অভিপ্ৰায় পূৰ্বক তেওঁৰ দৈহিক শক্তিৰ দ্বাৰা উতলি থকা পানীখিনিৰ এনে

গতি ঘটালে যি গতিয়ে সেই পানীখিনি 'জ'ৰ সংস্পৰ্শলৈ, বা এনেদৰে থকা আন পানীৰ সংস্পৰ্শলৈ আনিলে যে তেনে সংস্পৰ্শই 'জ'ৰ অনুভূতি জ্ঞান নিশ্চয় প্ৰভাবিত কৰিব, গতিকে 'ক'ই অভিপ্ৰায়েৰে 'জ'ৰ প্ৰতি বল প্ৰয়োগ কৰিছে ; আৰু যদিহে তেওঁ এইটো 'জ'ৰ সম্মতি বিনা এনে অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে তেওঁ তাৰ দ্বাৰা 'জ'ক ক্ষতি কৰিব, ভয় বা বিৰক্তি ওপজাব পাৰে, তেন্তে 'ক'ই আপৰাধিক বল প্ৰয়োগ কৰিছে।

(ঞ) 'ক'ই 'জ'ৰ সম্মতি বিনা এটা কুকুৰক 'জ'ৰ ওপৰত জপিয়াই উঠিবলৈ উচটালে। ইয়াত যদিহে 'ক'ই 'জ'ৰ ক্ষতি কৰাৰ, ভয় বা বিৰক্তি জন্মোৱাৰ অভিপ্ৰায় কৰিছে, তেন্তে তেওঁ 'জ'ৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিছে।

**অভ্যাঘাত**

৩৫১। যিয়ে, কোনো অঙ্গিভঙ্গি বা কোনো প্ৰস্তুতি এনে অভিপ্ৰায়েৰে কৰে বা এইটো সম্ভাব্য বুলি জানিও কৰে যে, এনে অঙ্গিভঙ্গি বা প্ৰস্তুতিয়ে উপস্থিত থকা কোনো ব্যক্তিৰ মনত এনে আশংকা জন্মায় যে তেনে অঙ্গিভঙ্গি বা প্ৰস্তুতি কৰা ব্যক্তিজনে সেই ব্যক্তিজনৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিবলৈ ওলাইছে, তেওঁ অভ্যাঘাত সংঘটিত কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ** - কেৱল কথাই অভ্যাঘাত এটাৰ পৰ্য্যায়ভুক্ত নহয়। কিন্তু এজন ব্যক্তিয়ে প্ৰয়োগ কৰা কথাবোৰে তেওঁৰ অঙ্গিভঙ্গি বা প্ৰস্তুতিৰ এনে এটা অৰ্থ দিব পাৰে যিটোৱে সেই অঙ্গিভঙ্গি বা প্ৰস্তুতিবোৰক অভ্যাঘাতৰ পৰ্য্যায়ভুক্ত কৰিব পাৰে।

**দৃষ্টান্তসমূহ**

(ক) 'ক'ই 'জ'ৰ প্ৰতি তেওঁৰ মুঠিটো এনে অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও জোকাৰিলে যে তেওঁ তাৰ দ্বাৰা 'জ'ৰ মনত এনেদৰে বিশ্বাস ওপজাব পাৰে যে 'ক'ই 'জ'ক মাৰিবলৈ ওলাইছে। 'ক'ই এটা অভ্যাঘাত কৰিলে।

(খ) 'ক'ই এটা হিংস্ৰ কুকুৰৰ মুখ বন্ধনী এনে অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও খুলিবলৈ আৰম্ভ কৰিলে যে তেওঁ তাৰ দ্বাৰা 'জ'ৰ মনত এনেদৰে বিশ্বাস ওপজাব পাৰে যে তেওঁ কুকুৰটোৰ দ্বাৰা 'জ'ক আক্ৰমণ কৰাবলৈ ওলাইছে। 'ক'ই 'জ'ৰ প্ৰতি এটা অভ্যাঘাত কৰিলে।

(গ) 'মই তোমাক এপিটন দিম' 'জ'ক এই বুলি কৈ 'ক'ই এডাল লাঠি ললে। ইয়াত, যদিহে 'ক'ই প্ৰয়োগ কৰা শব্দবোৰ কোনো ক্ষেত্ৰতেই অভ্যাঘাতৰ পৰ্য্যায়ভুক্ত হব নোৱাৰে, আৰু যদিহে কেৱল অঙ্গিভঙ্গিয়েই আন কোনো পৰিস্থিতিৰ অবৰ্তমানত অভ্যাঘাতৰ পৰ্য্যায়ভুক্ত হব নোৱাৰিলেহেঁতেন, তথাপিও অঙ্গিভঙ্গিটো কথাখিনিৰে স্পষ্টীকৰণ হোৱাৰ পাছত অভ্যাঘাতৰ পৰ্য্যায়ভুক্ত হব পাৰে।

**গম্ভীৰ প্ৰকোপনত কৰাৰ বাহিৰে অন্যথা অভ্যাঘাত বা আপৰাধিক বলৰ বাবে দণ্ড।**

৩৫২। যিয়ে, কোনো ব্যক্তিক সেই ব্যক্তিজনে দিয়া গম্ভীৰ আৰু আচম্বিত প্ৰকোপনত বাহিৰে অন্যথা অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি মাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমণাৰে, যি পাচঁশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে, দণ্ডিত হব।

**স্পষ্টীকৰণ** - গম্ভীৰ আৰু আচম্বিত প্ৰকোপনে এই ধাৰাৰ অধীনৰ দণ্ড লঘু নকৰে যদিহে অপৰাধীজনৰ দ্বাৰা অপৰাধটোৰ কাৰণ হিচাপে প্ৰকোপনটো বিচৰা হয় বা স্বেচ্ছাকৃতভাৱে প্ৰকোপিত কৰা হয়, বা

যদিহে, বিধিৰ পালনক্ৰমে কোনো কাৰ্য্য কৰি প্ৰকোপনটো দিয়া হয়, বা কোনো লোকসেৱকৰ দ্বাৰা তেনে লোকসেৱকৰ ক্ষমতাৰ বিধিসম্মত প্ৰয়োগত, বা

যদিহে, প্ৰকোপনৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ বিধিসম্মত প্ৰয়োগত কোনো কাৰ্য্য কৰি দিয়া হয়,

অপৰাধটো লঘু কৰিব পৰাকৈ প্ৰকোপনটো গম্ভীৰ আৰু আচম্বিত আছিল নে নাই, এইটো এটা তথ্যৰ প্ৰশ্ন।

**লোক সেৱকক তেওঁৰ কৰ্ত্তব্য নিৰ্বহন কৰাত বিৰত কৰিবলৈ কৰা অভ্যাঘাত বা আপৰাধিক বল।**

৩৫৩। যিয়ে, এনে কোনো ব্যক্তিক, যিজন ব্যক্তিয়ে লোকসেৱক হৈ তেনে লোকসেৱকৰূপে তেওঁৰ কৰ্ত্তব্য নিৰ্বহন কৰি থাকোতে, বা সেই ব্যক্তিজনক তেনে লোকসেৱকৰূপে তেওঁৰ কৰ্ত্তব্য নিৰ্বহন নিবাৰিত কৰাৰ বা বিৰত কৰাৰ অভিপ্ৰায়েৰে বা তেনে ব্যক্তিয়ে তেনে লোকসেৱকৰূপে তেওঁৰ কৰ্ত্তব্যৰ বিধিসম্মত নিৰ্বহন কৰি কোনো কাৰ্য্য কৰাৰ বা কৰিবলৈ প্ৰয়াস কৰাৰ ফলস্বৰূপে, অভ্যাঘাত কৰে বা আপৰাধিক বল

প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

নাৰীৰ শালীনতা হানি কৰা অভিপ্ৰায়েৰে তেনে নাৰীৰ প্ৰতি কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৪। যিয়ে, কোনো নাৰীৰ শালীনতা হানি কৰাৰ অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে তেওঁ তাৰ দ্বাৰা তেওঁৰ শালীনতা হানি কৰিব, কোনো নাৰীক অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

ব্যক্তিক অসম্মান কৰাৰ অভিপ্ৰায়েৰে গম্ভীৰ প্ৰকোপনত বাহিৰে অনাথা কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৫। যিয়ে, কোনো এজন ব্যক্তিক, তাৰ দ্বাৰা সেই ব্যক্তিজনক অসম্মান কৰাৰ অভিপ্ৰায়েৰে সেই ব্যক্তিজনে দিয়া গম্ভীৰ আৰু আচম্বিত প্ৰকোপনত বাহিৰে অন্যথা অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব।

কোনো ব্যক্তিয়ে বহন কৰি নিয়া সম্পত্তি চুৰি কৰাৰ প্ৰয়াস কৰি কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৬। যিয়ে, কোনো ব্যক্তিক, সেই সময়ত সেই ব্যক্তিজনে পিন্ধি থকা বা বহন কৰি নিয়া কোনো সম্পত্তি চুৰি কৰিবলৈ প্ৰয়াস কৰি অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

কোনো ব্যক্তিক দোষপূৰ্বক পৰিৰোধ কৰিবলৈ প্ৰয়াস কৰি কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৭। যিয়ে, কোনো ব্যক্তিক, সেই ব্যক্তিজনক দোষপূৰ্বক পৰিৰোধ কৰিবলৈ প্ৰয়াস কৰি, অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা উভয়ৰে দণ্ডিত হব।

গম্ভীৰ প্ৰকোপনত কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৮। যিয়ে, কোনো ব্যক্তিক, সেই ব্যক্তিজনে দিয়া গম্ভীৰ আৰু আচম্বিত প্ৰকোপনত অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসেৰে, যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি দুশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - অন্তিম ধাৰাটো ধাৰা ৩৫২ যি স্পষ্টীকৰণৰ অধ্যধীন সেই একেটা স্পষ্টীকৰণৰেই অধ্যধীন।

**মনুষ্যাপহৰণ, অপহৰণ, দাসত্ব আৰু বলেৰে কৰোৱা শ্ৰমৰ বিষয়ে**

মনুষ্যাপহৰণ।

৩৫৯। মনুষ্যাপহৰণ দুই প্ৰকাৰৰ, [1][ভাৰত]ৰ পৰা মনুষ্যাপহৰণ আৰু বিধিসম্মত অভিভাৱকত্বৰ পৰা মনুষ্যাপহৰণ।

ভাৰতৰ পৰা মনুষ্যাপহৰণ।

৩৬০। যিয়ে, কোনো ব্যক্তিক, সেই ব্যক্তি জনৰ বা সেই ব্যক্তিজনৰ হকে সম্মতি দিবলৈ বৈধৰূপে প্ৰাধিকৃত কোনো ব্যক্তিৰ সম্মতিবিনা, [1][ভাৰত] ৰ পৰিসীমাৰ বাহিৰলৈ পাৰ কৰি নিয়ে, তেওঁ সেই ব্যক্তিজনক [1][ভাৰত]ৰ পৰা মনুষ্যাপহৰণ কৰা বুলি কোৱা হয়।

বিধিসম্মত অভিভাৱকত্বৰ পৰা মনুষ্যাপহৰণ।

৩৬১। যিয়ে, কোনো অৱয়স্কক, [2][যোল্ল] বছৰ বয়সৰ তলত থকা যদিহেপুৰুষ হয়, বা [3][ওঠৰ] বছৰ বয়সৰ তলত থকা যদিহে নাৰী হয়, বা অসুস্থ চিত্তৰ কোনো ব্যক্তিক, তেনে অৱয়স্ক বা অসুস্থ চিত্তৰ ব্যক্তিৰ বিধিসম্মত অভিভাৱকৰ ৰক্ষণাবেক্ষণৰ পৰা তেনে অভিভাৱকৰ সম্মতিবিনা আতৰাই লৈ যায় বা ফুচুলাই নিয়ে, তেওঁ তেনে অৱয়স্কক বা ব্যক্তিক বিধিসম্মত অভিভাৱকত্বৰ পৰা মনুষ্যাপহৰণ কৰা বুলি কোৱা হয়।

---

১। "বৃটিছ ভাৰত" শব্দসমূহ অনুক্ৰমিক ভাবে অনুকূলন আদেশ, ১৯৪৮, আ আঃ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়ম আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত মতে পঠিত হবলৈ প্ৰতিষ্ঠাপিত হৈছে।

২। ১৯৪৯ চনৰ ৪২ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা "চৈধ্য"ৰ বাবে প্ৰতিষ্ঠাপিত।

৩। একে অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা "যোল্ল"ৰ বাবে প্ৰতিষ্ঠাপিত।

স্পষ্টীকৰণ - এই ধাৰাত 'বিধিসম্মত অভিভাৱক' শব্দসমূহে তেনে অৱয়স্ক বা অন্য ব্যক্তিৰ তত্ত্বাবধান বা অভিৰক্ষাৰ ভাৰ বিধিসম্মত ভাৱে ন্যস্ত হোৱা কোনো ব্যক্তিকো অন্তৰ্ভুক্ত কৰে।

ব্যতিক্ৰম - এই ধাৰাটো এনে কোনো ব্যক্তিলৈ বিস্তাৰিত নহয় যিজন সদ্ বিশ্বাসত তেওঁ নিজকে এজন অবৈধ সন্তানৰ পিতৃ বুলি বিশ্বাস কৰে, বা যিজন সদ্ বিশ্বাসত তেওঁ নিজকে তেনে সন্তানৰ বিধি সম্মত অভিৰক্ষাৰ বাবে হকদাৰ বুলি বিশ্বাস কৰে, যদিহে তেনে কাৰ্য্য কোনো অনৈতিক বা অবৈধ উদ্দেশ্যৰ বাবে সংঘটিত কৰা নহয়।

অপহৰণ।

৩৬২। যিয়ে, কোনো ব্যক্তিক কোনো স্থনৰ পৰা যাবলৈ বলেৰে বাধ্য কৰে বা কোনো প্ৰতাৰণামূলক উপায়েৰে উৎপ্ৰেৰিত কৰে, তেওঁ সেই ব্যক্তিজনক অপৰহণ কৰা বুলি কোৱা হয়।

মনুষ্যাপৰহণৰ বাবে দণ্ড।

৩৬৩। যিয়ে, কোনো ব্যক্তিক [1][ভাৰত] ৰ পৰা বা বিধিসম্মত অভিভাৱকত্বৰ পৰা মনুষ্যাপহৰণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

ভিক্ষা কৰাৰ উদ্দেশ্যে অৱয়স্কক মনুষ্যাপহৰণ কৰা বা অংগহীন কৰা।

[2][৩৬৩ক।(১) যিয়ে, কোনো অৱয়স্কক মনুষ্যাপহৰণ কৰে বা অৱয়স্কৰ বিধিসম্মত অভিভাৱক নোহোৱাকৈ, অৱয়স্কজনৰ অভিৰক্ষাৰ ভাৰ লাভ কৰে, যাতে এনে অৱয়স্কক ভিক্ষা কৰাৰ বাবে নিযুক্তি কৰিব বা ব্যৱহাৰ কৰা যায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডনীয় হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

(২) যিয়ে, কোনো অৱয়স্কক অঙ্গহীন কৰে যাতে তেনে অৱয়স্কক ভিক্ষা কৰাৰ বাবে নিযুক্ত কৰিব বা ব্যৱহাৰ কৰিব পৰা যায়, তেওঁ আজীৱন কাৰাবাসৰে দণ্ডনীয় হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

(৩) যি ক্ষেত্ৰত কোনো ব্যক্তিয়ে, যিজন অৱয়স্ক এজনৰ বিধিসম্মত অভিভাৱক নহয়, তেনে অৱয়স্ক জনক ভিক্ষা কৰাৰ বাবে নিযুক্ত কৰিব বা ব্যৱহাৰ কৰে, প্ৰতিকূলে প্ৰমাণিত নহলে এইটো প্ৰাক্কল্পনা কৰা হব, যে তেওঁ সেই অৱয়স্কজনক মনুষ্যাপহৰণ কৰিছিল বা আন প্ৰকাৰে তেওঁৰ অভিৰক্ষা লাভ কৰিছিল যাতে সেই অৱয়স্কজনক ভিক্ষা কৰাৰ বাবে নিযুক্ত কৰিব বা ব্যৱহাৰ কৰিব পৰা যায়।

(৪) এই ধাৰাত -

(ক) "ভিক্ষা কৰা" মানে—

(I) গান গোৱাৰ, নচাৰ, ভাগ্য গণনা কৰাৰ, কৌশল প্ৰদৰ্শনৰ ভাওঁ জুৰিয়ে হওঁক বা বস্তু বিক্ৰী কৰিয়েই হওঁক বা অন্যথাই হওঁক, ৰাজহুৱা স্থানত ভিক্ষা খোজা বা ভিক্ষা লোৱা ;

(II) ভিক্ষা খোজা বা ভিক্ষা লোৱাৰ উদ্দেশ্যে কোনো ব্যক্তিগত প্ৰাঙ্গনত প্ৰৱেশ কৰা ;

(III) ভিক্ষা লাভ বা আদায় কৰাৰ উদ্দেশ্যে তেওঁৰ নিজৰেই হওঁক বা আন কোনো ব্যক্তিৰেই হওঁক বা জীৱ জন্তুৰ হওঁক কোনো ঘা, আঘাত, ক্ষতি, বিকলাঙ্গতা বা বেমাৰ উদঙাই ৰখা বা প্ৰদৰ্শন কৰা,

(IV) ভিক্ষা খোজা বা লোৱাৰ বাবে অৱয়স্কক প্ৰদৰ্শিতৰ ৰূপত ব্যৱহাৰ কৰা;

(খ) "অৱয়স্ক" মানে -

(I) পুৰুষৰ ক্ষেত্ৰত, যোল্ল বছৰ বয়সৰ তলত এজন ব্যক্তি, আৰু

(II) নাৰীৰ ক্ষেত্ৰত, ওঠৰ বছৰ বয়সৰ তলৰ এগৰাকী ব্যক্তি।]

---

১। "বৃটিছ ভাৰত" শব্দসমূহ অনুক্ৰমিক ভাৱে অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়ম আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত মতে পঠিত হবলৈ প্ৰতিস্থাপিত হৈছে।

২। ১৯৫৯ চনৰ ৯ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা অন্তঃস্থাপিত (১৫-১-১৯৬০ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

**হত্যা কৰাৰ বাবে কৰা মনুষ্যাপহৰণ বা অপহৰণ।**

৩৬৪। যিয়ে, কোনো ব্যক্তিক মনুষ্যাপহৰণ কৰে বা অপহৰণ কৰে যাতে তেনে ব্যক্তিক হত্যা কৰিব পৰা যায় বা যাতে তেওঁৰ এনেদৰে ব্যৱস্থা কৰিব পৰা যায় যেন তেওঁক হত্যা কৰাৰ বিপদৰ সম্মুখীনহে কৰা যায়, তেওঁ [১][ আজীৱন কাৰাবাস] ৰে বা সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

দৃষ্টান্তসমূহ

(ক) দেৱমূৰ্ত্তিৰ উদ্দেশ্যে 'জ'ক বলি দিয়াৰ অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে 'জ'ক বলি দিয়া হব 'ক' ই 'জ' ক [২][ভাৰত] ৰ পৰা মনুষ্যাপহৰণ কৰিলে। 'ক' ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিলে।

(খ) 'ক' ই 'খ'ক তেওঁৰ ঘৰৰ পৰা বলপূৰ্বক ধৰি নিলে বা ফুচুলাই নিলে যাতে 'খ'ক হত্যা কৰিব পৰা যায়। 'ক' ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

**মুক্তিধন, ইত্যাদিৰ বাবে মনুষ্যাপহৰণ।**

৩৬৪ ক। [৩][যিয়ে, কোনো ব্যক্তিক মনুষ্যাপহৰণ বা অপহৰণ কৰে বা এনে মনুষ্যাপহৰণ বা অপহৰণৰ পিছত কোনো ব্যক্তিক নিৰোধ কৰি ৰাখে, আৰু এনে ব্যক্তিক মৃত্যু ঘটাবলৈ বা আঘাত দিয়াবলৈ ভাবুকি দিয়ে বা তেওঁৰ আচৰণৰ দ্বাৰা এনে ব্যক্তিক মৃত্যু ঘটোৱাৰ বা আঘাত দিয়াৰ যুক্তিসঙ্গত আশংকাৰ উদ্ভৱ হয়, বা কোনো কাৰ্য্য কৰিবলৈ বা কোনো কাৰ্য্য কৰাৰ পৰা বিৰত ৰাখিবলৈ বা কোনো মুক্তি ধন আদায় দিবলৈ চৰকাৰ বা [৪][কোনো বিদেশী ৰাজ্য বা আৰ্ন্ত ৰাষ্ট্ৰীয়, আন্তঃচৰকাৰী সংস্থা বা আন কোনো ব্যক্তিক] বাধ্য কৰিবলৈ এনে ব্যক্তিক আঘাত দিয়ায় বা মৃত্যু কাৰিত কৰায়, তেওঁ মৃত্যু বা আজীৱন কাৰাবাসেৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।]

**কোনো ব্যক্তিক গোপনে আৰু দোষ পূৰ্বক পৰিৰোধ কৰি ৰখাৰ অভিপ্ৰায়েৰে কৰা মনুষ্যাপহৰণ বা অপহৰণ।**

৩৬৫। যিয়ে, কোনো ব্যক্তিক, সেই ব্যক্তিজনক গোপনে আৰু দোষপূৰ্বক পৰিৰোধ কৰি ৰখাৰ অভিপ্ৰায়েৰে মনুষ্যাপহৰণ কৰে বা অপহৰণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**বিবাহ আদি কৰিবলৈ বাধ্য কৰাৰ কাৰণে কোনো নাৰীক মনুষ্যাপহৰণ, অপহৰণ বা উৎপ্ৰেৰিত কৰা।**

৩৬৬। যিয়ে, কোনো নাৰীৰ মনুষ্যাপহৰণ বা অপহৰণ তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে কোনো ব্যক্তিৰ লৈতে বিবাহ কৰাৰ কাৰণে সেই নাৰীক বাধ্য কৰাৰ অভিপ্ৰায়েৰে বা তেওঁক বাধ্য কৰা হব এইটো সম্ভাব্য বুলি জানি বা অবৈধ সঙ্গম কৰাৰ নিমিত্তে সেই নাৰীক বাধ্য বা প্ৰলোভিত কৰাৰ নিমিত্তে বা সেই নাৰীক অবৈধ সঙ্গম কৰাৰ নিমিত্তে বাধ্য বা প্ৰলোভিত হব এইটো সম্ভাব্য বুলি জানি, কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব [৫][আৰু যিয়েই কোনো নাৰীক কোনো অন্য ব্যক্তিৰ লৈতে অবৈধ সঙ্গম কৰাৰ নিমিত্তে বাধ্য বা প্ৰলোভিত কৰাৰ অভিপ্ৰায়েৰে বা তেওঁক বাধ্য বা প্ৰলোভিত কৰা হব এইটো সম্ভাব্য বুলি জানি এই সংহিতাত যথা পৰিভাষিত আপৰাধিক

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২। "বৃটিছ ভাৰত" শব্দসমূহ আনুক্ৰমিকভাৱে অঃ আদেশ ১৯৪৮, অঃ আঃ ১৯৫০ আৰু অঃ আঃ ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্তভাৱে পঠিত হবলৈ প্ৰতিষ্ঠাপিত হৈছে।

৩। ১৯৯৩ ৰ ৪২ নং অধিনিয়মৰ দ্বাৰা ধাৰা ৩৬৪ ক অন্তঃস্থাপিত।

৪। ১৯৯৫ চনৰ ২৪ নং অধিনিয়মৰ 'আন কোনো ব্যক্তি' শব্দসমূহৰ বাবে "কোনো বিদেশী ৰাজ্য বা অৰ্ন্তৰাষ্ট্ৰীয়, অন্তঃচৰকাৰী সংস্থা বা আন কোনো ব্যক্তি" শব্দসমূহ প্ৰতিষ্ঠাপিত।

৫। ১৯২৩ চনৰ ২০ নং অধিনিয়মৰ ধাৰা ২ দ্বাৰা সংযুক্ত কৰা হৈছে।

ভীতি প্ৰদৰ্শনৰ দ্বাৰা বা প্ৰাধিকাৰৰ অপব্যৱহাৰৰ দ্বাৰা বা বাধ্য কৰাৰ আন কৌশলৰ দ্বাৰা সেই নাৰীক কোনো স্থানৰ পৰা যাবলৈ উৎপ্ৰেৰিত কৰে তেওঁ পূৰ্বোক্ত প্ৰকাৰেৰে দণ্ডনীয় হ'ব।

**অপ্ৰাপ্তবয়স্কা বালিকা সংগ্ৰহ।**

[1][৩৬৬ক। যিয়ে, ওঠৰ বছৰ বয়সৰ তলৰ কোনো অপ্ৰাপ্তবয়স্কা ছোৱালীক অন্য ব্যক্তিৰ সৈতে অবৈধ সঙ্গম কৰাৰ বাবে বাধ্য বা প্ৰলোভিত কৰাৰ অভিপ্ৰায়েৰে বা তাৰ দ্বাৰা বাধ্য বা প্ৰলোভিত কৰা হ'ব এইটো সম্ভাব্য জানি এনে ছোৱালীক কোনো স্থানৰ পৰা যাবলৈ বা কাৰ্য্য কৰিবলৈ যিয়েই নহওঁক, কোনো উপায়ে উৎপ্ৰেৰিত কৰে, তেওঁ কাৰাবাসৰে, যি দহ বছৰলৈ বিস্তাৰিত হ'ব পাৰে, দণ্ডনীয় হ'ব, আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

**বিদেশৰ পৰা ছোৱালী আমদানি কৰা।**

৩৬৬খ। যিয়ে, ভাৰতৰ বাহিৰৰ যি কোনো দেশৰ পৰা [2][বা জম্মু আৰু কাশ্মীৰ ৰাজ্য]ৰ পৰা, একৈশ বছৰ বয়সৰ তলৰ কোনো ছোৱালী [3][ভাৰত] লৈ আমদানি, তেওঁক আন এজন ব্যক্তিৰ লগত অবৈধ সঙ্গম কৰিবলৈ বাধ্য কৰা হ'ব বা প্ৰলোভিত কৰা অভিপ্ৰায়েৰে বা তাৰ দ্বাৰা তেওঁক বাধ্য বা প্ৰলোভিত কৰা হ'ব এইটো সম্ভাব্য জানি কৰে [4]xxx তেওঁ কাৰাবাসৰে, যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হ'ব পাৰে, দণ্ডনীয় হ'ব, আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।]

**ব্যক্তিক গুৰুতৰ আঘাত, দাসত্ব ইত্যাদিৰ অধ্যধীন কৰাৰ উদ্দেশ্যে মনুষ্যাপহৰণ বা অপহৰণ।**

৩৬৭। যিয়ে, কোনো ব্যক্তিক মনুষ্যাপহৰণ বা অপহৰণ এই কাৰণে কৰে যাতে তেওঁক গুৰুতৰ আঘাত বা দাসত্ব বা কোনো ব্যক্তিৰ অস্বাভাৱিক কাম বাসনাৰ অধ্যধীন কৰিব পৰা যায় বা তেনেদৰে অধ্যধীন কৰাৰ বিপদত যাতে তেওঁ পৰে সেইদৰে ব্যৱস্থা কৰা হয় বা এইটো সম্ভাব্য বুলি জানি কৰে যে তেনে ব্যক্তিক এনে ধৰণে অধ্যধীন কৰা হ'ব বা ব্যৱস্থা কৰা হ'ব, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে দণ্ডিত হ'ব আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

**মনুষ্যাপহৰণ কৰা বা অপহৰণ কৰা ব্যক্তিক দোষপূৰ্বক লুকাই ৰখা বা পৰিৰোধত ৰখা।**

৩৬৮। যিয়ে, কোনো এজন ব্যক্তিক মনুষ্যাপহৰণ বা অপহৰণ কৰা হৈছে বুলি জানিও, তেনে ব্যক্তিক দোষপূৰ্বক লুকাই ৰাখে বা পৰিৰোধত, ৰাখে তেওঁ সেই একে ধৰণে দণ্ডিত হ'ব যেনিবা তেওঁ তেনে ব্যক্তিক সেই একে অভিপ্ৰায়েৰে বা জ্ঞানেৰে বা সেই একে উদ্দেশ্যে মনুষ্যাপহৰণ কৰিছিল বা অপহৰণ কৰিছিল যি অভিপ্ৰায়েৰে বা যি প্ৰয়োজনৰ বাবে তেওঁ তেনে ব্যক্তিক লুকাই ৰাখিছে বা পৰিৰোধত ৰাখিছে।

**দহ বছৰৰ তলৰ শিশুক তাৰ শৰীৰৰ পৰা চুৰি কৰাৰ অভিপ্ৰায়েৰে মনুষ্যাপহৰণ বা অপহৰণ কৰা।**

৩৬৯। যিয়ে, দহ বছৰ বয়সৰ তলৰ কোনো শিশুক, তেনে শিশুৰ শৰীৰৰ পৰা কোনো অস্থাৱৰ সম্পত্তি অসাধু ভাৱে লোৱাৰ অভিপ্ৰায়েৰে মনুষ্যাপহৰণ বা অপহৰণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে, দণ্ডিত হ'ব, আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

**কোনো ব্যক্তিক দাসৰূপে ক্ৰয় বা হস্তান্তৰ কৰা।**

৩৭০। যিয়ে, কোনো ব্যক্তিক দাসৰূপে আমদানি কৰে, ৰপ্তানি কৰে, অপসাৰণ কৰে, ক্ৰয় কৰে, বিক্ৰী কৰে বা হস্তান্তৰ কৰে, বা কোনো ব্যক্তিক তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে দাসৰূপে গ্ৰহণ কৰে, লয় বা নিৰোধ কৰি ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে, দণ্ডিত হ'ব, তেওঁ জৰিমনাৰ বাবেও দায়ী হ'ব।

**অভ্যাসিক ভাৱে দাসৰ ব্যৱসায় কৰা।**

৩৭১। যিয়ে, অভ্যাসিক ভাৱে দাস আমদানি কৰে, ৰপ্তানি কৰে, অপসাৰিত কৰে, ক্ৰয় কৰে, বিক্ৰী কৰে ব্যৱসায় কৰে, বা ব্যৱহাৰ কৰে, তেওঁ [5][ আজীৱন কাৰাবাস] ৰে, বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰৰ অধিক নহ'ব, দণ্ডিত হ'ব, আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

---

১। ১৯২৩ চনৰ ২০ নং অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত।

৩। "বৃটিছ ভাৰত" শব্দসমূহ আনুক্ৰমিকভাৱে অনু কূলন আদেশ, ১৯৪৮, অঃ আঃ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়ম ধাৰা আৰু অনুসূচীৰ দ্বাৰা উপৰোক্তমতে পঠিত হবলৈ প্ৰতিষ্ঠাপিত হৈছে।

৪। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট শব্দ লোপ কৰা হৈছে।

৫। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

**বেশ্যাবৃত্তি ইত্যাদিৰ উদ্দেশ্যে অবয়স্কক বিক্ৰী কৰা।**

৩৭২। যিয়ে, [1][ওঠৰ বছৰ বয়সৰ তলৰ কোনো ব্যক্তিক, তেনে ব্যক্তিক যি কোনো সময়ত কোনো ব্যক্তিৰ লগত বেশ্যাবৃত্তি বা অবৈধ সঙ্গমৰ বাবে লগোৱা বা ব্যৱহাৰ কৰাৰ অভিপ্ৰায়েৰে বা কোনো বিধি বিৰুদ্ধ বা অনৈতিক উদ্দেশ্যৰ বাবে, বা তেনে ব্যক্তিক যি কোনো বয়সত তেনে কোনো উদ্দেশ্যত লগোৱা বা ব্যৱহৃত কৰা সম্ভাব্য বুলি জানিও, বিক্ৰী কৰে, ভাৰাতৈ দিয়ে বা অন্য ধৰণে হস্তান্তৰ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

[2][**স্পষ্টীকৰণ ১** - যেতিয়া ওঠৰ বছৰ তলৰ নাৰীক কোনো বেশ্যালয় বা এনে কোনো ব্যক্তিলৈ, যিজনে বেশ্যালয় চলায় বা পৰিচালনা কৰে, বিক্ৰী কৰা হয়, ভাৰাতৈ দিয়া হয় বা অন্যথা হস্তান্তৰ কৰা হয় তেনে নাৰীৰ তেনেদৰে হস্তান্তৰ কৰা ব্যক্তিজনক, তাৰ প্ৰতিকূল প্ৰমাণিত নোহোৱা পৰ্যন্ত, এনেদৰে প্ৰাক্‌ধাৰণা কৰি লোৱা হব যে তেওঁ তাইক এনে অভিপ্ৰায়েৰে হস্তান্তৰ কৰিছে যে তাইক বেশ্যাবৃত্তিৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হব।

**স্পষ্টীকৰণ ২** - এই ধাৰাৰ প্ৰয়োজনাৰ্থে "অবৈধ সঙ্গম" মানে বিবাহৰ দ্বাৰা বা এনে কোনো সংযোগ বা বান্ধোনৰ দ্বাৰা, যিটো যদিও বিবাহৰ পৰ্যায়ৰ নহয়, তেওঁলোকৰ সম্প্ৰদায়ৰ বা যি ক্ষেত্ৰত তেওঁলোক বেলেগ বেলেগ সম্প্ৰদায়ভুক্ত হয়, তেনে ক্ষেত্ৰত উভয় সম্প্ৰদায়ৰ স্বীয় বিধি বা প্ৰথাৰ দ্বাৰা তেওঁলোকৰ মাজত বিবাহসদৃশ সম্বন্ধ হোৱা বুলি স্বীকৃত, একত্ৰিত নোহোৱা ব্যক্তিবোৰৰ মাজত যৌন সঙ্গম বুজায়।]

**বেশ্যাবৃত্তি আদিৰ বাবে অবয়স্ক ক্ৰয় কৰা।**

৩৭৩। যিয়ে, [1][ওঠৰ বছৰ বয়সৰ তলৰ কোনো ব্যক্তিক এই অভিপ্ৰায়েৰে যে তেনে ব্যক্তিক কোনো বয়সত বেশ্যাবৃত্তি বা কোনো ব্যক্তিৰ লগত অবৈধ সঙ্গম কৰাৰ বাবে বা কোনো বিধি বিৰুদ্ধ অনৈতিক উদ্দেশ্যৰ বাবে কামত লগোৱা হব বা ব্যৱহাৰ কৰা হব বা এইটো সম্ভাব্য জানি যে তেনে ব্যক্তিক কোনো বয়সত] এনে কোনো উদ্দেশ্যৰ বাবে কামত লগোৱা হব বা ব্যৱহাৰ কৰা হব, ক্ৰয় কৰে, ভাড়ালৈ লয় বা অন্যথা তেওঁৰ দখল লাভ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

[3][**স্পষ্টীকৰণ ১** - কোনো বেশ্যা বা বেশ্যালয় চলাই থকা বা পৰিচালনা কৰি থকা কোনো ব্যক্তি, যিজনে ওঠৰ বছৰ বয়সৰ তলৰ নাৰীক ক্ৰয় কৰে, ভাড়ালৈ লয় বা অন্যথা তেওঁৰ দখল লাভ কৰে প্ৰতিকূল প্ৰমাণিত নোহোৱা পৰ্যন্ত এইটো প্ৰাকধাৰণা কৰা হব যে তেওঁ এনে অভিপ্ৰায়েৰে তেনে নাৰীৰ দখল লাভ কৰিছে যে নাৰী জনীক বেশ্যা বৃত্তিৰ বাবে ব্যৱহাৰ কৰা হব।

**স্পষ্টীকৰণ ২** - "অবৈধ সঙ্গম"ৰ অৰ্থ ধাৰা ৩৭২ ত থকাৰ দৰে একেই হব।]

**বিধি বিৰুদ্ধ বাধ্যতামূলক শ্ৰম।**

৩৭৪। যিয়ে, বিধি বিৰুদ্ধ ভাবে কোনো ব্যক্তিক সেই ব্যক্তিজনৰ ইচ্ছাৰ বিৰুদ্ধে শ্ৰমৰ বাবে বাধ্য কৰে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

[4][**যৌন অপৰাধবোৰ** ]

**ধৰ্ষণ।**

৩৭৫। এজন মানুহে "ধৰ্ষণ" কৰা বুলি কোৱা হয় যেতিয়া তেওঁ ইয়াৰ পিছত ব্যতিক্ৰম কৰা ক্ষেত্ৰ ব্যতিৰেকে নিম্নোক্ত ছয়টা বৰ্ণনাৰ যি কোনো এটা পৰিস্থিতিত কোনো নাৰীৰ লগত যৌন সঙ্গম কৰে।

**প্ৰথম** - সেই নাৰীৰ ইচ্ছাৰ বিৰুদ্ধে।

**দ্বিতীয়** - সেই নাৰীৰ সম্মতি বিনা।

---

১। ১৯২৪ চনৰ ১৮ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা কিছুমান মূল শব্দৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯২৪ চনৰ ১৮ নং অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। একে অধিনিয়মৰ ধাৰা ৪ ৰ দ্বাৰা অন্তঃস্থাপিত।

৪। ১৯৮৩ চনৰ অধিনিয়মৰ সংখ্যা ৪৩ ৰ ধাৰা ৩ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

**তৃতীয়** - সেই নাৰীৰ সম্মতি সহ, যেতিয়া তেওঁৰ সম্মতি তেওঁৰ বা তেওঁ স্বাৰ্থজড়িত হোৱা কোনো ব্যক্তিৰ মৃত্যু বা আঘাতৰ ভয় দেখুৱাই লাভ কৰা হৈছে।

**চতুৰ্থ** - সেই নাৰীৰ সম্মতি সহ যেতিয়া ব্যক্তিজনে জানে যে তেওঁ তাৰ পতি নহয় আৰু তাই সম্মতি দিছে কাৰণ তাই বিশ্বাস কৰিছে যে তেওঁ আন এজন ব্যক্তি যিজনৰ লগত তাইৰ বিধি সম্মত ভাবে বিবাহ হৈছে বা তাই নিজকে বিধি সম্মত ভাবে বিবাহিতা হোৱা বুলি বিশ্বাস কৰিছে।

**পঞ্চম** - সেই নাৰীৰ সম্মতি সহ, যেতিয়া এনে সম্মতি দিয়াৰ সময়ত তেওঁ অসুস্থ মন বা মাতাল অৱস্থাৰ কাৰণে বা সেই মানুহজনৰ দ্বাৰা ব্যক্তিগত ভাবে বা কোনো অন্য ব্যক্তিৰ জৰিয়তে কোনো অজ্ঞান কাৰী বা অস্বাস্থ্যকৰ পদাৰ্থ দিয়া হোৱাৰ কাৰণে সেই কাৰ্যৰ যি বিষয়ে তেওঁ সম্মতি দিছে, প্ৰকৃতি আৰু পৰিণাম বুজিবলৈ অসমৰ্থ।

**ষষ্ঠ** - এই নাৰী গৰাকীৰ সম্মতিসহ বা সম্মতিবিনা, যেতিয়া তাইৰ যোল্ল বছৰতকৈ কম বয়সৰ।

**স্পষ্টীকৰণ** - ধৰ্ষণ অপৰাধটো হবৰ বাবে আৱশ্যকীয় যৌন সঙ্গমটো হবলৈ প্ৰবেশেই যথেষ্ট।

**ব্যতিক্ৰম** - এজন মানুহৰ তেওঁৰ পত্নীৰ সৈতে, যৌন সঙ্গম ধৰ্ষণ নহয়, যেতিয়া পত্নী গৰাকী পোন্ধৰ বছৰ বয়সৰ তলৰ নহয়।

**ধৰ্ষণৰ বাবে দণ্ড।**

৩৭৬। (১) যিয়ে, উপধাৰা (২) ৰ দ্বাৰা উপবন্ধিত ক্ষেত্ৰ সমূহ ব্যতিৰেকে ধৰ্ষণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰতকৈ কম নহব কিন্তু যি আজীৱন বা দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে আৰু জৰিমনাৰ বাবেও দায়ী হব, যদিহে ধৰ্ষিত হোৱা নাৰী গৰাকী তেওঁৰ পত্নী আৰু বাৰ বছৰ বয়সৰ তলৰ তেনে ক্ষেত্ৰত, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব ঃ

পৰন্তু ন্যায়ালয়ে এনে পৰ্যাপ্ত আৰু বিশেষ কাৰণত যিটো নিৰ্ণয়ত উল্লেখিত কৰা হব সাত বছৰতকৈ কম অৱধিৰ কাৰাবাসৰ দণ্ডাদেশ দিব পাৰিব।

(২) যিয়ে, —

(ক) আৰক্ষী পদাধিকাৰী হৈ -

(I) তেওঁ নিযুক্ত হোৱা সেই আৰক্ষী থানাৰ সীমাবোৰৰ ভিতৰত ; বা

(II) কোনো থানাৰ প্ৰাঙ্গনত, তেওঁ নিযুক্তি হোৱা এনে থানাত অৱস্থিত হওঁক বা নহওঁক, বা

(III) তেওঁৰ অভিৰক্ষা বা তেওঁৰ অধীনস্থ কোনো আৰক্ষী পদাধিকাৰীৰ অভিৰক্ষাত কোনো নাৰীক ধৰ্ষণ কৰে ; বা

(খ) লোক সেৱক হৈ তেওঁৰ শাসকীয় স্থিতিৰ সুবিধা লৈ তেওঁৰ অভিৰক্ষাত থকা বা তেওঁৰ অধীনস্থ কোনো লোকসেৱকৰ অভিৰক্ষাত থকা কোনো এনে নাৰীক ধৰ্ষণ কৰে ;

(গ) তৎসময় বলবৎ থকা কোনো বিধিৰ দ্বাৰা বা তাৰ অধীনত স্থাপিত কোনো কাৰাগাৰ প্ৰতি প্ৰেৰণ গৃহ বা অভিৰক্ষাৰ আন স্থানৰ বা নাৰী বা শিশু সকলৰ কোনো সংস্থাৰ পৰিচালনা বা কৰ্মচাৰী বৃন্দত থাকি তেওঁৰ শাসকীয় স্থিতিৰ সুবিধা লৈ এনে কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ, স্থান বা সংস্থাৰ কোনো নিবাসীক ধৰ্ষণ কৰে ; বা

(ঘ) কোনো চিকিৎসালয়ৰ পৰিচালনা বা কৰ্ম্মচাৰীবৃন্দত, থাকি তেওঁৰ শাসকীয় স্থিতিৰ লাভ উঠাই সেই চিকিৎসালয়ত কোনো নাৰী ধৰ্ষণ কৰে, বা

(ঙ) কোনো নাৰীক গৰ্ভৱতী বুলি জানিও ধৰ্ষণ কৰে, বা

(চ) বাৰ বছৰ বয়সৰ তলৰ কোনো নাৰীক ধৰ্ষণ কৰে ; বা

(ছ) দলবদ্ধভাৱে ধৰ্ষণ কৰে ;

তেওঁ সশ্ৰম কাৰাবাসেৰে, যাৰ অৱধি দহ বছৰৰ কম নহব কিন্তু যি আজীৱন হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

পৰন্তু ন্যায়ালয়ে এনে পৰ্য্যাপ্ত আৰু বিশেষ কাৰণত যিটো নিৰ্ণয়ত উল্লেখ কৰা হব, দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দহ বছৰতকৈ কম হব, দণ্ডাদেশ দিব পাৰিব।

**স্পষ্টীকৰণ ১** - যি ক্ষেত্ৰত ব্যক্তিসকলৰ সমূহৰপৰা এক বা অধিক ব্যক্তিৰ দ্বাৰা সকলোৰে উমৈহতীয়া অভিপ্ৰায় অগ্ৰসৰ কৰণত কোনো নাৰীক ধৰ্ষণ কৰে, তেনে ক্ষেত্ৰত এনে ব্যক্তিসকলৰ প্ৰত্যেকেই এই ধাৰাৰ অৰ্থত দলবদ্ধভাৱে ধৰ্ষণ কৰা বুলি গণ্য কৰা হব।

**স্পষ্টীকৰণ ২** - নাৰী বা শিশুসকলৰ সংস্থা মানে নাৰী সকল আৰু শিশুবোৰ গ্ৰহণ কৰিবলৈ আৰু তেওঁলোকৰ তত্বাৱধান লবলৈ স্থাপিত বা ৰক্ষিত কোনো সংস্থাক বুজায় তাৰ নাম অনাথালয় হওঁক বা অৱহেলিত নাৰী বা শিশুৰ বাবে গৃহই হওঁক বা বিধৱাৰ কাৰণে গৃহই হওঁক বা অন্য নামেই হওঁক।

**স্পষ্টীকৰণ ৩** - "চিকিৎসালয়" মানে চিকিৎসালয়ৰ প্ৰাঙ্গনক বুজায় আৰু কোনো সংস্থাৰ চৌহদ সমূহো ইয়াৰ অন্তৰ্গত হব যিবিলাক ৰোগ মুক্তিৰ পিছত বিশ্ৰামৰ সময়ৰ ভিতৰত চিকিৎসীয় পৰিচৰ্য্যা বা পুনৰ্বাসন প্ৰয়োজন হোৱা ব্যক্তি সকলক গ্ৰহণ আৰু উপচাৰৰ নিমিত্তে হয়।

**পৃথক হৈ থকাৰ সময়ত কোনো পুৰুষৰ দ্বাৰা নিজৰ পত্নীৰ সৈতে সঙ্গম।**

৩৭৬ ক। যিয়ে, নিজৰ পত্নীৰ সৈতে যি পৃথক কৰণৰ ডিক্ৰী বা কোনো প্ৰথা বা ৰীতিৰ অধীনত তেওঁৰ পৰা পৃথক ভাবে বাস কৰিছে, তেওঁৰ সম্মতি বিনা যৌন সঙ্গম কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**লোকসেৱকৰ দ্বাৰা নিজৰ অভিৰক্ষাত থকা কোনো নাৰীৰ সৈতে সঙ্গম।**

৩৭৬ খ। যিয়ে, লোক সেৱক হৈ নিজৰ শাসকীয় স্থিতিৰ সুবিধা লৈ কোনো নাৰীক, যি এনে লোকসেৱক ৰূপে তেওঁৰ অভিৰক্ষাত আছে বা তেওঁৰ অধীনস্থ কোনো লোকসেৱকৰ অভিৰক্ষাত আছে, নিজৰ সৈতে যৌন সঙ্গমৰ বাবে উৎপ্ৰেৰিত বা প্ৰলোভিত কৰে, যি যৌন সঙ্গম ধৰ্ষণৰ অপৰাধৰ পৰ্য্যায়ৰ নহয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ আদিৰ অধীক্ষকৰ দ্বাৰা সঙ্গম।**

৩৭৬ গ। যিয়ে, তৎসময়ত বলবৎ থকা কোনো বিধিৰ দ্বাৰা বা ইয়াৰ অধীনত স্থাপিত কোনো কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ বা অভিৰক্ষাৰ অন্য স্থানৰ বা নাৰী বা শিশু সকলৰ কোনো সংস্থাৰ অধীক্ষক বা পৰিচালক হৈ নিজৰ শাসকীয় স্থিতিৰ সুবিধা লৈ আৰু কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ, স্থান বা সংস্থাৰ কোনো নাৰী নিবাসীক নিজৰ সৈতে সঙ্গম কৰিবলৈ উৎপ্ৰেৰিত বা প্ৰলোভিত কৰে, যি যৌন সঙ্গম ধৰ্ষণৰ অপৰাধৰ পৰ্য্যায়ৰ নহয় তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ ১** - কোনো কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ বা অভিৰক্ষাৰ অন্য কোনো স্থান বা কোনো নাৰী বা শিশু সংস্থাৰ সম্বন্ধত "অধীক্ষকে" এনে কোনো ব্যক্তিক অন্তৰ্ভুক্ত কৰিব, যি ব্যক্তি এনে কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ, স্থান বা সংস্থাত এনে কোনো পদত অধিষ্ঠিত যাৰ আধাৰত তেওঁ ইয়াৰ নিবাসীৰ ওপৰত কোনো প্ৰাধিকাৰ বা নিয়ন্ত্ৰণ প্ৰয়োগ কৰিব পাৰে।

**স্পষ্টীকৰণ ২** - "নাৰী বা শিশু সংস্থা" অভিব্যক্তিৰ অৰ্থ ধাৰা ৩৭৬ ৰ উপধাৰা (২) ৰ স্পষ্টীকৰণ ২ ত থকাৰ দৰে হব।

**চিকিৎসালয়ৰ পৰিচালনা বা কৰ্মচাৰী বৃন্দ আদিৰ কোনো সদস্যৰ দ্বাৰা সেই চিকিৎসালয়ৰ কোনো নাৰীৰ সৈতে সঙ্গম।**

৩৭৬ ঘ। যিয়ে, কোনো চিকিৎসালয়ৰ পৰিচালনাত থাকি বা কোনো চিকিৎসালয়ৰ কৰ্মচাৰী বৃন্দত থাকি নিজৰ শাসকীয় স্থিতিৰ সুবিধা লৈ সেই চিকিৎসালয়ত কোনো নাৰীৰ সৈতে এনে যৌন সঙ্গম কৰে, যিটো ধৰ্ষণ অপৰাধৰ পৰ্য্যায়ৰ নহয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - "চিকিৎসালয়" অভিব্যক্তিৰ অৰ্থ ধাৰা ৩৭৬ ৰ উপধাৰা (২) স্পষ্টীকৰণ ৩ ত থকাৰ দৰে হব।

### প্ৰকৃতি বিৰুদ্ধে অপৰাধবোৰৰ বিষয়ে

প্ৰকৃতি বিৰুদ্ধ অপৰাধবোৰ।

৩৭৭। যিয়ে, স্বেচ্ছাই প্ৰকৃতি বিৰুদ্ধ ভাবে কোনো পুৰুষ, নাৰী বা জন্তুৰ সৈতে দৈহিক সঙ্গম কৰে, তেওঁ [1][আজীৱন কাৰাবাস] বে বা দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দহ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - এই ধাৰাত বৰ্ণিত অপৰাধটো হবলৈ আৱশ্যকীয় দৈহিক সঙ্গমটো হবৰ বাবে প্ৰবেশেই যথেষ্ট।

## অধ্যায় - ১৭

### সম্পত্তিৰ বিৰুদ্ধে অপৰাধবোৰৰ বিষয়ে

### চুৰিৰ বিষয়ে

চুৰি।

৩৭৮। যিয়ে, কোনো অস্থাবৰ সম্পত্তি কোনো এজন ব্যক্তিৰ দখলৰ পৰা সেই ব্যক্তিজনৰ সন্মতি বিনা, অসাধুভাবে লোৱাৰ অভিপ্ৰায়েৰে, সেই সম্পত্তি তেনেদৰে লবৰ বাবে স্থানান্তৰ কৰে, তেওঁ চুৰি কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ ১** - অস্থাবৰ সম্পত্তি নোহোৱা কোনো বস্তু যি পৰ্যন্ত ই ভূমিৰ লগত সংলগ্ন হৈ থাকে, চুৰিৰ বিষয় নহয়, কিন্তু যেতিয়াই ইয়াক ভূমিৰ পৰা পৃথক কৰা হয়, ই চুৰিৰ বিষয় হবলৈ যোগ্য হয়।

**স্পষ্টীকৰণ ২**- একেটা কাৰ্য্যৰ দ্বাৰাই স্থানান্তৰকৰণ যি পৃথক কৰণ প্ৰভাৱিত কৰে চুৰি কাৰ্য্য হব পাৰে।

**স্পষ্টীকৰণ ৩** - কোনো ব্যক্তিয়ে এটা বস্তুক এটা প্ৰতিবন্ধক আঁতৰাই যিটোৱে ইয়াক স্থানান্তৰ কৰাত বাধা দিছিল বা ইয়াক আন কোনো বস্তুৰ পৰা পৃথক কৰি তথা ইয়াক প্ৰকৃততে স্থানান্তৰ কৰি স্থানান্তৰ কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ ৪** - কোনো ব্যক্তি, যিজনে কোনো এটা উপায়ে এটা জন্তুক স্থানান্তৰ কৰায়, তেওঁ সেই জন্তুটোক স্থানান্তৰ কৰা বুলি, আৰু এনে সকলোবোৰ বস্তুকে যিবোৰ এনেদৰে উৎপন্ন কৰা গতিৰ পৰিণাম স্বৰূপে সেই জন্তুটোৰ দ্বাৰা স্থানান্তৰ হয়, স্থানান্তৰ কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ ৫** - পৰিভাষাত উল্লেখিত সন্মতিটো অভিব্যক্ত বা বিবক্ষিত হব পাৰে, আৰু হয়তো দখলত থকা ব্যক্তিজনে দিব পাৰে নাইবা আন কোনো ব্যক্তিয়ে দিব পাৰে যাৰ সেই উদ্দেশ্যে হয় অভিব্যক্ত বা বিবক্ষিত প্ৰাধিকাৰ আছে।

### দৃষ্টান্ত সমূহ

(ক) "জ" ৰ দখলৰ পৰা "জ"ৰ সন্মতি বিনা অসাধু ভাবে আঁতৰাই নিয়াৰ অভিপ্ৰায়েৰে "ক"ই "জ"ৰ পথাৰত থকা এডাল গছ কাটি পেলালে। এই ক্ষেত্ৰত যি মূহূৰ্ত্ততে "ক"ই গছ ডাল এনেদৰে লোৱাৰ বাবে পৃথক কৰিলে, তেওঁ চুৰি কৰিলে।

(খ) "ক" ই কুকুৰৰ বাবে এটা টোপ তেওঁৰ জেপত ৰাখিলে আৰু এইদৰে "জ"ৰ কুকুৰটোক এইটো অনুসৰণ কৰিবলৈ উৎপ্ৰেৰিত কৰিলে, এই ক্ষেত্ৰত যদিহে কুকুৰটো "জ"ৰ সন্মতি বিনা "জ"ৰ দখলৰ পৰা অসাধু ভাবে লৈ যোৱাটোৱেই "ক"ৰ অভিপ্ৰায় হয়, তেন্তে যি মূহূৰ্ত্ততে "জ" ৰ কুকুৰটোৱে "ক"ক অনুসৰণ কৰিবলৈ আৰম্ভ কৰিলে, তেতিয়াই "ক"ই চুৰি কৰিলে।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসনৰ" বাবে প্ৰতিষ্ঠাপিত।

## অধ্যায় ১৫

### ধৰ্ম সম্পৰ্কীয় অপৰাধবোৰৰ বিষয়ে

**কোনো শ্ৰেণীৰ ধৰ্ম অপমানিত কৰাৰ অভিপ্ৰায়েৰে উপাসনাৰ স্থানৰ ক্ষতি বা অপবিত্ৰ কৰা।**

২৯৫। যিয়ে, কোনো উপাসনাৰ স্থান বা কোনো শ্ৰেণীৰ ব্যক্তিয়ে পবিত্ৰ বুলি মান্য কৰা কোনো বস্তু নষ্ট, ক্ষতিগ্ৰস্ত বা অপবিত্ৰ এই অভিপ্ৰায়েৰে কৰে যে কোনো শ্ৰেণীৰ ব্যক্তিৰ ধৰ্মৰ তাৰ দ্বাৰা অপমান কৰা হয় বা এইটো সম্ভাব্য বুলি জানি কৰে যে কোনো শ্ৰেণীৰ ব্যক্তিয়ে এনে নাশ, ক্ষতি বা অপবিত্ৰ কৰাটো নিজৰ ধৰ্মৰ প্ৰতি অপমান বুলি বিবেচনা কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

**ইচ্ছাকৃত আৰু বিদ্বেষপূৰ্ণ কাৰ্য্য যিকোনো শ্ৰেণীৰ ধৰ্ম বা ধৰ্মীয় বিশ্বাসৰ অপমানৰ দ্বাৰা ইয়াৰ ধৰ্মীয় অনুভূতি আহত কৰাৰ অভিপ্ৰায়েৰে কৰা হৈছে।**

[1][২৯৫ক। যিয়েই, [2][ভাৰতৰ নাগৰিক সমূহৰ] কোনো শ্ৰেণীৰ ধৰ্মীয় অনুভূতি আহত কৰাৰ ইচ্ছাকৃত আৰু বিদ্বেষপূৰ্ণ অভিপ্ৰায়েৰে সেই শ্ৰেণীৰ ধৰ্ম বা ধৰ্মীয় বিশ্বাসৰ অপমান [3][হয়, কথিত বা লিখিত শব্দৰ দ্বাৰা বা সংকেতৰ দ্বাৰা বা দৃশ্যৰূপনৰ দ্বাৰা বা অন্যথা] কৰে বা কৰাৰ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি [4][তিনি বছৰলৈ] বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**ধৰ্মীয় সমাবেশ বিঘ্নিত কৰা।**

২৯৬। যিয়েই, ধৰ্মীয় উপাসনা বা ধৰ্মীয় উৎসৱত বৈধৰূপে ৰত থকা কোনো সমাবেশত স্বেচ্ছাই বিঘ্নিত কৰায় তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

**সমাধি স্থান ইত্যাদিৰ ওপৰত অনধিকাৰ প্ৰৱেশ।**

২৯৭। যিয়েই, কোনো উপাসনাৰ স্থানত বা কোনো সমাধিস্থানত বা অন্ত্যেষ্টি ক্ৰিয়াৰ বাবে বা মৃতকৰ অৱশেষৰ নিমিত্তে নিক্ষেপ স্থান ৰূপে আচুতীয়াকৈ ৰখা কোনো স্থানত অনধিকাৰ প্ৰৱেশ বা কোনো মানৱ শৱৰ অসম্মান বা অন্ত্যেষ্টি ক্ৰিয়াৰ কাৰণে সমৱেত কোনো ব্যক্তিক বিঘ্নিত এই অভিপ্ৰায়েৰে কৰে যে কোনো ব্যক্তিৰ অনুভূতিত আঘাত কৰে বা কোনো ব্যক্তিৰ ধৰ্মৰ অপমান কৰে বা এইটো সম্ভাব্য বুলি জানি কৰে যে তাৰ দ্বাৰা কোনো ব্যক্তিৰ অনুভূতিত আঘাত কৰিব বা ধৰ্মৰ অপমান কৰিব,

তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

**ধৰ্মীয় অনুভূতিৰ আঘাত কৰাৰ ইচ্ছাকৃত অভিপ্ৰায়েৰে শব্দ উচ্চাৰিত কৰা ইত্যাদি।**

২৯৮। যিয়ে, কোনো ব্যক্তিৰ ধৰ্মীয় অনুভূতিত আঘাত কৰাৰ ইচ্ছাকৃত অভিপ্ৰায়সহ সেই ব্যক্তিয়ে শুনাকৈ কোনো শব্দ, উচ্চাৰিত কৰে, বা কোনো শব্দ কৰে, বা সেই ব্যক্তিৰ দৃষ্টি গোচৰতাত কোনো অংগী ভংগি কৰে, বা কোনো বস্তু ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

---

১। ১৯২৭ চনৰ ২৫ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তৰ্স্থাপিত।

২। অনুকূলন আদেশ, ১৯৫০ ৰ "হিজ মেজেষ্টিৰ প্ৰজা" ৰ বাবে প্ৰতিষ্ঠাপিত।

৩। ১৯৬১ চনৰ ৪১ নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট শব্দৰ বাবে প্ৰতিষ্ঠাপিত।

৪। উপৰোক্ত অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা "দুবছৰ" ৰ বাবে প্ৰতিষ্ঠাপিত।

## অধ্যায় - ১৬

### মানৱ শৰীৰৰ ওপৰত প্ৰভাৱ পেলোৱা অপৰাধবোৰৰ বিষয়ে

### জীৱনৰ ওপৰত প্ৰভাৱ পেলোৱা অপৰাধ বোৰৰ বিষয়ে

দোষাবহ নৰবধ। ২৯৯। যিয়ে, মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে বা মৃত্যু ঘটোৱাৰ সম্ভাৱনা থকা এনে শাৰীৰিক ক্ষতি ঘটোৱাৰ অভিপ্ৰায়েৰে বা তেনে কাৰ্য্যৰ দ্বাৰা যে তেওঁ মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে এনে জ্ঞানেৰে কোনো কাৰ্য্য কৰি মৃত্যু ঘটায়, তেওঁ দোষাবহ নৰবধৰ অপৰাধটো সংঘটিত কৰে।

#### দৃষ্টান্ত সমূহ

(ক) "ক" ই গাঁত এটাৰ ওপৰত খুটি আৰু ঘাঁহ থকা চপৰা এই অভিপ্ৰায়েৰে ৰাখিলে যাতে তাৰ দ্বাৰা মৃত্যু ঘটিত হয় বা এই জ্ঞানেৰে ৰাখিলে যে তাৰ দ্বাৰা মৃত্যু ঘটোৱা সম্ভাব্য। "জ" ই ভূমি দৃঢ় বুলি বিশ্বাস কৰি ইয়াৰ ওপৰেদি খোজ কাঢ়িলে, ভিতৰত পৰিল আৰু তেওঁৰ মৃত্যু ঘটোৱা হ'ল। "ক" ই দোষাবহ নৰবধৰ অপৰাধটো সংঘটিত কৰিলে।

(খ) "ক" ই "জ" ক এটা জোপোহাৰ পিছ পিনে থকা বুলি জানে। "খ" ই এইটো নাজানে। "ক" ই "জ" ৰ মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে বা এইটো জানি যে তাৰ দ্বাৰা "জ" ৰ মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, "খ" ক জোপোহাটোলৈ গুলী কৰিবলৈ উৎপ্ৰেৰিত কৰিলে। "খ" ই গুলী কৰিলে আৰু "জ" ৰ মৰণ ঘটালে। ইয়াত "খ" কোনো এটা অপৰাধৰ বাবে দোষী নহব পাৰে, কিন্তু "ক" ই দোষাবহ নৰবধৰ অপৰাধটো সংঘটিত কৰিলে।

(গ) "ক" ই এটা কুকুৰাক মৰা আৰু চুৰি কৰাৰ অভিপ্ৰায়েৰে গুলী কৰি এটা জোপোহাৰ পিছ পিনে থকা "খ"ৰ মৰণ ঘটালে, তেওঁ কিন্তু "খ" তাত আছিল "ক"ই ইয়াক নাজানিছিল, যদিও "ক" ই এটা বিধি বিৰুদ্ধ কাৰ্য্য কৰি আছিল, তেওঁ দোষাবহ নৰবধৰ বাবে দোষী নহয়, যিহেতু তেওঁ "খ" ৰ মৰণ ঘটোৱা বা মৃত্যু ঘটোৱা সম্ভাব্য বুলি জনা এনে কোনো কাৰ্য্য কৰি মৃত্যু ঘটোৱাৰ অভিপ্ৰায় কৰা নাছিল।

**স্পষ্টীকৰণ ১**- কোনো ব্যক্তি যিজনে আন এজনক যিজনে কোনো অসুখ, ৰোগ বা শাৰীৰিক অক্ষমতাত ভুগি আছে, শাৰীৰিক ক্ষতি কৰে আৰু তাৰ দ্বাৰা সেই অন্যজনৰ মৃত্যু ত্বৰান্বিত কৰে, তেওঁ তেওঁৰ মৃত্যু ঘটোৱা বুলি গণ্য হব।

**স্পষ্টীকৰণ ২**- যি ক্ষেত্ৰত শাৰীৰিক ক্ষতিৰ দ্বাৰা মৃত্যু ঘটোৱা হয়, সেই ব্যক্তিজন, যিজনে তেনে শাৰীৰিক ক্ষতি কৰে, তেওঁ মৃত্যু ঘটোৱা বুলি গণ্য হব, যদিওবা যথোচিত প্ৰতিকাৰ গ্ৰহণ কৰি আৰু কৌশল পূৰ্ণ চিকিৎসাৰ জৰিয়তে মৃত্যু নিবাৰণ কৰিব পৰা গ'লহেতেন।

**স্পষ্টীকৰণ ৩**- মাতৃ গৰ্ভস্থিত শিশুৰ মৃত্যু ঘটোৱাটো নৰবধ নহয়। কিন্তু কোনো জীৱিত শিশুৰ মৃত্যু ঘটোৱাটো দোষাবহ নৰবধৰ পৰ্য্যায়ত আহিব পাৰে যদি সেই শিশুৰ কিছু অংশ বাহিৰ কৰি উলিয়াই অনা হয় যদিওবা শিশুটোৱে নিশ্বাস নললেহেতেন বা ইয়াৰ সম্পূৰ্ণ ৰূপে জন্ম নহ'লহেতেন।

হত্যা। ৩০০। এতৎপশ্চাত বাদ দিয়া ক্ষেত্ৰবোৰৰ ব্যতিৰেকে অন্যবোৰ ক্ষেত্ৰত দোষাবহ নৰবধ হত্যা হ'ব যদিহে মৃত্যু ঘটোৱা কাৰ্য্যটো মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে কৰা হয়, বা

দ্বিতীয়তে - যদি এইটো এনে শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়েৰে কৰা হয় যাৰ দ্বাৰা অপৰাধীজনে জানে যে যিজনৰ প্ৰতি অনিষ্টটো কৰা হৈছে, তেওঁৰ মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, বা

তৃতীয়তে - যদিহে এইটো কোনো এজন ব্যক্তিৰ শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়েৰে কৰা হয় আৰু কৰিবলৈ অভিপ্ৰেত শাৰীৰিক ক্ষতিটো প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত মৃত্যু ঘটাবলৈ পৰ্য্যাপ্ত হয়, বা

চতুৰ্থতে - কাৰ্যটো কৰা ব্যক্তিজনে এইটো জানে যে এইটো এনে ধৰণৰ আসন্ন ভাবে বিপদজনক যে এই কাৰ্যটোৱে সম্পূৰ্ণ সম্ভাব্য ভাবে মৃত্যু ঘটাব বা এনে শাৰীৰিক ক্ষতি কৰিব যিটোৱে মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, আৰু তেওঁ মৃত্যু ঘটোৱা বা পূৰ্বোক্ত মতে ক্ষতি কৰাৰ বিপদশঙ্কাৰ সন্মুখীন হবলৈ কোনো উপযুক্ত কাৰণ বিনা কাৰ্য্য কৰে।

**দৃষ্টান্ত সমূহ**

(ক) "ক" ই "জ"ৰ মৰণ ঘটোৱাৰ অভিপ্ৰায়েৰে তেওঁক গুলীয়ালে। ফল স্বৰূপে "জ" ৰ মৃত্যু হ'ল। "ক" ই হত্যা সংঘটিত কৰিলে।

(খ) "ক" ই এইটো জানে যে "জ" ই এনে অসুখত ভুগি আছে যে এইটো সম্ভাব্য যে এটা ভুকুৱেই তেওঁৰ মৃত্যু ঘটাব পাৰে, তেওঁক শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়েৰে কোব মাৰিলে। সেই ভুকুটোৰ ফলস্বৰূপে "জ" ৰ মৃত্যু হ'ল। "ক" হত্যাৰ বাবে দোষী, যদিও ভুকুটো প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত এজন সুস্বাস্থ্যৰ ব্যক্তিৰ মৃত্যু ঘটোৱাটো পৰ্য্যাপ্ত নহলহেঁতেন। কিন্তু যদি "ক" ই "জ" যে অসুখত ভুগি আছে সেইটো নজনাকৈয়ে তেওঁক এনে এটা ভুকু দিয়ে যিটোৱে প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত এজন সুস্বাস্থ্যৰ ব্যক্তিৰ মৃত্যু নঘটালেহেঁতেন।

এই ক্ষেত্ৰত, যদিও "ক" ৰ শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়, তথাপিও, "ক" হত্যাৰ বাবে দোষী নহয়, যদিহে তেওঁৰ মৃত্যু ঘটোৱা বা এনে শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায় নাই, যিটোৱে প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত এজন সুস্বাস্থ্যৰ ব্যক্তিৰ মৃত্যু ঘটায়।

(গ) "ক" ই "জ" ক অভিপ্ৰায়েৰে তৰোৱালৰ আঘাত বা লগুৰ আঘাত দিলে যি প্ৰকৃতিৰ সাধাৰণ অনুক্ৰমত এজন মানুহৰ মৃত্যু ঘটাব পৰাকৈ পৰ্য্যাপ্ত, ফলস্বৰূপে "জ" ৰ মৃত্যু হ'ল। এই ক্ষেত্ৰত "ক" হত্যাৰ বাবে দোষী, যদিওবা "জ" ৰ মৃত্যু ঘটোৱাটো তেওঁৰ অভিপ্ৰায় নহব পাৰে।

(ঘ) "ক" ই কোনো উপযুক্ত কাৰণ নোহোৱাকৈ গুলীভৰা কামান এজাক মানুহৰ ওপৰত চলালে আৰু তেওঁলোকৰ এজনৰ মৃত্যু ঘটালে। "ক" হত্যাৰ বাবে দোষী, যদিওবা তেওঁৰ কোনো এজন নিৰ্দিষ্ট মানুহক বধ কৰাৰ পূৰ্ব সংকল্পিত অভিসন্ধি নাথাকিব পাৰে।

**ব্যতিক্ৰম ১ — দোষাবহ নৰবধ কেতিয়া হত্যা নহয়** - দোষাবহ নৰবধ হত্যা নহয় যদিহে অপৰাধীজনে গম্ভীৰ আৰু আকস্মিক প্ৰকোপনৰ বশবৰ্তী হৈ আত্ম সংযমৰ শক্তিৰ পৰা বঞ্চিত হৈ অন্য কোনো এজন ব্যক্তিৰ যিজনে প্ৰকোপনটো দিছিল, মৃত্যু, ভুল বা দুৰ্ঘটনা ক্ৰমে ঘটায়।

ওপৰৰ ব্যতিক্ৰমটো নিম্নোক্ত পৰন্তুক সমূহৰ সাপেক্ষে হব :-

**প্ৰথম** — যে প্ৰকোপনটো কোনো ব্যক্তিক বধ কৰাৰ বা অনিষ্ট কৰাৰ বাবে এটা উপযুক্ত কাৰণ ৰূপে অপৰাধীজনৰ দ্বাৰা বিচৰা হোৱা নাই বা স্বেচ্ছাই প্ৰকোপিত হোৱা নাই।

**দ্বিতীয়** — যে প্ৰকোপনটো বিধি পালন ক্ৰমে কোনো কাৰ্য্যকৰণৰ দ্বাৰা বা কোনো লোক সেৱকৰ দ্বাৰা তেনে লোক সেৱকৰ ক্ষমতাৰ বিধি সন্মত প্ৰয়োগত দিয়া হোৱা নাই।

**তৃতীয়** — যে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ বিধি সন্মত প্ৰয়োগত কোনো কাৰ্য্য কৰাৰ দ্বাৰা প্ৰকোপন দিয়া হোৱা নাই।

**স্পষ্টীকৰণ** — প্ৰকোপনটো হত্যাৰ পৰ্যায়ৰ অপৰাধ হোৱাটো নিবাৰণ কৰিব পৰাকৈ গম্ভীৰ আৰু আকস্মিক আছিল নে নাই সেইটো এটা তথ্যৰ প্ৰশ্ন।

### দৃষ্টান্ত সমূহ

(ক) "ক" ই "জ" ৰ দ্বাৰা দিয়া হোৱা প্ৰকোপনৰ দ্বাৰা উত্তেজিত হোৱা আবেগৰ বশৱৰ্তী হৈ "জ" ৰ সন্তান "খ" ক অভিপ্ৰায়সহ বধ কৰিলে। এইটো এটা হত্যা, যিহেতু প্ৰকোপনটো শিশুটোৰ দ্বাৰা দিয়া হোৱা নাছিল আৰু শিশুটোৰ মৃত্যু সেই প্ৰকোপনৰ দ্বাৰা কোনো কাৰ্য্যকৰণত দুৰ্ঘটনা বা দুৰ্দ্দশা ক্ৰমে হোৱা নাছিল।

(খ) "খ" ই "ক" ক গম্ভীৰ আৰু আচম্বিত প্ৰকোপন দিলে, এই প্ৰকোপনত তেওঁৰ ওচৰত অদৃশ্য হৈ থকা "জ" ক হত্যা কৰাৰ অভিপ্ৰায় নথকাকৈ বা তেওঁক বধ কৰিব পাৰে বুলি তেওঁ নিজে নজনাকৈ "ক" ই "খ" ৰ ওপৰত পিষ্টল চলালে। "ক" ই "জ" ক বধ কৰিলে। এই ক্ষেত্ৰত "ক" ই হত্যা সংঘটিত কৰা নাই, কিন্তু মাত্ৰ দোষাবহ নৰবধহে কৰিলে।

(গ) "ক" ক ন্যায়ৰক্ষী "জ" ৰ দ্বাৰা বিধি সম্মত ভাবে গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰ কৰাৰ ফলত "ক" আচম্বিত আৰু প্ৰচণ্ড আবেগত উত্তেজিত হৈ পৰিল আৰু "জ" ক বধ কৰিলে। এইটো এটা হত্যা, কাৰণ প্ৰকোপনটো এজন লোক সেৱকৰ দ্বাৰা তেওঁৰ ক্ষমতাৱলীৰ প্ৰয়োগত কৰা এটা কাৰ্য্যৰ দ্বাৰা দিয়া হৈছিল।

(ঘ) "ক" ই এজন দণ্ডাধীশ "জ" ৰ সন্মুখত সাক্ষী হিচাবে হাজিৰ হৈছে। "জ" ই কলে যে তেওঁ "ক" ৰ অভিসাক্ষ্যৰ এটা কথাও বিশ্বাস নকৰে, আৰু যে "ক" ই নিজে মিছা সাক্ষ্য দিছে। এই কথাবোৰৰ দ্বাৰা "ক" আচম্বিত আবেগগ্ৰস্থ হৈ পৰিল আৰু "জ" ক বধ কৰিলে। এইটো হত্যা।

(ঙ) "ক" ই "জ" ৰ নাকটো টানিবলৈ প্ৰয়াস কৰিলে। "জ" ই ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ প্ৰয়োগত "ক" ক তেওঁক এইটো কৰাত বাধা দিবলৈ ধৰি ললে। ফলস্বৰূপে "ক" আচম্বিত আৰু প্ৰচণ্ড আবেগ গ্ৰস্থ হৈ পৰিল আৰু "জ" ক বধ কৰিলে। এইটো হত্যা। যিহেতু প্ৰকোপনটো ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ প্ৰয়োগত কৰা এটা কাৰ্য্যৰ দ্বাৰা দিয়া হৈছিল।

(চ) "জ" ই "খ" ক কোবালে। এই প্ৰকোপনৰ দ্বাৰা "খ" প্ৰচণ্ড খঙত উত্তেজিত হৈ পৰিল। বাটৰুৱা "ক" ই "খ" ৰ খঙৰ সুবিধা লবৰ আৰু তেওঁৰ দ্বাৰা "জ" ক বধ কৰাবৰ অভিপ্ৰায়েৰে, সেই উদ্দেশ্যে "ক" ৰ হাতত এখন কটাৰী তুলি দিলে। কটাৰী খনৰ দ্বাৰা "খ" ই "জ" ক বধ কৰিলে। এই ক্ষেত্ৰত "খ"ই কেবল দোষাবহ নৰবধহে কৰিব পাৰে, কিন্তু "ক" হত্যাৰ বাবে দোষী।

**ব্যতিক্ৰম ২** — দোষবহ নৰবধ হত্যা নহয়, যদিহে অপৰাধীজনে, শৰীৰ বা সম্পত্তিৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ সদবিশ্বাসত প্ৰয়োগ কৰি, বিধিৰ দ্বাৰা তেওঁক দিয়া ক্ষমতা অতিক্ৰম কৰে আৰু সেই ব্যক্তিজনৰ যিজনৰ বিৰুদ্ধে তেওঁ তেনে অধিকাৰ প্ৰয়োগ কৰি আছে পূৰ্ব পৰিকল্পনা বিনা, আৰু তেনে প্ৰতিৰক্ষাৰ বাবে যিমান খিনি যথেষ্ট তাতকৈ অধিক অনিষ্ট কৰাৰ অভিপ্ৰায় বিনা মৃত্যু ঘটায়।

### দৃষ্টান্ত

"জ" ই "ক" ক চাবুক মাৰিবলৈ প্ৰয়াস কৰিলে, কিন্তু "ক" ক কোনো গুৰুতৰ আঘাত দিয়া ধৰণে নহয়। "ক" ই এটা পিষ্টল উলিয়ালে। "জ" ই অত্যাঘাত চলায়েই থাকিল। "ক" ই এনেদৰে সদ্ভাৱপূৰ্বক বিশ্বাস কৰি যে তেওঁ আন কোনো প্ৰকাৰে নিজকে চাবুকাঘাতৰ পৰা ৰক্ষা কৰিব নোৱাৰে "জ" ক গুলীয়াই তেওঁৰ মৃত্যু ঘটালে। "ক" ই হত্যা কৰা নাই কিন্তু কেবল দোষাবহ নৰবধহে কৰিছে।

**ব্যতিক্ৰম ৩** — দোষাবহ নৰবধ হত্যা নহয়, যদিহে অপৰাধীজনে, নিজে এজন লোক সেৱক হৈ বা লোক ন্যায়ৰ অগ্ৰসৰতাৰ বাবে কাৰ্য্য কৰা এজন লোক সেৱকক সহায়তা কৰি, বিধিৰ দ্বাৰা তেওঁক প্ৰদত্ত ক্ষমতা অতিক্ৰম কৰে আৰু এনে এটা কাৰ্য্য কৰি যিটো বিধি সম্মত আৰু তেনে লোক সেৱক জনে তেওঁৰ কৰ্ত্তব্যৰ সম্যক পালনৰ বাবে আৱশ্যকীয় বুলি সদভাৱপূৰ্বক বিশ্বাস কৰে আৰু যিজনৰ ব্যক্তিৰ মৃত্যু ঘটোৱা হৈছে তেওঁৰ প্ৰতি কোনো বিদ্বেষ ভাৱ নোহোৱাকৈ মৃত্যু ঘটায়।

**ব্যতিক্ৰম ৪** — দোষাবহ নৰবধ হত্যা নহয় যদিহে এইটো পূৰ্ব পৰিকল্পনা বিনা হঠাতে হোৱা

এখন কাজিয়াৰ ফলত তীব্ৰ আবেগৰ বশৱৰ্তী হৈ হঠাতে মৰামাৰি কৰি আৰু অপৰাধী জনৰ দ্বাৰা অন্যায় সুবিধা গ্ৰহণ নকৰাকৈ বা নিষ্ঠুৰ বা অসাধাৰণ ধৰণে কাৰ্য্য নকৰাকৈ, কৰা হয়।

**স্পষ্টীকৰণ** - এনেবোৰ ক্ষেত্ৰত কোনটো পক্ষই প্ৰকোপন দিছে বা প্ৰথম অভ্যাঘাত কৰিছে সেইটো অপ্ৰয়োজনীয়।

**ব্যতিক্ৰম ৫** — দোষাবহ নৰবধ হত্যা নহয় যেতিয়া সেই ব্যক্তিজন যিজনৰ মৃত্যু ঘটোৱা হৈছে, ওঠৰ বছৰৰ অধিক বয়সৰ হৈ নিজৰ সম্মতিক্ৰমে মৃত্যু ভোগ কৰে বা মৃত্যুৰ বিপদাশঙ্কা লয়।

### দৃষ্টান্ত

"ক" ই প্ৰৰোচনা দি ওঠৰ বছৰ বয়সৰ তলৰ ব্যক্তি এজন "জ" ক, স্বেচ্ছাই আত্মহত্যা কৰালে। এই ক্ষেত্ৰত "জ" ৰ কম বয়সৰ কাৰণে, তেওঁ তেওঁৰ নিজৰ মৃত্যুৰ বাবে সম্মতি দিবলৈ অসমৰ্থ আছিল, গতিকে "ক" ই হত্যাৰ অপপ্ৰেৰণা দিলে।

**যি জন ব্যক্তিৰ মৃত্যু ঘটোৱা অভিপ্ৰায় আছিল সেইজনৰ বাহিৰে আন ব্যক্তিৰ মৃত্যু ঘটোৱাৰ দ্বাৰা দোষাবহ নৰবধ।**

৩০১। যদি কোনো ব্যক্তিয়ে কোনো এনে কাৰ্য্য কৰি যাৰ দ্বাৰা তেওঁৰ অভিপ্ৰায় মৃত্যু ঘটোৱা বা যাৰ দ্বাৰা মৃত্যু ঘটোৱা সম্ভাব্য বুলি তেওঁ জানে, কোনো ব্যক্তিৰ মৃত্যু ঘটায়, যিজনৰ মৃত্যু ঘটোৱা তেওঁৰ অভিপ্ৰায় নহয় নাইবা তেওঁৰ মৃত্যু ঘটোৱা সম্ভাব্য বুলি তেওঁ নাজানে, দোষাবহ নৰবধ কৰে, তেন্তে অপৰাধীৰ দ্বাৰা কৰা দোষাবহ নৰবধ সেই প্ৰকাৰৰ হব যিটো যদিহে তেওঁ ব্যক্তিজনৰ মৃত্যু ঘটালেহেঁতেন যাৰ মৃত্যু তেওঁৰ অভিপ্ৰেত আছিল, বা যাৰ মৃত্যু ঘটাব পাৰে বুলি তেওঁ জানিছিল।

**হত্যাৰ বাবে দণ্ড।**

৩০২। যিয়ে, হত্যা সংঘটিত কৰে তেওঁ মৃত্যু বা [১][আজীৱন কাৰাবাস] ৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**আজীৱন কাৰাবাসীৰ দ্বাৰা হত্যাৰ বাবে দণ্ড।**

*৩০৩। যিয়ে, [১][আজীৱন কাৰাবাস] ৰ দণ্ডাদেশৰ অধীনত থাকি, হত্যা সংঘটিত কৰে, তেওঁ মৃত্যুৰে দণ্ডিত হব।

**হত্যাৰ পৰ্য্যায়ৰ নোহোৱা দোষাবহ নৰবধৰ বাবে দণ্ড।**

৩০৪। যিয়ে, হত্যাৰ পৰ্য্যায়ৰ নোহোৱা দোষাবহ নৰবধ কৰে, তেওঁ [১][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ, বাবেও দায়ী হব, যদিহে, যি কাৰ্য্যৰ দ্বাৰা মৃত্যু ঘটোৱা হৈছে, মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে কৰা হৈছে বা মৃত্যু ঘটোৱাৰ সম্ভাৱনা থকা এনে শাৰীৰিক ক্ষতি কৰাৰ অভিপ্ৰায়েৰে কৰা হয়, বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব যদিহে কাৰ্য্যটো এই জ্ঞানসহ কৰা হয় যে ই মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, কিন্তু মৃত্যু ঘটোৱাৰ অভিপ্ৰায় নোহোৱাকৈ বা মৃত্যু ঘটোৱাৰ সম্ভাৱনা থকা এনে শাৰীৰিক ক্ষতি কৰাৰ কোনো অভিপ্ৰায় নোহোৱাকৈ কৰা হয়।

**অসাৱধানতাৰে মৃত্যু ঘটোৱা।**

[২][৩০৪ক। যিয়ে, কোনো উদ্ধত বা অসাৱধান কাৰ্য্য কৰি কোনো ব্যক্তিৰ মৃত্যু ঘটায় যি দোষাবহ নৰবধৰ পৰ্য্যায়ভুক্ত নহয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব]।

**যৌতুকৰ বাবে হোৱা মৃত্যু।**

[৩][৩০৪খ। (১) যেতিয়া কোনো নাৰীৰ মৃত্যু, কোনো পোৰণ বা শাৰীৰিক ক্ষতিৰ দ্বাৰা সংঘটিত হয় বা স্বাভাৱিক পৰিস্থিতিৰ বাহিৰে অন্যথা তেওঁ বিবাহৰ সাত বছৰৰ ভিতৰত ঘটে আৰু তেওঁ মৃত্যুৰ

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

*মিথু বনাম পঞ্জাব এ আই আৰ ১৯৮৩ উচ্চতম ন্যায়ালয় ৪৭৩ ত উচ্চতম ন্যায়ালয়ে এই ধাৰাটো অসাংবিধানিক বুলি অভিখণ্ডিত কৰিছে আৰু বাতিল ঘোষিত কৰিছে।

২। ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ১২ ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। ১৯৮৬ চনৰ ৪৩ নং অধিনিয়মৰ ধাৰা ১০ ৰ দ্বাৰা অন্তঃস্থাপিত (১৯-১১-৮৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

আগু পূৰ্বে যৌতুকৰ কোনো দাবীৰ কাৰণে বা ইয়াৰ সম্পৰ্কত তেওঁৰ স্বামীৰ দ্বাৰা বা তেওঁৰ স্বামীৰ কোনো আত্মীয়ৰ দ্বাৰা নিষ্ঠুৰতা বা হাৰাশাস্তি দিয়া হৈছিল বুলি দেখুৱা হয়, তেনে মৃত্যুক "যৌতুকৰ বাবে মৃত্যু" হোৱা বুলি কোৱা হয়, আৰু এনে স্বামী বা আত্মীয়ই তেওঁৰ মৃত্যু ঘটোৱা বুলি গণ্য কৰা হ'ব।

**স্পষ্টীকৰণ** - এই উপ-ধাৰাৰ প্ৰয়োজনাৰ্থে, "যৌতুক" শব্দটো নিষেধ অধিনিয়ম, ১৯৬১ (১৯৬১ ৰ ২৮) ৰ ধাৰা ২ ত থকাৰ দৰে একে অৰ্থ হ'ব।

(২) যিয়ে, যৌতুকৰ বাবে মৃত্যু ঘটায়, তেওঁ কাৰাবাসৰে, যাৰ অৱধি সাত বছৰতকৈ কম নহ'ব কিন্তু যিটো আজীৱন কাৰাবাসলৈ বিস্তাৰিত হ'ব পাৰে, দণ্ডিত হ'ব।]

শিশু বা উন্মাদ ব্যক্তিৰ আত্মহত্যাৰ অপপ্ৰেৰণা।

৩০৫। যদিহে ওঠৰ বছৰ বয়সৰ তলৰ কোনো ব্যক্তি, কোনো উন্মাদ ব্যক্তি, কোনো বিভ্ৰমচিত্তৰ ব্যক্তি, কোনো নিৰ্বোধ বা মাতাল অৱস্থাত থকা কোনো ব্যক্তিয়ে আত্মহত্যা কৰে, যিয়ে এনে আত্মহত্যা কৰণত অপপ্ৰেৰণা দিয়ে, তেওঁ মৃত্যু বা [1][আজীৱন কাৰাবাস] ৰে বা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰৰ অধিক নহ'ব, দণ্ডিত হ'ব, আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

আত্মহত্যাৰ অপপ্ৰেৰণা।

৩০৬। যদিহে কোনো ব্যক্তিয়ে আত্মহত্যা কৰে, যিয়ে এনে আত্মহত্যা কৰণত অপপ্ৰেৰণা যিয়ে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে, দণ্ডিত হ'ব, আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

হত্যা কৰাৰ প্ৰয়াস।

৩০৭। যিয়ে, কোনো কাৰ্য্য এনে অভিপ্ৰায় বা জ্ঞানসহ আৰু এনে পৰিস্থিতিৰ অধীনত কৰে, যে যদি তেওঁ সেইটো কাৰ্য্যৰে মৃত্যু ঘটালেহেঁতেন, তেওঁ হত্যাৰ বাবে দোষী হ'লহেঁতেন, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে, দণ্ডিত হ'ব, আৰু জৰিমনাৰ বাবেও দায়ী হ'ব, আৰু যদি এনে কাৰ্য্যৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত কৰা হয়, তেতিয়া অপৰাধীজন হয় [1][আজীৱন কাৰাবাস] ৰে নতুবা ইয়াত ওপৰত উল্লেখিত ধৰণৰ এনে দণ্ডৰ বাবে দায়ী হ'ব।

আজীৱন কাৰাবাসীৰ দ্বাৰা প্ৰয়াস।

[2][যেতিয়া এই ধাৰা [1][আজীৱন কাৰাবাস] ৰে দণ্ডাদেশাধীন হৈ থাকে, যদিহে তেওঁৰ আঘাত ঘটোৱা হয়, মৃত্যুৰে দণ্ডিত হ'ব]।

## দৃষ্টান্ত সমূহ

(ক) "ক" ই "জ" ক বধ কৰাৰ অভিপ্ৰায়েৰে গুলীয়ালে, এনে পৰিস্থিতিৰ অধীনত যে যদিহে মৃত্যু হ'লহেঁতেন, তেন্তে "ক" হত্যাৰ বাবে দোষী হ'লহেঁতেন। "ক" এই ধাৰাৰ অধীনত দণ্ডিত হ'বলৈ দায়ী।

(খ) "ক" ই, কোমল বয়সৰ এটা শিশুৰ মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে, ইয়াক এনে নিৰ্জন স্থানত পেলাই থলে। 'ক'ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিলে যদিও শিশুটোৰ মৃত্যু হোৱা নাই।

(গ) "ক" ই "জ" ক হত্যা কৰাৰ অভিপ্ৰায়েৰে এটা বন্দুক কিনে আৰু ইয়াত গুলী ভৰায়। "ক" ই এই পৰ্য্যন্ত অপৰাধটো কৰা নাই। "ক"ই "জ" লৈ বন্দুকটো গুলীয়ালে। তেওঁ এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিলে আৰু যদিহে এনে দৰে গুলী কৰি, তেওঁ "জ" ক আহত কৰে, তেনে হলে তেওঁ এই ধাৰাত [3][প্ৰথম দফাৰ] পিছৰ ভাগত উপবন্ধিত দণ্ডৰ বাবে দায়ী হ'ব।

(ঘ) "ক" ই "জ" ক বিহ খুৱাই হত্যা কৰাৰ অভিপ্ৰায়েৰে বিহ কিনিলে আৰু ইয়াৰ খাদ্যৰ

---

১। ১৯৫৫ চনৰ ২৬ অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ১১ ৰ দ্বাৰা সংযুক্ত কৰা হৈছে।

৩। ১৮৯১ চনৰ ১২ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ ২ ৰ দ্বাৰা অন্তঃস্থাপিত।

সৈতে মিলালে যিটো "ক" ই নিজৰ লগত ৰাখে, "ক"ই এই পৰ্য্যন্ত এই ধাৰাত পৰিভাষিত অপৰাধটো কৰা নাই। "ক" ই থান্দা "জ" ৰ মেজৰ ওপৰত থলে বা ইয়াক "জ" ৰ মেজৰ ওপৰত থবলৈ "জ" ৰ সেৱকক দিলে। "ক" ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

**দোষাবহ নৰবধ কৰাৰ প্ৰয়াস।**

৩০৮। যিয়ে, কোনো কাৰ্য্য এনে অভিপ্ৰায় বা জ্ঞানসহ আৰু এনে পৰিস্থিতিৰ অধীনত কৰে যে যদি তেওঁ সেই কাৰ্য্যটোৰ দ্বাৰা মৃত্যু ঘটালেহেঁতেন, তেওঁ হত্যাৰ পৰ্য্যায়ৰ নোহোৱা দোষাবহ নৰবধৰ বাবে দোষী হ'লহেঁতেন, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব, আৰু যদি তেনে কাৰ্য্যৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত ঘটোৱা হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব।

## দৃষ্টান্ত

"ক" ই, গম্ভীৰ আৰু আচম্বিত প্ৰকোপনত "জ" লৈ পিষ্টলেৰে গুলীয়ালে এনে পৰিস্থিতিৰ অধীনত যে যদিহে তেওঁ তাৰ দ্বাৰা মৃত্যু ঘটালেহেঁতেন, তেন্তে তেওঁ হত্যাৰ পৰ্য্যায়ৰ নোহোৱা দোষাবহ নৰবধৰ বাবে দোষী হ'লহেঁতেন। "ক" ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিলে।

**আত্মহত্যা কৰাৰ প্ৰয়াস।**

৩০৯। যিয়ে, আত্মহত্যা কৰিবলৈ প্ৰয়াস কৰে আৰু তেনে অপৰাধ সংঘটনৰ বাবে কোনো কাৰ্য্য কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, [১][বা জৰিমনাৰে, বা উভয়ৰে] দণ্ডিত হব।

**ঠগ।**

৩১০। যিয়ে, এই অধিনিয়মখন পাৰিত হোৱাৰ পিছত যি কোনো সময়ত হত্যাৰ দ্বাৰা বা হত্যা সহিত লুণ্ঠন বা শিশু চুৰি কৰাৰ উদ্দেশ্যে, অন্য ব্যক্তি বা অন্য ব্যক্তি সকলৰ সৈতে অভ্যাসিক ভাবে সহযোগী হৈ থাকে, তেওঁ ঠগ।

**দণ্ড**

৩১১। যিয়ে, ঠগ হয়, তেওঁ [২][আজীৱন কাৰাবাস] ৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

### গৰ্ভপাত কৰোৱা, অজাত শিশুৰ ক্ষতি কৰোৱা, শিশু পেলাই থৈ যোৱা আৰু জন্মৰ গোপনকৰণৰ বিষয়ে

**গৰ্ভপাত কৰোৱা।**

৩১২। যিয়ে, কোনো এগৰাকী সন্তান সম্ভৱা তিৰোতাক স্বেচ্ছাই গৰ্ভপাত কৰায়, যদিহে তেনে গৰ্ভপাত সত্তাৱ পূৰ্ব্বক তিৰোতা গৰাকীৰ জীৱন ৰক্ষা কৰা উদ্দেশ্যে কৰোৱা নহয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব, আৰু যদিহে তিৰোতা গৰাকী স্পন্দন গৰ্ভা হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - কোনো তিৰোতা, যিজনীয়ে নিজে নিজৰ গৰ্ভপাত কৰায়, তেওঁও এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত হব।

**তিৰোতা গৰাকীৰ সম্মতি বিনা গৰ্ভপাত কৰোৱা।**

৩১৩। যিয়ে, অন্তিম পূৰ্ব্ববৰ্ত্তী ধাৰাটোত পৰিভাষিত অপৰাধটো তিৰোতা গৰাকীৰ সম্মতি বিনা সংঘটিত কৰে, তিৰোতা গৰাকী স্পন্দিত গৰ্ভা হওঁকেই বা নহওঁকেই, তেওঁ [২][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

---

১। ১৮৮২ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ৭ ৰ দ্বাৰা "আৰু জৰিমনাৰ বাবেও দায়ী হব" ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৫৫ চনৰ ২৬ অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

গৰ্ভপাত কৰোৱা অভিপ্ৰায়েৰে কৰা কাৰ্য্যৰ দ্বাৰা ঘটিত মৃত্যু।

৩১৪। যিয়ে, সন্তান সম্ভৱা তিৰোতা এগৰাকীৰ গৰ্ভপাত কৰোৱাৰ অভিপ্ৰায়েৰে, এনে কোনো কাৰ্য্য কৰে যিটোৰে তেনে তিৰোতাৰ মৃত্যু ঘটায় তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব,

যদি তিৰোতা গৰাকীৰ সম্মতি বিনা কাৰ্য্য কৰা হয়।

আৰু যদি তিৰোতা গৰাকীৰ সম্মতি বিনা কাৰ্য্যটো কৰা হয়, তেন্তে তেওঁ, হয় [1][আজীৱন কাৰাবাস] বে নাইবা ওপৰত উল্লেখিত দণ্ডৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - এই অপৰাধটোৰ বাবে এইটো আৱশ্যকীয় নহয় যে অপৰাধীজনে এইটো জনা উচিত যে কাৰ্য্যটোৰে মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে।

শিশুক জীৱিত ভাৱে জন্ম হোৱাত বাধাদান কৰাৰ বা জন্মৰ পিছত ইয়াৰ মৃত্যু ঘটোৱাৰ অভিপ্ৰায়েৰে কৰা কাৰ্য্য।

৩১৫। যিয়েই, কোনো শিশুৰ জন্মৰ পূৰ্ব্বে কোনো কাৰ্য্য এই অভিপ্ৰায়েৰে কৰে যে সেই শিশুৰ জীৱিত ভাৱে জন্ম হোৱাত বাধা দিয়া হয় বা জন্মৰ পিছত ইয়াৰ মৃত্যু ঘটায়, আৰু যদি তেনে কাৰ্য্যৰ দ্বাৰা সেই শিশুটো জীৱিত ভাৱে জন্মাত বাধা দিয়ে বা ইয়াৰ জন্মৰ পিছতে ইয়াৰ মৃত্যু ঘটায় যদি সেই কাৰ্য্য মাতৃৰ জীৱন ৰক্ষা কৰাৰ উদ্দেশ্যে সদ্ভাৱপূৰ্ব্বক কৰা নহয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

দোষাবহ নৰবধৰ পৰ্য্যায়ৰ কাৰ্য্যৰ দ্বাৰা স্পন্দনশীল অজাত শিশুৰ মৃত্যু ঘটোৱা।

৩১৬। যিয়ে, এনে পৰিস্থিতিত কোনো কাৰ্য্য কৰে যে যদিহে তেওঁ তাৰ দ্বাৰা মৃত্যু ঘটালেহেঁতেন তেন্তে তেওঁ দোষাবহ নৰবধৰ বাবে দোষী হ'লহেঁতেন, আৰু তেনে কাৰ্য্যৰ দ্বাৰা কোনো অজাত স্পন্দনশীল শিশুৰ মৃত্যু ঘটায়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

### দৃষ্টান্ত

"ক" ই, এইটো সম্ভাব্য বুলি জানি যে তেওঁ এগৰাকী গৰ্ভৱতী তিৰোতাৰ মৃত্যু ঘটাব পাৰে, এনে এটা কাৰ্য্য কৰিলে যিটো, যদিহে ই তিৰোতা গৰাকীৰ মৃত্যু ঘটালেহেঁতেন দোষাবহ নৰবধৰ পৰ্য্যায়ৰ হ'লহেঁতেন। তিৰোতা গৰাকী আহত হয় কিন্তু তেওঁৰ মৃত্যু নহয়। কিন্তু তাৰ দ্বাৰা সেই অজাত স্পন্দনশীল শিশুৰ যিটোৰ সৈতে তিৰোতা গৰাকী গৰ্ভৱতী, মৃত্যু ঘটে। "ক" এই ধাৰাটোত পৰিভাষিত অপৰাধটোৰ বাবে দোষী।

পিতা মাতা বা ইয়াৰ তত্বাৱধানৰ ভাৰপ্ৰাপ্ত ব্যক্তিৰ দ্বাৰা ১২ বছৰ বয়সৰ তলৰ শিশুৰ অৰক্ষিতভাৱে এৰি থোৱা আৰু পৰিত্যাগ কৰা।

৩১৭। যিয়ে, বাৰ বছৰ বয়সৰ তলৰ কোনো শিশুৰ পিতা বা মাতা হৈ, বা তেনে শিশুৰ তত্বাৱধানৰ ভাৰপ্ৰাপ্ত হৈ তেনে শিশুক সম্পূৰ্ণভাৱে পৰিত্যাগ কৰাৰ অভিপ্ৰায়েৰে তেনে শিশুক অৰক্ষিতভাৱে পেলাই থৈ বা কোনো স্থানত এৰি যায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - যদিহে অৰক্ষিতভাৱে পেলাই থোৱাৰ ফলত শিশুটোৰ মৃত্যু হয়, সেই ক্ষেত্ৰত এই ধাৰাটো যথাস্থিতি হত্যা বা দোষাবহ নৰবধৰ বাবে অপৰাধীজনৰ বিচাৰ নিবাৰিত কৰিবলৈ অভিপ্ৰেত হোৱা নাই।

মৃত দেহৰ গোপন সৎকাৰৰ দ্বাৰা জন্মৰ গোপনকৰণ।

৩১৮। যিয়ে, গোপনীয়ভাৱে পুতি বা অন্যথা এটা শিশুৰ মৃত দেহৰ সৎকাৰ কৰি, তেনে শিশুৰ মৃত্যু ইয়াৰ জন্মৰ পূৰ্বেই বা পিছতেই বা জন্ম হৈ থকা অৱস্থাতেই নহওঁক কিয় তেনে শিশুৰ জন্ম অভিপ্ৰায় পূৰ্বক গোপন কৰে বা গোপন কৰিবলৈ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

### আঘাতৰ বিষয়ে

আঘাত।

৩১৯। যিয়ে, কোনো ব্যক্তিৰ শাৰীৰিক কষ্ট, ৰোগ বা দুৰ্বলতা ঘটায়, তেওঁ আঘাত ঘটোৱা বুলি কোৱা হয়।

---

১। ১৯৫৫ চনৰ ২৬ অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

**গুৰুতৰ আঘাত।**

৩২০। কেৱল নিম্নোক্ত প্ৰকাৰৰ আঘাতকহে "গুৰুতৰ" বুলি অভিহিত কৰা হয় —

**প্ৰথম** — পুৰুষত্বহীনকৰণ।

**দ্বিতীয়** — কোনটো চকুৰ দৃষ্টি শক্তিৰ স্থায়ী হানিকৰণ।

**তৃতীয়** — যি কোনো এখন কাণৰ শ্ৰৱণ শক্তিৰ স্থায়ী হানিকৰণ।

**চতুৰ্থ** — কোনো অঙ্গ প্ৰত্যঙ্গ বা জোৰাৰ নষ্টকৰণ।

**পঞ্চম** — কোনো অঙ্গ প্ৰত্যঙ্গ বা জোৰাৰ শক্তি নষ্টকৰণ বা স্থায়ী হানিকৰণ।

**ষষ্ঠ** — মূৰ বা মুখ মণ্ডলৰ স্থায়ী বিকৃতিকৰণ।

**সপ্তম** — হাড় বা দাঁত ভঙা বা লৰোৱা।

**অষ্টম** — কোনো আঘাত যিটোৱে জীৱন বিপদাপন্ন কৰে বা যিটোৱে কষ্টভোগীজনক বিশ দিনৰ বাবে গুৰুতৰ শাৰীৰিক কষ্ট ভোগ কৰায় বা তেওঁৰ সাধাৰণ ব্যৱসায় চলাই থাকিবলৈ অসমৰ্থ কৰে।

**স্বেচ্ছাই আঘাত ঘটোৱা।**

৩২১। যিয়ে, কোনো কাৰ্য্য এই অভিপ্ৰায়েৰে কৰে যে তাৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত ঘটায় বা এই জ্ঞানসহ কৰে যে তেওঁ তাৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত ঘটোৱাৰ সম্ভাৱনা আছে আৰু তাৰ দ্বাৰা কোনো ব্যক্তিৰ আঘাত ঘটায়, তেওঁ "স্বেচ্ছাই আঘাত ঘটোৱা" বুলি কোৱা হয়।

**স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।**

৩২২। যিয়ে, স্বেচ্ছাই আঘাত ঘটায় যদিহে তেওঁ ঘটাবলৈ অভিপ্ৰায় কৰা আঘাতৰ বা যিটো তেওঁ ঘটোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ জানে গুৰুতৰ আঘাত হয়, আৰু যদি তেওঁ ঘটোৱা আঘাতটো গুৰুতৰ আঘাত হয়, তেওঁ "স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা" বুলি কোৱা হয়।

**স্পষ্টীকৰণ** - এজন ব্যক্তিয়ে এই দুয়োটা ক্ষেত্ৰ ব্যতিৰেকে যেতিয়া তেওঁ গুৰুতৰ আঘাত ঘটায় আৰু গুৰুতৰ আঘাত ঘটাবলৈ অভিপ্ৰায় কৰে বা তেওঁ ঘটোৱা সম্ভাব্য বুলি জানে তেওঁ স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা বুলি কোৱা নহয় কিন্তু তেওঁ স্বেচ্ছাই গুৰুতৰ ঘটোৱা বুলি কোৱা হয়, যদি এক প্ৰকাৰৰ গুৰুতৰ আঘাত ঘটোৱাটো অভিপ্ৰায় কৰি বা ঘটাব পাৰে বুলি তেওঁ নিজেই জানি তেওঁ বাস্তৱিকতে আন এক প্ৰকাৰৰ গুৰুতৰ আঘাতহে ঘটায়।

**দৃষ্টান্ত**

"ক" ই "জ"ৰ মুখ মণ্ডল স্থায়ীভাৱে বিকৃত কৰাৰ অভিপ্ৰায় কৰি বা কৰাৰ সম্ভাৱনা থকা বুলি নিজে জানি "জ"ক এটা খোচা মাৰিলে যিটোৱে "জ"ৰ মুখ মণ্ডল স্থায়ীভাৱে বিকৃত নকৰিলে, কিন্তু যিটোৱে "জ" ক বিশ দিন পৰ্য্যন্ত ভীষণ দৈহিক কষ্ট ভোগ কৰিবলগীয়া কৰে। "ক" ই স্বেচ্ছাই গুৰুতৰ আঘাত ঘটালে।

**স্বেচ্ছাই আঘাত ঘটোৱাৰ বাবে দণ্ড।**

৩২৩। যিয়ে, ধাৰা ৩৩৪ ত উপবন্ধিত ক্ষেত্ৰ ব্যতিৰেকে স্বেচ্ছাই আঘাত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

**মাৰাত্মক অস্ত্ৰেৰে বা উপায়েৰে স্বেচ্ছাই আঘাত ঘটোৱা।**

৩২৪। যিয়ে, ধাৰা ৩৩৪ ত উপবন্ধিতৰ ক্ষেত্ৰৰ ব্যতিৰেকে গুলী কৰা, খোচা বা কটা কোনো সজুলিৰ দ্বাৰা, বা এনে কোনো সজুলিৰ দ্বাৰা, যিটো অপৰাধৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিলে, মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে বা জুই বা কোনো উত্তপ্ত পদাৰ্থৰ দ্বাৰা বা কোনো বিহ বা ক্ষয়কাৰী পদাৰ্থৰ দ্বাৰা, বা কোনো বিস্ফোৰক পদাৰ্থৰ দ্বাৰা বা এনে কোনো পদাৰ্থৰ দ্বাৰা যি পদাৰ্থ নিশ্বাসত লোৱা বা গিলা বা তেজত মিহলাই লোৱা মানৱ শৰীৰৰ বাবে ক্ষতি কাৰক, বা কোনো জন্তুৰ দ্বাৰা, স্বেচ্ছাই আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

**স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱাৰ বাবে দণ্ড।**

৩২৫। যিয়ে, ধাৰা ৩৩৫ ত উপবন্ধিত ক্ষেত্ৰৰ বাতিৰেকে স্বেচ্ছাই গুৰুতৰ আঘাত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**মাৰাত্মক অস্ত্ৰেৰে বা উপায়েৰে স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।**

৩২৬। যিয়ে, ধাৰা ৩৩৫ ত উপবন্ধিতৰ ক্ষেত্ৰৰ বাতিৰেকে গুলী কৰা, খোচা বা কটা কোনো সঁজুলিৰ দ্বাৰা, বা এনে কোনো সঁজুলিৰ দ্বাৰা যিটো অপৰাধৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিলে মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে বা জুই বা কোনো উত্তপ্ত পদাৰ্থৰ দ্বাৰা, বা কোনো বিহ বা কোনো ক্ষয়কাৰী পদাৰ্থৰ দ্বাৰা, বা কোনো বিস্ফোৰক পদাৰ্থৰ দ্বাৰা, বা এনে কোনো পদাৰ্থৰ দ্বাৰা যি পদাৰ্থ নিশ্বাসত লোৱা, গিলা বা তেজত মিহলাই লোৱা মানৱ শৰীৰৰ বাবে ক্ষতিকাৰক বা কোনো জন্তুৰ দ্বাৰা, স্বেচ্ছাই গুৰুতৰ আঘাত ঘটায়, তেওঁ [1][আজীৱন কাৰাবাস]ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**সম্পত্তি বলেৰে আদায় কৰিবলৈ বা কোনো অবৈধ কাৰ্য্য কৰাৰ বাবে বাধ্য কৰিবলৈ স্বেচ্ছাই আঘাত ঘটোৱা।**

৩২৭। যিয়ে, কষ্টভোগাজনৰ পৰা বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি বলেৰে আদায় কৰাৰ উদ্দেশ্যে বা কষ্টভোগাজন বা তেনে কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিক এনে কোনো কাৰ্য্য কৰিবলৈ বাধ্য কৰাৰ বাবে, যিটো অবৈধ বা যিটোৰে কোনো অপৰাধ সংঘটন সহজ সাধ্য কৰিব পাৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

**অপৰাধ সংঘটন কৰাৰ অভিপ্ৰায়েৰে বিষ আদিৰ দ্বাৰা আঘাত ঘটোৱা।**

৩২৮। যিয়ে, কোনো ব্যক্তিক বিহ বা কোনো বেহুচ কৰা, নিচাযুক্ত বা অস্বাস্থ্যকৰ ঔষধ বা অন্য বস্তু তেনে ব্যক্তিৰ আঘাত ঘটোৱাৰ অভিপ্ৰায়েৰে, বা কোনো অপৰাধ কৰা বা ইয়াৰ সংঘটন সহজ সাধ্য কৰাৰ অভিপ্ৰায়েৰে বা তেওঁ তাৰ দ্বাৰা আঘাত ঘটোৱাৰ সম্ভাৱনা আছে বুলি জানিও, প্ৰয়োগ কৰে বা গ্ৰহণ কৰায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**সম্পত্তি বলেৰে আদায় কৰিবলৈ বা কোনো অবৈধ কাৰ্য্য কৰাৰ বাবে বাধ্য কৰিবলৈ স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।**

৩২৯। যিয়ে, কষ্টভোগাজনৰ পৰা বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি বলেৰে আদায় কৰিবলৈ বা সেই কষ্টভোগাজনক বা তেনে কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিক কোনো কাৰ্য্য, যিটো অবৈধ, বা যিটোৰে কোনো অপৰাধৰ সংঘটন সহজ সাধ্য কৰে, কৰিবলৈ বাধ্য কৰে, স্বেচ্ছাই গুৰুতৰ আঘাত কৰে, তেওঁ [1][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্বীকাৰোক্তি আদায় কৰিবলৈ বা সম্পত্তি প্ৰত্যাৰ্পণ কৰিবলৈ বাধ্য কৰিবলৈ স্বেচ্ছাই আঘাত ঘটোৱা।**

৩৩০। যিয়ে, কষ্টভোগাজনৰ পৰা বা কষ্টভোগাজনৰ স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো স্বীকাৰোক্তি বা কোনো সংবাদ, যিটোৰে কোনো অপৰাধ বা অসদাচাৰণ ধৰা পেলাবলৈ বাট দেখুৱাই দিব পাৰে আদায় কৰিবলৈ বা কষ্টভোগাজনক বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিক কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি প্ৰত্যাৰ্পণ কৰিবলৈ বা প্ৰত্যাৰ্পণ কৰাবৰ বাবে বাধ্য কৰাৰ বাবে বা কোনো দাবী বা অভিযাচন পূৰণ কৰিবলৈ বা এনে সংবাদ দিবলৈ যিটোৰে কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতিৰ প্ৰত্যাৰ্পণৰ বাট দেখুৱাই দিয়ে, স্বেচ্ছাই আঘাত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

### দৃষ্টান্ত সমূহ

(ক) আৰক্ষী পদাধিকাৰী "ক" ই "জ"ক তেওঁ যে এটা অপৰাধ সংঘটিত কৰিছে এই স্বীকাৰোক্তি কৰিবলৈ উৎপ্ৰেৰিত কৰাৰ বাবে "জ"ক যন্ত্ৰণা দিলে। "ক" এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

(খ) আৰক্ষী পদাধিকাৰী "ক"ই কোনখন ঠাইত কিছুমান চুৰি সম্পত্তি জমা কৰি ৰখা হৈছে দেখুৱাই দিবলৈ তেওঁক উৎপ্ৰেৰিত কৰাৰ বাবে 'খ' ক যন্ত্ৰণা দিলে। "ক" এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

(গ) ৰাজহ পদাধিকাৰী "ক"ই "জ"ৰ দ্বাৰা দেয় হোৱা ৰাজহৰ বাকী আদায় দিবলৈ বাধ্য কৰাৰ উদ্দেশ্যে "জ" ক যন্ত্ৰণা দিলে। "ক" এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

(ঘ) জমিদাৰ "ক"ই তেওঁক দিবলগীয়া ভাৰা আদায় দিবলৈ বাধ্য কৰাৰ বাবে এজন ৰায়তক যন্ত্ৰণা দিলে। "ক"ই এই ধাৰাৰ অধীনৰ অপৰাধৰ বাবে দোষী।

**স্বীকাৰোক্তি আদায় কৰিবলৈ বা সম্পত্তিৰ প্ৰত্যাৰ্পণ বাধ্য কৰিবৰ বাবে স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।**

৩৩১। যিয়ে, কষ্টভোগাজনৰ পৰা বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো স্বীকাৰোক্তি বা কোনো সংবাদ, যিটোৱে কোনো অপৰাধ বা অসদাচৰণ ধৰা পেলাবলৈ বাট দেখুৱাব পাৰে, আদায় কৰিবলৈ বা কষ্টভোগাজন বা কষ্টভোগাজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তিক কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি প্ৰত্যাৰ্পণ কৰিব বা প্ৰত্যাৰ্পণ কৰাবৰ বাবে বা কোনো দাবী বা অভিযাচন পূৰণ কৰিবলৈ, বা কোনো সংবাদ জনাবলৈ যিটোৱে কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতিৰ প্ৰত্যাৰ্পণ কৰিবলৈ বাট দেখুৱাব পাৰে— বাধ্য কৰাৰ উদ্দেশ্যে স্বেচ্ছাই গুৰুতৰ আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**লোকসেৱকক তেওঁৰ কৰ্তব্য পালনৰ পৰা বিৰত কৰিবলৈ স্বেচ্ছাই আঘাত ঘটোৱা।**

৩৩২। যিয়ে, লোকসেৱক হিচাবে থকা কোনো ব্যক্তিক তেনে লোকসেৱককপে তেওঁৰ কৰ্তব্য নিৰ্বহন কৰাত বা সেই ব্যক্তিজনক বা আন কোনো লোকসেৱকক তেনে লোকসেৱককপে তেওঁৰ কৰ্তব্য নিৰ্বহন কৰাৰ পৰা নিবাৰিত কৰা বা বিৰত কৰাৰ অভিপ্ৰায়েৰে, বা সেই ব্যক্তিজনৰ দ্বাৰা তেনে লোকসেৱককপে তেওঁৰ কৰ্তব্যৰ বিধি সম্মত নিৰ্বহনত কোনো কাৰ্য্য কৰাৰ বা কৰিবলৈ প্ৰয়াস কৰাৰ ফলস্বৰূপে স্বেচ্ছাই আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**লোকসেৱকক তেওঁৰ কৰ্তব্য পালনৰ পৰা বিৰত কৰিবলৈ স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।**

৩৩৩। যিয়ে, লোকসেৱক হৈ থকা কোনো ব্যক্তিক তেনে লোকসেৱককপে তেওঁৰ কৰ্তব্যৰ নিৰ্বহন কৰাত, বা সেই ব্যক্তিজনক বা আন কোনো লোকসেৱকক তেনে লোকসেৱককপে তেওঁৰ কৰ্তব্য নিৰ্বহন কৰাৰ পৰা নিবাৰিত কৰা বা বিৰত কৰাৰ অভিপ্ৰায়েৰে, বা সেই ব্যক্তিজনৰ দ্বাৰা তেনে লোকসেৱককপে তেওঁৰ কৰ্তব্যৰ বিধি সম্মত নিৰ্বহনত কোনো কাৰ্য্য কৰাৰ বা কৰিবলৈ প্ৰয়াস কৰাৰ ফলস্বৰূপে স্বেচ্ছাই গুৰুতৰ আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**প্ৰকোপণত স্বেচ্ছাই আঘাত ঘটোৱা।**

৩৩৪। যিয়ে, গম্ভীৰ আৰু আকস্মিক প্ৰকোপণত স্বেচ্ছাই আঘাত ঘটায়, যদি তেওঁ যিজন ব্যক্তিয়ে প্ৰকোপণটো দিছিল সেইজন ব্যক্তিৰ বাহিৰে আন কোনো ব্যক্তিক আঘাত ঘটাবলৈ অভিপ্ৰায় কৰাও নাই নাইবা তেওঁ নিজে আঘাত ঘটোৱাৰ সম্ভাৱনা আছে বুলি নাজানে, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

**প্ৰকোপণত স্বেচ্ছাই গুৰুতৰ আঘাত ঘটোৱা।**

৩৩৫। যিয়ে, গম্ভীৰ আৰু আকস্মিক প্ৰকোপণত [1][স্বেচ্ছাই] গুৰুতৰ আঘাত ঘটায়, যদি তেওঁ যিজন ব্যক্তিয়ে প্ৰকোপণটো দিছিল সেইজন ব্যক্তিৰ বাহিৰে আন কোনো ব্যক্তিৰ গুৰুতৰ আঘাত ঘটাবলৈ অভিপ্ৰায় কৰাও নাই নাইবা তেওঁ নিজে গুৰুতৰ আঘাত ঘটোৱাৰ সম্ভাৱনা আছে বুলি নাজানেও, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি চাৰি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি দুহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - অন্তিম ধাৰা দুটা ধাৰা ৩০০ ৰ ব্যতিক্ৰম ১ ৰ দৰে একে পৰন্তুক সমূহৰ অধীনত হব।

---

১। ১৮৮২ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ৮ ৰ দ্বাৰা অন্তঃস্থাপিত।

অন্যৰ জীৱন বা ব্যক্তিগত সুৰক্ষা বিপদাপন্ন কৰা কাৰ্য্য।

৩৩৬। যিয়ে, কোনো কাৰ্য্য এনে উদ্ধতভাবে আৰু অসাৱধানতাৰে কৰে যে তাৰ দ্বাৰা মানৱ জীৱন বা অন্যৰ সুৰক্ষা বিপদাপন্ন হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি মাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি দুশ পঞ্চাশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

অন্যৰ জীৱন বা ব্যক্তিগত সুৰক্ষা বিপদাপন্ন কৰা কাৰ্য্যৰ দ্বাৰা আঘাত ঘটোৱা।

৩৩৭। যিয়ে, এনে উদ্ধতভাবে বা অসাৱধানতাৰে কোনো কাৰ্য্য কৰে, যাৰ দ্বাৰা মানৱ জীৱন বা অন্যৰ ব্যক্তিগত সুৰক্ষা বিপদাপন্ন হয়, কোনো ব্যক্তিৰ আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

অন্যৰ জীৱন বা ব্যক্তিগত সুৰক্ষা বিপদাপন্ন কৰা কাৰ্য্যৰদ্বাৰা গুৰুতৰ আঘাত ঘটোৱা।

৩৩৮। যিয়ে, এনে উদ্ধতভাবে বা অসাৱধানতাৰে মানৱ জীৱন বা অন্যৰ ব্যক্তিগত সুৰক্ষা বিপদাপন্ন কৰাকৈ কোনো কাৰ্য্য কৰি কোনো ব্যক্তিৰ গুৰুতৰ আঘাত ঘটায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

## সদোষ অৱৰোধ আৰু সদোষ পৰিৰোধৰ বিষয়ে

সদোষ অৱৰোধ।

৩৩৯। যিয়ে, স্বেচ্ছাই কোনো ব্যক্তিক এনেদৰে বাধা দিয়ে যাতে সেই ব্যক্তিজন কোনো এটা দিশলৈ অগ্ৰসৰ হবলৈ নিবাৰিত হয়, যি দিশটোলৈ অগ্ৰসৰ হোৱা অধিকাৰ সেই ব্যক্তিজনৰ আছে, তেওঁ সেই ব্যক্তিজনক সদোষ অৱৰোধ কৰা বুলি কোৱা হয়।

ব্যতিক্ৰম - স্থল বা জলৰ ওপৰেদি ব্যক্তিগত পথ এটাৰে বাধা দান কৰাটো, যিটো এজন ব্যক্তিয়ে বাধা দিবলৈ তেওঁৰ নিজৰ এটা বিধি সম্মত অধিকাৰ থকা বুলি সদ্‌ভাৱ পূৰ্বক বিশ্বাস কৰে, এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত অপৰাধ নহয়।

### দৃষ্টান্ত

'ক' ই পথটো বন্ধ কৰিবলৈ তেওঁৰ অধিকাৰ আছে বুলি সদ্‌ভাৱ পূৰ্বক বিশ্বাস নকৰাকৈয়ে এটা পথ, যিটোৰে 'জ'ৰ যাতায়তৰ অধিকাৰ আছে 'ক' ই বাধা দিয়ে তাৰ দ্বাৰা "জ"ক যাতায়তৰ পৰা নিবাৰিত কৰা হ'ল 'ক' ই 'জ' ক দোষ পূৰ্বক অৱৰোধ কৰিলে।

সদোষ পৰিৰোধ।

৩৪০। যিয়ে, কোনো এজন ব্যক্তিক এনে ধৰণে দোষ পূৰ্বক পৰিৰোধ কৰে যাতে সেই ব্যক্তিজনৰ নিৰ্দিষ্ট পৰিসীমা অতিক্ৰম কৰি অগ্ৰসৰ হোৱাৰ পৰা নিবাৰিত কৰা হয় তেওঁ, সেই ব্যক্তিজনক "সদোষ পৰিৰোধ কৰা বুলি কোৱা হয়।

### দৃষ্টান্তসমূহ

(ক) 'ক'ই 'জ'ক বেৰাৰে আবৃত ঠাই এডোখৰৰ ভিতৰলৈ যাবলৈ বাধ্য কৰিলে, আৰু 'জ'ক তাৰ ভিতৰত তলা মাৰি থ'লে। এনেদৰে 'জ'ক বেৰাখনৰ পৰিসীমাৰ ৰেখা পাৰ হৈ যিকোনো দিশলৈ অগ্ৰসৰ হোৱাৰ পৰা নিবাৰিত কৰা হ'ল। 'ক'ই 'জ'ক দোষপূৰ্বক পৰিৰোধ কৰিলে।

(খ) 'ক'ই আগ্নেয়াস্ত্ৰ সহ মানুহ কিছুমান ঘৰ এটাৰ ওলাই যোৱা পথত ৰাখিলে আৰু 'জ'ক কলে যে যিহতে 'জ'ক গুলীয়াব যদিহে 'জ'ই ঘৰটোৰ পৰা ওলাই যাবলৈ যত্ন কৰে। 'ক'ই 'জ'ক দোষ পূৰ্বক পৰিৰোধ কৰিলে।

সদোষ অৱৰোধৰ বাবে দণ্ড।

৩৪১। যিয়ে, কোনো ব্যক্তিক দোষপূৰ্বক অৱৰোধ কৰে, তেওঁ সাধাৰণ কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমণাৰে, যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

সদোষ পৰিৰোধৰ বাবে দণ্ড।

৩৪২। যিয়ে, কোনো ব্যক্তিক দোষপূৰ্বক পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমণাৰে, যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

**তিনি বা অধিক দিনৰ বাবে সদোষ পৰিৰোধ।**

৩৪৩। যিয়ে, তিনি বা অধিক দিনৰ বাবে কোনো ব্যক্তিক দোষপূৰ্বক পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

**দহ বা অধিক দিনৰ বাবে সদোষ পৰিৰোধ।**

৩৪৪। যিয়ে, কোনো ব্যক্তিক দহ বা অধিক দিনৰ বাবে দোষপূৰ্বক পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনিবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হ'ব।

**এনে ব্যক্তিৰ সদোষ পৰিৰোধ যাৰ মুক্তিৰ বাবে ৰিট জাৰি কৰা হৈছে।**

৩৪৫। যিয়ে, এনে কোনো ব্যক্তিক, সেই ব্যক্তিজনৰ মুক্তিৰ বাবে ৰিট এখন সম্যকৰূপে জাৰি কৰা হৈছে বুলি জানিও সদোষ পৰিৰোধত ৰাখে তেওঁ, এই অধ্যায়ৰ আন কোনো ধাৰাৰ অধীনত দায়ী হব পৰা যি কোনো অৱধিৰ কাৰাবাসৰ উপৰিও দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব।

**গোপন স্থানত সদোষ পৰিৰোধ।**

৩৪৬। যিয়ে, কোনো ব্যক্তিক এনে ধৰণে দোষপূৰ্বক পৰিৰোধ কৰি ৰাখে যাৰ দ্বাৰা এনে এটা অভিপ্ৰায় প্ৰতীত হয় যে তেনে ব্যক্তিৰ পৰিৰোধৰ বিষয়ে তেনেদৰে পৰিৰুদ্ধ ব্যক্তিজনৰ ওপৰত স্বাৰ্থজড়িত কোনো ব্যক্তি বা কোনো লোকসেৱকে জানিব পৰা নহয় বা তেনেদৰে পৰিৰোধৰ ঠাইখনৰ বিষয়ে ইয়াৰ ওপৰত উল্লেখ কৰা তেনে কোনো ব্যক্তি বা লোকসেৱকে জানিব পৰা নহয় বা আৱিষ্কাৰ কৰিব পৰা নহয়, তেনে সদোষ পৰিৰোধৰ বাবে তেওঁ দায়ী হব পৰা আন কোনো দণ্ডৰ উপৰিও দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব।

**সম্পত্তি বলেৰে আদায় কৰিবলৈ বা অবৈধ কাৰ্য্য কৰাৰ বাবে বাধ্য কৰিবলৈ সদোষ পৰিৰোধ।**

৩৪৭। যিয়ে, পৰিৰুদ্ধ ব্যক্তিজন বা পৰিৰুদ্ধ ব্যক্তিজনত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা, কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি, বলেৰে আদায় কৰাৰ উদ্দেশ্যে বা পৰিৰুদ্ধ ব্যক্তিজন বা এনে ব্যক্তিক স্বাৰ্থজড়িত কোনো ব্যক্তিক অবৈধ কাৰ্য্য কৰিবলৈ বা কোনো সংবাদ দিবলৈ যিটোৱে কোনো অপৰাধৰ সংঘটন সহজ সাধ্য কৰে, বাধ্য কৰাৰ বাবে কোনো ব্যক্তিক দোষপূৰ্বক পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্বীকাৰোক্তি বলপূৰ্বক আদায় কৰিবলৈ বা সম্পত্তি প্ৰত্যাৰ্পণ কৰিবলৈ বাধ্য কৰাৰ বাবে সদোষ পৰিৰোধ।**

৩৪৮। যিয়েই, পৰিৰুদ্ধ ব্যক্তিৰ বা পৰিৰুদ্ধ ব্যক্তিজনত স্বাৰ্থজড়িত কোনো ব্যক্তিৰ পৰা কোনো স্বীকাৰোক্তি বা এনে কোনো সংবাদ যিটোৱে কোনো অপৰাধ বা অসদাচৰণ ধৰা পেলাবলৈ বাট দেখুৱাব পাৰে, বলেৰে লোৱাৰ উদ্দেশ্যে বা পৰিৰুদ্ধ ব্যক্তিজনক বা পৰিৰুদ্ধ ব্যক্তিজনত স্বাৰ্থজড়িত যি কোনো ব্যক্তিক কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি প্ৰত্যাৰ্পণ কৰিবলৈ বা কোনো দাবী বা অভিযাচন পূৰণ কৰিবলৈ, বা এনে কোনো সংবাদ দিবলৈ যিটোৱে কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি প্ৰত্যাৰ্পণ কৰিবলৈ বাট দেখুৱাব পাৰে, দিবলৈ বাধ্য কৰাৰ উদ্দেশ্যে, কোনো ব্যক্তিক সদোষ পৰিৰোধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

## আপৰাধিক বল আৰু অভ্যাঘাতৰ বিষয়ে

**বল।**

৩৪৯। কোনো ব্যক্তিয়ে আন এজনৰ প্ৰতি বল প্ৰয়োগ কৰা বুলি কোৱা হয় যদি তেওঁ সেই ব্যক্তিজনৰ গতি, গতিৰ পৰিবৰ্তন বা গতিৰ অন্ত ঘটায়, বা যদিহে তেওঁ কোনো পদাৰ্থৰ এনে গতি, বা গতিৰ পৰিবৰ্তন বা গতিৰ অন্ত ঘটায় যিটোৱে সেই পদাৰ্থটোক সেই অন্যজনৰ দেহৰ কোনো অংশৰ লগত সংস্পৰ্শলৈ আনে, বা আন কোনো বস্তুৰ লগত যিটো সেই অন্যজনে পিন্ধি আছে বা লৈ আছে বা এনেদৰে অৱস্থিত এনে কোনো বস্তুৰ লগত তেনে সংস্পৰ্শই সেই অন্যজনৰ অনুভূতিৰ জ্ঞানক প্ৰভাৱিত কৰে : পৰন্তু, গতি, গতিৰ পৰিবৰ্তন বা গতিৰ অন্ত ঘটোৱা ব্যক্তিজনে সেই গতি, গতিৰ পৰিবৰ্তন বা গতিৰ অন্ত ইয়াত ইয়াৰ পাছত বৰ্ণিত তিনিটা উপায়ৰ কোনো এটা উপায়েৰে ঘটায় :-

**প্ৰথম** - তেওঁ নিজৰ দৈহিক শক্তিৰ দ্বাৰা।

**দ্বিতীয়** - কোনো পদাৰ্থ এনে ধৰণে ব্যয়ন কৰি যে সেই গতি, গতিৰ পৰিবৰ্তন বা গতিৰ অন্ত তেওঁৰ দ্বাৰা বা আন কোনো ব্যক্তিৰ দ্বাৰা আন কোনো অধিক কাৰ্য্য নকৰাকৈয়ে ঘটে।

**তৃতীয়** - কোনো জন্তুক গতি কৰিবলৈ, ইয়াৰ গতি পৰিবৰ্তন কৰিবলৈ, বা গতি বন্ধ কৰিবলৈ উৎপ্ৰেৰিত কৰে।

আপৰাধিক বল।

৩৫০। যিয়ে, কোনো ব্যক্তিৰ প্ৰতি, সেই ব্যক্তিজনৰ সম্মতিবিনা, কোনো অপৰাধ সংঘটিত কৰিবলৈ, বা অভিপ্ৰেত তেনে বল প্ৰয়োগৰ দ্বাৰা তেওঁ সেই ব্যক্তিজনৰ, যিজনৰ প্ৰতি বল প্ৰয়োগ কৰা হৈছে ক্ষতি কৰা, ভয় বা বিৰক্তি জন্মোৱাৰ অভিপ্ৰায় কৰি বা এনে বল প্ৰয়োগৰ দ্বাৰা, এনে ক্ষতি, ভয় বা বিৰক্তি জন্মোৱাৰ সম্ভাৱনা আছে বুলি জানিও অভিপ্ৰায়েৰে বল প্ৰয়োগ কৰে, তেওঁ সেই অন্যজনৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰা বুলি কোৱা হয়।

দৃষ্টান্তসমূহ

(ক) নদীৰ পাৰত লঙৰ পেলাই বান্ধি ৰখা নাৱঁ এখনত "জ" বহি আছে। 'ক'ই লঙৰৰ গাঠি খুলি দিলে আৰু এনেদৰে অভিপ্ৰায়েৰে নাওঁখন ভাটিৰ ফাললৈ সোঁতত উটি যাবলৈ দিলে। ইয়াত 'ক' ই অভিপ্ৰায়েৰে 'জ'ৰ গতিৰ সাদসলনি কৰিছে আৰু তেওঁ এইটো এটা বস্তু এনে ধৰণে ব্যৱহাৰ কৰি কৰিলে যে আন কোনো ব্যক্তিৰ দ্বাৰা আন কাৰ্য্য নকৰাকৈয়ে গতিটো উৎপন্ন হ'ল। গতিকে 'ক' ই 'জ' ৰ ওপৰত অভিপ্ৰায়েৰে বল প্ৰয়োগ কৰিলে ; আৰু যদিহে তেওঁ 'জ' ৰ সম্মতিবিনা কোনো অপৰাধ সংঘটিত কৰাৰ বাবে বা এই বল প্ৰয়োগে 'জ' ৰ ক্ষতি কৰিব, ভয় বা বিৰক্তি জন্মাব এনে অভিপ্ৰায়েৰে বা সম্ভাব্য বুলি জানিও, এনেদৰে কৰিছে তেন্তে 'ক' ই 'জ' ৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিছে।

(খ) 'জ' ই এখন ৰথ চলাই গৈছে। 'ক' ই 'জ'ৰ ঘোৰাবোৰক চাবুকেৰে কোবালে আৰু তাৰ দ্বাৰা সিহঁতৰ পদচালনা ক্ষিপ্ৰ কৰিবলৈ উৎপ্ৰেৰিত কৰি 'জ'ৰ গতিৰ পৰিবৰ্ত্তন ঘটালে। গতিকে 'ক' ই 'জ'ৰ ওপৰত বল প্ৰয়োগ কৰিছে ; আৰু যদিহে 'ক' ই এইটো 'জ' ৰ সম্মতিবিনা এনেদৰে অভিপ্ৰায় কৰি বা এইটো সম্ভাব্য বুলি জানিও কৰিছে যে তেওঁ তাৰ দ্বাৰা 'জ' ৰ ক্ষতি কৰিব, ভীত কৰিব বা বিৰক্তি জন্মাব তেন্তে 'ক' ই 'জ' ৰ ওপৰত আপৰাধিক বল প্ৰয়োগ কৰিলে।

(গ) 'জ' ই এখন পাল্কীত উঠি গৈ আছে। 'ক'ই 'জ'ক লুণ্ঠন কৰাৰ অভিপ্ৰায়েৰে পাল্কীৰ মুৰটোত ধৰিলে আৰু পাল্কীখন যোৱা বন্ধ কৰিলে। ইয়াত 'ক' ই 'জ' ৰ গতিৰ অন্ত ঘটালে ; আৰু তেওঁ এইটো তেওঁৰ নিজৰ দৈহিক শক্তিৰে কৰিলে। গতিকে 'ক' ই 'জ' ৰ ওপৰত বল প্ৰয়োগ কৰিলে ; আৰু যিহেতু 'ক' ই 'জ' ৰ সম্মতিবিনা এটা অপৰাধ সংঘটিত কৰাৰ উদ্দেশ্যে এনেদৰে অভিপ্ৰায়েৰে কাৰ্য্য কৰিলে, 'ক' ই 'জ' ৰ ওপৰত আপৰাধিক বল প্ৰয়োগ কৰিলে।

(ঘ) 'ক' ই ৰাস্তাত অভিপ্ৰায়েৰে 'জ' ক ঠেলি দিলে। ইয়াত 'ক' ই তেওঁৰ নিজৰ দৈহিক শক্তিৰ দ্বাৰা তেওঁৰ নিজৰ দেহ এনেদৰে লৰালে যেন ইয়াক 'জ' ৰ সংস্পৰ্শলৈ আনিব পাৰে। গতিকে তেওঁ 'জ' ৰ ওপৰত অভিপ্ৰায়েৰে বল প্ৰয়োগ কৰিলে ; আৰু যদিহে তেওঁ 'জ' ৰ সম্মতিবিনা এনেদৰে অভিপ্ৰায় কৰি বা সম্ভাব্য বুলি জানিও এনেদৰে কৰিছে যে তেওঁ তাৰ দ্বাৰা 'জ' ৰ ক্ষতি কৰিব, তেওঁক ভীত কৰিব বা বিৰক্ত কৰিব তেন্তে তেওঁ 'জ' ৰ ওপৰত আপৰাধিক বল প্ৰয়োগ কৰিছে।

(ঙ) 'ক' ই এটা শিলগুটি দলিয়ালে এই অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে শিলটো এনেদৰে 'জ' ৰ বা 'জ' ৰ কাপোৰৰ বা 'জ' ই কঢ়িয়াই নিয়া কোনো বস্তুৰ সংস্পৰ্শলৈ অনা হব, বা এইটো পানীত পৰিব আৰু পানীখিনি 'জ' ৰ কাপোৰত বা 'জ' ই কঢ়িয়াই নিয়া কোনো বস্তুত ছিটিকনি খাই পৰিব। ইয়াত, যদিহে শিলটো দলিওৱাৰ ফলত কোনো পদাৰ্থ 'জ' ৰ বা 'জ' ৰ কাপোৰৰ সংস্পৰ্শলৈ অহাটো ঘটে, 'ক' ই 'জ' ৰ প্ৰতি বল প্ৰয়োগ কৰিছে ; আৰু যদিহে তেওঁ 'জ'ৰ সম্মতিবিনা তাৰ দ্বাৰা 'জ'ক ক্ষতি কৰা, ভীত কৰা বা বিৰক্তি জন্মোৱাৰ অভিপ্ৰায়েৰে এনেদৰে কৰিছে, তেন্তে তেওঁ 'জ'ৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিছে।

(চ) 'ক'ই অভিপ্ৰায়েৰে কোনো তিৰোতাৰ ওৰণি গুচাই দিলে। ইয়াত 'ক'ই অভিপ্ৰায়েৰে তেওঁৰ প্ৰতি বল প্ৰয়োগ কৰিছে, আৰু যদিহে তেওঁ তিৰোতা গৰাকীৰ সম্মতিবিনা, এনে অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে তাৰ দ্বাৰা তেওঁ তিৰোতা গৰাকীক ক্ষতি কৰিব, ভীত কৰিব বা বিৰক্ত কৰিব পাৰে, তেন্তে তেওঁ তিৰোতা গৰাকীৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিছে।

(ছ) 'জ'ই স্নান কৰি আছে। স্নান কৰা পানীখিনিত 'ক'ই পানী ঢালি দিলে, যি পানী উতলি থকা বুলি তেওঁ জানে। ইয়াত 'ক'ই অভিপ্ৰায় পূৰ্বক তেওঁৰ দৈহিক শক্তিৰ দ্বাৰা উতলি থকা পানীখিনিৰ এনে

গতি ঘটালে যি গতিয়ে সেই পানীখিনি 'জ'ৰ সংস্পৰ্শলৈ, বা এনেদৰে থকা আন পানীৰ সংস্পৰ্শলৈ আনিলে যে তেনে সংস্পৰ্শই 'জ'ৰ অনুভূতি জ্ঞান নিশ্চয় প্ৰভাৱিত কৰিব, গতিকে 'ক'ই অভিপ্ৰায়েৰে 'জ'ৰ প্ৰতি বল প্ৰয়োগ কৰিছে ; আৰু যদিহে তেওঁ এইটো 'জ'ৰ সম্মতি বিনা এনে অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে তেওঁ তাৰ দ্বাৰা 'জ'ক ক্ষতি কৰিব, ভয় বা বিৰক্তি উপজাব পাৰে, তেন্তে 'ক'ই আপৰাধিক বল প্ৰয়োগ কৰিছে।

(ঞ) 'ক'ই 'জ'ৰ সম্মতি বিনা এটা কুকুৰক 'জ'ৰ ওপৰত জপিয়াই উঠিবলৈ উচটালে। ইয়াত যদিহে 'ক'ই 'জ'ৰ ক্ষতি কৰাব, ভয় বা বিৰক্তি জন্মোৱাৰ অভিপ্ৰায় কৰিছে, তেন্তে তেওঁ 'জ'ৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিছে।

অভ্যাঘাত

৩৫১। যিয়ে, কোনো অঙ্গিভঙ্গি বা কোনো প্ৰস্তুতি এনে অভিপ্ৰায়েৰে কৰে বা এইটো সম্ভাব্য বুলি জানিও কৰে যে, এনে অঙ্গিভঙ্গি বা প্ৰস্তুতিয়ে উপস্থিত থকা কোনো ব্যক্তিৰ মনত এনে আশংকা জন্মায় যে তেনে অঙ্গিভঙ্গি বা প্ৰস্তুতি কৰা ব্যক্তিজনে সেই ব্যক্তিজনৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰিবলৈ ওলাইছে, তেওঁ অভ্যাঘাত সংঘটিত কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ** - কেৱল কথাই অভ্যাঘাত এটাৰ পৰ্য্যায়ভুক্ত নহয়। কিন্তু এজন ব্যক্তিয়ে প্ৰয়োগ কৰা কথাবোৰ তেওঁৰ অঙ্গিভঙ্গি বা প্ৰস্তুতিৰ এনে এটা অৰ্থ দিব পাৰে যিটোৱে সেই অঙ্গিভঙ্গি বা প্ৰস্তুতিবোৰক অভ্যাঘাতৰ পৰ্য্যায়ভুক্ত কৰিব পাৰে।

**দৃষ্টান্তসমূহ**

(ক) 'ক'ই 'জ'ৰ প্ৰতি তেওঁৰ মুঠিটো এনে অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও জোকাৰিলে যে তেওঁ তাৰ দ্বাৰা 'জ'ৰ মনত এনেদৰে বিশ্বাস উপজাব পাৰে যে 'ক'ই 'জ'ক মাৰিবলৈ ওলাইছে। 'ক'ই এটা অভ্যাঘাত কৰিলে।

(খ) 'ক'ই এটা হিংস্ৰ কুকুৰৰ মুখ বন্ধনী এনে অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও খুলিবলৈ আৰম্ভ কৰিলে যে তেওঁ তাৰ দ্বাৰা 'জ'ৰ মনত এনেদৰে বিশ্বাস উপজাব পাৰে যে তেওঁ কুকুৰটোৰ দ্বাৰা 'জ'ক আক্ৰমণ কৰাবলৈ ওলাইছে। 'ক'ই 'জ'ৰ প্ৰতি এটা অভ্যাঘাত কৰিলে।

(গ) 'মই তোমাক এপিটন দিম' 'জ'ক এই বুলি কৈ 'ক'ই এডাল লাঠি ললে। ইয়াত, যদিহে 'ক'ই প্ৰয়োগ কৰা শব্দবোৰ কোনো ক্ষেত্ৰতেই অভ্যাঘাতৰ পৰ্য্যায়ভুক্ত হব নোৱাৰে, আৰু যদিহে কেৱল অঙ্গিভঙ্গিয়েই আন কোনো পৰিস্থিতিৰ অবৰ্তমানত অভ্যাঘাতৰ পৰ্য্যায়ভুক্ত হব নোৱাৰিলেহেতেন, তথাপিও অঙ্গিভঙ্গিটো কথাখিনিৰে স্পষ্টীকৰণ হোৱাৰ পাছত অভ্যাঘাতৰ পৰ্য্যায়ভুক্ত হব পাৰে।

**গম্ভীৰ প্ৰকোপনত কৰাৰ বাহিৰে অন্যথা অভ্যাঘাত বা আপৰাধিক বলৰ বাবে দণ্ড।**

৩৫২। যিয়ে, কোনো ব্যক্তিক সেই ব্যক্তিজনে দিয়া গম্ভীৰ আৰু আচম্বিত প্ৰকোপনত বাহিৰে অন্যথা অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি তিনি মাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমণাৰে, যি পাচঁশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে, দণ্ডিত হব।

**স্পষ্টীকৰণ** - গম্ভীৰ আৰু আচম্বিত প্ৰকোপনে এই ধাৰাৰ অধীনৰ দণ্ড লঘু নকৰে যদিহে অপৰাধীজনৰ দ্বাৰা অপৰাধটোৰ কাৰণ হিচাপে প্ৰকোপনটো বিচৰা হয় বা স্বেচ্ছাকৃতভাৱে প্ৰকোপিত কৰা হয়, বা

যদিহে, বিধিৰ পালনক্ৰমে কোনো কাৰ্য্য কৰি প্ৰকোপনটো দিয়া হয়, বা কোনো লোকসেৱকৰ দ্বাৰা তেনে লোকসেৱকৰ ক্ষমতাৰ বিধিসম্মত প্ৰয়োগত, বা

যদিহে, প্ৰকোপনৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ বিধিসম্মত প্ৰয়োগত কোনো কাৰ্য্য কৰি দিয়া হয়,

অপৰাধটো লঘু কৰিব পৰাকৈ প্ৰকোপনটো গম্ভীৰ আৰু আচম্বিত আছিল নে নাই, এইটো এটা তথ্যৰ প্ৰশ্ন।

**লোক সেৱকক তেওঁৰ কৰ্ত্তব্য নিৰ্বহন কৰাত বিৰত কৰিবলৈ কৰা অভ্যাঘাত বা আপৰাধিক বল।**

৩৫৩। যিয়ে, এনে কোনো ব্যক্তিক, যিজন ব্যক্তিয়ে লোকসেৱক হৈ তেনে লোকসেৱকৰূপে তেওঁৰ কৰ্ত্তব্য নিৰ্বহন কৰি থাকোতে, বা সেই ব্যক্তিজনক তেনে লোকসেৱকৰূপে তেওঁৰ কৰ্ত্তব্য নিৰ্বহন নিবাৰিত কৰাৰ বা বিৰত কৰাৰ অভিপ্ৰায়েৰে বা তেনে ব্যক্তিয়ে তেনে লোকসেৱকৰূপে তেওঁৰ কৰ্ত্তব্যৰ বিধিসম্মত নিৰ্বহন কৰি কোনো কাৰ্য্য কৰাৰ বা কৰিবলৈ প্ৰয়াস কৰাৰ ফলস্বৰূপে, অভ্যাঘাত কৰে বা আপৰাধিক বল

প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

নাৰীৰ শালীনতা হানি কৰা অভিপ্ৰায়েৰে তেনে নাৰীৰ প্ৰতি কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৪। যিয়ে, কোনো নাৰীৰ শালীনতা হানি কৰাৰ অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে তেওঁ তাৰ দ্বাৰা তেওঁৰ শালীনতা হানি কৰিব, কোনো নাৰীক অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

ব্যক্তিক অসম্মান কৰাৰ অভিপ্ৰায়েৰে গম্ভীৰ প্ৰকোপনত বাহিৰে অনাথা কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৫। যিয়ে, কোনো এজন ব্যক্তিক, তাৰ দ্বাৰা সেই ব্যক্তিজনক অসম্মান কৰাৰ অভিপ্ৰায়েৰে সেই ব্যক্তিজনে দিয়া গম্ভীৰ আৰু আচম্বিত প্ৰকোপনত বাহিৰে অন্যথা অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়ৰে দণ্ডিত হব।

কোনো ব্যক্তিয়ে বহন কৰি নিয়া সম্পত্তি চুৰি কৰাৰ প্ৰয়াস কৰি কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৬। যিয়ে, কোনো ব্যক্তিক, সেই সময়ত সেই ব্যক্তিজনে পিন্ধি থকা বা বহন কৰি নিয়া কোনো সম্পত্তি চুৰি কৰিবলৈ প্ৰয়াস কৰি অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

কোনো ব্যক্তিক দোষপূৰ্বক পৰিৰোধ কৰিবলৈ প্ৰয়াস কৰি কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৭। যিয়ে, কোনো ব্যক্তিক, সেই ব্যক্তিজনক দোষপূৰ্বক পৰিৰোধ কৰিবলৈ প্ৰয়াস কৰি, অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকা পৰ্যন্ত বিস্তাৰিত হব পাৰে, বা উভয়ৰে দণ্ডিত হব।

গম্ভীৰ প্ৰকোপনত কৰা অভ্যাঘাত বা আপৰাধিক বল।

৩৫৮। যিয়ে, কোনো ব্যক্তিক, সেই ব্যক্তিজনে দিয়া গম্ভীৰ আৰু আচম্বিত প্ৰকোপনত অভ্যাঘাত কৰে বা আপৰাধিক বল প্ৰয়োগ কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে, যাৰ অৱধি এমাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি দুশ টকা পৰ্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - অন্তিম ধাৰাটো ধাৰা ৩৫২ ৰ স্পষ্টীকৰণৰ অধ্যধীন সেই একেটা স্পষ্টীকৰণৰেই অধ্যধীন।

**মনুষ্যাপহৰণ, অপহৰণ, দাসত্ব আৰু বলেৰে কৰোৱা শ্ৰমৰ বিষয়ে**

মনুষ্যাপহৰণ।

৩৫৯। মনুষ্যাপহৰণ দুই প্ৰকাৰৰ, [1][ভাৰত]ৰ পৰা মনুষ্যাপহৰণ আৰু বিধিসম্মত অভিভাৱকত্বৰ পৰা মনুষ্যাপহৰণ।

ভাৰতৰ পৰা মনুষ্যাপহৰণ।

৩৬০। যিয়ে, কোনো ব্যক্তিক, সেই ব্যক্তি জনৰ বা সেই ব্যক্তিজনৰ হকে সম্মতি দিবলৈ বৈধৰূপে প্ৰাধিকৃত কোনো ব্যক্তিৰ সম্মতিবিনা, [1][ভাৰত] ৰ পৰিসীমাৰ বাহিৰলৈ পাৰ কৰি নিয়ে, তেওঁ সেই ব্যক্তিজনক [1][ভাৰত]ৰ পৰা মনুষ্যাপহৰণ কৰা বুলি কোৱা হয়।

বিধিসম্মত অভিভাৱকত্বৰ পৰা মনুষ্যাপহৰণ।

৩৬১। যিয়ে, কোনো অৱয়স্কক, [2][যোল্ল] বছৰ বয়সৰ তলত থকা যদিহে পুৰুষ হয়, বা [3][ওঠৰ] বছৰ বয়সৰ তলত থকা যদিহে নাৰী হয়, বা অসুস্থ চিত্তৰ কোনো ব্যক্তিক, তেনে অৱয়স্ক বা অসুস্থ চিত্তৰ ব্যক্তিৰ বিধিসম্মত অভিভাৱকৰ ৰক্ষণাবেক্ষণৰ পৰা তেনে অভিভাৱকৰ সম্মতিবিনা আঁতৰাই লৈ যায় বা ফুচুলাই নিয়ে, তেওঁ তেনে অৱয়স্কক বা ব্যক্তিক বিধিসম্মত অভিভাৱকত্বৰ পৰা মনুষ্যাপহৰণ কৰা বুলি কোৱা হয়।

---

১। "বৃটিছ ভাৰত" শব্দসমূহ অনুক্ৰমিক ভাবে অনুকূলন আদেশ, ১৯৪৮, আ আঃ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়ম আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত মতে পঠিত হবলৈ প্ৰতিষ্ঠাপিত হৈছে।

২। ১৯৪৯ চনৰ ৪২ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা "চৈধ্য"ৰ বাবে প্ৰতিষ্ঠাপিত।

৩। একে অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা "যোল্ল"ৰ বাবে প্ৰতিষ্ঠাপিত।

স্পষ্টীকৰণ - এই ধাৰাত 'বিধিসম্মত অভিভাৱক' শব্দসমূহে তেনে অবয়স্ক বা অন্য ব্যক্তিৰ তত্বাবধান বা অভিৰক্ষাৰ ভাৰ বিধিসম্মত ভাৱে ন্যস্ত হোৱা কোনো ব্যক্তিকো অন্তৰ্ভুক্ত কৰে।

ব্যতিক্ৰম - এই ধাৰাটো এনে কোনো ব্যক্তিলৈ বিস্তাৰিত নহয় যিজন সদ্ বিশ্বাসত তেওঁ নিজকে এজন অবৈধ সন্তানৰ পিতৃ বুলি বিশ্বাস কৰে, বা যিজন সদ্ বিশ্বাসত তেওঁ নিজকে তেনে সন্তানৰ বিধি সম্মত অভিৰক্ষাৰ বাবে হকদাৰ বুলি বিশ্বাস কৰে, যদিহে তেনে কাৰ্য্য কোনো অনৈতিক বা অবৈধ উদ্দেশ্যৰ বাবে সংঘটিত কৰা নহয়।

**অপহৰণ।**

৩৬২। যিয়ে, কোনো ব্যক্তিক কোনো স্থানৰ পৰা যাবলৈ বলেৰে বাধ্য কৰে বা কোনো প্ৰতাৰণামূলক উপায়েৰে উৎপ্ৰেৰিত কৰে, তেওঁ সেই ব্যক্তিজনক অপহৰণ কৰা বুলি কোৱা হয়।

**মনুষ্যাপহৰণৰ বাবে দণ্ড।**

৩৬৩। যিয়ে, কোনো ব্যক্তিক [1][ভাৰত] ৰ পৰা বা বিধিসম্মত অভিভাৱকত্বৰ পৰা মনুষ্যাপহৰণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**ভিক্ষা কৰাৰ উদ্দেশ্যে অবয়স্কক মনুষ্যাপহৰণ কৰা বা অংগহীন কৰা।**

[2][৩৬৩ক।(১) যিয়ে, কোনো অবয়স্কক মনুষ্যাপহৰণ কৰে বা অবয়স্কৰ বিধিসম্মত অভিভাৱক নোহোৱাকৈ, অবয়স্কজনৰ অভিৰক্ষাৰ ভাৰ লাভ কৰে, যাতে এনে অবয়স্কক ভিক্ষা কৰাৰ বাবে নিযুক্তি কৰিব বা ব্যৱহাৰ কৰা যায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডনীয় হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

(২) যিয়ে, কোনো অবয়স্কক অঙ্গহীন কৰে যাতে তেনে অবয়স্কক ভিক্ষা কৰাৰ বাবে নিযুক্ত কৰিব বা ব্যৱহাৰ কৰিব পৰা যায়, তেওঁ আজীৱন কাৰাবাসৰে দণ্ডনীয় হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

(৩) যি ক্ষেত্ৰত কোনো ব্যক্তিয়ো, যিজন অবয়স্ক এজনৰ বিধিসম্মত অভিভাৱক নহয়, তেনে অবয়স্ক জনক ভিক্ষা কৰাৰ বাবে নিযুক্ত কৰিব বা ব্যৱহাৰ কৰে, প্ৰতিকূলে প্ৰমাণিত নহলে এইটো প্ৰাক্কল্পনা কৰা হব, যে তেওঁ সেই অবয়স্কজনক মনুষ্যাপহৰণ কৰিছিল বা আন প্ৰকাৰে তেওঁৰ অভিৰক্ষা লাভ কৰিছিল যাতে সেই অবয়স্কজনক ভিক্ষা কৰাৰ বাবে নিযুক্ত কৰিব বা ব্যৱহাৰ কৰিব পৰা যায়।

(৪) এই ধাৰাত -

(ক) "ভিক্ষা কৰা" মানে—

(I) গান গোৱাৰ, নচাৰ, ভাগ্য গণনা কৰাৰ, কৌশল প্ৰদৰ্শনৰ ভাওঁ জুৰিয়ে হওঁক বা বস্তু বিক্ৰী কৰিয়েই হওঁক বা অন্যথাই হওঁক, ৰাজহুৱা স্থানত ভিক্ষা খোজা বা ভিক্ষা লোৱা ;

(II) ভিক্ষা খোজা বা ভিক্ষা লোৱাৰ উদ্দেশ্যে কোনো ব্যক্তিগত প্ৰাঙ্গনত প্ৰৱেশ কৰা ;

(III) ভিক্ষা লাভ বা আদায় কৰাৰ উদ্দেশ্যে তেওঁৰ নিজৰেই হওঁক বা আন কোনো ব্যক্তিৰেই হওঁক বা জীৱ জন্তুৰ হওঁক কোনো ঘা, আঘাত, ক্ষতি, বিকলাঙ্গতা বা বেমাৰ উদঙাই ৰখা বা প্ৰদৰ্শন কৰা,

(IV) ভিক্ষা খোজা বা লোৱাৰ বাবে অবয়স্কক প্ৰদৰ্শিতৰ ৰূপত ব্যৱহাৰ কৰা,

(খ) "অবয়স্ক" মানে -

(I) পুৰুষৰ ক্ষেত্ৰত, যোল্ল বছৰ বয়সৰ তলত এজন ব্যক্তি, আৰু

(II) নাৰীৰ ক্ষেত্ৰত, ওঠৰ বছৰ বয়সৰ তলৰ এগৰাকী ব্যক্তি।]

---

১। "বৃটিছ ভাৰত" শব্দসমূহ আনুক্ৰমিক ভাবে অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়ম আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত মতে পঠিত হবলৈ প্ৰতিস্থাপিত হৈছে।

২। ১৯৫৯ চনৰ ৯ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা অন্তঃস্থাপিত (১৫-১-১৯৬০ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

হত্যা কৰাৰ বাবে কৰা মনুষ্যাপহৰণ বা অপহৰণ।

৩৬৪। যিয়ে, কোনো ব্যক্তিক মনুষ্যাপহৰণ কৰে বা অপহৰণ কৰে যাতে তেনে ব্যক্তিক হত্যা কৰিব পৰা যায় বা যাতে তেওঁৰ এনেদৰে ব্যৱস্থা কৰিব পৰা যায় যেন তেওঁক হত্যা কৰাৰ বিপদৰ সন্মুখীনহে কৰা যায়, তেওঁ [1][ আজীৱন কাৰাবাস] ৰে বা সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

দৃষ্টান্তসমূহ

(ক) দেৱমূৰ্ত্তিৰ উদ্দেশ্যে 'জ'ক বলি দিয়াৰ অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও যে 'জ'ক বলি দিয়া হব 'ক' ই 'জ' ক [2][ভাৰত] ৰ পৰা মনুষ্যাপহৰণ কৰিলে। 'ক' ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিলে।

(খ) 'ক' ই 'খ'ক তেওঁৰ ঘৰৰ পৰা বলপূৰ্বক ধৰি নিলে বা ফুচুলাই নিলে যাতে 'খ'ক হত্যা কৰিব পৰা যায়। 'ক' ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

মুক্তিধন, ইত্যাদিৰ বাবে মনুষ্যাপহৰণ।

৩৬৪ ক। [3][যিয়ে, কোনো ব্যক্তিক মনুষ্যাপহৰণ বা অপহৰণ কৰে বা এনে মনুষ্যাপহৰণ বা অপহৰণৰ পিছত কোনো ব্যক্তিক নিৰোধ কৰি ৰাখে, আৰু এনে ব্যক্তিক মৃত্যু ঘটাবলৈ বা আঘাত দিয়াবলৈ ভাবুকি দিয়ে বা তেওঁৰ আচৰণৰ দ্বাৰা এনে ব্যক্তিক মৃত্যু ঘটোৱাৰ বা আঘাত দিয়াৰ যুক্তিসঙ্গত আশংকাৰ উদ্ভৱ হয়, বা কোনো কাৰ্য্য কৰিবলৈ বা কোনো কাৰ্য্য কৰাৰ পৰা বিৰত ৰাখিবলৈ বা কোনো মুক্তি ধন আদায় দিবলৈ চৰকাৰ বা [4][কোনো বিদেশী ৰাজ্য বা আন্ত ৰাষ্ট্ৰীয়, আন্তঃচৰকাৰী সংস্থা বা আন কোনো ব্যক্তিক] বাধ্য কৰিবলৈ এনে ব্যক্তিক আঘাত দিয়ায় বা মৃত্যু কাৰিত কৰায়, তেওঁ মৃত্যু বা আজীৱন কাৰাবাসেৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।]

কোনো ব্যক্তিক গোপনে আৰু দোষ পূৰ্বক পৰিৰোধ কৰি ৰখাৰ অভিপ্ৰায়েৰে কৰা মনুষ্যাপহৰণ বা অপহৰণ।

৩৬৫। যিয়ে, কোনো ব্যক্তিক, সেই ব্যক্তিজনক গোপনে আৰু দোষপূৰ্বক পৰিৰোধ কৰি ৰখাৰ অভিপ্ৰায়েৰে মনুষ্যাপহৰণ কৰে বা অপহৰণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

বিবাহ আদি কৰিবলৈ বাধ্য কৰাৰ কাৰণে কোনো নাৰীক মনুষ্যাপহৰণ, অপহৰণ বা উৎপ্ৰেৰিত কৰা।

৩৬৬। যিয়ে, কোনো নাৰীৰ মনুষ্যাপহৰণ বা অপহৰণ তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে কোনো ব্যক্তিৰ সৈতে বিবাহ কৰাৰ কাৰণে সেই নাৰীক বাধ্য কৰাৰ অভিপ্ৰায়েৰে বা তেওঁক বাধ্য কৰা হব এইটো সম্ভাব্য বুলি জানি বা অবৈধ সঙ্গম কৰাৰ নিমিত্তে সেই নাৰীক বাধ্য বা প্ৰলোভিত কৰাৰ নিমিত্তে বা সেই নাৰীক অবৈধ সঙ্গম কৰাৰ নিমিত্তে বাধ্য বা প্ৰলোভিত হব এইটো সম্ভাব্য বুলি জানি, কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব [5][আৰু যিয়েই কোনো নাৰীক কোনো অন্য ব্যক্তিৰ সৈতে অবৈধ সঙ্গম কৰাৰ নিমিত্তে বাধ্য বা প্ৰলোভিত কৰাৰ অভিপ্ৰায়েৰে বা তেওঁক বাধ্য বা প্ৰলোভিত কৰা হব এইটো সম্ভাব্য বুলি জানি এই সংহিতাত যথা পৰিভাষিত আপৰাধিক

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২। "বৃটিছ ভাৰত" শব্দসমূহ আনুক্ৰমিকভাৱে অঃ আদেশ ১৯৪৮, অঃ আঃ ১৯৫০ আৰু অঃ আঃ ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্তভাৱে পঠিত হবলৈ প্ৰতিস্থাপিত হৈছে।

৩। ১৯৯৩ ৰ ৪২ নং অধিনিয়মৰ দ্বাৰা ধাৰা ৩৬৪ ক অন্তঃস্থাপিত।

৪। ১৯৯৫ চনৰ ২৪ নং অধিনিয়মৰ 'আন কোনো ব্যক্তি' শব্দসমূহৰ বাবে "কোনো বিদেশী ৰাজ্য বা অন্তৰ্ৰাষ্ট্ৰীয়, অন্তঃচৰকাৰী সংস্থা বা আন কোনো ব্যক্তি" শব্দসমূহ প্ৰতিস্থাপিত।

৫। ১৯২৩ চনৰ ২০ নং অধিনিয়মৰ ধাৰা ২ ৰদ্বাৰা সংযুক্ত কৰা হৈছে।

ভীতি প্ৰদৰ্শনৰ দ্বাৰা বা প্ৰাধিকাৰৰ অপব্যৱহাৰৰ দ্বাৰা বা বাধ্য কৰাৰ আন কৌশলৰ দ্বাৰা সেই নাৰীক কোনো স্থানৰ পৰা যাবলৈ উৎপ্ৰেৰিত কৰে তেওঁ পূৰ্বোক্ত প্ৰকাৰেৰে দণ্ডনীয় হব।

**অপ্ৰাপ্তবয়স্কা বালিকা সংগ্ৰহ।**

১[৩৬৬ক। যিয়ে, ১৮ৰ বছৰ বয়সৰ তলৰ কোনো অপ্ৰাপ্তবয়স্কা ছোৱালীক অন্য ব্যক্তিৰ সৈতে অবৈধ সঙ্গম কৰাৰ বাবে বাধ্য বা প্ৰলোভিত কৰাৰ অভিপ্ৰায়েৰে বা তাৰ দ্বাৰা বাধ্য বা প্ৰলোভিত কৰা হব এইটো সম্ভাব্য জানি এনে ছোৱালীক কোনো স্থানৰ পৰা যাবলৈ বা কাৰ্য্য কৰিবলৈ যিয়েই নহওঁক, কোনো উপায়ে উৎপ্ৰেৰিত কৰে, তেওঁ কাৰাবাসৰে, যি দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডনীয় হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**বিদেশৰ পৰা ছোৱালী আমদানি কৰা।**

৩৬৬খ। যিয়ে, ভাৰতৰ বাহিৰৰ যি কোনো দেশৰ পৰা ২[বা জম্মু আৰু কাশ্মীৰ ৰাজ্য]ৰ পৰা, একৈশ বছৰ বয়সৰ তলৰ কোনো ছোৱালী ৩[ভাৰত] লৈ আমদানি, তেওঁক আন এজন ব্যক্তিৰ লগত অবৈধ সঙ্গম কৰিবলৈ বাধ্য কৰা হব বা প্ৰলোভিত কৰা অভিপ্ৰায়েৰে বা তাৰ দ্বাৰা তেওঁক বাধ্য বা প্ৰলোভিত কৰা হব এইটো সম্ভাব্য জানি কৰে ৪xxx তেওঁ কাৰাবাসৰে, যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডনীয় হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।]

**ব্যক্তিক গুৰুতৰ আঘাত, দাসত্ব ইত্যাদিৰ অধ্যধীন কৰাৰ উদ্দেশ্যে মনুষ্যাপহৰণ বা অপহৰণ।**

৩৬৭। যিয়ে, কোনো ব্যক্তিক মনুষ্যাপহৰণ বা অপহৰণ এই কাৰণে কৰে যাতে তেওঁক গুৰুতৰ আঘাত বা দাসত্ব বা কোনো ব্যক্তিৰ অস্বাভাৱিক কাম বাসনাৰ অধ্যধীন কৰিব পৰা যায় বা তেনেদৰে অধ্যধীন কৰাৰ বিপদত যাতে তেওঁ পৰে সেইদৰে ব্যৱস্থা কৰা হয় বা এইটো সম্ভাব্য বুলি জানি কৰে যে তেনে ব্যক্তিক এনে ধৰণে অধ্যধীন কৰা হব বা ব্যৱস্থা কৰা হব, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**মনুষ্যাপহৰণ কৰা বা অপহৰণ কৰা ব্যক্তিক দোষপূৰ্বক লুকাই ৰখা বা পৰিৰোধত ৰখা।**

৩৬৮। যিয়ে, কোনো এজন ব্যক্তিক মনুষ্যাপহৰণ বা অপহৰণ কৰা হৈছে বুলি জানিও, তেনে ব্যক্তিক দোষপূৰ্বক লুকাই ৰাখে বা পৰিৰোধত, ৰাখে তেওঁ সেই একে ধৰণে দণ্ডিত হব যেনিবা তেওঁ তেনে ব্যক্তিক সেই একে অভিপ্ৰায়েৰে বা জ্ঞানেৰে বা সেই একে উদ্দেশ্যে মনুষ্যাপহৰণ কৰিছিল বা অপহৰণ কৰিছিল যি অভিপ্ৰায়েৰে বা যি প্ৰয়োজনৰ বাবে তেওঁ তেনে ব্যক্তিক লুকাই ৰাখিছে বা পৰিৰোধত ৰাখিছে।

**দহ বছৰৰ তলৰ শিশুক তাৰ শৰীৰৰ পৰা চুৰি কৰাৰ অভিপ্ৰায়েৰে মনুষ্যাপহৰণ বা অপহৰণ কৰা।**

৩৬৯। যিয়ে, দহ বছৰ বয়সৰ তলৰ কোনো শিশুক, তেনে শিশুৰ শৰীৰৰ পৰা কোনো অস্থাৱৰ সম্পত্তি অসাধু ভাৱে লোৱাৰ অভিপ্ৰায়েৰে মনুষ্যাপহৰণ বা অপহৰণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**কোনো ব্যক্তিক দাসৰূপে ক্ৰয় বা হস্তান্তৰ কৰা।**

৩৭০। যিয়ে, কোনো ব্যক্তিক দাসৰূপে আমদানি কৰে, ৰপ্তানি কৰে, অপসাৰণ কৰে, ক্ৰয় কৰে, বিক্ৰী কৰে বা হস্তান্তৰ কৰে, বা কোনো ব্যক্তিক তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে দাসৰূপে গ্ৰহণ কৰে, লয় বা নিৰোধ কৰি ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, তেওঁ জৰিমনাৰ বাবেও দায়ী হব।

**অভ্যাসিক ভাৱে দাসৰ ব্যৱসায় কৰা।**

৩৭১। যিয়ে, অভ্যাসিক ভাৱে দাস আমদানি কৰে, ৰপ্তানি কৰে, অপসাৰিত কৰে, ক্ৰয় কৰে, বিক্ৰী কৰে ব্যৱসায় কৰে, বা ব্যৱহাৰ কৰে, তেওঁ ৫[আজীৱন কাৰাবাস] ৰে, বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰৰ অধিক নহব, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

---

১। ১৯২৩ চনৰ ২০ নং অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত।

৩। "বৃটিছ ভাৰত" শব্দসমূহ আনুক্ৰমিকভাৱে অনু কূলন আদেশ, ১৯৪৮, অঃ আঃ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়ম ধাৰা আৰু অনুসূচীৰ দ্বাৰা উপৰোক্তমতে পঠিত হবলৈ প্ৰতিষ্ঠাপিত হৈছে।

৪। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট শব্দ লোপ কৰা হৈছে।

৫। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

বেশ্যাবৃত্তি ইত্যাদিৰ উদ্দেশ্যে অবয়স্কক বিক্ৰী কৰা।

৩৭২। যিয়ে, [1][ওঠৰ বছৰ বয়সৰ তলৰ কোনো ব্যক্তিক, তেনে ব্যক্তিক যি কোনো সময়ত কোনো ব্যক্তিৰ লগত বেশ্যাবৃত্তি বা অবৈধ সঙ্গমৰ বাবে লগোৱা বা ব্যৱহাৰ কৰাৰ অভিপ্ৰায়েৰে বা কোনো বিধি বিৰুদ্ধ বা অনৈতিক উদ্দেশ্যৰ বাবে, বা তেনে ব্যক্তিক যি কোনো বয়সত তেনে কোনো উদ্দেশ্যত লগোৱা বা ব্যৱহৃত কৰা সম্ভাব্য বুলি জানিও, বিক্ৰী কৰে, ভাৰাটৈ দিয়ে বা অন্য ধৰণে হস্তান্তৰ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

[2][**স্পষ্টীকৰণ ১** - যেতিয়া ওঠৰ বছৰ তলৰ নাৰীক কোনো বেশ্যালয় বা এনে কোনো ব্যক্তিলৈ, যিজনে বেশ্যালয় চলায় বা পৰিচালনা কৰে, বিক্ৰী কৰা হয়, ভাৰাটৈ দিয়া হয় বা অন্যথা হস্তান্তৰ কৰা হয় তেনে নাৰীৰ তেনেদৰে হস্তান্তৰ কৰা ব্যক্তিজনক, তাৰ প্ৰতিকূল প্ৰমাণিত নোহোৱা পৰ্য্যন্ত, এনেদৰে প্ৰাক্‌ধাৰণা কৰি লোৱা হব যে তেওঁ তাইক এনে অভিপ্ৰায়েৰে হস্তান্তৰ কৰিছে যে তাইক বেশ্যাবৃত্তিৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হব।

**স্পষ্টীকৰণ ২** - এই ধাৰাৰ প্ৰয়োজনাৰ্থে "অবৈধ সঙ্গম" মানে বিবাহৰ দ্বাৰা বা এনে কোনো সংযোগ বা বান্ধোনৰ দ্বাৰা, যিটো যদিও বিবাহৰ পৰ্য্যায়ৰ নহয়, তেওঁলোকৰ সম্প্ৰদায়ৰ বা যি ক্ষেত্ৰত তেওঁলোক বেলেগ বেলেগ সম্প্ৰদায়ভুক্ত হয়, তেনে ক্ষেত্ৰত উভয় সম্প্ৰদায়ৰ স্বীয় বিধি বা প্ৰথাৰ দ্বাৰা তেওঁলোকৰ মাজত বিবাহসদৃশ সম্বন্ধ হোৱা বুলি স্বীকৃত, একত্ৰিত নোহোৱা ব্যক্তিবোৰৰ মাজত যৌন সঙ্গম বুজায়।]

বেশ্যাবৃত্তি আদিৰ বাবে অবয়স্ক ক্ৰয় কৰা।

৩৭৩। যিয়ে, [1][ওঠৰ বছৰ বয়সৰ তলৰ কোনো ব্যক্তিক এই অভিপ্ৰায়েৰে যে তেনে ব্যক্তিক কোনো বয়সত বেশ্যাবৃত্তি বা কোনো ব্যক্তিৰ লগত অবৈধ সঙ্গম কৰাৰ বাবে বা কোনো বিধি বিৰুদ্ধ অনৈতিক উদ্দেশ্যৰ বাবে কামত লগোৱা হব বা ব্যৱহাৰ কৰা হব বা এইটো সম্ভাব্য জানি যে তেনে ব্যক্তিক কোনো বয়সত] এনে কোনো উদ্দেশ্যৰ বাবে কামত লগোৱা হব বা ব্যৱহাৰ কৰা হব, ক্ৰয় কৰে, ভাড়ালৈ লয় বা অন্যথা তেওঁৰ দখল লাভ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

[3][**স্পষ্টীকৰণ ১** - কোনো বেশ্যা বা বেশ্যালয় চলাই থকা বা পৰিচালনা কৰি থকা কোনো ব্যক্তি, যিজনে ওঠৰ বছৰ বয়সৰ তলৰ নাৰীক ক্ৰয় কৰে, ভাড়ালৈ লয় বা অন্যথা তেওঁৰ দখল লাভ কৰে প্ৰতিকূল প্ৰমাণিত নোহোৱা পৰ্য্যন্ত এইটো প্ৰাকধাৰণা কৰা হব যে তেওঁ এনে অভিপ্ৰায়েৰে তেনে নাৰীৰ দখল লাভ কৰিছে যে নাৰী জনীক বেশ্যা বৃত্তিৰ বাবে ব্যৱহাৰ কৰা হব।

**স্পষ্টীকৰণ ২** - "অবৈধ সঙ্গম"ৰ অৰ্থ ধাৰা ৩৭২ ত থকাৰ দৰে একেই হব।]

বিধি বিৰুদ্ধ বাধ্যতামূলক শ্ৰম।

৩৭৪। যিয়ে, বিধি বিৰুদ্ধ ভাবে কোনো ব্যক্তিক সেই ব্যক্তিজনৰ ইচ্ছাৰ বিৰুদ্ধে শ্ৰমৰ বাবে বাধ্য কৰে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

### [4][যৌন অপৰাধবোৰ]

ধৰ্ষণ।

৩৭৫। এজন মানুহে "ধৰ্ষণ" কৰা বুলি কোৱা হয় যেতিয়া তেওঁ ইয়াৰ পিছত ব্যতিক্ৰম কৰা ক্ষেত্ৰ ব্যতিৰেকে নিম্নোক্ত ছাটা বৰ্ণনাৰ যি কোনো এটা পৰিস্থিতিত কোনো নাৰীৰ লগত যৌন সংগম কৰে।

**প্ৰথম** - সেই নাৰীৰ ইচ্ছাৰ বিৰুদ্ধে।

**দ্বিতীয়** - সেই নাৰীৰ সন্মতি বিনা।

---

১। ১৯২৪ চনৰ ১৮ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা কিছুমান মূল শব্দৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯২৪ চনৰ ১৮ নং অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। একে অধিনিয়মৰ ধাৰা ৪ ৰ দ্বাৰা অন্তঃস্থাপিত।

৪। ১৯৮৩ চনৰ অধিনিয়মৰ সংখ্যা ৪৩ ৰ ধাৰা ৩ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

**তৃতীয়** - সেই নাৰীৰ সম্মতি সহ, যেতিয়া তেওঁৰ সম্মতি তেওঁৰ বা তেওঁ স্বাৰ্থজড়িত হোৱা কোনো ব্যক্তিৰ মৃত্যু বা আঘাতৰ ভয় দেখুৱাই লাভ কৰা হৈছে।

**চতুৰ্থ** - সেই নাৰীৰ সম্মতি সহ যেতিয়া ব্যক্তিজনে জানে যে তেওঁ তাৰ পতি নহয় আৰু তাই সম্মতি দিছে কাৰণ তাই বিশ্বাস কৰিছে যে তেওঁ আন এজন ব্যক্তি যিজনৰ লগত তাইৰ বিধি সম্মত ভাবে বিবাহ হৈছে বা তাই নিজকে বিধি সম্মত ভাবে বিবাহিতা হোৱা বুলি বিশ্বাস কৰিছে।

**পঞ্চম** - সেই নাৰীৰ সম্মতি সহ, যেতিয়া এনে সম্মতি দিয়াৰ সময়ত তেওঁ অসুস্থ মন বা মাতাল অৱস্থাৰ কাৰণে বা সেই মানুহজনৰ দ্বাৰা ব্যক্তিগত ভাবে বা কোনো অন্য ব্যক্তিৰ জৰিয়তে কোনো অজ্ঞান কাৰী বা অস্বাস্থ্যকৰ পদাৰ্থ দিয়া হোৱাৰ কাৰণে সেই কাৰ্যৰ যি বিষয়ে তেওঁ সম্মতি দিছে, প্ৰকৃতি আৰু পৰিণাম বুজিবলৈ অসমৰ্থ।

**ষষ্ঠ** - এই নাৰী গৰাকীৰ সম্মতিসহ বা সম্মতিবিনা, যেতিয়া তাইৰ ষোল্ল বছৰতকৈ কম বয়সৰ।

**স্পষ্টীকৰণ** - ধৰ্ষণ অপৰাধটো হবৰ বাবে আৱশ্যকীয় যৌন সঙ্গমটো হবলৈ প্ৰবেশেই যথেষ্ট।

**ব্যতিক্ৰম** - এজন মানুহৰ তেওঁৰ পত্নীৰ সৈতে, যৌন সঙ্গম ধৰ্ষণ নহয়, যেতিয়া পত্নী গৰাকী পোন্ধৰ বছৰ বয়সৰ তলৰ নহয়।

**ধৰ্ষণৰ বাবে দণ্ড।**

৩৭৬। (১) যিয়ে, উপধাৰা (২) ৰ দ্বাৰা উপবন্ধিত ক্ষেত্ৰ সমূহ ব্যতিৰেকে ধৰ্ষণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি সাত বছৰতকৈ কম নহব কিন্তু যি আজীৱন বা দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে আৰু জৰিমনাৰ বাবেও দায়ী হব, যদিহে ধৰ্ষিত হোৱা নাৰী গৰাকী তেওঁৰ পত্নী আৰু বাৰ বছৰ বয়সৰ তলৰ তেনে ক্ষেত্ৰত, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব ঃ

পৰন্তু ন্যায়ালয়ে এনে পৰ্যাপ্ত আৰু বিশেষ কাৰণত যিটো নিৰ্ণয়ত উল্লেখিত কৰা হব সাত বছৰতকৈ কম অৱধিৰ কাৰাবাসৰ দণ্ডাদেশ দিব পাৰিব।

(২) যিয়ে, —

(ক) আৰক্ষী পদাধিকাৰী হৈ -

(I) তেওঁ নিযুক্ত হোৱা সেই আৰক্ষী থানাৰ সীমাবোৰৰ ভিতৰত ; বা

(II) কোনো থানাৰ প্ৰাঙ্গনত, তেওঁ নিযুক্তি হোৱা এনে থানাত অৱস্থিত হওঁক বা নহওঁক; বা

(III) তেওঁৰ অভিৰক্ষা বা তেওঁৰ অধীনস্থ কোনো আৰক্ষী পদাধিকাৰীৰ অভিৰক্ষাত কোনো নাৰীক ধৰ্ষণ কৰে ; বা

(খ) লোক সেৱক হৈ তেওঁৰ শাসকীয় স্থিতিৰ সুবিধা লৈ তেওঁৰ অভিৰক্ষাত থকা বা তেওঁৰ অধীনস্থ কোনো লোকসেৱকৰ অভিৰক্ষাত থকা কোনো এনে নাৰীক ধৰ্ষণ কৰে ;

(গ) তৎসময় বলৱৎ থকা কোনো বিধিৰ দ্বাৰা বা তাৰ অধীনত স্থাপিত কোনো কাৰাগাৰ প্ৰতি প্ৰেৰণ গৃহ বা অভিৰক্ষাৰ আন স্থানৰ বা নাৰী বা শিশু সকলৰ কোনো সংস্থাৰ পৰিচালনা বা কৰ্মচাৰী বৃন্দত থাকি তেওঁৰ শাসকীয় স্থিতিৰ সুবিধা লৈ এনে কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ, স্থান বা সংস্থাৰ কোনো নিবাসীক ধৰ্ষণ কৰে ; বা

(ঘ) কোনো চিকিৎসালয়ৰ পৰিচালনা বা কৰ্মচাৰীবৃন্দত, থাকি তেওঁৰ শাসকীয় স্থিতিৰ লাভ উঠাই সেই চিকিৎসালয়ত কোনো নাৰী ধৰ্ষণ কৰে, বা

(ঙ) কোনো নাৰীক গৰ্ভৱতী বুলি জানিও ধৰ্ষণ কৰে, বা

(চ) বাৰ বছৰ বয়সৰ তলৰ কোনো নাৰীক ধৰ্ষণ কৰে ; বা

(ছ) দলবদ্ধভাবে ধৰ্ষণ কৰে ;

তেওঁ সশ্ৰম কাৰাবাসৰে, যাৰ অৱধি দহ বছৰৰ কম নহব কিন্তু যি আজীৱন হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

পৰন্তু ন্যায়ালয়ে এনে পৰ্যাপ্ত আৰু বিশেষ কাৰণত যিটো নিৰ্ণয়ত উল্লেখ কৰা হব, দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰতকৈ কম হব, দণ্ডাদেশ দিব পাৰিব।

**স্পষ্টীকৰণ ১** - যি ক্ষেত্ৰত ব্যক্তিসকলৰ সমূহৰপৰা এক বা অধিক ব্যক্তিৰ দ্বাৰা সকলোৰে উমৈহতীয়া অভিপ্ৰায় অগ্ৰসৰ কৰণত কোনো নাৰীক ধৰ্ষণ কৰে, তেনে ক্ষেত্ৰত এনে ব্যক্তিসকলৰ প্ৰত্যেকেই এই ধাৰাৰ অৰ্থত দলবদ্ধভাৱে ধৰ্ষণ কৰা বুলি গণ্য কৰা হব।

**স্পষ্টীকৰণ ২** - নাৰী বা শিশুসকলৰ সংস্থা মানে নাৰী সকল আৰু শিশুবোৰ গ্ৰহণ কৰিবলৈ আৰু তেওঁলোকৰ তত্ত্বাবধান লবলৈ স্থাপিত বা ৰক্ষিত কোনো সংস্থাক বুজায় তাৰ নাম অনাথালয় হওঁক বা অৱহেলিত নাৰী বা শিশুৰ বাবে গৃহই হওঁক বা বিধৱাৰ কাৰণে গৃহই হওঁক বা অন্য নামেই হওঁক।

**স্পষ্টীকৰণ ৩** - " চিকিৎসালয়" মানে চিকিৎসালয়ৰ প্ৰাঙ্গনক বুজায় আৰু কোনো সংস্থাৰ চৌহদ সমূহো ইয়াৰ অন্তৰ্গত হব যিবিলাক ৰোগ মুক্তিৰ পিছত বিশ্ৰামৰ সময়ৰ ভিতৰত চিকিৎসীয় পৰিচৰ্য্যা বা পুনৰ্বাসন প্ৰয়োজন হোৱা ব্যক্তি সকলক গ্ৰহণ আৰু উপচাৰৰ নিমিত্তে হয়।

**পৃথক হৈ থকাৰ সময়ত কোনো পুৰুষৰ দ্বাৰা নিজৰ পত্নীৰ সৈতে সঙ্গম।**

৩৭৬ ক। যিয়ে, নিজৰ পত্নীৰ সৈতে যি পৃথক কৰণৰ ডিক্ৰী বা কোনো প্ৰথা বা ৰীতিৰ অধীনত তেওঁৰ পৰা পৃথক ভাৱে বাস কৰিছে, তেওঁৰ সম্মতি বিনা যৌন সঙ্গম কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**লোকসেৱকৰ দ্বাৰা নিজৰ অভিৰক্ষাত থকা কোনো নাৰীৰ সৈতে সঙ্গম।**

৩৭৬ খ। যিয়ে, লোক সেৱক হৈ নিজৰ শাসকীয় স্থিতিৰ সুবিধা লৈ কোনো নাৰীক, যি এনে লোকসেৱক ৰূপে তেওঁৰ অভিৰক্ষাত আছে বা তেওঁৰ অধীনস্থ কোনো লোকসেৱকৰ অভিৰক্ষাত আছে, নিজৰ সৈতে যৌন সঙ্গমৰ বাবে উৎপ্ৰেৰিত বা প্ৰলোভিত কৰে, যি যৌন সঙ্গম ধৰ্ষণৰ অপৰাধৰ পৰ্য্যায়ৰ নহয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ আদিৰ অধীক্ষকৰ দ্বাৰা সঙ্গম।**

৩৭৬ গ। যিয়ে, তৎসময়ত বলবৎ থকা কোনো বিধিৰ দ্বাৰা বা ইয়াৰ অধীনত স্থাপিত কোনো কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ বা অভিৰক্ষাৰ অন্য স্থানৰ বা নাৰী বা শিশু সকলৰ কোনো সংস্থাৰ অধীক্ষক বা পৰিচালক হৈ নিজৰ শাসকীয় স্থিতিৰ সুবিধা লৈ আৰু কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ, স্থান বা সংস্থাৰ কোনো নাৰী নিবাসীক নিজৰ সৈতে সঙ্গম কৰিবলৈ উৎপ্ৰেৰিত বা প্ৰলোভিত কৰে, যি যৌন সঙ্গম ধৰ্ষণৰ অপৰাধৰ পৰ্য্যায়ৰ নহয় তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ ১** - কোনো কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ বা অভিৰক্ষাৰ অন্য কোনো স্থান বা কোনো নাৰী বা শিশু সংস্থাৰ সম্বন্ধত "অধীক্ষকে" এনে কোনো ব্যক্তিক অন্তৰ্ভুক্ত কৰিব, যি ব্যক্তি এনে কাৰাগাৰ, প্ৰতিপ্ৰেৰণ গৃহ, স্থান বা সংস্থাত এনে কোনো পদত অধিষ্ঠিত যাৰ আধাৰত তেওঁ ইয়াৰ নিবাসীৰ ওপৰত কোনো প্ৰাধিকাৰ বা নিয়ন্ত্ৰণ প্ৰয়োগ কৰিব পাৰে।

**স্পষ্টীকৰণ ২** - "নাৰী বা শিশু সংস্থা" অভিব্যক্তিৰ অৰ্থ ধাৰা ৩৭৬ৰ উপধাৰা (২)ৰ স্পষ্টীকৰণ ২ত থকাৰ দৰে হব।

**চিকিৎসালয়ৰ পৰিচালনা বা কৰ্মচাৰী বৃন্দ আদিৰ কোনো সদস্যৰ দ্বাৰা সেই চিকিৎসালয়ৰ কোনো নাৰীৰ সৈতে সঙ্গম।**

৩৭৬ ঘ। যিয়ে, কোনো চিকিৎসালয়ৰ পৰিচালনাত থাকি বা কোনো চিকিৎসালয়ৰ কৰ্মচাৰী বৃন্দত থাকি নিজৰ শাসকীয় স্থিতিৰ সুবিধা লৈ সেই চিকিৎসালয়ত কোনো নাৰীৰ সৈতে এনে যৌন সঙ্গম কৰে, যিটো ধৰ্ষণ অপৰাধৰ পৰ্য্যায়ৰ নহয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - "চিকিৎসালয় " অভিব্যক্তিৰ অৰ্থ ধাৰা ৩৭৬ ৰ উপধাৰা (২) স্পষ্টীকৰণ ৩ ত থকাৰ দৰে হব।

### প্ৰকৃতি বিৰুদ্ধে অপৰাধবোৰৰ বিষয়ে

**প্ৰকৃতি বিৰুদ্ধ অপৰাধবোৰ।**

৩৭৭। যিয়ে, স্বেচ্ছাই প্ৰকৃতি বিৰুদ্ধ ভাবে কোনো পুৰুষ, নাৰী বা জন্তুৰ সৈতে দৈহিক সঙ্গম কৰে, তেওঁ [1][আজীৱন কাৰাবাস] বে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - এই ধাৰাত বৰ্ণিত অপৰাধটো হবলৈ আৱশ্যকীয় দৈহিক সঙ্গমটো হবৰ বাবে প্ৰবেশেই যথেষ্ট।

## অধ্যায় - ১৭

### সম্পত্তিৰ বিৰুদ্ধে অপৰাধবোৰৰ বিষয়ে

### চুৰিৰ বিষয়ে

**চুৰি।**

৩৭৮। যিয়ে, কোনো অস্থাৱৰ সম্পত্তি কোনো এজন ব্যক্তিৰ দখলৰ পৰা সেই ব্যক্তিজনৰ সন্মতি বিনা, অসাধুভাবে লোৱাৰ অভিপ্ৰায়েৰে, সেই সম্পত্তি তেনেদৰে লবৰ বাবে স্থানান্তৰ কৰে, তেওঁ চুৰি কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ ১** - অস্থাৱৰ সম্পত্তি নোহোৱা কোনো বস্তু যি পৰ্যান্ত ই ভূমিৰ লগত সংলগ্ন হৈ থাকে, চুৰিৰ বিষয় নহয়, কিন্তু যেতিয়াই ইয়াক ভূমিৰ পৰা পৃথক কৰা হয়, ই চুৰিৰ বিষয় হবলৈ যোগ্য হয়।

**স্পষ্টীকৰণ ২**- একেটা কাৰ্যৰ দ্বাৰাই স্থানান্তকৰণ যি পৃথক কৰণ প্ৰভাবিত কৰে চুৰি কাৰ্য্য হব পাৰে।

**স্পষ্টীকৰণ ৩** - কোনো ব্যক্তিয়ে এটা বস্তুক এটা প্ৰতিবন্ধক আঁতৰাই যিটোৱে ইয়াক স্থানান্তৰ কৰাত বাধা দিছিল বা ইয়াক আন কোনো বস্তুৰ পৰা পৃথক কৰি তথা ইয়াক প্ৰকৃততে স্থানান্তৰ কৰি স্থানান্তৰ কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ ৪** - কোনো ব্যক্তি, যিজনে কোনো এটা উপায়ে এটা জন্তুক স্থানান্তৰ কৰায়, তেওঁ সেই জন্তুটোক স্থানান্তৰ কৰা বুলি, আৰু এনে সকলোবোৰ বস্তুকে যিবোৰ এনেদৰে উৎপন্ন কৰা গতিৰ পৰিণাম স্বৰূপে সেই জন্তুটোৰ দ্বাৰা স্থানান্তৰ হয়, স্থানান্তৰ কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ ৫** - পৰিভাষাত উল্লেখিত সন্মতিটো অভিব্যক্ত বা বিবক্ষিত হব পাৰে, আৰু হয়তো দখলত থকা ব্যক্তিজনে দিব পাৰে নাইবা আন কোনো ব্যক্তিয়ে দিব পাৰে যাৰ সেই উদ্দেশ্যে হয় অভিব্যক্ত বা বিবক্ষিত প্ৰাধিকাৰ আছে।

### দৃষ্টান্ত সমূহ

(ক) "জ" ৰ দখলৰ পৰা "জ"ৰ সন্মতি বিনা অসাধু ভাবে আঁতৰাই নিয়াৰ অভিপ্ৰায়েৰে "ক"ই "জ"ৰ পথাৰত থকা এডাল গছ কাটি পেলালে। এই ক্ষেত্ৰত যি মুহূৰ্ততে "ক"ই গছ ডাল এনেদৰে লোৱাৰ বাবে পৃথক কৰিলে, তেওঁ চুৰি কৰিলে।

(খ) "ক" ই কুকুৰৰ বাবে এটা টোপ তেওঁৰ জেপত ৰাখিলে আৰু এইদৰে "জ"ৰ কুকুৰটোক এইটো অনুসৰণ কৰিবলৈ উৎপ্ৰেৰিত কৰিলে, এই ক্ষেত্ৰত যদিহে কুকুৰটো "জ"ৰ সন্মতি বিনা "জ"ৰ দখলৰ পৰা অসাধু ভাবে লৈ যোৱাটোৱেই "ক"ৰ অভিপ্ৰায় হয়, তেন্তে যি মুহূৰ্ততে "জ" ৰ কুকুৰটোৱে "ক"ক অনুসৰণ কৰিবলৈ আৰম্ভ কৰিলে, তেতিয়াই "ক"ই চুৰি কৰিলে।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসনৰ" বাবে প্ৰতিষ্ঠাপিত।

## অধ্যায় - ২০

### বিবাহ সম্বন্ধীয় অপৰাধবোৰৰ বিষয়ে

প্ৰতাৰণামূলক ভাবে বিধিসম্মত বিবাহৰ বিশ্বাস উৎপ্ৰেৰিত কৰি পুৰুষৰ দ্বাৰা কৰা সহবাস।

৪৯৩। এনে প্ৰত্যেক ব্যক্তি যিজনে তেওঁৰ সৈতে বিধিসম্মত ভাবে বিবাহিত নোহোৱা যি কোনো তিৰোতাক প্ৰতাৰণা কৰি এনেদৰে বিশ্বাস কৰায় যে তাই তেওঁৰ সৈতে বিধিসম্মত ভাবে বিবাহিতা হৈছে আৰু সেই বিশ্বাসত তেওঁৰ সৈতে সহবাস বা যৌন সঙ্গম কৰায়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অবধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

পতি বা পত্নীৰ জীৱন কালত পুনৰ বিবাহ কৰা।

৪৯৪। যিয়ে, পতি আৰু পত্নী জীয়াই থকা অৱস্থাত, এনে কোনো ক্ষেত্ৰত বিবাহ কৰায় যি ক্ষেত্ৰত তেনে পতি বা পত্নীৰ জীৱন কালত হোৱা বাবে তেনে বিবাহ বাতিল হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অবধি সাত বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

**ব্যতিক্ৰম** — এই ধাৰাটো এনে কোনো ব্যক্তিলৈ বিস্তাৰিত নহয়, যাৰ তেনে পতি বা পত্নীৰ সৈতে বিবাহ সক্ষম অধিকাৰিতা সম্পন্ন ন্যায়ালয়ৰ দ্বাৰা বাতিল বুলি ঘোষিত হৈছে,

নাইবা এনে কোনো ব্যক্তিলৈ বিস্তাৰিত নহয় যিজনে পূৰ্বৰ পতি বা পত্নীৰ জীৱন কালত বিবাহ কৰে, যদি পৰবৰ্তী বিবাহৰ সময়ত তেনে পতি বা পত্নী তেনে ব্যক্তিৰ পৰা একে বাহে সাত বছৰ কাল অনুপস্থিত হৈ আছে আৰু তেনে ব্যক্তিৰ দ্বাৰা সেই সময়ছোৱাৰ ভিতৰত জীয়াই থকা বুলি শুনা নাই, যদিহে তেনে পৰবৰ্তী বিবাহ কৰা ব্যক্তিজনে, তেনে বিবাহ অনুষ্ঠিত হোৱাৰ পূৰ্বে , তেনে বিবাহ যিজন ব্যক্তিৰ সৈতে কৰা হৈছে, তেওঁক তথ্যৰ প্ৰকৃত অৱস্থাটো, সেইবোৰৰ যিমানখিনি তেওঁৰ বা তাইৰ জনা আছে, জনায়।

যিজন ব্যক্তিৰ সৈতে পিছৰ বিবাহকৰা হৈছে তেওঁৰ পৰা পূৰ্বৰ বিবাহৰ কথা গোপন কৰি একে অপৰাধ কৰে।

৪৯৫। যিয়ে, যিজন ব্যক্তিৰ সৈতে পিছৰ বিবাহ কৰা হৈছে তেওঁৰ পৰা পূৰ্বৰ বিবাহৰ কথাটো গোপনে ৰাখে, অন্তিম পূৰ্ববৰ্তী ধাৰাটোত পৰিভাষিত অপৰাধটো কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অবধি দহ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

বিধিসম্মত বিবাহ নোহোৱাকৈ প্ৰবঞ্চনামূলক ভাবে বিবাহ উৎসৱ পালন কৰা।

৪৯৬। যিয়ে, অসাধুভাবে বা প্ৰবঞ্চনামূলক অভিপ্ৰায়েৰে, বিবাহিতা হোৱাৰ উৎসৱটো পালন কৰে, এনেদৰে জানিও যে তেওঁ তাৰ দ্বাৰা বিধিসম্মত ভাবে বিবাহিতা হোৱা নাই, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অবধি সাত বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব, আৰু জৰিমনাৰ বাবেও দায়ী হব।

ব্যভিচাৰ।

৪৯৭। যিয়ে, এনে এগৰাকী ব্যক্তিৰ সৈতে যৌন সঙ্গম কৰে যিগৰাকী ব্যক্তি আন এজন মানুহৰ পত্নী আৰু তেনে বুলি তেওঁ জানে বা বিশ্বাস কৰিবলৈ তেওঁৰ কাৰণ আছে, সেই মানুহজনৰ সম্মতি বা যৌন সম্মতি অবিহনে, তেনে যৌন সঙ্গম ধৰ্ষণৰ পৰ্য্যায়ৰ নহলে, তেওঁ ব্যভিচাৰ অপৰাধটোৰ বাবে দায়ী হব, আৰু তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অবধি পাঁচ বছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব। এনে ক্ষেত্ৰত পত্নী গৰাকী অপপ্ৰেৰক ৰূপে দণ্ডনীয় নহ'ব।

আপৰাধিক অভিপ্ৰায়েৰে বিবাহিত তিৰোতাক ফুচুলাই নিয়া বা আতৰাই নিয়া বা আটক কৰি ৰখা।

৪৯৮। যিয়ে, এনে কোনো নাৰী এগৰাকীক যি আন কোনো পুৰুষৰ পত্নী আৰু যাক তেওঁ তেনে বুলি জানে বা বিশ্বাস কৰিবলৈ তেওঁৰ কাৰণ আছে, সেই পুৰুষজনৰ পৰা বা সেই পুৰুষজনৰ হকে তিৰোতা গৰাকীৰ তত্ত্বাৱধানৰ দায়িত্ব থকা কোনো ব্যক্তিৰ পৰা এনে অভিপ্ৰায়েৰে আতৰাই নিয়ে বা ফুচুলাই নিয়ে যাতে তিৰোতা গৰাকী কোনো ব্যক্তিৰ সৈতে অবৈধ যৌন সঙ্গম কৰিব পাৰে, বা তেনে কোনো তিৰোতাক সেইটো অভিপ্ৰায়েৰে গোপনে ৰাখে বা আটক কৰি ৰাখে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অবধি দুবছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

## [1]অধ্যায় - ২০ ক

### পতি বা পতিৰ সম্বন্ধীয়ৰ দ্বাৰা নিষ্ঠুৰতাৰ বিষয়ে

কোনো নাৰীৰ পতি বা পতিৰ সম্বন্ধীয়ৰ দ্বাৰা তেওঁৰ প্ৰতি নিষ্ঠুৰতা কৰা।

৪৯৮ক। যিয়েই, কোনো নাৰীৰ পতি বা পতিৰ সম্বন্ধীয় হৈ এনে নাৰীৰ প্ৰতি নিষ্ঠুৰতা কৰে তেওঁ কাৰাবাসলৈ, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** - এই ধাৰাৰ উদ্দেশ্যে "নিষ্ঠুৰতা" মানে.—

(ক) জানি বুজি কৰা কোনো আচৰণ যি এনে প্ৰকৃতিৰ যাৰ দ্বাৰা সেই নাৰীক আত্মহত্যা কৰাৰ নিমিত্তে প্ৰেৰিত কৰাৰ বা সেই নাৰীৰ জীৱন, অঙ্গ বা স্বাস্থ্যৰ (মানসিকেই হওঁক বা শাৰীৰিকেই হওঁক) গুৰুতৰ ক্ষতি বা বিপদ ঘটোৱাৰ সম্ভাৱনা আছে; বা

(খ) কোনো নাৰীক এই নিমিত্তে হাৰাশাস্তি কৰা যে তেওঁৰ বা তেওঁৰ কোনো সম্বন্ধীয় কোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতিৰ কোনো বিধি বিৰুদ্ধ দাবী পূৰণ কৰাৰ নিমিত্তে প্ৰপীড়িত কৰা হয় বা কোনো নাৰীক এই কাৰণে হাৰাশাস্তি কৰা হয় যে তেওঁৰ কোনো সম্বন্ধীয় এনে দাবী পূৰণ কৰাত অসফল হৈছে।]

## অধ্যায় - ২১

### মানহানিৰ বিষয়ে

মানহানি।

৪৯৯। যিয়ে, হয় মুখেৰে কোৱা বা পঢ়িবৰ অভিপ্ৰায়ে লিখা শব্দেৰে, বা সংকেতৰে, বা দৃশ্য ৰূপনেৰে, কোনো ব্যক্তি সম্পৰ্কে কোনো দোষাৰোপ, তেনে দোষাৰোপ তেনে ব্যক্তিজনৰ খ্যাতি হানি কৰাৰ অভিপ্ৰায়েৰে, বা হানি কৰিব বুলি জানিও বা তেনে বিশ্বাস কৰিবলৈ কাৰণ থকাত, কৰে বা প্ৰকাশ কৰে, তেওঁ ইয়াত ইয়াৰ পিছত ব্যতিক্ৰম কৰা ক্ষেত্ৰবোৰৰ বাহিৰে আনবোৰ ক্ষেত্ৰত, সেই ব্যক্তিজনৰ মানহানি কৰা বুলি কোৱা হয়।

**স্পষ্টীকৰণ ১** - কোনো মৃত ব্যক্তিৰ সম্পৰ্কে কোনো দোষাৰোপ কৰাটো মানহানিৰ পৰ্য্যায়ৰ হব পাৰে, যদি সেই দোষাৰোপে সেই ব্যক্তিজনৰ, যদিহে জীৱিত থাকিলহেঁতেন, খ্যাতি, হানি কৰিলেহেঁতেন আৰু এইটো তেওঁৰ পৰিয়ালবৰ্গৰ বা আন নিকটাত্মীয়বোৰৰ অনুভূতিত আঘাত দিয়াৰ অভিপ্ৰায়েৰে কৰা হৈছে।

**স্পষ্টীকৰণ ২** -কোনো কোম্পানী বা ব্যক্তিবোৰৰ সন্থা বা সমূহৰ সম্পৰ্কে তেনেৰূপে দোষাৰোপ কৰাটো মানহানিৰ পৰ্য্যায়ৰ হব পাৰে।

**স্পষ্টীকৰণ ৩** - বৈকল্পিকৰ ৰূপত বা ব্যঙ্গাত্মক ভাবে প্ৰকাশিত দোষাৰোপ, মানহানিৰ পৰ্য্যায়ৰ হব পাৰে।

**স্পষ্টীকৰণ ৪** - এনে কোনো দোষাৰোপে কোনো ব্যক্তিৰ খ্যাতি হানি কৰা বুলি কোৱা নহয়, যদিহে সেই দোষাৰোপটোৱে প্ৰত্যক্ষ ভাবে বা পৰোক্ষভবে আন ব্যক্তিৰ বিবেচনাত সেই ব্যক্তিজনৰ নৈতিক বা বৌদ্ধিক চৰিত্ৰ হেয় নকৰে বা তেওঁৰ জাতি বা তেওঁৰ আজীৱিকা সম্বন্ধে সেই ব্যক্তিজনৰ চৰিত্ৰ হেয় নকৰে, বা সেই ব্যক্তিজনৰ প্ৰত্যয়ৰ অৱনতি নঘটায়, বা এনে বুলি বিশ্বাস নকৰায় যে সেই ব্যক্তিজনৰ দেহটো ঘৃণনীয় অৱস্থাত বা সাধাৰণতে লজ্জাজনক বুলি বিবেচনা কৰা এনে এটা অৱস্থাত আছে।

---

১। ১৯৮৩ চনৰ ৪৬ নং অধিনিয়মৰ দ্বাৰা ২ ৰ দ্বাৰা অন্তঃস্থাপিত।

### দৃষ্টান্তসমূহ

(ক) 'ক' ই কৈছে 'জ' এজন সাধু মনুহ, তেওঁ কেতিয়াও 'খ'ৰ ঘড়ীটো চুৰি কৰা নাছিল, এইটো বিশ্বাস কৰোৱাৰ অভিপ্ৰায়েৰে যে 'জ' ই 'খ'ৰ ঘড়ীটো নিশ্চয় চুৰি কৰিছিল। এইটো মানহানি, যদিহে ই ব্যতিক্ৰমবোৰৰ কোনোটোৰ অন্তৰ্ভুক্ত নহয়।

(খ) 'খ'ৰ ঘড়ীটো কোনে চুৰি কৰিছিল সেইটো 'ক'ক সোধা হ'ল। 'ক'ই 'জ'ৰ পিনে আঙুলিয়ালে, এনেদৰে বিশ্বাস কৰোৱাৰ অভিপ্ৰায়েৰে যে 'জ' ই 'খ'ৰ ঘড়ীটো চুৰি কৰিছিল। এইটো মানহানি, যদিহে ই ব্যতিক্ৰমবোৰৰ কোনোটোৰ অন্তৰ্ভুক্ত নহয়।

(গ) 'জ'ই 'খ'ৰ ঘড়ীটো লৈ দৌৰি যোৱা চিত্ৰ এখন 'ক'ই আঁকিলে, এইটো বিশ্বাস কৰোৱাৰ অভিপ্ৰায়েৰে যে 'জ'ই 'খ'ৰ ঘড়ীটো চুৰি কৰিছিল। এইটো মানহানি, যদিহে ই ব্যতিক্ৰমবোৰৰ কোনোটোৰ অন্তৰ্ভুক্ত নহয়।

**প্ৰথম ব্যতিক্ৰম — সত্যৰ কথাৰ আৰোপ যিটো লোক কল্যাণৰ বাবে কৰা বা প্ৰকাশিত কৰা অপেক্ষিত হয়** — এজন ব্যক্তিৰ বিষয়ে যিটো সত্য সেইটো আৰোপ কৰাটো মানহানি নহয়। যদি আৰোপ কৰাটো বা প্ৰকাশ কৰাটো লোক কল্যাণৰ বাবে হয়। এইটো লোক কল্যাণৰ বাবে হয় নে নহয়, ই এটা তথ্যৰ প্ৰশ্ন।

**দ্বিতীয় ব্যতিক্ৰম — লোকসেৱকৰ লোক আচৰণ** — লোককৃত্য সমূহৰ নিৰ্বহনত লোক সেৱক এজনৰ আচৰণ সম্পৰ্কে, বা তেওঁৰ চৰিত্ৰ সম্পৰ্কে, যি কোনো ধৰণৰেই নহওঁক কিয় যি সদ্‌বিশ্বাসত কোনো অভিমত প্ৰকাশ কৰাটো মানহানি নহয়, সেই আচৰণত তেওঁৰ চৰিত্ৰ যিমান দূৰ প্ৰতীত হয়, সিমানলৈহে আৰু তাৰ বেছি নহয়।

**তৃতীয় ব্যতিক্ৰম — কোনো লোক প্ৰশ্নৰ সম্বন্ধত কৰা কোনো ব্যক্তিৰ আচৰণ** - কোনো লোক প্ৰশ্নৰ সম্বন্ধত কৰা কোনো ব্যক্তিৰ আচৰণ সম্পৰ্কে, আৰু তেওঁৰ চৰিত্ৰ সম্পৰ্কে, সেই আচৰণত তেওঁৰ চৰিত্ৰ যিমান দূৰ প্ৰতীত হয়, সিমান খিনিলৈহে আৰু তাতকৈ বেছি নহয়, যি কোনো ধৰণৰেই নহওঁক কিয় সদ্‌বিশ্বাসত কোনো অভিমত প্ৰকাশ কৰাটো মানহানি নহয়।

### দৃষ্টান্ত

লোক প্ৰশ্ন এটাত চৰকাৰৰ ওচৰত দৰ্খাস্ত কৰাত, লোক প্ৰশ্ন এটাত এখন জনসভা তলব কৰাত স্বাক্ষৰ কৰাত, তেনে জনসভাত সভাপতিত্ব কৰাত বা উপস্থিত থকাত, লোক সমৰ্থন আহ্বান কৰা কোনো সমিতি গঠন কৰাত বা সদস্য ভুক্ত হোৱাত, এনে যি কোনো পদৰ বাবে এজন নিৰ্দিষ্ট প্ৰাৰ্থীৰ হকে ভোটদান কৰাত বা প্ৰচাৰ কৰাত, যিটো পদৰ দায়িত্ববোৰৰ সুদক্ষ নিৰ্বহণত জনসাধাৰণ স্বাৰ্থযুক্ত, 'ক'ই সদ্ বিশ্বাসত 'জ'ৰ আচৰণ সম্পৰ্কে যি কোনো ধৰণেই নহওঁক কিয়, কোনো অভিমত প্ৰকাশ কৰাটো মানহানি নহয়।

**চতুৰ্থ ব্যতিক্ৰম — ন্যায়ালয়ৰ কাৰ্যবাহীৰ প্ৰতিবেদন প্ৰকাশন** — ন্যায়ালয়ৰ কাৰ্যবাহীৰ, বা তেনে কোনো কাৰ্যবাহীৰ ফলাফলৰ, সাৰতঃ সত্য প্ৰতিবেদন এটা প্ৰকাশ কৰাটো মানহানি নহয়।

**স্পষ্টীকৰণ** - ন্যায়ালয়ত বিচাৰৰ প্ৰাৰম্ভিক ৰূপে খোলা ন্যায়ালয়ত তদন্ত কৰি থকা শান্তিৰক্ষাকাৰী দণ্ডাধীশ বা আন পদাধিকাৰী ধাৰাটোৰ অৰ্থৰ অন্তৰ্গত এটা ন্যায়ালয়।

**পঞ্চম ব্যতিক্ৰম — ন্যায়ালয়ত বিনিশ্চিত হোৱা গোচৰৰ গুণাগুণ বা সাক্ষীৰ আৰু আন জড়িত ব্যক্তিৰ আচৰণ** — সদ্ বিশ্বাসত ন্যায়ালয়ৰ দ্বাৰা বিনিশ্চিত হোৱা, চিভিল বা দাণ্ডিক, কোনো গোচৰৰ গুণাগুণ সম্পৰ্কে, বা এনে গোচৰত পক্ষ, সাক্ষী বা অভিকৰ্তাৰূপে কোনো ব্যক্তিৰ আচৰণ সম্পৰ্কে, বা তেনে ব্যক্তিৰ চৰিত্ৰ সম্পৰ্কে, যি কোনো ধৰণৰেই নহওঁক কিয়, কোনো অভিমত প্ৰকাশ কৰাটো মানহানি নহয়, যিমানদূৰ তেওঁৰ চৰিত্ৰ সেই আচৰণত প্ৰতীত হয়, আৰু তাতকৈ বেছি নহয়।

**দৃষ্টান্ত সমূহ**

(ক) 'ক' ই কলে— "মই ভাবো সেই বিচাৰটোত 'জ'ৰ সাক্ষ্য এনে পৰস্পৰ বিৰোধী যে তেওঁ নিশ্চয় নিৰ্বোধ বা অসৎ হব লাগিব"।

যদিহে তেওঁ সদ্ বিশ্বাসত এইটো কয় তেন্তে 'ক' ই ব্যতিক্ৰমটোৰ অন্তৰ্গত যিহেতু তেওঁ যিটো অভিমত ব্যক্ত কৰিছে সেইটো সাক্ষী হিচাপে 'জ'ৰ আচৰণত প্ৰতীত হোৱা - 'জ'ৰ চৰিত্ৰৰ সম্পৰ্কেহে কৰিছে, আৰু তাৰ বেছি নহয়।

(খ) কিন্তু যদি 'ক' ই কয় - "সেই বিচাৰত 'জ' ই দৃঢ়তাপূৰ্বক কৈছে সেইটো মই বিশ্বাস নকৰো কাৰণ মই তেওঁক এজন সত্যনিষ্ঠাহীন মানুহ বুলি জানো";

তেন্তে 'ক' এই ব্যতিক্ৰমটোৰ অৰ্ন্তগত নহয় যিহেতু 'জ'ৰ চৰিত্ৰৰ বিষয়ে তেওঁ যি মন্তব্য ব্যক্ত কৰিছে, সেইটো সাক্ষী হিচাপে 'জ'ৰ আচৰণৰ ওপৰত আধাৰিত এটা অভিমত নহয়।

**ষষ্ঠ ব্যতিক্ৰম - লোক কাৰ্য্য সম্পাদনৰ গুণাগুণ** - লিখকৰ দ্বাৰা জনসাধাৰণৰ বায়ৰ বাবে উপস্থাপন কৰা কোনো সম্পাদনৰ গুণাগুণ সম্পৰ্কে, বা এনে সম্পাদনত তেওঁৰ চৰিত্ৰ যিমানদূৰ পৰ্য্যন্ত হয়, সিমানখিনি পৰ্য্যন্ত লিখকৰ চৰিত্ৰ সম্পৰ্কে, আৰু তাতকৈ অধিক নহয়, সদ্ বিশ্বাসত কোনো অভিমত প্ৰকাশ কৰাটো মানহানি কৰা নহয়।

**স্পষ্টীকৰণ** - কোনো সম্পাদন জনসাধাৰণৰ বায়ৰ বাবে অভিব্যক্তভাৱে বা লিখকৰ এনে কাৰ্যৰ দ্বাৰা উপস্থাপন কৰিব পৰা যায় যি কাৰ্যই জন সাধাৰণৰ বায়ৰ বাবে তেনেদৰে উপস্থাপন কৰা বুলি বিবক্ষিত কৰে।

**দৃষ্টান্ত সমূহ**

(ক) কিতাপ প্ৰকাশ কৰা এজন ব্যক্তিয়ে সেই কিতাপখন জনসাধাৰণৰ বায়ৰ বাবে উপস্থাপন কৰে।

(খ) লোক সমক্ষত ভাষণ দিয়া ব্যক্তি এজনে সেই বক্তৃতাটো জনসাধাৰণৰ বায়ৰ বাবে উপস্থাপন কৰে।

(গ) ৰাজহুৱা মঞ্চ এখনত গুলোৱা অভিনেতা বা গায়ক এজনে তেওঁৰ অভিনয় বা গান জনসাধাৰণৰ বায়ৰ বাবে উপস্থাপন কৰে।

(ঘ) 'ক'ই 'জ'ই প্ৰকাশ কৰা কিতাপ এখনৰ বিষয়ে কলে "জ"ৰ কিতাপখন অজ্ঞতাপূৰ্ণ ; 'জ' নিশ্চয় এজন দুৰ্বল মানুহ হ'ব। 'জ'ৰ কিতাপখন অশিষ্টতাপুৰ্ণ, 'জ' নিশ্চয় এজন অসৎ মনৰ মানুহ হ'ব"। যদিহে তেওঁ সদ্ বিশ্বাসত এইটো কয়, তেন্তে 'ক' এই ব্যতিক্ৰমটোৰ অন্তৰ্গত, যিহেতু 'জ'ৰ বিষয়ে তেওঁ যি অভিমত ব্যক্ত কৰিছে সেইটো 'জ'ৰ কিতাপত 'জ'ৰ চৰিত্ৰ যিমানদূৰ পৰ্য্যন্ত প্ৰতীত হৈছে কেৱল সেইখিনিৰ সম্পৰ্কেহে, আৰু তাতকৈ অধিক নহয়।

(ঙ) কিন্তু যদি 'ক'ই কয় - "মই আচৰিত নহওঁ যে 'জ'ৰ কিতাপখন অজ্ঞতাপূৰ্ণ আৰু অশিষ্টতাপূৰ্ণ হৈছে, কাৰণ তেওঁ এজন দুৰ্বল মানুহ আৰু এজন লম্পট"। 'ক' ই ব্যতিক্ৰমটোৰ অন্তৰ্গত নহয়, যিহেতু 'জ'ৰ চৰিত্ৰৰ বিষয়ে তেওঁ যি অভিমত ব্যক্ত কৰিছে - সেইটো 'জ'ৰ কিতাপখনৰ ওপৰত আধাৰিত অভিমত নহয়।

**সপ্তম ব্যতিক্ৰম - আন এজনৰ ওপৰত বিধি সম্মত প্ৰাধিকাৰ থকা ব্যক্তিৰ দ্বাৰা সদ্ বিশ্বাসত কৰা তিৰস্কাৰ** - আন এজনৰ ওপৰত, হয় বিধিৰ দ্বাৰা প্ৰদান কৰা বা সেই অন্যজনৰ সৈতে কৰা বিধি সম্মত সংবিদাৰ পৰা উদ্ভূত, কোনো প্ৰাধিকাৰ থকা ব্যক্তি এজনে এনে বিধি সম্মত প্ৰাধিকাৰ সম্পৰ্কীয় বিষয়ৰ ক্ষেত্ৰত সেই অন্যজনৰ আচৰণৰ সদ্ বিশ্বাসত তিৰস্কাৰ কৰাটো মানহানি নহয়।

**দৃষ্টান্ত**

কোনো ন্যায়াধীশে কোনো সাক্ষী বা ন্যায়ালয়ৰ পৰাধিকাৰী এজনৰ আচৰণৰ সদ্ বিশ্বাসত

তিৰস্কাৰ কৰাটো ; বিভাগীয় প্ৰধান এজনে তেওঁৰ আদেশৰ বশবৰ্ত্তী সকলক সদ্ বিশ্বাসত তিৰস্কাৰ কৰাটো; পিতৃ বা মাতৃয়ে অন্য শিশুবোৰৰ উপস্থিতিত সদ বিশ্বাসত কোনো শিশুক তিৰস্কাৰ কৰাটো বিদ্যালয়ৰ শিক্ষকে, যিজনে পিতৃ-মাতৃৰ যি কোনো এজনৰ পৰা প্ৰাধিকাৰ প্ৰাপ্ত হৈছে, অন্য ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত সদ্ বিশ্বাসত ছাত্ৰ বা ছাত্ৰীক তিৰস্কাৰ কৰাটো; মালিক এজনে ভৃত্যক সেৱাৰ ক্ষেত্ৰত অমনোযোগিতাৰ বাবে সদ্ বিশ্বাসত তিৰস্কাৰ কৰাটো ; বেঙ্ক ব্যৱসায়ী এজনে তেওঁৰ বেঙ্কৰ কেচিয়াৰ এজনক এনে কেচিয়াৰৰূপে তেনে কেচিয়াৰৰ আচৰণৰ বাবে সদ্ বিশ্বাসত তিৰস্কাৰ কৰাটো এই ব্যতিক্ৰমৰ অন্তৰ্গত।

**অষ্টম ব্যতিক্ৰম – প্ৰাধিকৃত ব্যক্তিৰ ওচৰত সদ্ বিশ্বাসত দাখিল কৰা অভিযোগ** – কোনো ব্যক্তিৰ বিৰুদ্ধে অভিযোগৰ বিষয়বস্তুৰ সম্পৰ্কত যিবিলাকৰ সেই ব্যক্তিজনৰ ওপৰত বিধি সম্মত প্ৰাধিকাৰ আছে, তেনেবোৰৰ যি কোনো এজনৰ ওচৰত সদ্ বিশ্বাসত অভিযোগ দাখিল কৰাটো মানহানি নহয়।

## দৃষ্টান্ত সমূহ

যদি 'ক' ই দণ্ডাধীশ এজনৰ সম্মুখত সদ্ বিশ্বাসত 'জ' ৰ বিষয়ে অভিযোগ কৰে ; যদি 'ক'ই এজন ভৃত্য, 'জ'ৰ, আচৰণৰ বিষয়ে, 'জ'ৰ মালিকৰ ওচৰত সদ্ বিশ্বাসত অভিযোগ কৰে ; যদি 'ক' ই, এজন শিশু, 'জ'ৰ, আচৰণ সম্পৰ্কে, 'জ'ৰ পিতৃৰ ওচৰত সদ্ বিশ্বাসত অভিযোগ কৰে, তেন্তে 'ক' এই ব্যতিক্ৰমটোৰ অন্তৰ্গত হ'ব।

**নৱম ব্যতিক্ৰম – কোনো এজন ব্যক্তিয়ে তেওঁৰ নিজৰ বা আনৰ স্বাৰ্থ ৰক্ষাৰ্থে সদ্ বিশ্বাসত আৰোপ কৰা** - আন এজনৰ চৰিত্ৰৰ ওপৰত আৰোপ কৰাটো মানহানি নহয়, যদিহে আৰোপটো, সদ্ বিশ্বাসত এইটো কৰা ব্যক্তিজনৰ বা অন্য কোনো ব্যক্তিৰ স্বাৰ্থ ৰক্ষাৰ্থে, বা লোক হিতাৰ্থে কৰা হয়।

## দৃষ্টান্ত সমূহ

(ক) 'ক', এজন দোকানীয়ে, তেওঁৰ ব্যৱসায় পৰিচালনা কৰা, 'খ' ক কৈছে - "তেওঁ তোমাক নগদ ধন নিদিলে 'জ'ক কোনো বস্তু বিক্ৰী নকৰিবা, কাৰণ তেওঁৰ সততাৰ ওপৰত মোৰ কোনো ভাল অভিমত নাই"। 'ক' ব্যতিক্ৰমটোৰ অন্তৰ্গত, যদি তেওঁ 'জ'ৰ ওপৰত এই আৰোপটো তেওঁৰ নিজৰ স্বাৰ্থ ৰক্ষাৰ্থে সদ্ বিশ্বাসত কৰিছে।

(খ) 'ক', এজন দণ্ডাধীশে, তেওঁৰ নিজৰ উৰ্দ্ধতন বিষয়ালৈ প্ৰতিবেদন দিওঁতে, 'জ'ৰ চৰিত্ৰৰ ওপৰত আৰোপ কৰিছে। ইয়াত যদিহে আৰোপটো সদ্ বিশ্বাসত, আৰু লোকহিতাৰ্থে কৰা হৈছে, 'ক' এই ব্যতিক্ৰমটোৰ অন্তৰ্গত।

**দশম ব্যতিক্ৰম – যিজন ব্যক্তিক জনোৱা হয় তেওঁৰ মঙ্গলৰ বাবে বা জনসাধাৰণৰ মঙ্গলৰ বাবে অভিপ্ৰেত সতৰ্কতা** - এজন ব্যক্তিক আন এজন ব্যক্তিৰ বিৰুদ্ধে, সদ্ বিশ্বাসত, সতৰ্ক কৰাটো মানহানি নহয়, যদিহে তেনে সতৰ্কতা, যিজন ব্যক্তিক এইটো জনোৱা হয়, তেওঁৰ বা সেই ব্যক্তিজন স্বাৰ্থন্বিত হোৱা কোনোবা এজন ব্যক্তিৰ, বা জন সাধাৰণৰ মঙ্গলৰ বাবে, অভিপ্ৰেত হয়।

মানহানিৰ বাবে দণ্ড।

৫০০। যিয়ে, আন এজনৰ মানহানি কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

মানহানিকৰ বুলি জনা বিষয় মুদ্ৰিত কৰা বা খোদিত কৰা।

৫০১। যিয়ে, জানিও বা বিশ্বাস কৰিবলৈ ভাল কাৰণ থকাতো যে তেনে বিষয় কোনো ব্যক্তিৰ বাবে মানহানিকৰ এনে কোনো বিষয় মুদ্ৰিত কৰে বা খোদিত কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

মানহানিকৰ বিষয় থকা মুদ্ৰিত বা খোদিত বস্তু বিক্ৰী কৰা।

৫০২। যিয়ে, মানহানিকৰ বিষয় থকা কোনো মুদ্ৰিত বা খোদিত কৰা বস্তু ইয়াত এনে বিষয় থকা বুলি জানিও, বিক্ৰী কৰে বা বিক্ৰীৰ বাবে প্ৰস্তাৱ কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্যান্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

## অধ্যায় - ২২

### আপৰাধিক ভীতি প্ৰদৰ্শন, অপমান আৰু বিৰক্তিৰ বিষয়ে

অপৰাধিক ভাবুকি।

৫০৩। যিয়ে, আন এজনক তেওঁৰ শৰীৰ, সন্মান বা সম্পত্তিৰ বা সেই ব্যক্তিজন স্বাৰ্থন্বিত হোৱা এনে যি কোনো এজনৰ শৰীৰ বা সন্মানৰ কোনো অনিষ্ট, কৰিব বুলি ভাবুকি এই অভিপ্ৰায়েৰে বা তেওঁক বা এনে ভাবুকি দিয়াটো এৰাবৰ উপায় স্বৰূপে সেই ব্যক্তিজনৰ দ্বাৰা এনে কোনো কাম কৰোৱা যায় যি কামটো কৰিবলৈ তেওঁ বৈধৰূপে আবদ্ধ নহয়, বা এনে কোনো কাম কৰাত ত্ৰুটী কৰোৱা যায় যিটো কাম কৰিবলৈ সেই ব্যক্তিজন বৈধৰূপে হকদাৰ, তেওঁ আপৰাধিক ভীতি প্ৰদৰ্শন সংঘটিত কৰে।

**স্পষ্টীকৰণ** - ভাবুকি পোৱা ব্যক্তিজনে স্বাৰ্থন্বিত হোৱা কোনো মৃত ব্যক্তিৰ সন্মান হানি কৰিবলৈ দিয়া ভাবুকি এটাও এই ধাৰাটোৰ অন্তৰ্গত।

#### দৃষ্টান্ত

'ক' ই চিভিল বাদ এটাৰ অভিযোজন কৰাৰ পৰা বিৰত থাকিবলৈ 'খ'ক উৎপ্ৰেৰিত কৰাৰ উদ্দেশ্যে 'খ'ৰ ঘৰ পুৰি পেলাব বুলি ভাবুকি দিছে। 'ক' আপৰাধিক ভীতি প্ৰদৰ্শনৰ বাবে দোষী।

শান্তিভঙ্গ কৰিবলৈ প্ৰকোপিত কৰাৰ অভিপ্ৰায়েৰে অভিপ্ৰায় পূৰ্বক অপমান।

৫০৪। যিয়ে, কোনো ব্যক্তিক অভিপ্ৰায় পূৰ্বক অপমান কৰে, আৰু তাৰ দ্বাৰা সেই ব্যক্তিক এই অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানিও প্ৰকোপিত কৰে যে এনে প্ৰকোপনৰ দ্বাৰা তেওঁক লোক শান্তি ভঙ্গ কৰাৰ বা আন কোনো অপৰাধ সংঘটিত কৰাব তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

লোক অপকৰ্ম সাধনত সাহাৰ্য্যকাৰী বিবৃতি।

[১][৫০৫। [২][(১)] যিয়ে-

(ক) [৩][ভাৰত] ৰ কোনো সেনাবাহিনী, [৪][নৌ সেনা, বা বায়ুসেনাৰ] কোনো পদাধিকাৰী, সৈনিক, [৫][নাবিক বা বায়ু সৈনিকৰ] বিদ্ৰোহ ঘটোৱাৰ অভিপ্ৰায়েৰে, বা যাৰ দ্বাৰা এইটো সম্ভাব্য বা তেনেকৈ তেওঁৰ কৰ্তব্য অন্যথা অবহেলা কৰা বা কৰ্তব্য পালন কৰাত ব্যৰ্থ হয়; বা

(খ) জনসাধাৰণক বা জনসাধাৰণৰ কোনো ভাগত ভয় বা ত্ৰাস ওপজাব পাৰে যাৰ দ্বাৰা ব্যক্তিয়ে ৰাজ্যখনৰ বিৰুদ্ধে বা লোক প্ৰশান্তিৰ বিৰুদ্ধে অপৰাধ কৰিবলৈ উৎপ্ৰেৰিত হব পাৰে ; বা

(গ) ব্যক্তিবৰ্গৰ কোনো শ্ৰেণী বা সম্প্ৰদায় আন কোনো শ্ৰেণী বা সম্প্ৰদায়ৰ বিৰুদ্ধে কোনো অপৰাধ কৰিবলৈ উত্তেজিত কৰাৰ অভিপ্ৰায়েৰে,

---

১। ১৮৯৮ চনৰ ৪ নং অধিনিয়মৰ ধাৰা ৬ ৰ দ্বাৰা মূল ধাৰাৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৬৯ চনৰ ৩৫ নং অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা ৫০৫, সেই ধাৰাৰ উপধাৰা (১) হিচাপে পুনঃ সংখ্যায়িত কৰা হৈছে।

৩। বিধি অনুকুলন আদেশ, ১৯৫০ ৰ দ্বাৰা, (I) "হাৰ মাজেষ্টিৰ বা ইম্পিৰিয়েল চাৰ্ভিচ টপচৰ" বাবে প্ৰতিষ্ঠাপিত "মেজেশ্টী"ৰ পিছত থকা বা 'ৰয়েল ইণ্ডিয়ান" শব্দসমূহ ১৯৩৪ চনৰ ৩৪ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা লোপ কৰা হৈছে।

৪। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা "বা সেনা"ৰ বাবে প্ৰতিষ্ঠাপিত।

৫। একে অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা আৰু অনুসূচী ১ ৰ দ্বাৰা 'বা নাবিক"ৰ বাবে প্ৰতিষ্ঠাপিত।

এনে কোনো বিবৃতি, উৰা বাতৰি বা প্ৰতিবেদন ৰচনা কৰে, প্ৰকাশ কৰে বা প্ৰচাৰ কৰে, তেওঁ কাৰাবাসেৰে, যাৰ অৱধি [1][তিনি বছৰ] পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

[2][(২) বিভিন্ন শ্ৰেণীৰ মাজত শত্ৰুতা, ঘৃণা বা দ্বেষ জন্মোৱা বা অভিবৃদ্ধি কৰা বিবৃতি - যিয়েই উৰা বাতৰি, ত্ৰাসকাৰী বাতৰি অন্তৰ্বিষ্ট কৰা কোনো বিবৃতি বা প্ৰতিবেদন এই অভিপ্ৰায়েৰে বা যাৰ দ্বাৰা এইটো সম্ভাব্য যে বিভিন্ন ধৰ্মীয়, মূলবংশীয় ভাষা, আঞ্চলিক গোষ্ঠী সমূহ বা জাতিসমূহ বা সম্প্ৰদায় সমূহৰ মাজত শত্ৰুতা, ঘৃণা বা দ্বেষৰ চিন্তা, ধৰ্ম মূলবংশ, জন্মস্থান, নিবাস স্থান, ভাষা বা সম্প্ৰদায়ৰ আধাৰত জন্মায় বা অভি বৃদ্ধি কৰে, ৰচনা কৰে, প্ৰকাশিত কৰে বা প্ৰচাৰ কৰে, তেওঁ কাৰাবাসেৰে, যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে দণ্ডিত হব।

(৩) উপাসনাৰ স্থান আদিত সংঘটিত কৰা উপধাৰা (২) ৰ অধীনৰ অপৰাধ - যিয়েই উপধাৰা (২)ত বিনিৰ্দিষ্ট অপৰাধ কোনো উপাসনাৰ স্থনত বা ধৰ্মীয় উপাসনা বা ধৰ্মীয় অনুষ্ঠানত নিযুক্ত হোৱা কোনো সমাবেশত কৰে, তেওঁ কাৰাবাসেৰে, যাৰ অৱধি পাঁচ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।]

**ব্যতিক্ৰম**- এনে কোনো বিবৃতি, উৰা বাতৰি বা প্ৰতিবেদন এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত অপৰাধৰ পৰ্য্যায়ত নপৰে, যেতিয়া সেইটো ৰচনা কৰা, প্ৰকাশ কৰা বা প্ৰচাৰ কৰা ব্যক্তিজনৰ যুক্তিযুক্ত আধাৰ থাকে যে এনে বিবৃতি, উৰা বাতৰি বা প্ৰতিবেদন সত্য আৰু [3][তেওঁ সদ্ভাবপূৰ্বক আৰু পূৰ্বোক্ত এনে অভিপ্ৰায় বিনা] ৰচনা কৰিছে, প্ৰকাশিত কৰিছে বা প্ৰচাৰ কৰিছে।

**আপৰাধিক ভীতিপ্ৰদৰ্শনৰ বাবে দণ্ড।**

৫০৬। যিয়ে, আপৰাধিক ভীতি প্ৰদৰ্শনৰে অপৰাধটো কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

যদি ভাবুকি মৃত্যু বা গুৰুতৰ আঘাত আদি ঘটোৱাৰ বাবে হয় - আৰু যদি ভাবুকিটো মৃত্যু বা গুৰুতৰ আঘাত ঘটোৱাৰ বাবে হয় বা কোনো সম্পত্তি জুই জ্বলাই নষ্ট কৰাৰ বাবে, বা মৃত্যুৰে বা [4][আজীৱন কাৰাবাস] ৰে, বা সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পৰা কাৰাবাসেৰে দণ্ডণীয় কোনো অপৰাধ কৰাৰ বাবে, বা কোনো নাৰীক অসতীত্ব আৰোপ কৰাৰ বাবে হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**বেনামী পত্ৰযোগে আপৰাধিক ভীতি প্ৰদৰ্শন।**

৫০৭। যিয়ে, বেনামী পত্ৰ যোগাযোগৰ দ্বাৰা, বা যিজন ব্যক্তিৰ দ্বাৰা ভাবুকিটো দিয়া হৈছে তেওঁৰ নাম বা বাসস্থান গোপনে ৰখাৰ বাবে সতৰ্কতা অবলম্বন কৰি, আপৰাধিক ভীতি প্ৰদৰ্শনৰ অপৰাধটো কৰে, তেওঁ অন্তিম পূৰ্ববৰ্তী ধাৰাত উপবন্ধিত দণ্ডৰ উপৰিও দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব।

**তেওঁক দৈৱিক অপ্ৰসন্নতাৰ পাত্ৰলৈ পৰিণত কৰিব বুলি বিশ্বাস কৰিবলৈ উৎপ্ৰেৰিত কৰি কৰা কাৰ্য্য।**

৫০৮। যিয়ে, কোনো ব্যক্তিক এনে কোনো কাৰ্য্য কৰিবলৈ স্বেচ্ছাপূৰ্বক কৰোৱায় বা কৰোৱাবলৈ প্ৰয়াস কৰে, যিটো কাৰ্য্য কৰিবলৈ সেই ব্যক্তিজন বিধি অনুসৰি আবদ্ধ নহয় বা এনে কোনো কাৰ্য্য কৰাত ত্ৰুটী কৰোৱায় যিটো কাৰ্য্য কৰিবলৈ বিধি অনুসৰি তেওঁ হকদাৰ, সেই ব্যক্তিজনক এনেদৰে বিশ্বাস কৰিবলৈ উৎপ্ৰেৰিত কৰি বা উৎপ্ৰেৰিত কৰিবলৈ প্ৰয়াস কৰি যে তেওঁ বা তেওঁ স্বাৰ্থন্বিত হোৱা যিকোনো ব্যক্তি দৈৱিক অপ্ৰসন্নতাৰ পাত্ৰ হব বা অপৰাধীজনৰ কোনো কাৰ্যৰ দ্বাৰা দৈৱিক অপ্ৰসন্নতাৰ পাত্ৰত পৰিণত কৰা হব, যদিহে তেওঁ সেই কাৰ্যটো নকৰে যিটো তেওঁৰ দ্বাৰা কৰাবলৈ অপৰাধীজনৰ উদ্দেশ্য, বা যদিহে তেওঁ সেই কাৰ্যটো কৰে, যিটো কৰিবলৈ ত্ৰুটী কৰোৱাটো অপৰাধীজনৰ উদ্দেশ্য, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

---

১। ১৯৬১ চনৰ ৪১ নং অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা "দুবছৰ"ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৬৯ চনৰ ৩৫ নং অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। ১৯৬৯ চনৰ ৩৫ নং অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা অন্তঃস্থাপিত।

৪। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

**দৃষ্টান্ত সমূহ**

(ক) 'ক' ই 'জ'ৰ দুৱাৰ মুখত ধৰ্ণা ধৰি বহিলে, তেনেনৰে বহি, এনেদৰে বিশ্বাস কৰাৰ অভিপ্ৰায়েৰে যে তেওঁ 'জ'ক দৈৱিক অপ্ৰসন্নতাৰ পাত্ৰত পৰিণত কৰিছে। 'ক' ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিছে।

(খ) 'ক' ই 'জ' ক এনেদৰে ভাবুকি দিলে যে যদিহে 'জ' ই এটা নিৰ্দিষ্ট কাৰ্য্য সম্পাদন নকৰে, তেন্তে 'ক'ই 'ক'ৰ নিজৰ সন্তানবোৰৰ এজনক বধ কৰিব, এনে পৰিস্থিতিত এনেদৰে বিশ্বাস কৰা হব যে বধটোৰ পৰিণামত 'জ' দৈৱিক অপ্ৰসন্নতাৰ পাত্ৰত পৰিণত হৈছে। 'ক'ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিছে।

নাৰী এগৰাকীৰ শালীনতা ভঙ্গ কৰাৰ অভিপ্ৰায়েৰে কৰা শব্দ, অঙ্গিভঙ্গি বা কাৰ্য্য।

৫০৯। যিয়ে, কোনো নাৰীৰ শালীনতা ভঙ্গ কৰাৰ অভিপ্ৰায়েৰে, কোনো শব্দ উচ্চাৰণ কৰে, কোনো ধ্বনি বা অঙ্গিভঙ্গি কৰে, বা কোনো বস্তু প্ৰদৰ্শন কৰে, এনে এটা অভিপ্ৰায়েৰে যে তেনে নাৰী গৰাকীয়ে তেনে শব্দ বা ধ্বনি শুনিব বা তেনে অঙ্গিভঙ্গি বা বস্তু দেখা পাব, বা তেনে নাৰীৰ গোপনীয়তা অতিক্ৰম কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে, যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হব।

মাতাল ব্যক্তিৰ দ্বাৰা সাৰ্বজনিক স্থানত অসদাচৰণ।

৫১০। যিয়ে, মাতাল অৱস্থাত, কোনো সাৰ্বজনিক স্থানত বা এনে কোনো স্থানত য'ত প্ৰবেশ কৰাটো তেওঁৰ পক্ষে অনধিকাৰ প্ৰবেশ আৰু তাত তেওঁ নিজে এনেদৰে আচৰণ কৰে যে তেওঁ কোনো ব্যক্তিক বিৰক্তহে কৰিছে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে, যাৰ অৱধি চৌবিশ ঘণ্টা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি দহ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব।

## অধ্যায় - ২৩

### অপৰাধ কৰিবলৈ প্ৰয়াস কৰাৰ বিষয়ে

আজীৱন কাৰাবাসৰে বা আন কাৰাবাসৰে দণ্ডণীয় অপৰাধ কৰিবলৈ প্ৰয়াস কৰাৰ বাবে দণ্ড।

৫১১। যিয়ে, এই সংহিতাৰ দ্বাৰা [1][আজীৱন কাৰাবাস] ৰে বা কাৰাবাসৰে দণ্ডণীয় অপৰাধ কৰিবলৈ প্ৰয়াস কৰে, বা তেনে অপৰাধ এটা সংঘটিত কৰোৱাবলৈ প্ৰয়াস কৰে, আৰু এনে প্ৰয়াস কৰোতে অপৰাধটোৰ সংঘটনৰ বাবে কোনো কাৰ্য্য কৰে, তেওঁ যি ক্ষেত্ৰত তেনেদৰে প্ৰয়াস কৰাৰ বাবে দণ্ড দিবলৈ এই সংহিতাৰ দ্বাৰা কোনো অভিব্যক্ত উপবন্ধ কৰা নাই, তেনে ক্ষেত্ৰত

[2][সেই অপৰাধৰ বাবে উপবন্ধিত কোনো প্ৰকাৰৰ সেই অৱধিৰ বাবে যি, যথাস্থিতি আজীৱন কাৰাবাসৰ আধা পৰ্য্যন্ত বা সেই অপৰাধৰ বাবে উপবন্ধিত দীৰ্ঘতম অৱধিৰ আধা পৰ্য্যন্ত বা সেই অপৰাধৰ বাবে উপবন্ধিত দীৰ্ঘতম অৱধিৰ আধা পৰ্য্যন্ত হব পাৰে] বা সেই অপৰাধৰ বাবে উপবন্ধিত জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**দৃষ্টান্ত সমূহ**

(ক) 'ক' ই বাকচ এটা ভাঙি খুলি বস্তু কিছুমান চুৰি কৰিবলৈ প্ৰয়াস কৰিলে, আৰু তেনেদৰে খোলাৰ পাছত দেখিলে যে তাৰ ভিতৰত কোনো বস্তু নাই। তেওঁ চুৰি কৰাৰ বাবে কাৰ্য্য কৰিলে, আৰু সেই কাৰণে এই ধাৰাৰ অধীনত দোষী।

(খ) 'ক' ই 'জ'ৰ পকেটত তেওঁৰ হাতখন হেঁচি সুমুৱাই দি 'জ'ৰ পকেট মাৰিবলৈ প্ৰয়াস কৰিলে। 'জ'ৰ পকেটত একো নথকাত 'ক'ৰ প্ৰয়াসটো সফল নহল।

'ক' এই ধাৰাৰ অধীনত দোষী।

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত।

২। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা মূল শব্দৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।